কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি

পৰিবৰ্দ্ধিত আৰু পৰিশোধিত ২য় সংস্কৰণ



শ্ৰীঅম্বিকাচৰণ চৌধুৰী

ৰত্নপীঠ প্ৰকাশন
বঙাইগাঁও : অসম

KOCH-RAJBONSHI JATIR ITIHAS ARU SANSKRITI

(2nd Revised & Enlarged Edition.)

A historic-cultural introduction of the Koch-Rajbonshi peoples of Asia with special reference to greater Assam from the Pre-Vedic age to 1950 A. D. in Assamese Language ; written by Principal. Sri Ambika Choran Choudhury, Bongaigaon (Assam).

Price Rs. 50/—

প্ৰকাশক
শ্ৰীপ্ৰদ্যুৎ প্ৰকাশ চৌধুৰী
ৰত্নপীঠ প্ৰকাশন
বঙাইগাঁও (অসম)

প্ৰথম প্ৰকাশ
জুন, ১৯৬৯ ইং চন

২য় প্ৰকাশ
বিষুৱা
এপ্ৰিল, ১৯৯৩ ইং

মূল্য :- ৫০.০০ (পঞ্চাশ) টকা

মুদ্ৰণত :
কথা প্ৰিণ্টাৰ্চ,
বঙাইগাঁও (অসম)



উছৰ্গা

পিতৃভূমি পূৰ্ব্বাঞ্চলৰ
সন্তানেৰে ৰচিত হোৱা এই
"কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি"
খনিক মোৰ পূজ্যপাদ পিতৃদেৱ ৺নৰেশ্বৰ
চৰকাৰৰ পৱিত্ৰ স্মৃতিত
নিঃকিণ পুত্ৰৰ ভক্তি
অৰ্ঘ্য অৰ্পিলো।

জ্যেষ্ঠ সন্তান
অম্বিকা

The Source of all 'Isms'
Is existentialism—
no existence,
no 'Ism'.

সকলো 'মতবাদ'ৰ (Ism) গুড়িতেই হৈছে জীৱনবাদ (existentialism) ; য'ত অস্তিত্ব নাই— তাত মতবাদো নাই।

গুণহীন দ্রব্য যেমন ভাবা যায়না—
বৈশিষ্ট্যহীন ব্যক্তি ও গোষ্ঠী
তেমন থাকেনা।

—শ্রীশ্রীঠাকুর

২য় সংস্কৰণৰ আগকথা

ইং ১৯৬৯ চনৰ জুন মাহত প্ৰায় ২০০ পৃষ্ঠাৰ ভিতৰত সীমিত কৰি "কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি" নামক গ্ৰন্থ খনিৰ প্ৰথম প্ৰকাশৰ প্ৰতিলিপি সমূহ কেতিয়াবাই শেষ হৈছে। আগ্ৰহী পাঠক ৰাইজৰ যথেষ্ট চাহিদা থকা সত্বেও আৰ্থিক তথা নানান অসুবিধাত দ্বিতীয় সংস্কৰণটি উলিয়াব পৰা নাছিলো। এই গ্ৰন্থখনিৰ বাবে ক্ৰমশঃ বাঢ়ি অহা দাবীৰ হেচাত, ভালেমান নতুন নতুন তথ্য পাতি ইতিমধ্যে দৃষ্টিগোচৰ হোৱাত আৰু কালৰ দুৰন্ত প্ৰভাৱত পৰিবৰ্ত্তিত দৃষ্টিভঙ্গীৰ লগত সঙ্গতি ৰাখি পৰিশোধিত আৰু পৰিবৰ্দ্ধিত আকাৰত ৪৩৫ পৃষ্ঠাত এই গ্ৰন্থখনি সীমিত কৰি প্ৰস্তাৱিত দ্বিতীয় সংস্কৰণটি আগবঢ়োৱা হ'ল। প্ৰথম সংস্কৰণটিৰ আগকথাখিনি গ্ৰন্থ খনিৰ শেষত সন্নিবিষ্ট কৰা হ'ল (পৰিশিষ্ট—১)। লগতে ১ম সংস্কৰণৰ গ্ৰন্থখনিৰ ওপৰত বিশিষ্ট আৰু পণ্ডিত ব্যক্তি কেইজনমানে আগবঢ়োৱা অভিমত সমূহৰ আংশিক উদ্ধৃতিও সন্নিবিষ্ট কৰা হ'ল (পৰিশিষ্ট— ২)। এই গ্ৰন্থখনি প্ৰস্তুত কৰোতে সহায়কাৰী গ্ৰন্থ সমূহৰো তালিকা সন্নিবিষ্ট কৰা হ'ল (পৰিশিষ্ট— ৩)। গ্ৰন্থখনিৰ কলেবৰ আৰু বিক্ৰী মূল্য বৃদ্ধিৰ আশঙ্কাত ভালেমান প্ৰয়োজনীয় ফটো, মানচিত্ৰ আদি দিয়াৰ পৰা বিৰত থাকিব লগা হ'ল।

প্ৰস্তাৱিত এই দ্বিতীয় সংস্কৰণটি পৰিশোধিত আৰু পৰিবৰ্দ্ধিত ৰূপত হ'লেও সমগ্ৰ এচিয়া মহাদেশৰ বৃহৎ আৰু সুপ্ৰাচীন কোচ-ৰাজবংশী গোষ্ঠীৰ পূৰ্ণাঙ্গ ইতিহাস নহয় বৰং থূল-মূল আভাসহে; যদিও ইয়াত প্ৰাক-বৈদিক-যুগৰ পৰা আৰম্ভ কৰি ইং ১৯৫০ চনলৈকে অৰ্থাৎ প্ৰায় চাৰি হাজাৰ বছৰ মাঙুৰি কোচ-ৰাজবংশীসকলৰ চকুৰ পচাৰতে ধাৰাবাহিক পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। এই গোষ্ঠীৰ লোক সকলৰ সংস্কৃতিৰ ওপৰতো এখনি বৃহৎ গ্ৰন্থ প্ৰণয়নৰ মূল্যবান

সমল সমূহ য'তে ত'তে অনাদৃত ভাবে পৰি আছে, তাৰ ওপৰত প্ৰলেপ পৰিছে আৰু বিকৃত ৰূপত কিছু কিছু প্ৰচাৰিত হৈ আছে। অনুসন্ধিৎসু অধ্যয়নকাৰীৰ বাবে কোচ-ৰাজবংশীৰ সংস্কৃতিৰ ওপৰত এটি চমু পৰিচয়জ্ঞাপক বৰ্ণনাৰে পথ মুক্ত কৰি দিয়া হ'ল মাথোন।

দেখা যায় Govt. of India Act. 1935 আৰু The Indian Independence Act. 1947 দুখনৰ আধাৰত ভাৰতৰ শাসন ক্ষমতা এমুঠি বুদ্ধিজীৱিৰ হাতত, যি সকলৰ অধিকাংশই তথাকথিত উচ্চ বৰ্ণ বা জাতিৰ বা সমাজ ব্যৱস্থাত চিৰকালেই উচ্চ আসনৰ দাবীদাৰ শ্ৰেণীৰ পৰা আগত, নেতৃবৃন্দৰ হাতত হস্তান্তৰিত হয়। স্বাধীন ভাৰতৰ এই নেতাসকলৰ ৰাজত্ব কালতেই উত্তৰ পূৰ ভাৰতৰ কোচ-ৰাজবংশী সকলৰ সামগ্ৰিক ভাবে চৰম ক্ষতি সাধিত হয়। সুপ্ৰাচীন কোচ-ৰাজবংশী সকলৰ চ'ৰা ঘৰ ওৰফে 'দেহুৰী' বা 'দাড়ি' ঘৰ (Drawing Room) সদৃশ ৰংপুৰ জিলাখনক লোকপ্ৰিয় ৺গোপীনাথ বৰদলৈৰ দিনত পূৰ পাকিস্তানলৈ এৰি দিয়া; লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ দিনত বৰ অসমৰ 'গুৰুদ্বাৰ স্বৰূপ' কোচবিহাৰ মধুপুৰক পশ্চিম বঙ্গদেশৰ সৈতে চামিল কৰণ আৰু সৰ্ব্বশেষত কোচ-ৰাজবংশী অধ্যুষিত একালৰ দৰং জিলা, কামৰূপ জিলাৰ উত্তৰাংশ আৰু গোৱালপাৰা জিলাৰ উত্তৰাংশ অঞ্চলক সাঙুৰি যোৱা ২০ ফেব্ৰুৱাৰীত (ইং ১৯৯৩ চন) বৃহৎ বড়ো গোষ্ঠীৰ এক তৃতীয়াংশ উপ গোষ্ঠীৰ লোকৰ অসন্তুষ্টিক সন্তুষ্ট কৰিবলৈ দুই-তৃতীয়াংশ একে বৃহৎ বড়ো গোষ্ঠীৰ অন্তৰ্ভুক্ত কোচ-ৰাজবংশী সকলৰ অস্তিত্ব বিপন্ন কৰি বৰ্ত্তমানেও সাৰ্বভৌমিত্ব অবিকল মাথোঁ এটা 'পেণ্ডৰাচ বক্স' (Pendora's Box) বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়াৰ দিনত সৃষ্টি হ'ল আৰু বৃহৎ বড়ো গোষ্ঠীৰ লোক সকলক টুকুৰা-টুকুৰি

করার বীজ রোপনো করা হ'ল। মহান রঞ্জন-নীতি অর্থাৎ রাজনীতি নিকৃষ্ট কূট-নীতিত পরিণত হ'ল। ফলত স্বাধীনোত্তর কালর এই ভিনি পাত মারনাস্ত্রর 'Most unkindest cut' অর্থাৎ চরম আঘাতত সুপ্রাচীন কোচ-রাজবংশী লোক সকলক স্মৃতির যাদু ঘরত রখাবো সু-ব্যরস্থা হ'ল। প্রতিকারার্থে এই ক্ষুদ্র অসমর কোচ-রাজবংশী সকলক তৎকালেই সাংবিধানিক সুরক্ষা নিদিলে 'বর অসমর' কল্পনা দূরবে কথা ক্ষুদ্র অসমরেই অস্তিত্ব ভবিষ্যৎ ভয়ানক ভাবে বিপদাপন্ন হোৱার সম্ভাৱনাই অধিক হ'ল।

এই পৃথিবীত এনে কোনো বস্তু বা দ্রব্য বা জীব নাই' যার গুণ নাই; সেইদরে পৃথিবীত এনে কোনো ব্যক্তি বা গোষ্ঠী নাই যার বৈশিষ্ট্য নাই। গুণহীন দ্রব্যর কথা যিদরে অকল্পনীয়, বৈশিষ্ট্যহীন ব্যক্তি-সমষ্টির কথাও সিদরে অব্যাতীত। বৈশিষ্ট্যই ব্যক্তির পরিচয় হোৱার দরেই নির্দিষ্ট কেইটিমান বৈশিষ্ট্যর সমষ্টিয়েই গোষ্ঠীরো পরিচয়। 'গোষ্ঠী' শব্দটোর উৎপত্তি হৈছে 'গাত্র' শব্দর পরা। 'গাত্র' মানে 'গা' বা শরীর। কোনো এজনর শরীরর পরা উৎপত্তি হোৱাবোরকেই অর্থাৎ একে পিতৃ-পুরুষর বংশজঃ সন্তানবোরকেই সেইজন্য পিতৃ-পুরুষর গোত্রজঃ সন্তান বোলা হয়। যেনে কাশ্যপ মুনির পরা জন্ম বা উদ্ভৱ হোৱা বংশর ধারাটোক কাশ্যপ গোত্র, ভরদ্বাজ গোত্র, শাণ্ডিল্য গোত্র, বশিষ্ঠ গোত্র ইত্যাদি। দ্বিতীয়তে এই পৃথিবীত কোনো ব্যক্তিয়েই নিজকে 'সরু', হীন বা 'তল খাপর' বুলি পরিচয় দিবর ইচ্ছা নকরে; সেয়ে শ্রেষ্ঠ বা শ্রেষ্ঠলোকে সিকোনো বিখ্যাত ব্যক্তি, দেৱতা, অসুর বা দানব তেনে কোনো [illegible] নিজকে [illegible] বংশধর বুলি পরিচয় দিয়াত আগ্রহী; ই ইতিহাস প্রমাণিত। আমার ইতিহাসত ইন্দ্র বংশী, [illegible] বংশী; সূর্য্য-বংশী, চন্দ্র বংশী, [illegible] ইত্যাদি [illegible] [illegible] [illegible] যায়। ইয়ো গোষ্ঠী [illegible] পরিচায়ক। এই [illegible] [illegible] [illegible] [illegible] [illegible] যেনে এই [illegible] [illegible]

যি কিছু সৃষ্টি হৈছে সকলোটিয়েই এটি বিশেষ অৱস্থাৰ ভিতৰেদি এটি বিশেষ পৰিণতিহে। এই বিশেষত্ব বা বৈশিষ্ট্য প্ৰতিটি বস্তুসত্তা আৰু জীৱসত্তাৰ ভিতৰতেই বিদ্যমান। গুণক বাদ দি পদাৰ্থৰ অস্তিত্ব নাই ; বৈশিষ্ট্যক বাদ দিও ব্যক্তিৰ অস্তিত্ব নাই। দাহিকা শক্তিক বাদ দি অগ্নিৰ অস্তিত্ব অকল্পনীয়। এই শক্তিয়েই অগ্নিৰ বৈশিষ্ট্য। প্ৰাণী জগততো এই স্ব স্ব বৈশিষ্ট্য বিদ্যমান যাক জন্মগত সংস্কাৰৰ ভিতৰেদি অৰ্জিত হয়। কাৰণ প্ৰত্যেক কৰ্মৰেই কৰ্তাজনৰ মস্তিষ্কৰ কোষবোৰ ত ছাপ অনুলিখিত (imprinted) হয়। ইয়াৰ ফলত কৰ্মানুসৰি সংস্কাৰবো বিশেষ ধাৰা গঢ়ি উঠে। একে জাতীয় সংস্কাৰৰ বিশেষ গুণবোৰক লৈয়েই এটি এটি পৃথক গুচ্ছ ৰচিত হয়। সৰল অৰ্থত এই গুচ্ছই হৈছে 'জাতি'। যি গুচ্ছ বা গোষ্ঠীভুক্ত লোক সমষ্টিৰ বা জাতিৰ ইতিহাস নাই ; সেই জাতিৰ পৰিচয়ো নাই। যাৰ পৰিচয় নাই তাৰ ঐতিহ্য লুপ্ত, বৈশিষ্ট্য বিকৃত আৰু কৃষ্টি অপকৃষ্টিত নিমজ্জিত হ'লে মানুহ পৰাশ্ৰয়ী অৰ্থাৎ পৰজীৱি হয়। যাৰ ইতিহাস যিমান প্ৰাচীন আৰু ব্যাপক তেওঁলোকৰ বৈচিত্ৰ্যতাও সিমানেই বেছি প্ৰকট, বহুমুখী আৰু সৰ্ব্বব্যাপী। অৱশ্যে এই বৈচিত্ৰ্যতা আৰু ব্যাপকতাৰ মাজেদিও অন্তঃসলীলা ফল্গুধাৰাৰ দৰে গোত্ৰ পিতৃৰ বা বংশপতিৰ ধাৰাটো প্ৰবাহিত হৈ থাকে। সেই সুপ্ত বংশৰ ধাৰাটোক অনুকূল পৰিবেশৰ দ্বাৰা পৰিপোষণ আৰু পৰিবৰ্দ্ধন কৰিব পাৰিলে যিবোৰ মহৎ গুণাৱলীৰ বলত তেওঁলোকৰ পূৰ্ব্বপুৰুষ সকলে দূৰন্ত কালৰ নিৰ্ম্মম ঘাত-প্ৰতিঘাতত আজিও নিচিহ্ন নোহোৱাকৈ থাকিব পাৰিছে আৰু ইতিহাস ৰচনা কৰিব পাৰিছে— সেই শুভ দায়িনী গুণাৱলীক পুনৰায় জাগ্ৰত কৰি তুলিবৰ সম্ভাৱনা বেছিকৈ থাকে। সেয়ে ইতিহাস চৰ্চা একান্ত আৰু মহৎ কৰ্তব্য। কাৰণ: মহাজাতিকৰণ-পৰিস্থিতিৰ দৈন্যতা

আৰু বিকৃতি য'ত যিমান বেছি-বিৰোধ, বিদ্ৰোহ আৰু যুদ্ধ-বিগ্ৰহৰ সম্ভাৱনাও তাত সিমানেই বেছি। সহজাত বৈশিষ্ট্যক ধ্বংস কৰি শ্ৰেণী বিলোপন কাৰ্য্যই বা চিন্তাধাৰাই সমাজতন্ত্ৰবাদৰ প্ৰধান শত্ৰু; ইয়াৰ ফলত মানুহ বিক্ষিপ্ত বৈশিষ্ট্যৰ অধিকাৰী হৈ প্ৰবৃত্তি সংক্ষুব্ধ হ'বলৈ বাধ্য হয়। ই সামগ্ৰিক ভাবে সকলোৰে ক্ষতিকাৰক হোৱাৰ উপৰিও বৈদিক যুগৰ পৰা ভাৰত ভূমিত প্ৰচণ্ড প্ৰভাৱ বিস্তাৰ কৰি অহা জাতি-ভাগ প্ৰথাৰ পৰিপন্থী মতবাদ।

প্ৰস্তাবিত দ্বিতীয় সংস্কৰণৰ গ্ৰন্থখনিত স্থান পোৱা বিৱৰণী সমূহ আচলতে ইতিপূৰ্ব্বে বিভিন্ন আলোচনীত প্ৰকাশিত 'প্ৰবন্ধাৱলীৰ সংকলন বুলিব পাৰি। সেয়ে ঠায়ে ঠায়ে দ্বিৰুক্তিৰ দোষত অভিযুক্ত হোৱাৰ সম্ভাৱনা থাকিলেও এচিয়া তথা ভাৰতৰ আৰু বিশেষকৈ প্ৰাচীন কামৰূপ-কামতা তথা বৰ অসমৰ ভূমিপুত্ৰ কোচ-ৰাজবংশী সকলৰ এখনি বৈজ্ঞানিক আৰু ধাৰাবাহিক ইতিহাস ৰচনাৰ বাবে প্ৰয়োজনীয় সম্বলৰ সম্পূৰ্ণ অভাৱ পূৰণ নকৰিলেও বহু অনাচৰ্চ্চিত তথ্য ভঁড়ালৰ সন্ধান দিব পাৰিব। সেই দৃষ্টিত গৱেষক সকলৰ বাবে এই গ্ৰন্থখনি 'সহায়ক গ্ৰন্থ', ৰূপে বিবেচিত হ'ব নিশ্চয়। কাকত আৰু চিয়াহীৰ বৰ্ত্তমান আকাশ চুম্বী চৰা দাম, ছপাশালত বিজুলী-শক্তিৰ লুকা-ভাকু খেল, ছপাশালৰ কৰ্ম্মীৰ বৰ্ণাশুদ্ধিত অনভিজ্ঞতা আৰু শৈথিল্যতা, শ্ৰমিক অশান্তি আৰু অৰ্থাভাৱত পিষ্টিত ছপাশালৰ মালিকৰ দুৰাৱস্থা এইবোৰেই মফচল অঞ্চলৰ ক্ষুদ্ৰ ছপাশালবোৰৰ চৰিত্ৰ। ইয়াৰ ফলত বৰ্ণাশুদ্ধি বিহীন সুবিন্যাসিত আৰু দেখনিয়াৰকৈ গ্ৰন্থখনি প্ৰকাশ কৰাৰ আশাটো দুৰাশাত পৰ্য্যবসিত হ'ল— এই কথা দুখেৰে প্ৰকাশ কৰিলো। ছপাশালে যি মানদণ্ডৰে গ্ৰন্থখনি উলিয়াই দিলে তাকে গ্ৰহণ কৰাৰ বাহিৰে গ্ৰন্থকাৰৰ বিকল্প নাথাকিল।

আচলতে নকৰাকৈ পোৱাৰ আশা, কম পৰিশ্ৰম কৰি অধিক পোৱাৰ মানসিকতা আৰু কোনো ৰকমে দায় এৰা চিন্তাধাৰা 'সুন্দৰে সমাপন' লক্ষ্যৰ পৰিপন্থী। ইয়াৰ ফলত গ্ৰন্থখনিত থকা বিষয় বস্তুৰ চাৰিত্ৰিক বৈশিষ্ট্যতাৰ সৈতে সঙ্গতি ৰক্ষা কৰি নামাকৰণ কৰা নিৰ্ণায়ক অধ্যায় প্ৰদানৰ ক্ষেত্ৰত লক্ষণীয় ভাবে ছাপাৰ ক্ৰটি থাকি গ'ল; বিশেষকৈ দশম অধ্যায়ৰ পিছৰ পৰা। অৱশ্যে গ্ৰন্থখনিত থকা সকলোবোৰ বিষয় বস্তুৰ ধাৰাবাহিকতা আৰু বিন্যৱণীৰ কোনো হীন দেৰী ঘটা নাই; মাথো অধ্যায় চিহ্নিত কৰণৰ ক্ষেত্ৰতহে মুদ্ৰণালয়ৰ বিভ্ৰুতিত এয়া ঘটিবলৈ পালে। ইয়াৰ বাবে প্ৰকাশকো আংশিক দায়ী; তীক্ষ্ণ দৃষ্টি নথকাৰ বাবে। অৱশ্যে বিষয়-বস্তুৰ সূচীপত্ৰই অধ্যায়ৰ উপযুক্ত চিহ্নিত কৰণৰ এই অভাৱটোক আতৰ কৰাত সহায়ক হৈছে। নানান প্ৰতিকূল পৰিবেশৰ মাজতো স্থানীয় 'কমা প্ৰিণ্টাৰ্চ'ৰ মালিক-পৰিচালক দম্পতিদ্বয় শ্ৰীমান প্ৰদীপ কুমাৰ ৰায় আৰু শ্ৰীমতী অনিমা ৰায়ৰ বিশেষ আগ্ৰহ আৰু পৰিশ্ৰমৰ ফলতহে এই গ্ৰন্থখনিৰ ছপা কাৰ্য্য সম্ভৱ হৈছে। লগতে ছপাশালৰ কৰ্ম্মী সৰ্ব্বশ্ৰী-নিখিল চৌধুৰী, অমৰ ৰায়ৰ, পৰিশ্ৰম আৰু বন্ধুবৰ শ্ৰীঅবিন দাস প্ৰমুখ্যে সকলোৰে পৰিশ্ৰম আৰু দিহা পৰামৰ্শৰ বাবে আন্তৰিক শলাগ লওঁ।

প্ৰথম সংস্কৰণটিক আগ্ৰহী পাঠক বাইজে সমাদৃত কৰি লোৱাৰ দৰেই; এই পৰিশোধিত আৰু পৰিবৰ্দ্ধিত দ্বিতীয় সংস্কৰণটিকো ক্ৰমশঃ সংকুচিত হ'ব ধৰা অসমীয়া ভাষা-ভাষীৰ সদাশয় পাঠক বাইজে সাদৰেৰে গ্ৰহণ কৰিব বুলি আশা ৰাখিলোঁ।

বস্থপীঠ

বিযুৱা : এপ্ৰিল, ১৯৯৩ ইং

বঙাইগাঁও (অসম)

বিনীত—

শ্ৰীঅম্বিকাচৰণ চৌধুৰী

॥ সূচী-পত্ৰ ॥

ক অংশ (ইতিহাস)

বিষয়-সূচী　　　　　　　　　　　　　　　　　　　পৃষ্ঠা

বিষয় পৃষ্ঠা

বিষয় পৃষ্ঠা

বিষয়				পৃষ্ঠা

বিষয় পৃষ্ঠা

বিষয় পৃষ্ঠা

খ অংশ (সংস্কৃতি)

গৱেষক সাহিত্যিক অধ্যক্ষ শ্ৰীঅম্বিকাচৰণ চৌধুৰীদেৱৰ ইতিমধ্যে প্ৰকাশিত গ্ৰন্থাৱলী :—

অসমীয়া :—

১) *বস্তুপীঠত এভুমুকি (৩য় সংস্কৰণ)*
২) *কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি (২য় সংস্কৰণ)*
৩) *সংগ্ৰামসিংহ চিলাৰায়— জীৱনী*
৪) *তপস্বিনী ৰাণী অভয়েশ্বৰী— জীৱনালেখ্য*
৫) *যুৱৰাজ শুক্লধ্বজৰ সাহিত্য প্ৰতিভা*
৬) *কমতাপুৰৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ*
৭) *কল্কি অৱতাৰ শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰ*
৮) *নৰৰূপে নাৰায়ণ : ১ম আৰু ২য় খণ্ড*
৯) *বঙাইগাঁওৰ জীৱন কাহিনী (২য় সংস্কৰণ)*
১০) *কোচ-ৰাজবংশী সন্মিলনীৰ সমীক্ষাত্মক ইতিহাস*
১১) *ইতিহাস অধ্যয়নৰ নব-দিগন্ত*
১২) *বিচিত্ৰা :: ১ম, ২য় আৰু ৩য় খণ্ড*

ইংৰাজী :—

১৩) The Koches Around The World
১৪) Whither The Koches ?
১৫) Glory : Thy Name is Goalpara
১৬) Varieties— Collection of published English articles.

· বস্তুপীঠ প্ৰকাশন
বঙাইগাওঁ ।। অসম



গ্রন্থকার : অধ্যক্ষ শ্রীঅম্বিকাচরণ চৌধুরী।

১ ম অধ্যায়

ভাৰতীয় সাংস্কৃতিক আৰু ঐতিহাসিক পটভূমিত কোচ-ৰাজবংশীৰ নামাকৰণ ঃ

সত্য, ন্যায়, পুত্ৰধৰ্ম্ম মাতৃধৰ্ম্ম, ৰাজধৰ্ম্ম, আদি বিষয়ৰ ওপৰত অতি মৰ্ম্মস্পৰ্শী ভাবে কালজয়ী আলোচনা যিখনি গ্ৰন্থত আছে সেই ওমৰ গ্ৰন্থখনিৰ নাম 'ৰামায়ণ'। কাবিক্য জগত ৰচিত এই মহাকাব্যখনিৰ কেন্দ্ৰীয় প্ৰাণ পুৰুষ আছিল 'ৰাম' নামৰ বীজ মন্ত্ৰৰ নামিক পুৰুষ শ্ৰীৰামচন্দ্ৰ (খৃষ্টপূৰ্ব্ব ২৬৬০—খৃষ্টপূৰ্ব্ব ২৫৬৭ (১)। সেইদৰে বিভিন্ন মতবাদৰ সু-সমন্বিত সুক্ষ্ম ধৰ্ম্মাধৰ্ম্মৰ প্ৰভৃত নীতিতত্বৰে পৰিপূৰ্ণ আৰু সকলো যুক্তিযুক্ত মানুহকে শীল আৰু সৎচৰিত্ৰৰ শিক্ষাদানত উদ্ভৱ হোৱা সমস্যা সমাধান যিখনি মহাকাব্যত পোৱা যায় সেই ওমৰ গ্ৰন্থ খনিৰ নাম 'মহাভাৰত'— যাৰ কেন্দ্ৰীয় প্ৰাণ পুৰুষ 'ৰাধা' নামক বীজমন্ত্ৰৰ নামিক পুৰুষ শ্ৰীকৃষ্ণ (খৃষ্টপূৰ্ব্ব ২৫২৭—খৃষ্টপূৰ্ব্ব ২৪০৫ (১)। আচলতে এই দুখনি মহাকাব্য তৎকালিন সমাজৰ সমগ্ৰ এচিয়া মহাদেশৰ নেতৃস্থানীয় ব্যক্তি আৰু উল্লেখ-যোগ্য ঘটনাৱলীৰ ইতিহাস সংগ্ৰহ স্বৰূপ। তাৰোপৰি এই দুই মহা কাব্যত বিশেষকৈ মহাভাৰতত উল্লেখিত প্ৰধান চৰিত্ৰবিলাকৰ নীতিতত্বৰ বৈজ্ঞানিক ব্যাখ্যা আৰু সিদ্ধান্ত যিখনি অমৰ গ্ৰন্থত আছে তাৰ নাম 'গীতা'। এই গীতাৰ কেন্দ্ৰভূমিতো আমি মহাভাৰতৰ উদয় মহাপুৰুষ জনাক পাওঁ যিজনক সচৰাচৰ শ্ৰীকৃষ্ণ নামে বহুল পৰিচিত আৰু তেওঁকেই আমি বহুতেই 'ওঁ নমো ভগৱতে বাসুদেবায়' বুলি জপ কৰো। এই দুই মহাকাব্য পুৰাণ, উপনিষদ আদি গ্ৰন্থবোৰেই সিন্ধু নদৰ পূৰ পাৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকা ব্যাপি বসবাস কৰি থকা স্থান আৰু কালৰ সমন্বয় সাধনকাৰী

হিন্দোৰ বা হিন্দু নামেৰে পৰিচিত সকলক সৰ্ব্বতঃ প্ৰকাৰে অনুশাসন কৰিছিল কাৰণে ' হিন্দু শাস্ত্ৰ ' বিলাকক অগাধ জ্ঞানৰ ভড়াল স্বৰূপে পূজিত আৰু ঘটনাৰ পৰম্পৰাগত ইতিহাস প্ৰমাণিত সাক্ষ্য হিচাপে গৃহীত। এই হিচাবে বিচাৰ কৰিবলৈ গলে আমি কেইটামান কথা বুকুত সাহস বান্ধি ধৰি লব লাগিব যে শ্ৰীকৃষ্ণ এজন ঐতিহাসিক ব্যক্তি, আৰ্য্যজাতি বৰ্ত্তমান বা প্ৰাচীন ভাৰতৰ বাহিৰৰ পৰা ভাৰতলৈ অহা (প্ৰব্ৰৰ্জন কাৰী) মানৱগোষ্ঠী নহয় আৰু হিন্দু আজি কালিৰ সংকীৰ্ণ অৰ্থত কোনো ধৰ্ম্মৰ নামো নহয়। কাৰণ সমগ্ৰ ভাৰতীয় সাহিত্যৰ কতো উল্লেখ বা সংকেত নাই যে আৰ্য্যসকল ভাৰতলৈ বাহিৰৰ পৰা আহিছিল : শ্ৰুতি বা জনশ্ৰুতিতো কতো সামান্যতম উল্লেখো পোৱা নাযায় যে আৰ্য্যসকলৰ মাতৃভূমি, পিতৃভূমি ধৰ্ম্মভূমি ভাৰতৰ বাহিৰত আছিল। আৰ্য্য শব্দৰ প্ৰকৃত অৰ্থ ঋদ্ধতৰ অগ্ৰগতি, প্ৰগতিশীল শ্ৰেষ্ঠ, দ্ৰাবিড় শব্দও 'দ্ৰ' ধাতুৰ পৰা হোৱা, সিও আৰ্য্য শব্দৰ সমাৰ্থক। দ্ৰাবিড় মানে আদিম। আৰ্য্যসকল ভাৰতৰ বাহিৰৰ পৰা অহা ধাৰণাটো বিদেশী লিখক সকলৰ পৰাহে জাপি দিয়া হৈছে বুলি কব পাৰি। কাৰণ ভিন ভিন দৃষ্টিভঙ্গীৰে আৰু নিৰপেক্ষ বিচাৰ বুদ্ধিৰে বিবেচনা কৰিলে অনুমান সিন্ধুনদীৰ সঙ্গমস্থল মূলস্থান বা আজিৰ মূলতান অঞ্চলত এওলোকৰ প্ৰথম সঙ্ঘবদ্ধভাবে আবিৰ্ভাৱ হৈ কালক্ৰমত ভাৰতবৰ্ষ আৰু সমগ্ৰ বিশ্বত বিয়পি পৰিছিল। ইয়াৰ পটভূমিত মনুসংহিতাৰ ২/২০ শ্লোক প্ৰণিধানযোগ্য :—

"এতদ্দেশ প্ৰসূতস্য সকাশদগ্ৰজন্মন :
স্বং স্বং চৰিত্ৰং শিক্ষেৰণ পৃথিব্যাং সৰ্ব্বমানৱাঃ ॥"

এই অৰ্থত সিন্ধুনদৰ পূব প্ৰান্তৰ সকলো গোষ্ঠীৰ মানুহেই হিন্দু আৰু তেওঁলোকৰ আদৰ্শ জীৱন যাপনৰ জৰিয়তে ব্ৰহ্মত্ব লাভৰ পন্থাকেই সামগ্ৰিক ভাৱে হিন্দু পন্থা বা হিন্দুদৰ্শন বুলি অভিহিত কৰিব পাৰি। মতান্তৰে উত্তৰে হিমালয় পৰ্ব্বতৰ আদি অক্ষৰ ' হি ' আৰু দক্ষিণে ইন্দুৰ

শেষ অক্ষৰ 'ন্দু' লগ লাগি 'হিন্দু'ও হব পাৰে। এই দৃষ্টিভঙ্গীৰ আধাৰতেই বৰ্ত্তমান ভাৰতৰ পূব প্ৰান্তৰ থলুৱা অধিবাসী কোচ-ৰাজবংশী জাতিৰ পৰিচয় জ্ঞাপক বিৱৰণী অনুক্ৰমিত কৰা হ'ল।

পৰশুৰাম : হিন্দুশাস্ত্ৰৰ কেতবোৰ গ্ৰন্থত জামদগ্ন্য ওৰফে পৰশুৰামৰ চৰিত্ৰ বিশেষ প্ৰণিধান যোগ্য আৰু এওঁ হেনো একুৰি এবাৰ ক্ষত্ৰিয় নিধন কৰিছিল :

' ভৈলাহা পৰশুৰাম নামে অৱতাৰ
নিক্ষত্ৰিয় কৈলা ভূমি তিনি সপ্তবাৰ ॥—কীৰ্ত্তন

আক্ষৰিক অৰ্থত এই কথা ফাঁকি মানি ললে আমি কব পাৰো যে পৰশুৰামে ৰাজশক্তি, শাসকশ্ৰেণীৰ প্ৰতীক ক্ষত্ৰিয় শ্ৰেণীটোক একেবাৰে নিৰ্ম্মূল কৰিব পৰা নাছিল। পৰশুৰামে ক্ষত্ৰিয় শ্ৰেণীটোক কিয় নিধন কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল তাৰ কোনো বিজ্ঞান সম্মত কাৰণ হিচাবি পোৱা নাযায় আৰু পৰশুৰাম যে কেৱল এজন মাত্ৰ ব্যক্তিকেই বুজাইছে তাকো মানি লব নোৱাৰি। গোজাতিৰ প্ৰতীক সুৰভী গাভীজনীক অপহৰণৰ আখ্যানটোকে অৱশ্যে বহুতো লিখকে প্ৰত্যক্ষভাৱে আঙুলিয়ায়; কিন্তু ই এটা ব্যাখ্যা মাত্ৰহে হব পাৰে; একমাত্ৰ আৰু মূলঘটনা বা নিশ্চিত কাৰণ নহয়। কাৰণ গোসম্পদ তেতিয়াৰ আৰ্য্য ভাৰতৰ এটা অৰ্থনৈতিক বনিয়াদ বা উৎপাদনৰ আহিলা হিচাবে পৰিগণিত হোৱাত আনৰ সম্পদ অপহৰণ বা ধ্বংস সাধন কৰাটো শ্ৰেণী সংগ্ৰামৰ এটা পন্থা হিচাবে আজিও প্ৰচলিত। মহাভাৰতত থকা মতে আৰ্য্য সকলেও গো সম্পদ চুৰি কৰিছিল। মুঠতে অতি সংক্ষেপে মোখানি মাৰি ইয়াকে কব পাৰি যে উক্ত ক্ষত্ৰিয় শ্ৰেণীয়ে ক্ষমতা প্ৰিয় আৰু যুদ্ধপ্ৰিয় হোৱা হেতুকে আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত ৰত হব লগা হৈছিল। এই আত্মপ্ৰতিষ্ঠাৰ বাটত শাসক শ্ৰেণীৰ বিভিন্ন শাখাই কিমান বাৰ যে সক ডাঙৰ লোকক্ষয়ী কালসমৰত জড়িত হব লগা হৈছিল তাৰ সীমা সংখ্যা নাছিল আৰু কোনেও পূৰ্ণাঙ্গ আৰু ধাৰাবাহিক পৰি-

সংখ্যাও বখা নাছিল, তেতিয়া সম্ভবো নাছিল। আত্মপ্ৰতিষ্ঠাৰ এই অগনন যুদ্ধ বিগ্ৰহৰ ফলত এই ক্ষত্ৰিয় নামৰ যোদ্ধাশ্ৰেণীটো সামগ্ৰিক ভাৱে কঙ্কালসাৰ হৈ পৰিছিল, আত্মৰক্ষাৰ্থে তেতিয়াৰ ভাৰতৰ বিভিন্ন প্ৰান্তত সিচৰতি ভাৱে থাকি আত্মবিস্মৃতিৰ অতল গহ্বৰত পৰিছিল বা নতুন ৰূপত আত্মপ্ৰকাশ কৰিছিল। স্বামী দয়ানন্দৰ প্ৰতিষ্ঠিত 'আৰ্য্য সমাজ'ৰ মতে আজিৰ অৰুণাচল তথা উত্তৰ পূৱ ভাৰতৰ পাৰ্ব্বাত্য জনজাতিৰ লোক সকলো অতি প্ৰাচীন কালৰ ক্ষত্ৰিয় বংশস্তোৰ লোকগোষ্ঠীহে। এই অধঃপতন জনিত শোকাবহ ঘটনাৱলীক লক্ষ্য কৰি বিভিন্ন শাস্ত্ৰই দীৰ্ঘ হুমনিয়া কাঢ়িছে :—

> এবং হত্বাহুৰ্জ্জণ ৰাম সন্ধায় নিশিতান শৰান্।
> একমেৱ যোগৌ হন্তুং সৰ্ব্বানেৱাতুৰান্নৃপান্॥
> কেচিদ গহন মাশ্ৰিত্য কেচিৎ পাতালমাবিচন।
> কেচিৎ বৈতালিকাঃ শূৰা ৰাজানস্তদ্ভয়াৰ্দ্দিতঃ॥
>
> —ইতি স্কন্দ পুৰাণ ৰেণুকা মাহাত্ম্য

অৰ্থাৎ ক্ষত্ৰিয় বীৰ মহাপৰাক্ৰমী কাৰ্ত্তবীৰ্য্যাৰ্জ্জুন বা কাৰ্ত্তবীৰ্য্য আৰু অনান্য ৰাজন্যবৃন্দক কালসমৰত পৰশুৰামে নিহত কৰি এই ধৰাৰ বুকুৰ পৰা ক্ষত্ৰিয়ৰ নাম চিৰদিনৰ কাৰণে মুচি পেলাবলৈ প্ৰতিজ্ঞা কৰে। ভয়ত বণভঙ্গ দিয়া বহুতো ক্ষত্ৰিয় ৰজা প্ৰজাই কিছুমানে গভীৰ হাবিত, কিছুমানে ৰসাতল বা পাতালত (বিদেশত) আৰু কিছুমানে ব্ৰাহ্মণ বেশ ধাৰণ কৰি আত্মগোপন ক্ৰমে নিজকে ৰক্ষা কৰিছিল। পৰশুৰামে যদিও একুৰি এবাৰ ক্ষত্ৰিয় নিধন কৰিছিল তথাপি ক্ষত্ৰিয় কুলক একেবাৰে নিৰ্ম্মুল কৰিব পৰা নাছিল, নহলে ত্ৰেতা যুগৰ ক্ষত্ৰিয় বিলাকে দ্বাপৰ যুগত সংঘটিত ভাৰত যুদ্ধ বা কুৰুক্ষেত্ৰ যুদ্ধত ক্ষত্ৰিয় ৰজাবিলাক কেনেকৈ নিধন হব পাৰে? পৰশুৰামৰ আৱিৰ্ভাৱ ত্ৰেতা যুগৰ শেষ ভাগত আৰু ত্ৰেতাযুগৰ পিছত দ্বাপৰ যুগৰ দ্বাৰকা অঞ্চলৰ যাদৱ বংশীয় আৰ্য্য ৰজা শ্ৰীকৃষ্ণই ধৰ্ম্মৰাজ যুধিষ্ঠিৰক কৈছিল—

শৃণু কৌন্তেয় ৰামস্য প্ৰভাৱো যো ময়া শ্ৰুতঃ।
মহৰ্ষীনাং কথয়তাং বিক্ৰমং তস্য জন্ম চ ॥
যথাচ জামদগ্নেন কোটিশঃ ক্ষত্ৰিয়াঃ হতাঃ।
উদ্বৃতা ৰাজবংশেষু যে ভূয়ো ভাৰতে হতাঃ ॥

—শান্তিপৰ্ব্ব মহাভাৰত

অৰ্থাৎ হে কুন্তীপুত্ৰ! মই মহৰ্ষিসকলৰ পৰা যি শুনিছো সেই সকলো বিৱৰণ তোমাক কওঁ শুনা! যদিও মহাবাহু জামদগ্নাই কোটি কোটি ক্ষত্ৰিয় গোষ্ঠীৰ পুৰুষক সংহাৰ কৰিছিল, তথাপি বহুতে গভীৰ হাবিত, অথবা ছদ্মবেশে আত্মগোপন কৰি থকা সেই ৰাজবংশ বিলাকৰ পৰা উদ্ভৱ হোৱা ক্ষত্ৰিয় বিলাকেহে ভাৰত যুদ্ধ বা কুৰুক্ষেত্ৰ যুদ্ধত নিহত হ'ল। কুৰুক্ষেত্ৰ যুদ্ধ বিছুমানৰ মতে ২৪৪০ খৃষ্টপূৰ্ব্বত আৰু আন কিছুমানৰ মতে খৃষ্টপূৰ্ব্ব ২৪৪৯ চনত সংঘটিত হৈছিল।

ব্ৰাত্য ক্ষত্ৰিয়: আত্মৰক্ষাৰ্থে আত্মগোপনকাৰী ক্ষত্ৰিয়বিলাকে পূৰ্ব্বৰ আচৰি থকা নিজ ক্ষাত্ৰ কৰ্মৰ আচাৰ-ব্যৱহাৰ আদি পৰিত্যাগ কৰি বা পৰিবৰ্ত্তিত পৰিস্থিতিত সংপাত্ৰৰ অভাৱত ব্যাপকভাৱে প্ৰতিলোমজাত সন্তান সকলে যি যি অঞ্চলত প্ৰব্ৰজন বা আত্মগোপন কৰি আছিল, সেই সেই অঞ্চলৰ তেতিয়াৰ থলুৱা অধিবাসীসকলৰ লগত আত্মৰক্ষাৰ্থে বা আত্ম-প্ৰতিষ্ঠাৰ্থে নিজকে খাপখুৱাই লব লগা হোৱাত পূৰ্ব্বৰ সেই ক্ষত্ৰিয় সন্তান বৰ্গক তেতিয়াৰ নৈষ্ঠিক সমাজৰ ধ্বজাবাহক সকলে ব্ৰাত্য বা ভগ্নক্ষত্ৰিয় বুলি অভিহিত কৰে। এই সমাজচ্যুত আৰু ক্ষত্ৰিয়ৰ গুণাৱলীৰ পৰা ভ্ৰষ্ট হোৱাত ক্ষত্ৰিয়বিলাক শূদ্ৰত্ব প্ৰাপ্ত হয়, কাৰণ সেই সময়ত গুণৰ প্ৰাধান্যতা আৰু কৰ্ম্মাচৰণ অনুসৰিহে আৰ্য্যাৱৰ্তৰ মানৱসমষ্টিৰ বৰ্ণবিভাগ হৈছিল—

"চাতুৰ্ব্বৰ্ণ্যং ময়া-সৃষ্টং গুণকৰ্ম্ম বিভাগশঃ" গীতা ৪।১৩

বৰ্ণবিভাগ: আচলতে এই বৰ্ণবিভাগ কাৰ্য্যটো একে দিনাই হোৱা নাছিল, বা কোনো এটা গোষ্ঠীৰ ভিতৰতে সীমাবদ্ধ নাছিল। বিভিন্ন

শাস্ত্ৰৰ অন্তৰালত থকা তথ্যপাতিসমূহ পৰ্য্যালোচনা কৰিলে এইটো সিদ্ধান্ত হয় যে, প্ৰত্যেক জনগোষ্ঠী বা মূখ্য ব্যক্তিজনক কেন্দ্ৰ কৰি গঢ়ি উঠা গোত্ৰজ বংশতে কিছুমানে বিপ্ৰৰ কৰ্ম্ম, কিছুমানে ক্ষত্ৰিয়ৰ কৰ্ম্ম, কিছুমানে বৈশ্যৰ কৰ্ম্ম আৰু আন কিছুমানে শূদ্ৰৰ কৰ্মবোৰ কৰিব লগা হৈছিল বংশটোৰ, গোত্ৰটোৰ বা জনগোষ্ঠীটোৰ সামূহিক মঙ্গল বিধান বা সুপৰিচালনাৰ কাৰণে। ঋকবেদতো উল্লেখ পোৱা যায় যে প্ৰত্যেকটো জনগোষ্ঠীৰ ভিতৰতে চাৰিটাকৈ শ্ৰেণীৰ ব্যৱস্থা আৰু বিকাশ হৈছিল। ইয়াক একপ্ৰকাৰ যোগ্যতানুসৰি কৰ্মবিভাগ বুলি কব পাৰি আৰু কালক্ৰমে এই কৰ্মবিভাগজনিত বৰ্ণ-বিভাগেই তৰল অৰ্থত জাতিবিভাগত পৰিণত হয়। পৰিশেষত শ্ৰেণী-সংগ্ৰামৰ আহিলা হিচাবে এই 'জাতি' শব্দটোৱে ভাৰতীয় সমাজত ইমান গভীৰ ৰেখাপাত কৰে যে বৰ্ত্তমান হিন্দুসমাজে 'জাতি' শব্দক আওঁকাৰ কৰি এখোজো পাৰিব নোৱাৰাত পৰিল আৰু পোনতে যি সৎচিন্তা আৰু সৰলভাৱে বৰ্ণ বিভাজন কৰিছিল সেয়ে বিভাজন আৰু বিদ্বেষৰ চোকা অস্ত্ৰত পৰিণত হৈ আনকো আঘাত কৰিবলৈ ধৰিলে আৰু অস্ত্ৰ-ধাৰীকো ক্ষতবিক্ষত কৰিবলৈ ধৰিলে। তেতিয়াৰ দিনত কিন্তু আজি-কালিৰ দৰে বিপ্ৰ (সতীয়া অৰ্থত ব্ৰাহ্মণ) মাতৃৰ গৰ্ভজাত সন্তানে বিপ্ৰ আৰু শূদ্ৰাৰ গৰ্ভজাত সন্তানে শূদিৰ হব লগাত নপৰিছিল। কাৰণ যি কোনো ব্যক্তিৰ সহজাত গুণাৱলী আৰু বৃত্তিধাৰী কৰ্মঅনুসৰিহে বৰ্ণৰ অন্ত-ৰ্ভুক্ত হৈছিল, অৰ্থাৎ যোগ্যজনৰ যোগ্যস্থান প্ৰাপ্য আছিল। ফলত বৰ্ণ ভেদ আছিল যদিও বৰ্ণবিদ্বেষ নাছিল। এই সন্দৰ্ভত এটা কথা পৰিষ্কাৰ কৰি দিয়া উচিত হব যে জাতি আৰু বৰ্ণ, ব্ৰাহ্মণ আৰু বিপ্ৰ সমাৰ্থক নহয়। 'ব্ৰাহ্মণ' এটা সামাজিক স্তৰ আৰু যি কোনো ব্যক্তিয়ে নিজৰ প্ৰতিভাৰ বিকাশ ঘটাই বিস্তাৰিত জ্ঞান বা ব্ৰাহ্মজ্ঞান লাভ কৰিব পাৰি-লেই, তেওঁ লাগিলে শূদ্ৰই হ'ক ব্ৰাহ্মণ হব পাৰিছিল, আনহাতে বিপ্ৰয়ো ব্ৰাহ্মণত্ব অৰ্জন কৰিহে ব্ৰাহ্মণ হব পাৰিছিল। ই জন্মগত অধিকাৰ নাছিল

বৰং সামাজিক স্বীকৃতিহে; যাক প্ৰদান কৰিছিল কোনো এটা বিশেষ কৰ্তৃপক্ষই আৰু সেই কৰ্তৃপক্ষৰে মূৰব্বীজনৰ সাংকেতিক নাম হয়তো 'বশিষ্ঠ' আছিল।

ম্লেচ্ছত্ব বা শূদ্ৰত্ব : বৰ্ণভঙ্গ দিয়া আত্মগোপনকাৰী ক্ষত্ৰিয়বিলাক প্ৰথমতে সংস্কাৰবিহীন হৈ শূদ্ৰত্ব প্ৰাপ্ত হয় অৰ্থাৎ শূদ্ৰবিলাক বৃত্তিহৰণ পাপত পতিত হয়, আৰু পৰৱৰ্ত্তী কালত তেওঁলোকৰ বহুতে ম্লেচ্ছত্ব প্ৰাপ্ত হয়, আন কিছুমানে শূদ্ৰকৰ্মা হৈয়ে থাকে। সিবিলাক ব্যক্তিয়ে জীয়াই থকা আৰু বৃদ্ধি পোৱাৰ বাবে মানিব লগা বিধানবোৰৰ বিৰুদ্ধাচৰণ কৰি ক্ৰমে অধঃপতিত হয় তেওঁলোকক ম্লেচ্ছ বোলা হয়। কথাতে আছে 'বাচা বাঢ়াৰ উল্টা চলে যি ম্লেচ্ছ বুলি জানিবা সি।' এই ক্ষত্ৰিয়বিলাক কেনেকৈ লাহে লাহে শূদ্ৰত্ব প্ৰাপ্ত হৈছিল তাৰ সংক্ষিপ্ত বিৱৰণ মনুসংহিতাত উল্লেখ আছে –

শনকৈস্তু ক্ৰিয়ালোপাদিমাঃ ক্ষত্ৰিয় জাতয়ঃ।
বৃষলত্বং গতালোকে ব্ৰাহ্মণাদৰ্শনে নচঃ॥

—মনু ১০/৪৩

অৰ্থাৎ এই ক্ষত্ৰিয়বিলাক ক্ৰমে ক্ৰমে উপনয়নাদি সংস্কাৰবিহীন প্ৰযুক্ত যাজন, অধ্যাপন আৰু প্ৰায়শ্চিত্তাদিৰ নিমিত্তে ব্ৰাহ্মণাদিৰ দৰ্শন অভাৱত শূদ্ৰত্ব প্ৰাপ্ত হৈছে, অৰ্থাৎ জ্ঞান চৰ্চ্চাৰ অভাৱত শূদ্ৰত্ব প্ৰাপ্ত হৈছে।

পৰশুৰামৰ প্ৰকৃত পৰিচয় : এতিয়া প্ৰথম আৰু প্ৰধান প্ৰশ্ন হৈছে পৰশুৰামক কেন্দ্ৰ কৰি। প্ৰকৃততে পৰশুৰাম কোন আছিল, তেওঁ চাৰিও-যুগতে অমৰ আছিল নে? এজন পৰশুৰামে যোদ্ধাৰ প্ৰতীক ক্ষত্ৰিয়-সকলক একুৰি এবাৰ নিধন কৰিবৰ কাৰণে জীয়াই আছিল নে? মাইবা ইমান ক্ষমতাশালী আছিল নে যে হাজাৰ হাজাৰ ক্ষত্ৰিয় ৰজা বা যোদ্ধাৰ বিৰুদ্ধে পৰশুৰাম নামধাৰী বৃত্তিহৰণ পাপত পতিত হোৱা ব্ৰাহ্মণ এজনে যুঁজি বাহু শক্তিৰ প্ৰতীক ক্ষত্ৰিয়বৰ্গক নিধন কৰিব পাৰিছিল। যি পৰশু-ৰামৰ আবিৰ্ভাৱ হৈছিল ত্ৰেতা যুগত সেই পৰশুৰাম যেতিয়া ক্ষত্ৰিয় সূৰ্য্য

ৰামচন্দ্ৰৰ হাতডতেই পৰাস্ত হৈছিল। তাৰ পিছতো দেখোন পৰশুৰামৰ নামত বহুবাৰ সামন্ত বা ৰাজশক্তিৰ প্ৰতীক ক্ষত্ৰিয় জাতিৰ ওপৰত বহুতো আক্ৰমণ চলিছিল আৰু ক্ষত্ৰিয় নিধন কাৰ্য্য চলাৰ বিৱৰণী পোৱা যায়। আদিতে ত্ৰেতাযুগত বৰ্ণশঙ্কৰ অনুলোমজাত পৰশুৰাম নামৰ হয়তো এজন মহাপৰাক্ৰমী যোদ্ধা আছিল, তেওঁ পিতৃ প্ৰধান বনাম মাতৃ প্ৰধান বংশ-লতিকাৰ দ্বান্দ্বিক প্ৰশ্নৰ দোধৰ মোধৰত পৰি আৰু কোনো অজ্ঞাত কাৰণত বা আত্মপ্ৰতিষ্ঠাৰ পথত থিয় দি কাবৰীয়া ক্ষাত্ৰশক্তিৰ প্ৰতীক সামন্ত প্ৰভু কিছুমানক হয়তো সাময়িক ভাৱে দমন বা দলন কৰিছিল আৰু ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ্থে তেওঁৰ নেতৃত্বত হয়তো আন কেতবোৰ সামন্ত শক্তিয়ে তেওঁলোকৰ পৰস্পৰৰ বিৰোধী সামন্ত শক্তিৰ ওপৰত ধ্বংসাত্মক অভিযান চলাইছিল বা পৰশুৰামৰ পিছত পৰবৰ্ত্তী শক্তিবোৰে অনান্য গোষ্ঠীৰ সামন্ত বা ৰাজশক্তিৰ ওপৰত আক্ৰমণ কৰাৰ ফলত যি দমন বা দলন কাৰ্য্য চলিছিল আৰু চলাইছিল পৰবৰ্ত্তী যুগত শাস্ত্ৰকাৰ সকলৰ দ্বাৰা সিবিলাককো পৰশুৰামৰ ক্ষত্ৰিয় নিধন কাৰ্য্য বুলি সামগ্ৰিক ভাৱে আখ্যা দিয়া হৈছিল। মূঠতে ক্ষত্ৰিয়বিলাকৰ ওপৰত হোৱা অত্যাচাৰৰ বা আত্মকলহৰ ফলত হোৱা অধঃপতনৰ সকলোবোৰ দায় দায়িত্ব পৰশুৰাম নামৰ এজন ব্ৰাহ্মণ যোদ্ধাৰ লগত যুক্ত কৰা হৈছিল। এই কাৰ্য্যৰ ফলত টীকাকাৰ সকলৰ লিখনিয়ে পৰশুৰামক সাধাৰণ যোদ্ধাৰ আসনৰ পৰা অতি মানবীয় শক্তিৰ প্ৰতীক অৱতাৰী পুৰুষৰ আসনত বহুৱাইছিল। কাৰণ যিবিলাক প্ৰাচীন গ্ৰন্থ বৰ্ত্তমান বজাৰত পোৱা যায় সেইবিলাকৰ অধিকাংশই হয় ব্ৰাহ্মণৰূপী বিপ্ৰৰ নহয় তেওঁলোকৰ অধিকাৰত থকা সা-সম্বল বা কিবা নহয় কিবা প্ৰকাৰে ব্ৰাহ্মণ্যবাদৰ দ্বাৰা প্ৰভাৱান্বিত ৰচনা। তথাপিও ৰামায়ণত পোৱা যায় যে নৃপতি সগৰে প্ৰতিবেশী আৰু প্ৰতিদ্বন্দ্বী সামন্ত ক্ষত্ৰিয় ৰজা আৰু ৰজাপোৱালীবোৰক নিৰ্ম্মম ভাৱে পৰাস্ত কৰি ভৱিষ্যতে যাতে সিবোৰে আকৌ মূৰ দাঙি উঠিব নোৱাৰে, তাৰ বাবে তেওঁলোকক একে-

খাৰে নিৰ্ম্মূল কৰিবলৈ প্ৰতিজ্ঞা কৰে। আত্মকলহ আৰু যুদ্ধ বিগ্ৰহত মাত্ত থাকিব লগা আগৰে পৰা দুৰ্বল হৈ থকা আত্মগোপনকাৰী বহুতো ক্ষত্ৰিয়ই উপায়হীন হৈ তেতিয়াৰ সামাজিক স্বীকৃতি দানৰ শীৰ্ষতম কৰ্ত্তৃপক্ষ মহামুনি বশিষ্ঠৰ পৰা ব্যৱস্থা-পত্ৰ গ্ৰহণ কৰে বা আশ্ৰয় লয়: কাৰণ বশিষ্ঠ আছিল ক্ষত্ৰিয়সকলৰ কুলগুৰু। তেতিয়া মহামুনি বশিষ্ঠই সগৰে কৰা সেই ভীষণ প্ৰতিজ্ঞাৰ পৰা বিৰত কৰিবৰ অৰ্থে নৃপতি সগৰক কৈছিল :—

"তথৈতান বশিষ্ঠো জীৱন্মৃতকান সগৰমাহ
বৎস ! অলমেভিৰতি জীৱন্মৃত কৈৰনুসৃতৈঃ।"

—ইতি বিষ্ণু পুৰাণ

অৰ্থাৎ— পিছত বশিষ্ঠই সিহঁতক জীৱন মৃত কৰি নৃপতি সগৰক বলে, বৎস ! জীয়ন্তে মৰা। পুনৰায় ইহঁতৰ বিনাশৰ কাৰণে অনুসৰণ কৰিব নালাগে। নৃপতি সগৰে গুৰুদেৱৰ ইচ্ছানুসৰি উক্ত কাৰ্য্যৰ পৰা নিৰস্ত হয় :—

"সগৰস্তাং প্ৰতিজ্ঞাঞ্চ গুৰোৰ্ব্বাক্যং নিশম্যচ।
ধৰ্ম্মং জঘান তেষাং বৈ বেশান্যত্বং চকাৰহ ॥
সৰ্ব্বতে ক্ষত্ৰিয়া স্তুতাঃ সৰ্ব্ব ধৰ্ম্ম বহিষ্কৃতা।
বশিষ্ঠ বচনাদ্ৰাজন সগৰেণ মহাত্মনা ॥

—স্মাৰ্ত্ত ৰঘুনন্দনকৃত প্ৰায়শ্চিত্ত তত্ত্ব।

ইয়াৰ পিছত বশিষ্ঠই তেওঁলোকক জীৱন্মৃত কৰি অৰ্থাৎ সামাজিক মানদণ্ডৰ পৰা অৱনমিত কৰি সেই শৰণাৰ্থী ক্ষত্ৰিয়সকলক নিজ ধৰ্ম আৰু দ্বিজসংসৰ্গৰ পৰা বহিষ্কাৰ কৰি দিছিল। এই আক্ৰোশমূলক হত্যাকাণ্ডৰ কাৰণে নৃপতি সগৰকো পৰশুৰাম বুলি আখ্যা দিয়া হৈছে। ইয়াৰ পিছতো ইতিহাসে চুকি পোৱা আন এটি উদাহৰণৰ পৰা আমি পাওঁ যে মগধ সাম্ৰাজ্যৰ মহাপদ্মনন্দ একজন অতি ক্ষমতাপ্ৰিয় আৰু নিষ্ঠুৰ সম্ৰাট আছিল। মগধ ৰজাৰ

মহাপদ্মনন্দই ৩৫০ খ্ৰীঃপূঃ মানৰ ভিতৰত আন আন দাঁতিকাষৰীয়া ক্ষত্ৰিয় জনগোষ্ঠী সামন্ত ৰজা কুৰু আৰু পাঞ্চাল ৰাজ্যক সম্পূৰ্ণৰূপে বিধ্বস্ত কৰিলে আৰু বিশেষকৈ লিচ্ছৱীসকলৰ বিৰুদ্ধে অজাতশত্ৰুৱে আৰু কোশল ৰাজৰ সেনাপতি বিড্ডুভে মল্লবংশীয় ৰজাসকলৰ দ্বাৰা প্ৰতিষ্ঠিত মল্লনগৰী ধ্বংসৰ পাতনিক সম্পূৰ্ণ কৰিলে। ইত্যাদি নানান ঘটনাৰ ফলত প্ৰায় সকলো ৰজা আৰু ৰাজবংশই শূদ্ৰতুল্য হোৱা বুলি পুৰাণবোৰত আক্ষেপ প্ৰকাশ কৰা দেখা যায়। ইয়াৰ মূল কাৰণ আছিল তেতিয়াৰ গোৰা ক্ষত্ৰিয় সমাজে মহাপদ্মনন্দক শূদ্ৰা গৰ্ভজাত বুলি হেয় চকুৰে চাইছিল আৰু উপলুভা কৰিছিল। ফলত মহাপদ্মনন্দই মগধৰ সম্ৰাট হোৱাৰ পিছত সময় আৰু সুযোগ পোৱাৰ লগে লগে ক্ষত্ৰিয় নিধন আৰম্ভ কৰি দিছিল ঃ—

মহানন্দিসুতশ্চাপি শূদ্ৰায়াং কলিকাংশজঃ।
উৎপৎস্যতে মহাপদ্মঃ সৰ্ব্বক্ষত্ৰান্তকো নৃপঃ ॥
ততঃ প্ৰভৃতি ৰাজানো ভৱিষ্যাঃ শূদ্ৰযোনয়ঃ।
একৰাট স মহাপদ্মঃ একছত্ৰো ভৱিষ্যতি ॥
অষ্টাশীতি তু বৰ্ষানি পৃথিব্যাঞ্চ ভৱিষ্যতি।
সৰ্ব্ব ক্ষাত্ৰ মথোৎসাদ্য ভাবিনাৰ্থেন চোদিতঃ ॥

—ইতি মৎস্য পুৰাণম্।

অৰ্থাৎ মহাপদ্ম নামৰ মহানন্দিতনয় শূদ্ৰাৰ গৰ্ভত কলিৰ অংশ ৰূপে জন্ম গ্ৰহণ কৰে, আৰু অতি দুৰ্দ্দান্ত ক্ষত্ৰান্তকাৰী নৃপতিৰূপে পৰিগণিত হয়। এই মহাপদ্মই ভৱিষ্যতে ক্ষাত্ৰিয়কুল ধ্বংস কৰি স-সাগৰা ধৰাৰ একছত্ৰী ৰজা হৈ মহাপদ্মনন্দই নিজ স্বাৰ্থ ৰক্ষাৰ্থে ক্ষত্ৰিয় নিধন কৰিছিল, তাৰ বাবে তেওঁকো জামদগ্ন্য বা পৰশুৰাম বুলি আখ্যা দিয়া হয়। এই সন্দৰ্ভত এটা কথা জানি থোৱা উচিত হব যে উক্ত মহাপদ্মনন্দই বিশেষকৈ দাক্ষিণাত্য অঞ্চলৰ ক্ষত্ৰিয় ৰাজন্য বৰ্গক হেনস্থা কৰিছিল আৰু এই দাক্ষিনাত্য

অঞ্চলৰ ৰাজন্যবৰ্গৰ ভিতৰত দাক্ষিনাত্যৰ পৌণ্ড্ৰদেশ, অন্ধ্ৰ, পাণ্ডা চোল, কেৰল আদিও পৰিছিল। মাৰ্কণ্ডেয় পুৰাণৰ মতেও উক্ত ৰাজন্য আৰু জনপদ বিলাক লগালগি অঞ্চল আছিল আৰু এইলোক সামাজিক আৰু আধ্যাত্মিক উপাসনা পদ্ধতি আদিৰ ক্ষেত্ৰত বিশ্বামিত্ৰ মুনিৰ অনুগামী আছিল।

পূৰ্ব্বাংশৰ পৌণ্ড্ৰ :— আনহাতে বৰ্ত্তমান আলোচ্য কোচ-ৰাজবংশী জাতিৰ পূৰ্ব্বপুৰুষ সকল প্ৰাচ্য পৌণ্ড্ৰ ৰাজ্যৰ ক্ষত্ৰিয় সকল মহামুনি বশিষ্ঠৰ অনুগামী আছিল। এই সম্পৰ্কে তথ্যান্তৰে সম্যক আলোচনা কৰা হব। এই প্ৰাচ্য ভাৰতৰ পৌণ্ড্ৰদেশখনৰ কথা মহৰ্ষি বাল্মীকিৰ ৰচিত ৰামায়ণত উল্লেখ আছে। কিস্কিন্ধ্যাপতি সুগ্ৰীৱে সীতাৰ অন্বেষণৰ কাৰণে তেওঁৰ সেনাপতি বিনতাক প্ৰাচ্য ভাৰতলৈ প্ৰেৰণ কৰাৰ সময়ত কৈছিল :—

ব্ৰহ্মমালান্ বিদেহাংশ্চ মল্লান্ কাশীকোশালান্।
মাগধাংশ্চ মহাগ্ৰামান পুন্ড্ৰস্তৱঙ্গাংস্তথৈৱ চ॥

অৰ্থাৎ ব্ৰহ্মমালান, বিদেহ, মল্ল, কাশী, কোশল, মগধ, মহাগ্ৰাম পুণ্ড্ৰ আৰু অঙ্গ আদি ৰাজ্যত সীতাদেৱীক বিচাৰিব লাগিব। আনহাতে সুগ্ৰীৱে তেওঁৰ ভ্ৰাতৃপুত্ৰ অঙ্গদক সীতা অন্বেষণৰ বাবে ভাৰতৰ দক্ষিণাঞ্চললৈ পঠায় :—

নদীং গোদাৱৰীঞ্চৈৱ সৰ্ব্বমেৱানু পশ্যতঃ।
তথৈবান্ধ্ৰাংশ্চ পুন্ড্ৰংশ্চচোলানপাণ্ডাংশ্চকেৰলান॥

অৰ্থাৎ গোদাবৰী নদীৰ তীৰভূমিত থকা অন্ধ্ৰ, পুণ্ড্ৰ, চোল, কেৰল আদি ৰাজ্যসমূহত বিচাৰিব।

ডঃ বাণীকান্ত কাকতিদেৱৰ মতে— "পৰশুৰাম ত্ৰেতা যুগৰ আগচোৱাৰৰ অৱতাৰ। তেওঁৰ জীৱিত কালতেই ৰাম অৱতাৰ হয়। ৰামৰ হাতত তেওঁৰ পৰাজয় ঘটিছিল। দ্বাপৰ যুগত কুৰু-পাণ্ডৱৰ বনসম্ভাতো তেওঁ

উপস্থিত আছিল। ক'তো পৃথিৱীতো নিক্ষত্ৰিয়া হোৱা নাছিল। পৰশু-ৰামৰ ক্ষত্ৰিয় নিধন কৰা প্ৰতিজ্ঞাৰ গুড়িতে এটি পাৰিবাৰিক ঘটনাৰ পৰা উদ্ভূত, ই'ও এটি আদিম যুগৰ সভ্যতাৰ পাৰিবাৰিক Vendetta বৈৰ পৰম্পৰাৰ উদাহৰণ মাথোন। পিছৰ কালত পুৰাণৰ সাম্প্ৰদায়িক প্ৰচাৰৰ ফলত ব্ৰাহ্মণ্য ক্ষেত্ৰত বশিষ্ঠ বিশ্বামিত্ৰৰ প্ৰতিদ্বন্দ্বিতাৰ দৰে শৌৰ্য্যক্ষেত্ৰতো পৰশুৰাম-ক্ষত্ৰিয়কুল এটি বিৰাট কল্পনাত পৰিণত হয়। যি কোনো কাৰণে ক্ষত্ৰিয়ৰ অৱনতি ঘটিলেই পৰশুৰামৰ দোহাই দিয়া হয়।" কেৱল পৰশুৰামেই নহয়, দুই এজন প্ৰবল ক্ষত্ৰিয় ৰজায়ো অন্যায় আচৰণৰ বাবে আন আন ক্ষত্ৰিয়কুলক জাতিচ্যুত কৰাৰ আখ্যান আছে। হৰি বংশত আছে সগৰ ৰজাই শক, যবন, আদি কিছুমান ক্ষত্ৰিয়কুলক জাতিচ্যুত কৰিছিল। পুৰাণৰ সাম্প্ৰদায়িক প্ৰচাৰৰ ফলত জাতিচ্যুত বা জাতিগোপনৰ দায়িত্ব পৰশুৰামৰ গাত দিয়া হৈছে যেন লাগে। যি হ'ক পুৰাণৰ পৰশুৰাম এটি ব্যাপক কল্পনা। পৰশুৰাম এটি সাংকেতিক নামত পৰিণত হৈছে।

তথ্যান্তৰে পোৱা যায় যে পণ্ডিত দয়ানন্দ স্বৰস্বতীদেৱৰ মতে পৰশুৰামে লোক হত্যা কৰা নাছিল, বৰং তেওঁ ক্ষত্ৰিয় সকলৰ ৰাজসিকতাক একৈশবাৰ সংশোধন কৰি পবিত্ৰ নীতি প্ৰৱৰ্ত্তন কৰিছিল। ইত্যাদি নানান বিৱৰণিৰ পৰা এইটো ন্যায়তঃ সিদ্ধান্তমূলক যে পৰশুৰাম আচলতে এটি প্ৰতীক আৰু সাংকেতিক নামতেই ব্যৱহৃত হৈছিল বুলি দৃঢ়ভাৱে প্ৰতীয়মান হয়। তাৰো-পৰি পৰশুৰামক যদিহে অন্যান্য অৱতাৰী পুৰুষসকলৰ শাৰীত গণ্য কৰা যায় তেতিয়াহলে পৰশুৰামে একৈশবাৰ লোকহত্যা কৰা কথাটো একে-বাৰে অবাস্তৱ। কাৰণ কোনো অৱতাৰী পুৰুষে মানুহৰ মৃত্যুৰ কাৰণ হোৱা বা ধ্বংসৰ পটভূমি ৰচনা কৰাৰ কথা কোনো ভাৰতীয় শাস্ত্ৰত পোৱা নাযায় বৰং অৱতাৰী পুৰুষবিলাকে দেশ কালৰ সমন্বয়তা ৰক্ষা কৰি এক পৰম সত্তাকে আৰু মানুহৰ উন্নতি বিধানৰ অৰ্থে পথ প্ৰদৰ্শক আচাৰ্য্য হিচাবে ধৰ্মৰ প্ৰকৃত তাৎপৰ্য্য ব্যাখ্যা কৰি সত্য বস্তুক প্ৰচাৰৰ বাবেহে আহে আৰু আহিছিল।

পৌণ্ড্র ক্ষত্রিয় : বাজবংশী: মহাভাৰত, পুৰাণ আদিত পোৱা যায় যে বলিৰ ঔৰষজাত দীৰ্ঘতমা ঋষিৰ অঙ্গ,বঙ্গ, কলিঙ্গ, পুণ্ড্র আৰু সুহ্ম নামৰ পাছ পুত্ৰই নিজ নিজ নামে ৰাজ্যপাতি ৰাজত্ব কৰিছিল।

"অঙ্গ, বঙ্গ কলিঙ্গশ্চ পুনড্র সুহ্মাশ্চেতে সুতাঃ।
তেষাং দেশাঃ সমাখ্যাতাঃ স্বনাম কথিতাভুবি॥"

—মহাভাৰত : আদিপৰ্ব্ব।

এওঁলোক বলিৰ গোত্ৰজ হোৱাৰ কাৰণে এওঁলোকক বালেয় ক্ষত্ৰিয় বোলা হয় আৰু বলিৰাজ যিহেতু চন্দ্ৰবংশীয় আছিল গতিকে এওঁলোকক চন্দ্ৰবংশী বুলি জনাজাত। এই পৌণ্ড্র ৰাজ্য ভাৰতৰ প্ৰাচ্য খণ্ডত অৱস্থিত আছিল, কাৰণ প্ৰাগজ্যোতিষ, পৌণ্ড্র, বিদেহ (মিথিলা) তাম্ৰলিপ্ত (তমলুক), মল্ল (মলদ-মালদা), মগধ, (বিহাৰ) গোলন্দ (গোৱালন্দ) আদি ৰাজ্য বিলাক ভাৰতৰ প্ৰাচ্যখণ্ডত অৱস্থিত—

"প্ৰাগজ্যোতিষশ্চ পৌনড্রশ্চ বিদেহাস্তম্ৰালিপ্তকা।
মল্লদ মগধ গোলন্দা প্ৰাচ্যং জনপদাস্মৃতাঃ॥"

ব্ৰহ্মাণ্ডপুৰাণ।

এই পৌণ্ড্রদেশ আৰু পৌণ্ড্রনগৰী হিমালয় পৰ্ব্বতৰ দক্ষিণে অৱস্থিত আৰু প্ৰাগজ্যোতিষ, বিদেহ, মগধ, গোৱালন্দ আদি জনপদ সমূহৰ ওঁতি কাষৰীয়া—

"উদেশাহিৰতঃ শৈলাদ্ধুৰস্য চ দক্ষিণে।
পুণ্ড্র নাম সমাখ্যাতং নগৰং তত্ৰৈৱ স্মৃতম্॥" ইত্যাদি—

মহাভাৰতৰ সভাপৰ্ব্বত থকা বৰ্ণনা অনুসৰি দ্বিতীয় পাণ্ডৱ ভীমে ভাৰতৰ প্ৰাচ্যখণ্ড দিগ্বীজয়ৰ সময়ত কাশীৰাজ্যৰ পূৰপ্ৰান্তত থকা বিদেহ (মিথিলা বৰ্ত্তমান ত্ৰিহুত দাৰভাঙ্গা অঞ্চল), মগধ (বৰ্ত্তমান পাটনা গয়া অঞ্চল),

গিৰিব্ৰজ (ৰাজগিৰ), অঙ্গদেশ (ভাগলপুৰ অঞ্চল), কৌশিকী (কুশী গঙ্গাৰ তীৰভূমি অঞ্চল) হৈ পৌণ্ড্ৰৰাজ্যত প্ৰৱেশ কৰে। ইয়াৰ পিছত পৌণ্ড্ৰৰাজ বাসুদেৱক পৰাজিত কৰি ভীম দক্ষিণফালে যাত্ৰা কৰে। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে কুশীগঙ্গাৰ তীৰভূমি অৰ্থাৎ পূৰ্ণিয়া অঞ্চলৰ পূৰ্ব্বদিশত পৌণ্ড্ৰৰাজ্যৰ অৱস্থান আছিল। স্মাৰ্ত্ত ৰঘুনন্দন ভট্টাচাৰ্য্যৰ তিথি তত্ত্বৰ মতে কৰতোৱা নদী যি ভূখণ্ডৰ মাজেদি প্ৰবাহিত হৈছে সেই অঞ্চলেই পৌণ্ড্ৰদেশ :—

"কৰোতোয়ে সদানীৰে সৰিৎ শ্ৰেষ্ঠে সুবিশ্ৰুতে।
পৌণ্ড্ৰান প্লাবয়সে নিত্যং পাপং হৰ কৰোদ্ভৱে॥"

অৰ্থাৎ হে সৰিশ্ৰেষ্ঠা সুবিদিতা সদানীৰা কৰতোৱা! তুমি পৌণ্ড্ৰদেশ প্লাৱিত কৰি সদায় প্ৰবাহিত হৈ আছা, মোৰ পাপ হৰণ কৰা। কৰতোৱা নদী হিমালয়ৰ পৰ্ব্বত্যাঞ্চলৰ পৰা নিৰ্গত হৈ বৰ্ত্তমান জলপাইগুড়ি জিলাৰ ভিতৰেদি ৰংপুৰ দিনাজপুৰ বগুড়া অঞ্চলৰ মাজভাগেৰে প্ৰবাহিত হৈ কল্কি অৱতাৰ শ্ৰীশ্ৰীঠাকুৰ অনুকুল চন্দ্ৰৰ আৱিৰ্ভাৱ ক্ষেত্ৰ পুন্যভূমি পাবনা জিলাত আন নদীৰ লগত মিলি গৈছে। গতিকে বৰ্ত্তমান ৰংপুৰ জিলাৰ (বৰ্ত্তমান বাঙলা দেশ) দক্ষিণ পশ্চিমাংশ, দিনাজপুৰ জিলাৰ পুব দক্ষিণাংশ সমগ্ৰ বগুড়া জিলা আৰু পাবনা জিলাৰ উত্তৰ পূৰ্ব্বাংশৰ অন্তৰ্গত ভূখণ্ডই প্ৰাচীন পৌণ্ড্ৰদেশ। ওৱেষ্ট, স্কট স্মিথ, ব্ল্যাকম্যান, হান্টাৰ চাহাব আদি পাশ্চাত্য প্ৰত্নতত্ত্ববিদ সকলৰ মতে সমগ্ৰ ৰাজসাহী, পূৰ্ণিয়া মালদহ অঞ্চলৰ সমষ্টিয়েই পৌণ্ড্ৰদেশৰ অন্তৰ্ভূক্ত আছিল, যদিও উত্তৰ পূব সীমাত থকা কিৰাত আৰু ভল্লাট (জলপাইগুড়ি-কোচবিহাৰ আৰু ভুটানৰ নামনি অঞ্চল) অঞ্চলো মোটামোটিভাৱে সন্নিবিষ্ট আছিল।

বত্নপীঠাঞ্চলৰ ৰাজবংশী :— যিহঁক আধুনিক অসমৰ পশ্চিম প্ৰান্ত অৰ্থাৎ প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্গত ৰত্নপীঠাঞ্চল অভিজ্ঞৰে

পৰাই শৈৱমতাৱলম্বী প্ৰধান আছিল আৰু জল্পীশ মহাদেৱৰ অধিবাসী সকলৰ আৰাধ্যদেৱতো আছিল। জল্পীশ মহাদেৱক কিৰাতৰূপী মহাদেৱ হিচাবে পূজা কৰাৰ কাৰণে উক্ত অঞ্চলৰ লোকসকলক কিৰাতী আৰু ভেউঁলোকৰ প্ৰাধান্য থকা ৰাজ্যখনক কিৰাতৰাজ্য বা কিৰাতি দেশ বুলিও ব্যাপক অৰ্থত জনাজাত। ডঃ সুনীতি কুমাৰ চেটাৰ্জীৰ "কিৰাত জন কৃতি" নামক গ্ৰন্থত এই সম্পৰ্কে বিস্তৃত আলোচনা আছে।

ঐতিহাসিক ডঃ ৰমেশচন্দ্ৰ মজুমদাৰ ডাঙৰীয়াৰ বাংলাদেশৰ ইতিহাসত আছে "কৰতোয়া এখন শুষ্কপ্ৰায়; কিন্তু এককালে খুব বৰ নদী ছিল, এবং ইহাৰ তীৰে পুণ্ড্ৰবৰ্দ্ধন নগৰী অৱস্থিত ছিল। পুণ্ড্ৰ একটি প্ৰাচীন জাতেৰ নাম; ইহাৰা উত্তৰ বঙ্গে (ৰত্নপীঠৰ পশ্চিমাঞ্চল) বাস কৰিত বলিয়া এই অঞ্চল পুণ্ড্ৰদেশ ও পুণ্ড্ৰবৰ্দ্ধন নামে খ্যাত ছিল। "পুণ্ড্ৰদেশেৰ ৰাজধানীৰ নামও ছিল পুণ্ড্ৰবৰ্দ্ধন। প্ৰাচীন কালে ইহা একটি প্ৰসিদ্ধ নগৰী ছিল। বগুড়াৰ সাত মাইল দূৰে অৱস্থিত মহাস্থানগড়ই প্ৰাচীন নগৰীৰ ধ্বংসাৱশেষ বলিয়া পণ্ডিতেৰা অনুমান কৰেন; কাৰণ মৌৰ্য্যযুগেৰ একখানি শিলালিপিতেই এই স্থানটি পুণ্ড্ৰনগৰী বলিয়া উল্লেখিত হইয়াছে।" এই মহাস্থানগড় অঞ্চলত অনুমানিক খৃষ্টীয় একাদশ শতিকাত নৰসিংহ ওৰফে পৰশুৰাম নামৰ ভোজগৌড় বংশীয় এজন প্ৰতাপী ৰজাই ৰাজত্ব কৰিছিল আৰু তেওঁ পৌণ্ড্ৰদেশৰ ৰজা বৰ্দ্ধনকে আদি কৰি বহুতো প্ৰতিবেশী সামন্ত ক্ষত্ৰিয় ৰজাৰ ওপৰত নৰসিংহ পৰশুৰামে প্ৰতিপত্তি বিস্তাৰ কৰিছিল। আত্মপ্ৰতিষ্ঠাৰ বাবে নৰসিংহ পৰশুৰাম আৰু পৌণ্ড্ৰ ৰাজ বৰ্দ্ধনৰ ভিতৰত সাতদিন সাতনিশা ব্যাপি অতি ভয়ানক আৰু আক্ৰোশমূলক যুদ্ধ সংঘটিত হৈছিল। যুদ্ধত বৰ্দ্ধন ৰজা হাৰি প্ৰাণৰক্ষাৰ্থে জ্ঞাতিকুটুম্ব সবান্ধৱে আৰু স্বজাতীয় প্ৰজাবৰ্গৰে সৈতে ৰাজ্য ত্যাগকৰি পূৰ্ব্বাঞ্চলত প্ৰব্ৰজন কৰিছিল। ভেউঁলোকে নিজ নিজ স্থান ত্যাগ কৰি আহি পশ্চিম কামৰূপাঞ্চল বা ৰত্নপীঠাঞ্চলৈ অৰ্থাৎ কোচবিহাৰ জলপাইগুড়ি গোৱালপাৰা জিলা অঞ্চলত

থিতাপি লয়। ইয়াৰ ফলত তেওঁলোকে নিজৰ নিজৰ প্ৰাচীন পন্থী ক্ষত্ৰিয়াচাৰৰ পৰা বিচ্যুত হব লগা হয় অৰ্থাৎ ব্ৰাত্য ক্ষত্ৰিয় হয়। অতি প্ৰাচীন কালৰে পৰা প্ৰাচীন ক্ষত্ৰিয় বিলাক ৰাষ্ট্ৰবিপ্লৱৰ ফলত ৰীতি-নীতি, আচৰণহীন বিচাৰ আৰু বিচাৰহীন আচাৰৰ ফলত ব্ৰাত্য ক্ষত্ৰিয় হোৱাৰ নিদৰ্শন পাই আহিছো আৰু এই কাৰ্য্য সকলো জনগোষ্ঠী বা স্বকীয়া স্বকীয়া জনজাতিৰ বৈশিষ্ট্য। যি দ'লে বা যি ব্যক্তিয়ে সমাজৰ বা দ'লৰ বা গোটটোৰ নিয়ম নীতিৰ পৰা আতৰি যায় তাকে দলচ্যুত বা ব্ৰাত্য কৰা পদ্ধতিটো আজিও প্ৰচলিত হৈ আছে আৰু ইয়াৰ প্ৰতিক্ৰিয়া থলুৱা অধি-বাসীৰ ওপৰতো পৰে। যেনে পূব-পাকিস্তানৰ পৰা অসমলৈ ভাগি অহা বাংলাদেশীৰ দ্বাৰা সৃষ্টি হোৱা ১৯৭৯-৮০ চনৰ পৰিস্থিতিজনিত অৱস্থা। ইতিপূৰ্ব্বে আলোচিত জামদগ্ন্য পৰশুৰামৰ ক্ষত্ৰান্তকাৰী প্ৰতিজ্ঞা আৰু কাৰ্য্যৰ ফলত ব্ৰাত্য হোৱা বা আঁতৰি থকা ক্ষত্ৰিয়বিলাকৰ কোন কোন ঠাইত আত্মগোপন কৰিছিল তাৰ নিৰ্দ্দেশ শাস্ত্ৰতে পোৱা যায়—

"অ সৌহি ব্ৰাত্য ক্ষত্ৰিয় ক্ৰমাদ্দেশান্তৰং গত।
ৰাঢ়ে বঙ্গে ক্ৰমনৈৰ দক্ষিণে ৰাঢ় এবচ॥
ওড্ৰেচ স্থান ভেদেতু ভিন্নাখ্যা পৰিকীৰ্ত্তিতে।
এতেষাঞ্চ সুতা যে যে তেঽপি তদ্দেশ সংজ্ঞাকাঃ॥

—ইতি কুলতন্ত্ৰম্।

অৰ্থাৎ এই ব্ৰাত্য ক্ষত্ৰিয়বিলাকৰ কিছুমানে উত্তৰ ৰাঢ়ত কিছুমানে দক্ষিণ ৰাঢ়ত আৰু আন কিছুমানে ওড্ৰ বা উৰিষ্যা দেশৰ ফালে গৈ বসবাস কৰাৰ কাৰণে ভিন ভিন আখ্যা পাইছিল। এই অঞ্চলবোৰত বসবাস কৰা সকলোবোৰ ক্ষত্ৰিয়কে 'পৌণ্ড্ৰজাতি'ৰ মানুহ বুলি অভিহিত কৰা হয়—

দক্ষিনোত্তৰ ৰাঢ়িয়ৌ বঙ্গজশ্চৌড্ৰ এৱহি।
শ্ৰেণীচতুষ্টয়স্তেভে পৌণ্ড্ৰজাতি সমুচ্যতে॥

—ইতি কুলতন্ত্ৰম্।

অর্থাৎ দক্ষিণ আৰু উত্তৰ ৰাঢ়, বঙ্গ আৰু ওড্র এই চাৰি শ্ৰেণীৰ ক্ষত্রিয়বিলাকক পৌণ্ড্ৰজাতি বুলি কোৱা হয়। এই পৌণ্ড্ৰজাতি বুলি পৰিচিত ক্ষত্রিয়বিলাক প্ৰধানতঃ যি অঞ্চলত বাস কৰিছিল ; সেই অঞ্চল পৌণ্ড্ৰদেশ বা পুণ্ড্ৰদেশ বুলি জনাজাত। পৌণ্ড্ৰদেশৰ পৰা অহা নতুন প্ৰব্ৰজনকাৰী দলে শক্ৰৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা পাবৰ অৰ্থে ক্ষাত্ৰ-চিহ্ন যজ্ঞোপবীত (নগুন) ত্যাগ কৰি নতুন স্থানত নিজকে 'ৰাজবংশী' বুলি পৰিচয় দি পূৰ্ব্বৰ খিলঞ্জীয়া অৰ্থাৎ পূৰ্ব্বৰ অধিবাসীসকলৰ লগত মিলিজুলি আত্মগোপন কৰি থাকিবলৈ লয় আৰু স্থানীয় অধিবাসীবোৰৰ সৈতে বৈবাহিক আদান প্ৰদান কৰাৰ ফলত বিভিন্ন হড় অঞ্চলৰ সমষ্টি তিব্বতীয় বৰ্ম্মী গোষ্ঠীৰ মঙ্গলীয় ক্ষত্ৰিয় সকলৰ সৈতে মিহলি এটা শঙ্কৰ বা মিশ্রিত শ্ৰেণীত পৰিণত হয়। এই কাৰ্য্যক পৰবৰ্ত্তী গোৰা শাস্ত্ৰকাৰ সকলে 'ম্লেচ্ছ' আখ্যা দিয়াৰ কাৰণ উপস্থিত হয়। কিছুমান এৰচকুৱা শাস্ত্ৰকাৰৰ দৃষ্টিত 'ম্লেচ্ছ' মানুহবিলাকক এটা জাতিত অন্তৰ্গত কৰি পৰবৰ্ত্তী কালত 'ম্লেচ্ছ' নামৰ এটা জাতি বা উপজাতিৰ সৃষ্টি কৰিছিল ; কিন্তু 'ম্লেচ্ছ' শব্দই কোনো এটা জাতিক নুবুজায়। অৱশ্যে ইয়াক এটা শ্ৰেণীত পেলাব পাৰি কাৰণ আজিৰ যুগাৱতাৰ সৎসঙ্ঘ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ মতে "বাচা বাঢ়াৰ উল্টা চলে যে ম্লেচ্ছ বলে জানিস সে।" বুলি কৈছে। তথ্যান্তৰে উক্ত পৌণ্ড্ৰৰাজ্যৰ ক্ষত্ৰিয়বিলাক ব্ৰাত্য ক্ষত্ৰিয় হোৱা নাছিল ; বৰং এই পৌণ্ড্ৰবাসী ক্ষত্ৰিয়বিলাক আৰ্য্যজাতৰ আৰু শাশ্বত ধৰ্ম্মাৱলম্বী আৰু একালৰ পৌণ্ড্ৰাধিপতি বাসুদেৱ এজন প্ৰখ্যাত যোদ্ধা আছিল। এওঁ নিষাদ ৰাজ একলব্য আৰু প্ৰাগজ্যোতিষৰাজ নৰকৰ বন্ধু আছিল আৰু শ্ৰীকৃষ্ণৰ বিৰুদ্ধে যুঁজিবলৈ দ্বাৰকাপুৰী আক্ৰমণ কৰিছিল। এই পুণ্ড্ৰবাসুদেৱৰ পিতৃ আৰু যদুপতি শ্ৰীকৃষ্ণ বাসুদেৱ উভয়ে চন্দ্ৰবংশীয় ক্ষত্ৰিয় আছিল। এই সংক্ৰান্তত পোৱা যায়—

"ততঃ পুনড্ৰাধিপং বীৰং বাসুদেৱ মহাবলং।
কৌশিকী কচ্ছনিল্বয়ং ৰাজনাঞ্চ মহাজনম্ ॥
উভৌ বলভূতৌ বীৰাযুভৌ তীব্ৰ পৰাক্ৰমৌ ।
নিৰ্জ্জিত্যাজৌ মহাৰাজা বৰ্দয়ৰজ্সু পাত্ৰবৎ ।

—ইতি মহাভাৰত বনপৰ্ব্ব

অৱশ্যে এই বিষয়ে বিস্তৃত গৱেষণাৰ প্ৰয়োজন। মুঠতে ইয়াকে কব পাৰি যে পৌণ্ড্ৰৰাজ বাসুদেৱৰ পুত্ৰ সুদেৱৰ সৈতে যদুপতি বাসুদেৱৰ ভীষণ যুদ্ধ ঘটাৰ বৰ্ণনা মহাভাৰতত আছে আৰু এওঁলোক যে সুজাতি শ্ৰেণীমান আৰু শ্ৰেষ্ঠ অস্ত্ৰধাৰী যোদ্ধা ক্ষত্ৰিয় আছিল তাৰ উল্লেখ মহাভাৰতৰ সভাপৰ্ব্বৰ ৫২ অধ্যায়ৰ ১৭-২১ শ্লোকত পৰিষ্কাৰ ভাবে আছে। বিস্তৃত পৰ্য্যালোচনা সাপেক্ষে এই প্ৰসঙ্গ ইমানতে সামৰনি মৰা হ'ল।

পৌণ্ড্ৰ ৰাজবংশী :— পুনবাৰ মহানন্দসুত মহাপদ্মনন্দৰ প্ৰসঙ্গৰ অৱতাৰনা কৰি পৰ্য্যালোচনা কৰিলে দেখা যায় যে একাদশ শতিকাৰ পূৰ্ব্বেও পৌণ্ড্ৰদেশৰ পৰা বঙ্গপীঠলৈ প্ৰব্ৰজনকাৰী ৰূপে বহুতো আত্ম-বিস্মৃতি ঘটা ক্ষত্ৰিয় আহিছিল। মহানন্দসুতৰ অত্যাচাৰত পৌণ্ড্ৰবৰ্দ্ধনৰ ৰজা আৰু প্ৰজাই বঙ্গপীঠলৈ আহি স্বাধীন ভাৱে ৰাজ্য পাতিবলৈ চেষ্টা কৰাৰ বৰ্ণনা শাস্ত্ৰত পোৱা যায়—

"নন্দীসুত ভয়াত্তীমে পৌণ্ড্ৰদেশাৎ সমাগতাঃ ।
বৰ্দ্ধনস্য পঞ্চপুত্ৰা স্বসৈন্যৰান্ধবৈঃ সহঃ ॥
বঙ্গপীঠং বিবিশুস্তে কালাদ্ৰিপ্ৰৰ সঙ্গমাৎ।
ক্ষাত্ৰধৰ্ম্মাদপক্ৰান্তা ৰাজবংশীতি খ্যাতাঃ ভবিঃ ॥"

—ইতি ভ্ৰামৰীতন্ত্ৰ।

অৰ্থাৎ নন্দীসুতৰ ভয়ত পৌণ্ড্ৰদেশৰ পৰা গুছি অহা বৰ্দ্ধনৰ পঞ্চপুত্ৰই

সবাদ্ধয়ে বস্তুপীঠত থিতাপি লয় আৰু অৱশেষত তেওঁলোকে 'ৰাজবংশী' নামত ধৰা ধামত খ্যাতি লাভ কৰে। কোচ-হাজো ৰাজ্যত অৰ্থাৎ আধুনিক অসমত বৈষ্ণৱ মতবাদৰ প্ৰচাৰৰ অগ্ৰভাৰী পুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ শিষ্য কামৰূপৰ নৈয়ায়িক পণ্ডিত ৰূপনাৰায়ণ শ্ৰুতিধৰৰ ৰচিত 'কামতেশ্বৰ কুল কাৰিকা'ত ৰাজবংশী জাতিৰ পৰিচয় দিওঁতে কৈছে—

"মহানন্দী সুত নন্দ বৌদ্ধৰাজ সদানন্দ
ধ্বংসকৰে ক্ষাত্ৰবংশ তিনি সপ্তবাৰ।
সেহি গোটা ভূজবলে যুজিলন্ত অৱহেলে
দ্বিতীয় পৰশুৰাম যিটো অৱতাৰ॥
ছিড়িয়া গলাৰ দড়ি ক্ষাত্ৰ চিহ্ন লুপ্ত কৰি
প্ৰাণ ভয়ে ইতি উতি পলান্ত সকলি।
সংগ্ৰামক ভয় কৰি 'ভঙ্গ ক্ষত্ৰি' নাম ধৰি
আপোনাক মানে কেহ 'ৰাজবংশী' বুলি॥
বৰ্দ্ধনসুত পাচঁজন বস্তুপীঠে নিল থান
আৰ কেহ লুকাইল যোনীগৰ্ভ পীঠে।
তাৰ মধ্যে ভীমেশ্বৰ আৰাধিলে মহেশ্বৰ
সিদ্ধ হইল সিটো বস্তুপীঠৰ নিকটে॥"

বৰ্ত্তমান জলপাইগুড়ি, কোচবিহাৰ, গোৱালপাৰা, ৰংপুৰ (বাংলাদেশ) দিনাজপুৰ মালদা, পূৰ্ণিয়া আদি অঞ্চলৰ ৰাজবংশী ক্ষত্ৰিয়বিলাক পৌণ্ড্ৰ-দেশবাসী ক্ষত্ৰিয় সকলৰেই বংশধৰ আৰু উক্ত অঞ্চলৰ অধিকাংশই এসময়ত প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্গত কামপীঠ (যোনিপীঠ), বস্তু-পীঠাঞ্চলেই শেষত কমতাৰাজ্যৰ অন্তৰ্গত হয় আৰু উক্ত 'কামতেশ্বৰ কুল কাৰিকা'ৰ মতে ওপৰত উল্লেখ কৰা বৰ্দ্ধন (ক্ষাত্ৰবৰ্দ্ধন) ৰাজাৰ পৰৱৰ্ত্তী বংশধৰ সকলেই কামতা ৰাজ্যৰ ৰজা বা ৰজা গোৱালি হিচাবে ৰাজত্ব

কৰে। পৌণ্ড্ৰবাজ বৰ্দ্ধনৰ (ক্ষাত্ৰবৰ্দ্ধন) পাচ পুত্ৰই সেই সময়ত বত্নপীঠ আৰু স্বজাতি বৰ্গই কামপীঠ অঞ্চলৰ গভীৰ অৰণ্যভূমিত প্ৰৱেশ কৰি নতুন বসতি স্থাপন কৰে। এওঁলোকৰ ভিতৰত ভীমেশ্বৰ নামৰ এজন সাধক ক্ষত্ৰিয় সন্তানে বত্নপীঠৰ প্ৰাণকেন্দ্ৰ জল্পীশদেৱৰ (জলপাইগুড়ি অঞ্চলৰ আৰাধ্যদেৱতা) অৰ্থাৎ মহেশ্বৰক আৰাধনা কৰি যি স্থানত সিদ্ধিলাভ কৰিছিল তাত আজিও জল্পীশ্বৰৰ মন্দিৰ বিৰাজমান আৰু উক্ত অঞ্চলৰ বাজবংশী ক্ষত্ৰিয় সকলৰ পূণ্যস্থান হিচাবে পূজিত হৈ আছে।

পৌণ্ড্ৰবাজ্ৰ বৰ্দ্ধন ঃ - তথ্যান্তৰে পোৱা যায়—

"কালাগ্নিৰ মত দহে যত পৌণ্ড্ৰগণ।
সেই ৰণে প্ৰাণ দেয় নৃপতি বৰ্দ্ধন॥
তাৰ পুত্ৰগণ ভীত হয় সে কাৰণ।
ৰণ ভঙ্গ দিয়া সবে কৰে পলায়ণ॥
কৰতোয়া পৰপাৰে বত্নপীঠ স্থান।
বনানীতে ঘেৰা মাঠে কাছে বাসস্থান॥
কেহ কেহ বাছে স্থান কমতাবিহাৰে।
আশ্ৰয় লয় কেহ প্ৰাগজ্যোতিষপুৰে॥
এইৰূপ যেথা সেথায় লইয়া আশ্ৰয়।
ৰাজবংশী বুলি সবে দেয় পৰিচয়॥
ক্ষত্ৰি নামে পাছে হয় নিধন সাধন।
ৰাজবংশী আখ্যা ধৰে সে কাৰণ॥" ইত্যাদি

—ৰাজবংশাৱলী।

মাথাভাঙা অঞ্চলৰ ৺যোগেন্দ্ৰনাথ বৰ্মণ ভাণ্ডাৰীয়াৰ ৰচিত "কামৰূপ কুচবেহাৰৰ ইতিবৃত্ত'ৰ ক্ষত্ৰিয় বিভাগত বৰ্ণনা কৰিছে—

বহুবার উপরোক্ত বিপ্লবে পড়িয়া।
ক্ষাত্র-বৈশ্যগণ ছাড়ি গেল পূণ্যতোয়া।।
কোন কোন ক্ষাত্রগণ প্রবেশে আসামে।
পূর্ব্ববাঢ়ী বলি তারে শ্রেণী অনুক্রমে ॥

* * * * *

ক্ষত্রিয় রাজ্যের রাজা ছিল পূর্বাপর।
শাস্ত্র দেখ আমরাই ক্ষাত্র বংশধর ॥
সহস্র বংসর হয় ভাস্কর বর্ম্মন।
হর্ষবর্দ্ধনের স্থানে পায় যশঃমান ॥
শ্যামল বর্ম্মণ আর জিতারী বর্ম্মণ।
শূরসেন পৃথু রায় জয়েশ মহান ॥
ডেকা রাজা খাটুলিয়া, রাজা মাদ-পাল।
পূর্ব্বেছিল আমাদের এসব অনেক ভুপাল ॥
ক্ষাত্র বংশে আরো রাজা নাম কান্তেশ্বর।
রাজধানী কামরূপ কামতা বেহার ॥
আমরা ছিলাম রাজা আমাদের রাজ্য।
সকল রাজ্যের মধ্যে ক্ষত্রিয় ছিল পূজ্য ॥ ইত্যাদি

রাজবংশী শব্দর বিশ্লেষণ :— এতিয়া ওপরত উল্লেখ করা 'রাজবংশী' শব্দটোর জবিয়তে আমি ইতিপূর্ব্বে আগবঢ়োৱা অভিমতবোরর সার্থকতা বিচার করিলে পোৱা যায় যে রাজবীজি রাজবংশ্যাঃ, অর্থাৎ রাজবংশর পরা উদ্ভৱ হোৱা মানুহকে রাজবীজিন বা রাজবংশ্য কোৱা হয়। রাজবংশী শব্দর লগত য, ষ্ণীয় আরু ইন্ প্রত্যয় যোগত যথাক্রমে রাজবংশ্য, রাজবংশীয় আরু 'রাজবংশী' শব্দ নিষ্পন্ন হয়। রাজবীজি— [রাজবীজিন রাজন-রাজা বীজিন (বীজ + ইন্ প্রত্যয়) কারণ

ষষ্ঠী হিং] বিং ক্রিং ৰাজবংশ্য , ৰাজবংশীয়। ৰাজবংশ— ৰাজন বংশ + ষ্ণ (ষ্ণ) ভাবাৰ্থে বিং ক্রিং ৰাজবংশোদ্ভৱ, সং পুঃ জাতিবিশেষ (প্রকৃতি-পাদ অভিধান)! ত্রিং (ৰাজন বংশ ষ্ণ্য) ৰাজবংশদ্ভৱ। পুং জাতি-বিশেষ (শব্দসাৰ) ইত্যাদি। গতিকে পূৰ্ব্বৰ গোৱালপাৰা জিলা,— কোচবিহাৰ, জলপাইগুড়ি, দিনাজপুৰ, ৰংপুৰ পাবনা আদি অঞ্চলবোৰত থকা ৰাজবংশী বিলাক প্রাচীন ক্ষত্রিয় বা ৰাজবংশৰ পৰা উদ্ভৱ হোৱা বুলি সুপ্রমাণিত হয়। উক্ত প্রাচীন ক্ষত্রিয় বিলাক বেনেকৈ শূদ্রত্ব প্রাপ্ত হৈছে তাৰ আভাষ ইতিমধ্যে দিয়া হৈছে, যদিও সংক্ষেপে কোৱা যায় যে—

"শনকৈস্তু ক্রিয়া লোপাদিমাঃ ক্ষত্রিয় জাতয়ঃ।
বৃষলত্বং গতালোকে ব্রাহ্মণা দর্শনে নচ॥"

— মনু

অৰ্থাৎ ক্ষত্রিয়বিলাক উপনয়নাদি সংস্কাৰহীন প্রযুক্ত অধ্যাপন আৰু প্রায়-শ্চিত্তাদিৰ নিমিত্তে ব্রহ্মজ্ঞানী ব্যক্তিৰ অভাৱত ক্রমে ক্রমে শূদ্রত্ব প্রাপ্ত হয়। কাৰণ—

"কালস্য কুটীলা গতি না হয় খণ্ডন।
সময়ে হয় তাদেৰ স্বভাব পতন॥
ব্রাহ্মণ অভাৱে যজ্ঞসূত্র নাহি ধৰে।
যুদ্ধপেশা ছাড়ি দিয়া চাষবাস কৰে॥
যজন পালন আৰু অতিথি সেবন।
ধ্যান ধ্যান, পূজাৰ্চনা না যায় কথন॥
আৰ্য্যধৰ্ম্ম, আৰ্য্যকৰ্ম্ম আৰ্যেৰ শোভন।
ক্ষাত্রমতে যথাসাধ্য কৰে সম্পাদন॥
ব্রাহ্মণ অভাবে হয় পুৰোহিত শূণ্য।
"অধিকাৰী" স্থিৰ কৰি কৰে নানা পুণ্য॥

শাস্ত্রজ্ঞ স্বজাতি দেখি অধিকারী কাজে।
ধর্ম্ম-কর্ম্ম শিক্ষা ব দীক্ষা নেয় তাব কাছে॥
ব্রাহ্মণেৰ ক্রিয়াকাণ্ড কবে অধিকাবী।
তুলসী মণ্ডপে পূজা দেয় বাড়ি বাড়ি॥
বেদাচাবে আছে যত দশবিধ কর্ম্ম।
অধিকাবী দ্বাবা পালে সাধ্যমত ধর্ম্ম॥

—বাজবংশাবলী।

প্রকাশ যে আজিব দিনতো বিপ্রবর্ণৰ পূবোহিতব অভাবত বাজবংশী গৃহস্থই স্বজাতিব ভিতবৰে "অধিকাবী" উপাধীধাবী লোকৰ দ্বাবা দশবিধ কর্ম্মক্রিয়া সম্পাদন কবি থাকে। ড° বমেশচন্দ্র মজুমদাবেও বাংলা-দেশেৰ ইতিহাস'ত উল্লেখ কবিছে যে— "মনু সংহিতাতে উক্ত হইয়াছে যে পুণ্ড্রক এবং কিবাত এই দুই ক্ষত্রিয় জাতি ব্রাহ্মণেৰ সহিত সংস্রব না থাকায় ও শাস্ত্রীয় ক্রিয়া কর্ম্মাদিব অনুষ্ঠান না কবায় শূদ্রত্ব লাভ কবিয়াছে। বৈদিক ধর্ম্মসূত্রে বাংলাদেশ আর্য্যাবর্ত্তেব বাহিবে বলীয়া গণ্য হইলেও মানব ধর্মশাস্ত্রে ইহা আর্য্যাবর্ত্তেৰ অন্তর্ভুক্ত এবং পুণ্ড্রজাতি পতিত ক্ষত্রিয় বলিয়া বর্ণিত হইয়াছে। মহাভাবতে কিন্তু পুণ্ড্র ও বঙ্গ এই উভয় জাতিই 'সুজাত' ক্ষত্রিয় বলিয়া অভিহিত হইয়াছে।"
আলোচিত ক্ষত্রিয়বিলাক সংস্কাবহীন হৈ পবাব কাবণে তেওঁলোকব সেই ক্ষত্রিয় নাম লোপ পায় তাব পবিবর্ত্তে ক্ষত্রিয়বংশজ্ঞাপক 'বাজবংশী' নাম ব্যৱহাব কবে। আজিব আলোচিত বাজবংশীবিলাক প্রাচীন পৌণ্ড্র ক্ষত্রিয় বিলাকৰ সৈতে কিমানদূৰ আপোন বা সমগোষ্ঠীয় তাক অলপ বিচাব কবা উচিত। এই প্রশ্নটোৰ উত্তৰ বইটাআবী (ধলাগাওঁ) অঞ্চলৰ পণ্ডিত প্রবৰ ৺হবকিশোব অধিকাবীব ভাষাতে দিয়া হ'ল—
"তন্মধ্যে কোন জাতি পৌণ্ড্রক? তাহাব নির্ণয় কবিতে হইলে ত্রিবিধ

লক্ষণ দ্বাৰা নির্দ্দেশ কৰা যাইতে পাৰে। যথা প্ৰথম উপনিবেশেৰ প্ৰাচীনতা, দ্বিতীয় জাতীয় চৰিত্রে পৌণ্ড্র চৰিত্রেৰ বিদ্যমানতা; তৃতীয় ভাষা।

ওপৰোক্ত এই ত্রিবিধ লক্ষণ কেৱল একমাত্র ৰাজবংশীতেই পৰিলক্ষিত হয়। ৰাজবংশীয়েৰা উক্ত জিলা সমূহেৰ অতি প্ৰাচীন অধিবাসী। ৰাজবংশী চৰিত্র পৌণ্ড্র চৰিত্রেৰ অনুৰূপ এবং ভাষা সংস্কৃত মূলক। একাধাৰে এ সমস্ত লক্ষণ বিদ্যমান থাকায় ৰাজবংশী জাতিয়েৰাই যে পৌণ্ড্র দেশবাসী আৰ্য্যাদিগেৰ ভবিষ্যৎ বংশধৰ এ বিষয়ে কোনো সন্দেহই থাকিতে পাৰেনা"। "খৃষ্টেৰ সপ্তম শতাব্দীতে চীন পৰিব্ৰাজক হিউয়েনচাঙ স্বাধীন পৌণ্ড্র ৰাজ্য দেখিয়াছিলেন। পৌণ্ড্রগণ বৰ্দ্ধিত হইতেছিলেন বলিয়া তাহাদিগেৰ ৰাজ্য পৌণ্ড্রবৰ্দ্ধন নামে প্ৰসিদ্ধ হয়। ৰাজবংশীয়েৰা আত্মপৰিচয় দেন যে 'আমৰা ক্ষত্রিয়'। পৰশুৰামেৰ ভয়ে সংস্কাৰ ত্যাগ কৰিয়া শূদ্ৰ-ভাবাপন্ন হইয়াছি; তজ্জন্য আমাৰা 'ভঙ্গক্ষত্রি' এবং উপবীত কোমৰে ঘুন্সীৰূপে ব্যৱহাৰ কৰিতেছি" (কুল প্ৰদীপ)। ৰাজবংশী জাতিৰ ভাষা আৰু চৰিত্ৰৰ বিষয়ে স্থানান্তৰে বিস্তাৰিত ভাৱে আলোচিত হৈছে। বৰ্ত্তমান ৰত্নপীঠাঞ্চলত যিবিলাক ৰাজবংশী মানুহ আছে তেওঁলোকে প্ৰত্যেকে কঁকালত একোডাল 'ঘুন্সী' ব্যৱহাৰ কৰে বা কৰিছিল।

ৰাষ্ট্ৰবিপ্লৱ প্ৰাকৃতিক বিপৰ্য্যয় বা আত্মকলহৰ ফলত যিকোনো গোষ্ঠীভুক্ত ক্ষত্রিয়ৰ অধঃপতন, দেশত্যাগ বা প্ৰব্ৰজনৰ কাৰণ হিচাবে পৰশুৰামৰ দোহাই দি প্ৰাচ্য পুণ্ড্ৰ বৰ্দ্ধন ৰাজ্যাঞ্চলৰ পৰা ভাগি আহি হাবিয়ে বননিয়ে দুৰ্গম হৈ থকা প্ৰাচ্য ভাৰতৰ তৰাইন অঞ্চল, দাৰ্জ্জিলিং আৰু অসমৰ উত্তৰ সীমান্ত থকা হিমালয়ৰ পাদদেশ অঞ্চলত বসবাস কৰিছিল। তেওঁলোকে প্ৰাচীন কামৰূপৰ কামপীঠ আৰু ৰত্নপীঠাঞ্চলে সামৰি বোৱা উক্ত অঞ্চলৰ বিভিন্ন ঠাইত আঞ্চলিক ঠাইবিশেষৰ নামত নিজ নিজ

জাতিৰ পৰিচয় দিছিল আৰু বিপ্ৰবৰ্ণৰ বা ব্ৰহ্মজ্ঞানী পুৰোহিতৰ অভাৱত নিজ নিজ জাতিৰ পৰাই ধৰ্মপ্ৰাণ আৰু নিষ্ঠাবান ব্যক্তিসকলক 'অধিকাৰী' পাতি ধৰ্ম্ম-কৰ্ম্ম সম্পাদন কৰিছিল।

মেছ জাতি :— বিপ্ৰসকলৰ পুৰোহিত বৃত্তিত ৰাজবংশী ক্ষত্ৰিয়-সকলে হাত দিয়াৰ কাৰণে অৰ্থাৎ বৃত্তিহৰণ পাপৰ প্ৰায়শ্চিত্ত হিচাবে বিপ্ৰ লিখক সকলে তেওঁলোকৰ পৰবৰ্তী ৰচনাবোৰত উক্ত ৰাজবংশী ক্ষত্ৰিয় সকলক 'ম্লেচ্ছ' বা মেছৰ পৰা উদ্ভূত শ্ৰেণী হিচাবে দেখুৱাইছে। আচলতে ম্লেচ্ছৰ পৰা মেছ হোৱা যুক্তিটো অবাস্তৱ। মেচি নদীৰ পাৰৰ অধিবাসী হোৱাৰ বাবেইহে মেছ হোৱা বেছি যুক্তিপূৰ্ণ। সেই একেটা বিচাৰ বুদ্ধিৰে বিচাৰ কৰি হৰিদাস মণ্ডলক 'হাড়িয়া মেছ' কৰিছে আৰু কোচ-সকলক মেছৰ পৰা উদ্ভৱ হোৱা বুলি কৈছে। আচলতে মেছ বুলি কোনো জাতি আছিল বুলি মানিব নোৱাৰি আৰু ই গৱেষণা সাপেক্ষ। কাৰণ মেছ শব্দটো ম্লেচ্ছ শব্দৰ পৰা নিষ্পন্ন হোৱা নাই। ম্লেচ্ছ সি বিলাককে কোৱা হয় যিবিলাকে ৰাচা বাঢ়াৰ বাবে অনুসৰণ কৰিব লগীয়া বৈজ্ঞানিক বিধান সমূহৰ বিৰোধী আচৰণ কৰে সি বিলাকেই ম্লেচ্ছ। অৱশ্যে বড়ো-কছাৰী গোষ্ঠীৰ অন্তৰ্গত 'মেছ' নামে পৰিচিত এটা উপথেল (Sub-class) বিদ্যমান আছে কিন্তু ইয়াৰ অৰ্থ হীনাত্মক বা বড়ো কছাৰীৰ পৰা পৃথক এটা গোষ্ঠী নহয়। যিহ'ক ওপৰত কোৱাৰ দৰে ৰাজবংশী ক্ষত্ৰিয় বিলাকে একুৰা কিছুমানৰ দৃষ্টিত ম্লেচ্ছ হোৱাৰ কাৰণেই হয়তো হৰিদাস মণ্ডলক (হৰিৰ অনুগত প্ৰধান ব্যক্তি অৰ্থাৎ ঈশ্বৰৰ ভক্ত আৰু প্ৰধান ব্যক্তি) 'হাউৰীয়া বা হাড়িয়া মেছ' কৰিছে। মহাদেৱৰ ঔৰষত হীৰেতী বা হীৰ। আৰু জীৰাৰ গৰ্ভত 'বিশু-শিশু'ৰ জন্ম হোৱাটো এটা ধুৰন্ধৰ কল্পনাৰ বাহিৰে আন একো নহয়। ডক্টৰ হাণ্টাৰে— Statistical Account of Bengal (1896) Vol-X-Page 402 অভিমত দিছে যে ই

ব্ৰাহ্মণ সকলৰ এটা মনে গঢ়া কাহিনী মাত্ৰ (A divine ancestry for the chief was manufactured by the Brahmins)। স্থানান্তৰে বিশ্বসিংহক ভূটান ৰাজকুমাৰ বুলিও কয়। ৰাজবংশী বুলি পৰিচয় দিয়া ভঙ্গ ক্ষত্ৰিয় বিলাকে বঙ্গপীঠ অঞ্চলত পূৰ্ব্বৰে পৰা বসবাস কৰি থকা মঙ্গোলীয়ান কৈবৰ্ত্ত তথাকথিত মেছ (মেছি বা মেছে নদীৰ তীৰবৰ্ত্তী) উপজাতিৰ মানুহবিলাকৰ আচাৰ ব্যৱহাৰৰ লগত নিজকে খাপ খুৱাই লবলৈ যত্ন কৰিছিল। পেহে এই ৰাজবংশী বিলাকো সেই সময়ৰ বৃহৎ বড়ো গোষ্ঠীৰ অন্যতম শাখা বৰ্ত্তমান মেছ বুলি প্ৰচাৰিত মেছ বিলাকৰ দৰেই হোৱাতো অতি স্বাভাৱিক। কাৰণ ৰাজবংশী পুৰুষ বিলাকে মেছ বিলাকৰ লৈতে বৈবাহিক সূত্ৰে আবদ্ধ হৈছিল : ই শাস্ত্ৰসিদ্ধ অনুলোম মিলন। কালিকা পুৰাণত উল্লেখ আছে যে কিছুমান ক্ষত্ৰিয় ৰজা প্ৰজাই জামদগ্ন্যৰ ভয়ত ম্লেচ্ছ বা মেছ বেশ ধাৰণ কৰি অৰ্থাৎ নৈষ্ঠিক আৰ্য্যাচাৰৰ পৰিবৰ্ত্তে শৈৱ মতাৱলম্বী হৈ বঙ্গপীঠত বসতি কৰিছিল—

> জামদগ্ন্যভয়াদ্ভীতাঃ ক্ষত্ৰিয়া পূৰ্ব্বমেৱ যে।
> ম্লেচ্ছস্থম্যাম্ন্যুপাদায় জল্পীশং শৰনং গতাঃ ॥

ভনিতা :—

> জামদগ্ন্য ভয়ে পূৰ্ব্বে ক্ষত্ৰিয় নিকৰ।
> শৰণ লৈলা আসি জল্পীশ গোচৰ॥
> ধৰিয়া শূদ্ৰৰ বেশ ৰহিলা তথায়।
> নিৰন্তৰ থাকে ৰত ইহাৰ কৃপায় ॥"

শিৱ-শঙ্কৰ-মহাদেৱ :— বিশ্ব ইতিহাস পৰ্য্যালোচনা কৰিলে দেখা যায় যে কোনো প্ৰবল উন্নত সভ্য জাতিৰ আৰু দুৰ্ব্বল অনুন্নত জাতিৰ পৰস্পৰৰ সংস্পৰ্শত আহিলে শেষোক্ত জাতিটোৱে নিজৰ সত্বা হেৰুৱাই প্ৰথম জাতিটোৰ লগত মিলি যায় ; কিন্তু পুৰণি ভাষা উপাসনা পদ্ধতি

আৰু আচাৰ ব্যৱহাৰ একেবাৰে বিলুপ্ত হৈ নাযায়, বৰং নতুনৰ মাজেদি কিছু পৰিবৰ্ত্তিত আকাৰত আত্মপ্ৰকাশ কৰে। উদাহৰণ স্বৰূপে দ্ৰাবিড় শিৱক আৰ্য্যকৰণ কাৰ্য্য। দ্ৰাবিড় মানে আচলতে আদিম। পবিত্ৰ শিৱে শঙ্কৰ হৈ অৱশেষত মহাদেৱত পৰিণত হোৱা কথাটো'ও লক্ষ্য কৰিব লগীয়া। বৃহৎ মঙ্গোলীয় কৈফদৰ প্ৰভাৱশালী বড়ো গোষ্ঠীৰ মানুহবিলাকৰ সংস্পৰ্শত আহি তেতিয়াৰ সামৰিক দুৰ্ব্বল ৰাজবংশী মানুহবিলাকৰ দশাও তেনে হৈছে— "শক হুন দল মোগল পাঠান সব এক দেহে হ'ল লীন..." সকলোৱে মিলি বৈচিত্ৰময় ভাৰতবাসীৰ মাজত মিলনৰ ঐক্যসূত্ৰ ৰচনাৰ কৰে। তথাপি যুগ যুগ বছৰৰ পিছতো ৰাজবংশীবিলাকৰ নিজৰ ভাষা আৰু সমাজিক আচাৰৰ স্বাতন্ত্ৰ্য ৰক্ষা পাই আছে।

কোচ-ৰাজবংশী :— আন এটি বিশেষ দৃষ্টিভঙ্গীৰে আকৌ আলোচনা কৰা হ'ক। পৰশুৰামৰ ক্ষত্ৰিয় নিধনৰ ফলত ক্ষত্ৰিয় বদ্ধা প্ৰজা কিছুমানে কামপীঠ বা যোনিপীঠৰ দেৱী ভগৱতীৰ (কামাখ্যাদেৱী) কোচত (কোড়ত) আশ্ৰয় গ্ৰহণ কৰাৰ কাৰণে 'কোচ' শব্দৰ সৃষ্টি হৈছে বুলি কোৱা হয়। তেওঁলোকে ৰত্নপীঠ কামপীঠাঞ্চলৈ আহি আশ্ৰয় গ্ৰহণ কৰাৰ পৰা ভগৱতীৰ কোচত আশ্ৰয় লোৱাৰ কথাটোৰ সাৰ্থকতা থাকিব পাৰে। 'পৰশুৰাম ভয়াৎক্ষত্ৰী সংকোচৎ কোচ উচ্যতে' অৰ্থাৎ পৰশুৰামৰ ভয়ত ক্ষত্ৰিয়বিলাকৰ যি সঙ্কোচ ভাব হৈছিল তাৰ পৰা 'কোচ' শব্দৰ সৃষ্টি হৈছে বুলি কোৱা হয়। তথ্যান্তৰে পোৱা যায়—

> "পৰশুৰামো ক্ষত্ৰিয়ন্তং গৰ্ভিণী পলায়ন্তথা।
> তে জাতঃ চাকোলে বদ্ধা সা কোচ কামৰূপয়ে॥
> তেষাং অৱধি কোচানাং ৰাজবংশী ভবেৎক্ৰমম্।
> ৰাজ কৰ্ম্মাচ্চাৰাৎ লোকে সত্য ধৰ্ম্ম-প্ৰচাৰক॥
> শঙ্কৰ জাতস্য লোকানাং কোচ বৰ্ণ ভবেৎক্ৰমম্।
> তে সৰ্ব্বো কোচ ধৰ্ম্মানাং শূদ্ৰ ধৰ্ম্ম সমাচৰেৎ॥"

অৰ্থাৎ পৰশুৰামৰ ক্ষত্ৰিয়াস্তকাৰী বিদ্ৰোহৰ সময়ত বহুতো গৰ্ভৱতী তিৰোতাই পলাই আন ঠাইত আশ্ৰয় লৈছিল। এই গৰ্ভৱতী মাতৃসকলৰ পৰা যিবোৰ সন্তানৰ জন্ম হৈছিল তেওঁলোকেই কামৰূপত কোচ নামে অভিহিত হয়। তেতিয়াৰ পৰা কোচ সকলে (ক্ষত্ৰিয়ৰ পৰিবৰ্ত্তে) ৰাজবংশী বুলি জনাজাত শঙ্কৰ ৰূপে এজনৰ বীৰ্য্যত আন এজনৰ প্ৰতিপালনত জন্মা কৰেণে তেওঁলোক শূদ্ৰ জাতিৰ কোচৰূপে পৰিগণিত হৈছিল। গোঁৰা ব্ৰাহ্মণ্যবাদী হিন্দু সমাজৰ কটকটীয়া প্ৰভাৱৰ ফলত উক্ত আত্মগোপনকাৰী গৰ্ভৱতী মাতৃসকলে সন্তানক জন্ম দিয়াৰ কাৰণে মনৰ যি সঙ্কোচিত ভাব সেই কাৰণেও তেওঁলোকক কোঁচ বুলি অভিহিত কৰাৰ আন এটা সম্ভাৱ্য কাৰণ হব পাৰে। পৰশুৰামৰ এই ক্ষত্ৰিয় দলন কাৰ্য্য প্ৰাচীন কামৰূপ অঞ্চলত বেছি প্ৰবলভাৱে সংঘটিত হোৱা যেন লাগে। সেয়ে আজিকালিৰ উত্তৰ পূব বঙ্গ আৰু পশ্চিম অসম অঞ্চলত জাত লুকুৱা মানুহৰ সংখ্যা সৰহ। কিছুমানে নতুন পৰিবেশত নিজকে খাপ খুৱাই লবৰ কাৰণে ভালেমান প্ৰাচীন আচাৰ ৰীতি-নীতি বদলাই লৈছিল। এনেবোৰ কাৰণকে চেলু হিচাপে দেখুৱাই গোঁৰা পন্থী সকলে আজিৰ অসমৰ আদিমবাসী সকলক অনাৰ্য্য শূদ্ৰ বুলি আখ্যা দিছিল আৰু তেওঁলোকৰ এই ব্যাখ্যাক প্ৰমাণিত কৰিবলৈ পৰৱৰ্ত্তী কালৰ সংস্কৃত ভাষাৰ লিখক সকলে নানান ধৰণৰ কাল্পনিক কথা-উপকথাৰ শ্লোক আদি ৰচনা কৰি পূৰ্ব্বৰ শাস্ত্ৰবোৰৰ লগত সঙ্গতি দেখুৱাই শাস্ত্ৰবেই প্ৰক্ষিপ্ত সাধন কৰাৰ উদাহৰণ যথেষ্ট পোৱা যায়। আনকি মহাৰাজ বিশ্বসিংহৰ মাতৃ বেৰতীদেৱীৰ নাম পৰিবৰ্ত্তন কৰি হীৰেভী বা 'হীৰা' নামে অভিহিত কৰাই বিশু-শিশুক মহাদেৱৰ ঔৰষজাত সন্তান বুলিও কৈছে। বিশ্বকোষৰ সম্পাদক ঁনগেন্দ্ৰ নাথ বসু মহাশয়ে তেওঁৰ বিশ্বকোষত 'কোচ' শব্দৰ ঠাইত 'ৰাজবংশী' জাতিৰ বিৱৰণ দিছে। মতান্তৰে পূৰ্ব্বৰ গোৱালপাৰা জিলাৰ মাজেদি বৈ যোৱা সঙ্কোষ বা সোনকোষ নদীৰ দুয়োপাৰে পৌণ্ড্ৰ দেশৰ পৰা প্ৰব্ৰজনকাৰী হিচাবে অহা

লোক-সকলে নদীৰ নাম অনুসৰি 'কোচ' বুলিও পৰিচয় দিয়া হয়। কোচি বা কুশী নদীৰ তীৰৱৰ্ত্তী কোচ-বড অঞ্চলৰ বড়ো গোষ্ঠীৰ লোক সকলক কোচ নামেও পৰিচিত। খৃষ্টীয় দশম শতাব্দীত কম্বোজ বংশৰ এজন ৰজাই গৌড়দেশ অধিকাৰ কৰাৰ কথা দিনাজপুৰৰ অন্তৰ্গত বানগড়ত পোৱা শিলালিপিৰ পৰা জনা যায় যে এই ৰজাজন শিৱৰ পৰম ভক্ত আছিল। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে অভিমত দিয়ে যে ৯৬৬ খৃষ্টাব্দত কম্বোজ জাতিৰ গৌড় ৰাজ্যৰ পৰা এজনে দিনাজপুৰত এটা শিৱ মন্দিৰ সজাইছিল; ড° ৰমেশচন্দ্ৰ মজুমদাৰেও কয় "উত্তৰ বঙ্গৰ একখানি শিলালিপি ও পশ্চিম বঙ্গৰ একখানি তাম্ৰশাসন হইতে জানা যায় যে এই সময়ে এই দুই প্ৰদেশে কম্বোজ বংশীয় ৰজাগণ ৰাজত্ব কৰিতেন।" "যে উপায়েই কম্বোজ ৰাজবংশেৰ প্ৰতিস্থা হউক দশম শতাব্দেৰ মধ্যভাগে যে তাহাদেৰ অধীনে উত্তৰ ও পশ্চিম বঙ্গ একটি স্বতন্ত্ৰ স্বাধীন ৰাজ্যে পৰিণত হইয়াছিল সে বিষয়ে সন্দেহ নাই।" আৰ. চি. চন্দৰ অধ্যয়ণ মতে উক্ত কম্বোজ জাতিৰ ৰজাজন 'কোচ' জাতিৰে নামান্তৰ মাথন; ড° এচ. কে. চেট্টাৰ্জীৰ মতে 'কোচ' শব্দটো ইন্দো আৰ্য্যভাষাৰ মাজামাজি শব্দ 'কৱজ' বা 'কমচ'ৰ পৰা উদ্ভৱ হোৱা। ইয়াক সংস্কৃত ভাষালৈ ৰূপান্তৰিত (সাংস্কৃতিকৰণ) কৰিবৰ সময়ত 'কম্বোজ' হোৱাটো বেছি স্বাভাৱিক। যোগিনীতন্ত্ৰ আৰু পদ্মপুৰাণত এই 'কৱজ', 'কমচ' বা 'কম্বোজ' শব্দই শেষত 'কুবাচ' হয়গৈ। ই যে তথাকথিত ব্ৰাহ্মণ (বিপ্ৰ) পণ্ডিত কিছুমানৰ আভিজাত্যপূৰ্ণ সাৰ্ব্বজনীন হীনাত্মক ব্যাখ্যা তাক প্ৰকাশ নকৰিলেও হয়। উক্ত চেট্টাৰ্জীৰ ভাষাতে পোৱা যায়— "Another Sanskritised form of name koca Viz Kuvacake is found in the Padma-Purana where certain disparaging statement about this people are made showing how they were held in disrepute by the orthodox Brahman's (Page 61, Kirata-jana-kriti.)

যোগিনীতন্ত্রৰ মতে 'কুবাচ'ৰ পৰা 'কোচ' শব্দৰ সৃষ্টি হৈছে। অনুমান হয় যে পূৰ্ব্বৰে পৰা বসতি কৰি থকা বড়ো গোষ্ঠীৰ লোকসকলৰ তিব্বতী বাৰ্ম্মিচ ঠালৰ বড়ো ভাষাৰ লগত পৌণ্ড্ৰদেশৰ পৰা অহা ক্ষত্ৰিয় ৰাজবংশী সকলে আদান প্ৰদানৰ বাবে নিজৰ পূৰ্ব্বৰ আৰ্য্য ঠেঙুলিৰ দেশী ভাষাক মিলাই (আৰ্য্য-অনাৰ্য্য মিশ্ৰিত ভাষা) এটা নতুন কাৰ্য্যকৰী ভাষাৰ জন্ম দিয়াৰ কাৰণে এই শঙ্কৰ ভাষাটোক বহুতো গোৰা আৰ্য্যভাষী সংস্কৃত পণ্ডিতে 'কুবাচ' অৰ্থাৎ বেয়া ভাষা (কু—বেয়া, বচ—বাচ্য বা ভাষা) বুলি আখ্যা দিয়ে। সেয়ে এই কুবাচ বা বেয়া ভাষা-ভাষী মানুহবিলাকক 'কোচ' বুলি কোৱাৰ যুক্তি থাকিব পাৰে। সেই একটা কাৰণতেই হয়তো কোচ মানুহবিলাকক অসম-বঙ্গৰ বহুতো গোৰা সংস্কৃত লিখকে বৃহৎ বড়ো গোষ্ঠীৰ পৰা উদ্ভৱ হোৱা বুলি অভিমত দিছে আৰু এনে ধৰণৰ অভিমতৰ ওপৰতেই ভিত্তি কৰি ৰাজনৈতিক চক্ৰান্তকাৰী কিছুমান নৈষ্ঠিক ৰাজবংশীয়ে নিজকে বেছি খাটি ক্ষত্ৰিয় হিচাবে পৰিচয় দিয়াৰ আশাত কোচ সকলক ৰাজবংশীৰ সমগোত্ৰীয় নহয় বুলি ভাৱে আৰু বঙ্গদেশ তথা গোৱালপাৰা জিলা অঞ্চলৰ ৰাজবংশী কিছুমানে অসমৰ অন্যান্য কোচসকলক পৃঠক আৰু কিছু নিম্ন স্তৰৰ বুলি ধাৰণা প্ৰকাশ কৰে! ইয়াৰ মূলতে বঙালী বুদ্ধীজীৱি বৰেন্দ্ৰ শ্ৰেণীৰ ব্ৰাহ্মণ (বিপ্ৰ) কিছুমানৰ চক্ৰান্তও দায়ী। এওঁলোকে মহাৰাজ বিশ্বসিংহৰ প্ৰকৃত জন্মবৃত্তান্তক গোপন কৰিবলৈ আনকি যোগিনী তন্ত্ৰকো প্ৰক্ষিপ্ত কৰিছে। সময়ৰ বিৱৰ্ত্তনৰ ফলত উক্ত অভিমতক আংশিক ভাৱে প্ৰাধান্যতা দিব লগা হলেও আচলতে দেখা যায় দুয়োটা জাতি একেটা জাতিৰে নামান্তৰ মাথোন। সেয়ে সহযোগ আৰু সমন্বয়তাৰ যুগত ৰাজবংশী জাতিটোক সম্পূৰ্ণ আৰ্য্য ৰক্ত প্ৰবাহিত ক্ষত্ৰিয় বুলি পৰিগণিত কৰিবলৈ গৈ জাতিৰ গৌৰৱ কৰা যেনেকৈ কেৱল ধৃষ্টতা মাথোন; তেনেকৈ একে জাতিৰে নামান্তৰ কোচ জাতিটোক সম্পূৰ্ণ আৰু শুদ্ধ বড়ো গোষ্ঠীৰ বুলি ঠোৱতে সিদ্ধান্ত কৰাটোও অজ্ঞতাৰ পৰিচয়কহে

হব। কাৰণ আজিৰ কৃষি শতিকাৰ বৈজ্ঞানিক প্ৰগতিজনিত যান্ত্ৰিক অগ্ৰগতিৰ ফলত স্থানিক, ভাষিক আৰু ক্ৰমজমিক বংশগতিৰ ধাৰাও দূৰন্ত পৰিবেশৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাৰ ফলত গোটেই পৃথিৱীখনিয়ে হাতৰ মুঠিৰ ভিতৰত আয়ত্বাধীন হৈ অতি ক্ষুদ্ৰ হৈ পৰিছে। ইয়াৰ ফলত কম্বলৰ নোম বাচনি কৰিবৰ আৰম্ভ কৰিলে ভাৰতত থকা বিভিন্ন গোত্ৰজ গোষ্ঠীৰ কম্বলখনেই নাইকীয়া হৈ যাব। আচলতে সমগ্ৰ ভাৰতত শুদ্ধ ৰক্তৰ (Blue blood) এজনো ব্যক্তি নাই বুলিব পাৰি ; অনুলোম আৰু প্ৰতিলোম শব্দদুটিৰ সাৰ্থকতা ইয়াতেই।

পুৰাণৰ পৃষ্ঠাত কোচ ৰাজবংশী ক্ষত্ৰিয় :— বিষ্ণু পুৰাণ পৰ্য্যালোচনা কৰিলে পোৱা যায যে ৺ব্ৰহ্মাৰ পুত্ৰ অত্ৰি। অত্ৰিয়ে তপস্যাৰ প্ৰভাৱত চন্দ্ৰ, দূৰ্ব্বাসা আৰু দত্তাত্ৰেয় নামৰ তিনিজন পুত্ৰ লাভ কৰিছিল। অত্ৰিৰ প্ৰথম পুত্ৰ চন্দ্ৰৰ ঔৰষত পত্নী ইলাৰ গৰ্ভত বুধৰ জন্ম হয়। বুধৰ পুত্ৰ আছিল পুৰুৰৱা ; এই পুৰুৰবাৰ ঔৰষত পত্নী উৰ্ব্বশীৰ গৰ্ভত আয়ুৰ জন্ম হয়। আয়ুৰ পাঁচ পুত্ৰেকৰ ভিতৰত নহুষ আছিল জ্যেষ্ঠ আৰু সৰ্ব্বশ্ৰেষ্ঠ। এই নহুষৰ ছয় পুত্ৰৰ দ্বিতীয় পুত্ৰ মহাপৰাক্ৰমী। যযাতিৰ পুত্ৰ আছিল অনু। এই অনু বংশৰ দ্বাদশ ৰজা মতান্তৰে ত্ৰয়োদশ ৰজা বলিয়ে অঙ্গদেশ আৰু পূৰ্ব্বদেশত ৰাজত্ব কৰি ৰালয় ক্ষত্ৰিয়ৰ পাতনি মেলিছিল। বলিৰ ঔৰষত দীৰ্ঘত বা দীৰ্ঘতমা, অঙ্গ, কলিঙ্গ, পৌণ্ড্ৰ, বঙ্গ আৰু সুহ্ম নামৰ ছয়জন প্ৰখ্যাত পুত্ৰ আছিল। প্ৰথম পুত্ৰ দীৰ্ঘত ব্ৰহ্মচাৰী হয় মতান্তৰে অন্ধ আছিল; আৰু আন পুত্ৰৰ অঙ্গই অঙ্গদেশত, বঙ্গই বঙ্গদেশত, কলিঙ্গই কলিঙ্গত আৰু পৌণ্ড্ৰই পৌণ্ড্ৰদেশত নিজ নিজ নামে ৰাজ্যৰ নামাকৰণ কৰি ৰাজত্ব কৰিছিল। এই পৌণ্ড্ৰদেশৰ পৰাই ৰাজবংশী বা কোচ নামে পৰিচিত ক্ষত্ৰিয়বিলাক কামৰূপ অৰ্থাৎ তেতিয়াৰ অসমলৈ আদিমবাসী হিচাবে আহিছিল আজিৰ পৰা হাজাৰ হাজাৰ বছৰ পূৰ্ব্বে। কলিঙ্গৰ ৰাজ্য অৰ্থাৎ আজিৰ উৰিষ্যাত কচক অৰ্থাৎ কোচ জাতিৰ মানুহৰ

সংখ্যা আজিও প্ৰভূত পৰিমানে দেখা যায়। তেওঁলোক যদিও প্ৰাচীন কামৰূপ ৰাজ্যৰ ৰত্নপীঠ অঞ্চলৰ গভীৰ অটব্য হাবিয়নিত, ভল্ল'টৰ (ভূটান) নামনি অঞ্চলত সিচৰতি হৈ বসতি কৰিছিল আত্মপ্ৰতিস্থিত হৈ ক্ষমতাশালী হবৰ কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন আছিল। নতুন পৰিবেশত এই ক্ষত্ৰিয় সন্তানবৰ্গই কামৰূপ ৰাজ্যাঞ্চলৰ অত তত সিচৰতি হৈ থকা বৃহৎ বড়ো গোষ্ঠীৰ সামন্ত শক্তি বিলাকৰ লগতে মিলিজুলি থাকিবলৈ লয়, বিয়া বাৰুৰ আদান প্ৰদান অবাধে হয়। তেতিয়াৰ দিনত ইস্কাপিয়ে সিজাতিৰ প্ৰতি হীনাত্মক মনোভাৱ পোষণ কৰা বৰ বেছি দেখা নগৈছিল বিশেষকৈ এই বৈবাহিক মিলন যদিহে অনুলোম মিলন আছিল। অৱশ্যে আজিও অসমত অস্পৃশ্যতা, হৰিজন আদি ধৰণৰ হীনাত্মক ভাব প্ৰকাশক মনোভাব নাই কিন্তু অসমৰ বাহিৰে ভাৰতৰ আন আন প্ৰদেশত 'অস্পৃশ্যতা,' এটা জটিল সামাজিক ব্যাধি স্বৰূপ। দ্বাদশ শতিকাত বঙ্গদেশত নৱহিন্দু সমাজ গঠনৰ সময়ত বল্লাল সেনৰ পৃষ্ঠপোষকতাত ৰবেন্দ্ৰ শ্ৰেণীৰ তথাকথিত ব্ৰাহ্মণ (বিপ্ৰ) বিলাকৰ আধিপত্যই সমস্ত বঙ্গদেশৰ উপৰিও তেতিয়াৰ অসমত দুৰ্ব্বাৰ চেষ্টাৰে হিন্দু সমাজত মাত্ৰ দুটা শ্ৰেণীৰ ব্যৱস্থাৰ বাবে সংগ্ৰাম কৰিছিল। এই দুই শ্ৰেণীৰ ভিতৰত সমাজত কেৱল ব্ৰাহ্মণ আৰু শূদ্ৰ শ্ৰেণী মাথোন থাকিল। এই কুচক্ৰান্তকাৰী সকলে ইংৰাজৰ অগ্ৰজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ তাবেদাৰ হিচাবে প্ৰবেশ কৰি পূৰ্ব্বাঞ্চলৰ বিভিন্ন জাতিৰ বিশেষকৈ অসমৰ ৰাজনৈতিক চিন্তা ধাৰাৰো চৰম ক্ষতি কৰে যাৰ কুফল আজিও ভোগ কৰিব লগা হৈছে।

বৃহৎ বড়োৰ অংশ কোচ-ৰাজবংশী :— কোচ ৰাজবংশী সকলৰ বৃহৎ বড়ো গোষ্ঠীৰ লগত হোৱা এই মিলনৰ স্মৃতি ফল্গুধাৰৰ দৰে বহুদিনলৈকে প্ৰবাহিত হৈ আছিল, কিন্তু কোচ ৰজা বিশ্বসিংহই বিখ্যাত হোৱাৰ পিছত যেতিয়া স্বজাতিৰ অধিকাৰীৰ পৰিবৰ্ত্তে ব্ৰাহ্মণক (বিপ্ৰক) ৰাজপুৰোহিতৰ আসনত বহুৱায় তাৰ পিছৰ পৰা কোচ জাতিৰ

জাত্যাভিমান বাঢ়ি গ'ল। বড়ো সকলৰ বহুতে ম্লেচ্ছ বা মেছ হিচাবে পৰিগনিত হ'ল পুৰোহিত শ্ৰেণীৰ মায়াচক্ৰত পৰি বিশ্বসিংহ স্বয়ং মহাদেবৰ ঔৰষজাত সন্তান হিচাবে শিৱৰ বংশধৰ হৈ 'শিৱবংশী' বজা হ'ল। ক্ষুদ্ৰ স্বাৰ্থসিদ্ধিৰ বাবে ব্ৰাহ্মণ (বিপ্ৰ) সকলৰ বিবেক বিক্ৰী আৰু ক্ষমতাপ্ৰিয় ব্যক্তিসকলৰ (ৰজা আদি) তোষামোদৰ প্ৰতি থকা দুৰ্ব্বলতাৰ ইয়ো এক নিদৰ্শন বুলি কব পাৰি। কোচ ৰাজবংশৰ অন্যতম শাখা দৰঙৰ ৰাজবংশৱলীত আছে যে সহস্ৰাৰ্জুন বংশীয় (চন্দ্ৰবংশীয় হৈহয়ৰ পিছৰ বজা) বাৰজন ক্ষত্ৰিয় ৰাজকুমাৰ পৰশুৰামৰ ভয়ত আত্মগোপন কৰি সেই সময়ত নিজকে ম্লেচ্ছ বা ব্ৰাত্য ক্ষত্ৰিয় বুলি পৰিচয় দিছিল।

চিক্‌নাঝাৰৰ কোচ-ৰাজবংশী :— গভীৰ বননিৰে পৰিপূৰ্ণ বস্থপীঠ অঞ্চলৰ অন্তৰ্গত 'চিকনাঝাৰ'ত আৰু এই চিকনাঝাৰৰ আশে পাশে স্বজাতীয় প্ৰজাবৰ্গৰে সৈতে বাস কৰিছিল। বৰ্ত্তমান গোৱালপাৰা জিলাৰ সৰলভাঙা আৰু চম্পাৱতী নদীদ্বয়ৰ মধ্যৱৰ্ত্তী অঞ্চলত চিদলীৰ উত্তৰ পশ্চিম কোনত 'চিকনা' নামৰ এখন বিৰাট ঝাৰণি আজিও আছে। এই ঝাৰণি খনকে 'চিক্‌নাঝাৰ' বুলি সকলোৱে জানে। এতিয়াও প্ৰাচীন কীৰ্ত্তি চিহ্নৰ বহুতো ভগ্নাৱশেষ আছে 'অযত্ন পালিতা কন্যা' হিচাবে ('বস্থপীঠত এভুমুকি' দ্ৰষ্টব্য)। প্ৰসঙ্গক্ৰমে পাওঁ—

> তাৰে বাৰজন ৰাজপুত্ৰ পলাই গৈলা।
> চিক্‌নাঝাৰত গৈয়া লোমাই ৰহিলা॥

এই আত্মগোপনকাৰী বাৰটা সামন্তবংশৰ বংশধৰ সকলৰ ভিতৰত সুমতি সৰ্ব্বশ্ৰেষ্ঠ আছিল। সুমতিৰ ভদ্ৰাজিত, ভদ্ৰাজিতৰ ভদ্ৰশ্ৰৱা, ভদ্ৰশ্ৰৱাৰ বসুদাম আৰু বসুদামৰ পুত্ৰ দমাস্থ। এই দমাস্থৰ ঔৰষত আৰু উৰ্ব্বশীৰ গৰ্ভত হাউৰীয়া-হাড়িয়া বা হৰিদাস মণ্ডলৰ জন্ম হয়। হাড়িয়া সকতে পিতৃ মাতৃহীন হোৱাৰ কাৰণে হাউৰীয়া বা হাড়িয়া হয়। এই হাড়িয়াকে

অৱশেষত বাইজে লগলাগি অৰাজকতাৰ পৰা হাত সাৰিবলৈ পূবে মানাহ পশ্চিমে সোনকোষ, দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু উত্তৰে হিমালয় পৰ্ব্বতৰ মধ্যবৰ্ত্তী অঞ্চলৰ 'মণ্ডল' পাতিছিল। তেতিয়াৰ পৰা হাড়িয়াক হাড়িয়ামণ্ডল বা হৰিদাস মণ্ডল বুলি জনাজাত।

"হাড়িয়াক আনি সবে মণ্ডল পাতিলা।
সেহি দিন ধৰি তেঁতে অধিকাৰী ভৈলা॥"

মনুসংহিতাৰ সপ্তম অধ্যায়ত সৰু সৰু কিন্তু 'স্বতন্ত্ৰীয়া' প্ৰধান ৰজাসকলক 'মণ্ডল' বুলি কোৱা হৈছে। ৺ডিম্বেশ্বৰ নেয়গ ডাঙৰীয়াৰ Introducton to Assamত আছে— "Sons of Sahasrarjuna a Kshatriya prince son of Haihaya of the line of Moon killed the sage Yamadagni father of Parasuram. The latter in his fury wanted to avenge the murder of his father by removing all the Kshatriyas on earth. especially the sons of Sahasrarjuna. Parasuram almost succeeded in his aweful enterprise save that twelve sons of this Kshatriya kings who concealed their identities being merged in the Mech population by manners and customs and by marriage··· giving the name of Chikanbari as the place of their refuge" (Page 82).

'তব্‌কাত-ই-নাচিৰি' নামৰ গ্ৰন্থৰ আলমলৈ কব পাৰি যে পূবে ভৰলীৰ পৰা আৰম্ভ কৰি পশ্চিমে তিস্তা নদীলৈকে এই বিশাল ভূ-খণ্ড খ্বঃ ১২৫০ চনৰ পৰা ১৫০০ চনলৈকে স্থানে স্থানে কেবাটাও কোচ ৰাজবংশীয়ে বিভিন্ন ভাবে ৰাজত্ব কৰিছিল। তথ্যান্তৰে ড° এচ, কে, চেটাৰ্জীৰ ভাষাত পোৱা যায়— 'A number of Koch chieftainships or

Principalities appear to have been in occupation of the entire Country from the Bharali to the Tista and karotoya rivers and beyond probably also including Dinajpur district during 1250 to 1500 A. D. (Page 62. kiratajana-kriti)· শ্ৰীদেৱনাথ শৰ্ম্মা কবিভূষণৰ দ্বাৰা সংগৃহীত "আৰ্য্য পুৰুষীনামা" নামৰ এখনি সৰু গ্ৰন্থত কে'চ জাতিৰ উৎপত্তি সম্পৰ্কে দিয়া বিবৰণাংশ হুবহুভাবে তলত উদ্ধৃত কৰা হ'ল –

"ভগৱতীয়ে সুধিলে, হে সৰ্ব্বদেৱ পূজিত শঙ্কৰ! আপুনি কোন কোন ঠাইত বাস কৰে দয়া কৰি মোক কওক। সদাশিৱে কব ধৰিলে— যোনীগৰ্ভৰ ওচৰত (কামাখ্যাৰ ওচৰত) কে'চ নামে (কোচবিহাৰৰ কুচুনী-ৰূপিনী দেৱকন্যাৰ সহিত সদাশিৱে বিহাৰ কৰিছিল সেই নিমিত্তে তাৰ নাম কোচবিহাৰ) দেশ আছে। তেওঁৰ কুচ যুগল কঠিন আৰু যোনি মণ্ডল পীন আৰু মনোহৰ। মই ভিক্ষাৰ চলে ৰাতি দিনে তেওঁৰ ওচৰলৈ যাওঁ। ভগৱতীয়ে সুধিলে— সেই ৰমনী ক'ত আছিল, কেনেকৈ বা তেওঁ তপস্যা কৰিছিল, তেওঁ কেনেকৈ পৃথিবীলৈ আহিছিল, আৰু তেওঁ কি হৈ আছে দয়া কৰি এইবিলাক মোক ভাঙি কওক। হে নগেন্দ্ৰ নন্দিনী! তেওঁৰ চৰিত্ৰ অলপকৈ কও কাণপাতি শুনা। তেওঁ দেৱাঙ্গ সম্ভৱা যোগিনী, পূৰ্ব্বতে দেৱনাৰী আছিল। তেওঁ সদায় মোৰ লগত ক্ৰীড়া কৰি আছিল আৰু সদায় মোৰ নিমিত্তে তপস্যা কৰি আছিল। সেই যোগিনী তীৰ্থসমূহ শোভিত আশ্ৰমত তপস্যা কৰি আছে; সেই সময়ত এজন ব্ৰাহ্মণে ভিক্ষাৰ নিমিত্তে তাত উপস্থিত হ'ল। ভিক্ষুকক ভিক্ষা দিয়া দূৰত থাকোক একাষাৰ কথাৰে উত্তৰকে নিদিলে। অনন্তৰ সেই ব্ৰাহ্মণে তেওঁক অভিশাপ দিলে যে দুৰ্ম্মতে! ম্লেচ্ছ হোৱা। এনেকৈ ব্ৰাহ্মণে শাপ দি গুছি গ'ল আৰু যোগিনীও ম্লেচ্ছত্ব প্ৰাপ্ত হ'ল। মই তেওঁৰ তপস্যাত সদায় সন্তুষ্ট আছো সেই বাবে তেওঁৰ লগত মোৰ ঔৰষে বিশ্বসিংহ নামে এটি পুত্ৰ হয়

বিস্ময়েই মহামতি বিস্নুসিংহ হৈ অকলে সৌমাৰ বিলাকক আৰু গৌড় পঞ্চম গণক ও সমুদায় নৃপতিসকলক পৰাভৱ কৰি এজন প্ৰধান শ্ৰীমন্ত ৰজা হৈছিল। সেই বিস্নুসিংহৰ পৃথিবী পালক বহুপুত্ৰ হয়। তাৰ ভিতৰত কুবাচবিলাক অতি ধৰ্ম্মশীল আৰু মহাযোদ্ধা। মন্তব্য ভগবান পৰশুৰামৰ অৱতাৰ ত্ৰেতাযুগৰ আদিতেই। তেওঁৰ ভয়ত ক্ষত্ৰিয়বিলাক কুচিমুচি থকাৰ নিমিত্তে কোচ নামে প্ৰসিদ্ধ হৈছে। পদ্ম পুৰাণত লিখা আছে যে যোনিগৰ্ভৰ ওচৰত কোচ নামে দেশ আছে। ত্ৰেতাযুগত ভাৰতত কোচ, দ্বাপৰ যুগত ভাৰতত কোচ, এতিয়া কলি যুগতো ভাৰতত কোচ,। এই কোচবিলাকক মধ্য এচিয়াৰ পৰা অহা বুলি কব পাৰিনে? যদি পাৰি তেনেহলে তিব্বত মালভূমিখণ্ডকো বৃহত্তৰ ভাৰতৰ অংশ আছিল বুলি ধৰি লব লাগিব। যোগিনীতন্ত্ৰৰ উক্ত বিস্নুসিংহই হৈছে বুৰঞ্জীৰ বিশ্বসিংহ। তথ্যান্তৰে আমি পাওঁ যে কুশ বংশ পতনৰ লগে লগে তেওঁৰ বংশই কোচ বা কুচ নাম পায় আৰু তাকে শাস্ত্ৰত থকা কুবাচ ৰূপে ধৰিব পাৰি। শাস্ত্ৰত কোচক কুবাচ নামে অভিহিত কৰাৰ উল্লেখ পোৱা যায়। ইয়াৰ কাৰণো আছে— বৈৱস্বত মনুৰ দহ পুত্ৰৰ ভিতৰত কৰূচ নামে এজন পুত্ৰ আছিল। এই কৰূচৰ পৰা অপভ্ৰংশ হৈ 'কোচ' নাম হব পাৰে। ৰাজস্থানৰ কাহিনীত পোৱা যায় যে অসমত পুৰনি কালত বলকাশ্বৰ পুত্ৰ কুশই বৰ প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰিছিল। শেহৈলে সেই কুশ বংশীয় লোকসকলেই কোচ নামে অভিহিত হব পাৰে। যদুৰ পৰা যাদব হোৱাৰ দৰে কুশৰ পৰা কোচ শব্দৰ আৰু বংশৰ উৎপত্তি ধাৰণা কৰিব পাৰি। এই কুশৰ পুত্ৰ অমূৰ্ত্তৰয় ৰজাই প্ৰাগজ্যোতিষ নগৰৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিছিল।

মঙ্গোলীয় বড : ভাৰতীয় বৰ্ষ :— তথ্যান্তৰে পোৱা যায় হিমালয়ৰ উত্তৰত 'বড়' নামৰ এখন ৰাজ্য আছে বা আছিল বুলি পণ্ডিতসকলে

অভিমত দিয়ে। এই বড নামৰ অকলটোৰ তিনিটা বিভাগৰ নাম ক্রমে কচ-বড, লা-বড. হোৰ-বড, টি-বড, বড্ৰ সংস্কৃত অর্থ 'বর্ম আৰু বর্মা'। এতেকে উক্ত অঞ্চলৰ লোকবিলাক যে খিলঞ্জীয়া আৰু দুঃসাহসী যোদ্ধা আছিল তাক সহজে অনুমান কৰিব পাৰি। উক্ত কচ. নামৰ পৰাই কচ বা কোচ শব্দৰ উৎপত্তি হৈছে বুলি কিছুমান তত্বদর্শীয়ে মত প্রকাশ কৰে। বর্মাধাৰী ৰূপে তেওঁলোকে পাচলৈ ক্ষত্রিয়ৰূপেই কোচ হৈ থাকিল। আজিও প্রাক্তন গোৱালপাৰা জিলা অঞ্চলৰ কোচ ৰাজবংশী সকলৰ বহুতে বিশেষকৈ প্রাক্তন বিজনী ৰাজ্যৰ অধিবাসীসকলে বর্মা ওপৰমুখাকৈ পুতি ৰাখি তাত চৌংএৰৰ নেজ বান্ধি চেংকাল মহাকালৰ পূজা দিয়া দেখা যায়। এই কোচৰ স্বকীয়া ভাষাও আছে। ডং ৰেনীৰ (Dr. Rennie)ৰ মতে বর্তমান কোচবিহাৰৰ অধিবাসী বিলাকেই এসময়ত ভোটান দেশত আধিপত্য কৰিছিল ; আনকি মহাৰাজ বিশ্বসিংহক কিছুমানে ভূটানী বজা বা ভূটানী বংশীয় বুলি কৰৰ প্রয়াস কৰে। ডং ৰেনীৰ ভাষাতে পাওঁ— "The latest and most detailed account we have is that contained in the Report of the Honorable Ashlay Eden, the failure of whose mission to Bhotan in 1864 led to the military operations……. According to the date furnished to Mr. Eden Bhotan has not been in the possession of Tibetians for much more than two centuries and is stated to have belonged to a tribe that the Bhotanese call Tephoo who are believed to have been the people of Cooch Behar" (Story of the Bhotan war, Page 7) মহাৰাজ বিশ্বসিংহক কিছুমানে ভূটীয়া বজা বোলাৰ এটা কাৰণো অৱশ্যে আছে, কাৰণ প্রবাদ মতে তেওঁ প্রাধান্য লাভ কৰাৰ পূর্ব্বে চিকনা পর্ব্বতাঞ্চলৰ (চিক্‌নাৰাৰ) অইগ্রামৰ

সৰ্দাৰ তুৰ্কা ভূটীয়াক যুদ্ধত নিহত কৰি উক্ত অঞ্চলৰ অধিপতি হৈছিল।

সমিধান ঃ— কোচ বা ৰাজবংশী জাতিৰ ইতিবৃত্তৰ ওপৰত যিবিলাক তথ্য বা প্ৰমাণ বস্তুৰ অৱতাৰণা কৰা হ'ল সেইবোৰ পৰস্পৰ অবিসম্বাদী; এটি মূলৰ কথা আন এটিয়ে সমৰ্থন কৰে। ঐতিহ্যৰ কথা বুৰঞ্জীয়ে আৰু বুৰঞ্জীৰ কথা জনশ্ৰুতি বা প্ৰবাদ বাক্য আদিয়ে প্ৰমাণ কৰে। ইয়াৰ পৰা বুজা যায় যে কোচ আৰু ৰাজবংশী জাতি একেটা বৃহৎ জাতিৰে নামান্তৰ মাথোন। এই মানুহবিলাক নানান কাৰণত প্ৰাচীন কামৰূপৰ পশ্চিম প্ৰান্ত ৰত্নপীঠৰ পশ্চিমাঞ্চলৰ পৰা প্ৰব্ৰজনকাৰী হিচাবেই হ'ক বা বিস্তাৰবাদী হিচাবেই হ'ক বা আত্মপ্ৰতিস্থাৰ বাবেই হ'ক প্ৰাচীন কামৰূপৰ ৰত্নপীঠৰ পূৰ্ব্বাঞ্চল আৰু কামপীঠ বা যোনিগৰ্ভপীঠাঞ্চললৈ অতি প্ৰাচীন কালৰে পৰা আহি আছিল আৰু সময়ৰ লগে লগে, অৱস্থাৰ পৰিবৰ্ত্তনৰ লগে লগে আৰু যুগৰ বিৱৰ্ত্তনবাদৰ নীতিৰ নিয়ামক হিচাবে প্ৰাচীন কামৰূপৰ তেতিয়াৰ সমাজৰ লগত খাপ খুৱাই আজিৰ অসমৰ খিলঞ্জীয়া অধিবাসীত পৰিণত হৈছে। বহুতো মোটা বুদ্ধিৰ ঐতিহাসিকে বা গ্ৰন্থকাৰে কোচ জাতিৰ ইতিহাস আৰম্ভ কৰিছে ১৬শ শতিকাৰ আগভাগৰ কোচ ৰজা বিশ্বসিংহৰ দিনৰ পৰাহে। পশ্চিম বঙ্গৰ তথাকথিত বৰেন্দ্ৰ ব্ৰাহ্মণ (বিপ্ৰ) কিছুমানে ধুৰন্ধৰ বুদ্ধিৰে আৰু আগ্ৰাসী মনোভাৱৰে নব্য হিন্দু সমাজত কেৱল ব্ৰাহ্মণ আৰু শূদ্ৰৰ বাহিৰে আন কোনো শ্ৰেণীমান হিন্দু নাই তাকে দেখুৱাৰ প্ৰয়াসেৰে এই ইতিহাস ৰচনাকাৰী সকলে প্ৰাচীন অসমৰ ইতিবৃত্তৰ বিষয়ে তথ্য থকা যোগিনীতন্ত্ৰ আৰু কালিকা পুৰাণ দুখনত যথেষ্ট ভাৱে প্ৰক্ষিপ্ত কৰি থোৱা তথ্যৰ ওপৰতে নিৰ্ভৰ কৰি কোচ জাতিৰ ইতিহাস ৰচনা কৰিছে। ইয়াৰ ফলত কোচৰ ইতিহাস বিকৃত হৈছে ঠিক যেনিবা ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলত বঙালী আমোলা সকলে অসমীয়া ভাষাক বঙালী ভাষাৰ অপভ্ৰংশ কৰি দেখুৱাৰ অপচেষ্টাৰ দৰেই। আচলতে কথাটো শুদ্ধ নহয় যেন লাগে; কাৰণ

অসমীয়া আৰু বঙালী ভাষাদ্বয়ৰ জন্ম আৰু বিকাশৰ পূৰ্ব্বতে উত্তৰ পূৱ ভাৰতত বা মধ্যযুগৰ কামৰূপ-কমতাঞ্চলত "ৰাজবংশী ওৰফে কামতালি" ভাষাৰহে প্ৰচলন আছিল যাৰ সৰ্ব্বজন গৃহীত নমুনা ইং ১৫৫৫ চনত মহাৰাজ নৰনাৰায়ণে আহোম ৰজালৈ দিয়া পত্ৰখনকেই দেখুৱাব পাৰি। এই অপচেষ্টাৰ ফলতেই বৰ্ত্তমান অসমৰ পিতৃপুৰুষ সকলে কোৰ্ট-কাছাৰীত, স্কুল কলেজত বঙালী ভাষা ব্যৱহাৰ আৰু অধ্যয়ণ কৰিবলৈ বাধ্য হৈ নিজকে বিজতৰীয়া কৰিছে। কিন্তু আমি এই জাতিৰ বিচিত্ৰ আৰু বৰ্ণাধ্য ইতিহাস পৰ্য্যালোচনা কৰিলে দেখা পাওঁ যে প্ৰাচীন কামৰূপৰ ইতিহাসৰ আৰম্ভনীৰে পূৰ্ব্বৰ পৰাও এই জাতিৰ মানুহে এক প্ৰকাৰ ধাৰাবাহিক ৰূপে বিভিন্ন বেশত সমগ্ৰ এচিয়া মহাদেশৰ যত্ৰ তত্ৰ প্ৰাধান্যতা বিস্তাৰ কৰি আহিছে। মূঠতে এই জাতিটো যে প্ৰকৃত যোদ্ধাৰ প্ৰতীক প্ৰাচীন ক্ষত্ৰিয় শ্ৰেণীমান জাতিৰ বংশধৰ তাক নিশ্চিতভাৱে অভিমত প্ৰকাশ কৰিব পাৰি, কিন্তু পঞ্জাবৰ বৃহৎ আৰ্য গোষ্ঠীৰ ক্ষত্ৰিয় নে মঙ্গোলীয়ান প্ৰভাবাধীন ক্ষত্ৰিয়, নে দ্ৰাবিড়ৰূপে আখ্যায়িত আদিম অধিবাসীৰ শ্ৰেণীমান ক্ষত্ৰিয় তাক থাটাং ভাবে কোৱা টান আৰু প্ৰমাণ কৰাও সুকঠিন বিশেষকৈ এই আগত একবিংশ শতিকাৰ 'এক পৃথিৱী এক পৰিয়াল' গঠনৰ কাৰ্য্যকৰী প্ৰচেষ্টাৰ দিনত আৰু বিশেষকৈ বংশগতিৰ অপৰত পৰিবৰ্ত্তিত পৰিবেশৰ দূৰন্ত প্ৰভাবৰ দিনত। ইং ১৯৪৫ চনত অসমৰ কোচ সন্মিলনীয়ে দাখিল কৰা স্মাৰক পত্ৰত উল্লেখ থকা মতে কোচ ৰাজবংশী ক্ষত্ৰিয় সন্মিলনীৰ ভাষাতেই চিনাকিৰ সাৰবৰ্ণিত ইয়াকে কব পৰা যায় যে—

"The Koch-Rajbonshi is an ancient race that inhabited in the old Kamrup. Originally kshatriya this People was perhaps blended with other people as is generally the case with Indian people. The Koch

kings ruled over ancient Kamrup and weilded great powers and influence over a vast tract of land comprising present Assam, North Bengal, Sylhet, Cacher Tripura and other places. The people is called Koch in Assam and Rajbonshi in the district of Goalpara and North Bengal. The Assamese nation is highly indebted to the Koch people and kings for its language, literature, art and culture ."

—x—

২য় অধ্যায়

কোচ-ৰাজবংশীৰ
লীলাক্ষেত্ৰৰ ভৌগলিক নামাকৰণ।

মহামানবৰ লীলাভূমি ভাৰতৰ পূৰ্ব্বোত্তৰ বিভাগৰ উত্তৰে চিৰশোভিত হৈ থকা দেৱাত্মা হিম গিৰিকে আৰম্ভ কৰি ত্ৰিস্ৰোতসী বা তিস্তা আৰু শান্তনুনন্দন মহাবাহু ব্ৰহ্মপুত্ৰৰ পূতবাৰি বিধৌত এই বিশাল ভূখণ্ড প্ৰাক্ ঐতিহাসিক যুগৰ পৰাই প্ৰাচীন সভ্যতাৰ লীলাক্ষেত্ৰ হিচাবে পৰিগণিত হৈ আহিছে। হাজাৰ হাজাৰ বছৰৰ মাজেদি এই বিচিত্ৰ আৰু বিনন্দীয়া ৰম্য ভূখণ্ড প্ৰাগজ্যোতিষ, লৌহিত্য, কামৰূপ, কমতা, কোচ-হাজো, বৰঅসম আদি ভিন্ ভিন্ নামেৰে লোক সমাজৰ হৃদয়ত স্থান পাই আহিছে; সময় আৰু স্থানৰ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সমন্বয়তা ৰক্ষা কৰিছে। আধুনিক অসম, কোচবিহাৰ, জলপাইগুড়ি, পূৰ্ণিয়া, মিথিলাৰ পূৰ্ব্বাংশ, ৰংপুৰ এককালৰ কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। যোগিনী-তন্ত্ৰত কামৰূপ ৰাজ্যৰ সীমাৰ উল্লেখ আছে—

নেপালস্য কাঞ্চনাদ্রিং ব্ৰহ্মপুত্ৰস্য সংগমং।
কৰতোয়াং সমাশ্ৰিত্য যাবদ্দিক্কৰবাসিনীম্ ॥
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়াতু পশ্চিমে।
তীৰ্থশ্ৰেষ্ঠা দিক্ষু নদী পূৰ্বস্যাং গিৰিকন্যকা।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাবধি।
ত্ৰিংশৎ যোজন বিস্তীৰ্ণ দীৰ্ঘেন শত যোজনম্ ॥
কামৰূপং বিজানীহি ত্ৰিকোণাকাৰ মুত্তমম্ ॥

অৰ্থাৎ উত্তৰে নেপালৰ কাঞ্চনজঙ্ঘা পৰ্ব্বতৰ পৰা আৰম্ভ কৰি দক্ষিণে ব্ৰহ্মপুত্ৰ নদৰ সঙ্গমস্থললৈকে ; পূবে তীৰ্থশ্ৰেষ্ঠ দিক্ষু নদীৰ পৰা পশ্চিমে পুণ্যতোৱা কৰতোৱা পৰ্য্যন্ত ব্যাপি কামৰূপ ৰাজ্যৰ সীমা আছিল। এই ৰাজ্যখনিৰ আকাৰ ত্ৰিকোনাকাৰ ; দীঘলে একশ যোজন আৰু পথালিকৈ ত্ৰিশ যোজন আছিল। এই ৰাজ্যখনিত সৰ্ব্বমুঠ নয় লক্ষখন গাওঁ আছিল। "কামৰূপে চ গ্ৰামানাং নবলক্ষাঃ প্ৰকীৰ্ত্তিতাঃ।" চিৰ সেউজী গছ-গছনি, পাহাৰ পৰ্ব্বতে আগুৰা আৰু শ শ চিৰ প্ৰবাহিতা নদীৰ দ্বাৰা বিধৌত হৈ থকা

"ত্ৰিকোণং কৃষ্ণবৰ্ণঞ্চ প্ৰভূতাচল পূৰিতম্।
নদীশত সমাযুক্তং কামৰূপং প্ৰকীৰ্ত্তিতম্॥
—কালিকাপুৰাণ।

কামৰূপৰ নামৰ বিষয়ে সংক্ষেপে উল্লেখ কৰিব পাৰি কালিকাপুৰাণৰ ভাষাৰে— "শম্ভুনেত্ৰাগ্নিৰ্দগ্ধঃ শম্ভোৰনুগ্ৰহাৎ। তত্ৰৰূপং যতঃপ্ৰাপ কামৰূপং ততস্তোভবেৎ।" অৰ্থাৎ মহাদেৱৰ ক্ৰোধত ভস্মীভূত হোৱা কামদেৱ পুনৰায় যি স্থানত আহি জন্ম লৈছিল সেই ঠাইৰে নাম কামৰূপ। তেতিয়াৰ পৰা এই স্থানডোখৰৰ নাম হয় কামপীঠ বা যোনিপীঠ।

যোনিপীঠৰ মূল কথা :— এই ৰূপক কাহিনীটিৰ বৈজ্ঞানিক পৰ্য্যালোচনা কৰিলে ইয়াকে কব পাৰি যে মহান সাধক মহাদেৱে তেওঁৰ তপস্যা আৰু জ্ঞান-বিজ্ঞানৰ চৰম নিদৰ্শন হিচাবে এই ঠাইতে যোনি বা জন্ম বিজ্ঞানৰ চৰ্চ্চা আৰু গৱেষণাৰ বাবে বৰ্ত্তমানৰ নীলাচল পাহাৰৰ ওচৰত যি বিশ্ববিদ্যালয় পাতিছিল তাকে কামপীঠ বা যোনিপীঠ ৰূপে লোকসমাজত স্বীকৃত হয়। জগতে যি স্থানত বা অঞ্চলত মানুহৰ সকলো কামনা বাসনা বিলাক বিশেষকৈ সৃষ্টিৰ মূল মাধ্যম আদি ৰস বা কাম-ভাৱৰ পৰিপূৰ্ণ বিকাশ, পূৰণ আৰু ৰূপায়িত হয় সেয়ে কামৰূপ। কামনা বিলাক সহজে ৰূপায়িত হয় য'ত সেয়ে কামৰূপ দেৱীক্ষেত্ৰ হিচাবে পৰিগনিত।

ভাৰতৰ বিভিন্ন স্থানত দেৱী মন্দিৰৰ প্ৰাচুৰ্য্যতা নাই ; কিন্তু কামৰূপ ৰাজ্যাঞ্চলত সকলো ঠাইতে দেৱী মন্দিৰ, ভাগৱতী৷ থান আদি দেখা যায় কাৰণে কোৱা হৈছে—

"দেৱী ক্ষেত্ৰং কামৰূপং বিদ্যতেহনং ন তৎসমম্ ।
অন্যত্ৰ বিৰলাদেবী কামৰূপে গৃহে গৃহে ॥"

সেয়ে বোধহয় কামৰূপক বৃহংধৰ্ম্ম পুৰাণত 'মায়াচ কামৰূপাখ্যাঃ' বুলি কৈছে আৰু এই স্থানক বৈকুণ্ঠধামৰ উৰ্দ্ধভাগত স্থাপন কৰি 'দুৰ্গালোক' বুলি আখ্যা দিছে। ইয়াৰ ৰমণী বিলাক ৰূপ লাৱণ্যৱতী আৰু শুভপ্ৰদা আৰু ইয়াক পৃথিবীৰ ভিতৰতে উত্তম দেশ বুলি কৈছে—

"দুৰ্গালোক স্তুতশ্চোৰ্দ্ধাং যত্ৰ সৰ্ব্বাস্ত্ৰীয় শুভা ।
যঃ পৃথিব্যাং কামৰূপ ইতি দেশোত্তমঃসখি ॥"

দানৱ-অসুৰ ৰাজ :— পুৰাণ আলোচনা কৰিলে মহীৰঙ্গ বা মৈৰঙ্গ নামৰ এজন দানৱ বংশীয় ৰজাক এই অঞ্চলৰ প্ৰথম ৰজা হিচাবে পোৱা যায়। তেওঁৰ পিছত ক্ৰমে হতকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ আদি কেইজনমান ৰজাৰ নাম পোৱা যায়। দানৱ বা অসুৰ অৰ্থে আমি সচৰাচৰ যি বুজো এওঁলোক তেনেধৰণৰ দানৱ বা অসুৰ নাছিল। তেওঁলোকে হয়তো পশ্চিমৰ আৰ্য্য সভ্যতা বা ব্ৰাহ্মণ্যবাদৰ বিৰুদ্ধাচৰণ কৰিছিল, গতিকে তেওঁলোকক দানৱ বা অসুৰ আদি উপাধিৰে সম্বোধন কৰি বিৰোধী পক্ষই মনৰ আক্ৰোশ প্ৰকাশ কৰিছিল।

ৰামায়ণ, মহাভাৰত, হৰিবংশ, ভাগৱত আদি গ্ৰন্থত প্ৰাচীন কামৰূপ অঞ্চলত 'নৰক' নামৰ ৰজাৰ নাম সঘনে আৰু ভিন ভিন পৰিবেশত উল্লেখ পোৱা যায়। তেওঁ মিথিলাৰ জনক ৰজাৰ পৰা আৰম্ভ কৰি কুৰুক্ষেত্ৰ যুদ্ধত প্ৰাধান্য বিস্তাৰ কৰা ভগদত্তৰ আগভাগৰ ৰজা আছিল; কিন্তু এজন মানুহৰ জীৱদ্দশা কালত ত্ৰেতাৰ পৰা দ্বাপৰ যুগলৈকে জীয়াই

থকা যিহেতু সম্ভৱ নহয় ; গতিকে নৰক কোনো এজন ৰজাৰ নাম নাছিল বা বৰং নৰকক প্ৰতীক হিচাবে ব্যৱহাৰ কৰি প্ৰকৃত নৰকৰ পূৰ্ব্বৱৰ্ত্তী বা পৰবৰ্ত্তী সকলো ৰজাকে নৰক বংশীয় ৰজাহিচাবে 'নৰক' নামেৰে জনাজাত আছিল। এনে এজন নৰকৰে পুত্ৰ আছিল মহাযোদ্ধা ভগদত্ত, যাৰ দিনত দেখ দেখকৈ প্ৰাচীন কামৰূপৰ সৈতে ভাৰতৰ ৰাজনৈতিক দৰবাৰত এটা অতঃপ্ৰতঃ সম্পৰ্ক ঘটে যুদ্ধ বিগ্ৰহ আৰু বৈবাহিক মিলনৰ জৰিয়তে।

কিৰাতি ৰজা ঘটকৰ পৰা ভাস্কৰ বৰ্ম্মালৈ :— এনে এজন নৰকৰ দ্বাৰা পূৰ্ব্বৰ কিৰাত বংশীয় ৰজা ঘটকৰ ৰাজত্বৰ অৱসান ঘটে। এই ঘটক আৰু নৰক প্ৰাগজ্যোতিষ ৰাজ্যৰ ৰজা হিচাবে উল্লেখ আছে। গতিকে এই অঞ্চল কামৰূপ হিচাবে আৰু প্ৰাগজ্যোতিষ হিচাবেও জনাজাত আছিল।

ইয়াৰ পিছত ভগদত্ত বংশীয় কুমাৰ ভাস্কৰ বৰ্ম্মণে ভাৰতৰ ইতিহাসত এটা বিশেষ স্থান অধিকাৰ কৰিছে। এওঁ সপ্তম শতিকাৰ কামৰূপেশ্বৰ আছিল আৰু এওঁৰ দিনতে প্ৰখ্যাত চীন পৰিব্ৰাজক হিউৱেন-চাঙ ভাৰত তথা প্ৰাচীন কামৰূপ ৰাজ্য ভ্ৰমণ কৰি একোটা মূল্যবান টোকা লিখিছিল। ভাস্কৰ বৰ্মাৰ দিনত তেওঁৰ ৰাজ্যৰ সীমা আছিল পশ্চিম কামৰূপ, সমুদায় অবিভক্ত অসম আৰু বাংলা দেশৰ মৈমনসিংহ জিলা অঞ্চল ব্যাপি। নৰক বা তেওঁৰ পৰবৰ্ত্তী ৰজা সকল আচলতে ম্লেচ্ছ গোষ্ঠীৰ বা অসুৰ বংশীয় ৰজা নাছিল, কাৰণ কালিকা-পুৰাণত নৰকৰ স্বভাৱ চৰিত্ৰ আৰু জীৱনধাৰা সম্পৰ্কে পোৱা যায়—

"নৰকোঽপি তদা ধীমান বেদশাস্ত্ৰ পাৰগঃ।
ব্ৰাহ্মণ্য নীতিকুশলো বদান্যো বেদতত্পৰঃ॥
কামাখ্যা পূজনৰত নীলকূটে মহাশিৰৌ॥

* * * * *

তস্মাৎ কিৰাতানুৰসাৰ্থং বেদশাস্ত্ৰাম্নুগাণ বহুন।
দ্বিজাতীন্ বাসয়ামাস তত্ৰ বৰ্ণান্ সনাতনান।।
বেদাধ্যয়ণাদি সততং বৰ্ত্ততে যথা।
তথা চকাৰ ভগবান্ মুনিভিৰ্বাসয়ন প্ৰভুঃ।।

ইয়াৰ পৰা পৰিষ্কাৰ বুজিব পাৰি যে নৰক এজন বেদাদৰ্শী আছিল আৰু উদাৰতাৰ সৈতে ব্ৰাহ্মণ্য ধৰ্মত আৰু ৰাজনীতিত পাৰদৰ্শী হৈ কামাখ্যা দেৱীৰ পূজা অৰ্চনাত মনোনিবেশ কৰি নীলাচল পৰ্ব্বতাঞ্চলত ৰাজত্ব কৰিছিল। এনেহেন পণ্ডিত বেদাচাৰী মহান ৰজা এজনক পৰিশেষত অসুৰ নামে অভিহিত কৰি ম্লেচ্ছ বংশী ৰজা বুলি পৰিচয় দিয়া কাৰ্যটো বুদ্ধিজীৱি সকলৰ এটা ব্যাপক চক্ৰান্তৰ বাহিৰে একো নহয় যেন অনুমান হয়। কাৰণ তথ্যান্তৰে পোৱা যায় যে ৰজা নৰক আৰু ভগদত্তৰ দিনত কামৰূপলৈ বিভিন্ন গোত্ৰৰ চতুৰ্বেদী ব্ৰাহ্মণৰ আমদানি হৈছিল। এই চতুৰ্বেদী ব্ৰাহ্মণবিলাকৰ ভিতৰত ভগদত্তৰ পৰা যজুৰবেদী বিলাকেহে বিশেষ অনুগ্ৰহ লাভ কৰিছিল, তাৰ ফলত আন ব্ৰাহ্মণবিলাকে নৰক বংশটোক অসুৰ, ম্লেচ্ছ আদি আখ্যা দি কামাখ্যা দেৱীক বিয়াকৰাবৰ অপচেষ্টা, বশিষ্ঠ মুনিয়ে কামাখ্যা দেৱীক অস্পৃশ্যাকৰণ কৰা ইত্যাদি নানা ধৰণৰ অপপ্ৰচাৰৰ হীন চেষ্টা চলাইছিল। তাৰ ফলত প্ৰাচীন কামৰূপৰ ৰজা সকলক অসুৰ বংশীয় ৰজা হিচাবে পৰিগনিত হয়।

ঐতিহাসিক দৃষ্টিৰে বিচাৰ কৰিলে পঞ্চদশ শতিকাৰ হোচেনশাহী মুদ্ৰাত 'কামৰূপ' আৰু 'কমতা' নামৰ দুখন দেশৰ নাম পোৱা যায়। ১৫৮৬ চনত অহা ইংৰাজ বণিক ৰালফ্ ফিচ্‌ৰ লিখনিত, ১৭শ শতিকাৰ "তাৰিখে ফেৰিস্তা, আকবৰ নামা, 'তোজকে জাহাগিৰী' আদি গ্ৰন্থবোৰত এই আলোচিত অঞ্চলৰ নাম কোচ ৰাজ্য বুলি উল্লেখ কৰিছে। পৰ্তুগীজ পৰিব্ৰাজক ষ্টিফেন্ কাসিলাই উক্ত দেশৰ নাম 'কোচ' আৰু ৰাজধানীৰ নাম 'বিহাৰ' বুলিছিল। 'আইনী আকবৰী' আৰু 'বাহাৰিস্থান ঘাইবী'

গ্ৰন্থত 'কোচ' ৰাজ্য আৰু সেই ৰাজ্যৰ অন্তৰ্গত 'কামৰূপ' আৰু 'কমতা' নামৰ দুখন ৰাজ্যৰ কথা উল্লেখ আছে। কোচ ৰজা মহাৰাজ ৰঘুদেৱনাৰায়ণ (চিলাৰায়ৰ পুত্ৰ) হাজোৰ 'হয়গ্ৰীৱ মাধৱ' মন্দিৰৰ দ্বাৰ লিপিত নিজকে 'কামৰূপেশ্বৰ' বুলি পৰিচয় দিছে। ১৭শ শতিকাৰ কোচবিহাৰৰ ৰজা প্ৰাণনাৰায়ণ আৰু মদননাৰায়ণে নিজকে 'কামতেশ্বৰ' বুলি কৈছে। ইং ১৬৫০ চনৰ ব্লেভৰ (Blaev's) মানচিত্ৰত কামতা ৰাজ্যৰ মানচিত্ৰ আছে। ১৭শ শতিকাৰ মাজভাগত লিখা 'বাদশাহ নামা' শাহজাদানামা, তাৰিখে আসাম, আলমগীৰ নামা আদি গ্ৰন্থত উক্ত অঞ্চলৰ নাম পশ্চিমাৰ্দ্ধক 'কামতা' স্থানান্তৰে 'কোচবিহাৰ' আৰু পূৰ্ব্বাৰ্দ্ধক কামৰূপ স্থানান্তৰে 'কোচ-হাজো' বুলি উল্লেখ কৰিছে। কোচবিহাৰ নামৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতামত শুনা যায়। কোচ জাতিৰ প্ৰধান বাসস্থান বা বিহাৰ ক্ষেত্ৰ হোৱা হেতুকে কোচ প্ৰাধান্য উক্ত অঞ্চলৰ নাম কোচবিহাৰ হয় (ভুল কৰি কুচবিহাৰ লিখা হয়)। মতান্তৰে কোচকুমাৰী আৰু মহাদেৱৰ বিহাৰ ক্ষেত্ৰ হোৱা হেতুকে অৰ্থাৎ শৈৱ (মহাদেৱ) আৰু শাক্ত (ভগৱতী কোচ কুমাৰীৰ ৰূপত) পন্থালম্বী লোকৰ প্ৰাচুৰ্য্যতাৰ বাবে। তথ্যান্তৰে প্ৰাচীন ক্ষত্ৰিয়বিলাক সংকুচিত (কোঁচ) হৈ নানা কাৰণত হীনপ্ৰভ হৈ পৰাত ক্ষাত্ৰ ধৰ্ম্মৰ পৰা পিছলি পৰে আৰু এই শূণ্য ঠাইত বৌদ্ধ পন্থীৰ বিহাৰৰ প্ৰাচুৰ্য্যতা উঠাৰ কাৰণে কোচবিহাৰ হয়। 'ইণ্ডিকা' নামৰ গ্ৰন্থৰ প্লিনিৰ লিখিত অংশত হিমালয়ৰ নামনি অংশৰ নাম 'কোচ' বুলি লিখা আছে। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, দেৱীৱৰ মিত্ৰৰ 'দেশবিধি', ধ্ৰুৱানন্দ মিশ্ৰৰ 'কুলকাৰিকা' আৰু প্ৰায়বোৰ মুছলমান ঐতিহাসিকৰ মতে উক্ত অঞ্চলত 'কোচ' জাতিয়ে বাস কৰিছিল বুলি কয়। ১৭শ শতিকাৰ 'তাৰিখে আসাম' ১৮শ শতিকাৰ 'ৰিয়াজোস সালাতিন', ১৯শ শতিকাৰ 'খোৰসেদ জাহানামা' আদি কিতাপ বিলাকত উক্ত অঞ্চলৰ অধিবাসী হিচাবে কেৱল 'কোচ' আৰু 'মেছ' নামৰ দুটা জাতিৰ নামহে প্ৰধানতঃ পোৱা যায়।

ড° চেট্টাৰ্জীৰ ভাষাতে পুনঃ উল্লেখ কৰিব পাৰি যে—

'A number of Koch chieftainships or Principalites appear to have been the occupation of the entire country from the Bharali to the Tista and Karatoya rivers and beyond, probably also including Dinajpur district during 1250 to 1500 A.D.

কামতালি কোচ :— তথ্যান্তৰে কামতা ৰাজ্যত বাস কৰা প্ৰাচীন কোচবিলাকক 'কামতালি কোচ' বুলি পৰিচয় দিয়া আমি পাওঁ। প্ৰাচীন কামৰূপৰ পশ্চিম অঞ্চল কামতা। কাম শব্দৰ পৰা উদ্ভূত বুলি কামদা বা কামতা হৈছে। যি অঞ্চলত মনৰ কামনাবোৰ সহজতে ৰূপায়িত হয় বা দান কৰে সেই অঞ্চলেই কামদা বা কামতা। এই কামতা ৰাজ্যত একাদিক্ৰমে কেবা ফৈদৰ কোচ ৰজাই ৰাজত্ব কৰিছিল। কালিকাপুৰাণৰ ৬২তম্ অধ্যায়ৰ মতে কামাখ্যাদেৱীৰ আন নাম কামদা আৰু সময়ত লোকৰ মুখ বাগৰি কামতা হব পাৰে। ঐতিহাসিক যদুনাথ সৰকাৰৰ মতে কৰতোৱা নদীৰ পৰা আৰম্ভ কৰি বড়নদীলৈকে কামতা ৰাজ্য বিস্তৃত আছিল। তেওঁৰ History of Aurangajeb, Vol III, Page 168 পৃষ্ঠাত উল্লেখ আছে— 'At the end of the fifteenth century the flourishing kingdom of Kamata which stretched from the Karotoa river to the Barnadi and included the northern district of Rangpur, Kuch Behar, Goalpara and Kamrup was overthrown by the Muslims, a few years anarchy followed then Biswasingha···· founded a dynasty which still rules over Kuch Behar." বাহাৰীস্তানে ঘায়েবীৰ ৮০৬ পৃষ্ঠাত আছে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিমৰ পৰা কৰতোৱা পৰ্য্যন্ত ভূ-ভাগকে কামতা ৰাজ্য বুলি

কোৱা হয় আৰু এই ৰাজ্যৰ প্ৰাচীন কামৰূপৰ অন্তৰ্গত (Komta or Kamata originally denoted the western part of the Brahmaputra valley upto the Karatoya and it was included within the ancient kingdom of Kamrup. The Mughal historian some times use the terms Kamrup and Kamta as synonymous. Here Kamta is used territory lying to the west of the Manas river and Kamrup to its east.) আকৌ পোৱা যায় যে অতীত কালত পূণ্যতোৱা কৰতোৱা নদীয়ে প্ৰাচীন পুণ্ড্ৰবৰ্দ্ধন ৰাজ্য আৰু কামৰূপ ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ কৰিছিল। The Karatoya is an ancient river mentioned in the Mahabharat as a sacred river. It was the boundary line between the old kingdom of Pundravardhan, the country of the Pundras and the kingdom of Kamrupa··· This river during the early Mughal days was also the frontier line between the Kuch kingdom and the Mughal Bengal·· It rises from the extreme north-west jungles of Jalpaiguri and passing through the boundary of Dinajpur and Rangpur districts meanders through Rangpur and Bogra "··· Page 804 Baharistan I Ghaybi) মুঠতে উক্ত কামতালি কোচবিহাৰক শ শ বছৰ পিছত বিশেষকৈ মহাৰাজ নৰনাৰায়ণ ৰায়ৰ ৰাজত্বকালত বৰ্ত্তমানৰ অবিভক্ত অসমৰ সকলো চুকে কোনে বিয়পি পৰিছিল বুলি আমি পিছৰ অধ্যায়বোৰত প্ৰমাণ পাম।

—x—

৩য় অধ্যায়

কোচ মহাজাতিৰ সৈতে অন্যান্য উপজাতিৰ উৎপত্তিৰ গুড়িকথা

কোচৰ প্ৰাচীনত্ব :— আজি কালি কোচ ওৰফে ৰাজবংশী এটা জাতি বা উপজাতি হিচাবে পৰিচিত। সুদূৰ অতীতত ই এটা বৃহৎ গোষ্ঠী বা মহাজাতিহে আছিল আৰু সমগ্ৰ এচিয়া মহাদেশৰ অগ্ৰগনী লোক গোষ্ঠী ৰূপে পূবে কম্বোদিয়াৰ পৰা আৰম্ভ কৰি পশ্চিমে এচিয়া মাইনৰ বেবীলন চিৰিয়া পৰ্য্যন্ত বিস্তৃত হৈ পৰিছিল। এওঁলোকৰ পশ্চিম ভাৰতীয় শাখাটোৱে ইউৰোপত প্ৰথম সভ্যতা বিস্তাৰ কৰিছিল বুলি ঋগ্বেদ, গ্ৰীচ দেশৰ বুৰঞ্জী আদি বিভিন্ন তথ্য পাতিৰ পৰা সুপ্ৰমাণিত হৈছে। প্ৰাচ্য বিদ্যা মহাৰ্ণৱ, সিদ্ধান্ত বাৰিধী, তত্বচিন্তামনি ৺নগেন্দ্ৰ নাথ বসু মহাশয়ৰ ইং ১৯২২ চনত প্ৰকাশিত Social History of Kamrup বোলা বিখ্যাত গ্ৰন্থত প্ৰাচীন কোচ সকলৰ বিষয়ে যিবোৰ গৌৰৱজ্জ্বল তথ্য-পাতি আছে সেইবোৰ চিন্তা চৰ্চা কৰিলে আজিৰ একবিংশ শতিকাৰ দুৱাৰ দলিত উপস্থিত হোৱা কম্পিউটাৰ কেন্দ্ৰীক শিক্ষিত যুৱক-যুৱতীয়ো হতবাক হোৱাৰ উপক্ৰম। দেখা যায় 'কোচ' শব্দটো তুলনামূলক ভাবে মধ্যযুগৰ পৰাহে বেছি ব্যৱহৃত। প্ৰাচীন তথ্য-পাতিৰ পৰা জনা যায় আৰ্য্য পণ্ডিত সকলৰ বিভিন্ন গ্ৰন্থ সমূহত এই কোচ সকলৰ পূৰ্ব্বপুৰুষ সকলক দৈত্য-দানৱ-অসুৰ-ম্লেচ্ছ-ৰাক্ষস নিবাত কুবাচ-কুবাচ আদি নামেৰে ভূষিত হৈছিল। মুঠতে ভাৰতত আৰ্য্য কৃষ্টিৰ

সৃষ্টি আৰু আৰ্য্যলোক গোষ্ঠীৰ উদ্ভৱ হোৱাৰ পিছত প্ৰাচীন ভাৰতৰ আদিমবাসী সকলক অনাৰ্য্য, দ্ৰাবিড় আদি নামেৰে মোটামোটি ভাবে চিহ্নিত কৰিছিল আৰু পৰবৰ্ত্তী কালত আৰ্য্যকৃষ্টিৰ দৃষ্টিত সমাজত বৰ্ণ বিভাগ হোৱাত প্ৰাচীন ভাৰতীয় লোকসকলৰ বেছিভাগেই 'শূদ্ৰ' শ্ৰেণীত পৰিণত হৈছিল। এই কোচসকল 'শূদ্ৰ' হোৱাৰ পূৰ্ব্বতে অৰ্থাৎ আৰ্য্য সমাজ গঠনৰ পূৰ্ব্বতে বৃহৎ বড় অঞ্চলৰ আফ্ৰিকালিৰ ভিতৰত মালভূমিৰ নামনি ভাগৰ আদিম অধিবাসী আছিল। এওঁলোকে লা বড়, হৰ-বড়, কোচ-বড়, তি-বড় আদি বিভিন্ন বড অঞ্চলৰ আদিম বাসিন্দা হোৱাৰ বাবেই সামগ্ৰিক ভাবে বড়ো অঞ্চলৰ বা বড়ো গোষ্ঠীৰ লোক বুলি জনাজাত। পৰবৰ্ত্তী কালত কৈদ হিচাবে মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্ভুক্ত হোৱাৰ বাবেই এওঁলোকক মঙ্গোলীয় বুলিও অভিহিত। মূঠতে যি সময়ত বড় শব্দ 'বৰ্ষ' শব্দলৈ ৰূপান্তৰিত হোৱা নাছিল, যি সময়ত ভাৰত + বৰ্ষ অৰ্থাৎ ভাৰতবৰ্ষ হোৱা নাছিল বৰং জম্বুদ্বীপ হে আছিল, যি সময়ত আফ্ৰিকালিৰ বাংলা দেশ আৰু পশ্চিম বঙ্গ প্ৰদেশ অঞ্চল সাগৰৰ গৰ্ভত আছিল, গাৰোপাহাৰ শ্ৰেণীৰ নাম মন্দাচল আছিল, কৰতোৱা গঙ্গাৰ (নদীৰ) পানী আৰু লৌহিত্য নদীৰ পানী একাকাৰ হৈ পূৰ্ব্ব সমুদ্ৰ বা লোহিত সাগৰ (Red Sea) ৰূপে গণ্য আছিল, সেই সময়তেই বৃহৎ বড় (অৰ্থাৎ ভূমি বা বৰ্ষ) অঞ্চলৰ আদিম বাসী সকলেই ক্ৰমশঃ বিভিন্ন পাৰ্ব্বত্য দ্বাৰবোৰেদি অৰ্থাৎ সমগ্ৰ ভূটান ডুৱাৰ্চ অঞ্চলেদি আৰু কোছি, গণ্ডকী, মেছি ত্ৰিস্ৰোতসি কৰতোৱা, সোনকোষ, চাম্পা, গাভৰু (আই) মনাহ, বেকী, পাগলাদীয়া, বৰনদী, ধনশিৰি, সুবৰ্ণশিৰি ডিহিং, ডিবং ব্ৰহ্মপুত্ৰ আদি বিভিন্ন নদনদীৰ ভটিয়নি পানীবাটে ক্ৰমে দক্ষিণলৈ নামি আহি বসতি কৰিবলৈ লৈছিল। এই উত্তৰাঞ্চলৰ পৰা বিভিন্ন দলপতিৰ নেতৃত্বত নামি অহা এটা ঠেঙুলিৰ ভিতৰৰ পৰাই পৰৱৰ্ত্তী কালত মহাভাৰতত বৰ্ণিত কুৰুক্ষেত্ৰ যুদ্ধক্ষেত্ৰত 'ঘটোৎকোচ' নামৰ বীৰজনা আচলতে ঘাত কৈদৰ

উত্তৰৰ কোচহে (ঘাত + উং + কোচ) আছিল। সেইদৰে বিখ্যাত শোনিতপুৰৰ মহাপৰাক্রমী বাণ ৰজাৰ সেনাপতি মহাকুচ জনো কোচ গোষ্ঠীৰেই আছিল। নিৰাতি ঘটক ৰজা জনো বৃহৎ বড়ো গোষ্ঠীৰেই নৃপতি আছিল। মুঠতে প্রচীন কামৰূপৰ নৃপতিসকল যে উত্তৰ-পূব ভাৰতৰ প্রাচীন কোচবেই বংশধৰ আছিল এই গ্রন্থখনিৰ বিভিন্ন অধ্যায়ত সু-প্রমাণিত হৈছে। পূর্ব্বভাৰতৰ এই প্রাচীন কোচ সকলক বেদ, ভাগৱত পুৰাণ আৰু বিদেশী পণ্ডিত সকলৰ বর্ণনাত 'পানি কোচ' নামেৰেও উল্লেখিত হৈছিল। 'পানিকোচ' উপাধি ব্যৱহাৰ কৰা খিলঞ্জীয়া কোচ মানুহ আজিৰ বিংশ শতিকাতো প্রাক্তন গোৱালপাৰা জিলাৰ দাক্ষণ পাৰত, গাৰোপাহাৰ জিলাত, শোণিতপুৰৰ বিশ্বনাথ চৰিয়া অঞ্চলত বহুতো আছিল আৰু আছে। প্রাচীন অসমৰ এই পানিকোচ সকলৰ বহুতেই ভাৰতৰ দক্ষিণ পশ্চিম অঞ্চলত প্রভাব বিস্তাৰ কৰিছিল আৰু তাৰে পৰাই শেষত এছিয়া মাইনৰ অঞ্চলত গৈ ভূমধ্য সাগৰত, চিৰিয়াত, বেবীলনত পানি সভ্যতা অৰ্থাৎ ফানি বা ফানিক্স ওৰফে Phoenix সভ্যতাৰ পাতনি মেলিছিল। দেশী বিদেশী বহুতো পণ্ডিতৰ লিখিত তথ্যাৱলীত ইয়াৰ উল্লেখ আছে বিশেষকৈ পণ্ডিত প্রবৰ ৺নগেন্দ্র নাথ বসু মহাশয়ৰ বিখ্যাত গৱেষণা গ্রন্থ Social History of Kamrup নামৰ গ্রন্থত। আজিকালি এই পানিকোচ সকলে 'পানি' পৰিত্যাগ কৰি কেৱল কোচ আৰু অতি সাম্প্রতিক কালত 'কোচ' উপাধীও পৰিত্যাগ কৰি আধুনিক আর্য্যমূলীয় উপাধী ব্যৱহাৰ কৰিবলৈ লোৱাৰ ফলত জাতি জ্ঞাপক উপাধী প্রায় নাই বুলিলেই হয়। আত্মৰক্ষা আৰু আত্মপ্রতিষ্ঠাৰ বাটত উত্তৰৰ কোচ সকল বিভিন্ন দুৱাৰ বা দ্বাৰ যোৰেদি কেনেকৈ কামৰূপ কামতা অসমত প্রবেশ কৰিছিল আৰু এইদৰে নামনিলৈ নামি অহাৰ বাটত তেওঁলোক কিমান বিপদ-আপদ, যুদ্ধ-বিগ্রহৰ সম্মুখীন হৈছিল তাৰ দীঘলীয়া ইতিহাস দিয়াতো এই গ্রন্থখনিত সম্ভাৱ নহয়। প্রাচীন কামৰূপৰ উত্তৰ-

পূৰ্ব্বাংশৰ পৰা বিস্তাৰ লাভ কৰা প্ৰাচীন কোচ সকলৰ সংক্ৰান্তত প্ৰাচীন পন্থী গাৰলীয়া কোচ জনগোষ্ঠীৰ লোক সকলৰ মাজত এটি বেদনা দায়ক লোকগীত ঠায়ে ঠায়ে শুনা গৈছিল। লোকগীতটি তথ্যপূৰ্ণ হোৱাৰ উপৰিও ঐতিহাসিক দিশত অতি মূল্যবান। লোকগীতটিৰ আৰম্ভনি অংশ এনে ধৰণৰ—

"হুলুন লুঙা হাছং
চামন্দং বামন্দং
কোচা মিএগাও চিএগাও
কোচা আমৈ নাম্প্ৰাঙঔ ·· ইত্যাদি"

সাম্প্ৰতিক গাৰো ৰাভা আৰু প্ৰাচীন পন্থী কোচ সকলৰ ভিতৰত বৰ্ত্তমানে প্ৰায় অপ্ৰচলিত এই লোক-গীতটিৰ সংকলীকৃত ৰূপটোৰ অৰ্থত তেওঁলোকৰ প্ৰবৰ্ত্তনৰ পথ আৰু বিৱৰণীকে পোৱা যায়। 'হুলুন' নামৰ এটা তুনৰ পাৰত থকা এখন ঠাইৰ নাম। বৰ্ত্তমান উত্তৰ-পূৱ চীনৰ মঙ্গোলীয়াৰ এটা ৰেলষ্টেচন আৰু নগৰ আৰু ইয়াৰ আধুনিক নাম 'হুইলান্' 'লুঙা'ও বৰ্ত্তমান হোৱাঙহো নদীৰ পাৰত থকা নগৰ আৰু বৰ্ত্তমান নাম 'লোৱাঙ'; হাছং শব্দৰ অৰ্থ ওখ মাটি বা পৰ্ব্বতীয়া ভূমিত বাস কৰা মানুহকো বুজায়। অসমৰ উত্তৰ ভাগত থকা অকা নামৰ জনজাতিৰ মানুহবোৰে নিজকে 'হাছু' অৰ্থাৎ মানুহ বুলি কয় বৰ্ত্তমানো উত্তৰ-পূৱ ভাৰত আৰু বাংলা দেশত 'হাজং' নামৰ এটা উপজাতি আছে। সাম্প্ৰতিকে বড়ো ভাষাত হা + জৌ = হাজৌ অৰ্থাৎ ওখ মাটিক বুজোৱা হয়। এই হাজৌৰ পৰাই বৰ্ত্তমান 'হাজো' নগৰী হৈছে, আৰু ইয়াৰ একালৰ ৰজাজনক 'হাজু' ৰজা বা 'শৈলৰাজ' বোলা হৈছিল। একালত হাজো অঞ্চল কোচ সকলৰ লীলা ভূমি আছিল। চামন্দং আৰু বামন্দং দুখনি ঠাইৰ নাম। বৰ্ত্তমান অসমৰ তিনিচুকীয়া নগৰৰ উত্তৰত আৰু সদিয়াৰ পৰা প্ৰায় ৫২৫ কিলোমিটাৰ দূৰত অৱস্থিত। চামন্দং আছিল মেকং নদীৰ

তীৰবৰ্ত্তী আৰু আজিকালি ইয়াৰ নাম চাম্‌দো। ৰামলাং বৰ্ত্তমান অৰুনাচল প্ৰদেশৰ অন্তৰ্গত নগৰ 'বমদিলা'। 'কোচা মিঞাও চিঞাও' শব্দৰ অৰ্থ কোচৰ পুৰুষ মানুহ সকল প্ৰতিপক্ষৰ যুদ্ধত নিহত হৈছিল। ফলত 'কোচা আমৈ' অৰ্থাৎ কোচৰ আমৈ সকল (তিৰোতা সকল) বিষ্ণৰত পৰিছিল, 'নাম্প্ৰাওঔ' অৱস্থাত পৰি পথগাৰা উন্নাদিহ নোপোৱা হৈছিল। বৰ্ত্তমান অপ্ৰচলিত বেদনা বিধুৰ এই লোকগীতটিৰ অন্তৰালত আত্মপ্ৰতিষ্ঠাৰ বাবে বহুতো কোচ যোদ্ধাই কিদৰে প্ৰতিকুল প্ৰকৃতিৰ বিৰুদ্ধ প্ৰতিদন্দী প্ৰতি-পক্ষৰ প্ৰত্যাহ্বানৰ সম্মুখীন হৈ নিম্নভূমিলৈ বিস্তাৰিত হৈছিল তাৰেই কৰুণ সাংকেতিক চিত্ৰ এখনি প্ৰতিভাত হৈছে এই লোকগীতটিত।

দক্ষিণ-পশ্চিম এচিয়া আৰু ইউৰোপৰ কোচসকল :—

পূৰ্ব্বদেশ প্ৰাগজ্যোতিষ প্ৰাচীন কামৰূপৰ পানি কোচ অৰ্থাৎ কোচ সকলে লোহিত সাগৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰ নদৰ উপত্যকা অঞ্চলৰ পৰা বিস্তৃত হৈ ক্ৰমশ পশ্চিম ভাৰত হৈ এচিয়া মাইনৰ অঞ্চললৈ একে দিনাই বিয়াপ পৰা নাছিল। তেওঁলোক আচলতে তেতিয়াৰ বুদ্ধিজীবি লোক সমষ্টিৰ অৰ্থাৎ আৰ্য্য নামক লোক সমষ্টিৰ ষড়যন্ত্ৰত সিন্ধু নগৰৰ অৱবাহিকা অঞ্চলত থিতাপি লবলৈ বাধ্য হৈছিল। সিন্ধুনদৰ অৱবাহিকা অঞ্চলক ৰসাতল (ৰসা নদীৰ তল = ৰসাতল) বা পাতাল বুলিও আখ্যা দিয়া হৈছিল। এই ৰসা নদী খোৰাচান অঞ্চল হৈ অৱগন অৰ্থাৎ আফগানিস্তান অতিক্ৰম কৰি সিন্ধুনদৰ মোহনাত মিলিত হৈ যি জলাভূমি অঞ্চলৰ সৃষ্টি কৰিছিল সেই অঞ্চলেই হৈছে 'ৰসাতল' বা পাতাল। আৰ্য্য সকলে অনাৰ্য্য বলি ৰজাক প্ৰতাৰণা কৰি এই পাতাল বা ৰসাতল অঞ্চললৈকে খেদি দিছিল। এয়েই সম্ভৱতঃ বলিছলন বা "বামন অৱতাৰৰ" মূল কাহিনীৰ পটভূমি। প্ৰাচীন কামৰূপৰ শ্ৰেষ্ঠ বনিক বা সদাগৰ চান্দ সদাগৰো আচলতে পানি কোচেই আছিল।

প্ৰাচীন কামৰূপৰ পানিকোচ অৰ্থাৎ কোচসকলৰ একাংশই পশ্চিমৰ

সিন্ধু অঞ্চল অতিক্ৰম কৰি ইউৰোপৰ দুৱাৰ মুখস্বৰূপ বেবীলনত, চিৰিয়াত আৰু ভূমধ্য সাগৰ অঞ্চলত পৰাক্ৰমী হৈ উঠিছিল বাবেই তেওঁলোকক পানিক-ফোনিক্স ওৰফে Phoenix সভ্যতাৰ গুড়ি ধৰোতা ৰূপে আৰু ভূমধ্য সাগৰীয় অঞ্চলত দৌৰাত্ম্য কৰিছিল বাবেই এই কোচ সকলক 'বহিঃজগতৰ এক অসুৰৰ দল' (A group of demons from the upper air) ৰূপে অভিহিত কৰিছিল। এইবোৰ কথা ভাৰতীয় গৱেষক পণ্ডিত সকলৰ উপৰিও গ্ৰীচ দেশৰ খৃঃপূঃ ৫ম শতিকাৰ অন্যতম বুৰঞ্জীবিদ তথা গৱেষক সাহিত্যিক হিৰোডিটাচৰ গ্ৰন্থতো উল্লেখ আছে। প্ৰকাশ যে আৰ্য্য সকলেও আদিতে এই পানিকোচ বা কোচ সকলৰ পৰাই গো-পালন আৰু দুধ–দৈ-ঘি উৎপাদনৰ জ্ঞান শিকিছিল যে তাৰ প্ৰমাণ ঋক বেদৰ ৪র্থ অধ্যায়ৰ ৫৮ঃ৪ পটলত আছে। আৰ্য্য সকলে আদিতে এই কোচ সকলক ধ্বংস কৰিবৰ বাবে সকলো ধৰণৰ ৰাজনৈতিক কৌশল অৱলম্বন কৰিছিল। আৰ্য্য সকলে পিতৃমেধ যজ্ঞ কৰাৰ সময়ত যজ্ঞাগ্নিত প্ৰথম আহুতি প্ৰদানৰ সময়ত মন্ত্ৰ উচ্চাৰণ কৰিছিল— "হে দেৱতাৰ শত্ৰু কোচ সকল (পানিকোচ)। তোমালোক ধ্বংস, হোৱা ("অপেতো ইয়ংতু পনয়োমৃগ্নাৰা দেবোপিযবোঃ।" ঋগ্বেদ বাৎসায়ন সংহিতা ৩৫ঃ১)। এয়ে আছিল কোচৰ অতীতৰ বেদনা বিধূৰ কাহিনীৰ পটভূমি।

আন আন জনজাতিৰ সৈতে সম্পৰ্ক :— সাম্প্ৰতিক কালৰ কোচ-ৰাজবংশী সকলৰ উৎপত্তি আৰু বিৱৰ্তনৰ বিভিন্ন দিশ প্ৰাচীন আৰু আধুনিক তথ্যাৱলীৰ ওপৰত নিৰ্ভৰ কৰি এই গ্ৰন্থখনিৰ কেবাটাও অধ্যায়ত আলোচনা কৰা হৈছে। গতিকে এই কোচ ৰাজবংশী সকলৰ সৈতে মোটামোটি সম্পৰ্ক কিমান নিবিড় তাৰো এটি খুলমূল পৰিচয় দিয়াতো উচিত বুলি ভাবি তলত কিছু আলোচনা কৰা হ'ল। সৰ্ব্ব প্ৰথমতে কোচৰ সৈতে কোচাৰিৰ সম্পৰ্কৰ কথাকেই ধৰা যাওক। শব্দতত্ব আৰু ভাষাৰ দিশৰ পৰা দেখা যায় 'কোচ' শব্দৰ লগত 'হাৰি' শব্দৰ যোগত

কোচাৰি হোৱাত কোনো আপত্তি নাই। বড়ো ভাষাত 'হাৰি' শব্দৰ অৰ্থ বংশধৰ। গতিকে কোচাৰি সকল কোচৰেই বংশধৰ অৰ্থাৎ সমগোষ্ঠীয়। ইয়াৰ এটা ভৌগলিক ব্যাখ্যাও আছে। পৃথিৱীৰ মুধচ বা মানুহৰ আদিম বাসস্থান ৰূপে পৰিজ্ঞাত তিব্বতীয় অঞ্চলত থকা বিভিন্ন বড় অঞ্চলৰ পৰা ক্ৰমে দক্ষিণৰ নামনিলৈ নামি অহা বৃহৎ বড়ো গোষ্ঠীৰ মানুহ বিলাকে প্ৰয়োজনৰ তাগিদাত বৰ অসমলৈ বা ভূটান দুৱাৰ অঞ্চললৈ নামি অহাৰ সময়ত উত্তৰ বিহাৰৰ মাজেদি ক্ৰমে দক্ষিণলৈ বৈ থকা বিখ্যাত কোচি বা কুশি নদীৰ ভটিয়নী পানী বাটে নামি আহিছিল আৰু কোচি নদীৰ দুয়োপাৰে প্লাবিত হোৱাৰ ফলত সাৰুৱা হোৱা দুয়োকুলে বসবাস কৰি থকা কোচ মানুহবিলাকৰ বৃদ্ধি হোৱাত তাৰেই এটি ঠেঙুলি কোচি নদীৰ পূৰ্ব্বাংশত থকা মেছি নদীৰ পাৰলৈ গুচি আহিছিল। এই মেছি নদীৰ পাৰত নতুনকৈ বসবাস কৰি থকা পূৰ্ব্বৰ কোচৰ বংশধৰ সকলেই 'কোচাৰি' নাম পায়। আনহাতে এই কোচাৰি সকলে মেছি নদীৰ পাৰত বসবাস কৰাৰ বাবেই পৰবৰ্ত্তী কালত এই চাম মানুহক 'মেছ' নামে পৰিচিত হয়। সেয়ে 'মেছ' নামৰ কোচাৰি মানুহ কেৱল পূবে গোৱালপাৰা জিলা আৰু পশ্চিমে কোচবিহাৰ জলপাইগুড়ি মালদা দিনাজপুৰ পূৰ্ণিয়া অঞ্চলতে প্ৰধানতঃ দেখিবলৈ পোৱা গৈছিল। অসমৰ অইন অইন জিলাত যদিহে 'মেছ' মানুহ আছে তেন্তে তেওঁলোক উক্ত পশ্চিম অসমৰ বা প্ৰাক্তন কোচ বিহাৰ ৰাজ্যৰ পৰাই প্ৰবৰ্জিত হোৱা। ইয়াৰ দ্বাৰা সু-প্ৰমাণিত হয় যে কোচ আৰু কোচাৰি একেই গোষ্ঠীৰ। ১৬শ শতিকাত মহাৰাজ বিশ্বসিংহৰ দিনত বেছিভাগ কোচেই অনুষ্ঠানিক আৰু সদৰি ভাবে হিন্দু মতবাদত দীক্ষিত হৈ আৰ্য্যকৃষ্টিৰ ধাৰক পালক আৰু বাহকৰ ভূমিকা লোৱাৰ ফলত কোচ সকলে নিজৰ ভাষা কৃষ্টি পোষাক পাতি এৰি দি প্ৰথম শ্ৰেণীৰ হিন্দুত পৰিণত হয় আৰু আৰ্য্যাচাৰ গ্ৰহণ কৰি ৰাজাৰ বংশধৰ হিচাবে অৱশেষত নিজকে ক্ষত্ৰিয় বুলি পৰিচয় দানে গৌৰব অনুভৱ কৰে। এই কোচসকল

ক্ষত্ৰিয় হোৱাৰ ক্ষেত্ৰত তোষামদকাৰী বুদ্ধিজীৱিসকলৰ সংস্কৃত ভাষাৰ লিখিত গ্ৰন্থাৱলীও কম দায়ী নাছিল। যি সকল কোচে আৰ্য্যক্ষত্ৰিয়ত পৰিণত হৈছিল তেওঁলোকৰ তুলনাত আৰ্য্যাচাৰ গ্ৰহণ নকৰা কোচ বা মেছ সকলে নিজৰ পূৰ্ব্বৰ ভাষা-কৃষ্টি ৰীতি নীতিক আকোৱালি থাকিল, যদিও কোচ কোঁচাৰিসকল মূলতঃ একেই। 'মেছ' শব্দৰ সৃষ্টি সংস্কৃত 'ম্লেচ্ছ'ৰ পৰা উদ্ভৱ হোৱা নাই : ই বুদ্ধিজীৱি সকলৰ অপব্যাখ্যাহে। সেইদৰে ৰাভাসকলো কোচেৰেই বংশধৰ। 'ৰাভা' শব্দটোৰ উৎপত্তি হৈছে আটং গাৰো সকলৰ ভাষা 'ৰাবা' বা 'ৰাব্বা' শব্দৰ পৰা। 'ৰাবা' শব্দৰ প্ৰকৃত অৰ্থ 'আমন্ত্ৰিত'। আটং গাৰো সকলে ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ পাৰৰ পৰা কোচ গোষ্ঠীৰ বহুতো লোকক দক্ষিণ পাৰত থকা গাৰো বস্তী অঞ্চললৈ আমন্ত্ৰণ কৰি নিছিল। এই আমন্ত্ৰণ কৰি নিয়া লোকসকলেই পূৰ্ব্বৰ গাৰো সকলে সহজতে চিনাক্ত কৰিবৰ বাবে 'ৰাবা' নামে অভিহিত কৰিছিল। এই 'ৰাবা' শব্দৰ পৰাই উচ্চাৰণৰ বিৱৰ্ত্তনৰ ফলত 'ৰাভা' হয়গৈ আৰু ৰাভা সকল সময়ত এটা উপগোষ্ঠীত পৰিণত হবলৈ পায়। আচলতে এওঁলোক পূৰ্ব্বতে কোচেই আছিল। আটং গাৰো সকলে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা কোচ সকলক আমন্ত্ৰণ কৰি নিয়াৰ অন্তৰালত এটা ঐতিহাসিক কাৰণ আছিল। সংক্ষেপে কবলৈ হলে আত্মপ্ৰতিষ্ঠা আৰু আত্মৰক্ষাৰ নিৰ্মম সংগ্ৰামত পাহাৰৰ টিলাত বসবাস কৰা গাৰো সকলৰ বিশেষকৈ আটং গাৰো সকলৰ লৈতে পাহাৰৰ সাৱৰা জীপাল দোলাচুলি বোৰত খেতি-বাতিৰ সুচল থকা ঘোপা বা গুহা বাসী গাৰো সকলৰ নিতান্ত অৰ্থনৈতিক কাৰণত অতি ভয়ানক আৰু দীৰ্ঘদিনীয়া ৰক্তাক্ত সংগ্ৰাম হৈছিল। ইয়াৰ ফলত বহুতো সমৰ্থবান পুৰুষ মানুহৰ ক্ষয় হৈছিল বাবেই খেতি-বাতি কাম কাজ আৰু সমাজ পাতনিৰ বাবে মাতৃ প্ৰধান গাৰো সকলে একে গোষ্ঠীৰ পুৰুষ মানুহকেই নিমন্ত্ৰণ কৰি নিবলৈ বাধ্য হৈছিল। এই ভয়ানক যুদ্ধৰ তিক্ত স্মৃতি গাৰোপাহাৰৰ পুৰণি মানুহবোৰৰ স্মৃতিত আজিও বিদ্যমান আৰু উক্ত ঘটনা বৰ্ত্তমান সাধু

বা উপকথাত পৰিণত আৰু প্ৰচলিত। সেয়ে ৰাবাৰ পৰা ৰাভাত পৰিণত হোৱা উপজাতিৰ লোকৰ সৈতে কোচ সকলৰ বিয়াবাৰু আজিও প্ৰচলিত। বৃটিশৰ যুগত আনকি স্বাধীন ভাৰতঁতো বহুতো কোচ ডেকাই 'ৰাভা' উপাধি গ্ৰহণ পূৰ্ব্বক ভাৰতীয় সৈন্য বাহিনীত নাম ভৰ্ত্তি হোৱাৰ উদাহৰণ প্ৰচুৰ আছে। মুঠতে কোচ আৰু ৰাভাৰ মাজত মৌলিক কোনো পাৰ্থক্য নাছিল আৰু নাই। এতিয়া দেখা যাওঁক গাৰো সকল প্ৰকৃততে কোন? একে আষাৰতে কব পাৰি এই গাৰো সকলো আচলতে নৃতত্ত্ব গোষ্ঠীগত আৰু কৃষ্টিগত ফালৰ পৰা পানি কোচ বা কোচৰ পৰা পৃথক নাছিল আৰু নহয়। আচলতে গাৰোপাহাৰৰ নামটো বেছিদিনৰ প্ৰাচীন নহয়। ইয়াৰ পূৰ্ব্বৰ নাম আছিল মন্দাচল পৰ্ব্বতমালা। পূৰ্ব্বতে কোচ সকলেই ইয়াত ৰাজত্ব কৰিছিল আৰু তেওঁলোকৰ প্ৰাচীন নেতাজনৰ নাম আছিল গাৰা কোচ। এই গাৰা কোচৰ নামৰ পৰাই অৱশেষত গাৰো পাহাৰৰ নামাকৰণ কৰা হয় আৰু আন এজন বিখ্যাত নেতা ডুৰা কোচে যি খণ্ড ঠাইত কিল্লা বা দুৰ্গ নিৰ্ম্মাণ কৰিছিল সেয়ে ডুৰা কোচৰ কিল্লা নামেৰে জনাজাত। উক্ত অঞ্চলৰ থলুৱা কোচ সকলৰ উচ্চাৰণত 'ডুৰা' শব্দটো 'তুৰা'ত পৰিণত হোৱাৰ ফলত সদৰ ঠাই ডুৰা আজিকালি 'তুৰা'ত পৰিণত হৈছিল। গাৰোপাহাৰ অঞ্চলৰ বিভিন্ন পুঞ্জী বা টিলাত বিভিন্ন মাতৃৰ আশ্ৰয়ত যি লোক সমষ্টি গঢ়ি উঠিছিল সেই সকলক এওঁলোকৰ থলুৱা ভাষাত মান্দাই বা মানদেহ অৰ্থাৎ মানুহ বুলি কোৱা হৈছিল। বিভিন্ন শ্ৰেণীৰ মান্দাই বা পাহাৰীয়া মানুহবোৰৰ ভিতৰত, কোচ আৰু ৰাভা সকলৰ ভিতৰত সৌ সিদিনালৈকে অৰ্থাৎ ইংৰাজ অহাৰ আগ পৰ্যন্ত এটা নিবিড় আৰু সু-সম্পৰ্ক আনকি বিয়াবাৰুও হৈছিল। গাৰোপাহাৰ অঞ্চল বা পূৰ্ব্বৰ মন্দাচল অঞ্চলৰ বিভিন্ন পাহাৰীয়া টিং বা টিলাত যি বোৰ লোক বাস কৰিছিল; তেওঁলোকে পাহাৰত উঠা-নামা কৰাৰ বাবে দুৰ্য্যোধন হাত মুকলি কৰি ৰাখিব লগা হৈছিল। পতিকে মাল বস্তু বা সক সক লৰা-ছোৱালীবোৰক

কটিয়াবৰ বাবে পিঠিত বোকোচা বা বোকা বান্ধি হাত দুখনি মুকলি কৰি ৰাখিছিল। এই দৃশ্যটোকেই কবি কল্পনাত আৰ্য্য পণ্ডিত সকলে সংস্কৃত ভাষাত পৰ্ব্বতৰ টিঙত বাস কৰা মানুহবোৰকেই গড়ুৰ চৰাই ৰূপে চিত্ৰিত কৰিছিল। সেইদৰে পাহাৰৰ খোপা-খোলা ঘুলিত বসবাসকাৰী লোক সকলক গুহাবাসী সৰ্পৰ সৈতে তুলনা কৰিছিল আৰু মহাভাৰতত উল্লেখিত গড়ুৰ আৰু সৰ্পৰ যুদ্ধখন অঙ্কিত কৰিছিল। এই সন্দৰ্ভত জৰুৎকাৰ মুনিৰ সৰ্পাস্ত্ৰৰ কথা বিশেষ প্ৰনিধান যোগ্য।

এইদৰে সমগ্ৰ গাৰো পাহাৰ শ্ৰেণীৰ পূৰ্ব্ব ভাগত থকা ক্ৰমে কোচিয়া (কোচ+ঈয়া) ওৰফে খোচিয়া বা খাচিয়া সকলে যত বসবাস কৰিছিল সেই অঞ্চলটোত এসময়ত কচ বা খচ ৰাজ্য নামে জনাজাত আছিল। আধুনিক কালত খাচিয়া, জয়ন্তীয়া, লালুং, মিছিং, দেউৰী, হাজং মদাহী প্ৰাকৃন চুতিয়া আদি সকলো এসময়ত বৃহৎ কোচ গোষ্ঠীৰেই অন্তৰ্ভুক্ত আছিল। সুৰমা অৰ্থাৎ বৰবক্ৰ নদীৰ পৰা আৰম্ভ কৰি সমগ্ৰ সুৰমা উপত্যকা তথা পাৰ্ব্বত্য চিটাগঙ্গ পৰ্য্যন্ত অঞ্চলত যিবোৰ আদিম বাসী আছিল আনকি 'মগেৰ মুল্লুকেৰ দেশ' অৰ্থাৎ মগ জাতীয় লোকৰ প্ৰাধান্যতা থকা বৌদ্ধ মতালম্বী লোক সকলো বিশেষকৈ চাঁদগায়া বা চট্টগ্ৰামৰ পৰা আধুনিক অসমলৈ আহি বসবাস কৰা মগ আৰু বৰুৱা বৌদ্ধ সকলেও নিজকে কোচ-ৰাজবংশী গোষ্ঠীৰ লোক বুলি পৰিচয় দিয়ে। সাম্প্ৰতিকে অসম বেঙ্গলত বসবাস কৰা বৰুৱা-মগ-বৌদ্ধ সঙ্ঘই কেন্দ্ৰীয় চৰকাৰ আৰু অসম বেঙ্গল চৰকাৰলৈ প্ৰদান কৰা স্মাৰক পত্ৰ বোৰত তেওঁলোকে নিজকে ৰাজবংশী পিতৃ আৰু ব্ৰহ্মদেশৰ মাতৃৰ মিলনত হোৱা বংশজৰ বুলি উল্লেখ কৰিছে। কোচ মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ দেশ বিজয়ৰ সময়ত উজনি অসম আৰু ত্ৰিপুৰা মনিপুৰ আদি অঞ্চলত যিবোৰ কোচ-ৰাজবংশী যোদ্ধা গৈছিল সেইবোৰৰ বহুতেই নিজ দেশলৈ উভতি নাহি বিজিত দেশ বোৰতেই তাৰেই স্থানীয় তিৰোতাৰ সৈতে ঘৰ-সংসাৰ কৰি

থাকিছিল বাবে কোচ-ৰাজবংশী গোষ্ঠীৰ লোক সমগ্ৰ উত্তৰ-পূৰ্ব্ব ভাৰতত দেখা পোৱা যায়। কোচ ৰাজবংশী সকলৰ এই বাস্তৱ বিস্তৃতিক অৱজ্ঞা কৰিব নোৱাৰি। আৰ্য্যচাৰৰ উপাসক, পূজা-পদ্ধতি আৰু সমাজ ব্যৱস্থাৰ পৃষ্ঠপোষক বুদ্ধিজীবি পুৰোহিত শ্ৰেণীটোৱে সেয়ে অৱশেষত কোচলৈ উন্নীত হোৱাৰ এটা শাস্ত্ৰীয় ব্যৱস্থা দিছিল। ব্যৱস্থাটো আছিল মদাহী লালুং-কোচাৰি ইত্যাদি বিভিন্ন উপজাতিৰ লোকক প্ৰথমতে শৰণ ভোজন কৰাই 'শৰণীয়া' কৰি লৈছিল। ইয়াৰ পিছত এই শৰণীয়া সকলক কোচলৈ উন্নীত কৰিছিল। শেষত এই কোচ সকলকো পুনৰায় সংস্কাৰ সাধন কৰাই সম্পূৰ্ণ আৰ্য্যশ্ৰেণীলৈ উন্নীত কৰি ৰাজবংশী আৰু ক্ষত্ৰিয় শ্ৰেণীলৈ প্ৰমোচন দিছিল। এই ব্যৱস্থাৰ সমৰ্থন দাঙি ধৰে সাম্প্ৰতিকে সামাজিক আন্দোলন চলাই থকা সদৌ অসম "কোচ-ৰাজবংশী-ক্ষত্ৰিয়" সন্মিলনীৰ নামাকৰণটোৱেই। সেইদৰে উত্তৰৰ ভূটান আৰু নেপালৰ আদিম বাসী নেৱাৰ, তামাং, লিম্বু জাথা, আদি উপগোষ্ঠীৰ লোক সকলৰ লৈতেও কোচৰ অতি নিবিড় সম্পৰ্ক আছিল আৰু দেশী বিদেশী পণ্ডিত সকলেও কোচ সকলক তেওঁলোকৰ সমগোষ্ঠীয় বুলি মন্তব্য দাঙি ধৰিছে। তলত দেশী বিদেশী বহুতো পণ্ডিতৰ কেইবোৰ উক্তি দাঙি ধৰা হল যাৰ দ্বাৰা কোচ আৰু অন্যান্য উপগোষ্ঠীৰ লোকৰ সু-সম্পৰ্কৰ ইঙ্গিত পোৱা হয়। এই বৃহৎ কোচ মহাজাতিৰ — যাৰ প্ৰাচীন প্ৰভাৱ পূবে সুদূৰ কাম্বোডিয়াৰ পৰা আৰম্ভ কৰি পশ্চিমে আৰৱ পৰ্য্যন্ত, উত্তৰে হিমালয়ৰ পাদদেশৰ পৰা আৰম্ভ কৰি দক্ষিণে সাগৰলৈকে বিস্তৃত থকাৰ বাবে বৃহৎ কোচ মহাজাতিৰ আৰাধ্য দেৱতা মহাদেৱ ওৰফে শিৱ আৰু দেৱী পাৰ্ব্বতী ওৰফ দুৰ্গা, সতী ইলাৱতীৰ প্ৰভাৱ দেখা গৈছিল। পৰৱৰ্ত্তী কালত বৌদ্ধ, খৃষ্টান, মুছলমান আৰু ব্ৰাহ্মণ্যবাদৰ বিস্তৃতি ঘটাত মহাদেৱ পাৰ্ব্বতীৰ প্ৰভাৱ ম্লান হোৱাৰ লগে লগে কোচ সকলো ছিন্ন ভিন্ন হৈ আপোন পাহৰা আৰু চিনিব নোৱাৰা হৈ পৰে।

কেই গৰাকীমান দেশী বিদেশী পণ্ডিতৰ অভিমত :—

1. "There seems however to be no doubt that the true Koches were a Mongoloid race very closely allied to the Meches and Garoes and we find that in Jalpaiguri, Koch Behar and Goalpara, the persons now known as 'Rajbonshies' are either pure Koches who though dark, have a distinctly Mongoloid physiognomy or else a mixed breed, in which the Mongoloid elements usually preponderates. (History of Assam : by Edward Gait).
2. "In former times the Koches and Meches freely intermarried, but the conversion of the former to Hinduism has now caused the practice to be discontinued" (Gait's History of Assam.)
3. "In the chronicles of the Tippera (Tripura) kings it is said that the ancient name of their country was Kirata and the word still survives as the designation of a tract in the sub Himalayan between the Dud Kochi and Arun rivers and the Khamba, Limbu and Yakha tribes who inhabit it." (Page 12. Gait's History of Assam)
4. "Koches and Kocharies are of the same ethnic group and the true Koches are at any rate represented by the Kocheries who inhabit in Nowgong Goalpara, Koch Behar and the neibouring countries." (Grierson)

5. "The very name Koch has lost its original significance and has now came to mean a Bodo who has become so far Hinduised that he has abandoned his proper tongue and in particulars about what he eats." (Grierson).

6. "The Garoes are race similar to Meches or Kocharies and also bear a strong resemblances to the Koches. Tradition relates that in the former days Garo-Hills were peopled by Koches who were gradually driven from the hills northwards by the Garoes and it is a fact that to this day the Koches claim land in the Garo hills. These Koches are the same tribe as described by Hodson in his work." (W.W. Hunter's statistical Account).

7. "The language of the Koches. the dominating and ruling tribe in the great Koch kingdom, which survived with something of the ancient prestige and power, long enough to be visited by an Englishman Ralf Fitch in queen Elizabeth's time it would seem then that the language spoken in the ancient Koch kingdom which extended from the Himalayan to the Bay of Bengal was the Koch...... and careful measurement in the Brahmaputra and Surama Valleys ought to show

how far the Koch element still persists, how far it is been obliterated by intermarriage with the Indian immigrants." (Introduction to the Koches, Pages XVII : by J. D. Anderson)

8. "The transformation of Koch into Rajbonshi, the name by which they are now known in Rangpur, Jalpaiguri and Koch Behar, is a singular illustration of the influence excercised by fiction in the making of caste. Now the great majority of the Koch inhabitant of Northern Bengal invariably describe themselves as Rajbonshi or Bhanga Khariya." (O. Donnel's Census Report of India 1891.)

9. The Koch is one of the most ancient of the people of India······· their linguistic affinity were supposed to be with Mech-Kocharies" (Delton)

10. "The Koch is a tribe and their language is allied to the Kocharies, Tripuries, Garoes etc. and it belongs to the Bodo language group". (Dr. Iscot Marbaniang : Assam in a nutshell).

11. "The Koch empire under king Naranarayan a and his brother Suladhwaja during second half of the 16th. century is another great acheivement of the Indo-Mongoloid Bodo people and

preparations for this climateoric rise were going on for some centuries before that age. If the assumption is warranted that the Licchavis, Koliyans and Vaijis of North Behar in the 6th. century B. C. were of Indo-Mongoloid orig n, pure or mixed then it is quite to think of North Bengal as much as Assam having an Indo-mongoloid population from quite early times." Page 60 of Kirata Jana Kirti by S. K. Chatterjee).

12. "Bodo built kingdoms under various tribal names, the Koch, the Chutiyas, the Kocharies etc. and the Bodo group included the Koches Rabhas, the Kochariee, the Lalungs, the Dimashas, the Tripuries, the Morans tribes." (Assamese Literatures by Dr. Brinchi Kr. Barua).

13 "The Bodos built strong kingdoms and with varying fortunes under various tribal names (the Koches. the Kocharies, the Chutiyas) hold sway over different parts of North East India during different historical periods." (Aspects of Early Assamese Literature by Dr. Bani Kanta Kakoti).

14. "Manu the law giver of Hindu Society classed the Kiratees with Mlachchas. Lord Siva is said to have adopted the appearance of Kirat

before the duel with Arjuna and is also considered the most popular and special deity of the Kiratee race. Even Uma and Ganga the two famous Himalayan daughters were nicknamed as Kirati. There is one medicated shrub generally planted by the Koches in their compound known as Chirota which is nothing but a corrupt form of Kirata." (Page 76, The Koches Around the World by Sri A. C. Choudhury).

—x—

৪র্থ অধ্যায়

কোচ-ৰাজবংশীৰ পূৰ্ব্ব ও পাৰ্শ্বজ্যোতিঃ

মহাতীৰ্থ কামাখ্যা :— "নিমজ্জ্যক্ষণমাত্ৰেণ প্ৰাগ্‌জ্যোতিষপুৰঃ গতঃ।
মধ্যমং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা॥"

—কালিকাপুৰাণ : ৩৮ অধ্যায়

অৰ্থাৎ জগৎ কৰ্ত্তা নাৰায়ণে পৃথিৱী আৰু নৰকক লৈ তৎক্ষণাৎ প্ৰাগজ্যোতিষপুৰত উপস্থিত হ'ল। এই ঠাইডোখৰ কামৰূপৰ মাজভাগত অৱস্থিত। ব্ৰহ্মাই এই ঠাইতে অৱস্থান কৰি প্ৰথমে নক্ষত্ৰ সৃষ্টি কৰিছিল কাৰণে এই স্থানৰ নাম প্ৰাগজ্যোতিষ হয় (কালিকাপুৰাণ ৩৮শ অধ্যায় ১১৯ শ্লোঃ)। গড়ুৰ পুৰাণৰ মতে "কামৰূপং মহাতীৰ্থং কামাখ্যা তত্ৰ তিষ্ঠতি"। গতিকে ভাৰতৰ অন্যত্ৰ বিৰলা দেৱী, কিন্তু কামৰূপ ৰাজ্যৰ সকলোতে এই দেৱীৰ দৰ্শণ পোৱা যায় (দেৱীক্ষেত্ৰং কামৰূপং বিদ্যতেহন্যং ন তৎসমম্। অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে)। ইয়াৰ সহজ সৰল অৰ্থ এয়ে হব পাৰে যে প্ৰাচীন অসমৰ নাৰী সমাজ আদৰ্শ আৰ্য্য নাৰী সদৃশ্যা ৰূপৱতী, গুণৱতী, চৰিত্ৰৱতী, স্বাধী-সতী দেৱী স্বৰূপা আছিল; দেখিলেই ভক্তিত মূৰ নত হৈ আহে মাতৃৰ ওচৰত সন্তানৰ ভক্তিত মূৰ অৱনত হোৱাৰ দৰেই। সেয়ে বৃহৎ ধৰ্মপুৰাণৰ মতে—"

ব্ৰহ্মাণ্ডোপৰি বিখ্যাতো ব্ৰহ্মলোকঃ সনাতনঃ

*   *   *   *

যত্ৰ সৰ্বে ঘনশ্যামাঃপীত কৌষেয় বাসস।

*   *   *   *

দুৰ্গালোক স্তজ্জ্যোৰ্দ্ধাং যত্ৰ সৰ্বা স্ত্ৰীয়স্তথা।
ধাঃ পৃথিব্যাং কামৰূপ ইতি দেশোত্তমঃ সখি॥"

অৰ্থাৎ সংক্ষেপে কবলৈ হলে ব্ৰহ্মাণ্ডৰ উপৰিভাগত সনাতন ব্ৰহ্মলোক বিৰাজমান— তাত নিত্য বেদগান হৈ থাকে; সেই ব্ৰহ্মালোকৰ ওপৰত শিৱলোক; ইয়াত সকলোৱে শিৱ স্বৰূপ, ইয়াৰ উপৰিভাগ হৰিৰ মনোহৰ বৈকুণ্ঠধাম-তাত সকলোৱেই নবঘন শ্যাম পীত কৌষেয়ধাৰী··· উক্ত বৈকুণ্ঠধামৰ উৰ্দ্ধভাগত দূৰ্গালোক। ইয়াৰ ৰমণীবোৰ ৰূপলাৱণ্যৱতী আৰু শুভপ্ৰদান কাৰীণি। হে সখি! সেই স্থান পৃথিবীত কামৰূপ দেশ নামেৰে জনাজাত।

চাংপো-চম্পূ-চম্পাপুৰী :— এই প্ৰাচীন প্ৰাগজ্যোতিষ কামৰূপ ৰাজ্যত অলৰ্ক, হৈহয়, তালজঙ্ঘ, বাহু আদি প্ৰখ্যাত ৰজাই ৰাজত্ব কৰাৰ কথা বহুতো শাস্ত্ৰত পোৱা যায়। এওঁলোকৰ বহুতৰে ৰাজধানী আছিল চম্পাপুৰী, এই নগৰী বিখ্যাত চম্পূ বা চাংপো (ব্ৰহ্মপুত্ৰৰ উপৰিভাগৰ নাম) নদৰ পাৰত থকা শদিয়াৰ ওচৰতে কেনো আছিল। হয়তো সেয়ে পিছত বিদৰ্ভ নগৰীত পৰিণত হয় আৰু এই বিদৰ্ভ ৰজাৰ জীয়ৰী ৰূপৱতী আৰু আদৰ্শ নাৰী ৰুক্মিনী দেৱীৰ ৰূপৰ কেৰাহী কটাক্ষ বাণত পৰি সুদূৰ দূৰৰ দ্বাৰকানগৰীৰ পৰা প্ৰেমিক কৃষ্ণই প্ৰেম নিবেদনৰ কাৰণে যুদ্ধৰে মূল্য দিব লগা হৈছিল। শ্ৰীকৃষ্ণই কৌণ্ডিল্য নগৰীত অৱস্থিত বিদৰ্ভৰাজ ভীষ্মকৰ জীয়ৰী ৰুক্মিনী দেৱীক আসুৰিক পদ্ধতিত বিয়া কৰিবলৈ হৰণ কৰিবৰ সময়ত ৰাজকুমাৰ মহাবীৰ ৰুক্মক পৰাস্ত কৰি মূৰৰ চুলি কাটি বা শিৰস্ত্ৰাণ কাটি দিছিল। হয়তো ৰুক্মবীৰৰ আজিৰ বংশধৰ সকলে আজিও 'চুলিকটা মিচিমি' হিচাবে তাৰেই স্বাক্ষী বহন কৰি আছে। মতান্তৰে চুতিয়া বিলাকেহে ভীষ্মকৰ বংশধৰ বুলি দাবী কৰে। কামৰূপ ৰাজ্য কিমান প্ৰাচীন আৰু কোনে প্ৰথমতে প্ৰতিষ্ঠা কৰিছিল তাৰ বিৱৰণ বা আদি অন্ত পোৱা সুকঠিন আৰু বহুল গৱেষণা সাপেক্ষ।

দানৱ-অসুৰ বংশী ৰাজমালা :— এই কাৰ্য্য উত্তৰ কালৰ

যুৱক-যুৱতী যোৱলৈ এৰি দি মুঠতে ইয়াকে কব পাৰি মহীৰঙ্গ নামৰ এজনে প্ৰথমে ৰাজত্ব কৰাৰ কথা এৰাধৰাকৈ উল্লেখ পোৱা যায় আৰু এওঁকেই দানৱ বংশৰ প্ৰতিস্থাতা বুলি ধৰা হয়। অৰ্থাৎ কামৰূপৰ প্ৰাচীন সভ্যতাৰ ঠাইত দানৱ গোষ্ঠীৰ চিন্তা ধাৰাৰ প্ৰতিষ্ঠা হয় আৰু তেওঁৰ পিছৰ পৰাই চন তাৰিখৰ হিচাবত নহলেও ক্ৰমিক নম্বৰৰ লেখত ক্ৰমে হতকাসুৰ. সম্বৰাসুৰ, ৰত্নাসুৰ আদি কেবাজনো ৰজাৰ নাম পোৱা যায়। এই দানৱ বংশৰ ৰাজত্বৰ পিছত প্ৰাচীন দানৱ সভ্যতাৰ ভেঁটিত নবীন কিৰাতী সভ্যতাৰ ওখ গম্বুজ হিচাবে কিৰাতী ৰজা ঘটকৰ নাম বিশেষ উল্লেখযোগ্য। কিন্তু কিৰাতী সভ্যতাৰ গম্বুজো কালৰ বা-মাৰলীৰ কোবত পৰৱৰ্তী পশ্চিমৰ আৰ্য্যকৃষ্টিৰ নবীন ধ্বজাবাহী নৰকে আজিৰ শৰণীয়া পাহাৰ শ্ৰেণীয়ে (গুৱাহাটী অঞ্চল) আগুৰি থকা ৰাজধানীত (মতান্তৰ আছে) ঘটকক পৰাস্ত কৰি প্ৰাগজ্যোতিষ বা কামৰূপ ৰাজ্যৰ ৰজা হয়; এই নৰকৰ কথা বহু ঠাইত বহু প্ৰকাৰ আৰু ৰূপত উল্লেখ আছে; কিন্তু শেষত শেষ নৰকজনে সেই সময়ৰ থলুৱা কৃষ্টি সভ্যতা আচাৰ ৰীতি-নীতিৰ ওচৰত নতি স্বীকাৰ কৰি পূৰ্ব্বৰ বান, ভৌমক আৰু মৃত ঘটকৰ আত্মাৰ প্ৰতিপত্তিৰ ওচৰত বশ্যতা স্বীকাৰ কৰিলে আৰু থলুৱা কৃষ্টি সভ্যতাক নিজৰ বুলি আকোৱালী ললে; পৃষ্ঠপোষকতা কৰিলে। ইয়াৰ ফলত প্ৰাচীন পন্থ' ব্ৰাহ্মণ প্ৰধান বশিষ্ঠ মুনিৰ ৰীতি নীতিয়ে নৰকৰ ৰাজ্যত প্ৰাধান্য বিস্তাৰত বাধা প্ৰাপ্ত হয়।

আৰ্য্য নৰকৰ অসুৰলৈ ৰূপান্তৰ :— ফলত বিপ্ৰ বৰ্ণৰ শাস্ত্ৰকাৰ সকলে নৰকক বান-ঘটক আদিৰ শাৰীতে স্থান দি 'অসুৰ' বুলি অভিহিত কৰাত নৰক হয়গৈ নৰকাসুৰ। নৰকৰ আৰাধ্যা দেৱী কামাখ্যাদেৱী বা পীঠ ভেটিয়া হৈ পৰে মহামুনি বশিষ্ঠৰ মানত বামাচাৰী। মহামুনি বশিষ্ঠৰ এনে ধ্যান ধাৰণাৰ ফলত থলুৱা স্বাৰ্থৰ বা পৰম্পৰাৰ

ওপৰত আঘাত পৰে আৰু ইয়াৰ ফলত বশিষ্ঠৰ বিশেষ প্ৰভাৱ চৰমভাবে বাধাগ্ৰস্ত হয়। উপায়হীন হৈ দ্বাৰকাৰ আৰ্য্য ৰজা শ্ৰীকৃষ্ণক আমদানী কৰি অসুৰ ৰাজ নৰকৰ জীয়ৰী ভানুমতী দেবীক পাশ্চাত্য ভাৰতৰ আৰ্য্য ৰজা দুৰ্য্যোধনলৈ বিয়া দি দুয়োকুল ৰক্ষা কৰি প্ৰাচ্য আৰু পাশ্চাত্য ভাৰতৰ সু-সম্বন্ধ আৰু সমন্বয়তা ৰক্ষা কৰে।

তথ্যান্তৰে স্বয়ম্ভুৱ মনুক কামৰূপৰ প্ৰথম ৰজা বুলি ধৰা হয়। তেওঁ স্বৰচিত 'মনু সংহিতাত' ৰাজধৰ্ম্ম কথন ভাগত সকলো কথা বিতংকৈ বৰ্ণনা কৰিছে। মনুৰ পিছত তেওঁৰ পুত্ৰ কৰুচে এই ৰাজ্য শাসন কৰে। সেই কৰুচ ৰজাৰ বংশধৰ বিলাকে পাছলৈ কোচ গোষ্ঠী ৰূপে পৰিগণিত হব পাৰে; কাৰণ গোষ্ঠী শব্দটো গোত্ৰ বা গাত্ৰ অৰ্থাৎ ৰেতজঃ সন্তানৰ পৰা উদ্ভৱ হৈছে। শোণিতপুৰ বা বৰ্ত্তমান তেজপুৰৰ ৰজা একালৰ হিৰণ্যকশিপুৱে হেনো সূৰ্য্যকো নমাই আনিছিল অৰ্থাৎ সূৰ্য্যৰ সমান প্ৰখৰ প্ৰতাপী আছিল।

বাণ-উষা-অনিৰুদ্ধ:— হিৰণ্যতনয় প্ৰহ্লাদেই শ্ৰীমন্ত শঙ্কৰ দেৱৰ দ্বাৰা প্ৰচাৰিত নব্য একশৰণ মতবাদৰ মুখ্য চৰিত্ৰ বা পাৰিষদ আছিল আৰু তেওঁৰেই পিছৰ বংশধৰ আছিল শোণিতপুৰৰ বিখ্যাত শৈৱ ৰজা মহামতি বাণ= যাৰ বিস্তাৰিত (বান—অৰ্থে বিস্তাৰ) প্ৰতাপত প্ৰাচ্য ভাৰতৰ আকাশ বতাহ মুখৰিত হৈ আছিল। এই মহান প্ৰতাপী ৰজাৰে অপৰূপা মৰমতে পমি যোৱা জীয়ৰী লাস্যময়ী উষাদেৱীয়ে উষাৰ ৰঙালী আভাৰে মতলীয়া কৰি তুলিছিল সুদূৰ দ্বাৰকাৰ সুৰমা অট্টালিকাত উচাট-বিচাট কৈ থকা চফলীয়া ডেকা অনিৰুদ্ধ নামৰ শ্ৰীকৃষ্ণৰ নাতিক; যাৰ প্ৰেমৰ জোৱাৰক কামৰূপৰ দেৱীস্বৰূপা জীয়ৰী উষা আইটিৰ বাহিৰে আন কোনেও বন্ধ কৰিব পৰা নাছিল। আজি-কালিৰ 'টেলিভিচন' ভাহানিৰ চিত্ৰলেখাই ভুবন-ভুলোৱা কৌশলেৰে আথে-বেথে চিত্ৰলিখি সান্ত্বনা দিব লগীয়া হৈছিল উষাৰ বিনিদ্ৰ ৰজনী বিলাকত।

হুয়াৰ ফলত সুদূৰ দ্বাৰকাৰ পৰা কোনো এটি আমাৱস্যা প্ৰথমো দিবসে ডাৱৰীয়া ৰতৰৰ আঁৰে আঁৰে প্ৰেমিক অনিৰুদ্ধই সংগোপনে আহি দেখা দিছিল খাৰ-বাকদেৰে সুৰক্ষিত হৈ থকা অগ্নিগড়ৰ এটি গুপ্ত কক্ষত উষা আইটিক।

সৰ্ব্ব ভাৰতীয় পটভূমি :— যেনেহলে যি কামৰূপ জীয়ৰী ভানুমতী, শোণিতকুৱঁৰী উষা, কুণ্ডিলৰাজ ভীষ্মক জীয়ৰী ৰুক্মিনী এই অপৰূপা নাৰীৰত্ন বিলাকক পাশ্চাত্য ভাৰতৰ মহান নায়ক-অধিনায়কবিলাকে বিবাহ বন্ধনত আৱদ্ধ হোৱাৰ গৌৰৱবোধ কৰিব পাৰে সেই ৰাজ্যৰ ৰজা-বিলাক কেনেকৈ অনাৰ্য্য, দানৱ, অসুৰ বা ম্লেচ্ছ গোষ্ঠীৰ হব পাৰে তাক বুজা সুকঠিন। গতিকে এইবোৰ অভিমত পৰৱৰ্ত্তী সংস্কৃত ভাষাৰ পণ্ডিত লিখক সকলৰ ইচ্ছাকৃত প্ৰক্ষিপ্ত কাৰ্য্যৰ বাহিৰে আন একো নহয়। নৰক-পুত্ৰ ভগদত্তই ভাৰত যুদ্ধ বা কুৰুক্ষেত্ৰ ৰণত চীনা আৰু কিৰাত জাতিৰ (শিৱৰ আন এটা ৰূপ কিৰাত হোৱা হেতুকে শৈৱমতাৱলম্বী মানুহবোৰক লগতে কোচবিলাককো বুজাব পাৰে) দ্বা-1 গঠিত এটা বিৰাট সৈন্য বাহিনীৰে দুৰ্য্যোধনৰ ফলীয়াহৈ অমিত বিক্ৰমেৰে যুঁজি সমৰ ক্ষেত্ৰত ত্ৰাসৰ সৃষ্টি কৰিছিল। এই ৰজা প্ৰজাবিলাক পুৰাণত বৰ্ণিত যজ্ঞীয় দেশৰ অধিবাসী আছিল আৰু ব্ৰহ্মা-বৰ্ত্ত, ব্ৰহ্মৰ্ষি আৰু মধ্যপ্ৰদেশ অঞ্চলৰ দৰে প্ৰাচীন কামৰূপ ৰাজ্যও আৰ্য্যসকলৰ বৰ্জ্জনীয় নাছিল। গতিকে প্ৰাচীন কামৰূপৰ ৰজাসকল আৰ্য্য সন্তানেই আছিল আৰু এই অঞ্চলত প্ৰথমতে চন্দ্ৰবংশীয় ৰজাই ৰাজত্ব কৰিছিল, পিছত নৰক বংশী ৰজাই ৰাজত্ব কৰিছিল ; আনকি নৰক নিজে এজন সদাচ পৰায়ণ বেদাচাৰী নৈষ্ঠিক আৰ্য্য সন্তান আছিল বুলি ধাৰনা কৰিব পাৰি। কাৰণ—

নৰকোঽপি তদা ধীমান বেদশাস্ত্ৰ পাৰগঃ
ব্ৰাহ্মণ্য নীতিকুশলো জ্ঞান্যো বেদতত পৰঃ।,
কামাখ্যা পূজনৰত নীলকুটে মহাশিৱো।।

অর্থাৎ নৰকে বেদদর্শী হৈ ব্রাহ্মণ্য ধর্মত ৰাজনীতিত পাৰদর্শী হৈ কামাখ্যা দেবীৰ পূজা পাতলত মনোনিবেশ কৰি নীলাচল পার্ব্বত্যাঞ্চলত ৰাজত্ব কৰি আছিল। প্রবাদ আছে নৰকপুত্র ভগদত্তৰ দিনতে চতুর্ব্বেদী ব্রাহ্মণ বিশেষকৈ পাছটা গোত্রৰ যেনে :— কাশ্যপ, শাণ্ডিল্য, ভৰদ্বাজ, উপমন্য আৰু পৰাশৰ গোত্রৰ ব্রাহ্মণ পাশ্চাত্য ভাৰতৰ পৰা কামৰূপ ৰাজ্যলৈ প্রব্রজন কৰিছিল হেনো। কিন্তু আজিলৈকে যি বিলাক দানপত্র বা অনুজ্ঞাপত্রৰ বাবে ব্যৱহাৰ কৰা তামৰ ফলি পোৱা গৈছে সেইবোৰত অৱশ্যে কেৱল যজুৰবেদী ব্রাহ্মণৰ কথাহে উল্লেখ পোৱা যায়। যদিহে প্রাচীন কামৰূপ ৰাজ্যত ভিন্ ভিন্ গোত্রৰ চতুর্ব্বেদী ব্রাহ্মণৰ আগমণ হৈছিলেই তেন্তে নিশ্চয় নৰক বা ভগদত্ত বা তেওঁৰ পৰৱৰ্ত্তী ৰজা প্রজা বেছিভাগেই আর্য্য সন্তান আছিল আৰু এওঁলোক কোনো দিনেই 'ম্লেচ্ছ' বা অসুৰ বা দানৱ বংশী ৰজা বা ৰজা-পোৱালী নাছিল বুলি ধাৰণা কৰিব পাৰি। কাৰণ ম্লেচ্চ বা অনার্য্যলোকৰ বাবে চতুর্ব্বেদী ব্রাহ্মণৰ প্রয়োজন নাছিল। ইয়াৰ পৰা বুজা যায় সেই তাহানিৰ আর্য্য সন্তানবোৰেই আজিৰ বিংশ শতিকাৰ পৰিবৰ্ত্তিত ৰূপত থলুৱা বা খিলঞ্জীয়া অসমীয়া মানুহৰ পূর্ব্বপুৰুষ আছিল। 'আর্য্য' শব্দৰ অর্থ ঋদ্ধিতৰ অগ্রগতি সম্পন্ন ব্যক্তি।

ভাস্কৰ বর্ম্মা :— ভগদত্ত বংশীয় কামৰূপ ৰাজকুমাৰ ভাস্কৰ বর্ম্মাৰ তাম্রশাসনৰ পৰা জনা যায় যে তেওঁৰ বংশৰ উৰ্দ্ধতন একাদশজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁলোকৰ নাম ক্রমে পুষ্যবর্ম্মাৰ পৰা আৰম্ভ কৰি সুস্থিত বর্ম্মাত শেষ হৈছে। সুস্থিত বর্ম্মাৰ পিছত ভাস্কৰ বর্ম্মাই ৭ম শতিকাত সমসাময়িক ভাৰতৰ ইতিহাসত মেঘযুক্ত ভাস্কৰ (সূর্য্য) সদৃশ আছিল। উক্ত তাম্র শাসনতে পোৱা যায় যে ভগদত্ত বংশই তিনি সহস্র বছৰ ৰাজত্ব কৰাৰ পিছতহে ওপৰত উল্লেখ কৰা পুষ্যবর্ম্মাই চতুর্থ শতিকাত ৰাজত্ব কৰে। মতান্তৰৰ ফাঁকে ফাঁকে আৰু তথ্য পাতিৰ উনিশ-বিশ বা হেৰফেৰ থাকিলেও কুমাৰ ভাস্কৰ বর্ম্মাৰ পিছৰ পৰাহে

কামৰূপ ৰাজ্যত ৰাজত্ব কৰি যোৱা ৰজাবোৰৰ বা ৰাজশক্তিবোৰৰ ধাৰাবাহিক বিৱৰণ পোৱা খুব বেছি কঠিন নহয় আৰু উপযুক্ত গবেষণাৰে নিয়াৰিকৈ দাঙি ধৰিব পৰা বুৰঞ্জীৰ সমলৰ অভাৱ নহয়। এই কাৰ্য্য ভাৰি কালৰ যুৱক-যুৱতী সকলোৰ বাবে এৰি দি মুঠতে ইয়াকে কব পাৰি যে প্ৰাচীন প্ৰাগজ্যোতিষ কামৰূপ কামতা অঞ্চল স্বয়ংপূৰ্ণ আৰু ইয়াৰ অধিবাসীবোৰে সদায় এটা স্বকীয়তা ৰক্ষা কৰি আহিছে আৰু হয়তো ৰক্ষা কৰি থাকিব কাৰণ বৈশিষ্ট্য ৰক্ষাকৰণ কাৰ্য্য সৃষ্টিকৰ্ত্তা পৰম পিতাৰেই অভিপ্ৰেত হোৱা হেতুকে তেওঁক বৈশিষ্টপালী বুলি অভিহিত কৰা হয়।

এই ৰাজ্য ত্ৰিকোণাকাৰ আৰু কৃষ্ণবৰ্ণ পাহাৰ পৰ্ব্বতেৰে অৰ্থাৎ চিৰ সেউজীয়া প্ৰাকৃতিক মনোৰম পৰিবেশেৰে পৰিবেষ্টিত থাকি ক্ৰমে ৰত্নপীঠ কামপীঠ, ভদ্ৰপীঠ বা স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ নামে চাৰিখণ্ডত বিভক্ত আছিল। এই পীঠ বিভাগ বা অঞ্চলবিভাগ বেছি পৰিমানে সাংস্কৃতিক আৰু কম পৰিমাণে ভৌগলিক আছিল। লিখকৰ 'ৰত্নপীঠত প্ৰভুমুকি'ত (৩য় সংস্কৰণ) এই সম্পৰ্কে বিস্তৃত আলোচনা আছে। যি ঠাইত কামৰ প্ৰতীক কামাখ্যাদেৱী আছে সেই ঠাইৰ নাম কামপীঠ। যি ঠাইত নাৰীৰ ৰত্ন শিৱলিঙ্গৰ প্ৰতীক জল্পেশৰ শিৱ আছে তাৰ নাম ৰত্নপীঠ; কৰতোৱা আৰু সোনকোষ নদীৰ মাজত ৰত্নপীঠ, জল্পীশৰ পৰা জলপাইগুড়ি হৈছে বুলি ধৰা হয়। বৰ্ত্তমান প্ৰাক্তন গোৱালপাৰা জিলাৰ অন্তৰ্গত চাপৰ আৰু লক্ষীপুৰৰ (অসম সাহিত্য সভাৰ সভাপতি জমিদাৰ ৺নগেন্দ্ৰ চৌধুৰীৰ মেছপাৰা ইষ্টেটৰ ৰাজধানী লক্ষীপুৰ) মধ্যৱৰ্ত্তী অঞ্চলত ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ পাৰত শিৱভক্ত চান্দ সদাগৰ বা চন্দ্ৰধৰে পূজা দিয়া জল্পেশ্বৰে (বৰ্ত্তমান জলেশ্বৰ) আজিও বিভিয়াই আছে— অতীতৰ কাহিনী। ভদ্ৰপীঠ বা স্বৰ্ণপীঠ কপিকা নদী আৰু ভৈৰবী নদীৰ মধ্যৱৰ্ত্তী স্থান, ভৈৰবী নদী বৰ্ত্তমান তেজপুৰৰ মাজেদি প্ৰবাহিতা হৈ আছে। যি ঠাইত দিক্কৰবাসিনী দেৱী বিৰাজমান সেয়ে সৌমাৰপীঠ। ভৈৰবী আৰু দিক্ৰাং (দিকৰাং)

নদীৰ মাজৰ স্থান সৌমাৰ পীঠ। অৱশ্যে এই পীঠ সমূহৰ পৰিসীমা সম্পৰ্কে মতানৈক্য আছে (বঙ্গপীঠত এভুমুকি দৃষ্টব্য)।

মহীয়সী নাৰীৰ মহামিলন :— সু-প্ৰাচীন কালৰ নাগ কন্যা উলুপী, হৈড়ম্বদেশৰ জীয়ৰী হিড়িম্বা, শোণিতপুৰৰ জীয়ৰী উষা, কুণ্ডিলৰ ৰাজকন্যা ৰুক্মিনীদেৱী, মণিপুৰৰ ৰাজকন্যা চিত্ৰাঙ্গদা, প্ৰাগজ্যোতিষৰ জীয়ৰী ভানুমতী, প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমান্ত নগৰী পুণ্ড্ৰবৰ্দ্ধনৰ নৃত্যপটীয়নী কমলা দেৱী আদিয়ে যুগে যুগে ভাৰতৰ ৰাজসিংহাসন তথা কাশ্মীৰৰ ৰাজসিংহাসনত অভিষিক্ত হৈছিল। এবিধ গছৰ ছাল-ফুলৰ ৰস বা কচৰ পৰা প্ৰস্তুত কৰা ৰং বা কচৰ পৰা কুচ্-কাশ্মীৰ শব্দ হৈছে বুলি বহুতৰে ধাৰণা। আজিও ৰাজবংশী লোক গীত "ভাল কৰিয়া বাজাওৰে দতৰা কমলা সুন্দৰী নাচেৰে" শুনা যায়। গতিকে কামৰূপ বাসীক হীন জাতিৰ, অনাৰ্য্য গোষ্ঠীৰ দানৱ বংশী, ম্লেচ্ছ গোষ্ঠীৰ লোক বুলি অভিমত প্ৰকাশ কৰা কাৰ্য্যটোত নিশ্চয় আজিকালিৰ অনা অসমীয়া বিশেষকৈ পশ্চিমবঙ্গৰ তথাকথিত বৰেন্দ্ৰ ব্ৰাহ্মণ পণ্ডিত গোষ্ঠীৰ ইচ্ছাকৃত জুৱাচুৰিৰ বাহিৰে আন একো নহয় যেন লাগে। সংস্কৃত ভাষাত লিখা দুষ্প্ৰাপ্য শাস্ত্ৰবোৰক আঞ্চলিক ভাষাত ৰূপান্তৰিত কৰি উলিয়াবৰ সময়ত পূৰ্ব্বৰ পৰিকল্পিত ভাবে যথা যথা স্থানত শ্লোকৰ প্ৰক্ষিপ্ত ঘটোৱাৰ ফলত আৰু পৰৱৰ্ত্তী লিখক কিছুমানৰ অন্ধ অনুকৰণৰ ফলত এই আৰোপ বদ্ধ-মূল হবলৈ পাইছে। এই প্ৰাচীন কামৰূপ ৰাজ্যৰ পূব প্ৰান্তত মহাবাহু ব্ৰহ্মপুত্ৰ আৰু পশ্চিম প্ৰান্তত পুণ্যতোৱা কৰতোৱা— এই দুই বাৰিধাৰাই এই ৰাজ্যখণ্ডক দেৱীক্ষেত্ৰ কৰি তুলিছে—

দেৱীক্ষেত্ৰং কামাৰূপং বিদ্যতেঽন্যম্ ন তৎসমম্।
অন্যত্ৰ বিৰলাদেৱী কামৰূপে গৃহে গৃহে॥

নদী মাহাত্ম্য :— প্ৰবাদ আছে ক্ষত্ৰিয় হন্তা পৰশুৰামে

পিতৃধাবাক প্ৰাধান্য দিয়ালৈ গৈ মাতৃহত্যা মহাপাপৰ পৰা নিষ্কৃতি লাভৰ কাৰণে ব্ৰহ্মকুণ্ড (পৰশুৰামকুণ্ড) আৱিষ্কাৰ কৰি তাৰ পৰা পুত্ৰধাৰাক ভাৰতলৈ (সমতলৈ) বোৱাই আনিছিল। পৰশুৰামৰ মাতৃহত্যা ক্ষত্ৰিয় নিধন কাহিনীৰ বৈজ্ঞানিক ব্যাখ্যা গ্ৰন্থকাৰৰ "নৰৰূপে নাৰায়ণ" দ্ৰষ্টব্য (১ম খণ্ডঃ ২৮—২৯ পৃষ্ঠা)। গিৰিৰাজ হিমালয়ৰ দ্বাৰা কন্যা সম্প্ৰদানৰ সময়ত মহাদেৱৰ হাতৰ পৰা পানী পৰি কৰতোৱা (কৰ — হাত) নদীৰ উদ্ভূত হৈছে। বৰবক্ৰ (বৰাক) নদী সৰ্ব্বপাপ নাশক; ত্ৰিস্ৰোতা বা তিস্তা নদী ভগৱতীৰ হৃদয়ৰ পৰা ওলাইছে। জটাধাৰী জটোদা বা গদাধৰ নদীত স্নান কৰিলে শিৱলোক প্ৰাপ্ত হয়—

চৈত্ৰমাসি সিতাষ্টম্যাং স্নাত্বা যস্যানবোত্ৰজেৎ।
পূৰ্ণায়ুৰ্ব্বৈ নৰশ্ৰেষ্ঠঃ শিৱস্য সদনং প্ৰতি॥

কাৰণ পুন্যবানেহে শিৱলোক প্ৰাপ্ত হয় আৰু তাকেই লাভ কৰিবলৈ হলে কৰতোৱা নদীত স্নান কৰিবই লাগিব, কাৰণ—

কৰতোয়ে সদানীৰে সৰিচ্ছ্ৰেষ্ঠে সুবিশ্ৰুতে।
পৌন্ড্ৰান প্লাৱয়সে নিত্যং পাপং হৰ কৰোদ্ভৱে॥

তীৰ্থক্ষেত্ৰ কামৰূপঃ— যোগিনী তন্ত্ৰ, কালিকাপুৰাণ আদিৰ মতে সমুদায় কামৰূপ বা কামতা ৰাজ্যখণ্ডক তীৰ্থস্থান অৰ্থাৎ দেৱীক্ষেত্ৰ হিচাবে পৰিগণিত কৰিব পাৰি। কাৰণ বৃহৎ ধৰ্ম্মপুৰাণৰ "মায়াচ কামৰূপাখ্যাঃ" মায়াৱী কামৰূপ ৰাজ্যত ক্ৰমে পৰশুৰাম কুণ্ড, কামাখ্যা পীঠ, টুক্ৰেশ্বৰী পাহাৰ, কেদাৰেশ্বৰ, হয়গ্ৰীৱ মাধৱ মন্দিৰ, বশিষ্ঠাশ্ৰম, অশ্বক্ৰান্ত, উমানন্দ, মণিকৰ্ণেশ্বৰ, পাণ্ডুনাথ, ভূৱনেশ্বৰী, সিদ্ধেশ্বৰী বানেশ্বৰ, জল্পীশ্বৰ, শ্ৰীসূৰ্য্য, শঙ্কৰ, মহাভৈৰৱ ঈশ্বৰখ্যাৰি, বনত্তৰী ভূমিৰ, কালিকাৰপাট, চান্দবদিকা, আদি নানা দেৱ-দেৱীৰে পৰিপূৰ্ণ হৈ আছে। লোক প্ৰবাদ মতে নেতাই ধুবুনীৰ অনুগ্ৰহত

চান্দ সদাগৰৰ পুত্ৰ লক্ষীন্দৰ ধুবুৰীতেই পুনৰ্জীৱন লাভ কৰিছিল। আজিও নেতাই ধুবুনীয়ে কাপোৰ ধোৱা প্ৰকাণ্ড শিলাখণ্ড অযত্ন পালিতা কন্যাৰ দৰে ধুবুৰী নগৰীত ধ্যানমগ্না হৈ বাবা ব্ৰহ্মপুত্ৰৰ পদতলত পৰি আছে নিৰীশ্বৰবাদী প্ৰশাসনৰ পৰা ভবিষ্যৎ মুক্তি পোৱাৰ প্ৰতীক্ষাত।

—×—

৫ম অধ্যায় (ক অংশ)

ইতিহাসব আঁবত মতান্তবব কাবত কোচ-বাজবংশীব পবিচয়।

আর্য্যব পবিচয় :— খৃষ্টপূর্ব্ব ৩৫০০ বছবব পবা আবম্ভ কবি খৃষ্টপূর্ব্ব ৭ম শতাব্দীব সময় ছোবাত জম্বুদ্বীপব অন্তর্গত প্রাচীন ভাবতত আর্য্যনামধাবী লোকব আগমন বা পাতনি, বসতি আক প্রসাবতা সুগঠিত হয় বুলি মোটামুটি ভাবে ধবা হৈছে। এদল পণ্ডিতে আনহাতে অভিমত প্রকাশ কবে যে আর্য্যবিলাক বাহিবব পবা ভাবতবর্ষলৈ দিগবিজয়ী হিচাবে বা যি কোনো বাষ্ট্রবিপ্লবব ফলত প্রব্রজনকাবী হিচাবে অহাই নাছিল। সময়ব বিবর্ত্তনব ফলত যি চাম মানুহক আর্য্য বুলি অভিহিত কবা হল; সেই চাম মানুহ প্রাচীন ভাবতবেই খিলঞ্জীয়া বা থলুৱা অধিবাসী আছিল, নানা ধবণব পবিবেশব ক্রিয়া প্রতিক্রিয়াব ফলত তেওঁলোক আজিব ভাবতব বিভিন্ন দিশত আনকি বর্ত্তমান ভাবতব বাহিবলৈয়ো আহবণার্থে আক আত্মবিস্তাবব অর্থে বিয়পি পবিছিল। নানান দৃষ্টিভঙ্গীৰে আক নিবপেক্ষ বিচাব বুদ্ধিবে বিবেচনা কবিলে ধাবনা কবিব পাবি যে সিন্ধুনদব মধ্যস্থল মূলতান বা মূলস্থান অঞ্চলক কেন্দ্র কবি মানুহব প্রথম সামাজিক বসতি আবম্ভ হয় আক কালক্রমত তাব পবাই সমুদায় ভাবতবর্ষ আক সমগ্র বিশ্বত বিয়পি পবিছিল। আর্য্য শব্দব অর্থ বক্তব্য [illegible], প্রগতিশীল, জীয়াই থকা আক বৃদ্ধি পোৱাব আকুতিব প্রকাশ, গতিকে তুলনামূলক ভাবে শ্রেষ্ঠ। দ্রাবিড় শব্দও 'দ্রু' ধাতুব পবা উদ্ভব হৈছে, তাবো অর্থ আর্য্য শব্দব সমার্থক। দ্রাবিড় মানে আদিম। [illegible] আর্য্যসকলব মানুহবুলি

পিতৃভূমি বা ধৰ্ম্মভূমি ভাৰতৰ বাহিৰত নাছিল— এই ধাৰণাটো বিদেশী লিখকসকলে পৰৱৰ্ত্তী ভাৰতীয় লিখক সকলৰ ওপৰত জাপি দিয়া এটা পটভূমিৰ পৰা সৃষ্টি হোৱা যেন লাগে। যি হ'ক এইটো এটা দ্বান্দ্বিক প্ৰশ্ন ; ইয়াৰ সঠিক আৰু বিজ্ঞান সন্মত সমিধান আজিলৈকে কোনো পণ্ডিতে দিব পৰা নাই , যেনেকৈ পৰা নাই মানুহ আৰু বান্দৰৰ মাজত থকা তথাকথিত হেৰোৱা সুঁতিটো উদ্ধাৰ কৰিবলৈ। ভাবিকালৰ যুৱক-যুৱতী সকলৰ ওপৰত এই দায়িত্ব অৰ্পণ কৰা হ'ল।

আৰ্য্য-অনাৰ্য্যৰ বিভেদ :— আৰ্য্যবিলাক ভাৰতত প্ৰতিপত্তি লাভ কৰাৰ পূৰ্ব্বে বা সমসাময়িক কালত তেতিয়াৰ ভাৰতত কিছুমান গোষ্ঠীৰ মানুহ আছিল , এওঁলোকৰ প্ৰত্যেকৰে চা-চিনাকিৰ সুবিধাৰ্থে বা পৰিস্থিতিৰ চাহিদা পূৰণাৰ্থে একোটি প্ৰতীক বা Totem আছিল আৰু এই টোটেমেই শেষত গোষ্ঠীৰ স্থান অধিকাৰ কৰি গোষ্ঠীৰ মূখীয়ালজনৰ নেতৃত্বত একোটি সুকীয়া সুকীয়া স্থানীয় শক্তিৰ গোট সৃষ্টি কৰিছিল। এই সুকীয়া গোটবিলাকৰ ভিতৰত প্ৰাথমিক নিগ্ৰো, আষ্ট্ৰিক, কোল, মুণ্ডা, দ্ৰাবিড় আদি কিছুমান অতি পৰাক্ৰমী আৰু বিশেষ বিশেষ ক্ষেত্ৰত উন্নত আজি কালিৰ অৰ্থত জাতি-উপজাতিৰ লোকে বাস কৰিছিল। তেওঁলোক আৰ্য্য নামে চিহ্নিত নবীন চামতকৈ বিশেষ বিশেষ শাখাত বেছি উন্নত আৰু কৃষ্টিবাহী আছিল বুলি মহেঞ্জোদাৰো আৰু হৰোপ্পান সভ্যতাৰ পৰা দৃঢ়ভাবে অনুমান কৰিব পাৰি ; কিন্তু আৰ্য্যবিলাকৰ বিস্তিতিৰ সময়ত উক্ত প্ৰাচীন জাতিবোৰে উন্নতিৰ চৰম সীমা অতিক্ৰম কৰি বাৰ্দ্ধক্যজনিত অৱস্থা প্ৰাপ্ত হৈ মৃত্যুৰ ক্ষণ গণি আছিল যেন ধাৰণা হয়। আৰ্য্যবিলাকে প্ৰথমতে নানা জাতি-উপজাতিৰ ৰজা, সামন্ত ৰজা, নায়ক, চৰ্দ্দাৰ আদিৰ বিৰুদ্ধে যুদ্ধ বিগ্ৰহ কৰি পৰাজিত সকলৰ সমতল অঞ্চলবোৰ কাঢ়ি লয় আৰু পৰাজিতবোৰক পাহাৰীয়া অনুৰ্ব্বৰ, হাবি বননিৰে পৰিপূৰ্ণ অঞ্চলবিলাকলৈ খেদি পঠিয়ায়। ইয়াৰ ফলত নতুনকৈ শক্তিশালী হৈ থকা তথাকথিত আৰ্য্যবোৰ সকলোৰে

চকুৰ কূটা হয়। আৰ্য্য অৰ্থে যদি ব্যৱহাৰিক অৰ্থত শ্ৰেষ্ঠ শ্ৰেণীক বুজো ; অনাৰ্য্য অৰ্থে তেতিয়াহলে আৰ্য্যবোৰৰ ওচৰত পৰাভূত হোৱা শ্ৰেণীবোৰক বুজা উচিত। ইয়াৰ ফলত পৰস্পৰৰ বিৰোধী দ'লবোৰৰ মাজত বৈৰভাৱৰ মনোভাব সৃষ্টি হয় আৰু বংশগতিৰ ধাৰা অনুসৰি এই বৈৰতা অনুক্ৰমিত হয়। অনাৰ্য্যবোৰৰ চকুৰ কূটা আৰ্য্যবোৰে পৰাজিত শ্ৰেণীৰ বা তথাকথিত অনাৰ্য্যবোৰক সদায় শত্ৰু বুলি গণ্য কৰিছিল, আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত আৰু আক্ৰোশবশতঃ সিহঁতক কেতবোৰ ঘৃণনীয় নীচ আৰু তুচ্ছজ্ঞান-কাৰক মাতেৰে সম্বোধন কৰিছিল। আৰ্য্যবোৰ নিজ নিজ প্ৰাধান্যতা ৰক্ষাৰ্থে আৰু হিংস্ৰতাৰ প্ৰতীক বাহাল ৰাখিবলৈ পৰাজিত শক্তিৰ বা শ্ৰেণীৰ মানুহবোৰক (অনাৰ্য্যবোৰক) অসুৰ, ৰাক্ষস, নিষাদ, দৈত্য, দাস, শূদ্ৰ আদি বিশেষণ লগাইছিল। শাস্ত্ৰৰ ব্যাখ্যাত তাকেই সমৰ্থন কৰে ; কাৰণ শাস্ত্ৰৰ মতে প্ৰত্যেকে জন্মতে শূদ্ৰ হৈ জন্মে আৰু পিছত সংস্কাৰ, আচৰণ আৰু কৰ্মভেদে ভিন্ ভিন্ বৰ্ণ প্ৰাপ্ত হয়। পৰাজিত জাতিবোৰে এইদৰে নিজ নিজ ধৰ্মত্যাগ কৰি দিহাদিহি পলাবলগীয়া হোৱাত তেওঁলোক সৰ্ব্বজনগৃহীত সংস্কাৰৰ পৰা চ্যুত হৈ পৰে। মনুই এই অৱস্থাকেই দস্যু বুলি আখ্যা দিছে—

মুখবাহুৰুপজ্জানাং যালোকে জাতয়ো বহিঃ
ম্লেচ্ছ বা চম্চাৰ্য্যবচে সৰ্ব্বে তে দস্যবঃ স্মৃতাঃ ॥ মনু

অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়াদিৰ ভিতৰত যিবিলাকৰ জাতি ক্ৰিয়া লোপ হেতু বাহ্য জাতি ভাৱাপন্ন হয় : সিবিলাকে ম্লেচ্ছ ভাষা ভাষীয়েই হ'ক বা আৰ্য্য ভাষা ভাষীয়েই হ'ক সিহঁতক দস্যু বুলি ধৰা হয়। শ্ৰীশ্ৰীঠাকুৰৰ মতেও বাচা-বাঢ়াৰ পৰিপন্থী নীতি মানি চলা লোকেই ম্লেচ্ছ।

এনে ধৰণৰ উপনাম বা অপমান দিয়াৰ ফলত আৰ্য্যবোৰে চাৰিওফালৰ পৰা নিজকে শ্ৰেষ্ঠতাৰ পৰিচয় দিব খুজিছিল। আনকি সিহঁতৰ পৰবৰ্ত্তী শাস্ত্ৰকাৰ সকলৰ লিখনিবোৰতো পৰাজিত বা তথাকথিত অনাৰ্য্যবোৰক

সেই সেই উপনামেৰে প্ৰকাশ কৰিছিল। এই কাৰ্য্যক ব্ৰাহ্মণ পণ্ডিত কিছুমানৰ এটা অতি ভদ্ৰ জুৱাচুৰি বুলি কলেও খুব বেছি কোৱা নহয়। জগতে সেই আৰ্য্যবোৰৰ প্ৰাধান্যতা চিৰদিনৰ কাৰণে যাতে বোজাই থাকে তাৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ নিদৰ্শনবো অভাৱ নাই—

> এতদ্দেশ্য প্ৰসূতানাং সৰ্ব্বেষাং অগ্ৰজন্মনাং।
> স্বং স্বং চৰিত্ৰং শিক্ষেৰণ পৃথীব্যাংসৰ্ব্বেমানবাঃ ॥
> —ইতি মনু

শেষত গৈ এই একেপাত অস্ত্ৰ আৰ্য্য বুলি পৰিচয় দিয়া কিছুমান শাখাৰ ওপৰতো ব্যৱহৃত হৈছিল বুলি প্ৰমান পোৱা যায়! কাৰণ আৰ্য্যবিলাকে ভাৰতৰ চুকে কোনে প্ৰতিষ্ঠা বিস্তাৰ আৰু আধিপত্য লাভ কৰাৰ লগে লগে স্ব স্ব আত্মপ্ৰতিস্থাৰ বাটত সিহঁতৰ ভিতৰতে যুদ্ধ বিগ্ৰহ আৰু পৰাজিত শাখাবোৰে শূদ্ৰ বা ম্লেচ্ছ আদি বিশেষণ লাভ কৰাৰ প্ৰমাণ পোৱা যায়। কামৰূপৰ মহাপৰাক্ৰমী ৰজা নৰকৰ (নৰকাসুৰ) বিষয়ে গৱেষণা কৰিলেই এই কথাৰ ফট্ফটীয়া উদাহৰণ পোৱা যায়। কাৰণ নৰক অনুলোম বিবাহৰ ফলত হোৱা এজন আৰ্য্য সন্তানহে। পৰাজিত জাতিবিলাকৰ পৰা নিজকে পৃথক কৰি দেখুৱাই নিজৰ গৌৰৱ যুগমীয়া কৰিবলৈ আৰু প্ৰাধান্যতা অক্ষুন্ন ৰাখিবলৈ আৰ্য্য বিলাকে নিজকে প্ৰত্যক্ষভাৱে চন্দ্ৰ, সূৰ্য্য, ব্ৰহ্মা, মনু, ইন্দ্ৰ, শিব আদিৰ বংশধৰ বুলি লোক সমাজত পৰিচয় দিছিল। যুদ্ধৰে জয় কৰিব নোৱাৰা অযোধ্যাৰ ৰজা ইক্ষ্বাকু, মিথিলাৰ ৰজা জনক, বৈশালীৰ ৰজা বৈশালক আদি ৰজাতে নিজকে সূৰ্য্যবংশীয়; আনহাতে এলাহাবাদৰ ৰজা, কাণ্যকুব্জৰ ৰজা, পাঞ্চালৰ ৰজা, হস্তিনাপুৰৰ ৰজা, কাশীৰ, চেদীৰ আৰু মগধ আদিৰ ৰজাই নিজকে চন্দ্ৰবংশীয় বুলি পৰিচয় দিছিল। ক্ষত্ৰিয়বিলাক লোক-শাসনৰ অৰ্থে ভগবানৰ (বিৰাট পুৰুষৰ) বাহুৰ পৰা উদ্ভৱ বুলি দেখুৱা

হৈছে আৰু ব্ৰহ্মজ্ঞানী মানুহবিলাকক ব্ৰাহ্মণ বা দেশখনক ক্ষতৰ পৰা ত্ৰাণ কৰাৰ কাৰণে ক্ষত্ৰিয়, ক্ষেত্ৰৰ অধিকাৰী হোৱাৰ কাৰণে ক্ষত্ৰিয় নাম হৈছে বুলি ধৰা হয়···· 'বাহুভ্যোশ্চ ক্ষত্ৰিয়াঃ জাতাঃ প্ৰজা পালন হেতবৌ' ইয়াৰ উপৰিও অন্যান্য শাস্ত্ৰত ক্ষত্ৰিয় জাতিৰ উৎপত্তিৰ কথা বেলেগে বেলেগে আছে—

চন্দ্ৰাদিত্য মনুনাঞ্চ প্ৰবৰাঃ ক্ষত্ৰিয়া স্মৃতাঃ।
ব্ৰহ্মণো বাহুদেশাচ্চৈৱান্যা ক্ষত্ৰিয়া জাতয়॥

—ইতি ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ।

অৰ্থাৎ চন্দ্ৰ, সূৰ্য্য আৰু মনুৰ পৰা ক্ষত্ৰিয়ৰ উদ্ভৱ হৈছে; তাৰোপৰি ব্ৰহ্মাৰ বাহুৰ পৰাও অন্যান্য ক্ষত্ৰিয় আৰু জাতিৰ সৃষ্টি হৈছে। সামগ্ৰিক ভাৱে অভিমত দিবলৈ গলে ইয়াকে কব পাৰি যে আৰ্য্য বিলাক প্ৰথমে শত্ৰুৰ ভয়ত এজোন দ'লপতিৰ তলত, বিখ্যাত ব্যক্তিৰ তলত বা একো-জন নেতৃস্থানীয় বিজ্ঞ ব্যক্তিৰ তলত থিয় হৈ একোটা ক্ষুদ্ৰ ক্ষুদ্ৰ অঞ্চলত আৰু একোটা নিজস্ব ভাবধাৰা, আদৰ্শৰ বা পন্থাৰ দ্বাৰা অনুপ্ৰাণিত হৈ বসবাস কৰিছিল। সেই দলপতি বা আদৰ্শস্থানীয় ব্যক্তিজনকে আজিকালিৰ অৰ্থত ৰজা হিচাবে মানিছিল আৰু পৰম্পৰে পৰম্পৰৰ শত্ৰুৰ বিৰুদ্ধে থিয় দিছিল। অৱশেষত এই তথাকথিত ৰজাবিলাকৰ ভিতৰতে আত্মপ্ৰতিষ্ঠাৰ কাৰণে আৰু জিঘাংসাপূৰ্ণ মনোবৃত্তি চৰিতাৰ্থ কৰিবৰ অৰ্থে বিশেষকৈ জীৱিকা নিৰ্ব্বাহৰ আহিলাবোৰক জোৰপূৰ্ব্বক অধিগত কৰাৰ প্ৰচেষ্টাৰ ফলত সদায় একপ্ৰকাৰ যুদ্ধ বিগ্ৰহ চলিয়েই থাকে। উদাহৰণ স্বৰূপে অযোধ্যা আৰু অযোধ্যাৰ ওচৰ চুবুৰীয়া সৰু সৰু ৰাজ্য-খণ্ডবোৰত ইক্ষ্বাকু বংশই বিশেষ প্ৰতিপত্তি লাভ কৰিছিল। যাদৱ বংশ আৰু তাৰ এটা শাখা হৈহয় বংশৰ ৰজা সকলে মথুৰা, মালৱ আৰু গুজৰাটত বিশেষভাবে ক্ষমতাশালী হৈ উঠিছিল। এই হৈহয় বংশৰ অৰ্জুন কৃতবীৰ্য্য (সহস্ৰাৰ্জুন) নামৰ এজন প্ৰতাপী ৰজাই সোতাৰ

অঞ্চল আৰু কাশী ৰাজ্য নিজ বাহুবলেৰে দখল কৰি দাঁতি কাষৰীয়া ৰাজ্যবোৰত অত্যাচাৰ কৰে। ফলত অযোধ্যা, কাণ্যকুব্জ আদি ৰাজ্যৰ ৰজা আৰু ৰাজবংশধৰ সকলে লগ লাগি পৰশুৰাম নামৰ এজন ব্ৰাহ্মণ মন্ত্ৰনাদাতাৰ নেতৃত্বত অৰ্জ্জুন কৃতবীৰ্যক পৰাস্ত কৰে। এই ছেগতে পৰশুৰামে কোনো অজানিত কাৰণত হোৱা আক্ৰোশবশতঃ বহুতো ৰজা-ৰাজকুমাৰৰ ওপৰত জপিয়াই পৰি ৰাজশক্তিৰ প্ৰতীক ক্ষত্ৰিয় নিধন আৰম্ভ কৰি দিয়ে। ইয়াকে বোধহয় ত্ৰেতাযুগত হোৱা পৰশুৰামৰ আৱিৰ্ভাৱ বুলি কোৱা হৈছে। উপায়ন্তৰ হৈ বহুতো ৰাজপুৰুষে জ্ঞাতি কুটুম্বৰে সৈতে ইফালে সিফালে আশ্ৰয় লয়। অৱশেষত এই ৰণভঙ্গ দিয়া ক্ষত্ৰিয় বোৰে উত্তৰ পশ্চিমাঞ্চলৰ ভিন্ ভিন্ ৰাজ্যৰ ৰজাসকলোৰ সহায়ত দ্বিগুণ উৎসাহেৰে কাণ্যকুব্জ, কাশী আৰু অযোধ্যা আদি পৰশুৰামৰ সহায়কাৰী ৰাজ্যবোৰক আক্ৰমন কৰে। পিছত ইক্ষাকু বংশৰ সগৰ নামৰ এজন প্ৰতাপী ৰজাই হৈহয় বংশৰ ৰজা সকলক পৰাস্ত কৰি সিহঁতক দাক্ষিণাত্য আৰু পূৰ্ব্বাঞ্চল বা পূৰ্ব্বদেশৰ ফালে খেদি দি সিহঁতৰ শক্তি ধ্বংস কৰে। অৱশেষত এই পৰাজিত ক্ষত্ৰিয়বোৰক স্বজাতীয় সংস্কাৰৰ পৰা বহিষ্কাৰ কৰি দিয়ে আৰু সিহঁতক তেতিয়াৰ পৰা ম্লেচ্ছ বা শূদ্ৰৰূপে গণ্য কৰিবলৈ ধৰে মহামুনি বশিষ্ঠৰ ইচ্ছানুসৰি—

> 'সৰ্ব্বে তে ক্ষত্ৰিয়া সুতা সৰ্ব্ব ধৰ্ম্ম বহিষ্কৃতাঃ।
> বশিষ্ঠ বচনাত্ৰাজন্ সগৰেন্ মহাত্মনা ॥'
>
> —ইতি প্ৰায়শ্চিত্ত স্বত্ব।

যি সময়ত হৈহয় বংশৰ ৰজাসকল যুদ্ধত ব্যস্ত আছিল; সেই সময়ত পঞ্চনদীৰ দ্বাৰা বিধৌত পাঞ্জাবৰ অব বা অনুবংশৰ এটা শাখাই হৈহয় বংশৰ কেতবোৰ মানুহৰ লগত মিলি পূৰ্ব্ব বিহাৰত বিস্তৃতি লাভ কৰি প্ৰতিষ্ঠা লাভ কৰে আৰু সিহঁতৰ শাখাই অঙ্গ, বঙ্গ, পৌণ্ড্ৰ, কলিঙ্গ আদি ৰাজ্য পাতি ৰাজত্ব কৰে। ইয়াকে আৰ্য্যবিজাকৰ তৃতীয়

দফাৰ আগমণ আৰু বিস্তৃতি বুলি ভাৰত বুৰঞ্জীত হয়তো ধৰা হৈছে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায় ডাঙৰীয়াই কৈছে— "The Aryans spread with their religion and language from western Punjab to the East and arrived in Northern Bihar at least by 700 B.C. it not earlier. In the course of their advance to the east along the Ganges Valley, the fusion of the Aryan speaking and the Non-Aryan (Dravidian and Austric) speaking peoples was taking place and the week linguistic unity and cohesion among the pre-Aryan speaker gave to the Aryan speach its great opportunity." (Page 7, k j-k).

সগৰ বংশৰ দিলীপৰ ৰাজত্ব কালত অযোধ্যাই পুনৰ ক্ষমতাশালী হৈ উঠে। দিলীপৰ পুত্ৰ ৰঘু; ৰঘুৰ পুত্ৰ দশৰথ যাৰ ৰথ দশোদিশে চলিছিল আৰু অনাৰ্য্য শক্তিৰ (অসুৰ) বিৰুদ্ধে ৰণ কৰিছিল: এই দশৰথৰেই পুত্ৰ ৰাম, লক্ষণ, ভৰত আৰু শত্ৰুঘ্নৰ দিনত অযোধ্যাৰ গৌৰৱ ৰবি পূৰ্ণভাৱে প্ৰতিভাত হৈছিল। এই ৰামচন্দ্ৰৰ দিনতে অনাৰ্য্য ৰজা ব্ৰাহ্মণ সদৃশ বিজ্ঞ আৰু মহাপৰাক্ৰমী ৰাজনীতিবিদ ৰাৱণে নিজ ৰাজ্যৰ (লঙ্কা) উপৰিও লঙ্কাৰ দাতি-কাষৰীয়া দাক্ষিনাত্য অঞ্চলৰ ৰাজ্যবোৰত প্ৰাধান্য বিস্তাৰ কৰিছিল আৰু সুযোগ পালেই তেওঁৰ প্ৰতিনিধি বৰ্গই কাষৰ আৰ্য্য ৰজা প্ৰজাৰ ওপৰত অত্যাচাৰ চলাইছিল। আৰ্য্য ৰজা ৰামচন্দ্ৰই আন আন বহুতো দ্ৰাবিড় গোষ্ঠীৰ অনাৰ্য্য ৰজাৰ (বলি, সুগ্ৰীৱ নীল আদি) সহায়ত অনাৰ্য্য ৰজা মহাপৰাক্ৰমী ৰাৱণৰ গৌৰৱময় মৃত্যু ঘটাই তাত আৰ্য্য কৃষ্টিৰ বিজয় কেতন উৰুৱায়। বাল্মীকি মুনিৰ মতে পিছলৈ ৰামৰ পৰম ভক্ত হোৱা হনুমান এজন গৌৰবৰ্ণৰ প্ৰশস্ত ললাটযুক্ত

উত্তম পুৰুষ আৰু বালী ৰজাৰ প্ৰধান অমাত্য বা মন্ত্ৰী আছিল। সৰ্ব্ব-সাধাৰণ শক্তি হনুমানৰ সমৰ্থক আৰু অনুগামী আছিল বাবেই সৰ্বসাধাৰণ বাউজকেই হনুমানৰ 'নেজ' ৰূপে দেখুৱাই পৰম ভক্ত হনুমানক এটা ডাঙৰ বান্দৰ ৰূপে চিত্ৰিত কৰিছে। ৰাৱণৰ মৃত্যুৰ পিছত গোটেই ভাৰতত অনাৰ্য্য শক্তি একেবাৰে লোপ পোৱাৰ দৰে হয়। সময়ৰ দাবীত হোৱা বিৱৰ্ত্তনৰ ফলত যি সমন্বয়ৰ বিচিত্ৰ সোঁত বয় তাৰ ফলত আৰ্য্য অনাৰ্য্য কৃষ্টি সভ্যতা সকলো মিলি এক নতুন যুগৰ আৰু নতুন সমাজ সৃষ্টিৰ পাতনি মেলাত গুড়ি ধৰে। ইয়াকেই কবি গুৰু ৺ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে—

"এসো হে আৰ্য্য; এসো অনাৰ্য্য, দ্ৰাবিড়, চীন,
শক হুন দ'ল......' এক দেহে হ'ল লীন"

আৰু প্ৰাচীন ভাৰতীয় কৃষ্টিৰ সম্যক পৰিচয় দাঙি ধৰিছে। এই ৰাম-ৰাৱণৰ যুদ্ধৰ পিছৰ পৰাই পুৰাণৰ ত্ৰেতা যুগৰ অৱসান আৰু দ্বাপৰ যুগৰ সূচনা হয় বুলি গণনা কৰিব পাৰি। ৰামৰ মৃত্যু আজিৰ পৰা (১৯৯২ ইং) ৫১২৩ বছৰ পূৰ্বে অৰ্থাৎ খৃঃ পূঃ ৩১৩১ চনত হোৱা বুলি ধাৰণা কৰাৰ যুক্তি আছে; আৰু শ্ৰীকৃষ্ণৰ জন্ম খৃঃ পূঃ ৩০৮১ চনত হিচাব কৰিব পাৰি। ৰামায়ণত বৰ্ণনা কৰা ৰাম-ৰাৱণ যুদ্ধটো প্ৰকৃততে এটা সাঙ্কেতিক যুদ্ধ বুলিহে অনুমান হয়। ৰাম আৰ্য্যৰ প্ৰতিনিধি আৰু ৰাৱণ অনাৰ্য্যৰ প্ৰতিনিধি। গতিকে এই যুদ্ধটোক আৰ্য্য-অনাৰ্য্যৰ যুদ্ধ বুলিহে বেছি মূল্যায়ণ কৰা ভাল হব যেন পাওঁ। লিখকে ১৯৫৪ ইং চনত ৰামেশ্বৰম্ সেতুবন্ধ, ধনুষ্কোডী, সীতাকুণ্ড, পামবান, ৰামামুক্তি আদি ৰামায়ণত সংশ্লিষ্ট থকা দক্ষিনাত্যৰ স্থানবোৰ নিজে পৰিদৰ্শন কৰি লাভ কৰা ব্যক্তিগত অভিজ্ঞতাৰ পৰাও ইয়াকে ধাৰণা কৰে যে ৰামে সাগৰ বন্ধা কথাটো এটা ব্যাপক আৰু গৌৰৱময় ৰূপক মাথোন। অৱশ্যে এই আখ্যানটোৰ এটা দাৰ্শনিক আত্মিক দিশ আছে; ইয়াত ৰাম হৈছে পৰমাত্মা, সীতা জীৱাত্মা, দশমুণ্ড ৰাৱণ হৈছে দশ ইন্দ্ৰিয়ৰ দ্বাৰা পৰিব্যাপ্ত জড়সংসাৰ।

এই ভৱসংসাৰত বিকাৰ ভূমি জীৱাত্মাই পৰমাত্মাৰ সৈতে মিলনৰ পৰি-ক্রমাই ৰামায়ণৰ প্রতিপাদ্য বিষয়।

ইতিমধ্যে পুৰুবংশই নিজ নিজ শক্তি বিস্তাৰ কৰিছিল আৰ্য্যপুত্ৰ দুষ্মন্ত আৰু দুষ্মন্তৰ গান্ধৰ্ব্ব-মিলন জাত পুত্ৰ (শকুন্তলাৰ গৰ্ভজাত) ভৰতৰ ৰাজত্ব কালত। এই বিখ্যাত ভৰতৰ ৰাজত্ব কালৰ পৰাহে দেশৰ নাম ভাৰতবৰ্ষ হয় বুলি সচৰাচৰ ধৰা হয়। বৰ্ষ শব্দটো ৰভ্ বা ৰভো' শব্দৰ সমাৰ্থক যাৰ অৰ্থ ভূমি (Land)। এই বিখ্যাত মহাৰাজ ভৰতৰ বংশধৰসকলে স্বৰস্বতী নদীৰ পৰা গঙ্গালৈকে ৰাজ্য বিস্তাৰ কৰি ৰাম নগৰ, ফাৰুক্কাবাদ হস্তিনাপুৰ আদি অঞ্চলত ৰাজত্ব কৰিছিল। ভৰত বংশৰ পাঞ্চালৰ ৰজা দিবদাসে আৰু তেওঁৰ উত্তৰাধিকাৰী ৰজা সুদাসে যাদৱ বংশৰ লগত আৰু আন বহুতো অনাৰ্য্য জাতি উপজাতিৰ লগত যুদ্ধ কৰাৰ কথা ঋগবেদত উল্লেখ আছে।

ভাৰত যুদ্ধ আৰু শ্ৰীকৃষ্ণ :— প্ৰকাশ যে ঋগবেদ প্ৰাচীন ভাৰতৰ জনসমাজৰ এখন সৰ্বপ্ৰথম তথ্য গ্ৰন্থ হিচাবে পৰিগনিত। এই পুৰু বংশৰ হস্তিনাপুৰৰ ৰজা পুৰুই নিজ ৰাজ্যৰ চাৰিসীমা বঢ়াই উত্তৰ ভাৰতত একছত্ৰী ভাৱে ৰাজত্ব কৰিছিল। অৱশেষত পুৰুৰ পিছৰ বংশধৰ সকলে ৰাজ্য আৰু ৰাজ সিংহাসনৰ কাৰণে গৃহকন্দল কৰি কুৰুক্ষেত্ৰ বা ভাৰত যুদ্ধৰ পাতনি মেলে। ৰাষ্ট্ৰক ধাৰণ কৰি ৰখা ধৃতৰাষ্ট্ৰৰ বহুপুত্ৰই (এশ পুত্ৰই) কৌৰৱ নাম লৈ আৰু পাণ্ডুৰ পাঁচ পুত্ৰই পাণ্ডৱ নামে ৰাজ্যৰ দাবী সংক্ৰান্তত আদৰ্শ আৰু আঁদুসত্তাৰ দ্বান্দ্বিক সংঘাতত পৰি এক মহা আত্মঘাতী আৰু সৰ্বধ্বংসী মহাযুদ্ধৰ অৱতাৰণা কৰে। এই যুদ্ধই কুৰুক্ষেত্ৰ যুদ্ধ নামে জনাজাত। এই মহাযুদ্ধত গোটেই প্ৰাচীন ভাৰতৰ সম-সাময়িক আৰ্য্য-অনাৰ্য্য সকলোৱেই—পৰাক্ৰমী ৰজাই এটা নহয় আনটো দলত নিজ নিজ সৈন্য-সামন্তৰে যোগদান কৰিছিল, কাৰণ এই যুদ্ধ প্ৰকৃততে ৰাজ্যজয়ৰ বাবে নাছিল ; ই আছিল অন্যায়ৰ শাসনী শক্তিৰ

বিৰুদ্ধে সংগ্ৰাম কৰি ন্যায়ৰ প্ৰতিষ্ঠা কৰা আৰু ইয়াকে কৰিবলৈ হলে আপোন পৰ ভাব নাৰাখি নিৰাশী নিৰ্ম্মম ভাবে অসৎ বিৰোধী শক্তিক প্ৰতি প্ৰত্যেকৰ অন্তৰত জাগৃত কৰাৰ বাবে চিৰন্তন আহ্বান। দ্বাৰকাৰ যাদৱবংশীয় অতি মানবীয় প্ৰতিভাধৰ বিচক্ষণ ৰাজনৈতিক নেতা তথা আদৰ্শ পুৰুষ আজিৰ পৰা ৫০৮৩ বছৰ পূৰ্ব্বতে অৰ্থাৎ ৰামৰ মৃত্যুৰ ৪০ বছৰ পিছত জন্মগ্ৰহণ কৰা শ্ৰীকৃষ্ণই নিজে অসৎ বিৰোধী শক্তিৰ জীৱন্ত প্ৰতীক হিচাবে পাণ্ডৱৰ পক্ষ অৱলম্বন কৰি যুদ্ধৰ প্ৰধান চালক-মন্ত্ৰনাদাতা হিচাবে কাৰ্য্য সম্পাদনা কৰিছিল তেওঁৰ তিনিকুৰি ওঠৰ বছৰ বয়সত। শ্ৰীকৃষ্ণই অসৎ শক্তিক নিৰোধ কৰিবৰ কাৰণে প্ৰয়োজন বোধে নিজ সৈন্য বাহিনীবো (নাৰায়ণী সেনা) বিৰোধী পক্ষৰ হকে পঠিয়াইছিল আৰু পৰিশেষত নিজেও প্ৰয়োজন বোধে যুদ্ধাস্ত্ৰ হাতত লৈছিল। শ্ৰীকৃষ্ণৰ এই কাৰ্য্যই চিৰদিনৰ কাৰণে আৰু সমুদায় বিশ্ববাসীৰ কাৰণে অসৎ শক্তিৰ বিৰুদ্ধে যে প্ৰত্যেকে সংগ্ৰাম কৰা উচিত তাকেই নিজে আচৰণ কৰি লোক সমাজক শিক্ষা দিছে। সেয়ে পৰৱৰ্ত্তীকালত শ্ৰীকৃষ্ণৰ ওপৰত সকলোবিলাক দেৱত্ব-গুণাৱলী আৰোপ কৰি তেওঁক ভগৱানৰ পূৰ্ণ অৱতাৰ অৰ্থাৎ ষড়ৈশ্বৰ্য্যশালী ঈশ্বৰ হিচাবে আজিও সকলোৱে মান্য কৰি আছে। এই মহান পুৰুষজনাক অনুকৰণ কৰি আমি প্ৰত্যেকে সকলোধৰণৰ দুৰ্নীতি বা অসৎ শক্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰা উচিত। সকলো শ্ৰেণীৰ নৰ-নাৰীৰ মানসিক খাদ্যৰ আদৰ্শ পৰি-পূৰনকাৰী এই উত্তম পুৰুষ গৰাকীৰ জন্ম (আৱিৰ্ভাব) হৈছিল। অনুমানিক খৃষ্ট পূৰ্ব্ব ৩০৮১ চনত আৰু মৃত্যু (তিৰোভাৱ) হৈছিল খৃষ্টপূৰ্ব্ব ২৯৫৭ চনত (মতান্তৰ আছে)।

—x—

৫ম অধ্যায় (খ অংশ)

সানমিহলী—দৃষ্টিত
কোচ-ৰাজবংশীৰ পৰিক্ৰমা

পৌৰাণিক অসমত 'কুৰাচ' নামেৰে এটা লোক গোষ্ঠীৰ কথা বহুল ভাৱে পোৱা যায়; এই কুৰাচ সকলক আৰ্য্য খিলাকে দানৱ, অসুৰ আদি নামেৰে অভিহিত কৰিছিল। মহীৰঙ্গ বা মৈৰাং দানৱৰ নাম সৰ্ব্ব প্ৰথমে পোৱা যায়; কিন্তু এওঁৰে পৰৱৰ্ত্তী বংশধৰ সকলক আকৌ কেৱল অসুৰ নামেৰেহে অভিহিত কৰা হৈছে। সেই ফালেদিও হটকাসুৰ-সম্বৰাসুৰ-ৰত্নাসুৰ-ঘটকাসুৰ আদি অসুৰ বংশীয় ৰজাসকলে প্ৰাচীন কামৰূপ বা পৌৰাণিক অসমত ৰাজত্ব কৰাৰ কথা পোৱা যায়। এই অসুৰ বংশীয় ৰজাসকলৰ ৰাজধানী হিচাবে হট্‌কাৰৰ-হাৰুপেশ্বৰ, সাতালি পৰ্ব্বতমালাৰ অন্তৰ্গত মৈৰাং-মৰনৈ-শ্ৰীসূৰ্য্য অঞ্চলবোৰকেই বহুতে ঠাঁৱৰ কৰে। এই হাৰুপেশ্বৰ আকৌ শালস্তম্ভ বংশৰ ৰাজধানী আছিল বুলি পৰিজ্ঞাত; কিছুমানে আকৌ প্ৰাক্তন গোৱালপাৰা জিলাৰ চাৰিওকালে পাহাৰে আৱৰা মধ্যৱৰ্ত্তী স্থান বৰ্ত্তমানৰ শালকোচা নামৰ ঠাইখনকেই শালস্তম্ভ ৰাজবংশৰ ৰাজধানী বুলি আঙুলিয়ায়। এই শালকোচা ঠাইডোখৰ বৰ্ত্তমানো কোচ অধ্যুষিত অঞ্চল হৈ আছে। আনহাতে বৰ্ত্তমান গাৰোপাহাৰৰ অন্তৰ্গত কোচ অধ্যুষিত অঞ্চল শিঙিমাৰীৰ ওচৰৰ হটক বিলাক হটকাসুৰৰ ৰাজধানী বুলি স্থানীয় কোচ সকলে জনশ্ৰুতি দিয়ে। সেইদৰে বৰ্ত্তমানৰ উত্তৰ বঙ্গ আৰু ময়মনসিং অঞ্চলত মহাদেৱ আৰু হুচুনীৰ সাধু বি বহুতো লোক-গীত মুখে মুখে প্ৰচলিত হৈ আছে।

তথ্যান্তৰে বেলেগ এজন কিৰাতী ঘটকৰ নাম বহুল ভাবে প্ৰচাৰিত হৈ আছে। এই কিৰাতী ঘটকক নৰকৰ (নৰকাসুৰ) সৈতে জড়িত কৰা হৈছে। কোচ বিলাকক ঠাৰতে কিৰাত গোষ্ঠীৰ লোক বুলি ডঃ সুনীতি কুমাৰ চেটাৰ্জ্জীয়ে ঘোষনা কৰি থৈছে। কিৰাতী সকলক গুহাত আৰু ঝাৰণিত বসবাস কাৰী ৰূপে অতীতত ঝাৰনিৰ বাসিন্দা বুলি ধাৰণা কৰাৰ বহুতো কাৰণ থাকিব পাৰে। আজিও ভাৰতৰ পূৰ্ব্বাঞ্চলক বিশেষকৈ বৃহত্তৰ অসমক জংলী দেশ বুলি হাবি-বননি নেদেখা ভাৰতৰ আন মানুহবোৰে মনে মনে ভাবে। গতিকে প্ৰাচীন অসম বা অতীতৰ কামৰূপ কিমান হাবিয়নি আছিল তাক সহজে অনুমেয়। গোৱালপাৰা জিলাৰ পৰ্ব্বত জোৱাৰ অঞ্চল কোচ লোকসকলৰ প্ৰাধান্য থকা অঞ্চল বুলি ডঃ বুকাননে উল্লেখ কৰিছে, গাৰোপাহাৰৰ ভোই বা জোৱাল ঝাৰনিত 'কোচ-মানুহ, কোচ-মান্দাই 'কোচ-মেন্দি' (গাৰো ভাষাত মেন্দি বা মেন্দাই অৰ্থে 'মানুহক' বুজায়) আছিল বুলি বিচ্‌লে চাহাবে উল্লেখ কৰিছে। আজিও মেন্দি পাথাৰ গাৰোপাহাৰৰ কোচ অধ্যুষিত অঞ্চল। হাজো বা হাজু নামৰ কোচ ৰজাজনক শৈলৰাজ অৰ্থাৎ পাহাৰ সদৃশ হাবি-বননি অঞ্চলৰ ৰজা বুলি পৰিজ্ঞাত। হাজো বা হাজো শব্দৰ অৰ্থ হাবি-বননিৰে পৰিপূৰ্ণ ওখ ঠাই। আজিও কামৰূপ জিলাৰ হাজো অঞ্চল কোচ প্ৰধান অঞ্চল হৈ আছে। সেইদৰে ভূটানৰ পাদদেশত থকা চিকনাঝাৰ অঞ্চলতেই হৰিদাস বা হাড়িয়া মণ্ডল সৰ্ব্ব প্ৰথমে শিৱ বংশী কোচ ৰাজবংশৰ পাতনি মেলিছিল। বৰ্ত্তমানো কোচ ৰাজবংশী গোষ্ঠীৰ লোক সকলোৰ বেচিভাগেই নগৰ-চহৰৰ কোলাহলৰ পৰা আতৰত থাকি গাওঁ-গাৱলীয়া মাছ-ভাতৰ সহজ উৎস থকা প্ৰাকৃতিক অঞ্চল বোৰতহে বসবাস কৰি আছে বা থাকিবলৈ ভাল পায়। এই সকলোবোৰ দৃষ্টান্তই প্ৰমাণ কৰে যে কোচ-সকল অঞ্চলত আচলতে ঝাৰণিৰ অধিবাসী আছিল। ইংৰাজ শাসনৰ সময়ত কোচ-ৰাজবংশী গোষ্ঠীৰ সৈন্যসকলক 'কাকৰা' সৈন্য বুলি অভিহিত কৰিছিল আৰু শৌৰ্য্য-বীৰ্য্যৰ ক্ষেত্ৰত গুৰ্খা বাহিনীৰ সমপৰ্য্যায়ৰ আছিল

বুলি প্ৰতিৰক্ষা বিভাগৰ প্ৰতিবেদনত উল্লেখ আছে।

কিৰাতী সকলেই কোচ. কিৰাতী ঘটকক পৰাস্ত কৰি নৰকে কোচ সকলক সাগৰৰ পাৰলৈ (বঙ্গোপসাগৰ) খেদি দিয়াৰ কথা আছে। ইন্দ্ৰই অৰ্থাৎ কোনোবা আৰ্য্য সমৰ্থক নেতাই আন এজন আৰ্য্য যোদ্ধা দিবোদাসৰ সহযোগত সম্বাসুৰৰ এক শ নগৰ ধ্বংস কৰাৰ কথা ঋগবেদত উল্লেখ আছে। ইয়াৰ পৰা বুজা যায় গাৰোপাহাৰৰ প্ৰাচীন কোচ সকলেই সম্বাসুৰৰ প্ৰজা, সহচৰ আৰু অনুগামী আছিল আৰু তেওঁলোক ইন্দ্ৰ-দিবোদাসৰ অৰ্থাৎ নতুনকৈ আমদানি হোৱা আৰ্য্য সমৰ্থকৰ বিৰোধী আৰু প্ৰতিদ্বন্দ্বী আছিল; বৰ্ত্তমানৰ বাংলাদেশখনি এসময়ত সাগৰৰ গৰ্ভত আছিল। এই সাগৰখনকেই লৌহিত্য সাগৰ বুলি জনাজাত আছিল। আচলতে কৰতোৱা গঙ্গাৰ পানী আৰু লৌহিত্য সাগৰৰ পানী বাধিবা সাগৰ সদৃশ হৈছিল বাবেই মন্দাচল ওৰফে গাৰোপাহাৰ আশ্ৰয়স্থল আছিল।

কম্বজ-কমচ কুৰাচ কোচ সমাৰ্থক শব্দ বুলি ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে কৈছে আৰু যোগিনীতন্ত্ৰ কালিকাপুৰাণ আদিতেও উল্লেখ কৰিছে, দেশী বিদেশী বহু ভাষ্যকাৰেও ইয়াক সমৰ্থন কৰিছে আৰু বৰ্ত্তমান ই জনবিশ্বাসত পৰিণত হৈছে। পুৰাণ আৰু তন্ত্ৰবোৰৰ আধাৰত চাৰ এডৱাৰ্ড গেইট, ডঃ ফেৰিণ্টন বুকানন, ডঃ মৰ্গেনৰ নেওন আদি বহুতো পণ্ডিতে কোচ সকলোকে কুৰাচ বুলি দ্বিধাহীন ভাষাত কৈছে। ইন্দ্ৰই কুৰাচ সকলক যুদ্ধত পৰাস্ত কৰিছে বুলি ঋগ বেদৰ ২য় খণ্ড,১৬ পৃষ্ঠাত উল্লেখ কৰিছে। বৈদিক যুগত পানিকোচ নামে জনাজাত এটা লোক গোষ্ঠীয়ে যুদ্ধ আৰু বেহা-বেপাৰ কৰাৰ কথাও পোৱা যায়। আজিও গাৰোপাহাৰ অঞ্চলত পানিকোচ বুলি পৰিচিত এটা লোকগোষ্ঠী প্ৰচুৰ পৰিমাণে আছে। ডঃ নগেন্দ্ৰনাথ বসু, ৰায় বাহাদুৰ কনকলাল বৰুৱা, জি এইচ. এইচ, উইলচন আদিৰ মতেও অতীতৰ পানিকোচেই কুৰাচ আৰু বৰ্ত্তমানৰ কোচ।

তুলসী দাসৰ বামায়ণতো কোচ ৰাজ্যৰ কথা উল্লেখ আছে। এই পানী কোচ সকলেই ইউৰোপৰ বেবীলনত ফনিক্ষ সভ্যতাৰ পাতনি মেলিছিল ; এচিয়াত এওঁলোকেই প্ৰধান গোষ্ঠী আছিল।

মিষ্টাৰ বেভাবলিৰ মতে গাঙ্গেয় উপত্যকাত থকা কোচ সকলক সূৰ্য্য আৰু চন্দ্ৰবংশী ৰজাসকলে মগধ আৰু মিথিলা ৰাজ্য প্ৰতিষ্ঠা কৰাৰ সময়ত পূবলৈ খেদি দিয়ে। মিষ্টাৰ ৰিচ্‌লেৰ মতেও পশ্চিমৰ পৰা আগত আৰ্য্য সকলৰ অগ্ৰগতিৰ সময়ত কোচ সকলে গঙ্গা উপত্যকাত দখল সাব্যস্ত কৰি আছিল । মিষ্টাৰ হুড্‌চন আৰু বি, চি, এলেন চাহাবও এই সিদ্ধান্তৰে সমৰ্থক। কৌশম্বীৰ ভাৰত বুৰঞ্জীৰ মতে অশোকৰ শিলালিপিত যবন আৰু কম্বজ নামৰ ছুটা প্ৰধান জাতিৰ নাম পোৱা যায়। এই শিলালিপিত থকা মতে অশোকৰ ধৰ্ম্মপ্ৰচাৰ কাৰ্য্যত এই কম্বোজ জাতিৰ লোকসকল জড়িত আছিল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে অশোক স্তম্ভৰ চক্ৰটোত ২৪ দাল মাৰি আছে : আজিও পূৰ্ব্বভাৰতৰ কোচ-ৰাজবংশী সকলৰ বিয়াৰ ক্ষেত্ৰত দৰাৰ ঘৰলৈ ন-কন্যাক অনাৰ ঠিক পিছতে গৃহত প্ৰৱেশ কৰাৰ পূৰ্ব্বে পচুলিমুখত বেওঁৰ চাৰিওফালে সাতপাক দৰা-কইনাক পৰিক্ৰমা কৰায় আৰু তাৰ পিছতহে ন-কন্যাক দৰাৰ গৃহলৈ প্ৰৱেশ কৰিবলৈ দিয়া হয়। এই বেওঁটো সজাৰ এটা বিশেষ প্ৰক্ৰিয়া আছে। এডাল কেচাঁ বাহক অনুমান ১০/১২ দীঘল কৈ কাটি ওপৰৰ ফালে ৰখা মূৰটো জোঙা কৰি তাত এটা কলদিল বা দগৰ সদৃশ কৰি কাটি কলগছতে হানি বাহৰ তলৰ মূৰটোক ফালি-চিৰি ২৪ দাল সৰু সৰু চেপাৰীত পৰিণত কৰা হয়। প্ৰত্যেকডাল সৰু সৰু চেপাৰীকে জঙা কৰি কলগছৰ চাৰিটা ভূমি তৈয়াৰ কৰি হানি হানি দিয়া হয় আৰু তেতিয়া এই গোটেই বস্তুটো অশোক স্তম্ভ বা গুৰু আসনৰ দৰে দেখায়। গোৱালপাৰা জিলা অঞ্চলৰ ভাষাত এই কাৰ্য্যটোক বেওঁবাৰী বা বিয়াবাৰী সুবোজা বুলি কোৱা হয়। এই কাৰ্য্যটো কৰিলেহে বিয়া সম্পূৰ্ণ হয়। ০০০

৬ষ্ঠ অধ্যায়

ভাৰত বুৰঞ্জীৰ আমলত
কোচ-ৰাজবংশীৰ পৰিক্ৰমা।

প্ৰাচীন যুগ ঃ— কুৰুক্ষেত্ৰৰ যুদ্ধৰ ফলত গোটেই ভাৰতৰ আৰ্য্য-অনাৰ্য্য ৰজা, ৰাজবংশ আৰু প্ৰজাই পূৰ্ব্বৰ কীৰ্ত্তিচিহ্ন সমন্বিতে ছিন্ন ভিন্ন হৈ ধ্বংস প্ৰাপ্ত হয় আৰু সেই সময়তেই কলিযুগৰ আৰম্ভণি হয় বুলি ধৰা হয়। উক্ত কুৰুক্ষেত্ৰ যুদ্ধৰ ফলত হোৱা সৰ্ব্বগ্ৰাসী আৰু অপূৰণীয় বহুমুখী ক্ষতিপূৰণ কৰিবলৈ (Post war Reconstruction) ভাৰতৰ শ শ বছৰ লাগিছিল। নিৰ্ভৰযোগ্য তথ্য পাতিৰ দৃষ্টিৰে বিচাৰ কৰিলে একমাত্ৰ কুৰুবংশৰ দ্বাৰা শাসিত মগধ ৰাজ্য ক্ৰমান্বয়ে ক্ষমতাশালী হৈ উঠিব ধৰা কালৰ পৰাহে আধুনিক ভাৰত বুৰঞ্জীবিদ সকলৰ মতে ভাৰতৰ প্ৰাচীন বুৰঞ্জীৰ বা যুগৰ আৰম্ভণি হিচাব কৰা হৈছে। কুৰুক্ষেত্ৰ যুদ্ধৰ পিছৰ পৰা মগধ ৰাজ্যৰ শক্তি সঞ্চয় হোৱালৈকে অৰ্থাৎ খৃষ্টপূৰ্ব্ব ৭ম শতিকালৈকে এই সময়ছোৱাক এক প্ৰকাৰ অন্ধকাৰ যুগ বুলিব পাৰি। কাৰণ এই কালছোৱাৰ কোনো নিৰ্ভৰযোগ্য আৰু ধাৰাবাহিক বুৰঞ্জী পোৱা নাযায় বা এতিয়ালৈকে ৰচিত হোৱা নাই। কেৱল খৃষ্টপূৰ্ব্ব ৭ম শতিকাত উত্তৰ ভাৰতত মগধ, কোশল, অঙ্গ আদি কেইখনমান সৰু বৰ ৰাজ্যৰ নাম উল্লেখ পোৱা যায়। এই বিলাকৰ উপৰিও আন কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন বা অৰ্দ্ধস্বাধীন ৰজা আৰু ৰাজবংশই ঠায়ে ঠায়ে মূৰ দাঙি উঠা দেখা যায়। এই ক্ষুদ্ৰ ক্ষুদ্ৰ ৰজাসকলৰ ভিতৰত লিচ্ছবী, শাক্যসিংহ, গান্ধাৰ, শৌৰসেনা আদি ৰাজবংশবোৰে ক্ৰমে বৈশালী, কপিলাবস্তু, তক্ষশীলা, মথুৰা আদি

ৰাজ্যত ৰাজত্ব কৰাৰ উল্লেখ পোৱা যায়। তদুপৰি অৱন্তী, উজ্জয়নী, মৎস, ভোজ, কলিঙ্গ, কোশম্বী, বিদিশা আদি ৰাজ্যবোৰৰ কথাও উল্লেখ কৰিব পাৰি। উত্তৰ ভাৰতৰ প্ৰাচীন অধিবাসীবিলাকৰ ভিতৰত লিচ্চবী বিলাকো প্ৰথম শ্ৰেণীৰ ক্ষমতাশালী জনগোষ্ঠীৰ ভিতৰত অন্যতম আছিল আৰু তেওঁলোকে নিজকে প্ৰাচীন ক্ষত্ৰিয় বুলি দাবী কৰিছিল। উত্তৰ বিহাৰ অঞ্চলত থকা এই লিচ্চবী সকলৰ ক্ষত্ৰিয়ত্বৰ দাবীক বুৰঞ্জীবিদ সকলেও মানি লৈছিল। এওঁলোকে উত্তৰ পূব ভাৰতৰ বিভিন্ন অঞ্চলত গৌতম বুদ্ধ যুগৰ সময়ৰ পৰা আৰম্ভ কৰি গুপ্তযুগৰ আগছোৱালৈকে বিশেষ প্ৰতিপত্তি লাভ কৰিছিল আৰু বিস্তৃত হৈছিল।

লিচ্চবী কোচ ঃ— আধুনিক দৃষ্টিভঙ্গী সম্পন্ন কিছুমান পণ্ডিতৰ মতে এই লিচ্চবীসকল ইন্দোমঙ্গোলীয় গোষ্ঠীৰ অতি পূৰ্ব্বতে আৰ্য্যভাষা কৃষ্টিৰ লগত সংমিশ্ৰন হৈ গঢ়ি উঠা এটা পৰাক্ৰমী জাতি। অৱশ্যে এই অভিমতটো বিবদমান। যিহ'ক এইটো এটা সাৰ্ব্বজনীন ভাবে ধৰি লোৱা মতবাদ যে খৃষ্টপূৰ্ব্ব ৬০০ বছৰৰ পূৰ্ব্বতেই বৃহৎ চীন-তিব্বতী কৈফৰ মানুহৰ লগত ভাৰতৰ আৰ্য্য-অনাৰ্য্য গোষ্ঠীৰ মানুহৰ সংঘাত, সংমিশ্ৰন আৰু অৱশেষত সমন্বয়ত গঢ়ি উঠা এটা বৰ্ণশংকৰ প্ৰজাতি। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে মহাৰাজ নৰনাৰায়ণৰ দিনত প্ৰাধান্য লাভ কৰা কোচ বিলাকো লিচ্চবী সকলৰ লৈতে একে গোষ্ঠী সম্ভূত অতি প্ৰাচীন জাতি। তেখেতে তেখেতৰ 'কীৰাত জনকীৰ্ত্তি' নামৰ পুথিখনিৰ ৬০ পৃষ্ঠাত কৈছে—

"The Koch empire under king Nara-Narayana and his brother Sukla-dhwaja during the second half of the 16th. century is another great achievement of the Indo-Mongoloid Bodo people and Preparations for this climacteoric rise were going on for some centuries before that age. If the assumption is

warranted that the Licehavis, Koliyas and Vaijis of North Behar in the 6th, century B C. were of Indo-Mongoloid origin, pure or mixed then it is quite easy to think of North Bengal as much as Assam as having an Indo-Mongoloid Population from quite early times"

মগধ সাম্ৰাজ্য :— ভাৰত যুদ্ধৰ পিছত আগৰ বংশৰ ৰিপুঞ্জয়েই মগধৰ শেষ ৰজা আছিল। অৱশেষত বিম্বিসাৰ নব-মগধৰ প্ৰথম ৰজা হয় আৰু ৰাজগৃহত তেওঁ ৰাজধানী পাতে। এওঁৰ দিনতেই শাক্য বংশৰ বুদ্ধদেৱ (গৌতম বা সিদ্ধাৰ্থ) আৰু জৈন ধৰ্ম্মৰ প্ৰচাৰক শেষ তীৰ্থঙ্কৰ মহাবীৰৰ জন্ম হৈছিল। বিম্বিসাৰৰ পিছত তেওঁৰ পুত্ৰ অজাতশত্ৰু ৰজা হয় আৰু অজাতশত্ৰুৰ পিছত মগধ ৰাজ্যৰ শক্তি ক্ৰমে হ্ৰাস পায় ; অৱন্তি ৰাজ্য তাৰ ঠাইত পৰাক্ৰমী হৈ উঠে। অৱশেষত মগধ ৰাজ্যৰ দুৰাৱস্থাৰ সুযোগ গ্ৰহণ কৰি মগধ ৰাজ্যৰ এজন প্ৰতাপী বিষয়াই (শাসনকৰ্ত্তা) নন্দীবৰ্দ্ধন শিশুনাগে মগধৰ সিংহাসনত আৰোহণ কৰি পূৰ্ব্বৰ গৌৰৱ ৰক্ষা আৰু নাগবংশ প্ৰতিষ্ঠা কৰে। অৱশ্যে পিছত এই নাগবংশক পৰাস্ত কৰি মহাপদ্মনন্দ নামৰ নন্দবংশৰ ৰজা এজনে বিশেষ ক্ষমতাশালী হৈ মগধ ৰাজ্যৰ অধিপতি হয় আৰু তৎকালীন সমসাময়িক ৰাজশক্তি বিলাকৰ কৃতান্ত স্বৰূপে পৰিগণিত হয়। এই মহাপদ্মনন্দই কোশল, কুন্তলা, কলিঙ্গ আদি দাম্ভিকাৰবীয়া ক্ষত্ৰিয় ৰাজ্যবোৰৰ ওপৰত চৰম অত্যাচাৰ কৰি নিজ ৰাজ্যৰ অন্তৰ্ভূক্ত কৰে। মহাপদ্মনন্দ শূদ্ৰাগৰ্ভজাত হোৱা হেতুকে তৎকালীন বৈদিক ক্ষত্ৰিয় সমাজে তেওঁক অৱজ্ঞাৰ চকুৰে চাইছিল। সেই কাৰণেই তেওঁ মগধৰ সিংহাসনত আৰোহন কৰি ক্ষত্ৰিয়কুল ধ্বংস কৰাত লাগি যায়—

"মহানন্দিসুতশ্চাপি শূদ্রায়াং কলিকাংশজ।
উৎপৎস্যাতে মহাপদ্মঃ সর্ব্বক্ষত্রান্তকো নৃপঃ।।"
—ইতি মৎসপুৰাণম্।

আচলতে মহাপদ্মই বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰি হিন্দুধৰ্ম্মৰ ধাৰক আৰু বাহক ক্ষত্ৰিয় ৰাজশক্তিবোৰৰ ওপৰত প্ৰায় ২৮ বছৰ ধৰি প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু প্ৰয়োজনবোধে হিন্দুধৰ্ম্মই যাতে মূৰ দাঙিব নোৱাৰে তাৰ বাবে নিৰ্ম্মম হাতে হিন্দু সমৰ্থক ক্ষত্ৰিয় শক্তিক দ'মন কৰিছিল আৰু ব্যাপক ভাবে ধৰ্ম্মান্তৰ কৰাইছিল ; যিবিলাকে সহজে বৌদ্ধধৰ্ম্ম গ্ৰহন নকৰিছিল সিবিলাকক নিৰ্ম্মমভাৱে হত্যা কৰিছিল। ইয়াৰ ফলত হাজাৰ হাজাৰ ক্ষত্ৰিয় হিন্দুই মগধ ৰাজ্য ত্যাগ কৰি পূৰ্ব্ব ভাৰত তথা প্ৰাচীন কামৰূপ ৰাজ্যত অৰ্থাৎ ৰত্নপীঠ অঞ্চলত প্ৰবেশ কৰি আত্মগোপন ক্ৰমে নিজৰ হিন্দু আচাৰ ৰক্ষা কৰিছিল। ক্ষত্ৰিয়সকলৰ এই আত্মগোপন অৱস্থাই ব্ৰাত্যত্ব পোৱাৰ ৰাস্তা প্ৰশস্ত কৰে আৰু সেয়ে শেষত তেওঁলোকক 'ভঙ্গক্ষত্ৰি' বা ব্ৰাত্য ক্ষত্ৰিয় হিচাবে জনাজাত হয়। খৃষ্টপূৰ্ব্ব ৪ৰ্থ শতিকাৰ প্ৰথম ভাগত ক্ষমতা লাভ কৰা মহাপদ্মনন্দই বৌদ্ধধৰ্ম্ম প্ৰচাৰৰ নামত সমস্ত ব্ৰাহ্মণ্যবাদ তথা হিন্দুশক্তিৰ ওপৰত ইমান নিৰ্ম্মম অত্যাচাৰ চলিছিল যে "এশ এক মাৰিলে বাঘবো মৰণ" মিলাৰ দৰে তেওঁৰে পদচ্যুত ব্ৰাহ্মণ মন্ত্ৰী এজনৰ সৈতে লগ লাগি যৌথভাবে নিজ নিজ আক্ৰোশ পূৰণ "কৰিবৰ কাৰণে নানান কূটকৌশল আৰু অভিযাৰ প্ৰক্ৰিয়াৰ দ্বাৰা মহাপদ্মনন্দ আৰু পৰৱৰ্ত্তী নন্দ বংশধৰ সকলক ধ্বংস কৰে। এই জীৰ্ণ শীৰ্ণ মলিন বস্ত্ৰ পৰিহিত ভিকাৰী ব্ৰাহ্মণ মন্ত্ৰীজনাই কালক্ৰমত চাণক্য বা কৌটিল্য নামে পৰিচিত হয়। এওঁৰ নীতিয়েই পৰৱৰ্ত্তী কালত চাণক্য নীতি নামেৰে খ্যাত হয়।

মগধ ৰাজ্যৰ ৰাজবংশী :— মহাপদ্মনন্দই ক্ষত্ৰিয় শক্তিক

ধ্বংস কৰা বৃত্তান্তৰ নমুনা স্বৰূপে "ৰাজবংশাবলী" নামৰ পুথিৰ পৰা অংশবিশেষৰ উদ্ধৃতি তলত দিয়া হল—

পূৰ্ব্বকালে ছিল এক শিশু নামে ৰাজা ।
মগধ শাসন কৰে সুখে পালে প্ৰজা ॥
তাৰ বংশে জন্মে এক নন্দী নামে পুত্ৰ ।
প্ৰজাৰঞ্জক বলিয়া বিদিত সৰ্ব্বত্ৰ ॥
নন্দী ঘৰে সুত হয় শূদ্ৰানী সম্ভূত ।
মহাপদ্ম নাম তাৰ জগতে বিদিত ॥
সিংহাসনে বসে সেই পিতৃ হত্যা কৰি ।
সনাতন ধৰ্ম্ম ছাড়ে বৌদ্ধধৰ্ম্ম ধৰি ॥
ৰাজধৰ্ম্ম বলি তাৰে কৰেণ প্ৰচাৰ ।
বিৰুদ্ধ ধৰ্ম্মকে মাৰি কৰে ছাড়খাৰ ॥
শূদ্ৰসুত ৰাজা হয় হাসে ক্ষত্ৰিগণ ।
ক্ষত্ৰি বিনাশ তাৰে সে কৰে মহাপন ॥
উত্তৰ ভাৰতে যত ক্ষত্ৰি ৰাজা ছিল ।
বৈদিক আচাৰী বলি বহু বিনাশিল ॥

* * * *

ধৰ্ম্ম জন্য যুদ্ধ কৰে পৌণ্ড্ৰক্ষত্ৰীগণ ।
সেই ৰণে বহু ক্ষত্ৰি হইল নিধন ॥
তাৰ পুত্ৰগণ ভীত হয় সে কাৰণ ।
ৰণে ভঙ্গ দিয়া সবে কৰে পলায়ন ॥
কৰতোয়া পৰপাৰে বস্তুপীঠ স্থান।
বনানীতে ঘেৰা মাঠে কৰে বাসস্থান ॥
কেহ কেহ বাছে স্থান কমতাবিহাৰে ।
আশ্ৰয় লয় কেহ প্ৰাগ্‌জ্যোতিষপুৰে ॥

এইৰূপে যেথা সেথা লইয়া আশ্ৰয়।
ৰাজবংশী বুলি সবে দেয় পৰিচয়॥
* * * *

ব্ৰাহ্মণ অভাবে হয় পুৰোহিত শূণ্য।
'অধিকাৰী' স্থিৰ কৰি কৰে নানা পূণ্য॥
শাস্ত্ৰজ্ঞ স্বজাতি দেখি অধিকাৰী কাছে।
ধৰ্ম্ম-কৰ্ম্ম শিক্ষা-দীক্ষা নেয় তাৰ কাছে॥
বেদাচাৰে আছে য'ত দশবিধ কৰ্ম্ম।
অধিকাৰী দ্বাৰা পালে সাধ্যমত ধৰ্ম্ম॥
শূদ্ৰাচাৰী ক্ষত্ৰিয়হন্তা পিছনে যাহাৰ।
ভয়ে ভীত 'ক্ষত্ৰী' নাম কৰে পৰিহাৰ॥
* * *

ক্ষত্ৰিয় পদবী পাছে হয় নিদৰ্শণ।
শূদ্ৰেৰ পদবী কেহ কৰেণ গ্ৰহণ॥
* * *

শূদ্ৰপুত্ৰ মহাপদ্ম বিপৰীত ভাব।
ক্ষত্ৰনাশি কাড়িলয় য'ত ৰাজ্যভাৰ॥
উত্তৰ ভাৰতে য'ত ক্ষত্ৰি ৰাজ ছিল।
ধ্বংস কৰিয়া তাহাৰ ক্ষত্ৰিয় মাৰিল॥
নিষ্ঠুৰ কাহিনী সেই না যায় বৰ্ণন।
দিগ্‌ দিগন্তৰে ক্ষত্ৰি কৰে পলায়ন॥
ভীষণ নিৰ্ম্মম তাৰ যত অভিমান।
ক্ষাত্ৰ নামে স্ত্ৰী শিশুৰ নাহি ৰাখে প্ৰাণ॥

—ইত্যাদি।

ধৰ্মান্তৰ কাৰণ আৰু ধৰ্মৰক্ষাৰ নামত এই পৃথিবীত যুগে যুগে বি

নৰমেধ যজ্ঞৰ সৃষ্টি হৈছিল ; আজিও কুৰি শতিকাৰ শেষ ভাগত এই যান্ত্ৰিক যুগতো তাৰেই পুনৰাবৃত্তিৰ হৈ আছে ই সঁচাকৈ সভ্যতাৰ পৰিহাসৰ বাহিৰে আন একো নহয়। এই দৃষ্টিৰে বিচাৰ কৰিলে আজিও মানুহ আগৰ কালৰ মানুহতকৈ এখোজো আগ বাঢ়িব পৰা নাই যেন লাগে। আচলতে হিন্দু ধৰ্ম্ম তেতিয়া প্ৰাণহীন অনুষ্ঠান সৰ্ব্বস্বত পৰিণত হৈছিল। আৰ্য্যবাদৰ বিকৃতৰূপ হিন্দু ধৰ্ম্মৰ এই অৱনতিৰ মূল কাৰণ ধৰ্ম্মত প্ৰাণহীনতা। ধৰ্ম্ম নামক দেহটোৰ পৰা তেতিয়াই প্ৰাণবায়ু উৰি যায় যেতিয়াই ধৰ্ম্মই মানুহৰ কল্যাণক অৱৰুদ্ধ কৰি দিয়ে। কেৱল মাত্ৰ অনুশাসনবাদী অনুষ্ঠান সৰ্বস্ব অৰ্থাৎ দেহ সৰ্বস্ব ধৰ্ম্মই সমাজখনক দেউলীয়াত পৰিণত কৰে, প্ৰাণ-শক্তিক ধৰি ৰখাৰ ক্ষমতা হেৰুৱাই পেলায়। যুগাৱতাৰ মহাপুৰুষ সকলৰ জীৱন আৰু বাণীয়ে সময়ে সময়ে সতৰ্ক কৰি দিয়ে— ধৰ্মক অনুষ্ঠান সৰ্বস্ব কৰিলে সমাজত পচন ক্ৰিয়া আৰম্ভ হৈ পতিত অৱস্থা প্ৰাপ্ত হয়। ইয়াৰ ফলত বিশৃঙ্খলা আৰু বিবাদে মূৰ দাঙি উঠে মৰামৰি কাটাকাটিৰ সৃষ্টি হয়, অসহিষ্ণুতা আৰু সাম্প্ৰদায়িকতা বৃদ্ধি পায় ; প্ৰেম আৰু প্ৰীতি কবৰস্থ হয় আৰু মানৱতাৰ প্ৰদীপ নিৰ্ব্বাপিত হয়। মনুষ্যত্ব অন্ধকাৰত নিপতিত হৈ মানৱ সম্পদ ক্ষত-বিক্ষত হৈ চূৰ্ণ-বিচূৰ্ণ হৈ পৰে।

যিহ'ক নন্দৰ অত্যাচাৰৰ ফলত চন্দ্ৰগুপ্ত মৌৰ্য্যই ব্ৰাহ্মণ মন্ত্ৰদাতা চাণক্য বা কৌটিল্যৰ সহায়ত নন্দক পৰাস্ত কৰি ৰাজপাটত বহে। খৃষ্ট পূৰ্ব্ব ২৯৭ চনত চন্দ্ৰগুপ্তৰ মৃত্যুৰপিছত তেওঁৰ পুত্ৰ বিন্দুসাৰ আৰু বিন্দুসাৰৰ পিছত পুত্ৰ অশোক বৰ্দ্ধন মগধৰ ৰাজপাটত বহে খৃষ্ট পূৰ্ব্ব ২৭৪ চনত। অশোক বৰ্দ্ধনে ৰজা হোৱাৰ ১২ বছৰ পিছত হিন্দু সভ্যতাৰ অন্যতম প্ৰাণকেন্দ্ৰ কলিঙ্গ বিজয় কৰি তেজৰ দল বোৱায়। সেই সময়ত কলিঙ্গত পূৰ্বৰ অন্ধ্ৰ বা অন্ধ্ৰবংশীয় আৰ্য্য ৰজাই ৰাজত্ব কৰিছিল আৰু ইয়াৰ ফলত সনাতন হিন্দুধৰ্মৰ প্ৰভাৱ হ্ৰাস হয় আৰু বৌদ্ধ ধৰ্মই বিজয় কেতন উৰুৱাই দিয়াত অশোকে 'মহাবতি' খিতাপ প্ৰাপ্ত হয়।

মহামতি অশোকৰ পিছত মগধ ৰাজ্যৰ গৌৰৱ-ৰবি অস্তাচলত যাব যায় আৰু বিশাল মগধ ৰাজ্য ছিন্ন ভিন্ন হৈ শাখা প্ৰশাখাত পৰিণত হয়। কাৰণ তেওঁ 'অস্ত্ৰৰ' পৰিবৰ্ত্তে 'শাস্ত্ৰকে' ৰাজশক্তি মানিছিল ; আৰু তেওঁৰ বংশধৰ সকলে নামমাত্ৰ ৰাজত্ব কৰি থাকে। অশোকৰ ৰাজত্বৰ শেষ ভাগত উত্তৰ পশ্চিম সীমান্তৰ ৰাজ্য গান্ধাৰ (বৰ্ত্তমান কান্দাহাৰ-কাবুল) কম্বোজ আৰু যবন (অৱগণ বা আফগানিস্থান), দক্ষিণত ৰাষ্ট্ৰকূট ভোজ আদি বংশৰ ৰজাসকলে ৰাজত্ব কৰিছিল। মৌৰ্য্য সাম্ৰাজ্য ধ্বংস হোৱাৰ পিছত চাৰিটা পৰাক্ৰমী শক্তিয়ে ভাৰতত মূৰ দাঙি উঠে। শুঙ্গ আৰু কান্ব শক্তিয়ে মধ্য ভাগত, শতবাহন শক্তিয়ে দাক্ষিণাত্যত, চেদীয়ে পূৰ্ব্বত আৰু যবনে উত্তৰ পশ্চিমাঞ্চলত। এই চাৰি শক্তিৰ মাজত আত্মপ্ৰতিষ্ঠাৰ কাৰণে প্ৰায় সদায় যুঁজবাগৰ চলিয়েই আছিল। এনেধৰণৰ খোৱা-কামৰাৰ ফলত দক্ষিণ ভাৰতত শতবাহন শক্তিৰ পৰাভৱৰ পিছত উত্তৰ ভাৰতত গুপ্ত আৰু বৰ্দ্ধন শক্তিয়ে পৰাক্ৰমী হৈ উঠে আনুমানিক খৃষ্টাব্দ ৩শতিকাত বৰ্দ্ধন শক্তিয়ে বঙ্গ, পূৰ্ববঙ্গ আৰু পশ্চিম কামৰূপৰ সীমান্তবৰ্ত্তী অঞ্চলত ৰাজত্ব কৰিছিল। সমুদ্ৰগুপ্ত আৰু বিক্ৰমাদিত্যৰ ৰাজত্বকালত বৰ্দ্ধন শক্তি ছিন্ন ভিন্ন হয় আৰু সামন্ত ৰজাৰ পৰ্য্যায়ত নানা ঠাইত ৰাজত্ব কৰে। গুপ্ত-বংশীয় ৰজা স্কন্দগুপ্তৰ দিনত মঙ্গোলীয় গোষ্ঠীৰ হুন বিলাকে কেবাবাৰো উত্তৰ ভাৰত আক্ৰমণ কৰে আৰু এই সুযোগতে বৰ্দ্ধন বংশৰ প্ৰভাকৰ বৰ্দ্ধন নামৰ এজন ৰজাই থানেশ্বৰত স্বাধীন ৰাজ্য পাতে।

কোচ নৃপতি শঙ্কলাদেৱ :— অনুমানিক খৃষ্টীয় চতুৰ্থ শতিকাৰ শেষ ভাগত আৰু পঞ্চম শতিকাৰ আগভাগত (মতান্তৰে খৃষ্টপূৰ্ব ৭ম শতিকা) শঙ্কলাদেৱ নামৰ এজন প্ৰতাপী কোচ ৰজাই কামৰূপত অত্যন্ত পৰাক্ৰমী হৈ উঠিছিল। শঙ্কলাদেৱৰ চাৰি হেজাৰ গজাৰোহী, একলাখ অশ্বাৰোহী, আৰু চাৰিলাখ পদাতিক সৈন্যৰে গঠিত এটা বিৰাট সৈন্যবাহিনী আছিল। এই বিশাল সৈন্য বাহিনীৰ সহায়ত অত্যাচাৰী হুনবিলাকক

বঙ্গদেশৰ পৰা খেদাই দি মালৱ পৰ্য্যন্ত ৰাজ্য বিস্তাৰ কৰিছিল আৰু লক্ষ্ণৌতী বা গৌড় নগৰ প্ৰতিষ্ঠা কৰিছিল। কবি ফাৰ্দ্দুচীৰ 'শাহনামা' আৰু কাসিম ফেৰিস্তাৰ বিৱৰণি মতে পোৱা যায় যে এই শঙ্কলাদেৱ ৰজাই উত্তৰ ভাৰতো বিজয় কৰিছিল আৰু উত্তৰ ভাৰতৰ সামন্ত ৰজা কেঁদাৰ ব্ৰাহ্মণক কৰতলীয়া কৰিছিল। শঙ্কলাদেৱে প্ৰতিষ্ঠা কৰা গৌড় বা লক্ষ্ণৌতী নগৰ সমগ্ৰ বঙ্গ দেশৰ ৰাজধানী আছিল। অৱশেষত এজন পাৰস্যবিজেতা আফ্ৰ'চিয়াবৰ হাতত এখন চলন্ময়ী আৰু গুৰুত্বপূৰ্ণ যুদ্ধত শঙ্কলাদেৱৰ পতন হয়। কিছুমানৰ মতে এই আফ্ৰচিয়াবজন আছিল বিখ্যাত বীৰ শোহৰাবৰ পিতৃ ৰুস্তম। আফ্ৰচিয়াবজনে হঠাতে ৫০,০০০ হাজাৰ অশ্বাৰোহী মঙ্গোলীয় সেনাৰে শঙ্কলাদেৱক আক্ৰমণ কৰে আৰু প্ৰথম বাৰৰ যুদ্ধত বৰ্ত্তমান বঙ্গদেশৰ সীমাত থকা কোচ পৰ্ব্বতৰ ঘোড়াঘাটৰ যুদ্ধত আফ্ৰচিয়াবজনে বেয়াকৈ পৰাস্ত হৈ হিমালয় পৰ্ব্বতাঞ্চললৈ পলাই যায়। শেষত হিমালয়ৰ সিপাৰে থকা 'গঙ্গড্জ' নামৰ স্থানৰ পৰা আফ্ৰচিয়াবজনে পুনৰায় হঠাতে বহুতো মঙ্গোলীয় সৈন্যৰ দ্বাৰা শঙ্কলাদেৱক আক্ৰমণ কৰে। এইবাৰ শঙ্কলাদেৱ হাৰি প্ৰথমে গৌড় ৰাজ্যৰ ৰাজধানী লক্ষনাৱতীত আৰু পিছত ত্ৰিহুত পৰ্বতত আশ্ৰয় লয়গৈ। পিছত হঠাতে তেওঁ আফ্ৰচিয়াবজনৰ ওচৰত আত্ম সমৰ্পন কৰে। এই যুদ্ধত ১৩,০০০ তুৰ্কী সৈন্য আৰু ৫০,০০০ কোচ সৈন্যৰ প্ৰাণহানি হয়। এই ঐতিহাসিক [illegible]ৰ ভূমিকাৰ পৰাও এইটো স্পষ্টকৈ অনুমান কৰিব পাৰি যে 'কোচ' [illegible]টো 'ৰাজবংশী' নামৰ আগপুৰণি আৰু এই জাতিটো বহু পূৰ্ব্বৰ পৰাই বিভিন্ন স্থানত বিভিন্ন ৰূপত বাস কৰি আছিছে। ৺ভিম্বেশ্বৰ নেওগ মহাশয় কাচিম ফেৰিষ্টাৰ বিৱৰণিৰ আধাৰত কৈছে—

Sankul, a chieftain of Koch who having collected a large force not only subdued Bung (Bengal) and Bihar, but also attacked Kedder whom he defeated

in several actions and usurped his Empire after a reign of nineteen years. Sankul having ascertained the throne, laid the foundation of Lucknowati in Bengal, since known by the name of Goor or Gaur, which was the capital of the province...... Sankul Raja maintained an army of 4000 elephants, 1,00,000 horses and 400,000 foot soldiers. His downfall is ascribed to Abrasiyab. He appears to have claimed tribute which Sankul refused to pay. He sent an army of 50,000 Mongals against him and a fierce battle took place in the mountain of Koch near Ghoraghat. The Mongals were defeated by overwhelming numbers and retreated into the mountains. They entranced themselves, but were on the point of being anihilated when Afrasiyab hurried up with reinforcements from the capital Gangdozh, beyond the Himalayas and utterly defeated Sankul. The latter retreated first to Luckhnowti and to the mountain of Tirhut, where he eventually made his submission and was carried away by Afrasiyab" (Introduction to Assam).

অৱশ্যে এইজনা কোচ ৰজাৰ ঐতিহাসিক অৱস্থান আৰু সময় আদিৰ সম্পৰ্কে গৱেষণা সাপেক্ষ ভাবেহে এয়ে শণ্ডিকাৰ বুলি ধৰি লোৱা হ'ল।

কৰ্ণেল গেৰিনিয়াৰৰ মতে পৰম শণ্ডিকাৰ শকলাদেৱ কোচ ৰজাজনৰ অনুমানৰ দিনৰ পৰাই পূৰ্বাঞ্চলত কোচ ৰাজ্যৰ আৱৰ্তন বুলিব পাৰি।

তেওঁৰ ভাষাতেই পোৱা যায়— "This has been touched on before, so we begin the history of the great Koch tribe at the rise of one Sankaldip, a Koch chief, as we have the statement of a Hindu historian and the poet Firdusi which give a better semblance of facts than do the legendary ideas of Bisso (Bishwasingha) whom local tradition asserts to be the founder of the dynesty. Sankuldip rose to power in the middle of fifth century and when Huentsang visited Assam (7th century), the kingdom of Kamrup apparently extended from the Koratoya river near Jalpaiguri, as far Sadiya along the north bank Brahmaputra where it seems the Koch people lived amicably with the Chutiyas who even then may have been deteriorrating from having been once a powerful country" (History of Upper Assam). জে. টলবয় হুইলাৰৰ মতে ৰুস্তম আফ্ৰেচিয়াবৰ আক্ৰমণটোক প্ৰাচীন পাৰস্য (পাৰসিক) আৰু তুৰ্কীৰ আক্ৰমণ বুলি পৰিগণিত কৰিব পাৰি— The invasions of Rustom and Afrasiab may be regarded as representing ancient Persian and Turki invasion— India-Vedic and Post-vedic) সুপ্ৰসিদ্ধ ঐতিহাসিক কাচিম ফেৰিস্তাৰ মতে বৰ্তমান কোচবিহাৰৰ কোচ ৰাজবংশ অৰ্থাৎ বিশ্বসিংহৰ পিতৃ হৰিদাস মণ্ডলৰ বংশ পৰম শক্তিকাৰ কোচ ৰজা শঙ্কলদেৱৰ পৰাই নানা পৰিবৰ্তনৰ চাকনৈয়া অতিক্ৰম কৰি পুৰুষানুক্ৰমে বংশানুক্ৰমৰ ধাৰাৰ গাঁথা ৰক্ষা কৰি আহিছে আৰু নিজ ৰাজ্যৰ অধিকাৰবোৰো ৰাজ্যবোৰত

এবা-ধবাকৈ ৰাজত্ব কৰি আহিছে। উক্ত ৰাজবংশই নানা জয় পৰাজয়ৰ ভিতৰেদি বিভিন্ন ৰজা মহাৰজা সামন্ত ৰজা কৰতলীয়া ৰজাই সময়ৰ বিৱৰ্ত্তনৰ ফলত মহাৰাজ বিশ্বসিংহৰ পিতৃ হৰিদাস মণ্ডলে পুনৰ কমতাত অধিষ্ঠিত হোৱাৰ আগডোখৰলৈকে ৰাজত্ব বা প্ৰাধান্য বিস্তাৰ কৰি আহিছিল। হৰিদাস মণ্ডলৰ ঠাইত 'হাড়িয়া মেছ' আৰু 'ৰেৱতী দেৱী'ৰ ঠাইত 'হীৰা-জীৰা'ৰ আমদানি এটা মাৰাত্মক নীচাভিপ্ৰায় চক্ৰান্তৰ বাহিৰে আন একো নহয়। অৱশ্যে কিছুমান পণ্ডিতৰ এই অপকৰ্মক মাহাত্ম্য দানৰ কাৰণে স্বয়ং মহাদেৱৰ ঔৰষত আৰু হীৰা ৰূপী পাৰ্ব্বতীৰ গৰ্ভত বিশু-শিশুৰ জন্ম দিয়া প্ৰয়াসক পণ্ডিত্যৰ কছুৰৎ বুলিহে অভিহিত কৰিব পাৰি।

প্ৰাচীন কোচেই আধুনিক কোচ:— পাৰস্যৰ ইতিহাসৰ পৰাই জনা যায় যে এই জাতি আৰু ৰাজবংশটোক অতি সন্মান আৰু ভক্তিৰ চকুৰে চাইছিল আৰু এই বংশটো ছুনিয়াত ইচলাম ধৰ্ম প্ৰচাৰৰ (৭ম শতিকা) বহু পূৰ্ব্বৰ পৰাই কামৰূপত ৰাজত্ব কৰি আহিছে। ১৬শ শতিকাৰ মহাৰাজ নৰনাৰায়ণে আহোম ৰজালৈ দূত পঠোৱাৰ সময়তো যিবোৰ কথা-বাৰ্ত্তাৰ অৱতাৰনা কৰিছিল তাৰ পৰাও নিৰ্ভুল ভাৱে অনুমান কৰিব পাৰি যে উক্ত সময়ৰ (১৬ শতিকা) বহু পূৰ্ব্বৰ পৰাই মহাৰাজ নৰনাৰায়ণৰ পূৰ্ব্বপুৰুষসকলে এই দেশত ৰাজত্ব কৰি আহিছিল। ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায় ডাঙৰীয়ায়ো অভিমত প্ৰকাশ কৰি কয় যে কোচ জাতিয়ে মহাৰাজ নৰনাৰায়ণৰ দিনত গৌৰৱৰ চৰম সীমাত উপনীত হবৰ কাৰণে কেইবা শতাব্দী আগৰ পৰাই প্ৰস্তুতিৰ পটভূমি ৰচনা কৰিব লগা হৈছিল বুলি উল্লেখ কৰিছে।

এই শঙ্কলাদেৱৰ পুত্ৰ ৰোহিতাশ্বৰ দ্বাৰা সুপ্ৰসিদ্ধ ৰোহতাশ দুৰ্গ নিৰ্ম্মিত হৈছিল হেনো। মতান্তৰে উক্ত কোচজাতীয় শঙ্কলাদেৱ [illegible] বংশীয় পঞ্চম শতিকাৰ ৰজা আছিল; কিন্তু প্ৰায়বোৰ বুৰঞ্জীবিদৰ মতে ৪ৰ্থ আৰু পঞ্চম শতিকাত ভগদত্ত বংশীয় পুষ্যবৰ্ম্মা, সমুদ্ৰ বৰ্ম্মা, বল বৰ্ম্মা

আদি ৰজাইহে কামৰূপত ৰাজত্ব কৰিছিল। ভগদত্ত বংশীয় ৰজা কুমাৰ ভাস্কৰ বৰ্ম্মাই ৭ম শতিকাৰ মাজভাগত কামৰূপত ৰাজত্ব কৰিছিল। এওঁৰ দিনতে চীন পৰিব্ৰাজক হিউয়েনচাঙ কামৰূপলৈ আহিছিল আৰু কামৰূপ ৰাজ্যৰ এটা বিৱৰণত লিখিছে যে "দেশখনৰ পৰিধি প্ৰায় ১০,০০০ লি (প্ৰায় দুহেজাৰ মাইল) ৰাজধানী প্ৰায় ৩০ লি (প্ৰায় ৬ মাইল)। ইয়াৰ মাটি দ, কিন্তু সাৰুৱা আৰু নিয়মিতভাৱে খেতি হয়। মানুহে কঠাল আৰু নাৰিকল বেচিকৈ ৰোপে। নদীৰ পৰা বা পুখুৰীৰ পৰা নলা খান্দি নগৰৰ চাৰিওফালে পানীৰ যোগান ধৰা হয়। জলবায়ু স্বাস্থ্যকৰ উগ্ৰ গৰম আৰু উগ্ৰ ঠাণ্ডা নহয়। অধিবাসীসকলৰ আচাৰ ব্যৱহাৰ সৰল আৰু সাধু। মানুহবোৰ চুটি-চাপৰ আৰু গাৰ বৰণ জঠ হালধীয়া। তাৰা মধ্যভাৰতৰ পৰা সামান্য পৃথক। তেওঁলোকৰ স্বভাৱ সামান্য বনৰীয়া আৰু সহজেই উত্তেজিত হয়, স্মৃতি শক্তি প্ৰখৰ আৰু বিদ্যা শিক্ষাৰ প্ৰতি ধাউতি প্ৰবল। অধিবাসীসকলে দেৱ-দেৱীৰ পূজা কৰে আৰু বৌদ্ধ ধৰ্ম্মৰ ওপৰত তেওঁলোকৰ আস্থা নাই। বৰ্ত্তমান ৰাজত্ব কৰি থকা ৰজাজনৰ নাম ভাস্কৰ বৰ্ম্মণ আৰু উপাধি কুমাৰ। এই পৰিয়ালটোৱে ৰাজ্যৰ শাসনভাৰ লোৱাৰ পৰা বৰ্ত্তমানলৈ এহেজাৰ বংশৰ অতিক্ৰম হৈছে। ৰজা বৰ বিদ্যোৎসাহী আৰু ৰজাক দেখি প্ৰজাসকলো শিক্ষাৰ প্ৰতি বৰ অনুৰাগী। দূৰ দেশৰ পৰা সামৰ্থযুক্ত লোকে কাম বিচাৰি নাইবা অধ্যয়ন কৰিবলৈ ইয়ালৈ আহে। ৰজা নিজে বৌদ্ধ ধৰ্ম্মী নহয়; তথাপি বিদ্বান, পণ্ডিত আৰু বৌদ্ধ ভিক্ষু সকলক তেওঁ বৰ আদৰ সন্মান কৰে" (পৃষ্ঠা ৮২ হিউৱেনচাং ডঃ মিলিন্দ চৌধুৰীৰ অনুবাদ)।

কামতা ৰাজ্যৰ পাল বংশী নৃপতি সকলৰ দিনত কোচঃ

এতিয়া কামৰূপ ৰাজ্যৰ পশ্চিমে থকা কুমাৰ ভাস্কৰ বৰ্ম্মাৰ (ভুলতে বৰ্দ্ধন কোৱা হয়) সমসাময়িক ৰজা হৰ্ষবৰ্দ্ধনৰ কালে ভুমুকি মৰা যাওঁক। প্ৰভাকৰ বৰ্দ্ধণে থানেশ্বৰত স্বাধীন ৰাজ্য প্ৰতিষ্ঠা কৰাৰ পিছত তেওঁৰ পুত্ৰ

ৰাজ্যবৰ্দ্ধণ ৰজা হয়। ৰাজ্যবৰ্দ্ধনৰ মৃত্যুৰ পিছত তেওঁৰ সৰু ভায়েক হৰ্ষবৰ্দ্ধণ ৰাজসিংহাসনত আৰোহণ কৰে ৭ম শতিকাত। তেওঁৰ দিনতে হিউৱেনচাঙ ভাৰত তথা কামৰূপ ৰাজ্যলৈ আহিছিল। এই হৰ্ষবৰ্দ্ধণৰ দিনতেই বিখ্যাত পণ্ডিত বাণভট্টই 'হৰ্ষচৰিত' ৰচনা কৰিছিল। ৬৪৭ চনত হৰ্ষবৰ্দ্ধণৰ অপুত্ৰক অৱস্থাত মৃত্যু হোৱাৰ পিছত তেওঁৰ বিশাল সাম্ৰাজ্য ভাঙি ছিঙি খণ্ড-বিখণ্ড হয় আৰু তেওঁৰ বংশৰ আত্মীয় কুটুমবোৰে ৰাজ্যৰ বিভিন্ন ঠাইত ৰাজত্ব কৰি থাকে কিছুমানে স্বাধীন আৰু আন কিছুমানে অৰ্দ্ধস্বাধীন ৰজা বা সামন্ত ৰজা ৰূপে। হৰ্ষবৰ্দ্ধণৰ মৃত্যুৰ পিছত বৰ্ত্তমান বঙ্গদেশ অঞ্চলত তেওঁৰ বংশধৰৰ কেবাটাও শাখাই ক্ষুদ্ৰ ক্ষুদ্ৰ ভাৱে নানা স্থানত নামমাত্ৰ ৰাজত্ব কৰি থকাৰ সময়ত পাল উপাধীধাৰী (প্ৰজাপালকৰ পৰা পাল হৈছে যেন লাগে) পিছলৈ পাল বংশৰ ৰজা কিছুমানে দাতিকাষৰীয়া সামন্ত শক্তি বিলাকৰ ওপৰত প্ৰতিপত্তি লাভ কৰিছিল। পৰৱৰ্ত্তী কালত পাল বংশী ৰূপে পৰিগণিত ৰজাবিলাকে গৌড়ৰ লক্ষণাৱতীত ৰাজধানী পাতি ৰাজত্ব কৰাৰ সময়ত বহুতো কোচ জনপদে প্ৰাচীন অসম বা কামৰূপৰ পশ্চিমাঞ্চলত ক্ৰমশঃ শক্তি সঞ্চয় কৰিছিল। পিছত দশম শতিকাত পাল বংশী নামে পৰিচিত হোৱা শক্তিবোৰক ধ্বংস কৰি কোচবিলাক উত্তৰ পূব বঙ্গৰ আৰু পশ্চিম কামৰূপত ক্ষমতাশালী হৈ উঠে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায় ডাঙৰীয়াই বিশেষ ভাৱে অভিমত দিছে—During the rule of the Pales in Bengal with their capital at Gauda (Lakshnavati), the Koches were gathering strength and like their kinsmen in Assam, had become atleast formally Hinduised, and it would appear that by the middle of the 10th century A.D. they ousted the Pala ruling house from Gaud and established themselves as ruler at least in North Bengal.[১০]

আনুষ্ঠানিক ভাবে হিন্দু হোৱা (formally Hinduised) অৰ্থে ইয়াকে বুজাইছে ইতিপূৰ্ব্বে বিচ্ছিন্ন আৰু শক্তিহীন হৈ থকা অৰ্থাৎ ব্ৰাত্যৰ অৱস্থা প্ৰাপ্ত হৈ থকা কোচবিলাকে বৌদ্ধ মতাদৰ্শ আৰু ব্যভিচাৰী তান্ত্ৰিকতাৰ গৰাহৰ পৰা নিজকে মুকলি কৰি পবিত্ৰ হিন্দুমতত পুনৰায় দীক্ষিত হোৱাৰ কাৰণে হয়তো আনুস্থানিক ভাবে হিন্দু হোৱা শব্দটো প্ৰকাশ কৰা হৈছে। কোচ ৰাজবংশীসকলে আনুস্থানিক ভাবে ব্ৰাত্যৰ মোচন কৰি বৈদিক আচাৰ গ্ৰহণ কৰা প্ৰথাটো আজিও পূৰ্ণভাবে পালিত হৈ আছে আৰু প্ৰতি বছৰে ২৭ মাঘ দিনটোক 'ক্ষত্ৰিয় দিৱস' হিচাবে পালন কৰি থাকে কাৰণে পশ্চিম বঙ্গ চৰকাৰে উক্ত দিবসটোক কোচ ৰাজবংশী সকলৰ বাবে 'ৰাজহুৱা ছুটি' দিন হিচাবে ঘোষিত হৈছে ; কিন্তু অসম চৰকাৰে ১৯৬৭ চনৰ পৰা আনুস্থানিক ভাবে সদৌ অসম কোচ ৰাজবংশী সম্মিলনীৰ দ্বাৰা প্ৰস্তাৱ যোগে অনুৰোধ কৰি থাকিও এই কাম হৈ উঠা নাই। অসম বঙ্গদেশৰ কোচ ৰাজবংশী গোষ্ঠীৰ ছুইলাখৰো অধিক পুৰুষে ১৯১৩ চনৰ ২৭ মাঘত পূণ্যতোৱা কৰতোৱা নদীৰ দেৱীগঞ্জৰ ঘাটত যজ্ঞ সমাপন ক্ৰমে মূৰ মুণ্ডন কৰি পবিত্ৰ যজ্ঞোপবীত (লগুণ) ধাৰণ পূৰ্ব্বক মহামিলন উৎসৱ পালন কৰাৰ দিনৰে পৰাই প্ৰতি বছৰে ২৭ মাঘত এই মহামিলন উৎসৱ পালিত হৈ আছে।

দশম শতিকাৰ লগে লগে পালবংশ মৃত প্ৰায় হয় আৰু তাৰ ঠাইত পৰমাৰ বংশধৰ মালৱৰ ৰজাই বঙ্গদেশত আধিপত্য বিস্তাৰ কৰে। এই পৰমাৰ বংশৰ মালৱৰ ৰজাসকলৰ ভিতৰত ভোজ ৰজা অত্যন্ত পৰাক্ৰমী আৰু নিষ্ঠুৰ আছিল। তেওঁৰ তৰত ওচৰ চুবুৰীয়া পালবংশ, বৰ্দ্ধণ বংশাদিৰ সামন্ত ৰজাসকলে সাময়িক ভাবে মূৰ নত কৰি আছিল ; কিন্তু বৰ্দ্ধণ বংশৰ ৰজা কিছুমানে মাজে মাজে বিদ্ৰোহী হৈ উঠাৰ কাৰণে ভোজ ৰজাই এই বংশৰ সামন্ত শক্তিবোৰৰ ওপৰত জপিয়াই পৰিছিল বুলি তাৰা চাঁদৰ বৰ্ণনাৰ পৰা পোৱা যায়—He possessed an ardent martial

spirit, for he carried on successful wars against the neighbouring rulers' (A short History of the Indian people),

বানগড়ৰ শিলালিপিত কোচ :— ৮৮০ শকাব্দৰ (৯৬৬ চন) বানগড় লিপিত থকা মতে দেখা যায় যে কম্বোজ জাতিৰ গৌড় ৰাজ্যৰ এজন ৰজাই দিনাজপুৰত এটা শিৱৰ মন্দিৰ সজাইছিল। আৰ, চি. চন্দৰ অধ্যয়ণ মতে উক্ত কম্বোজ জাতিৰ ৰজাজন কোচ জাতিৰ নামান্তৰ মাথোন আৰু কমচ্ বা কৱচ্ বা কচ শব্দটোক সংস্কৃতলৈ ৰূপান্তৰ কৰোতে কম্বোজ হৈছে বুলি ধৰি লোৱা হৈছে। মহীপালৰ তাম্ৰ ফলিত এই কম্বোজ জাতিৰ ৰজা সকলক 'অনধিকাৰী' বুলি আখ্যা দিয়া হৈছে। ড° ৰমেশ চন্দ্ৰ মজুমদাৰৰ বাংলাদেশেৰ ইতিহাসত আছে 'যে উপায়েই কম্বোজ ৰাজবংশেৰ প্ৰতিষ্ঠা হউক দশম শতাব্দেৰ মধ্যভাগে যে তাহাঁদেৰ অধীনে উত্তৰ ও পশ্চিম বংগ একটি স্বতন্ত্ৰ স্বাধীন ৰাজ্যে পৰিণত হইয়াছিল সে বিষয়ে সন্দেহ নাই'। মহম্মদ বখতিয়াৰৰ ভোট ৰাজ্য অভিযানৰ বৃত্তান্তত পোৱা যায় যে পশ্চিম কামৰূপত একাদশ দ্বাদশ শতাব্দীত কিছুমান প্ৰাচীন কোচ আৰু মেছ জাতীয় সামন্ত ৰজাই প্ৰভাৱ বিস্তাৰ কৰিছিল। মহম্মদ বখতিয়াৰ খিলিজিৰ পথ প্ৰদৰ্শক আলি কোচে ইচলাম পন্থত দীক্ষিত হৈ আলি ম্লেচ্ছ বা আলী মেছ আৰু শেষত আলী শেখত পৰিণত হয়। 'তবকাত-ই-নাছিৰি'ৰ আলম লৈ কব পাৰি যে পূবে ভৰলীৰ পৰা আৰম্ভ কৰি পশ্চিমে তিস্তা নদীলৈকে এই বিশাল ভূখণ্ডত ১২৫০ চনৰ পৰা ১৫০০ চনৰ ভিতৰত ঠায়ে ঠায় কেবাটাও কোচ ৰাজশক্তিয়ে বিভিন্ন ভাবে ৰাজত্ব কৰিছিল। ড° চেট্টাৰ্জীয়ে কৈছে— "A number of Koch chieftainship or principalities appear to have been in occupation of the entire country from the Bharali to the Tista and Karatoya rivers and beyond, probably also including Dinajpur district during 1250 to 1500 A.D.

ইমানপৰে দিয়া তথ্যাৱলীৰ পৰা স্পষ্টভাৱে অনুমান কৰিব পাৰি যে মহাৰাজ নৰনাৰায়ণৰ পিতৃ মহাৰাজ বিশ্বসিংহৰ ৰাজত্ব কালছোৱাৰ পৰা পূৰ্ব্ব ভাৰতত কোচ ৰাজত্বৰ শেষ অধ্যায়ৰ গৌৰৱময় আৰম্ভণি মাথোন। প্ৰাচ্য বিদ্যা মহাৰ্ণৱ ৺নগেন্দ্ৰ নাথ বসু ডাঙৰীয়াৰ মতে ধৰ্ম্মপাল, ময়নামতী, গোপীচন্দ্ৰ আদি কেবাজনো সক সুৰা কোচ ৰজাই আজি কালিৰ ভৌগলিক অৱস্থান মতে বাংলাদেশৰ অন্তৰ্গত ৰংপুৰ জিলাৰ ডিমলা আৰু দাঁতি কাষৰীয়া অঞ্চলত একাদশ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰাজত্ব কৰিছিল আৰু তেওঁলোক প্ৰাচীন কামৰূপ ৰাজ্যৰে ৰজা আছিল। ৰজা ধৰ্ম্মপালৰ অৱস্থান সম্পৰ্কে গেইট চাহাবৰ সৈতে বসু ডাঙৰীয়াৰ কিছু মত পাৰ্থক্য থাকিলেও এওঁলোক যে উক্ত অঞ্চলৰে সৰুবা ৰজা আছিল সেই সম্পৰ্কে একে মত। ৺দীনেশ চন্দ্ৰ সেনৰ মতে ৰজা গোপীচন্দ্ৰ ১০৬৩ খৃষ্টাব্দৰ পৰা ১১১২ খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল।

মাণিকচন্দ্ৰ-ময়নামতী-গোপীচন্দ্ৰ :— ৰজা ধৰ্ম্মপালে ৰজা মাণিকচন্দ্ৰৰ সাধ্বী স্ত্ৰী ৰাণী ময়নামতীৰ ভনীয়েক ৰনমালা দেৱীক বিয়া কৰাইছিল। ৰজা মাণিকচন্দ্ৰৰ অকাল মৃত্যু হোৱাত ধৰ্ম্মপালে বিধৱা ৰাণী ময়নামতীৰ ৰাজ্য ষড়যন্ত্ৰ কৰি দখল কৰে। ইয়াৰ ফলত ৰাণী ময়নামতীয়ে বহু কৌশল কৰি ধৰ্ম্মপালৰ বিৰুদ্ধে তিস্তা নদীৰ পাৰত যুদ্ধ কৰে আৰু ধৰ্ম্মপালক পৰাস্ত কৰি ময়নামতীয়ে পুত্ৰ গোপীচন্দ্ৰক পিতৃ ৰাজ্যত অধিষ্ঠিত কৰায়। এই সূত্ৰতে মানিকচন্দ্ৰ-ময়নামতী-গোপীচন্দ্ৰৰ বহুতো ৰসাত্মক, বীৰত্বব্যঞ্জক কাহিনী আৰু লোকগীত পৰৱৰ্ত্তী কালত ৰচিত হয়; আৰু কমতা ৰাজ্যাঞ্চলৰ লোক সাহিত্যত বিশেষ স্থান অধিকাৰ কৰে। ৰজা গোপীচন্দ্ৰই ওচৰ চুবুৰীয়া ৰজা হৰিশ্চন্দ্ৰৰ দুই অদুনা আৰু পদুনাক বিয়া কৰাইছিল। বৰ্ত্তমানো ডিমলা থানাৰ দক্ষিণ পশ্চিমত ৰাজা ধৰ্ম্মপালৰ গড় আটীয়াবাড়ী অঞ্চলত 'ময়নামতীৰ কোট' আদি দেখিবলৈ পোৱা যায় আৰু তাৰ কাহিনী স্থানীয় অধিবাসীবোৰৰ মুখত উপকথা আকাৰত শুনা যায়।

এওঁলোক আটাইবোৰেই ব্ৰাত্য ক্ষত্ৰিয় হিচাবে পৰিচিত কোচ ৰাজবংশী গোষ্ঠীৰ ৰজা আছিল আৰু বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱত পৰি পৰিবৰ্ত্তন মুখী হৈছিল। অনুমানিক দশম শতিকাৰ শেষ ভাগত জিতাৰী মুনি (সন্ন্যাসী ৰজা) নামৰ এজন ক্ষত্ৰিয় ৰজাই আধুনিক গুৱাহাটীৰ ওচৰত থকা কুবেৰাচলত ৰাজত্ব কৰিছিল; মতান্তৰে এওঁ আজিকালিৰ জলপাইগুড়ি নগৰৰ ওচৰত থকা জল্পেশ্বৰৰ ওচৰত ৰাজত্ব কৰিছিল। এই জিতাৰি মুনিৰ সময়ত জল্পেশ্বৰ বৰ্ম্মণ নামৰ এজন ব্ৰাত্য ক্ষত্ৰিয় ৰজাই জল্পেশ্বৰ শিৱৰ মন্দিৰটো সজাইছিল। এই ৰজা জল্পেশ্বৰেই পৰবৰ্ত্তী পৃথ্বীৰায ৰজাৰ পূৰ্ব্বপুৰুষ আছিল। পৃথু ৰজাই অনুমানিক ত্ৰয়োদশ শতিকাত ৰাজত্ব কৰিছিল; উক্ত অঞ্চলত বৰ্ত্তমানো পৃথু ৰাজাৰ গড়ৰ ধ্বংসাৱশেষ দেখিবলৈ পোৱা যায়। এই আটাইবোৰ ৰজা বা সামন্ত ব্যক্তি সকল মহাপদ্মনন্দৰ দিনত বৌদ্ধ ধৰ্ম্মৰ বিৰোধীতা কৰাৰ কাৰণে বিতাৰিত হোৱা ক্ষত্ৰিয় কুলদ্ভোৱ ৰাজবংশী সন্তানে ৰত্নপীঠ অঞ্চলত শক্তিসঞ্চয় কৰি থকা ঠাল ঠেঙুলিৰ বংশধৰ আছিল। উক্ত জিতাৰি বংশৰেই কোনো এটা শাখাই ৰজা আৰিমত্তক কেন্দ্ৰ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰখ্যাত হৈ উঠে।

দিনাজপুৰ দনুজ মৰ্দ্দনদেৱ :— ইং ১৪১৬-১৮ চনৰ ভিতৰত বঙ্গদেশত দানুজ মৰ্দ্দনদেৱ নামৰ এজন হিন্দু ৰজাই ৰাজত্ব কৰাৰ কথা উল্লেখ পোৱা যায়। এই ৰজাজনৰ ঐতিহাসিক সম্বন্ধ আৰু বিজ্ঞান সম্মত পৰিচয় এতিয়াও গৱেষণাৰ বিষয় হৈ আছে। পণ্ডিত বৰ্গই অভিমত দিয়ে যে এই দানুজ মৰ্দ্দনদেৱ কোচ জাতিৰ এজন পৰাক্ৰমী শাক্ত ৰজা আছিল। এওঁৰ কিছুমান ধুনীয়া ধুনীয়া মুদ্ৰা আৱিস্কাৰ হৈছিল আৰু এই মুদ্ৰাৰ এটা পিঠিত "শ্ৰীদানুজা মৰ্দ্দনদেৱ" আৰু আনটো পিঠিত "শ্ৰীচণ্ডীচৰণ পৰায়ণ" বুলি ১৩৩৯ আৰু ১৩৪০ শকাব্দ খোদিত আছে। সেই সময়ত এই ৰজাজন হিন্দুবাদৰ প্ৰতীক আছিল বুলি তেওঁৰ 'মৰ্দ্দন' নামৰ পৰা অনুমান কৰিব পাৰি। ইয়াত 'মৰ্দ্দন' শব্দটোৰ হিন্দুবাদৰ বিদ্বেষী সকলক

মৰ্দ্দন কৰিব খোজাটোক সূচাইছে। ডঃ চট্টোপাধ্যায় ডাঙৰীয়ায়ো একেই স্বকীয়া অভিমত পোষণ কৰে— Danuja-mardan tried to effect an Hindu revival in Bengal Danuja mardan may have been just one of the North Bengal Koch chiefs who with his Koch 'Paiks' created a diversion in favour of Hindus by seizing the kingship of Bengal repeating the feat of the Koch conquerors of the Bengal throne in the 10th, century. The District of Dinajpur, the name being giving Dinaw.. or Danoj (Danuja) by persian historians, unquestionably preserves his name." তথ্যান্তৰে এওঁক গণেশ ৰজা নামেও জনাজাত। প্ৰকৃত নাম হওঁতো গনেশ আছিল ; হিন্দুবাদৰ বিৰোধী শক্তিক মৰ্দ্দন কৰিছিল কাৰণে দানৱ মৰ্দ্দনকাৰী বা দনুজ মৰ্দ্দন নাম দিয়া হয়। এওঁ, ৮১৩ হিজৰী অৰ্থাৎ ১৪১০ চনৰ বঙ্গদেশত ৰাজত্ব আৰম্ভ কৰি ৮২১ হিজৰী অৰ্থাৎ ১৪১৮ চনলৈকে ৰাজত্ব কৰে বুলিও তথ্যান্তৰে জনা যায়। তেওঁ এই ৮ বছৰৰ ভিতৰত কেবাবাৰো সিংহাসনত উঠা নমা কৰিবলগীয়া হৈছিল, কাৰণ তেওঁৰ পুত্ৰ যদুয়ে আমোলাবৰ্গৰ প্ৰৰোচনাত পৰি ইচলাম ধৰ্ম্মত দীক্ষিত হয় আৰু 'জালালউদ্দিন শাহ' নাম গ্ৰহণ পূৰ্ব্বক পিতৃৰ বিৰুদ্ধাচৰণ কৰিছিল। পিতৃৰ মৃত্যুৰ পিছত জালালউদ্দিনে আকৌ হিন্দু-বাদত প্ৰবেশ কৰি মহেন্দ্ৰদেৱ নাম গ্ৰহণ পূৰ্ব্বক বহুতো মুদ্ৰাঙ্কণ কৰে। এই ৰজা মহেন্দ্ৰদেৱৰ মৃত্যু ৮৩৫ হিজৰীত (১৪৩২ চনত) হোৱাৰ পিছত তেওঁৰ ৰাজ্য মুছলমান প্ৰশাসকৰ হাতলৈ যায়। অনুমান হয় মহাৰাজ নৰনাৰায়ণে দনুজমৰ্দ্দন দেৱৰ মুদ্ৰাকে অনুকৰণ কৰি 'নাৰায়ণী' মুদ্ৰা প্ৰচলন কৰিছিল। দনুজমৰ্দ্দনৰ মুদ্ৰাৰ আহিৰ দৰে নাৰায়ণী মুদ্ৰাতো একপিঠিত 'শ্ৰীশ্ৰীমান নাৰায়ণ ভূপালস্য' আৰু আনটো পিঠিত 'শ্ৰীশ্ৰীশিৱচৰণ কমলা

মধুকাৰস্য' লিখা আছে। এন্, কে, ভট্টশালী মহাশয়েও এই একে অভিমতকে প্ৰকাশ কৰি কৈছে—

The Riyaz gives this king a reign of seven years and this is substantially correct when we bear in mind the fact that Gonesh was virtually the king of Bengal from 813 H. But the period in which he enjoyed full regal honours was considerably shorter. He seems to have been most powerful in 1339 Saka or 820 H. in which year most of his coins are dated. The personality of this strange king of Bengal stands out in brillient prominence in the history of this dark period. The sudden termination of his reign in 821 H. coupled with the statement of the Riyaz that according to one account, his son Jadu had a hand in his fall togather with the conversion of Jadu to the Muhammadan faith, gives this period a most romantic interest ······ From a comparison of the sequence of events called from the historians and the chronology prepared from coins the reader will at once perceive that the account of Riyaz is substantially correct and that Danajamardan Dev cannot be anybody else than Raja Gonesh, who must have assumed that regal name on his formal accession to the throne after having removed his son and reconverted to Hinduism" (coins and chronology of the Early

Independant Sultans of Bengal by N. K. Bhattasali)
সেইদৰে ১৮১২ চনৰ আগমুহূৰ্ত্তত বৰ্ত্তমান ময়মনসিংহ (বাংলাদেশ) এলেকাত দিলীপ নামৰ আৰু ৰকাইনগৰ আৰু জঙ্গলবাড়ী অঞ্চলত দুজনা কোচ ৰজা আছিল।

তথ্যান্তৰে কোচবিহাৰ ৰাজ বংশৰ অন্যতম শাখা দৰং ৰাজবংশাৱলীত আছে যে সহস্ৰাৰ্জ্জুন বংশীয় (চন্দ্ৰ বংশীয় হৈহয়ৰ পিছৰ ৰজা) প্ৰধান বাৰটা ক্ষত্ৰিয় পৰিয়াল পৰশুৰামৰ ভয়ত আত্মগোপন কৰি বৰ্ত্তমান গোৱাল-পাৰা জিলাৰ চিক্‌নাঝাৰ অঞ্চলত (বস্থপীঠাঞ্চল) ম্লেচ্ছৰ বেশ ধাৰণ কৰি বংশ ৰক্ষা কৰিছিল। এই প্ৰধান বাৰটা ব্ৰাত্য ক্ষত্ৰিয় পৰিয়ালৰ পৰা কালক্ৰমত বংশ বৃদ্ধি হৈ ওচৰচুবুৰীয়া অঞ্চলবোৰত পূৰ্ব্বৰ পৰা বসবাস কৰি থকা বড়ো গোষ্ঠীৰ অন্যতম প্ৰশাখা 'মেছ' বুলি স্থানীয়ভাবে পৰিচিত মঙ্গোলীয় গোষ্ঠীৰ মানুহৰ সৈতে বৈবাহিক আদান প্ৰদানক্ৰমে এখন নতুন সমাজৰ পাতনি পাতে ; এই প্ৰখ্যাত বাৰটা ব্ৰাত্য ক্ষত্ৰিয় পৰিয়ালৰ পৰাই পঞ্চদশ শতিকাত হৰিদাস মণ্ডল ওৰফে হাড়িয়া মণ্ডলৰ উদ্ভৱ হয়। সূৰ্য্যখড়ি দৈবজ্ঞৰ বিৰচিত 'দৰং ৰাজবংশাৱলীৰ অংশ বিশেষত আছে—

"পূৰ্ব্বে চন্দ্ৰবংশ ৰজা হৈহয় তনয়।
সহস্ৰ অৰ্জুন নামে ভূপাল দুৰ্জয়॥
মৃগয়াক গৈলা ৰাজা সৈন্যগণ লৈয়া।
যমদগ্নি ঋষিৰ আশ্ৰম পাইলা গৈয়া॥ (২৭)

* * *

যত ক্ষত্ৰিগণ আছে পৃথিবীক ধৰি।
নিক্ষত্ৰিয় কৰিবো সকলে বধ্ৰুৰী॥ (৪৪)
এহি বুলি মাহেশ্বতী নগৰক গৈলা।
ৰাজপুত্ৰ সমে ঘোৰ সমৰ কৰিলা॥
অন্তকালে ৰুদ্ৰ যেন প্ৰজা সংহাৰন্ত।

সেইমতে ৰামে সব সেনাক মাৰন্ত ।।
হয় হস্তী প্ৰজাগন কাটিলা যতেক ।
তাহাৰ সংখ্যাক আমি কহিবো কতেক ।।
সমস্তৰে শিৰ কাটি দৌলক বান্ধিলা ।
তেবে সে ৰামৰ নিজ প্ৰতিজ্ঞা ৰাখিলা ।। (৪৬)
তাৰে বাৰ জন ৰাজপুত্ৰ পলাই গৈলা ।
চিকনাবাৰীত গৈয়া সোমাই ৰহিলা ।।

*　*　*

সহস্ৰাৰ্জুনৰ পুত্ৰ যিটো বৰ জন ।
ৰাম ভয়ে মদ্য-ভাত কৰিলা ভোজন ।।

*　*　*

ভয়তে থাকিয়া মেচনীত দিলা জাত ।
তান বীৰ্য্যে পুত্ৰগণ ভৈলা অসংখ্যাত ।।
অনুক্ৰমে বাঢ়িলেক তাহাৰ সন্ততি ।
তাসম্বাৰ নাম কহো তোমাৰ আগত ।।
মহা পৰাক্ৰমী সব শিৱৰ ভকত
পানবৰ ফিদিলা আৰৱ গুৱাবৰ ।
ফেদাফেদ বৰিহান মেচ শ্ৰেষ্ঠতৰ ।।
কথেয়া, বৈসাগু মেঘা যদুহাৰৰ নাম ।
গড়কাটা জগাই দথবা অনুপম ।।
এহি বাৰ জন মেচ পৰম প্ৰবল ।
সবাৰ উপৰি শ্ৰেষ্ঠ হাড়িয়া মণ্ডল ।।
তান ভাৰ্য্যা হীৰা নামে পৰমা সুন্দৰী ।
সাক্ষাতে দেখিয়ো যেনমত বিদ্যাধাৰী । (৫২)

ওপৰুক্ত ব্যক্তিৰ নামবিলাক প্ৰক্ষিপ্ত কৰি বড়ো গোষ্ঠীৰ নামৰ সৈতে বজিতা খুৱাই দিয়া হৈছে যেন অনুমান কৰিব পাৰি। আচলতে এওঁলোকৰ প্ৰকৃত নাম বেলেগ আছিল। এই বাৰটা প্ৰধান পৰিয়ালৰেই অন্যতম অংশীদাৰ ইতিপূৰ্ব্বে ১ম অধ্যায়ত উল্লেখিত বসুদামৰ পুত্ৰ দমাপুৰ (হৰিদাস মণ্ডলৰ পিতৃ) সময়ত ভল্লাট বা ভোটান ৰাজ্যৰ পূৰ-দক্ষিণাংশত 'শৈলৰাজ' নামে পৰিচিত এজন ক্ষত্ৰিয় ৰজাই ৰাজত্ব কৰিছিল।

ৰেৱতী দেৱী ওৰফে হীৰাদেৱী :— উক্ত শৈলৰাজৰ ঔৰষত ৰেৱতী দেৱী নামৰ এজনী কন্যাৰ জন্ম হয়। উক্ত ৰেৱতীদেৱীকে হৰিদাস মণ্ডলে বিয়া কৰে বুলি যোগিনীতন্ত্ৰত আছে কিন্তু ৰেৱতী দেৱীৰ পৰিবৰ্ত্তে বেছিভাগ পৰৱৰ্ত্তী লিখকে দেখাক দেখি হীৰেতী ওৰফে হীৰা দেৱী বুলিহে প্ৰচাৰ কৰিছে। যিহেতু মূল যোগিনীতন্ত্ৰক আমি প্ৰত্যাখ্যান কৰিব নোৱাৰো ; গতিকে তথাকথিত বৰেন্দ্ৰ শ্ৰেণীৰ ব্ৰাহ্মণ কালীচন্দ্ৰ লাহিড়ী আৰু মুন্সী জয়নাথ ঘোষ নামৰ বঙালী ৰাজকৰ্ম্মচাৰী দুয়ৰ দ্বাৰা প্ৰক্ষিপ্ত কৰি লিখা 'ৰাজোপখ্যান'ত ৰেৱতী দেৱীকে 'হীড়াদেৱী' কৰি মেছৰ কন্যাৰূপে অপপ্ৰচাৰ ক্ৰমে কোচৰ ইতিহাসকে বিকৃত কৰিছে। পৰৱৰ্ত্তী লিখক-সকলেও ৰাজোপখ্যানকে অনুকৰণ কৰি হাড়িয়া মেছৰ লগত হীৰা-জিৰাৰ বিয়া দেখুৱাই বিশু-শিশুৰ জন্ম দিয়াইছে আৰু কৈলাশৰ পৰা মহাদেৱক নমাই আনি উদ্ভট কল্পনাৰ পৰাকাষ্ঠা দেখুৱাইছে। মতান্তৰে ডঃ বুকানন হেমিল্টনৰ মতে হীৰাৰ (ৰেৱতীৰ) পিতৃৰ নাম আছিল 'হাজু' বা 'হাজো'। এই হাজুই গুৱাহাটীৰ ওচৰৰ পশ্চিমে থকা আজি কালিৰ হাজো নগৰত ৰাজধানী পাতিছিল। বিশ্লেষণ কৰিলে দেখা যায় ভোটানৰ পূৱ দক্ষিণাংশত পাহাৰ পৰ্ব্বতে পৰিপূৰ্ণ হৈ থকা হেতুকে উক্ত অঞ্চলৰ ৰজাজনক 'শৈলৰাজ' বুলি বিশেষণযুক্ত নামেৰে অভিহিত কৰাৰ সাৰ্থকতা থাকিব পাৰে, কাৰণ 'হাজো' শব্দৰ প্ৰকৃত অৰ্থ পাহাৰ পৰ্ব্বতে আগুৰি থকা ওখ ঠাই। বৰ্ত্তমান হাজো নগৰখনিৰ ভৌগলিক অৱস্থিতিও তেনেকুৱাই হৈ আছে। গতিকে

কোচ ৰজা হাজুক বিশেষণযুক্ত 'শৈলৰাজ' নামেৰে এজন ব্যক্তিকে বুজোৱাত কোনো বাধা থাকিব নোৱাৰে। হীৰাদেৱীৰ বা ৰেৱতীদেৱীৰ বিষয়ে বহুতো পৌৰানিক কাহিনী শুনিবলৈ পোৱা যায়; এওঁক ৰাজকুমাৰী বুলি অভিহিত কৰা বহুতো প্ৰবাশিত বুৰঞ্জীও পোৱা যায়। সূৰ্য্যদেৱ সিদ্ধান্ত বাগীশৰ দ্বাৰা ৰচিত 'গন্ধৰ্বনাৰায়ণৰ বংশাৱলী'ত আছে—

ৰমা নামে ক্ষত্রি এক পূৰ্ব্বতে আছিলা।
পৰশুৰামেৰ ভয়ে কুলক ভাণ্ডিলা॥
ভাৰ্য্যা স্বামী দুযোজনে গৌৰীক চিন্তিলা।
তুষ্টহৈয়া অল্পকালে দৰ্শনক দিলা॥
দশমাস অন্তৰে কন্যা উপজিলন্ত।
পিতৃৰ মাতৃৰ হৰিষত নাই অন্ত॥
ৰূপৱতী দেখি তাঙ্ক অতি দয়ান্তৰে।
'হীৰা' বুলি নাম থৈলেক সাদৰে॥

পশ্চিম কামৰূপ অঞ্চলত বা কামদা দেৱীৰ লীলাক্ষেত্ৰ কোচ প্ৰাধান্য অঞ্চল কামদা-কামতা ৰাজ্যৰ পশ্চিমাংশত কোচবিলাকৰ প্ৰভাৱ কমি অহাৰ সময়ত চিকনাঝাৰ অঞ্চলক কেন্দ্ৰ কৰি সমূদায় কামৰূপত হৰিদাস আৰু হাজুৰ প্ৰভাৱ বৃদ্ধি পায়। হাজুই হাজো অঞ্চলত আৰু হৰিদাসে চিকনাঝাৰ অঞ্চলত প্ৰাধান্য বিস্তাৰ কৰি ৰাজত্ব কৰি আছিল; কাৰণ সেই সময়ত উক্ত অঞ্চলত সুসংহত ৰাজশক্তিৰ অভাৱত অৰাজক অৱস্থাই বিৰাজ কৰিছিল। বিশ্বকোষৰ ৰচক ৺নগেন্দ্ৰনাথ বসু ডাঙৰীয়াৰ মতে ১২৩৮ খৃষ্টাব্দত ৰজা আৰিমত্তৰ বংশধৰ ৰত্নসিংহৰ মৃত্যুৰ পিছত ৰাজ্যত অৰাজক অৱস্থাই দেখা দিয়ে। এই হাজু (শৈলৰাজ) ৰজাৰে জীয়েক ৰেৱতী দেৱী (হীৰা) বুলি ড° বুকানন হেমিল্টনৰ লেখনিৰ পৰা ঠিৰাং কৰিব পাৰি, হাজুক এজন ক্ষমতাশালী চৰদাৰ বুলি হেমিল্টনে তাহাৰে উল্লেখ কৰিছে।

—x—

৭ম অধ্যায়

মধ্যযুগৰ
কামৰূপ কামতালি কোচৰ ঐতিহাসিক পদক্ষেপ

'ৰাহাবিস্থানে 'ঘাইৰী'ৰ ৮০৩ পৃষ্ঠাত আছে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম অংশক, কৰতোয়া পৰ্যন্ত, কামদা বা কামতা ৰাজ্য নামে জনাজাত আছিল আৰু এই অঞ্চল প্ৰাচীন কামৰূপ ৰাজ্যৰে অন্তৰ্ভুক্ত আছিল। কালিকাপুৰাণৰ ৬২তম অধ্যায়ত থকা শ্লোক অনুসৰি কামতা (কামদা) কামাখ্যা দেৱীৰ নামান্তৰ। সেই অনুসৰি এই অঞ্চলৰ শাসক বা ৰজা-বোৰক কামতেশ্বৰ-কামদেশ্বৰ-কাহেশ্বৰ-কামেশ্বৰ-কামৰূপেশ্বৰ, গৌড়েশ্বৰ আদি সাধাৰণ উপাধিৰে ভূষিত, ই কোনো ব্যক্তি বিশেষৰ নাম নহয় বৰং ৰজাসকলৰ উপাধিহে। ৺নগেন্দ্ৰনাথ বসু ডাঙৰীয়াৰ "The Social History of Kamrup"ৰ মতে ১২৫৮ খৃষ্টাব্দত কামৰূপ ৰাজ আৰিমত্ত বংশীয় বতুসিংহৰ মৃত্যুৰ পিছত একপ্ৰকাৰ অৰাজক অৱস্থাৰ সৃষ্টি হয়।

দুৰ্লভ নাৰায়ণ ঃ— সেই সময়তেই "গুৰুজনৰ কথাচৰিত" আৰু অন্যান্য তথ্যাৱলীৰ মতে ত্ৰয়োদশ শতিকাৰ পিছৰ ভাগৰত কামতাপুৰ অঞ্চলত অৰ্থাৎ পশ্চিম অসমত দুৰ্লভনাৰায়ণ নামৰ এজন কোচ সামন্তই ৰজা হিচাবে ৰাজত্ব কৰে। পশ্চিমে কৰতোয়া নদীৰ পৰা বৰনদীলৈকে এই ভূখণ্ড এওঁৰ ৰাজ্যৰ অন্তৰ্গত আছিল। এই ৰজা দুৰ্লভনাৰায়ণৰ দিনত কামতা ৰাজ্যাঞ্চলত প্ৰধানতঃ কোচ আৰু মেছ নামে পৰিচিত বাসিন্দাই অধিক আছিল। মহম্মদ বখতিয়াৰ খিলিজিৰ ১২০৩ চনত নিষ্ফল কামৰূপ

অভিযানৰ পটভূমিত থলুৱা অধিবাসীসকলৰ বহুতো বীৰত্ব ব্যঞ্জক কাহিনীৰ নিদর্শন পোৱা যায়। বখতিয়াৰ খিলিজীয়ে কামৰূপ অভিযানৰ সময়ত কৰতোৱা নদীৰ ওপৰত থকা এটা শিলৰ সাকোঁৰ ওপৰেদি পাৰ হয় আৰু উক্ত সাকোঁৰ ৰক্ষণাবেক্ষণৰ ভাৰ আলীমেছ নামৰ ঝাৰনি অঞ্চলৰ নেতা এজনৰ ওপৰত ন্যস্ত কৰে। কামৰূপ অভিযান ব্যর্থ হোৱাত সৈন্য বাহিনীসহ ওভোতাৰ পথত খিলিজীয়ে দেখে যে কৰতোৱা নদীৰ পাৰাপাৰ হোৱাৰ একমাত্র সুচল পথৰ সেতুটি ধ্বংস প্রাপ্ত হৈ আছে। এই সুযোগতে হাজাৰ হাজাৰ স্থানীয় কমতাপুৰ বাসীয়ে চাৰিওফালৰ পৰা খিলিজীক আগুডি ধৰে। উপায়হীন হৈ সসৈন্যে খিলিজীয়ে কৰতোৱা নদী আক্রেম কৰিব নোৱাৰি নদীৰ কাষত থকা এটি সুবিশাল দেৱ মন্দিৰত সদলবলে আশ্রয় লয়। উক্ত দেৱমন্দিৰত বহুসংখ্যক সোণ ৰূপৰ বিগ্রহ থকাৰ উপৰিও কেৰাশ সোণ ওজনৰ এটি সোণৰ বিগ্রহ আছিল হেনো। এই দেৱ মন্দিৰত অৱস্থান কৰি যি সময়ত অভিযানকাৰী খিলিজীয়ে কৰতোৱা পাৰ হোৱাৰ উপায় চিন্তা কৰি আছিল সেই সময়তেই কোনো এজন 'ৰায়'ৰ নেতৃত্বত স্থানীয় ক্ষত্রিয়বোৰে দাঁতিকাষৰীয়া সকলো হিন্দু শক্তিক আহ্বান জনাই খিলিজী বাহিনীক অৱৰোধক্রমে আক্রমণ কৰে ("Rai of Kamrup became aware of the reverses and helplessness of the musalman army. He issued command to the whole of the Hindus of the country so that they came pouring in crowds and round about the idol-temple were planting spiked bamboos in the ground and were warranting them together, so that it (their work) was appearing like walls" — Tabkat-1-Nasiri by Minhaj Sirajuddin) প্রকাশ যে সেই সময়ত কামতেশ্বৰ সকলে 'ৰায়' উপাধিও গ্রহণ কৰিছিল; আৰু এওঁলোক কামৰূপ ৰাজ্যৰ শ্রেণীমান

ক্ষত্ৰিয় আৰু সনাতন ধৰ্ম্মাৱলম্বী আছিল। যিহঁক ওপৰত উল্লেখিত কামতেশ্বৰ দুৰ্ল্লভনাৰায়ণৰ দিনত কবি হেম সৰস্বতী আৰু হৰিবৰ বিপ্ৰ সমসাময়িক প্ৰাক্-শঙ্কৰী কবি আছিল। হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ'ত লিখিছে—

কমতা মণ্ডল দুৰ্ল্লভ নাৰায়ণ
নৃপবৰ অনুপাম।
তাহান ৰাজ্যত ৰুদ্ৰ সৰোচতি
দেৱজানি কন্যানাম॥
তাহান তনয় হেম সৰোচতি
ধ্ৰুৱৰ অনুজ ভাই।' ইত্যাদি

হৰিবৰ বিপ্ৰই মহাভাৰতৰ জৈমিনীয় অশ্বমেধ পৰ্ব্বৰ ভাঙনি 'বভ্ৰুবাহনৰ যুদ্ধ'ত দুৰ্ল্লভনাৰায়ণৰ প্ৰশস্তি গাইছে—

"জয় জয় নৃপবৰ দুৰ্ল্লভনাৰায়ণ ৰাজা
কমতাপুৰে ভৈল বীৰবৰ।"

কবিৰত্ন সৰস্বতীৰ পিতৃ চক্ৰপাণি শিকদাৰেও ৰজা দুৰ্ল্লভনাৰায়ণৰ পৰা প্ৰভূত ধন-ধান, মান-সত্কাৰ লাভ কৰিছিল।

শঙ্কৰদেৱৰ পূৰ্ব্ব পুৰুষ সকল :— এই তিনিজনা প্ৰাক্-শঙ্কৰী কবি আৰু শঙ্কৰদেৱৰ নিজৰ লিখিত বিৱৰণীৰ পৰা বুজা যায় যে কামৰূপাধিপতি দুৰ্ল্লভনাৰায়ণ আৰু তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ দিনত শিৰোমণি ভূঞা চণ্ডীবৰ থাচ কামৰূপতে আছে। সেই কালৰ পৰা শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষৰ আদি বাসস্থানৰ বিষয়ে এটা নতুন দৃষ্টিৰে নৱ-মূল্যায়ণ কৰিলে এটা মত দাঙি ধৰিব পৰা যায় যে শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষসকল প্ৰাচীন কামতা-কামদা-কামৰূপ ৰাজ্যৰে বিশেষকৈ পশ্চিম অঞ্চলৰে আদিম বাসী আছিল; তেওঁলোক কোনোবা ৰাজন্যৰ মিত্ৰতাৰ বিনিময়ত 'সাতজন

ব্ৰাহ্মণ সাতঘৰ কায়স্থৰ অন্তৰ্ভুক্ত হৈ প্ৰাচীন অসমত প্ৰবেশ কৰা নাছিল। যিহেতু প্ৰাচীন অসমৰ পশ্চিমাংশ দিনাজপুৰ-দ্বাৰ-ভাঙা-মুঙ্গৰলৈকে এৰা-ধৰাকৈ বিস্তৃত আছিল; গতিকে তেতিয়াৰ গৌড় ৰাজ্যৰ একাংশও প্ৰাচীন অসমৰ অন্তৰ্গত আছিল আৰু যিহেতু উক্ত অঞ্চলৰ বিস্তৃত ইতিহাসৰ কোনো ধাৰাবাহিক গৱেষণা আজিলৈকে হোৱা নাই; তাৰোপৰি যিহেতু খাচ অসমবাসীৰ বিশেষকৈ উজনি অসমৰ সচেতন মানুহখিনিৰ ভৌগলিক জ্ঞানৰ পৰিধি পশ্চিমে গোৱালপাৰা জিলাতেই একপ্ৰকাৰ সীমাবদ্ধ, গতিকে গোৱালপাৰা জিলাৰ বাহিৰৰ পশ্চিমাংশক সচৰাচৰ অসমৰ বাহিৰ ৰাজ্য বুলি হোৱা ধাৰণাও কিছু পৰিমানে শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষক অসমৰ বাহিৰৰ বা কনৌজীয়া বুলি ৰটাই কৰা বস্তুতৰ সুৰতে সুৰ মিলাই কোৱা হয় বা ধৰা হয়। কামাখ্যাধাম কেৰাখনো থকাৰ দৰে কান্যকুব্জ বা কনৌজো কেৰাখনো থাকিব পাৰে। অসমৰ বৰভূঞাসকলৰ উৎপত্তিৰ বিষয়ে কেবাটাও মত প্ৰচলিত আছে। তাৰে এটা মত অনুসৰি বৰ্ত্তমান কামৰূপ জিলাৰ উত্তৰ ভাগত থকা কোচ প্ৰধান অঞ্চল বেতনাৰ ওচৰৰ বৈদ্যগড়ৰ ওচৰত ক্ষত্ৰিয় ৰজা আৰিমত্ত ৰজাৰ ৰাজধানী আছিল হেনো। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে পশ্চিমৰ বল্লাল সেনৰ ৰাজত্ব কালত ৰায়াৰীদেৱ কামৰূপ অঞ্চলত স্বতন্ত্ৰীয়ভাবে প্ৰতিষ্ঠা লাভ কৰে আৰু তেওঁৰেই শেষত শাৰীৰিক আকৃতি আৰি মাহৰ দৰে হেতুকে আৰিমত্ত (নামান্তৰে অৰিমৰ্দ্দন হব পাৰে) নামে পৰিচিত হয়। উক্ত আৰিমত্ত ৰজাৰে মন্ত্ৰী সমুদ্ৰই হেনো পিছত ৰজা হয় আৰু এই সমুদ্ৰৰে বংশধৰ সান্তনুৰ সন্তান হৈছে ৰাজধৰ বুলি তথ্যান্তৰে পোৱা যায়। এই ৰাজধৰেই বৰ্ত্তমান নগাওঁ জিলাৰ বৰদোৱা অঞ্চলৰ একালৰ বাসিন্দা শ্ৰীশ্ৰীশঙ্কৰদেৱৰ পিতৃপুৰুষ কুসুম্বৰৰ ককাক আছিল। ভূঞা শব্দৰ অৰ্থ মাটিৰ মালিক ভৌম, ভৌমিক, ভূইঁয়াৰ ভূঁঞা আদি অঞ্চলভেদে ভিন ভিন্ন ভাবে উচ্চাৰণ হয়, অৰ্থ একেটাই। ইয়াৰ পৰা বুজা যায় বাৰভূঞাসকল অৰ্থাৎ শঙ্কৰ দেৱৰ পূৰ্ব্বপুৰুষসকল প্ৰাচীন বৃহত্তৰ

অসমৰ আদিমবাসী বুলি গণ্য কৰাত আপত্তি উঠিব নোৱাৰে। পৰবৰ্ত্তী কালত কোনোবা ৰজাৰ মিত্ৰতাৰ বিনিময়ৰ মাধ্যম হিচাবে বাহিৰৰ পৰা কামৰূপ কামতালৈ অহা লোক নহয়। অৱশ্যে এইটো এটা জাটিল প্ৰশ্ন আৰু গভীৰ চিন্তা উদ্ৰেককাৰী। এই সিদ্ধান্তটো অধিকতৰ গৱেষণা সাপেক্ষ আৰু সাহাসিকতাৰ প্ৰতীক। আচলতে গৌৰেশ্বৰ আৰু কামতেশ্বৰ উপাধি সেই সময়ৰ উক্ত অঞ্চলৰ সামন্ত বা ৰাজ শক্তিয়েও গ্ৰহণ কৰিছিল। উদাহৰণ স্বৰূপে সিংহধ্বজৰ পিছত প্ৰতাপধ্বজে কামতাপুৰৰ সিংহাসনত আৰোহণ কৰি পূৰ্ব্বৰে পৰা ৰাজধানী হিচাবে ব্যৱহৃত হৈ থকা কমতাপুৰ স্থানৰ পৰা জলপাইগুড়িৰ ওচৰৰ জল্লেশ্বৰত ৰাজধানী পাতে আৰু তাতে নিজকে গৌড়েশ্বৰ বুলি ঘোষণা কৰে। ৰামচৰণ ঠাকুৰৰ 'গুৰু-চৰিত' মতে ধৰ্ম্মপাল ওৰফে ধৰ্ম্মনাৰায়ণে ভেটিয়াৰ কমতাপুৰ ৰাজ্যৰ ৰজা দুৰ্লভনাৰায়ণৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। এই যুদ্ধৰ সময়তেই শঙ্কৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰ ৰজা দুৰ্লভনাৰায়ণৰ এজন অন্যতম সেনাধ্যক্ষ আছিল। চণ্ডীবৰৰ ব্যক্তিত্বৰ ক্ষেত্ৰত কোৱা হৈছে—

> চণ্ডীবৰ নাম যিটো পুৰুষ অদ্ভুত।
> অস্ত্ৰ মন্ত্ৰ শাস্ত্ৰত যি বৰই পাৰ্গত।
> পৰম গম্ভীৰ ধীৰ বুদ্ধিত সাগৰ।
> পৃথিবীত নহিকে সম সাৰ॥

উক্ত ৰজা ধৰ্ম্মনাৰায়ণ (ওৰফে ধৰ্ম্মপাল) হেনো ৰজা দুৰ্লভনাৰায়ণৰ বৈমাত্ৰিক ভ্ৰাতৃ আছিল। সেই ধৰ্ম্মনাৰায়ণক (ওৰফে ধৰ্ম্মপালক) ৰজা দুৰ্লভনাৰায়ণৰ অন্যতমা ৰাণী মদনামতীৰ কৌশলত হত্যা কৰে আৰু ভেটিয়াৰে পৰা সমুদায় কমতা ৰাজ্যত দুৰ্লভনাৰায়ণে সৰ্ব্বেসৰ্ব্বা হয় আৰু ১৪শ শতিকাৰ শেষলৈকে ৰাজত্ব কৰে। ওপৰত উল্লেখ কৰা প্ৰাক্‌শঙ্কৰী কবি কেইজনৰ আৰু শঙ্কৰদেৱৰ লিখিত বিৱৰণীৰ পৰা ইয়াকে বুজা যায় যে গৌৰেশ্বৰ ধৰ্ম্মনাৰায়ণ (ধৰ্ম্মপাল) আৰু কামতেশ্বৰ দুৰ্লভনাৰায়ণৰ দিনত

মহানন্দা নদীৰ পাৰত হোৱা ভয়ানক যুদ্ধৰ পৰিনতিত শঙ্কৰদেৱৰ উপৰি-পুৰুষ শিৰোমণি চণ্ডীবৰ ভূঞাই পশ্চিম কামৰূপৰ পৰা খাচ অসমলৈ আহে। গতিকে শঙ্কৰদেৱৰ আদি পুৰুষ যে পূৰ্ব্বৰে পৰাই প্ৰাচীন অসমীয়া আছিল সেই কথা বিচাৰ কৰিবৰ কাৰণে নতুন চশ্‌মাৰ প্ৰয়োজন হৈছে যেন লাগে। দুৰ্ল্লভনাৰায়ণৰ দিনতেই পূৰ্ব্বদিশৰ আহোম ৰজাৰ সৈতে মিত্ৰতা গঢ়ি উঠে আৰু ৰাজকন্যা ভজনীদেৱীক আহোম ৰজালৈ বিয়া দিযে। ইয়াৰ ফলত আহোম অধ্যুষিত অঞ্চলত কামতা ৰাজ্যৰ লগত প্ৰজাবিনিময়ৰ যোগাযোগ গঢ়ি উঠে।

নীলধ্বজ :— ইয়াৰ পিছত নীলধ্বজ কমতা ৰাজ্যৰ ৰজা হয় ১৪শ শতিকাৰ মাজভাগত। গৌড়ৰ ইতিহাসত নীলধ্বজৰ ৰাজত্বকাল ১৩২৮ চন বুলি উল্লেখ কৰিছে। এওঁক জাত্যাংশে খেন বংশী বুলি ধৰা হয়। ড° সূৰ্য্যকুমাৰ ভূঞাদেৱৰ কামৰূপৰ বুৰঞ্জীত আছে— "It is contended by the Rajbonshies that Niladhwaja was of their caste and the kheyns were only his (king's) servants begotten by Rajbonsis upon prostitutes of Kshatriya tribes" অৰ্থাৎ আভিজাত্য শ্ৰেণীৰ ৰাজবংশীসকলে ৰক্ষিতাৰ গৰ্ভত যিবিলাক সন্তানৰ জন্ম দিছিল তেওঁলোকক সামাজিক ভাবে নিম্নশ্ৰেণীভুক্ত কৰিছিল আৰু এই শ্ৰেণীৰ মানুহবোৰেই জাত্যাংশে খেন বুলি বিবেচিত হৈছিল। তেওঁ খান বা খাঁ উপাধীহে ব্যৱহাৰ কৰিছিল। মুছলমান আমোলত উচ্চ পৰ্য্যায়ৰ ব্যক্তিসকলক 'খান' বা খাঁ উপাধিৰে বিভূষিত কৰা তেতিয়াৰ দিনত এটা ৰেওয়াজ বা প্ৰথা আছিল। উদাহৰণ স্বৰূপে নেপালৰ নামনি অঞ্চলত নবাকাট অঞ্চলত বহুতো খান উপাধিধাৰী নেপালী হিন্দু ৰজাই ৰাজত্ব কৰিছিল। তেওঁলোকৰ ভিতৰত ১৪ শতিকাত সূৰ্য্যখান, মিচাখান, বিচিত্ৰখান, জগদেও খান আদি নেপালী ৰাজৰ নাম উল্লেখ কৰিব পাৰি। মঙ্গোলীয়ান সকলেও খান উপাধি ব্যৱহাৰ কৰিছিল

যেনে— চেংগিচখান। বর্ত্তমান গোৱালপাৰা জিলাত 'খা' বা খান উপাধি-ধাৰী বহুতো হিন্দু আনকি বিপ্ৰবৰ্ণৰ মানুহো আছে। আহোমৰ টাই ভাষাত সেইদৰে খুন বা খান দুটা সমাৰ্থক শব্দ আছে। সেয়ে আহোম বুৰঞ্জীত 'খুন কামতা' খুন কামতেশ্বৰ' আদিৰ উল্লেখ আছে। মুঠতে গোৱা ৰাজবংশীসকলে যে চকুৰে দেখা হেতিয়াৰ নিম্ন শ্ৰেণীৰ লোকসকলক নীলধ্বজে সমমৰ চকুৰে চাইছিল কাৰণে বহুতে তেওঁকো খেন বংশৰ ৰজা বুলি পৰবৰ্ত্তী কালত প্ৰচাৰ কৰিছে। নীলধ্বজৰ ৰাজত্ব কালতেই ভিপাম আৰু তামং ৰায় নামৰ দুজন সামন্তই নৱা ৰজাৰ সাহায্যত উত্তৰোত্তৰ শক্তি সঞ্চয় কৰিব খৰা আহোম ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰি পলায়ন কৰে আৰু কামতেশ্বৰ নীলধ্বজৰ আশ্ৰয় গ্ৰহণ কৰে বুলি কদ্ৰসিংহৰ বুৰঞ্জীত পোৱা যায়। প্ৰবাদমতে বৰ্ত্তমান জলপাইগুড়ি জিলাৰ 'দেৱনগৰ' নামৰ ঠাইত নীলধ্বজৰ জন্ম হৈছিল আৰু সৰুতে ঘাট মাউৰা হোৱাত প্ৰথম জীৱনত পুৰোহিতৰ ঘৰত সাধাৰণ কৰ্ম্মীহিচাবে থাকি আনকি গৰখীয়াৰ কামো কৰিবলগীয়া হৈছিল আৰু নিজ চেষ্টা প্ৰচেষ্টাৰ দ্বাৰা ৰাজপাট দখল কৰিছিল। এওঁৱেই দাঁতিকাষৰীয়া পাল বংশৰ শাসনকৰ্ত্তাক পৰাস্ত কৰি কামতা ৰাজ্যৰ ৰজা হয় আৰু কমতাপুৰক এখন নগৰীত পৰিণত কৰে।

চক্ৰধ্বজ আৰু নীলাম্বৰ :— ৰজা নীলধ্বজৰ পিছত অনুমানিক পঞ্চদশ শতিকাৰ আগভাগত চক্ৰধ্বজ কামতা ৰাজ্যৰ ৰজা হয়। কথিত আছে এই ৰজাজনে দিল্লীৰ কাষত থকা প্ৰাচীন হস্তিনাপুৰত অযত্নভাবে পৰি থকা কামৰূপ ৰাজ ভগদত্তৰ কৱচটোক সযত্নে আনি বৰ্ত্তমান কোচ-বিহাৰ জিলাৰ পৰা প্ৰায় ১৪ মাইল দূৰত অৱস্থিত গোঁসানিমাৰীৰ (কামাখ্যা দেৱীৰ) থানত স্থাপন কৰি কামতেশ্বৰী দেৱীৰ মন্দিৰ প্ৰতিষ্ঠা কৰে। ৰজা চক্ৰধ্বজৰ পিছত নীলাম্বৰ কমতা ৰাজ্যৰ ৰজা হয়। কমতাৰাজ নীলাম্বৰে তেওঁৰ ৰাজ্যখনক সুচাৰুৰূপে শাসন আৰু পৰিচালনা কৰিবৰ কাৰণে বহুতো জনহিতকৰ কাম হাতত লৈছিল। ৰাজ্যৰ চাৰিওফালে

ৰাজআলি আৰু পথিকৰ বিশ্ৰামৰ বাবে আলিৰ দাতিয়ে দাতিযে পুখুৰী আহলীঘৰ আদি সজাইছিল। আজিকালিও সেই ৰাজআলিৰ অংশবিশেষক ৰূপান্তৰিত ভাবে "দীনহাটা-মেখেলীগঞ্জ-কোচবিহাৰ-কাকিনা ৰোড" নামে জনাজাত হৈ আছে। ৰজা নীলাম্বৰে প্ৰাধান মহিষী সুলোচনাৰ উপৰিও গৌড় ৰাজকন্যা পৰমা ৰূপৱতী সুশুদ্ধিৰ লগতে আৰু কেবাগৰাকী ৰাণীক বিয়া কৰাইছিল। বিভিন্ন তথ্যৰ পৰা জনা যায় যে ৰাজমন্ত্ৰীৰ পুত্ৰ চন্দ্ৰশেখৰ ৰাজঅন্তঃপুৰত ঘনিষ্ঠ সম্পৰ্ক ঘটাই ৰূপৱতী ৰাণী সুশুদ্ধিৰ সৈতে অবৈধ সম্পৰ্ক স্থাপন কৰাত ৰজা কামতেশ্বৰে (নীলাম্বৰ) ৰাণী সুশুদ্ধিক বন্দীশালত থয় আৰু চন্দ্ৰশেখৰক হত্যা কৰে। ইয়াৰ ফলত গৌড়ৰাজে কামতাৰাজ নীলাম্বৰৰ ভ্ৰাতৃদ্বয় সতানন্দ ৰায় আৰু সতীনাথ ৰায়ক নিজৰ ফলীয়া কৰি বন্দীনি সুশুদ্ধিক উদ্ধাৰৰ কাৰণে চেষ্টা কৰি বিফল হয়। ইয়াৰ পিছত কামতেশ্বৰৰ মন্ত্ৰী শতানন্দৰ চক্ৰান্তত পৰৱৰ্ত্তী গৌড়েশ্বৰ হোশেন শাহে অন্যতম সেনাপতি তুৰ্ব্বকক ৰাজধানী কামতাপুৰ দুৰ্গ আক্ৰমণ কৰিবলৈ বিৰাট সৈন্য বাহিনী পঠায়। সুশিক্ষিত কামতালি কোচ সৈন্যৰ সৈতে সন্মুখ সমৰত নোৱাৰি, চক্ৰান্তপূৰ্ব্বক ভাবে দুৰ্গ অৱৰোধ কৰি ৰাখে। অৱশেষত তুৰ্ব্বকে কেৱল মুছলমান সৈন্যৰে গঠিত এটা বাহিনীৰ লোকে ১৪৬০ চনৰ পৰা ১৪৭৪ চনৰ ভিতৰত কেবাবাৰো কমতাৰাজ্য আক্ৰমণ কৰিছিল, আৰু কমতাপুৰ দুৰ্গ অৱৰোধ কৰি ৰাখিছিল। অৱশেষত বাহুবলেৰে কমতাপুৰ দুৰ্গ জয় কৰিব নোৱাৰি বিপ্ৰমন্ত্ৰী শতানন্দৰ কূট কৌশলত নীলাম্বৰৰ ১ম মহিষী মহাৰাণী সুলোচনাক সন্মান প্ৰদৰ্শনৰ বাবে উপহাৰ প্ৰেৰণৰ উজুহাতত স্ত্ৰীবেশে সুসজ্জিত মুছলমান সৈন্যই সুৰক্ষিত কমতাপুৰ দুৰ্গৰ ভিতৰত প্ৰবেশ কৰে আৰু কৌশল কৰি নিৰস্ত্ৰ অৱস্থাত ৰজা নীলাম্বৰক পিঞ্জৰাবদ্ধ কৰে। ইয়াৰ ফলত ৰজা নীলাম্বৰ আত্মৰক্ষাৰ সংগ্ৰামত মৃত্যুৰ মুখত পৰে আৰু ৰাণী সুলোচনাই পুত্ৰ দুৰ্লভনাৰায়ণৰে সৈতে পলায়ন কৰি আহোম ৰজা চুহমফা দিহিঙীয়া স্বৰ্গদেৱৰ ৰাজনৈতিক আশ্ৰয়

গ্ৰহণ কৰে। ইয়াৰ ফলত আহোম ৰাজে স্বাচেংমুন বৰগোহাইৰ নেতৃত্বত গৌড়ৰ নবাবৰ বিৰুদ্ধে সৈন্যবাহিনী প্ৰেৰণ কৰে আৰু গৌড় সৈন্যক পৰাস্ত কৰে। মন্ত্ৰী শতানন্দৰ কুচক্ৰান্তৰ ফলত হিন্দু ৰাজ কামতেশ্বৰ নীলাম্বৰৰ পতন হোৱাৰ লগে লগে বহুদিনৰ পৰা কৃষ্টি সভ্যতা, শৌৰ্য্য-বীৰ্য্য আৰু ঐতিহ্যৰ প্ৰতীক কমতাপুৰ দুৰ্গ ধ্বংসপ্ৰাপ্ত হয় আৰু কামতা ৰাজ্যত ইচলাম শক্তিৰ গভীৰ পদক্ষেপ পৰে। নীলাম্বৰৰ পতনৰ পিছত তেওঁৰ পুত্ৰ দুৰ্লভ ইন্দ্ৰই আহোম ৰাজাৰ ছত্ৰছায়াত কিছুদিন গুৱাহাটীত স্বতন্ত্ৰীয়া ভাবে ৰাজত্ব কৰিছিল। ইতিমধ্যে তেওঁৰে বংশৰ বৈমাতৃৰ পুত্ৰৰ পুত্ৰ অৰ্থাৎ ভতিজাক ফেঙুৱা বা ফিঙুৱাই খুড়ায়েক দুৰ্লভ নাৰায়ণক হত্যা কৰি নিজে ৰজা হয়। অসম বুৰঞ্জীতো ইয়াৰ উল্লেখ আছে আৰু কামৰূপৰ বুৰঞ্জীত এওঁলোকক 'কোচবংশী' ৰজা বুলি কৈছে। স্থানীয় অঞ্চলত কমতাপুৰ ধ্বংস আৰু নীলাম্বৰৰ পতন সম্পৰ্কে ভাৱেমান বীৰত্বব্যঞ্জক আৰু কৰুণ কাহিনী বৰ্ণনা কৰি গোৱা লোকগীতিৰ প্ৰচলন আছে।

—x—

৮ম অধ্যায় (ক অংশ)

পঞ্চদশ শতিকাৰ শিৱবংশী
কোচ ৰাজবংশৰ ৰাজত্বৰ আৰম্ভণি

ৰাজনৈতিক আৰু আৰ্থ সামাজিক অৱস্থাৰ পটভূমি :—
মধ্যযুগত কোচ সকলৰ বিহাৰ অৰ্থাৎ লীলাভূমি কোচবিহাৰ এখনি স্বাধীন শক্তিশালী ৰাজ্য আছিল যে তাক বিভিন্ন নিৰ্ভৰযোগ্য ঐতিহাসিক বিৱৰণৰ পৰাই প্ৰমানিত। সমসাময়িক ভাৰতৰ ইতিহাস আৰু সংস্কৃতিত কোচ-বিহাৰ ৰাজ্যৰ এটা স্বকীয়া স্থান পোৱা যায়। বিভিন্ন শক্তিশালী সংস্কৃতিৰ মিলন ক্ষেত্ৰ গৌড় ৰাজ্যৰ অংশ বিশেষ বঙ্গদেশৰ প্ৰতিবেশী ৰাজ্য হৈয়ো কোচবিহাৰ ৰাজ্যই ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত আপোন স্বাতন্ত্ৰ্যতা ৰক্ষা কৰিছিল। দেখা যায় আলোচিত সময়ত সমগ্ৰ বঙ্গদেশত ইচলাম পন্থী সকলৰ প্ৰভুত্ব স্থাপিত হলেও কোচবিহাৰ ৰাজ্যই বঙ্গদেশৰ উত্তৰাঞ্চলৰ বিস্তীৰ্ণ ভূখণ্ডত ইং ১৭৭৩ চনলৈকে স্বাধীন হিন্দুৰাজ্য ৰূপে প্ৰবল প্ৰতাপী ইচলাম পন্থী নবাব সকলৰ বিৰুদ্ধে বহুবাৰ যুদ্ধ কৰি কোচ সকলৰ আপোন স্বাধীনতা অক্ষুন্ন ৰাখিব পাৰিছিল। কোচবিহাৰ ওৰফে কোচ ৰাজ্যত ফাৰ্চী ভাষাৰ প্ৰচলন নৈছিল, তাৰ ঠাইত কোচবিহাৰী ওৰফে কামতালী ওৰফে ৰাজবংশী ভাষাতেই ৰাজকাৰ্য্য পৰিচালিত হৈছিল। এই ভাষাৰ নমুনা ইং ১৫৫৫ চনত মহাৰাজ নৰনাৰায়ণে আহোম ৰজালৈ লিখা পত্ৰখনতেই পোৱা যায়। উত্তৰ-পূৱ ভাৰতৰ মধ্যযুগত সচৰাচৰ শৈৱ শাক্ত আৰু বৈষ্ণৱ মত বা উপাসনা পূজা পাৰ্ব্বন আদি যি বোৰৰ প্ৰচলন আছিল সেই বোৰেই কোচ ৰাজ্যতো প্ৰচলিত আছিল। কোচ ৰাজদৰবাৰৰ পৰা

আগবঢ়োৱা সা-সুবিধাবোৰ গৌড় ওৰফে বঙ্গদেশৰ বুদ্ধিজীৱি পণ্ডিত সকলে যিদৰে সদব্যৱহাৰ কৰি পৰৱৰ্ত্তী কালত কলিকতা কেন্দ্ৰীক বঙালী ভাষা-ভাষী পণ্ডিত সাহিত্যিক সকলে কোচ ৰাজদৰবাৰী সাহিত্যকেই বঙালী সাহিত্য হিচাবে বিচক্ষণভাবে দেখুৱাব পাৰিলে ; বৃটিশ যুগত কামৰূপ-কামতা বা কোচ-হাজো ৰাজ্যৰ ৰাজ দৰবাৰী সদৰ ঠাই কোচবিহাৰ-মধুপুৰ-বৰনগৰ হাজো-উত্তৰ গুৱাহাটী কেন্দ্ৰৰ পৰা একেবাৰে পূৱপ্ৰান্ত শিৱসাগৰ যোৰহাট কেন্দ্ৰীক হৈ পৰাত পৰৱৰ্ত্তী অসমীয়া ভাষা-সাহিত্যৰ গুৰি ধৰোতা সকলে অসমীয়া জাতিৰ গুৰুদ্বাৰ স্বৰূপ কোচবিহাৰক আওকাণ কৰিলে— যাৰ ফলত কোচবিহাৰৰ কথা বাদেই আনকি গোৱালপাৰা জিলাবাসীকো গোৱাল-পৰীয়া বঙালী ৰূপে অভিহিত কৰিবলৈ কুণ্ঠা বোধ নকৰা হল। এই অসা-বধানতা বা অৱজ্ঞা বা অজ্ঞতাৰ কুফল যি হব লগা সেয়ে হলগৈ। ইয়াৰ ফলত বৃহত্তৰ অসম সকলো দিশতে ক্ষুদ্ৰ অসমত পৰিণত হোৱাৰ পথ সুগম হৈ পৰাৰ, উপৰিও প্ৰাচীন কামৰূপ ওৰফে কামতা বা বৰ অসমৰ মূল মজিয়া কোচবিহাৰ অঞ্চল অৰ্থাৎ উত্তৰ খণ্ড ওৰফে উত্তৰ বঙ্গ অঞ্চল কলিকতাৰ (পশ্চিম বঙ্গৰ) শোষণ ভূমিত পৰিণত হবলৈকে এৰি দিয়া হৈছে।

আচলতে আধুনিক অসমীয়া আৰু বঙালী ভাষা সাহিত্যৰ জনক বা জননী আছিল পঞ্চদশ শতিকাৰ শিৱ বংশী কোচ নৃপতি সকলৰ কোচ-বিহাৰ কেন্দ্ৰীক ৰাজত্ব। বাঙালী ভাষা ভাষীৰ পক্ষে সুখৰ বিষয় আছিল যে তেওঁলোকৰ পণ্ডিত সকলে কোচ ৰাজদৰবাৰৰ অকৃত্ৰিম অনুগ্ৰহ অৰ্থাৎ পৃষ্ঠপোষকতাক সদব্যৱহাৰ কৰি বাংলা ভাষা সাহিত্যৰ যি উন্নতি কৰিব পাৰিলে, তাৰ তুলনাত যোৰহাট শিৱসাগৰ কেন্দ্ৰীক অসমীয়া ভাষা-সাহিত্যৰ হোতা সকলে, অসমীয়া ভাষা-সাহিত্যৰ, কলা কৃষ্টিৰ পুৰোধা মহাপুৰুষ সকলৰ অন্তিম কালৰ লীলাভূমিৰ মজিয়াটোকেই পাহৰি পেলালে আৰু কোচৰ গৌৰৱময় ৰাজত্বকালত সৃষ্টি হোৱা পাচালী সাহিত্য (পদ্মপুৰাণ কেন্দ্ৰীক) আৰু বৈষ্ণৱ সাহিত্য, যাৰ মধ্যমণি আছিল স্বয়ং মহাপুৰুষ

শ্রীশঙ্কৰদেৱ, পৰৱৰ্ত্তী কালৰ অসমীয়া ভাষা-সাহিত্যৰ থাই স্তম্ভ হৈয়ো পূৰ্ব্ব ভাৰতত অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ কেন্দ্ৰ হোৱাৰ পৰা বঞ্চিত হব লগীয়াত পৰিছিল। আধুনিক অসমীয়া আৰু বঙালী ভাষা-সাহিত্য দুয়ো কোচবিহাৰী ৰাজদৰবাৰৰ আৰু পৃষ্ঠপোষকতাত থকা কোচ ৰাজবংশী জনগণৰ ওচৰত ঋণী। বৰ্ত্তমান এই ঐতিহাসিক ঋণৰ বাবে কৃতজ্ঞতা প্ৰকাশৰ ক্ষেত্ৰতো দুয়ো পক্ষৰ পৰা কাৰ্পণ্যতা দেখা যায়। ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰত বৃটিশ সাহিত্যিক সকলে ফৰাচী ভাষা-সংস্কৃতি, ৰাচিয়ান সকলে জাৰ্মানী ভাষা-সংস্কৃতিৰ প্ৰতি অহৈতুক প্ৰীতি পোষণ কৰাৰ দৰেই কোচ ৰাজৰ দৰবাৰী ক্ষেত্ৰতো সংস্কৃত ভাষা-সাহিত্যৰ প্ৰতি তেনেধৰণৰ প্ৰীতি দেখুৱা হৈছে। সেয়ে কোচ-দৰবাৰৰ পৃষ্ঠপোষকতাত বহুতো অনুবাদ সাহিত্যৰ উপৰিও সংস্কৃত ভাষাতে ভালেমান ঐতিহাসিক আখ্যান মূলক আৰু মৌলিক ৰচনাও প্ৰকাশ পাইছিল ; আনকি 'ৰাজোপাখ্যান'ৰ দৰে ধাৰাবাহিক ঐতিহাসিক কাহিনী আৰু 'বেহাৰদৰ্প্ত'ৰ দৰে ঐতিহাসিক আখ্যানমূলক কাহিনী সমূহ যিদৰে বঙলা সাহিত্যৰ অলঙ্কাৰ স্বৰূপ ; সিদৰে কোচবিহাৰ ৰাজ্যৰ ৰাজবংশাৱলীৰ কথা বিলাকো আজি বঙালী সাহিত্যৰ অমূল্য সম্পদ। ৰামায়ণ, মহাভাৰত, পুৰাণাদিৰ অনুবাদে জনসাধাৰণৰ মনত যিদৰে ধৰ্ম্মভাৱ জাগ্ৰত কৰি ৰখাত সহায় কৰিছিল ; সিদৰে কোচ ৰাজ্যত সংস্কৃত সাহিত্যৰো বিশেষ অনুশীলন হৈছিল। এই অনুশীলনীৰ শ্ৰেষ্ঠতম নিদৰ্শন হৈছে যুৱৰাজ শুক্লধ্বজ ওৰফে মহাবীৰ চিলাৰায় বিৰচিত অমৰ গ্ৰন্থ 'সাৰৱতী' (গীত গোবিন্দৰ ভাষ্য)। ঠিক সেইদৰে মহাৰাজ নৰনাৰায়ণ আৰু যুৱৰাজ শুক্লধ্বজৰ প্ৰত্যক্ষ পৃষ্ঠপোষতাত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ আৰু অন্যান্য সিদ্ধ আতৈ সকলে শ্ৰীমদ্ভাগৱত, বৰগীত, নাট-কীৰ্ত্তন চৰিত পুথি আদি লিখি বৈষ্ণৱ মতবাদ প্ৰচাৰৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ ভেটি সুদৃঢ় কৰিছিল যাৰেই অসমীয়া ভাষা-সাহিত্যৰ লগতে অসমীয়া

জাতিটোও সমানভাবে ঋণী বুলিয়েই কোৱাৰ যুক্তি আছে।

কোচ-বিহাৰ ৰাজবংশৰ উৎপত্তিৰ আদিকথা :— এই প্ৰবল প্ৰতাপী আৰু সংস্কৃতিবান ৰাজবংশটোৰ উৎপত্তিৰ বহুতো কথা আৰু কাহিনীৰ দ্বাৰা সংমিশ্ৰিত হৈ যেনেদৰে কাব্যকাৰ সাহিত্যিক আৰু বুৰঞ্জীবিদ সকলৰ দ্বাৰা বৰ্ণিত হৈছে তাত বহুতো বিসঙ্গতিপূৰ্ণ কথাৰ অৱতাৰনা হৈছে যদিও তলত ধাৰাবাহিক ৰূপে শিৱবংশী কোচ ৰজা চন্দনসিংহৰ পৰা ক্ৰমান্বয়ে মহাৰাজ বিশ্বসিংহকে আদি কৰি পঞ্চদশ শতিকাৰ পৰা ওঠৰো শতিকালৈকে ৰাজত্ব কৰা নৃপতিসকলৰ এটা ধাৰাবাহিক পৰিচয় দাঙি ধৰা হ'ল সৰ্ব্বসাধাৰণ পাঠকৰ মনোৰঞ্জন আৰু গবেষক সকলৰ হাতপুথি হিচাবে। কোচবিহাৰ ৰাজবংশৰ উৎপত্তিৰ নিচিনাকৈ কোচবিহাৰ নামৰ উৎপত্তি সম্বন্ধেও বহু আখ্যানৰ প্ৰচলন দেখা যায়। এই বোৰৰ ভিতৰত কোচ জাতিৰ বাসস্থান বা বিহাৰ ভূমিৰ পৰাই কোচবিহাৰ নামৰ উৎপত্তি এইটোৱে আটাইতকৈ সম্ভৱপৰ বুলি কব পাৰি। প্ৰাচীন কালত এই অঞ্চল প্ৰাগজ্যোতিষ আৰু কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল। ত্ৰয়োদশ শতিকাৰ বঙ্গদেশৰ মুছলমান ৰজাবিলাক বখতিয়াৰ খিলিজি, গিয়াচুদ্দিন ই'উয়জসাহ, ইখতিয়াৰুদ্দিন য়ুজবুক, তুগ্ৰলখানে কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল। এই শতাব্দীতেই টাই জাতীয় আহোম সকলেও ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূব অংশ অধিকাৰ কৰে আৰু তাবে নাম অসম হৈ পৰে। একে সময়তে কামৰূপ ৰাজ্যৰ পশ্চিমাংশত এক নতুন ৰাজ্যৰ ভেটি স্থাপন হয়। বৰ্ত্তমান কোচবিহাৰ চহৰৰ পৰা ২২ কিলোমিটাৰ দক্ষিণ পশ্চিমে ধৰলা নদীৰ পূব পাৰত কামতা বা কামতাপুৰ নামে ঠাইত এই ৰাজ্যৰ ৰাজধানী আছিল। এই ৰাজ্যৰ অধিষ্ঠাত্ৰী দেৱীৰ নাম আছিল 'কামতেশ্বৰী' আৰু ৰাজবংশৰ পদবী আছিল 'কামতেশ্বৰ'। ১৪৬০ খৃষ্টাব্দত গৌড়ৰ নবাব বৰবক শাহৰ আমলত ইসমাইল গাজীয়ে এই ৰাজ্য আক্ৰমণ কৰিছিল যদিও পিছত ১৪৯৮-৯৯ খৃষ্টাব্দত বঙ্গদেশৰ চুলতান আলাউদ্দিন হোসেনশাহে

চক্ৰনাৰে কামতা ৰাজ্য জয় কৰিবলৈ সমৰ্থ হয়। বুকাননৰ বিৱৰণী আৰু অসম বুৰঞ্জীৰ পৰা এই ঘটনাৰ সত্যতা প্ৰমাণিত হয়।

১৬৬২ খৃষ্টাব্দত শিহাবুদ্দিন তালিকা "তাৰিখ-ফতে-ই-আলাম" গ্ৰন্থত লিখিছে যে হোসেন শাহ ২৪,০০০ পদাতিক তথা অশ্বাৰোহী আৰু জল-বাটেদি অসংখ্য ৰণতৰী লৈ অসম আক্ৰমণ কৰে। তেতিয়া অসমৰ ৰজাই পাৰ্ব্বত্য অঞ্চলত আশ্ৰয় লয়। হোসেন শাহে অসমৰ সমতল অঞ্চল অধিকাৰ কৰি তাত তেওঁৰ পুত্ৰ ডানিয়েলক (মতান্তৰে দুলালগাজী) এক বিশাল সৈন্যবাহিনীৰে সৈতে ৰাখি গৌড়লৈ উভতি যায় আৰু নিজকে কামৰূপ কামতা বিজয়ী বুলি ঘোষণা কৰি মুদ্ৰাত উল্লেখ কৰে কিন্তু বাৰিষা আহিলত চাৰিওফালে পানীৰে উপচি পৰাত অসমৰ ৰজাই পৰ্ব্বতৰ পৰা নামি আহি হোসেনৰ পুত্ৰৰ বিপুল বাহিনী ধ্বংস কৰি তেওঁক বধ কৰে।

কামৰূপৰ গৱেষণা মূলক ঐতিহাসিক গ্ৰন্থ বিলাক, মীৰ্জা মহম্মদ কাজিমিৰ "আলমগীৰ নামা", মুন্সী গোলাম হোসেন সালিমৰ 'ৰিয়াজ-উস-সলাতীন' আৰু বুকাননৰ বিৱৰণ শিহাবুদ্দীন তালিকাৰ বৰ্ণনাই এই বোৰৰ পূৰ্ণ সমৰ্থন কৰে।

বাৰ ভুঞা সকল :— বঙলা ভাষাত লিখিত অসমৰ বুৰঞ্জী গ্ৰন্থৰ পৰা জনা যায় যে গৌড় দেশৰ বাদশাহ হোসেন শাহৰ জোৱায়েক নবাব দুলাল গাজী মক্কালৈ যাবলৈ ওলাই কিবা কাৰণত শেষত মক্কালৈ নগৈ কামৰূপলৈ আহি কামৰূপ দখল কৰে আৰু ইয়াতেই তেওঁৰ মৃত্যু হয়। তেওঁৰ কবৰ গুৱাহাটীৰ উত্তৰ পাৰত অৱস্থিত। দুলাল গাজীৰ মৃত্যুৰ পাছত মসন্দৰ মনসুৰ গাজী কামৰূপৰ অধিপতি হৈ অশ্বক্ৰান্তৰ উত্তৰে ৰাজধানী স্থাপন কৰে। তেওঁৰ মৃত্যুৰ পাছত চুলতান গিয়াচুদ্দিনে গৌড়ৰ পৰা আহি কামৰূপ অধিকাৰ কৰে। তেওঁ হিন্দুৰ বহুতো দেৱ দেৱীৰ মন্দিৰ নষ্ট কৰে। অৱশেষত 'লোহিত্যৰ (ব্ৰহ্মপুত্ৰৰ) উত্তৰে গড় বান্ধি

পৰ্ব্বতত গিয়াচুদ্দিনৰ মৃত্যু হয়। তাৰ সমাধিস্থল 'পোৱা মক্কা' নামে অভিহিত হৈ মুছলমান সম্প্ৰদায়ৰ পবিত্ৰ তীৰ্থস্থান ৰূপে পৰিগণিত হৈ আছে। ইয়াৰ ওচৰতে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰ। গিয়াচুদ্দিনৰ মৃত্যুৰ পাছত কামৰূপত আকৌ বৰভূঞা সকলৰ আধিপত্য বিস্তাৰ হবলৈ ধৰে। ঐতিহাসিক সকলে অনুমান কৰে যে ,ষষ্ঠদশ শতিকাৰ প্ৰথম দুই শতকত কামতা ৰাজ্যৰ পৰা মুছলমান সকল বিতাৰিত হৈছিল।

পুৰুষোত্তম দাসৰ ১৩২৯ খৃষ্টাব্দৰ ৰাউতকুটি দানপত্ৰত লিখিত আছে যে তেওঁৰ পিতৃ জয়দৰ আৰু পিতামহ বাসুদেৱ কামতা ৰাজ্যৰ অধীনত সামন্ত বা জমিদাৰ আছিল। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে ভূঁঞাশ্ৰেণী বা সামন্ত শ্ৰেণী বহু কালৰ পৰাই কামৰূপ কামতা ৰাজ্যত বিদ্যমান আছিল। এই সামন্ত সকল দুৰ্ব্বল ৰজাৰ ৰাজত্ব কালত মূৰ দাঙি স্বাধীনভাৱে ৰাজ্য শাসন কৰিছিল। বিশেষকৈ কামৰূপ ৰাজ্যৰ ৰাজধানী পশ্চিমফালে কামতাপুৰলৈ স্থানান্তৰিত হোৱাৰ পাছত কামৰূপ কামতাৰাজ্যৰ পূৰ্ব্বাঞ্চলৰ ভূঁঞা সকলৰ প্ৰতিপত্তি বাঢ়ি গৈছিল আৰু স্বাধীনভাৱে ৰাজ্য শাসন কৰিবলৈ আৰম্ভ কৰে।

কোচবিহাৰৰ ৰাজবংশৰ অভ্যুদয় ঃ— কামৰূপ কামতা ৰাজ্যৰ পতনৰ পাছত এই ভূঞা উপাধিধাৰী কিছুমান নায়ক নিজ নিজ অঞ্চলত ক্ষুদ্ৰ ৰাজ্য স্থাপন কৰি শাসন কৰিবলৈ ধৰিলে। এনেকুৱা এখনত ৰাজ্যত হাজু নামেৰে এজন দলপতি আছিল। তেওঁৰ হীৰা আৰু জীৰা নামে দুগৰাকী সুন্দৰী জীয়ৰী আছিল। উভয়ে বৰ্ত্তমান কোকৰাঝাৰ জিলাৰ অন্তৰ্গত খুটাঘাট পৰগনাৰ (বিজনী জমিদাৰী) চিকনাগ্ৰাম নিবাসী দম্বাৰু মেছৰ পুত্ৰ হাড়িয়া (নামান্তৰত হৰিদাস) মণ্ডল বা মণ্ডলৰ লগত বিয়া হয়। তেওঁলোকো ঠিক এনেদৰেই সৰু সুৰা জমিদাৰ বা প্ৰতিপত্তিশালী লোক আছিল বুলি সহজেই অনুমেও। জীৰাৰ গৰ্ভত চন্দন আৰু মদন নামে দুই পুত্ৰ জন্মে ; কিন্তু হীৰা যেনে ৰূপৱতী আছিল তেনেদৰেই

কায়মনোবাক্যে শিৱৰ উপাসিকা আছিল। কথিত আছে যে, সেয়ে তেওঁ শিৱৰ বৰপ্ৰাপ্তা হয়। তাৰ ফলত বিশু নামক এক অসীম প্ৰতিভা সম্পন্ন পুত্ৰ লাভ কৰে। শিৱৰ বৰপ্ৰাপ্তা বাবেই বিশুৰ বংশধৰ সকল পিছলৈ শিৱ বংশীয় বুলি জনাজাত হয়। কোচ ৰাজবংশী সকল নানা ধৰ্মীয় সাংস্কৃতিক ৰাজনৈতিক উত্থান পতনৰ পাছতো আজিলৈকে বিভিন্ন ধৰণে শিৱৰ পূজা (জল্পেশ, বুঢ়াবুঢ়ী, ত্ৰিনাথ) ইত্যাদি কৰি আছে।

শিৱবংশী ৰাজা চন্দন সিংহ :— ভূটানৰ সন্নিকটত অৱস্থিত চিক্না পাহাৰ অঞ্চলত তুড়কা নামৰ এজন ভুটীয়াই গৌড় দেশৰ শাসন-কৰ্ত্তাৰ অধীনত স্থানীয় প্ৰশাসক ৰূপে 'অষ্টগ্ৰাম' (আঠখনি গাওঁ)ৰ সামন্ত আছিল। এওঁ হিন্দু আছিল যদিও হোচেন শাহৰ প্ৰভাৱত ইচলাম ধৰ্মত দীক্ষিত হৈছিল। উক্ত অষ্টগ্ৰাম অঞ্চলত বিশু শিশু (হীৰা দেবীৰ গৰ্ভজাত পুত্ৰদ্বয়) আৰু চন্দন-মদন (জীৰা দেৱীৰ গৰ্ভজাত পুত্ৰদ্বয়) লগৰীয়া সহ বনৰীয়া পশু-পক্ষী চিকাৰ কৰি ফুৰোতে বিশুৰ হাতত তুৰ্কাৰ অধীনস্থ গ্ৰামৰ এটি লৰা কোনো কাৰণ বশতঃ মৃত্যুৰ মুখত পতিত হয়। এই অপৰাধতেই তুৰ্কা কতোৱালে বিশু শিশুৰ দলটোক বন্দী কৰিবৰ বাবে তেওঁৰ যোদ্ধা সকলক আদেশ দিয়ে। ফলত দুই পক্ষৰ ভিতৰত সংঘৰ্ষ হয় আৰু এই সংঘৰ্ষতেই জীৰা দেৱীৰ পুত্ৰ মদনৰ মৃত্যু হয়; কিন্তু বিশুৰ হাতত তুৰ্কাৰো পতন হয় আৰু তুৰ্কাৰো অষ্টগ্ৰাম বিশুৰ হস্তগত হয়। তুৰ্কাৰ ভিনিগৰাকী জীয়েকো বিশু শিশু আৰু চন্দনে গ্ৰহণ কৰে। বয়সত চন্দন জ্যেষ্ঠ আছিল বাবেই ইং ১৫১০ চনত চন্দনে ৰজা হৈ মতান্তৰে এটি ৰাজশকো আৰম্ভনি কৰে আৰু ইং ১৫২৩ চনলৈকে অষ্টগ্ৰামৰ ৰজাৰূপে ৰাজত্ব কৰি পৰলোক গত হয় বুলি জয়নাথ ঘোষকৃত 'ৰাজোপাখ্যান'ৰ ১৫-১৯ পৃষ্ঠাত পোৱা যায়। অসম বুৰঞ্জী, বুকাননৰ বিৱৰণী, ৰবিনচন আৰু ক্যাম্বেলৰ ইতিহাসত এই অষ্টগ্ৰামৰ নৃপতি চন্দনৰ উল্লেখ পোৱা যায়। কামতাপুৰ নগৰৰ পৰা ৪৫ কিঃ মিঃ উত্তৰত মণ্ডলাবাস ওৰফে মণ্ডলাবাদত চন্দনে স্বাধীনৰূপে ৮ বছৰ ৰাজত্ব কৰিছিল।

৮ম অধ্যায় (খ অংশ)

ইতিহাসৰ সোণালী পাতত কোচৰ পদক্ষেপ · মহাৰাজ বিশ্বসিংহ

১৫শ শতিকাৰ কোচ ৰজা বিশ্বসিংহৰ প্ৰসঙ্গত আছে যে কোনো এজনী ভক্তিমতী কোচ মহিলাই জগদীশ মহাদেৱৰ উপাসনা কৰিছিল যাতে তাই ভৱিষ্যত ৰাজমাতৃ হ'ব পাৰে আৰু তাৰবাবে স্বামীভক্তি পৰায়ণা হৈ নৈষ্ঠিক জীৱন যাপন কৰে আৰু ৰাজমাতৃ হোৱাৰ আশাত আদৰ্শ মাতৃৰ বাবে ভাৰতীয় আৰ্য্য নাৰীয়ে পালিবলগীয়া সকলোবোৰ ৰীতিনীতি পালন কৰিছিল। কোচ সকলৰ গৃহ দেৱতা মহান সাধক শিৱৰ পৰম উপাসিকা হিচাবে সময়ত উক্ত মহিলাই 'বিশু আৰু শিশু' নামৰ দুই পুত্ৰৰ মাতৃ হয়। যোগিনী তন্ত্ৰৰ মতে উক্ত মহিলা গৰাকীৰ নাম আছিল ৰেৱতী দেৱী। উদ্দেশ্য প্ৰণদিত ভাৱে বৰেন্দ্ৰ শ্ৰেণীৰ বঙালী বিপ্ৰ দেওৱান কাশীচন্দ্ৰ লাহিড়ী আৰু তেওঁৰ তাবেদাৰী অনুগত ৰাজবিষয়া মুন্সী জয়নাথ ঘোষৰ চক্ৰান্তত সংস্কৃত ভাষাৰ মূল যোগিনী তন্ত্ৰ'ৰ সংশ্লিষ্ট শ্লোকটোক ইচ্ছাকৃত ভাৱে প্ৰক্ষিপ্ত কৰি 'ৰেৱতী দেৱীক' হিৰেডী দেৱী কৰি সংক্ষেপে হীৰা-জীৱাৰ আমদানী কৰে আৰু কৈলাশৰ পৰা মহাদেৱক নমাই আনি হীৰাৰ গৰ্ভত মহাদেৱৰ ঔৰসত বিশুক ক্ষেত্ৰজ সন্তান ৰূপে দেখুৱাৰ জঘন্যতম ধৃষ্টামি কৰিছে বুলি 'ৰাজোপাখ্যান'ৰ পৰা সিদ্ধান্ত কৰিব পাৰি। পৰিৱৰ্তিত 'ৰাজোপাখ্যান'ৰ বৰ্ণনাকে পৰৱৰ্তী লেখক পণ্ডিত সকলে সহজ সৰল বিশ্বাসেৰে বা অজ্ঞাতে অনুকৰণ কৰি মহাৰাজ বিশ্বসিংহৰ (বিশু) মাতৃক হীৰাৰূপে উল্লেখ কৰা দেখা যায় আৰু এইদৰেই সৰ্বজন স্বীকৃত হয়।

হীৰা দেৱীৰ ভগ্নী জীৰা দেৱীকো হৰিদাস মণ্ডলে বিয়া কৰাইছিল আৰু তাইৰো গৰ্ভত মদন আৰু চন্দন নামৰ দুটি পুত্ৰ সন্তান লাভ হৈছিল বুলি ইতিপূৰ্ব্বে উল্লেখিত হৈছে।

এই বিশুই যথা সময়ত বিশ্বসিংহ নাম গ্ৰহণ কৰি কালৰ সোঁতত বিচ্ছিন্ন আৰু শতধাবিভক্ত হোৱা কোচ জাতিক এক আৰু কোচ ৰাজ্যক নিৰুপকপীয়াভাৱে পুনৰ স্থাপন কৰি বিশ্বসিংহৰ আগমুহূৰ্ত্ত বিশেষকৈ খ্যেন বুলি পৰিচিত ৰজা নীলাম্বৰ সহ কমতাপুৰ দুৰ্গৰ অনাকাংখিত পতনৰ পিছত সমূহ পশ্চিম কামৰূপ অঞ্চলত অৰাজক হয়। ফলত বৃক্ষ নহোৱা দেশত এৰাই বৃক্ষ হোৱাৰ দৰে স্থানে স্থানে চুৰাই চুৰাই সৰু বৰ বহুতো অঞ্চল প্ৰধানে বা সামন্ত শক্তিয়ে নিজ নিজ স্বাতন্ত্ৰ্যতা ঘোষণা কৰি "গাঁৱে গাঁৱে হৈলা তেৱে সৱে ভূঞাৰাজ"। ঠিক এনে সন্ধিক্ষনতে ক্ষুদ্ৰ ক্ষুদ্ৰ ভূমিৰ অধিপতি সকলৰ অসংগঠিত আৰু পৰস্পৰ আত্মপ্ৰতিষ্ঠা তথা আত্ম কলহ-জনিত পৰিবেশৰ সুৰুঙাইদি বৰ্ত্তমান কোকৰাঝাৰ জিলাৰ উত্তৰ পশ্চিমাংশত অৱস্থিত উল্টাপানী নদীৰ তীৰস্থ ইতিপূৰ্ব্বে বৰ্ণিত চিক্‌নাঝাৰ অঞ্চলত হৰিদাস নামৰ এজন সামন্তক বা শক্তিমান ভূঞাক দাঁতিকাষৰীয়া বাৰগ্ৰামৰ প্ৰধান সকলে লগ লাগি কেন্দ্ৰীয় শক্তিৰ প্ৰতীক 'মণ্ডল' (ৰজা) হিচাবে গ্ৰহণ কৰিছিল। খড়্গনাৰায়ণৰ বংশাৱলীত আছে—

"পূৰ্ব্বত মানাহ সোণকোষ পশ্চিমত
উত্তৰে ধৱলগিৰি দক্ষিণে লোহিত।
সৱে আসি চাড়িয়াক মণ্ডল পাতিলা
ভোজভাত খায়া সৱে আনন্দে চলিলা।
সেহি দিন ধৰি বাৰগ্ৰাম হৈলা অধিকাৰী
কাহাকেও নাহয়ে কৰ এই সীমা ধৰি"।

ৰুদ্ৰকান্ত বৰুৱা ৰচিত "আসাম বুৰঞ্জীয়েও" উক্ত কথা সমৰ্থন কৰে। এই হৰিদাস মণ্ডলেই ইতিপূৰ্ব্বে উল্লেখিত পিতা আৰু পিতৃৰ পিছ। প্ৰথমে

শিৱৰাৰ অৰ্থাৎ মহাবিষুৱৰ দিনা জন্ম হোৱাৰ কাৰণে পুত্ৰৰ নাম বিষুৱা (বিসুৱা বা বিশু) ৰখা হয় আৰু জ্যেষ্ঠ ভ্ৰাতৃৰ সৈতে ধ্বনিৰ সামঞ্জস্য ৰক্ষা কৰি দ্বিতীয় পুত্ৰৰ নাম 'শিশু' ৰখা হয়। আজিও পশ্চিম কামতাপুৰ অঞ্চলত অৰ্থাৎ ৰাজপীঠাঞ্চলত প্ৰতি বছৰে মহাৰাজ বিশ্বসিংহৰ জন্মবাৰ্ষিকী হিচাবে লগতে নব-বৰ্ষৰ আৰম্ভণি উৎসৱ হিচাবে সাতদিন ধৰি 'বিশুৱা' পালন কৰা হয়। কোচবিহাৰ, দৰং ৰাজবংশাৱলী আৰু ১৬শ শতিকাৰ ৰামচৰণ ঠাকুৰ বিৰচিত 'শঙ্কৰ চৰিত্ৰ' আদিৰ বিবৰণীয়েও এই কথাৰ সমৰ্থন কৰে আৰু তেওঁলোকৰ মতেও বিশু মহাদেৱৰ ঔৰসজাত সন্তান। কিন্তু তেওঁলোকে বিশুক মহাদেৱৰ ঔৰসজাত সন্তান হিচাবে প্ৰচাৰ নকৰি, যিটো নেকি অবাস্তৱ কথা, মহাদেৱৰ কৃষ্টিগত সন্তান (cultural son) বুলি অভিহীত কৰাহে উচিত আছিল। কাৰণ বিশ্বসিংহ গোষ্ঠীৰ উত্তৰাধিকাৰী হিচাবে পৰম শিৱভক্ত আছিল আৰু সেই কাৰণেই তেওঁৰ দ্বাৰা সুপ্ৰতিষ্ঠিত হোৱা পূৰ্বৰ বংশটোক শিৱবংশী ৰাজবংশ বুলি পৰৱৰ্তী কালত ইতিহাস খ্যাত হয়। শিৱ-শঙ্কৰ মহাকেউ বা মহাদেৱৰ চৰিত্ৰ হৈছে প্ৰাক বৈদিক যুগৰ আৰু সেয়ে তেওঁক দ্ৰাবিড় গোষ্ঠীৰ দেৱতা বুলি কোৱা হয়। 'দ্ৰাবিড়' শব্দৰ প্ৰকৃত অৰ্থ হৈছে 'আদিম'। এই প্ৰাক্ বৈদিক চৰিত্ৰটিক ১৫শ শতিকাৰ বিশ্বসিংহৰ পিতৃ আৰু ভাৰতীয় নাৰী-চৰিত্ৰৰ প্ৰতীক পাৰ্ব্বতীক বিশ্বসিংহৰ মাতৃ কৰাটো এটা অবাস্তৱ কথা। পাৰ্ব্বতীদেৱীক উত্তৰ ভাৰত বা মঙ্গোলীয় প্ৰাধান্য পৰিৱেশৰ লগত দক্ষিণ ভাৰতীয় বা দ্ৰাবিড় প্ৰাধান্য বংশ গতিৰ প্ৰতীক শিৱক ধৰিলে শিৱ-পাৰ্ব্বতীৰ মিলনক শঙ্কৰ বুলি কোৱাত কোনো বাধা থাকিব নোৱাৰে আৰু তেতিয়াহলে কোচ জাতিক তেনেধৰণৰ এটা মিশ্ৰিত শক্তিৰ অৰ্থাৎ দ্ৰাবিড় আৰু মঙ্গোলীয়ানৰ মিলিত শক্তিৰ প্ৰতীক বুলি কোৱাত কোনো বাধা থাকিব নোৱাৰে।

১৭শ শতিকাৰ কামৰূপ বুৰঞ্জীত আছে মহাদেৱ আৰু পাৰ্ব্বতী বশিষ্ঠ মুনিৰ অভিশাপত কামৰূপত হাৰিলা আৰু ইটো ৰূপে মৰ্ত্যলোকত জন্ম

লৈছিল আৰু বিশু তেওঁলোকৰ সন্তান আছিল প্ৰাচীন কামৰূপত বশিষ্ঠ মুনিৰ অভিশাপ আৰু কামাখ্যাদেৱী ম্লেচ্ছ বা বামাচাৰীৰ দ্বাৰা পূজিতা হোৱা বুলি অভিসম্পাত আদি কথাত ভালেমান তৎকালীন ৰাজনৈতিক তথা সামাজিক ঘটনা লুকাই আছে। ভৱিষ্যৎ গৱেষণাই এই বোৰত আলোক-পাত কৰিবৰ সম্ভাৱনা নথকা নহয়। মুঠতে তেতিয়াৰ প্ৰাচীন কামৰূপৰ অধিবাসীসকলে বহিৰাগত কৃষ্টি সভ্যতাৰ আগ্ৰাসী মনোভাৱ আৰু কাৰ্য্যৰ বিৰুদ্ধে এটা থলুৱা প্ৰতিবাদৰ প্ৰতীকক লৈ বশিষ্ঠ মুনিৰ অভিশাপৰ কাহিনীটো ৰূপক হিচাপে প্ৰচলিত হৈছে যেন লাগে। ইয়াৰ পৰা বুজা যায় বিশুৰ পিতৃ-মাতৃ আৰু সমগোষ্ঠীৰ আন আন কোচ মানুহবিলাক একান্ত শৈৱ-মতাৱলম্বী বা উদাৰপন্থী আছিল। হৰিদাস মণ্ডলে এইদৰে সামূহিক ক্ষমতা লাভ কৰাৰ পিছত সেই ক্ষমতা যাতে চিৰস্থায়ী হয় তাৰ বাবে ক্ৰমে ৰাজ্য বিস্তাৰৰ প্ৰচেষ্টা চলায় আৰু দাতি কাষৰীয়া আন আন ভূমিৰ মালিক বা ভূঞা ৰজা সকলক সৰু সুৰা যুদ্ধত পৰাস্ত কৰি নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে। এইদৰে ভূঞা সকলৰ বিৰুদ্ধে যুঁজবাগৰ চলাই থাকোতে হাৰিয়া মণ্ডলে কৰ্ণপুৰৰ মহা প্ৰতাপী ভূঞাৰ ওচৰত সাময়িক ভাৱে পৰাজয়ো বৰণ কৰিব লগা হৈছিল যেনো পিতৃৰ পৰাজয়ৰ পিছত হাৰিয়াৰ উপযুক্ত পুত্ৰ বিশুৱে অনাই বনাই ফুৰি আত্মগোপন কৰি পৰিলা ৰণ-নীতিৰে পিতৃৰাজ্য শত্ৰুহীন কৰি কেনেকৈ বিশাল ৰাজ্যত পৰিণত কৰিব পাৰি তাৰেই প্ৰচেষ্টাত আছিল। অৱশেষত তেওঁ কোনো এক 'মেছেনীৰ' (ম্লেচ্ছাচাৰী) অৰ্থাৎ বামাচাৰী মহিলা এগৰাকীৰ পৰামৰ্শমতে বহাগৰ সাত তিথিৰ দিনা বিষুৱাৰ সামৰণিৰ উৎসৱৰ সময়ত অৰ্থাৎ বিষুৱাৰ সাততিথিৰ এক শুণ্য মুহূৰ্তত এটা অৰক্ষণীয় সময়ত কৌশলেৰে কৰ্ণপুৰৰ প্ৰতাপী ভূঞাক হত্যা কৰি নিজ ৰাজ্যৰ গৌৰৱ আৰু চাৰিসীমা বৃদ্ধি কৰি শত্ৰু মুক্ত কৰে। কথিত আছে যে এই মেছেনী ছদ্মবেশী স্বয়ং ভগৱতী দেৱীহে আছিল অৰ্থাৎ মাতৃভক্তি অটুট থকা বিশ্বসিংহই কৃতিত্ব লাভ কৰাৰ কাৰণে ভগৱতী

দেৱীৰ অনুগ্ৰহতহে ৰাজ্য বিস্তাৰ হোৱা বুলি প্ৰচাৰ কৰা হৈছে। দৰং ৰাজ সমুদ্ৰনাৰায়ণৰ বংশাৱলীত আছে—

"তিনিদিন নিৰাহাৰে বুৰে দুখ পাই।
মেচনী স্বৰূপে দেৱী মিলিল সি ঠাই॥
দেৱীয়ে কুকুৰা মাৰি তাতক ৰান্ধিলা।
ভুঞ্জিবাক লাগিয়া বিশুৰ আগে দিলা॥
মায়াৰী মেচেনী বোলে শুন মন কৰি।
যিমতে হাৰয় যেন মতে বলে পাৰি॥

* * * *

অস্ত্ৰ শস্ত্ৰ অসংখ্যাত বন্দুক আছয়।
বুদ্ধি বিনে তাক জিনিবাক নপাৰয়॥
বৈশাখৰ বিষু আসি হৈব উপসন।
সৈন্যক বিদায় দিব সন্তোষিয়া মন।
সেহি শূণ্য সময়ত বলে দিব ধাৱ।
তেবে বৰ ভূঞাক কৰিব বুন্দামাৰ॥
ঢোল কৰতাল আদি সবে বাদ্য এৰি।
মনে মনে চলি যাইব অস্ত্ৰ শস্ত্ৰ ধৰি॥"

ৰহাগ বিহুৰ সময়ত দাতিকাষৰীয়া ভূঞাৰজা সকলে তেওঁলোকৰ সৈন্য সকলক সাময়িক ভাৱে বিদায় দিয়াৰ সুযোগত,

সেইবেলা বিশুৰাই শূণ্য সময়ত যাই
কৰ্ণপুৰ ভূঞাক মাৰিলা।
তাৰ লগে সৈন্য যত সবাকে কৰিয়া হত
মনৰঙ্গে দুৰ্গাক স্মৰিলা॥

এইদৰে বিশ্বসিংহই মৰাণৰ ভূঞা সকলক পৰাস্ত কৰিছিল আৰু

ত্ৰিপুৰত, উত্তৰীয়া ব্ৰাহ্মণ ভূঞাক খেদিলন্ত ; দেৱজু কুলত আচিলন্ত ছুটি ভূঞা। তাহাক্তো খেদিয়া নৈলা ৰাজ্যক ছাৰিয়া ; কুসুম ভূঞাক পাছে খেদিয়া গৈলা, আপুনিয়ে বিষয় কুসুমে এৰিলেক। তাত পাছে দীঘলীয়া ভূঞাক মাৰিলন্ত। কলীয়া ভূঞাক মাৰি ৰাজ্যক লৈলন্ত। ঝাৰগঞা ভূঞাক মাৰিল অনন্তৰে। কবিলাস ভূঞাক মাৰিলা তীক্ষ্ণ শৰে।

"ফুলগুৰি ভূঞাৰ ঠাই খেদি গৈলা মহাৰাই
সেহিৰূপে মাৰিলেক তাক,
বেজিনীয়া যিটো ভূঞা সৈন্যক বিদায় দিয়া
মহাসুখে নিজ ঘৰে ৰৈলা।
শিৱৰ নন্দনে যাই সেহি সময়ত পাই
সৈন্য সমে কৰিলা সংহাৰ" —ইত্যাদি।

কামতেশ্বৰ বিশ্বসিংহ :— ইতিমধ্যে পশ্চিম দক্ষিনাঞ্চলৰ গৌড় অঞ্চলৰ ৰজা হোসেন শাহে আহোম তথা ভূঞা সকলৰ দ্বাৰা শাসিত ৰাজ্য বোৰক ১৪৯৩ চনত আক্ৰমণ কৰে। এই সুযোগতে বিশুই স্বকীয় অভীষ্ট সিদ্ধিৰ বাবে আনুমানিক ১৪৯৬ চনত নিজকে কামতেশ্বৰ বুলি ঘোষণা কৰে আৰু চ'ত মহাপৰ সংক্ৰান্তি মহাবিষুবৰ দিনা 'বিশ্বসিংহ' নাম গ্ৰহণ কৰি কামতা ৰাষ্ট্ৰৰ স্বাধীন ৰজা হয়। বিশ্বসিংহই কামতেশ্বৰ উপাধি গ্ৰহণ কৰি
কামতা ৰাষ্ট্ৰৰ স্বাধীন ৰজা হয়। বিশ্বসিংহই কামতেশ্বৰ উপাধি গ্ৰহণ কৰি
বৈদিক প্ৰথামতে—

যমুনা সৰস্বতী কাবেৰী পৰম গতি
আৰো তীৰ্থ আছিল যতেক
সমস্তৰে আনি জল কৰিলেক সুমঙ্গল
অভিষেক কৰিলে প্ৰত্যেক।

লগতে আপোন ভ্ৰাতৃ শিশুক 'শিৱসিংহ' উপাধি প্ৰদান কৰি নানান মিতিয়াৰ্জিনৰ সুৰাজৰ পাত অভিষিক্ত কৰে।

'সমস্ত তীৰ্থৰ জল কৰি এক ঠাই।
ব্ৰাহ্মণ দৈৱজ্ঞগণ অনাইল সভাই ॥
বিজয় মুহূৰ্ত্তক্ষণ তেসময়ে কহিলা।
সেইহিবেলা যুৱৰাজ শিৰত পাতিলা ॥

বিশ্বসিংহই এইদৰে পূৰ্ব্বভাৰতত একচ্ছত্ৰী ভাৱে ক্ষমতাপন্ন হৈ উঠাৰ পিছৰ পৰা কোচ মানুহ বিলাকে পূৰ্ব্বৰ বৌদ্ধ ধৰ্ম্মৰ তান্ত্ৰিকতা আৰু বামাচাৰী, স্বেচ্ছাচাৰৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণভাৱে মুক্ত কৰি বৈদিক হিন্দু আচাৰবান হৈ পৰম শাক্তৰূপে পৰিচিত হিবলৈ ধৰে। সামাজিক দিশত এই সামগ্ৰিক চিন্তাধাৰাৰ পৰিবৰ্ত্তনৰ ক্ষেত্ৰত ৰাজানুগ্ৰহ প্ৰাৰ্থী তথা কথিত বিপ্ৰ পূজাৰী শ্ৰেণীৰ তোষামদসূচক প্ৰশস্তিয়ে মহাৰাজ বিশ্বসিংহক প্ৰভা-ৱান্বিত কৰাৰ ফলত কামৰূপী বিপ্ৰক ৰাজ পুৰোহিতৰ আসনত বহুৱায় আৰু ইয়াকে অনুকৰণ কৰি তেতিয়াৰ ডা-ডাঙৰীয়া, আমোলা পাত্ৰ মন্ত্ৰী আৰু প্ৰধান প্ৰধান প্ৰজাবিলাকেও বিপ্ৰ বৰ্ণৰ লোকক পূজা পাৰ্ব্বন অৰ্চ্চনা আদিত নিয়োগ কৰে। তেতিয়াৰ পৰাই বিপ্ৰ বৰ্ণৰ পূজাৰী বিলাকে কোচ ৰজা-প্ৰজাৰ পূজাৰী হিচাবে নিয়োজিত হয় আৰু কোচ গোষ্ঠীৰ লোকসকলে পূৰ্ব্বৰ তথা কথিত ব্ৰাত্যত্ব বা ম্লেচ্ছত্ব ত্যাগ কৰি আৰ্য্য তথা সনাতন কৃষ্টিৰ ধাৰক আৰু বাহক ৰূপে পূৰ্ব্ব ভাৰতৰ হিন্দু সমাজৰ প্ৰধান খুটিৰূপে বিবেচিত হয়। অসমৰ আধুনিক ইতিহাসবেত্তাৰ বহুতে এই বিশ্বসিংহৰ পৰাহে কোচ জাতিৰ ইতিহাস আৰম্ভ হৈছে বুলি উল্লেখ কৰিছে। আচলতে এই কালছোৱাক কোচ জাতিৰ শেষ অধ্যায়ৰ গৌৰৱময় আৰম্ভণী বুলিয়ে অভিহিত কৰিব পাৰি।

বিশ্বসিংহই পূৰ্ব্ব ভাৰতত নিজকে স্বাধীন ৰজা বুলি ঘোষণা কৰাৰ পিছতে কামৰূপৰ অন্তৰ্গত ক্ষুদ্ৰ ক্ষুদ্ৰ ভূমিপতি সকলো ইয়াৰ ভিতৰত পূৰ্ব্বৰ প্ৰজাপালক অৰ্থাৎ পাল বংশৰ দুৰ্ব্বল ভূমিপতি সকলো আছিল। অতি কম সময়ৰ ভিতৰত তেওঁলোকেই মহাৰাজ বিশ্বসিংহক বশ্যতা স্বীকাৰ কৰে।

গৌড়ৰ অধিপতি হোচেন শাহৰ পুত্ৰই কোঁচ-হাজো অঞ্চলৰ প্ৰধান কেন্দ্ৰস্থল হাজোত গৌড় তথা দিল্লীৰ চুলতানৰ প্ৰতিনিধি অৰ্থাৎ থানাদাৰ হিচাবে আছিল ; কিন্তু কোচ ৰজাৰ লগত যুদ্ধত হাৰি পতন হয়। ফলত সমুদায় ৰাজ্যাঞ্চল কোচ ৰজাৰ ৰাজছত্ৰাধীন হয়। বান্দ্যোপাধ্যায় আৰু যোগিনী তন্ত্ৰৰ মতে আনুমানিক ১৫৪৫ চনৰ পৰা ১৫৫২ চনৰ ভিতৰত বিশ্বসিংহই গৌড় ৰাজ্য বিজয় কৰিছিল। প্ৰথমতে বিশ্বসিংহই প্ৰাক্তন গোৱালপাৰা জিলাৰ অন্তৰ্গত চিকনাঝাৰত ৰাজধানী পাতিছিল। কাৰণ এই চিকনা নগৰ আছিল তেওঁৰ পিতৃভূমি আৰু জন্মস্থান। ৰাজ্য বিস্তৃতি হোৱাৰ পিছত হিঙুলাবাস 'কমতাপুৰ'লৈ ৰাজধানী স্থানান্তৰিত কৰে। দুৰ্গাদাস মজুমদাৰৰ 'হৰিভক্তি তৰঙ্গত' লিখা আছে—

"কমতা নগৰ মাজে পুৰি কৰি মহাৰাজে
যেন শুৰপতি পৃথিৱীত।"

মাৰ্কণ্ডেয় পুৰাণত আছে—

"কমতা নগৰে বিশ্বসিংহ নৰেশ্বৰ।
প্ৰচণ্ড প্ৰতাপ ৰাজা ভোগে পুৰন্দৰ॥"

তথ্যান্তৰে আছে—

'সমস্তে শত্ৰুক মাৰি বেহাৰত পাট কৰি
নগৰ সাজিলা জয়ধৰ।
নগৰৰ মহাজ্যোতি যেন জলে অমৰাৱতী
উপমা দিবাৰ ঠাই নাই।
গড় প্ৰাকাৰ গৃহ যত হীৰা মণি মৰকত
অসংখ্যাত শোভে ঠাই ঠাই'। ইত্যাদি।

বিশ্বসিংহৰ মহিষী আৰু পুত্ৰ সন্তান :— মহাৰাজ বিশ্বসিংহৰ বিবাহ সম্বন্ধ কথা মতভেদ হৈছিল। তেওঁৰ মহিষীৰ সংখ্যা কিমান জনী আছিল তাৰ সঠিক ভাৱে কোৱা টান। কাৰণ সেই সময়ত এজন পুৰুষ

বহু বিবাহ কৰোৱাটো গৃহস্থ ধৰ্ম ৰক্ষা কাৰ্য্যতকৈ ৰাজনৈতিক ক্ষমতা বিস্তাৰৰ আহিলা হিচাবেহে বেছি ব্যৱহৃত হৈছিল। বিভিন্ন তথ্যাৱলীৰ পৰা তেওঁৰ প্ৰকৃত ৰাণীৰ সংখ্যা ১৮ (ওঠৰ) জনী আছিল বুলি ধৰিব পাৰি আৰু এই ৰাণী সকল নেপাল, গৌড়, কাশী, কাশ্মীৰ, মিথিলা, কামৰূপ, শোণিতপুৰ আদি ৰাজ্যাঞ্চলৰ কন্যা আছিল। দৰং ৰাজবংশাৱলীত পোৱা যায়—

"ৰাজাৰ আদেশ মতে কৰি শিৰোগত।
বিচাৰ কৰিতে গৈলা সমস্তে ৰাজ্যত॥
নেপাল দেশত বন্ধুকান্তি নামে কন্যা।
পৰম সুন্দৰী তেহোঁ ৰূপে গুণে ধন্যা॥
হেমপ্ৰভা পদ্মাৱতী হেমকান্তি ৰতি।
কামৰূপে চাৰি কন্যা পাইলা মহামতি॥
কাশ্মীৰ দেশত পাইলা তিলোত্তমা নাম।
পৰম ৰূপসী গুণে অনুপাম॥ ইত্যাদি।

ভুটান বিজয় :— বিশ্বসিংহই তাৰ পিছত ভুটানৰ ৰজা দেৱ ৰাজাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে আৰু ভুটান পৰ্ব্বত মালাৰ পাদদেশ বিজয় পুৰ অঞ্চল পৰ্য্যন্ত সমগ্ৰ সমতল ভূমি অধিকাৰ কৰে। দেৱ ৰাজাই তেওঁৰ লগত শেষত সন্ধি স্থাপন কৰে। এই সন্ধিৰ চৰ্তানুযায়ী, দেৱ ৰাজাই বাৎসৰিক কৰ দিব, যুদ্ধৰ সময়ত সাহায্য কৰিব, আৰু তেওঁৰ ৰাজ্যসংক্ৰান্ত গুৰুতৰ সকলো বিষয় কোচবিহাৰ ৰাজাৰ কৰ্ত্তৃক পৰিচালিত হব। ভূটান ৰাজ্যৰ প্ৰবেশ পথ বিলাক কোচবিহাৰ ৰাজ্যৰ দ্বাৰা নিয়ন্ত্ৰণাধীন হল। আৰু তাৰ বাবে 'সুবা' নামক এজন কৰ্মচাৰী সিবিলাক বিলাকৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব দি নিযুক্তি কৰা হল।

গৌড় বিজয় :— তাৰ পিছত বিশ্বসিংহই গৌড় দেশ জয় কৰাৰ বাবে যুদ্ধ সজ্জা প্ৰস্তুত কৰিলে। গৌড় তেতিয়া যৱন সকলৰ অধিকাৰত

আছিল। ৰাজসৈন্যই গৌড়ৰ কিছু অংশ জয় কৰিলে আৰু একছুমান অংশৰ পৰা ধন সংগ্ৰহ কৰিলে। এই অভিযানত বিশ্বসিংহ নিজে তাৰ ভাতৃ শিষ্য সিংহসহ উভয়েই সৈন্য পৰিচালনা কৰিছিল। ৰাজধানীলৈ প্ৰত্যাবৰ্ত্তনৰ পূৰ্ব্বে উত্তৰ বঙ্গৰ এক বিস্তীৰ্ণ ভূভাগ নিজ ৰাজ্যত অন্তৰ্ভুক্ত কৰিলে। উভতি অহাৰ সময়ত ৰায়কত শিষ্য সিংহই বৈকুণ্ঠপুৰ নামক স্থান অতি ৰম্য-বুলি তাতে বাসস্থান নিৰ্ম্মাণ কৰাটো স্থিৰ কৰে।

আহোম ৰাজ্য অভিযান :— ১৫৩৭ খৃষ্টাব্দত বিশ্বসিংহই এক বিৰাট সৈন্য বাহিনী লৈ অসম অভিযান আৰম্ভ কৰে। তেতিয়া অসমৰ পূৰ প্ৰান্তত আহোম ৰাজ্য গজগজীয়া হৈ আছিল। দৰং ৰাজবংশাৱলীত এই ৰণ প্ৰস্তুতিৰ আৰু অভিযানৰ বিবৃতি দিয়া আছে। স্থলপথ আৰু জলপথ উভয় দিশৰ পৰা এই অভিযান চলোৱা হৈছিল। সৈন্য বাহিনী ব্ৰহ্মপুত্ৰ নদীয়েদি উজাই শিঙৰিলৈকে আগুৱাই গৈছিল। কিন্তু খাদ্য আৰু ৰচদপাতি যোগানৰ অসুবিধা হেতুকে এই অভিযান শেষলৈ বাতিল কৰিবলগীয়া হৈছিল। কাৰণ মনকৰিবলগীয়া কথা এই যে, পৰৰাজ্যৰ প্ৰজাবৰ্গৰ সৰ্ব্বস্ব লুণ্ঠন কৰি নিজ সৈন্যৰ ৰচদ পাতি সংগ্ৰহ কৰাটো কোচ যুদ্ধ ৰীতিৰ নিয়ম বিৰুদ্ধ আছিল। সৰু সুৰা ব্যতিক্ৰম বাদে শিহুৰ কালতো এই নীতি তেওঁৰ বংশধৰদ্বাৰা পালিত হৈছিল। ধৰ্ম্মপ্ৰাণ কোচ ৰাজবংশী সকলৰ চৰিত্ৰত ই মজ্জাগত হৈ পৰিছিল। ঐতিহাসিক বিবৰ্ত্তনৰ উত্থান পতনত ইয়াকে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে।

ৰাজধানী :— বিশ্বসিংহই চিকনাই পৰ্ব্বতৰ পৰা সমভূমিলৈ তেওঁৰ ৰাজধানী স্থানান্তৰিত কৰে আৰু তাৰ নাম ৰাখে 'হিঙুলাবাস'। আলিপুৰ দুৱাৰ মহকুমাৰ মতাকালগুৰিৰ ওচৰত ধ্বংসাৱশেষ আজিও দৃষ্টিগোচৰ হয়। সেইদৰে গোৱালপাৰা জিলাৰ কোকৰাঝাৰৰ উত্তৰে সৰুভাজা নৈৰ পাৰত চিকনা নগৰৰ ধ্বংসাৱশেষ আজিও দেখিবলৈ পোৱা যায়। ইয়াৰ ওচৰে পাজৰে সোনাবাৰী, মহাদেৱ ৰামন কিলা, শিকাৰপুৰ, নবাগড় আদি ঠাইতো

দুৰ্গৰ চিহ্ন বৰ্ত্তমান। চিকনাৰ ১২ মাইল উত্তৰে বৰ্ত্তমান ভোটান ৰাজ্যৰ ভিতৰত কিল্লা 'বিষেন সিংহ (বা বিশ্বসিংহৰ কিল্লা) ৰ ভগ্নাৱশেষে বিশ্ব-সিংহৰ কীৰ্ত্তিৰ সাক্ষী বহন কৰিছে। হৰিভক্তি তৰঙ্গ আৰু দৰং ৰাজ-বংশাৱলীত বিশ্বসিংহৰ ৰাজধানী কামতাপুৰ অথবা বিহাৰ (কোচবিহাৰ) বুলি বৰ্ণিত আছে। তেওঁৰ ভায়েক শিব্যসিংহ তিস্তা নদীৰ পশ্চিমপাৰত অৱস্থিত বৈকুণ্ঠপুৰত বাসস্থান নিৰ্ম্মাণ কৰে।

ৰাজ্যসীমা :— যোগিনীতন্ত্ৰত বিশ্বসিংহৰ ৰাজ্যৰ সীমা পূবে সৌমাৰ (উজনি অসম) দক্ষিণে যৱন অৰ্থাৎ মুছলমান ৰাজ্য গৌড়) উত্তৰে প্লৱ (পাৰ্ব্বত্য জাতি ভুটিয়া আদি) বুলি বৰ্ণনা কৰা হৈছে। বিশ্বসিংহই "কামতেশ্বৰ" উপাধি গ্ৰহণ কৰা কাৰ্য্যৰ পৰা অনুমান কৰিব পাৰি যে, তেওঁ পূৰ্ব্বৰ কামতাৰাজ্য অধিকাংশ খণ্ডৰ অধীশ্বৰ আছিল। তেওঁৰ ৰাজ্য সীমা পূবে কামৰূপ জিলাৰ বৰনদী (বক্তিয়াৰ পূবে) আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণে পাণ্ডু পৰ্য্যন্ত বিস্তৃত আছিল। (অৰ্থাৎ বৰ্ত্তমান গুৱাহাটীকে ধৰি খাচিয়া পাহাৰৰ পাদদেশলৈকে, কাৰণ ইয়েই প্ৰাকৃতিক সীমা) উত্তৰে ভূটান ৰাজ্যৰ পাদদেশৰ পৰা পশ্চিমে কৰতোৱা নদীপৰ্য্যন্ত বিশ্বসিংহৰ দক্ষিণ পশ্চিম প্ৰদেশ হিচাবে পৰিগণিত হৈছিল। কথাগুৰুচৰিত মতে বিশ্বসিংহৰ ৰাজ্য সীমা পূবে ৰাঙলিগড় পৰ্য্যন্ত বিস্তৃত আছিল।

মুদ্ৰা :— বিশ্বসিংহই মোহৰ মৰা বুলিও জনা যায়। দুৰ্গাদাস মজুমদাৰ তেওঁৰ ৰাজবংশাৱলীত লিখিছে ১৩ শকায় মহাৰাজ বিশ্বসিংহ সিংহাসন প্ৰাপ্ত হইয়া আপোন নামে ছিক্কাৰূপ কৰিয়াছেন।' উক্ত পুথিত আৰু লিখিত আছে যে, মহাৰাজ বিশ্বসিংহ তাৰ নিজ নামত অঙ্কিত পাচশ মুদ্ৰা আহোম ৰাজ সুহুংমুংক উপহাৰ দিছিল। ইয়াকে দেখি চুহুংমুং বিস্মিত হৈ খেদ কৰি কৈছিল যে তেওঁৰ বংশত তেবজন ৰজা ৰাজত্ব কৰিলেও কোনোৱে মোহৰ মাৰিব পৰা নাই। ইয়াৰ পিছতে অৱশ্যে চুহুংমুঙে আহোম স্বৰ্গদেউ সকলৰ ভিতৰত পোন প্ৰথমে নিজৰ নামত মোহৰ মাৰে।

বলে মম বংশো মধ্যে ত্রয়োদশ জন।
ৰাজত্ব কৰিয়া স্বৰ্গে কৰিলা গমন ॥
তথাপি জৰৰ নাহি কৰে কোন ভূপ।
এই জৰৰ দেখিলাম অতি অপৰূপ ॥
এহিমত আলোচিয়া আহোম ঈশ্বৰ।
ব্ৰাহ্মণ পণ্ডিত আনি ৰচিল মোহৰ ॥

—ৰাজবংশাৱলী ১৭-১৮ পত্ৰ।

শাসন ব্যৱস্থা :— শাসন কাৰ্য্য পৰিচালনা কৰিবলৈ মহাৰাজ বিশ্বসিংহই কিছুমান নতুন বিষয় বাবৰ সৃষ্টি কৰিছিল। তেওঁ শিষ্যসিংহক 'ৰায়কত' (ৰায়কোট) অথবা দুৰ্গাধিপতি পদাভিষিক্ত কৰে। অন্যান্য নিজ বংশীয় বাৰজন উপযুক্ত ব্যক্তিক (মতান্তৰত চিকনাইৰ বাৰ ঘৰ মেছ) কাৰ্য্যী অৰ্থাৎ কৰ্ম্মচাৰী নিযুক্ত কৰিছিল। গোটেই ৰাজ্যৰ লোক গণনা বা পিয়ল কৰি যুদ্ধক্ষম ব্যক্তি সকলক নানাশ্ৰেণীৰ কৰ্ম্মচাৰীৰ অধীনত বিভক্ত কৰিছিল। প্ৰত্যেক কুৰিজনৰ ওপৰত 'ঠাকুৰীয়া' এশজনৰ ওপৰত 'শইকীয়া' এহেজাৰজনৰ ওপৰত 'হাজৰিকা' তিনিহেজাৰৰ ওপৰত 'উমৰাহ' আৰু ষাঠি হেজাৰ পাইকৰ (যোদ্ধা শ্ৰমিক) ওপৰত আছিল নবাব নামক কৰ্ম্মচাৰী বা সৈন্যাধ্যক্ষ। সৈন্য বিভাগৰ ভিতৰত নৌসেনা আৰু গোলন্দাজ বাহিনী শক্তিশালী আছিল। মহাৰাজ বিশ্বসিংহৰ বহুসংখ্যক হস্তী, অশ্ব, গাধ, মহ, আৰু উটো আছিল। অসামৰিক শাসনত লস্কৰ, ভূঞা, বৰুৱা, মজুমদাৰ আদি উপাধিধাৰী কৰ্ম্মচাৰী নিযুক্ত কৰিছিল আৰু এক পৰম্পৰাৰ সৃষ্টি কৰিছিল। ৰাজ্যৰ ওচৰ চুবৰীয়া অঞ্চল ভিতৰুৱা, বেলতলা, ৰাণী-লুকী, বকাই, পাম্বান, ৰকো, বনগাওঁ, মৈৰাপুৰ, তোলাগাওঁ, ছয়গাওঁ ৰাইনগৰ, দৰঙ, কছাইবাড়ী, আঠিয়াবাৰী, কামতাবাড়ী বলৰামপুৰ ইত্যাদিৰ মুখ্য বা প্ৰধান সকলক বিশ্বসিংহই সামন্ত মুখ্যৰ (সামন্ত ৰজা) পদ দান কৰিছিল। এই সকলো প্ৰতিবেশী সামন্ত সকলে নিজ নিজ অঞ্চলত

উৎপাদিত খনিজাত, বনজাত, কৃষিজাত তথা বিভিন্ন দ্ৰব্যাদিৰ নিয়মিত কৰ হিচাবে যোগান ধৰিছিল বুলি ৺গুণাভিৰাম বৰুৱাৰ অসম বুৰঞ্জীত আছে।

বিশ্বসিংহৰ ধৰ্ম্ম ঃ কামাখ্যা ধামৰ পুনৰ্নিৰ্মাণ ঃ— কামাখ্যা তীৰ্থ বৰ্ত্তমান হিন্দুমাত্ৰৰেই এক প্ৰধান তীৰ্থস্থান। কিন্তু তাক আজিৰ অৱস্থালৈ উন্নীত কৰাত বিশ্বসিংহই এটা প্ৰধান ভূমিকা লৈছিল। পুৰাণ আৰু তন্ত্ৰশাস্ত্ৰ বিলাকত এই মহাতীৰ্থৰ বৰ্ণনা আছে। এইমতে প্ৰাচীন কামৰূপৰ ৰজা নৰকাসুৰে সৰ্ব্বপ্ৰথমে এই মন্দিৰ নিৰ্মাণ কৰে। কালক্ৰমত এই মন্দিৰ ভগ্নপ্ৰায় হৈ মাটিৰ স্তূপৰ তলত সোমাই অজ্ঞাত অৱস্থাত থাকে। মন্দিৰ ধ্বংস হোৱাৰ কাৰণ হিচাবে ধৰি লব পাৰি নৈসৰ্গিক কাৰণত হোৱা ভূমিকম্প, শিলাবৃষ্টি আদি আৰু সামাজিক উত্থান পতন। নৰকাসুৰে এই মন্দিৰ নিৰ্ম্মাণ কৰালৈ চাই বুজিব পাৰি। ই পোনতে হয়তো অনাৰ্য্য সকলৰ উপাসনাৰ থল আছিল। আৰ্য্য ধৰ্ম্ম বিস্তাৰৰ লগে লগে হিন্দু ধৰ্ম্ম তীৰ্থস্থান ৰূপে পৰিগণিত হয়। সেই সময়তেই প্ৰশস্তিমূলক পুৰাণ আৰু পুথিসমূহ ৰচিত হয়; আৰু কামাখ্যা স্থানৰ মাহাত্ম্য প্ৰচাৰ হয়। পিছত বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱে হিন্দু ধৰ্ম্ম ম্লান কৰি দিয়ে। পিছত হিন্দু ধৰ্ম্মৰ পুনৰুত্থান ঘটে শঙ্কৰা-চাৰ্য্যাৰ প্ৰভাৱত; কামাখ্যা পীঠৰ অস্তমিত অৱস্থা সম্ভৱ সেই সময়তেই হৈছিল।

অসম বা কামৰূপৰ ইতিহাস পৰ্য্যালোচনা কৰিলে এই কথা স্পষ্ট হয় যে আৰ্য্যসংস্কৃতি তথা ধৰ্ম্মৰ প্ৰভাৱ এই অঞ্চলত বহু পিছত সম্প্ৰসাৰিত হয়। আহোম স্বৰ্গদেউৰ দিনত মাত্ৰ ব্ৰাহ্মণ অনালৈ চাই এই কথাৰ যথাৰ্থতা সহজতে ওলাই পৰে। ব্ৰাহ্মণ নোহোৱাকৈ হিন্দু ধৰ্ম্মাচাৰণৰ পূৰ্ণ প্ৰভাৱ থকাটো অকল্পনীয়। সেয়ে কামাখ্যাপীঠৰ আগৰ স্থিতি সম্বন্ধে সন্দিহানতাৰ প্ৰশ্ন উঠে। ভাৰতৰ বহু মঠ-মন্দিৰ মহাজিনৰ নিজা বুৰঞ্জী ওলে ধৰণৰেই। গতিকে, কামাখ্যা পীঠৰ নিজা বুৰঞ্জী সহজ্যাৰত বুলি কোৱাত আচৰিত হবলগীয়া একো নাই। কথিত আছে যাত্ৰা প্ৰতিষ্ঠাৰ আৰম্ভণিতে

এদিন বিশ্বসিংহৰ ভায়েক শিষ্যসিংহৰ লগত নীলাচলৰ ওপৰলৈ যায়। তাত কাকো দেখা নাপাই উভতি আহোতে এজোপা বট গছৰ তলত এটা মাটিৰ স্তূপৰ ওপৰত বুঢ়ী এজনীক বহি থকা দেখিবলৈ পালে। তেওঁলোকৰ পিয়াহ লাগিছিল। বৃদ্ধাৰ ওচৰত পানী বিচাৰোতে স্তূপৰ পৰা নিগৰি অহা এটি নিজৰাৰ পানীৰে তেওঁলোকৰ তৃষ্ণা নিবাৰণ কৰিলে। বৃদ্ধাৰ লগত আলোচনা কৰি তেওঁলোকে বুজিবলৈ পালে যে নিশ্চয় ই কোনোবা শক্তি-পীঠত বিশ্বসিংহই তেতিয়া তাত মান, আগবঢ়ালে যে যদি দেৱীৰ দয়াত তেওঁৰ ৰাজ্য নিষ্কণ্টক হয়, তেতিয়া তেওঁ তাত সোণৰ মন্দিৰ নিৰ্ম্মাণ কৰি দিব। এই ঘটনাৰ কিছুদিন পিছতেই বিশ্বসিংহই ৰাজ্যত সুপ্ৰতিষ্ঠিত হৈ পৰে। তেতিয়া বিশ্বসিংহই পণ্ডিত সকলক মতাই আনি আলোচনাৰ দ্বাৰা সিদ্ধান্ত কৰে যে এই মহাপীঠেই কামপীঠ। তেতিয়া তেওঁ আধুনিক প্ৰত্নতাত্ত্বিকৰ দৰেই খনন কাৰ্য্য কৰিবলৈ আদেশ দিয়ে। তাৰফলত মহামুদ্ৰাপীঠ আৰু প্ৰাচীন মন্দিৰৰ ভগ্ন অংশ আৱিষ্কাৰ কৰে। তাৰ পিছত তেওঁ এই মন্দিৰৰ পুননিৰ্ম্মাণ কৰে। এই মন্দিৰ নিৰ্ম্মাণ কৰোঁতে সোণৰ পৰিবৰ্ত্তে প্ৰতি ইটাত এক ৰত্তিকৈ সোণ দিয়ে।

মুছলমান আক্ৰমণকাৰী সকলে কামতাপুৰৰ কামতেশ্বৰী মন্দিৰ (দিনহাটা মহকুমাৰ বৰ্ত্তমান গোসানীমাৰী গ্ৰাম) বিনষ্ট কৰিছিল। ধৰ্ম্ম-প্ৰাণ বিশ্বসিংহই ইয়াৰ সংস্কাৰ সাধন কৰে। আগতে অন্ধুৰিওৱা মতে উত্তৰ পূৰ্ব ভাৰতত তেতিয়া হিন্দু ধৰ্ম্মৰ প্ৰভাৱ কম আছিল। বিশ্বসিংহই কনৌজ, মিথিলা, নবদ্বীপ, কাশী, গৌড় প্ৰভৃতি স্থানৰ পৰা ব্ৰাহ্মণ আনি কামতেশ্বৰী কামাখ্যা বা অন্যান্য মন্দিৰ বিলাকত নতুনকৈ নিয়মিত পূজা অৰ্চ্চনাৰ ব্যৱস্থা কৰিছিল। হিন্দু ধৰ্ম্মৰ পোষকতা কৰি প্ৰকৃত পক্ষে তেওঁৱেই এই অঞ্চলত হিন্দু ধৰ্ম্মৰ পুনৰ প্ৰতিষ্ঠাত সহায়ক বুলি কলেও বঢ়াই কোৱা নহয়। শিৱ আৰু দুৰ্গাক উপাসনাৰ দেৱ দেৱী হিচাবে লৈছিল আৰু ব্ৰাহ্মণ্যমতৰ আচাৰ ব্যৱহাৰ গ্ৰহণ কৰিছিল। অকল সেয়ে নহয়; সেই যুগত

প্ৰবাহিত নব বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতিও প্ৰগাঢ় শ্ৰদ্ধা দেখুৱাইছিল। নিজৰ পালিকা শক্তিৰ 'নাৰায়ণ' পালিকা শক্তিৰ লগত বিজাই তেওঁৰ পুত্ৰসকলৰ নামৰ লগত 'নাৰায়ণ' যুক্ত কৰিছিল। পৰৱৰ্ত্তীকালত কোচ ৰাজবংশৰ সকলো ৰজা ৰাজকুমাৰ তথা বিশিষ্ট ব্যক্তিসকলে নামৰ শেষত 'নাৰায়ণ' ব্যৱহাৰ কৰিছিল আৰু আজিও প্ৰচলিত আছে বুলি ৺গুণাভিৰাম বৰুৱাৰ 'অসম বুৰঞ্জী' আৰু দৰং ৰাজবংশাৱলীত পোৱা যায়।

সাহিত্যানুৰাগ :— বিশ্বসিংহ অতিশয় বিদ্যানুৰাগী নৃপতি আছিল। ধৰ্মচৰ্চাৰ কাৰণে ব্ৰাহ্মণ পণ্ডিত সকলক মাটি দান দক্ষিণা দি মন্দিৰবোৰত পূজা অৰ্চ্চনা কৰাৰ বাহিৰেও পণ্ডিত ব্ৰাহ্মণ সকলক ৰাজ সভাত বিদ্যা চৰ্চাৰ বাবে সংস্থাপিত কৰিছিল। কান্যকুব্জৰ পৰা ৰজাই আচাৰ্য্যক কামাখ্যা দেৱীৰ সেৱা পূজাত নিয়োগ কৰিছিল আৰু ব্ৰহ্মোত্তৰ মাটি দান কৰিছিল। ৰত্নভাৰ্চায্যই 'কামাখ্যা তন্ত্ৰ' ৰচনা কৰিছিল। পীতাম্বৰ দ্বিজক বিশ্বসিংহই সভা কবি পদেৰে অলঙ্কৃত কৰিছিল। বিশ্বসিংহৰ পৃষ্ঠপোষকতাত পীতাম্বৰ দ্বিজই 'মাৰ্কণ্ডেয়' অনুবাদ কৰিছিল। ১৫৩৩ খৃঃ 'উষা পৰিণয়' কাব্য আৰু ভাগৱত দশম স্কন্ধ এওঁৰ আন উল্লেখযোগ্য গ্ৰন্থ। এইজনা ৰজাৰ পৃষ্ঠপোষকতাতেই দুৰ্গাবৰে 'গীতি ৰামায়ণ' আৰু মনকৰে 'মনসামঙ্গল' ৰচনা কৰিছিল; যিয়ে অসমীয়া সাহিত্যৰ অমৰ সম্পদ হৈ গৈছে।

মহাৰাজ বিশ্বসিংহৰ কৃতিত্ব :— দেশৰক্ষক, ধৰ্মৰক্ষক আৰু সংগঠক হিচাপে বিশ্বসিংহৰ নাম পূৰ্ব্ব ভাৰতৰ ইতিহাস চিৰকাল স্বৰ্ণাক্ষৰেৰে লিখা থাকিব লাগিছিল। তথ্যমতে একন সাধাৰণ পঞ্জা চৰ্মাৰৰ পুত্ৰ হৈ নিজ বাহুবলেৰে এক অতি শক্তিশালী ৰাজ্যৰ ভেটি স্থাপন কৰাটো অতি বিস্ময়কৰ কাহিনী যি মানৱ ইতিহাসত বিৰল। এক অতি সংকটময় মুহূৰ্ত্তত পূৱ ভাৰতক মুছলমান আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ লগতে আৰ্য্য হিন্দু ধৰ্মৰ পুনৰ্জাগৰণ সম্ভৱ কৰি তুলিছিল। বিশ্বসিংহই পূৰ্বভাৰতত একেশ্বৰী

ভাৱে ক্ষমতাপন্ন হৈ উঠাৰ পিচত তেওঁৰ প্ৰজাবৰ্গ আৰু কোচ গোষ্ঠীৰ লোক সকল পূৰ্ব্বৰ বৌদ্ধ ধৰ্ম্মৰ তান্ত্ৰিকতা আৰু ম্লেচ্ছ ধৰ্ম্মীয় আচাৰ পৰিত্যাগ কৰি হিন্দুত্ব গ্ৰহণ কৰে আৰু নৈষ্ঠিক শাক্ত বুলি পৰিচয় দিয়ে। ইয়াৰ আগলৈ কোনো কোনো ক্ষেত্ৰত কলিতাবিলাক ধৰ্ম্ম বিষয়ত উপদেষ্টা হিচাবে আছিল হেনো। বিশ্বসিংহই ৰাজপাটত উঠাৰ পিছত পশ্চিমৰ ব্ৰাহ্মণ্য হিন্দুধৰ্ম্ম আৰু আৰ্য্য সংস্কৃতিৰ কেন্দ্ৰ স্থান কনৌজ, কাশীৰ পৰা ব্ৰাহ্মণ আনি দীক্ষা গ্ৰহণ কৰিছিল আৰু তেওঁলোকক ব্ৰহ্মোত্তৰ মাটি প্ৰদান কৰি ধৰ্ম্ম বা ৰাজ্যশাসন বিষয়ত উপদেষ্টা নিয়োগ কৰিছিল। ড° নেওগৰ মতে বিশ্বসিংহ হিন্দুধৰ্ম্মত দীক্ষিত প্ৰথম কোচ। অকল সেয়ে নহয় সেই যুগত যেতিয়া ধৰ্ম্মীয় বিচাৰ ধাৰাৰে ৰাজনৈতিক, সামাজিক জীৱন যাত্ৰা পৰিচালিত হৈছিল ব্ৰাহ্মণ্য হিন্দুধৰ্ম্মৰ উত্তৰ সাধক হিচাবে তেওঁ অতীৱ মহান দায়িত্ব পালন কৰিছিল। সেয়ে কামতাৰ সংস্কৃতিৰ পূৰ্ব্ব ধাৰাক অক্ষুন্ন ৰখাৰ বাবে কামেশ্বৰ উপাধি গ্ৰহণ কৰিছিল। তেওঁৰ অন্যান্য সাধাৰণ সংগঠনী শক্তি কোচ ৰাজ্যৰ শাসন ব্যৱস্থাৰ প্ৰতিটো দিশতে প্ৰতিফলিত হৈছিল। পূৰ্ব্ব ভাৰতৰ বিচ্ছিন্ন কোচ ৰাজবংশী জাতিটোক পুণৰপি এক স্বাধীন ৰাষ্ট্ৰ আৰু জাতীয়তাবোধেৰে উদ্বুদ্ধ কৰি তোলাটোৱে অন্য কৃতিত্বৰ লগতে ই তেওঁৰ সৰ্ব্বশ্ৰেষ্ঠ কীৰ্ত্তি। মহাৰাজ বিশ্বসিংহ নিঃসন্দেহে এক বিস্ময়কৰ প্ৰতিভাৰ চিনাকী। কোচবিহাৰ চহৰৰ 'বিশ্বসিংহ ৰোড' তেওঁৰ প্ৰতি কোচ বিহাৰ বাসীৰ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ পৰিচয় বহন কৰি আছে।

বিশ্বসিংহৰ পুত্ৰসকল :— যোগিনী তন্ত্ৰত পোৱা যায়—

"তস্যাপি বহৱঃ পুত্ৰাঃ পৃথিবী পৰিপালিকা।
কুৰাচাঃ ধাৰ্ম্মিকাঃ সৰ্বেৰাজনো যুদ্ধ দুৰ্ম্মদা ॥" ১৩। পূৰ্ব্ব খণ্ড
—যোগিনী তন্ত্ৰ।

অৰ্থাৎ বিশ্বসিংহৰ পৃথিৱী পালক বহুপুত্ৰৰ জন্ম হয় তাৰ ভিতৰত কুৰাচসকল প্ৰত্যেকেই ধাৰ্ম্মিক ৰজা আৰু দুৰ্দ্ধৰ বীৰ যোদ্ধা আছিল। সকলো তথ্যমতে

তেওঁৰ আঠাৰোজন পুত্ৰ (মতান্তৰে উনৈশ) জন্মিছিল। তাৰ ভিতৰত নৰসিংহ, মল্লদেৱ, শুক্লধ্বজ, আৰু কমল নাৰায়ণ (গোহাঁই কমল) সকলতকৈ অধিক প্ৰসিদ্ধ। এই অষ্টাদশ ৰাজকুমাৰ বেহাৰৰ পূৰ্ব্বে গদাধৰ নদীৰ পূব পাৰত চিলাখানাৰ ওচৰত "আঠাৰো কোঠা"ত বসবাস কৰিছিল। বৰ্ত্তমান ৰূপসী বিমান কোঠৰ উত্তৰ পশ্চিমত পাহাৰ ওপৰত ই অৱস্থিত আছিল।

বঙ্গদেশৰ চুলতানৰ কোচ ৰাজ্য আৰু আহোম অভিযান :—

বিশ্বসিংহৰ ৰাজত্বকালত বঙ্গৰ নবাবে কেৰাবাৰো পূৰ্বকালে অভিযান চলাইছিল। আহোম বুৰঞ্জী আৰু অসম বুৰঞ্জীবিলাকত এই অভিযানবিলাকৰ সেনানায়কৰ নাম, সৈন্য চলাচলৰ গতিপথ সময়ৰেখা আৰু অন্যান্য বিস্তৃত বিৱৰণ লিপিবদ্ধ কৰা আছে। এই অভিযানকাৰী সকলৰ ভিতৰত বড় উজীৰ, বিৎমালিক আৰু হিৎমালিক তুৰ্ব্বকক, মুৰ্ত্তজানা, হুসেন খাঁ, আৰু তাজু নবাবৰ নাম বিশেষ উল্লেখযোগ্য। এই অভিযানবিলাকৰ সময় ৰেখা ১৫২৭ খৃষ্টাব্দৰ পৰা ১৫৩২ খৃষ্টাব্দলৈকে সীমাবদ্ধ আছিল। এই আক্ৰমণকাৰী সেনাবাহিনীবিলাকৰ গতিপথ বিশ্বসিংহৰ ৰাজ্যৰ ভিতৰেদি আছিল। এওঁলোকৰ বহুতৰে লগতে যুদ্ধ কৰোতে বিশ্বসিংহৰ ৰাজ্যৰ মাজেৰে কৰতোৱা নদী পৰ্য্যন্ত অগ্ৰসৰ হৈছিল বুলি ৺গোলাপ চন্দ্ৰ বৰুৱা ৺সূৰ্য্য কুমাৰ ভূঞা, হেমচন্দ্ৰ গোস্বামী, হৰকান্ত বৰুৱা সদৰামিন, পদ্মনাথ গোহাঁই বৰুৱা আদিৰ বুৰঞ্জীত উল্লেখ আছে। বিশ্বসিংহৰ সমসাময়িক আহোম স্বৰ্গদেও আছিল স্বুহুংমুং। আহোম বুৰঞ্জী তথা অসম বুৰঞ্জীত লিখিত আছে যে তেওঁ স্বুহুংমুংৰ লগত মিত্ৰতা স্থাপন কৰিছিল। সেয়ে আহোম সেনাপতি সকলে যেতিয়া মুছলমান আক্ৰমণকাৰী সকলক কৰোতোৱা নদীলৈকে খেদি পঠিয়াইছিল, বিশ্বসিংহই সকলো ধৰণৰ সাহায্য আগবঢ়াইছিল। ইয়ে তেওঁলোকৰ মাজত থকা মিত্ৰভাৱ বান্ধনৰ স্বৰূপ দাঙি ধৰে। অনুমান ইং ১৫৩৩ চনত (মতান্তৰে ১৫৪০ চনত) বসন্ত ৰোগত মতান্তৰে বিস্ফোটকত আক্ৰান্ত হৈ মহাৰাজ বিশ্বসিংহই পৰলোক প্ৰাপ্ত হয়।

৯ম অধ্যায়

পূৰ্ণ্যাখাৰ নৃপতি- নৰসিংহ— মহাৰাজ বিশ্বসিংহৰ মৃত্যুৰ পিছত জ্যেষ্ঠপুত্ৰ কুমাৰ নৰসিংহই ৰাজ্যৰ পূব অঞ্চলৰ পৰা গৈ ১৫৩৩-৩৪ চনত পিতৃ সিংহাসনত আৰোহন কৰে। নৰসিংহই ৰাজপাটত বহাৰ পূৰ্ব্বে বৰ্ত্তমান বৰপেটা (কামৰূপ) জিলাৰ পাঠশালা ৰেলষ্টেচনৰ পৰা কিছু নিলগৰ বামাখাটা অঞ্চলত অস্থায়ী ভাবে বাহৰ পাতি আছিল ; তাৰে পৰাই ৰজাৰ বিভিন্ন খাটবোৰৰ তত্বাৱধান কৰিছিল কাৰণেই উক্ত ঠাইৰ নাম বাহৰখাটা হৈ উচ্চাৰণৰ বিৱৰ্ত্তনৰ ফলত ক্ৰমে বামাখাটা হৈছে। এই অঞ্চল আজিও কোচ অধ্যুষিত অঞ্চল ; পাটাচাৰকুচিৰ পৰা কিছু নিলগত কালদিয়া নদীৰ পাৰত থকা 'কোঁৱাৰা'ত এতিয়াও তাহানিৰ অট্টালিকাৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায় আৰু ইবোৰক উক্ত অঞ্চলৰ প্ৰাচীন অধিবাসীবোৰে আজিও নৰসিংহ ৰজাৰ অস্থায়ী ৰাজধানীৰ কীৰ্ত্তি-চিহ্ন বুলি জনশ্ৰুতি দিয়ে। প্ৰবাদ মতে এই ঠাইতেই নৰসিংহৰ পত্নীয়ে প্ৰথম অন্তঃসত্বা হোৱাৰ কাৰণে ; পৰৱৰ্ত্তী কালত পিতৃ ৺বিশ্বসিংহৰ ৰাজসিংহাসনৰ বাবে কাজিয়াৰ ফলত পলাই আহি এই ঠাইতেই প্ৰথমে আশ্ৰয় লোৱাৰ বাবেই হয়তো তেওঁৰ সহ-ধৰ্ম্মিণীৰ অন্তিম ইচ্ছা উক্ত ঠাইতেই মৃত্যুৰ পিছত সমাধিস্থ কৰা হয়। আচৰিত কথা এটি পুত্ৰ সন্তান জন্মাৰ পিছতেই তেওঁৰ সহ-ধৰ্ম্মিণীৰ মৃত্যু হয় আৰু ইয়াতেই তাইক সমাধিস্থ কৰা হয়। পুত্ৰটিৰ নাম অনিৰুদ্ধ আছিল। নৰসিংহক বঙ্গালীৰ ৰজা বুলিও খ্যাত আছিল। অৱশ্যে এই কথাত ঐতিহাসিক সত্য কিমান দূৰ আছে সি গৱেষনা সাপেক্ষ ; যিহ'ক মহাৰাজ বিশ্ব-সিংহৰ মৃত্যুৰ সময়ত নৰনাৰায়ণ আৰু চিলাৰায় ৰাজ্যৰ বাহিৰত

কাশীত অধ্যয়ণ ৰত অৱস্থাত আছিল। কাশীত ব্ৰহ্মানন্দ সন্ন্যাসীৰ আশ্ৰমত থাকি ব্যাকৰণ, সাহিত্য, জ্যোতিষ, শ্ৰুতি, স্মৃতি, ন্যায়, মীমাংসা, পুৰাণ আদিত শিক্ষা গ্ৰহণ আৰু সকলো অস্ত্ৰ-সস্ত্ৰতে বিশেষ বুৎপত্তি লাভ কৰি থাকে। ইতিমধ্যে মহাৰাজ বিশ্বসিংহৰ মৃত্যু হোৱাত— "তিথি বাৰ খেন লগ্ন শুভ যোগ চাই

সেহি পাটে ৰাজা ভৈলা নৰসিংহ ৰাই ॥
তীৰ্থোদক অনায়া কৰিলা অভিষেক।
অসংখ্যাত ধন-বস্ত্ৰ বিলাইলা প্ৰত্যেক ॥
শুদ্ধ কীৰ্ত্তি যশস্তা গৈলেক তিনি লোক।
মিত্ৰে পাইলা আনন্দ শক্ৰয়ে পাইলা শোক ॥
মল্ল শুক্ল দুইৰ ধাই মাতৃ আছিলন্ত।
তাহান মনত দুখ ভৈল অপৰ্য্যন্ত ॥
মনে বোলে বিশ্বসিংহ ৰাজা আজ্ঞা দিলা।
মল্ল শুক্ল দুইক ৰাজা হৈবাক বুলিলা ॥
আজি দেখো সেহি বাক্য ভৈল বিপৰ্য্যয়।
দেখোঁ কেনে মতে নৰসিংহ ৰাজা হয় ॥
এহি বুলি মনে মনে পত্ৰ লেখিলন্ত।
বাৰাণসী থানে শীঘ্ৰে দূত পঠাইলন্ত ॥

পিতৃ বিয়োগ আৰু জ্যেষ্ঠ ভ্ৰাতৃ নৰসিংহৰ সিংহাসনত আৰোহন কৰাৰ সংবাদ এইদৰে গোপনে পাই নৰনাৰায়ণ আৰু শুক্লধ্বজ দুই ভায়েকে তৎক্ষণাৎ স্বদেশলৈ গুচি আহে আৰু ৰাজসিংহাসনৰ বাবে প্ৰত্যক্ষ বিবাদ লগাই দিয়ে। এই বিবাদৰ ফলত ৰাজ্যত আৰু ৰাজধানীত দুটা সংগ্ৰামী দলৰ সৃষ্টি হয়। বহুতো ৰাজকৰ্ম্মচাৰী আৰু মুখীয়াল প্ৰজাই নৰনাৰায়ণৰ পক্ষ লোৱাত চুৰচুৰীয়াকৈ এখন ধুমাৰ (আত্মীয়ৰ ভিতৰত লগা খণ্ড যুদ্ধ) সৃষ্টি হয় ;—

"এহি বুলি আশীর্ব্বাদ সন্ন্যাসীয়ে দিলা।
গুৰুক অৰ্চিয়া নিজ দেশক আসিলা ॥
যেতিক্ষণে নিজ দেশ পাইলা দুই ভাই।
ধুমাজয় ৰণ দিলা সনৰসিংহে পাই ॥
ৰণহাৰি নৰসিংহে পুত্ৰ হাতে ধৰি।
মৰঙ্গ দেশক গৈলা পলাই লৰৰি ॥

ৰাষ্ট্ৰনীতিৰ আওঁ-ভাওঁ নোলোৱা ধৰ্ম্মভীৰু সৰল প্ৰাণ নৰসিংহই নিৰুপায় হৈ সপৰিয়ালে মাত্ৰ চাৰিজন পাৰিষদেৰে সৈতে ৰাজত্বৰ প্ৰতীক 'দশভূঁজা দেবী মূৰ্ত্তি' আৰু 'হনুমান দণ্ড' লগত লৈ আজিকালিৰ উত্তৰ কামৰূপ (বৰপেটা জিলা) অঞ্চলত পলাই যায়। শেষত মোৰঙ্গি ৰাজ্যত প্ৰবেশ কৰে। উক্ত বস্তু দুটি উদ্ধাৰৰ কাৰণে মোৰঙ্গি ৰাজ্য-লৈকে নৰনাৰায়ণ আৰু শুক্লধ্বজে খেদি যোৱাত নৰসিংহই মাতৃ-ৰাজ্য নেপাললৈকে আতৰি যায়। শুক্লধ্বজে নেপাললৈকে খেদি যোৱাত নৰসিংহই হনুমানদণ্ড আৰু দেবী মূৰ্ত্তি শুক্লধ্বজৰ হাতত দূত যোগে সমৰ্পন কৰি গেলেও ভোটৰ ৰাজ্যত অৰ্থাৎ তিব্বতৰ নামনি অঞ্চলত প্ৰবেশ কৰে। কোচবিহাৰৰ ইতিহাস'ৰ মতে নৰসিংহই ভোটান ৰাজ্যত হিঙ্গোলা আৰু শঙ্খ (পাট্চু আৰু মাট্চু) নামৰ দুই নদীৰ মধ্যৱৰ্ত্তী স্থান 'পূৰ্ণখাতা' (পুণ্যাখ্যা)ত নগৰ প্ৰতিষ্ঠা কৰি নৰসিংহই ৰাজত্ব কৰি থাকে ;—

"খেদিয়া দুৰ্গম পন্থ আসিলন্ত ফিৰি।
পিতৃ ৰাজ্য পাইলো দুয়ো ভৈল ৰাজচিৰি ॥
পাত্ৰ মন্ত্ৰী সকলে আসিয়া লগ লৈলা।
শুমা নৰসিংহ ৰাজা ভৈক লাগি গৈলা ॥
কাশ্মীৰ দেশৰ হুন্তে শিৰক চিন্তিয়া।
পুত্ৰ সমে হিমৱন্ত গিৰী পাইলা গৈয়া ॥

শঙ্খ যে হিন্দোলা দুই নদীৰ মধ্যত।
শৈল নৃপতিৰ পাট আছিল পূৰ্ব্বত ॥
অনেক গেলেও ভোটে পৰিচৰ্য্যা কৰে।
সেহি থানে বৈলা নৰসিংহ নৃপবৰে ॥

সেই সময়ত ভোটানত কোনো ৰজা নাছিল ; তিব্বতৰ লামা ৰজাই নাম মাত্ৰ শাসন কৰিছিল। পূৰ্ণখাতা বা পুণ্যাখাৰ অৱস্থিতি সম্পৰ্কে Story of Bhotan War নামৰ গ্ৰন্থত ডঃ ৰেণীয়েও অনুৰূপ বৰ্ণনা দিছে; It is situated on a sandy stony delta formed by the junction of the rivers Patchoo and Matchoo and it is built in the front of a rectangle enclosing a court-yard, in the centre of which there is a six-storied tower...... Both of these rivers are swift and deep streams. The Matchoo rises from the foot of the snoway mountains of Ghassa; while the Patchoo has a more easternly course. After their junction at Poonakha they flow to the Berhampooter under the united name of Patchoo-Matchoo or Father and Mother river" (Page 138).

এইদৰে নৰসিংহই পূৰ্ণখাতাত অৰ্থাৎ ভল্লাট বা ভুটান অঞ্চলত ৰাজধানী পাতি ৰাজত্ব কৰি থাকে। তেওঁ সকৰে পৰাই অতি ধৰ্ম্ম-ভীৰু আৰু শান্তিপ্ৰিয় ব্যক্তি আছিল কাৰণে বৌদ্ধধৰ্ম্মাৱলম্বী প্ৰজা সকলৰ মানত তেওঁ ধাৰ্ম্মিক ৰজা বা 'দেৱধৰ্ম্মা' ৰজা নামে খ্যাতি লাভ কৰিছিল ;—

বাৰশ গেলেও সমে নিতে গান গাই।
পৰম আনন্দ হৈয়া ৰহিলা সদাই ॥
দেবাক পাতিলা সৰ্ব ৰাজ্য অধিকাৰী।
তাহান আজ্ঞাত চলি থাকে নৰ-নাৰী ॥

ডঃ বেণীৰ 'ভূটান যুদ্ধ'ত আছে তিব্বতৰ ৰাজধানী লাছাৰ পৰা সৈন্য বাহিনীয়ে ভূটানত প্ৰবেশ আৰু বসতি লোৱাৰ পূৰ্ব্বে এই ভূটান অঞ্চলত টেক্‌চাচ্ জাতিৰ লোকৰ স্থায়ী বসতি আছিল। টেক্‌চাচ্ ভূটীয়া ভাষাৰ শব্দ আৰু ইয়াৰ প্ৰকৃত অৰ্থ কোচ, অৰ্থাৎ ভূটানখন পূৰ্ব্বতে কোচ অধ্যুষিত অঞ্চল আছিল। বাবু কৃষ্ণকান্ত বসুয়েও ১৮১৫ চনত ভূটান পৰিভ্ৰমণ কৰি প্ৰস্তুত কৰা ভ্ৰমণ টোকাত লিখিছে যে ১৭ শতিকাৰ আগলৈকে ভূটানত কোচ সকলে ৰাজত্ব কৰিছিল। নেপালৰ ইতিহাসতো মহাৰাজ বিশ্বসিংহৰ জ্যেষ্ঠ পুত্ৰ নৰসিংহই ভূটানত ধৰ্ম্মৰাজা হৈ ভূটানৰ শাসন কৰ্ত্তা হয়। ভূটানৰ আচল নাম ভোটান্ত— (ভোট + অন্ত); অৰ্থাৎ তিব্বতৰ নামনি। আজিও পাটাচাৰকুছি থানাৰ অন্তৰ্গত অঞ্চলবোৰত কোচ মানুহৰ ঘন বসতি হৈ আছে আৰু ভোটেৰ বৰি, ভোটান্ত সাদেৰী আদি নামৰ গাওঁ আছে। সৌ সিদিনালৈকে থকা ৺ ৰাজা অজিত নাৰায়ণৰ পূৰ্ব্বৱৰ্ত্তী চদলী ৰাজবংশটোও ভূটীয়া ৰাজবংশৰ সৈতে অতি ঘনিষ্ঠ থকা এটা কোচ ৰাজবংশ; বিজনী ৰাজ্যখনো ভূটীয়াৰ স্মৃতি বিজড়িত এই বিষয়ে চিদলী আৰু বিজনী ৰাজ্যৰ অধ্যায়ত পৃথকভাবে আলোচনা কৰা হৈছে। তলৰ উদ্ধৃতিবোৰ এই দিশত বিশেষ প্ৰণিধান যোগ্য :—

"In ancient time the country of Bhutan was ruled by independent small chieftains, but no historical account of that period is available...... Babu Krishna-kanta Basu mantioned in the account of his travels in Bhutan (1815 A.D.) that upto the 17th. Century the Koch tribe resided in Bhutan....... the substance of the history of Bhutan is that under the orders of the authorities of Lhasa, some Tibatan soldiers came from the velley of the Tsangpu river of Bhutan and began

to reside there. At that tlme Bhutan was in the possession of Tefus i, e, Koches. The Tefus were defeated in battle with Tibatian soldiers and were driven to the low land. The decendents of those Tefus who did not leave Bhutan are now living in Bhutan in a most backward stage...... when Narasngha the eldest son of Maharaj Vishwasingha, was driven away by his younger brother Naranarayan, he went to Bhutan and became the Dharmaraja in that place. To manage the work of administration he created the post of 'deva' and divided the whole country of Bhutan into three parts named Daga (Daka), Tongsa or Tongsu and Paro and placed those under three Pallas (Pentos) ...... The real name of Bhutan is 'Bhotanta' (Bhot + Anta). Bhotanta has subsequently been corrupted into 'Bhotan' and 'Bhutan' in common parlance. (Narrative of the Bogle rission, Bhutan and story of Dooar's War, History of Nepal etc).

ৰাজোপাখ্যানৰ মতে মহাৰাজ নৰসিংহ ৰাজপাটৰ দাবী স্বেচ্ছায় কণিষ্ঠ ভ্ৰাতৃ নৰনাৰায়ণৰ পক্ষে ত্যাগ কৰিছিল। আনহাতে মহাৰাজ বংশাৱলীৰ লিখিত থকা মতে নৰসিংহ উত্তৰ ৰাজ্য ভূটান দেশৰ ৰজা হৈছিল। দৰং ৰাজবংশাৱলীত থকা মতে নৰনাৰায়ণ আৰু চিলাৰায়ে বেনাৰসৰ পৰা আহিহে শাৰীৰিক শক্তি প্ৰদৰ্শনৰ ভাবুকিৰেহে নৰনাৰায়ণে স্বৰ্গীয় পিতৃৰ সিংহাসনত আৰোহণ কৰিব পাৰিছিল আৰু শেষত নৰসিংহই ভূটানত ৰাজত্ব কৰি দুয়ো ভাতৃয়ে নিজা নিজা ক্ষেত্ৰত পিছলৈ মিলা-প্ৰীতিৰে ৰাজত্ব কৰিছিল।

—★★★—

১০ম অধ্যায়

কোচ ৰাজত্বৰ তুঙ্গস্থান

কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণ :— আৰ্য্য কৃষ্টিৰ চৰ্চ্চাক্ষেত্ৰৰ অংশ বিশেষ গৌড়াঙ্গ মহাপ্ৰভুৰ লীলাভূমি গৌড় ৰাজ্যৰ দুহিতা অৰ্থাৎ বৰ্ত্তমানৰ মল্লদ বা মালদহ (মালদা) অঞ্চলৰ সুকন্যা হেমপ্ৰভা দেবীৰ গৰ্ভজাত সন্তান মল্লবীৰ বা মল্লদেৱ ওৰফে নৰনাৰায়ণে পিতৃ ৺বিশ্বসিংহৰ মৃত্যুৰ পিছত সদ্য মুক্ত হোৱা ৰাজ-সিংহাসনত আৰোহণ কৰি মহা আড়ম্বৰেৰে ৰাজ্যাভিষেক সমাপ্ত কৰে ইং ১৫৩৩ চনত মতান্তৰে ১৫৪০ চনত। এই ৰাজ্যাভিষেক মহোৎসৱৰ বিস্তৃত বিৱৰণী তথ্যান্তৰে দিয়া হৈছে (পৃষ্ঠা ২৭-২৮ : সংগ্ৰামসিংহ চলাৰায়)। আৰ্য্যকৃষ্টিৰ প্ৰাণ কেন্দ্ৰ বাৰানসীত সুশিক্ষিত হোৱা প্ৰখ্যাত এই দুই ৰাজভ্ৰাতৃয়ে জ্যেষ্ঠ ভ্ৰাতৃ নৰসিংহৰ তেজেৰে বঞ্চিত নোহোৱাকৈ পিতৃ সিংহাসন মুক্ত হোৱাৰ পিছতে দিন-ক্ষণ-বাৰ-তিথিৰ শুভাশুভ বিচাৰ কৰি—

"বিজয় মুহূৰ্ত্ত শুভক্ষণে লগ্ন পাই।
অভিষেক দ্ৰব্য মানে আনিলা চাই ॥
সমস্ত তীৰ্থৰ জলে স্নান কৰাইলন্ত।
বাপেকৰ দণ্ড পাটে নৃপতি ভৈলন্ত ॥
আপুন ভাতৃক যুব-নৃপতি পাতিলা।
আনন্দতে সংগ্ৰামসিংহ নাম যে দিলা ॥

মহাৰাজ নৰনাৰায়ণৰ ৰাজ্যাভিষেক মহোৎসৱত শুক্লায়েক শিৱ-সিংহই (মহাৰাজ বিশ্বসিংহৰ কণিষ্ঠ ভ্ৰাতৃ) ৰজাৰ শিৰত সৰ্পফনা খচিত ৰাজছত্ৰ ধাৰণ কৰিছিল আৰু তেওঁক 'ৰায়কোট' হিচাবে স্বদেশী সৈন্য বাহিনীৰ অধিনায়ক পাতিছিল। মহাৰাজ নৰনাৰায়ণে ৰাজপাটত

উঠিয়েই পোনতে শাসন ব্যৱস্থাৰ কিছু সাল-সলনি কৰিছিল বাবেই 'দেৱান' আৰু 'নাজিৰ' নামৰ দুটা গুৰুত্বপূৰ্ণ পদৰ সৃষ্টি কৰিছিল। সেই মৰ্ম্মে কণিষ্ঠ ভাতৃ মহাবীৰ কুমাৰ শুক্লধ্বজক যুৱৰাজ (ৰজাৰ পিছতেই স্থান হিচাবে দ্বিতীয়) পতাৰ উপৰিও প্ৰধান সৈন্যাধ্যক্ষ ৰূপে নিযুক্তি দিয়া ৰ লগতে 'দেৱান'ৰ পদবীতো অধিষ্ঠিত কৰিছিল। সেয়ে পৰৱৰ্ত্তী কালত তেওঁক দেৱান চিলাৰায় বা দেৱান শুক্লধ্বজ ৰূপেও জ্ঞাত হৈছিল। অন্যতম ভাতৃ কমল নাৰায়ণক গৃহ দপ্তৰৰ ভাৰ অৰ্পণ কৰিছিল। ৰায়কোট খুড়ায়েক শিৱসিংহৰ পুত্ৰ কুমাৰ অনিৰুদ্ধক ৰাজপুত, মোগল, পাঠান আদি বেতনভোগী সৈন্য বাহিনীৰ অধিনায়ক হিচাবে নিযুক্তি দিছিল। তেনেদৰে আপোন আপোন যোগ্যতাৰ বিচাৰ কৰি অইন অইন ৰাজভাতৃ সকলকো বিভিন্ন পদবীৰে ভিন ভিন কাৰ্য্যৰ ভাৰ অৰ্পণ কৰিছিল।

বিবাহ আৰু সংঘাতৰ আৱৰ্ত্তণি :—

"পৰতাপ যাৰ নাম ৰূপে গুণে অনুপাম
সমস্ত ভূঞাঁত শ্ৰেষ্ঠতৰ।
মহাপৰাক্ৰমী বীৰ গহীন গম্ভীৰ ধীৰ
পাণ্ডুনাথে ভৈলা যাৰ ঘৰ ॥

—এই পাণ্ডুনাথৰ অৰ্থাৎ পাণ্ডু অঞ্চলৰ মহাপৰাক্ৰমী ভূঞাঁৰাজ প্ৰতাপ ৰায়ৰ বিদুষী কন্যা ভানুমতী আৰু তেওঁৰ কণিষ্ঠ ভাতৃ শ্বেতধানৰ (ওৰফে গজৰায়) গুণৱতী কন্যা চন্দ্ৰপ্ৰভা নামে সুজনী অতীৱ পৰমা সুন্দৰী আৰু আভিজাত্য কন্যা আছিল। কণিষ্ঠ ভাতৃৰ ইতিপূৰ্ব্বৰ সংগ্ৰামত মৃত্যু হোৱাত প্ৰতাপ ৰায়ে নিজ কন্যা ভানুমতী দেৱীক নৰনাৰায়ণলৈ আৰু ভাতৃপুত্ৰী চন্দ্ৰপ্ৰভাক শুক্লধ্বজলৈ বিয়া দি

মহাৰাজ নৰনাৰায়ণৰ বশ্যতা স্বীকাৰ কৰে আৰু সেই অঞ্চলৰ ভূঞা পৰিয়ালবৰ্গৰ সৈতে সুসম্পৰ্ক ৰচনা কৰে।

মহাৰাজ বিশ্বসিংহৰ ৰাজত্বৰ শেষ ভাগৰ পৰাই কোচ ৰজাৰ লগত থকা আহোম ৰাজশক্তিৰ সম্ভাৱ ক্ৰমান্বয়ে ক্ষীণ হৈ আহিছিল ; অৱশেষত মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বৰ শুভ আৰম্ভণিৰ লগে লগে সেই পূৰ্ব্বৰ ক্ষীণ সম্ভাৱ একেবাৰে চিঙি গৈ শত্ৰুতাত পৰিণত হয়। ভালেমান পৰোক্ষ আৰু প্ৰত্যক্ষ কাৰণে ইয়াৰ পটভূমি ৰচনাত ইন্ধন যোগাইছিল। আধ্যাত্মিক কাৰণ হিচাবে আহোম ৰাজবংশৰ লোক সকল আছিল প্ৰধানতঃ বৌদ্ধমতাৱলম্বী ; কিন্তু আহোম ৰাজশক্তিৰ দ্বাৰা শাসনাধিস্থ প্ৰজাসমূহৰ বেছিভাগেই আছিল হয় শাক্ত বা শৈব ; কিম্বা আৰ্য্য ধাৰাৰ অন্তৰ্গত হিন্দু নামে অভিহিত আৰু পুৰোহিত সকলৰ দ্বাৰা পৰিচালিত কাণ্ড ক্ৰিয়াৰে পৰিপূৰ্ণ চিন্তাধাৰাত বিশ্বাসী। ফলত ৰাজশক্তি আৰু প্ৰজাশক্তিৰ ভিতৰত এটা চিন্তাপ্ৰসূত সংঘাত চলিছিল। পৰৱৰ্ত্তী কালত এই সংঘাতেই পত্ৰে পুষ্পে প্ৰস্ফুটিত হৈ মোৱামৰীয়াৰ বিদ্ৰোহ ৰূপে আত্ম প্ৰকাশ কৰিছিল। এই মোৱা-মৰীয়া বিদ্ৰোহক আচলতে ৰাজশক্তিৰ বিৰুদ্ধে একশ্ৰেণীৰ বৈষ্ণৱৰ বিদ্ৰোহ বুলি অভিহিত নকৰি শোষক গোষ্ঠীৰ কুশাসনৰ প্ৰতিবাদ ৰূপে প্ৰজাসাধাৰণৰ অৰ্থাৎ শোষিত শ্ৰেণীৰ ঐক্যবদ্ধ বিপ্লৱ বুলিলেহে বেছি বাস্তৱ আৰু যুক্তি-যুক্ত। সেই কালৰ পৰা বিচাৰ কৰিলে ৰাচিয়াত হোৱা জাৰৰ (ৰাজশক্তি) বিৰুদ্ধে প্ৰজাবিদ্ৰোহো মান পৰিবলগীয়া হয় আৰু অসমীয়াৰ এই বিপ্লৱ সঠিক ভাবে পৰিবেশিত হ'লে বিশ্ববৰেণ্য হোৱাৰ সম্ভাৱনাও ৰাখে। বৌদ্ধ মতাৱলম্বী আহোম ৰাজশক্তিৰ বিৰুদ্ধে 'হিন্দু' প্ৰজাশক্তিৰ অসহযোগী মনোভাৱৰ গতি মন্থৰ আছিল ; কাৰণ পাটকাই পৰ্ব্বতৰ সিপাৰৰ পৰা প্ৰব্ৰজনকাৰী হিচাবে অহা আহোম ৰাজপুৰুষ সকলে তেওঁলোকৰ জীৱন সঙ্গিনী হিচাবে আপোন

গোষ্ঠীৰ আহোম ৰমনীক প্ৰয়োজন সংখ্যাৰে লগত লৈ অনা নাছিল। সেই সময়ত বাট-পথ নোহোৱাত, সুচল যান বাহনৰ অভাৱৰ দিনত সেয়া সম্ভৱো নাছিল। গতিকে সেই নৱাগত আহোম পুৰুষ সকলে পূৰ্ব্বৰে পৰা অতি শক্তিশালী হৈ থকা চুটজী নদীৰ তীৰভূমিত থকা দেৱস্থান বা পবিত্ৰ স্থান কুন্দিল বা কুঁদিল বা কুণ্ডিল অঞ্চলৰ অধিবাসী চুইজীয়া-চুইতীয়া-চুটীয়া সকলৰ; (চু)টিয়া—টীয়া সকলৰ আৰ্য্য কৃষ্টিৰ পৰিশোধক আৰু পুনঃ প্ৰৱৰ্ত্তক মহান বিপ্লৱী বসুদেৱ-দেৱকীৰ সন্তান শ্ৰীকৃষ্ণৰ শহুৰেক ভীষ্মক ৰজাৰ বংশধৰ মিচিমি আদিৰ তেতিয়াৰ থলুৱা বাসিন্দা সকলৰ, যিবিলাকৰ অধিকাংশই হিন্দু ভাবাপন্ন আছিল, বোৱাৰী জীয়ৰীকে আহোম পুৰুষ সকলে গ্ৰহণ কৰিবলগীয়া হৈছিল। ইয়াৰ ফলত পৰৱৰ্ত্তী কালত আহোম ৰজাই নিজস্ব হেকৰাই কেইটা পুৰুষমানৰ পিছতেই পুৰোহিত শ্ৰেণীৰ প্ৰৰোচনাত পৰি শক্তি মতবাদকে ৰাজধৰ্ম্ম হিচাবে ঘোষনা কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামী সকলক মাৰি-কাটি ৰাজ্যৰ পৰা বহিষ্কাৰ কৰি দিছিল বা তেওঁলোকে ৰাজ্য ত্যাগ কৰিছিল; বৈষ্ণৱ পন্থী প্ৰজা-সাধাৰণক বলিৰ পাঠাৰ তেজৰ ফোঁট পিন্ধাইছিল; উপায়হীন হৈ প্ৰজাসাধাৰণৰ অন্তৰত অসৎ বিৰোধী শক্তি জাগৃত হৈ অধিকাংশ প্ৰজাই ৰাজশক্তিৰ বিৰুদ্ধে 'মত-এক'—মতেক বা 'মটক' হৈ বিদ্ৰোহ ঘোষনা কৰি সৰ্ব্বসাধাৰণৰ চিন্তাধাৰাত বিশেষ প্লাৱণ বা বিপ্লৱ আনিছিল —যাক পৰৱৰ্ত্তী কালত 'মোৱামৰীয়া বিদ্ৰোহ' হিচাবে ৰাজঅনুগ্ৰহত লিখা বুৰঞ্জীত অভিহিত কৰা হৈছে।

ইয়াৰ বিপৰীতে তৎকালীন কোচ-ৰাজশক্তি আছিল সম্পূৰ্ণ আৰ্য্য ভাবাপন্ন আৰু সুশিক্ষিত; প্ৰজাসাধাৰণ আছিল হিন্দু মতাৱলম্বী আৰু পুৰোহিতৰ দ্বাৰা পৰিচালিত। গতিকে বৌদ্ধ আহোম আৰু হিন্দু কোচ-ৰাজশক্তিৰ সংঘাত অনিবাৰ্য্য। কাৰণ পটভূমি আছিল কটকটীয়া

আৰু পৰিবেশ হৈ পৰিছিল তপ্ত। এই আউল লগা অস্থিৰ সম্পৰ্কৰ তীব্ৰতা বৃদ্ধি পোৱাৰ তৎকালিক কাৰণ হিচাবে অৱশ্যে ১৫৪৩ চনত ঘটা আন এটা শোকাবহ ঘটনা আছে। কোচ ৰাজপৰিয়ালৰ তিনি-জন কুমাৰ আৰু এজনী কন্যাই ভালেমান সৈন্য-সামন্তক গা-ৰখীয়া হিচাবে লগত লৈ আহোম শাসনৰ প্ৰভাৱত থকা সীমামুৰীয়া বিবদমান অঞ্চল ব্ৰহ্মকুণ্ডত তেতিয়াৰ আহোম চকী-ৰখীয়াৰ বিনা অনুমতিত কুমাৰ দীপসিংহ, কুমাৰ ৰামচন্দ্ৰ আৰু কুমাৰ হেমধৰ স্নান কৰাৰ অজু-হাতত প্ৰবেশ কৰণ আৰু কোচ সৈন্যই উক্ত অঞ্চলত মৃগয়া কৰাৰ তথা কথিত অপৰাধত কোচ ৰাজকুমাৰ দীপনাৰায়ণ সিংহৰ সৈতে প্ৰত্যক্ষ কাজিয়াত জড়িত হোৱা। ফলত আহোম সৈন্যৰ অতৰ্কিত আক্ৰমণত কুমাৰ দীপনাৰায়ণৰ অপমৃত্যু হয়; তেওঁৰ কন্যা লীলাৱতীক অপহৃত কৰি নিয়া বুলিও সংবাদ ওলায়। ইয়াৰ ফলত আন দুজনা কোচ ৰাজকুমাৰ হেমচন্দ্ৰ আৰু কুমাৰ ৰামচন্দ্ৰই আহোম সৈন্যৰ ওপৰত প্ৰতি আক্ৰমণ চলায়; আৰু আহোম ৰাজ্যৰ চাঙ্গিনীমুখ দখল কৰিলেও পিছত আহোমৰ সংখ্যাধিক বাহিনীৰ হাতত কোচ সৈন্যই আহোমৰ পিছলা কোঠত হোৱা যুদ্ধত পৰাভূত হয় আৰু বহু কোচ সৈন্যই মৃত্যুক সাৱটি লয়। মৃত সৈন্যৰ মূৰ বিলাক শেষত বৰ্ত্তমান শিৱসাগৰ জিলাৰ এটা স্থানত থুপ কৰি ৰখাত উক্ত ঠাইডোখৰৰ নাম শেষত মাথাৰ ভাওৰি (মূৰৰ দম) বা মঠাদাঙ্ নামে পৰিজ্ঞাত হ'বলৈ পায়। এই শোকাবহ বিপৰ্য্যয়ৰ সংবাদ আৰু পিতৃ ৺বিশ্বসিংহৰ আহোমৰাজ্য বিজয়ৰ অপূৰ্ণ আশা পূৰণ আৰু ইতিমধ্যে দুই ৰাজ্যৰ চলি থকা আধ্যাত্মিক সংঘাতৰ পৰিণতিত কোচ সৈন্যসহ ৰাজকুমাৰৰ অপমৃত্যুৰ কৈফিয়ৎ দাবী জনাই মহাৰাজ নৰনাৰায়ণে আহোম ৰাজলৈ জৰুৰী প্ৰতি উত্তৰ বিচাৰে আৰু ইং ১৫৫৫ চনত দূত প্ৰেৰণ কৰে। এই দৌত্য কাৰ্য্য আৰু পত্ৰালাপ আদিৰ সবিশেষ তথ্যান্তৰে

দিয়া হৈছে (পৃষ্ঠা ৩৭—৩৮ ; সংগ্ৰামসিংহ চিলাৰায়।)

আহোম ৰাজে কোচ ৰাজৰ দূতক কটু ভাষাৰে সম্বিধান দিয়ে। ফলত সংগ্ৰামসিংহ চিলাৰায়ৰ নেতৃত্বত এটা দীঘলীয়া সংগ্ৰামৰ বাবে নবাব, ওমৰাহ, বৰুৱা, কাৰ্জী, ভুঁইয়া-হাজৰিকা-শইকীয়া-ঠাকুৰীয়া আদিক যুদ্ধ প্ৰস্তুতিৰ আদেশ দিয়ে। কাৰণ পৰিকাৰ, মহাৰাজ নৰনাৰায়ণৰ প্ৰতিপত্তি পাবৰ লাভৰ অদম্য লিপ্সা ; পিতৃ ৺বিশ্বসিংহৰ আহোম বিজয়ৰ এটা অপূৰ্ণ আশা; প্ৰজাসাধাৰণৰ চিন্তা জগতত দেখা দিয়া সংঘাতৰ প্ৰবলতা আৰু সদৌ শেষত আহোম্ ৰাজৰ অসৌজন্য মূলক আচৰণ— এই সকলোবোৰ দৃশ্য অদৃশ্য কাৰণতেই আহোম ৰাজৰ বিৰুদ্ধে দেখ-দেখকৈ যুদ্ধ ঘোষনা কৰিলে কোচ ৰাজে। সেই সময়ত আহোম ৰাজ সিংহাসনত আছিল চুখাম্ফা বা খোৰা ৰজা।

গোঁহাই কমলৰ আলি :— কুমাৰ কমল নাৰায়ণ ওৰফে আহোম ভাষাত কমল গোঁহাই আৰু লোকমুখত 'গোঁহাই কমলৰ আলি' ষোড়শ শতিকাৰ এক ঐতিহাসিক আৰু তেতিয়াৰ পথ নিৰ্ম্মাণ জগতৰ এক বিস্ময়। সেই সময়ত উজনি অসমলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি কোনো প্ৰশস্ত পথ-ঘাট নাছিল ; আৰু ই অতি স্বাভাৱিক। গতিকে দীৰ্ঘস্থায়ী যুদ্ধৰ বাবে সৈন্য-সামন্ত অনা-নিয়া চলাচল কৰাত অসুবিধা হেতুকে কৰ্ম্মদক্ষ কণিষ্ঠ ভাতৃ কমল নাৰায়ণৰ ওপৰতে মহাৰাজ নৰনাৰায়ণে তেতিয়াৰ কামতা ৰাজ্যৰ মূল ৰাজধানী কামতাপুৰৰ (আজিৰ গোসানীমাৰী অঞ্চল) পৰা ক্ৰমে ভৈৰৱকুণ্ডলৈকে আৰু তাৰ পৰা ক্ৰমে পৰশুৰামলৈকে ৪০০ মাইল অৰ্থাৎ প্ৰায় ৬০০ কিলোমিটাৰ দীঘলীয়া যুদ্ধৰ সাজ-সজ্জাৰ সুকলমে কঢ়িয়াৰ পৰাকৈ এটা প্ৰশস্ত আলিবাট নিৰ্ম্মাণ কৰিবলৈ নিৰ্দ্দেশ দিয়ে। কৰ্ম্মবীৰ কমল নাৰায়ণে এই সুদীৰ্ঘ আলিবাটটোক তেতিয়াৰ হাবি-বননি, নদ-নদীৰে পৰিপূৰ্ণ বিপদ সঙ্কুল পৰিবেশত মাত্ৰ এবছৰৰ ভিতৰতে নিৰ্ম্মাণ কাৰ্য্য সু-সম্পন্ন

কৰে। এই আলিটোকেই সময়ত গোঁহাই কমলৰ আলি নামে পৰিজ্ঞাত হয় আৰু নামনি-উজনিৰ কৃষ্টি সভ্যতাৰ মিলন আৰু ভাব বিনিময়ৰ প্ৰধান মাধ্যম হিচাবে সময়ত স্বীকৃতি লাভ কৰে। কিন্তু আজি কালৰ সোঁতত অল্পবুদ্ধি ছুনিয়াৰ স্বল্পদৃষ্টিৰ মানুহবোৰে এইহেন মিলনৰ ঐতিহাসিক সেতুভাত্মক সংৰক্ষণ কৰাটো দূৰৰে কথা; নাম পৰ্য্যন্ত পৰিবৰ্ত্তন কৰি নৰ্থ ট্ৰাঙ্ক ৰোড্ আৰু বৰ্ত্তমান স্থানবিশেষে লেটাবেল ৰোড্ আদি নাভুক-নাশ্ৰুত নামাকৰণ কৰি অতীত গৌৰৱক পাহৰাই ৰখাৰ উপৰিও মানবিক প্ৰমূল্যক অৱজ্ঞা কৰিছে। ৰাষ্ট্ৰীয় আলিৰ অংশবিশেষ হৈ থকা এই আলিটোক এতিয়াও 'কমল নাৰায়ণ ৰাষ্ট্ৰীয় পথ' হিচাবে নামাকৰণ কৰি ঐতিহাসিক প্ৰমূল্য ৰখা উচিত আৰু খিলঞ্জীয়া মানসিকতাক সন্মান জনোৱা উচিত। ইতিহাসক বিকৃত হবলৈ এৰি দিয়া আৰু পিতৃ-মাতৃক অস্বীকাৰ কৰা একেই কথা। কমল নাৰায়ণে অকল আলিবাটেই নহয়; ৰাজধৰ্ম্মৰ অংশ হিচাবে আলিৰ কাষে কাষে পানীৰ ব্যৱস্থা কৰিবলৈ পুখুৰী খণ্ডাইছিল, জিৰণীৰ বাবে আলহীঘৰ সজাইছিল— ঠিক যেনিবা গড়কাপ্তানি বিভাগৰ পৰিদৰ্শন বঙলা। আজিৰ কুৰি শতিকাতো কোচ ৰাজ্যত পুখুৰীৰ ব্যৱস্থাই গোৱালপাৰা-কামৰূপ-দৰং-লক্ষীমপুৰ জিলাৰ উত্তৰ অঞ্চলত খোৱা পানীৰ সহজ আৰু ৰাজহুৱা ব্যৱস্থা হিচাবে প্ৰচলিত হৈ আছে। ই অসমৰ প্ৰায় ঠাইতে বিশেষকৈ উজনি অসমত পুখুৰীয়ে এটা বিশেষ স্থান দখল কৰি আছে।

বিজয় অভিযান :— ৰণসজ্জা সম্পূৰ্ণ হোৱাত প্ৰধান সেনাপতি যুৱৰাজ শুক্লধ্বজ ওৰফে সংগ্ৰামসিংহ চিলাৰায়ৰ সৰ্ব্বাধিনায়কত্বত সাধাৰণ যোগনীয়াৰ পৰা সৰ্ব্বাধিনায়কজনলৈকে সকলোকে ধৰি মুঠ ৬,০০,০০০ (ছয় লাখ)ৰ এটা বিৰাট শিক্ষিত সেনা বাহিনীয়ে ইং ১৫৬২ চনত আহোম ৰাজ্য আক্ৰমণ কৰে। আকবৰ নামাৰ মতে কোচ

বাহিনীত আছিল যোদ্ধা সৈন্য আছিল ৪,০০০ অশ্বাৰোহী, ২,০০,০০০ পদাতিক, ৭০০ গজাৰোহী আৰু ১,০০০ খন যুঁজাৰু নৌকা। যুদ্ধ যাত্ৰাৰ সময়ত দেৱ-দেৱীৰ প্ৰতি সহজাত ভক্তিপূৰ্ণ ধাৰ্মিক ৰজা মহাৰাজ নৰনাৰায়ণে সকলো সৈনিককে সদৰিভাবে ৰাজ আজ্ঞা জনাই দিছিল যাতে কোনো সৈনিকে বিজিত বা শত্ৰু ৰাজ্যৰ কতো লুটপাত নকৰে, সা-সম্পত্তিৰ ধ্বংস সাধন নকৰে, নাৰী ধৰ্ষণ, অথবা হত্যা, অত্যাচাৰ আদি সমাজ বিৰোধী কাৰ্য্যবোৰ নকৰে; কিন্তু আজি সম্পূৰ্ণ ওলোটা। কেন্দ্ৰীয় তথা নিজ চৰকাৰৰ শান্তিৰক্ষাৰ দায়িত্ব থকা সংৰক্ষিত আৰক্ষী বাহিনী বা নিয়মীয়া আৰক্ষী বাহিনীৰ নিজৰ লোকেই শান্তি প্ৰতিষ্ঠাৰ নামত নিজা লোকৰ ওপৰতেই নিৰ্দ্দয় অত্যাচাৰ, নাৰী ধৰ্ষণ চলোৱাৰ দৃষ্টান্ত আৰু বিৱৰণী সদায় সংবাদ পত্ৰত প্ৰকাশ পাই আছে। পাৰ্থক্য ইমানেই যে তেতিয়াৰ শাসন আছিল প্ৰজাৰঞ্জক ৰাজতন্ত্ৰ আৰু এতিয়াৰ শাসন পৰিণত হৈছে যেন প্ৰজাৰঞ্জক গণতন্ত্ৰ যাক ৰাষ্ট্ৰীয় সন্ত্ৰাস বুলিব পাৰি। ব্ৰহ্মপুত্ৰয়েদি পানীবাটে নৌ সেনাপতি ভকমাল বা ভকমল আৰু টেপুৰ অধিনায়কত্বত গুৰুত্বভাৱে এটা নৌ বাহিনী পঠিয়ায় আৰু স্থল পথেৰে ভীমবল আৰু বাহুবল নামৰ দুই সেনাপতিক লগত লৈ ৫,২০,০০০ সৈন্যৰে সংগ্ৰামসিংহ চিলাৰায়ে নিজে উজনি-মূৱাহৈ আহোম ৰাজ্যৰ উদ্দেশ্যে বিজয় অভিযান চলায়। যুদ্ধ যাত্ৰাৰ সময়ত বাটত ভেকুলীয়ে সৰ্প গ্ৰাস দৃশ্য দৰ্শন, দেৱ বিগ্ৰহ লাভ আদি মাঙ্গলিক সূচক ঘটনাই কোচ বাহিনীক দৈব বলত বলীয়ান কৰে। যুদ্ধ যাত্ৰাৰ সময়ত অনাদৃত ভাবে পৰি থকা আৰু হঠাতে আৱিষ্কৃত হোৱা দেববিগ্ৰহটিক সাতালী পৰ্ব্বতৰ শ্ৰীসূৰ্য্য মন্দিৰত মাঘীপূৰ্ণিমাৰ দিনত প্ৰতিষ্ঠা কৰা হয়। গোৱালপাৰা জিলাৰ দক্ষিণপাৰত থকা বৰ্ত্তমান সৈনিক স্কুলৰ দাতিকাষৰীয়া মৰনৈ দুবাপাৰাৰ মধ্যৱৰ্ত্তী স্থান, কাম্যকূট অঞ্চলত থকা শ্ৰীসূৰ্য্য বা সাতালী পৰ্ব্বতৰ আদিত্য বা শ্ৰীসূৰ্য্য মন্দিৰত আজিও প্ৰতি বছৰে অতি সমাৰোহেৰে পূজা-পাতল

আৰু মেলা বহে। এই শ্ৰীসূৰ্য্য পাহাৰত এটা কম এক লাখ শিৱলিঙ্গ আছিল বুলি এটা জনশ্ৰুতি আছে আৰু এই স্থানৰ নাম দ্বিতীয় ব্যাস কাশী বুলিও লোক প্ৰবাদ আছে (৪৬—৪৭ পৃষ্ঠাঃ ৰত্নপীঠত এভূমুকি) যি জনা ৰজা আৰু ৰাজভাতৃয়ে শিশু কালৰে পৰাই ভাৰতীয় আৰ্য্য কৃষ্টিৰ প্ৰাণকেন্দ্ৰ বাৰানসীত ব্ৰহ্মানন্দ সন্ন্যাসীৰ আশ্ৰমত থাকি লিখা পঢ়া শিকিছিল ; যিয়ে পৰম ভক্ত শিৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত শৈৱ মতবাদৰ অনুগামী পিতৃ ৺বিশ্বসিংহৰ বংশগতি আৰু ভাৰতীয় আদৰ্শ মাতৃ পাৰ্ব্বতীদেৱীৰ ভাবধাৰাৰে পৰিপুষ্ট হোৱা শাক্ত ভাবধাৰাৰে পৰিশোধিত গৌড় কন্যাদ্বয় হেমপ্ৰভা আৰু পদ্মাৱতীৰ পৰিবেশত জন্ম লাভ আৰু ডাঙৰ-দীঘল হৈছিল— সেই দুই ৰাজভাতৃ নৰনাৰায়ণ-চিলাৰায়ে জীৱনৰ সৰ্ব্বক্ষণতে আনকি যুদ্ধক্ষেত্ৰতো সেয়ে আদৰ্শ বা ইষ্টক ত্যাগ কৰিব পৰা নাছিল। কাৰণ তেওঁলোক দুয়ো ভালকৈ উপলব্ধি কৰিছিল যে—

"ইষ্ট নাই নেতা যেই

যমৰ দালাল কিন্তু সেই"— এই আপ্তবাক্যক জীৱনৰ সাৰথি হিচাবে গ্ৰহণ কৰিছিল। সেয়ে তেওঁলোকে যুদ্ধক্ষেত্ৰকো ধৰ্ম্মক্ষেত্ৰ হিচাবে ধৰিলৈ এহাতে তৰোৱাল আৰু আনহাতে মঠ-মন্দিৰ-দেৱ-দেৱীৰ ৰাজকীয় অৰ্চনা-অৰ্ঘ-দান আদিতো হাত উজান দিছিল। বিশাল কোচ বাহিনী পৰিচালনা কৰি যাওঁতে বাটত ৰজা নৰনাৰায়ণে পাটৰাণী ভানুমতী দেৱীৰ সৈতে "অন্যত্ৰ বিৰলা দেৱী, কামৰূপে গৃহে গৃহে" পুজিত হৈ থকা বাটে-ঘাটে পোৱা দেৱীক্ষেত্ৰ, মহান দেৱ-মহাদেৱৰ থান আদিত পূজা-পাতল দিয়াৰ উপৰিও বিশেষকৈ ভ্ৰমৰাকুণ্ড আৰু তাৰ ওচৰত থকা চণ্ডিকাবিহাৰ ; নল-খামাৰ আদি তীৰ্থ-স্থানবোৰত মঠ-মন্দিৰ সাজি পূজা-পাতলৰ বাবে দেউৰী নিয়োগ কৰি দেৱত্তোৰ মাটিৰে সৈতে স্থায়ী ব্যৱস্থা কৰে। বৰ্ত্তমান দৰং জিলাৰ বৰ্ঙা-বোৰা-যৌতা অঞ্চলত কোচ বাহিনীয়ে ভালেমান দিন বাহৰ

বয় বা বৈছিল বাবেই উক্ত ঠাইডোখবৰ নাম বোতা বা বৌতা হৈছিল হেনো। এই সুযোগতে দাঁতি-কাষৰীয়া সকলো পৰ্ব্বতীয়া জাতি-উপজাতি বিশেষকৈ তিব্বত-বৰ্ম্মী গোষ্ঠীৰ বিভিন্ন খেলৰ বা বানেকেবাংৰ অন্তৰ্ভূক্ত পাহাৰীয়া জাতি ভাই সকলৰ দলপতি আৰু আন আন ক্ষেত্ৰাধিপতি ভূমিৰ মালিক ভূঞা সকলেও কোচ ৰাজৰ বশ্যতা বা আনুগত্য স্বীকাৰ পূৰ্ব্বক মহাৰাজ নৰনাৰায়ণৰ যুদ্ধ প্ৰক্ৰিয়াত ধনে-জনে সহায়ৰ হাত আগবঢ়াইছিল।

এইদৰে কোচ ৰাজৰ বশ্যতা স্বীকাৰ কৰা বা আনুগত্য প্ৰকাশ কৰা ক্ষেত্ৰাধিপতি সকলক বিশেষকৈ ভূটান দুৱাৰ অঞ্চলৰ দ্বাৰপাল সকলক বিজনী, ফুলগুড়িৰ ভূঞা আৰু বিশিষ্ট প্ৰজাবৰ্গক নিমন্ত্ৰণ কৰি মহাৰাজ নৰনাৰায়ণে নিম্নলিখিত ৰাজ আজ্ঞাটি ঘোষনা কৰে—

"গোঁহাই-কমল আলি মধ্যে সীমা কৰি।
উত্তৰৰ কালে আছে যতেক কছাৰী॥
সেইকালে দেৱালয় আছে যত যত।
কোচে মেছে পুজিবেক মোহৰ বাক্যত॥
দক্ষিণৰ কালে পূজা ব্ৰাহ্মণ কৰিব।
এই নিৱন্ধনে সৱে ধৰ্ম্ম প্ৰৱৰ্ত্তিব॥

সেই সময়ত ভোটান অৰ্থাৎ নামনি তিব্বতৰ (ভোট=তিব্বত+অন্ত) শেষ বা নামনি)=ভোটান্ত>ভোটানৰ ভূটীয়া সকলে কস্তুৰী, চামৰ ঘোড়া, সোণৰ পাত আৰু সোণ খটোৱা কিন্‌খাপ কাপোৰৰ দ্বাৰা মহাৰাজ নৰনাৰায়ণক ৰাজকৰ শোধাইছিল আৰু মহাৰাজ নৰনাৰায়ণৰ আদেশ তেওঁলোকৰ নিজ নিজ সৈন্যদলসহ কোচ ৰজাৰ কলীয়া হৈ আহোম আদি ৰাজ্যৰ বিৰুদ্ধে যুদ্ধত যোগদান কৰিছিল। তথ্যান্তৰে বিস্তৃত বিৱৰণী দিয়া হৈছে।

—★★★—

আহোম ৰজালৈ দূত প্ৰেৰণ :— মহাৰাজ নৰনাৰায়ণে ইং ১৫৫৫ চনৰ জুলাই মাহত তিনিজন মৃত কোচ ৰাজকুমাৰ, সৈনিক সকলৰ বাবে দায়ী কৰি আৰু ৰাজকুমাৰী লীলাৱতীক সসম্মানেৰে প্ৰত্যা-বৰ্ত্তনৰ নিৰ্দ্দেশসহ আহোম ৰজা স্বৰ্গদেউ চুখামফালৈ পত্ৰসহ দূত প্ৰেৰণ কৰে। আহোম ৰজালৈ পঠিওৱা দূতৰ দলত আছিল— শত্তানন্দ কাৰ্জী, ৰামেশ্বৰ শৰ্মা, কালকেতু চৰ্দ্দাৰ, ধুমা চৰ্দ্দাৰ, উদ্ভণ্ড চাউনীয়া, শ্যামৰায় চাউনীয়াৰ উপৰিও একুৰি দুইজন 'ঢেকেৰী ৰজা'ও (অধীনস্থ সৰু ৰজা) আছিল। মহাৰাজ নৰনাৰায়ণৰ কটকীবোৰে আহোম ৰজাৰ ৰাজধানী গড়-গাওত উপস্থিত হৈ আহোম স্বৰ্গদেউ চুকামফাৰ লগত সাক্ষাৎ কৰে আৰু মহাৰাজ নৰনাৰায়ণে প্ৰেৰণ কৰা পত্ৰ খনি হস্তান্তৰ কৰোতে কোচ ৰজাৰ কটকীয়ে কৈছিল— "স্বৰ্গদেউ! আমাৰ মহাৰাজা নৰনাৰায়ণে আমি চাৰি জনক স্বৰ্গদেৱৰ ঠাইক পঠাইছে বোলে এইখান কহিবি যাই যেখন গৌড়েৰ সহিতে সম্বন্ধ কৰিলে না সেকাল আমাৰ পিতা মহাৰাজ সহিত প্ৰীত হৈল। আৰ অত দিৱস আমি জানিয়াছিল সে স্বৰ্গ ৰাজাসে আমাৰ মিত্ৰতাৰ স্থান। আৰ ৰামচন্দ্ৰ, হেমধৰ, দীপসিংহ তিনি কোঁৱৰ ভ্ৰমৰাকুণ্ডত স্নান কৰিবাক গৈছিল, সেই আগাৰ পৰা সে কোঁৱৰক ধৰি মাৰি নেই ইগোট মিত্ৰৰ কোন ব্যৱস্থাৰ কামাই হৈ··· ?" এনেদৰে পূৰ্ব্ববৃত্তান্তৰ সূত্ৰ ধৰি তিনিজন ৰাজ কুমাৰক অন্যায় ভাবে আহোম ৰজাৰ সৈন্যই বধ কৰাৰ বাবে আহোম ৰজাৰ ওচৰত অভিযোগ তুলিছিল (৺সূৰ্য্যকুমাৰ ভূঞা দেৱৰ অসম বুৰঞ্জী)। কথিত আছে যে মহাৰাজ নৰনাৰায়ণে প্ৰেৰণ কৰা পত্ৰখনি সচৰাচৰতে ব্যৱহৃত হোৱা চিয়াহীৰ পৰিবৰ্ত্তে বগা কেচুৰ আঠা বা ৰসেৰে লিখা হৈছিল বাবেই আহোম ৰাজসভাত উপস্থিত থকা পণ্ডিত মণ্ডলীয়ে পত্ৰখনিৰ পাঠো-দ্ধাৰ কৰিব পৰা নাছিল। শেষত কোচ ৰাজ্যৰ পৰা ইতিপূৰ্ব্বে আহোম ৰজাৰ কৰ্ম্মচাৰী ৰূপে যোৱা দুৰ্গাচৰণ বৰকাৰ্জী ওৰফে বৰকাকতি নামে এজন ৰাজ কৰ্ম্মচাৰীয়েহে ৰাতিৰ আন্ধাৰত চিঠিখনি পাঠ কৰি দিছিল। এই কাৰ্য্যত

আহোম ৰজাই সন্তুষ্ট হৈ কৰ্মচাৰীজনক বিশেষ ভাবে পুৰস্কৃত কৰিছিল। মহাৰাজ নৰনাৰায়ণে আহোম ৰজালৈ প্ৰেৰণ কৰা চিঠিখনি হুবহু ভাবে তলত দিয়া হ'ল—

"স্বস্তি সকল-দিগন্তি-কৰ্ণ-তালাস্ফাল-সমীৰণ-প্ৰচলিত-হিমকৰ-হৰ হাৰ-হাস-কাশ-কৈলাস-পাণ্ডুৰ-যশোৰাশি-বিৰাজিত-ত্ৰিপিষ্টপ-ত্ৰিদশ-তৰঙ্গিণী-সলিল-নিৰ্ম্মল-পৱিত্ৰ-কলেৱৰ ধীৰণ-ধীৰ ধৈৰ্য্য-মৰ্য্যদা-পাৰাৱাৰ-সকল-দিকা-মিনী-গীয়মান-গুণ-সন্তান-শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ-মহাৰাজ প্ৰচণ্ড প্ৰতাপেষু॥

লেখনং কাৰ্যঞ্চ। এথা আমাৰ কুশল। তোমাৰ কুশল নিৰন্তৰে বাঞ্ছা কৰি। অখন তোমাৰ-আমাৰ সন্তোষ সম্পাদক পত্ৰা-পত্ৰি গতাগত হইলে উত্তৰানুকুল প্ৰীতিৰ বীজ অঙ্কুৰিত হইতে ৰহে। তোমাৰ-আমাৰ কৰ্ত্তব্যে সে বৰ্দ্ধিতাক পাই পুষ্পিত-ফলিত হইবেক। আমৰা সেই উদ্যোগতে আছি। তোমাৰো এ গোট কৰ্ত্তব্য উচিত হয়; না কৰ, তাক আপনে জান। অধিক কি লেখিম। শতানন্দ কাৰ্জ্জী, ৰামেশ্বৰ শৰ্ম্মা, কালকেতু ও ধুমা সৰ্দ্দাৰ, উদ্ভণ্ড চাউনীয়া, শ্যামৰায়, ইমৰাক পাঠাইতেছি। তামৰাৰ মুখে সকল সমাচাৰ বুঝিয়া চিত্তাপ বিদায় দিবা॥

অপৰ উকীল সঙ্গে ঘূড়ি ২, ধনু ১, চেঙা মৎস্য ১ জোৰ, বালিচ ১, জকাই ১, সাৰি ৫ খান, এই সকল দিয়া গইছে। আৰ সমাচাৰ বুঝি কহি পাঠাইবেক। তোমাৰ অৰ্থে সন্দেশ গোমচেং ১, ছিট ৫, ঘাগৰি ১০, কৃষ্ণ চামৰ ১০॥ ইতি শক ১৪৭৭ মাস আষাঢ়॥"

আহোম ৰজাৰ মন্ত্ৰীয়ে কোচ ৰজাৰ এই পত্ৰ খনিক অভিসন্ধিমূলক পত্ৰ ৰূপে আৰু উপহাৰ হিচাবে প্ৰেৰণ কৰা দ্ৰব্য সমূহক অসম্মানজনক বুলি বিবেচনা কৰিছিল আৰু কটকী সকলৰ সন্মুখত কৈছিল— "কেতিয়াৰ কত সম্বন্ধ ৰহে? আৰ দণ্ডে ওঠেও কামোৰ খাই, তথাপি নেকি জোৰ কৰিবাক পাৰি? তাক্ৰি যদি স্বৰ্গদেৱৰ ঠাইত মিত্ৰতা ৰাখে, এতেকে সমস্তে সিদ্ধি হৈছে আছে। আমি কি অধিক বুজাম। তুমাৰ ৰজাক কহিবি যাই স্বৰ্গদেৱৰ ঠাই যদি আশা আছে ধাৱনি ৰূপে উকীল পত্ৰ পঠাব।

আহোম ৰাজ চুখামফাই ১৫৫৬ চনত অৰ্থাৎ এবছৰৰ পাছত মহাৰাজ নৰনাৰায়ণৰ পত্ৰৰ উত্তৰ দিলে ঃ

"স্বস্তি ত্ৰিপুৰ হৰ-চৰণ স্বৰ্ণ শ্ৰীপৰ্ণ সুধা পান ভৃঙ্গায়মান-সম্মান দান সন্তান শৌৰ্য্য-ধৈৰ্য্য-গাম্ভীৰ্য্যো-দাৰ্য্য পাৰাৱাৰ তুহিনকৰ-নিকৰ-তৰঙ্গিনী-তৰঙ্গ পাণ্ডুৰ যশোৰাশি বিৰাজিত-কুল-কমল-প্ৰকাশৈক ভাস্কৰ শ্ৰীমন্মল্লনাৰায়ণ ৰাজ মহোদাৰ চৰিতেষু। লিখনং কাৰ্য্যঞ্চ অত্ৰ কুশল। তোমাৰ কুশল-বাৰ্ত্তা শুনিয়া পৰমাপ্যাপ্তি হৈলো। আৰু যে লিখিছা প্ৰীতিবৃক্ষ অঙ্কুৰিত সেয়ে তোমাৰ আমাৰ সাহলাদেত বৃদ্ধিক পায়া ফলিত পুষ্পিত হৈবাৰ খান যি কহিছো, ইগোট বিশেষ। কিন্তু তোমাৰ আমাৰ প্ৰীতিগোট যিহত হন্তে ঘটিছে; সমস্তে জান। সেইৰূপ মৰ্য্যদা ব্যৱহাৰত যদি ৰহিব, ফলিত পুষ্পিত কিসত নহৈব? আমৰা পূৰ্ব্ব অভিপ্ৰায়তে আছি। উকিলৰ সঙ্গে যিসকল দ্ৰব্যাদি পঠাইছিলা, ইসকল সভাত দেখাইবাৰ উচিত নহয়, কিন্তু যি সকলে যিহক আচৰি থাকে অনীতি হৈলেও আচৰণীয়ক লৈ তাক নীতি স্বৰূপে দেখে। এতেকে দিবাৰ পোৱা আৰু সমুচয় সেই সেই দ্ৰব্যাত প্ৰবৰ্ত্তনীয় লোকৰ দ্বাৰায়ে যি বুজুৱা গৈছে, সেই ৰূপে বুজিবা। এমৰাৰ মুখে সকল সমাচাৰ বুঝিবা। তোমাৰ অৰ্থে সন্দেশ নড়া কাপোৰ ২খন গজদন্ত ৪, পাষ্টিয়ন ২ মোনা পঠছৰ॥ ১৪৭৮ মাস আহাৰ দিনে ১০॥

আহোম ৰাজ্য অভিযান ঃ— আহোম ৰাজ্যৰ বিৰুদ্ধে অভিযানৰ নেতৃত্ব ভাৰ দুৰ্দ্ধৰ্ষ কোচ প্ৰধান সৈন্যাধ্যক্ষ শুক্লধ্বজৰ ওপৰত ন্যস্ত আছিল। তেওঁৰ অধিনায়কত্বত সংযোজিত আৰু সংগঠিত হৈছিল ছয়লক্ষ (২৯) মতান্তৰে যাঠি লক্ষ (২) সৈন্য। এই বিশাল বাহিনী লৈ ১৫৬২ খৃঃত আহোম ৰাজ্য অভিমুখে যুদ্ধ যাত্ৰা আৰম্ভ কৰে। নৌ সেনা-পতি ভকমাল (Baktama) আৰু টেপুৰ নেতৃত্বত এটা বিশাল নৌ বাহিনী ব্ৰহ্মপুত্ৰেদি প্ৰেৰিত হৈছিল। অভিযানকাৰী সৈন্য সমূহৰ শেষ ভাগত মহাৰাজ নৰনাৰায়ণো এই যুদ্ধ যাত্ৰাত যোগদান কৰিছিল।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি নব নিৰ্মিত গোহাই কমল আলিয়েদি বৰ্তমানৰ গোৱালপাৰা, কামৰূপ আৰু দৰং জিলাৰ মাজেৰে বিশাল কোচ বাহিনী পূৰ্ব্ব অসমৰ পিনে অগ্ৰসৰ হৈছিল। বাটত এই বাহিনীত ভূঞা, ভুটিয়া আৰু দফলা পাৰ্ব্বত্য জাতিৰ লোক সকলেও মহাৰাজ নৰনাৰায়ণৰ সৈন্য-দলত চামিল হৈছিল। এইদৰে কোচ বাহিনী বৰ্তমান লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ পালত ; তাতে অনেক ব্ৰাহ্মণ ভূঞাই এটা হাতী উপহাৰ হিচাপে প্ৰদান কৰি কোচ শক্তিৰ মিত্ৰৰূপে এই অভিযানত যোগদান কৰে। কোচ বাহিনী অবাধ গতিত ক্ৰমান্বয়ে আগুৱাই যায় আৰু চিলাতলী আৰু হাবুং (বৰ্তমান লক্ষীমপুৰ জিলাত) অঞ্চল অধিকাৰ কৰে। এই উভয় অঞ্চলত কোচ সকলৰ শক্তিশালী সমৰ কেন্দ্ৰ স্থাপিত হয়। ইয়াৰ পিছত মহাৰাজ নৰনাৰায়ণ আৰু শুক্লধ্বজ ইয়াৰ পৰাই আহোম ৰাজ্যৰ ওপৰত বাৰম্বাৰ আক্ৰমণ কৰি বিপৰ্য্যস্ত কৰি তোলে।

১৫৬২ খৃষ্টাব্দৰ আৰম্ভণিৰ পৰাই আহোম ৰজাৰ লগত কোচ ৰজা সকলৰ সংঘৰ্ষ আৰম্ভ হৈছিল। নৌ সেনাপতি তক্কমাল আৰু টেপুৰ নেতৃত্বত আহোম ৰাজ্যৰ সেওলা (সলা) আৰু মাকালং সৈন্য শিবিৰ দুটা জলপথেৰে অৱৰোধ কৰি দিক্ষু (বৰ্তমান দিখৌ) নদীৰ মোহনা পৰ্য্যন্ত অগ্ৰসৰ হয়। আহোম পক্ষৰ নৌ সেনা সিহঁতৰ বিৰুদ্ধে আগুৱাই আহিলত শত্ৰুপক্ষৰ ওপৰত আগ্নেয়াস্ত্ৰ নিক্ষেপ কৰে। ইয়াৰ পিছত হাস্তিয়া নদীৰ অৱবাহিকাত উভয় পক্ষৰ নৌযুদ্ধৰ মাজত তুমুল সংগ্ৰাম সংঘটিত হয় আৰু আহোম সৈন্য পৰাজিত হয় আৰু কেবাজনো সেনাপতি নিহত হয় আৰু এজন বন্দী হয়। কথিত আছে যে আহোমৰ এই বিপৰ্য্যয় কালত কোচ সৈন্যাধ্যক্ষ শুক্লধ্বজ জল পথেৰে অগ্ৰসৰ হৈ দ্বিখৌ নদীৰ মুখত শিবিৰ স্থাপন কৰি মৰঙ্গী প্ৰদেশ (বৰ্তমান লক্ষীমপুৰ জিলা) অধিকাৰ কৰে। শুক্লধ্বজৰ অগ্ৰগতি প্ৰতিৰোধ কৰাৰ অৰ্থে আহোম পক্ষ উক্ত নদীৰ বিপৰীতে শিসা (চেচা) নদীৰ মুখত এটি নতুন দুৰ্গ স্থাপন কৰে। কৌশল হিচাপে

হৈলালে সন্ধিৰ প্ৰস্তাবো চলি থাকে।

আহোম ৰজাৰ সন্ধিৰ প্ৰচেষ্টা ঃ— আহোম ৰজাৰ বিপৰ্য্যয়ৰ পাছত সন্ধি কৰিবলৈ মনস্থ কৰি তিনিজন বিশিষ্ট ব্যক্তিক মহাৰাজ নৰনাৰায়ণৰ ওচৰলৈ পঠিয়াই সন্ধিৰ প্ৰস্তাৱ ডাঙি ধৰিলে। ইয়াৰ উত্তৰত কোচ ৰাজাই ৰতিকান্ত নামে ব্যক্তি এজনক আৱশ্যকীয় উপদেশ দি দূত হচাবে আহোম ৰজাৰ ওচৰলৈ পঠিয়ালে। ৰতিকান্তই আহোম ৰাজ্যৰ ওচৰলৈ গৈ এইবুলি কলে যে, "আমিও এভিয়াৰ নহঁও, সিবিলাকো এভিয়াৰ নহয়, বিশেষতঃ স্বৰ্গীৰজা ইন্দ্ৰৰ সন্তান, আমিও সদাশিৱৰ সন্তান একেকে তোমাৰ আমাৰ দ্বন্দ কন্দল কৰা উচিত নহয়। পূৰ্ব্বতো তোমাবে আমাৰ অধিকাধিক প্ৰীতি গোট চলি গৈছে ; এই জাতি তোমাৰ আমাৰ দুই ৰাজ্য কুশলে যেনেৰূপে ৰহিব, সেই ৰূপে আপুনি সীমনা নিবন্ধ কৰি ৰাজ্য লওক, আমাকো দিওক। এই কথা শুনি যেমনে সৰ্ব্বজনে প্ৰশংসা কৰে, তাকে আচৰিব।"

কটকী ৰতিকান্ত যথাসময়ত প্ৰত্যাবৰ্ত্তন কৰিলত দুই পক্ষৰ মাজত সন্ধিৰ সৰ্ত্ত নিৰ্দ্ধাৰিত হল। উভয় পক্ষৰ মাজত উপহাৰৰ আদান প্ৰদান চলি থাকিল। কিন্তু যুদ্ধ সম্পূৰ্ণৰূপে বিৰাম নহয়। তাৰ প্ৰকৃত কাৰণ জনা নগলেও আগতে উল্লেখ কৰা দৰে, আহোম ৰজাই পুনৰ সংগঠনৰ বাবে সময় বিচৰাৰ এক কৌশল বুলি অনুভূত হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত পৰবৰ্ত্তী যে মাহত নৌ সেনাপতি টেপু আৰু নাথুনা কাৰ্জ্জি দিহিং নদীৰ পাৰত দুৰ্গ নিৰ্ম্মাণ কৰি চাৰিওফালে আক্ৰমণ চলাবলৈ আৰম্ভ কৰিলে। আহোম সৈন্য দিহিং দুৰ্গ পৰিত্যাগ কৰি অভয়পুৰত আশ্ৰয় গ্ৰহণ কৰিলে। মহাৰাজ নৰনাৰায়ণ আৰু শুক্লধ্বজ উভয়েই এই যুদ্ধত যোগদান কৰিলে। কোচ সকলক প্ৰতিৰোধ কৰাৰ আন উপায় নেদেখি এটা কৌশল অৱলম্বন কৰিলে। আহোম ৰজাই যিটো কৌশল কৰিলে সি অতি ৰোমাঞ্চকৰ। ইতিহাসত তেনে কাহিনী অতি বিৰল। আহোম পক্ষই জানিছিল যে

মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায় আছিল অতি ধৰ্ম্মপৰায়ণ. ন্যায়পৰায়ণ
নিজৰ ক্ষতি স্বীকাৰ কৰি হলেও ইয়াক অটুট ৰখাৰ বাবে যত্ন লৈ থৈ পৰা।
এই যশৰ ওপৰত ভিত্তি কৰি আহোম পক্ষই এদল সৈন্যক লগত আৰু
কোঁট পিন্ধাই ব্ৰাহ্মণৰ বেশেৰে সজাই, একোটা বলদৰ পিঠিত বহুৱালে।
আৰু সমগ্ৰ বাহিনীৰ সন্মুখ ভাগত ৰাখি যুদ্ধক্ষেত্ৰলৈ আগবাঢ়ি গল।
মহাৰাজ নৰনাৰায়ণৰ ধৰ্ম্মপ্ৰাণে এই কথা বিচাৰ কৰিব নোৱাৰিলে আৰু
যুদ্ধৰ নামত হলেও গো ব্ৰাহ্মণৰ সম্ভাব্য হত্যাৰ প্ৰতি সায় নিদিলে। সেয়ে
এই ৰক্তপাত এৰাবৰ বাবে যুদ্ধক্ষেত্ৰ পৰিত্যাগ কৰিলে। তাৰ পিছত
তেওঁলোক ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত মাজুলী দ্বীপত কোচ শিবিৰ স্থাপন
কৰি ৰৈ থাকিল। কথিত আছে যে, এই সময়ত আহোম ৰাজ্যত গুপ্তচৰৰ
কামত শুক্লধ্বজ তেওঁৰ কৰ্ম্মচাৰী বুকু কাৰ্ত্তিক নিয়োগ কৰিছিল। আহোম
ৰজাৰ কৌশল কৃতকাৰ্য্যতা লাভ কৰিলে। অকল সেয়ে নহয় নিজকে
পুনৰ যুদ্ধৰ বাবে প্ৰস্তুত কৰিবলৈ সময় পালে।

আহোমৰ লগত সাতদিন ব্যাপী যুদ্ধ:— কোচ সকল ভুৱা
ব্ৰাহ্মণৰ লগত যুদ্ধ নকৰি মাজুলীত বাহৰ পাতি অৱস্থান কৰাত যি যুদ্ধ
বিৰতি হল, আহোম ৰজাই সেই সুযোগত পুনৰ শক্তি সঞ্চয় কৰি দিহিং
নদীৰ পাৰত বিপুল সংখ্যক ৰণ-নিপুন সৈন্য সমাবেশ কৰিলে; আৰু
তাৰ পাছত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত কোচ সকলৰ শিবিৰবোৰ
আক্ৰমণ কৰি অধিকাৰ কৰিলে। কোচ সৈন্যাধ্যক্ষ শুক্লধ্বজে অসীম সাহ-
সিকতাৰ সৈতে ধুমহাৰ বেগেৰে শত্ৰু সৈন্যৰ ওপৰত জপিয়াই পৰিল।
অবিশ্ৰান্ত ভাৱে দীঘলীয়াকৈ সাতদিন ধৰি দুয়োপক্ষৰ মাজত ঘোৰতৰ যুদ্ধ
চলিল, জয় পৰাজয়ৰ কোনো থিৰ-নিচয় নোহোৱাকৈ। অৱশেষত শুক্লধ্বজৰ
জয় হল আহোম সৈন্য ছত্ৰভঙ্গ হৈ যুদ্ধ ক্ষেত্ৰৰ পৰা পলাবলৈ বাধ্য হল।
শুক্লধ্বজে পলায়মান আহোম সৈন্যৰ পিছে পিছে খেদি গল। বাটতে মহাৰাজ
নৰনাৰায়ণৰ লগত মিলিত হলত: তাতে চাউলীপাতি আয়োজন পূৰ্ণ সমাপিলে।

যি ঠাইত কোচ সকলৰ তেনে আবাস নিৰ্মিত হৈছিল কালক্ৰমত সি 'মেচাঘৰ' বা 'মেচাগড়' নামে জনাজাত হ'ল (শিৱসাগৰ জিলাত)।

শুক্লধ্বজৰ চিলাৰায় নামৰ উৎপত্তি :— এই যুদ্ধত শুক্লধ্বজে অশেষ বীৰত্ব প্ৰদৰ্শন কৰিছিল। বীৰত্বৰ লগত ক্ষিপ্ৰতাই এই যুদ্ধ জয়লাভত বিশেষ অৰিহণা যোগাইছিল। নিজৰ ঠাইত চিনাকী যুদ্ধক্ষেত্ৰ, যুদ্ধ সম্ভাৰৰ যোগান, জনসাধাৰণৰ সহযোগিতা, মানসিক সাহসৰ উপৰিও সংখ্যা গৰিষ্ঠতা (কোচ সৈন্য ঠায়ে ঠায়ে জাগই থাকিব লগীয়া হোৱাত) সকলোতে আহোমৰ পক্ষে অধিক আছিল। গতিকে জয়ৰ সম্ভাৱনাও নিশ্চয় তেওঁলোকৰ অধিক আছিল বুলি অনুমান কৰিব পাৰি; কিন্তু চিলাৰায়ৰ অমিত বিক্ৰম আৰু ক্ষিপ্ৰতাই এই যুদ্ধৰ পৰিণতি সলনি কৰি দিছিল। চিলাৰ দৰে চোঁ মাৰি অকস্মাৎ শত্ৰুসৈন্য বিপৰ্যাস্ত কৰিছিল। সেই বাবেই এই যুদ্ধৰ পৰাই তেওঁৰ নাম 'চিলাৰায়' নামে জনাজাত হ'ল। ইতিহাসৰ পাতত এই নামহে বেছি পৰিচিত। এই যুদ্ধতেই কিজানি শত্ৰু পক্ষক কোনো উমান নিদিয়াকৈ অতৰ্কিত আক্ৰমণ পদ্ধতিৰ সূচনা কৰিলে। পিছৰ আন বহুতো যুদ্ধৰ মাজেদি এনে কৌশলৰ বিকাশ ঘটালে। যাৰ ফলত পৃথিৱীৰ পৰবৰ্তী কালৰ সমৰ বিজ্ঞ সকলৰ মাজত চিলাৰায় নাম পৰিচিত হৈ ৰ'ল। আন আন কাৰোবাৰ মতে শুক্লধ্বজ ঘোঁড়াৰ পিঠিত উঠি ভৈৰৱী নদী (তেজপুৰৰ ওচৰৰ মৰাভৰলী) পাৰ হৈছিল বুলি 'চিলাৰায়' নাম পায়। সন্দেহ নাই ই কবি কল্পনাৰ মূৰ্ত্ত বিকাশ। আনহাতে শুক্লধ্বজৰ পিছৰ কীৰ্ত্তি কাহিনীৰ ইতিহাসে এই প্ৰতীক নামৰ সাৰ্থকতা বহন কৰি আহিছে। যুৱৰাজ শুক্লধ্বজ ওৰফে সংগ্ৰামসিংহ চিলাৰায়ৰ বিস্তৃত জীৱনী পুথিকে দুখনি প্ৰামাণ্য গ্ৰন্থত দিয়া আছে (১) 'সংগ্ৰামসিংহ চিলাৰায়' আৰু (২) যুৱৰাজ শুক্লধ্বজৰ সাহিত্য প্ৰতিভা' দ্ৰষ্টব্য।

আহোম ৰজা চুখামফাৰ বশ্যতা স্বীকাৰ :— দিহিং নদীৰ পাৰত হোৱা যুদ্ধত আহোমৰ গোষ্ঠীয় পৰাজয় হোৱাত উপায় নাপাই

আহোম স্বৰ্গদেউ চুখামফা ৰাজ্যৰ প্ৰধান প্ৰধান ভাঁড়াৰীয়া সকলক লগত লৈ নগা পৰ্ব্বতৰ অংশবিশেষ চৰাইখোৰোঙ বা চৰাইদেউ পৰ্বতলৈ পলাই যায়। সৈন্য সামন্ত সহ মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায় তেতিয়া বিজয় গৌৰৱেৰে আহোমৰ ৰাজধানী গড়গাঁওত প্ৰৱেশ কৰিলে। ইফালে চুখামফাই ৰাজ্য পুণৰুদ্ধাৰৰ কোনো আশা নেদেখি কোচ ৰজাৰ লগত সন্ধি কৰিবলৈ বাধ্য হল। ১৫৬৩ খৃষ্টাব্দত এই সন্ধি স্বাক্ষৰিত হল। সন্ধিৰ চৰ্ত্ত অনুসাৰে চুখামফা কোচ ৰাজ মহাৰাজ নৰনাৰায়ণৰ বশ্যতা স্বীকাৰ কৰিলে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সুবিস্তৃত অঞ্চলত কোচ আধিপত্য মানি ললে। যুদ্ধৰ ক্ষতিপূৰণ হিচাবে দুটা সোণৰ বটাত আৰু দুটা ৰূপাৰ বটাত বহুমূলীয়া উপহাৰ দিয়ে। লগতে··· আৰু ৬০টা হাতী, ৬০জনী সুন্দৰী আহোম জীয়ৰী ৩০০জন আহোম ডেকাসহ লাও লাও, আহু, আৰু সোণৰ গোঁসাই প্ৰমুখ্যে কেৰাজনো ৰাজপৰিয়ালৰ ব্যক্তিক আদ্ধিনৰূপে হাতত অৰ্পন কৰিলে। মহাৰাজ নৰনাৰায়ণলৈ আহোমৰাজে ব্যক্তিগত ভাবে ৰক্তবৰ্ণৰ ছত্ৰ আৰু চিলাৰায়লৈ "কককোৰা' নামে এটা হাতী আৰু 'পক্ষীৰাজ' নামৰ এটা ঘোঁৰা উপহাৰ দিয়ে।

আহোমৰ লগত সন্ধি যথাযথ ভাবে পালিত হলত মহাৰাজ নৰনাৰায়ণে ভাতৃ কমল নৰনাৰায়ণক বিজিত আহোম ৰাজ্যখণ্ড (মৰলী দেশ বা বৰ্ত্তমান লক্ষীমপুৰ জিলা) শাসন কৰ্ত্তা নিযুক্ত কৰিলে আৰু আহোম ৰাজ্য পৰিত্যাগ কৰিলে।

উত্তৰ পূব ভাৰতত একচ্ছত্ৰী সম্ৰাট হোৱাৰ পথত :—
নৰনাৰায়ণ ৰজা হোৱাৰ পাছৰে পৰাই উত্তৰ পূব ভাৰতত এখন বিশাল সাম্ৰাজ্য তথা একচ্ছত্ৰী সম্ৰাট হোৱাৰ আকাংখা পোষণ কৰিছিল। ইয়াত থকা সকলোবোৰ সৰু সৰু ৰাজ্য গোট খুৱাই একে সাংস্কৃতিক সুতিৰ আধাৰত সুসম ৰাজনৈতিক আৰু নৰগোষ্ঠীয় অৰ্থাৎ আৰ্য্যীয় কলা সাংস্কৃতিক গোট ৰচনা কৰাৰ সপোন দেখিছিল। আহোম ৰাজ্যৰ জয়েই তেওঁৰ এই

সপোনক বাস্তৱত ৰূপায়িত কৰাৰ প্ৰেৰণা জগাইছিল। সেয়ে কাছাৰ, মণিপুৰ জয়ন্তীয়া, খয়ৰাম, গাৰো ডিমৰুৱা, ত্ৰিপুৰা, শ্ৰীহট্ট প্ৰভৃতি দেশ বোৰলৈ সামৰিক অভিযান চলাইছিল। এই সমুদায় দেশৰ ৰজা সকলে যুদ্ধত পৰাজিত হৈ কোচ ৰজাক কৰ দিবলৈ স্বীকৃত হৈছিল নৰনাৰায়ণৰ এই দিগ্বিজয়ৰ ইতিহাস যে কেৱলমাত্ৰ কোচ বংশাৱলীতে লিপিবদ্ধ আছে, এনে নহয় সমসাময়িক সকলো বুৰঞ্জী সাহিত্য বিলাকতো এই সকলো ৰাজ্যজয়ৰ বৃত্তান্ত লিপিবদ্ধ কৰা আছে।

কাছাৰ অভিযান:— আহোম ৰজা চুহুমুঙ বা স্বৰ্গনাৰায়ণৰ ৰাজত্ব কালত কছাৰী সকলৰ স্থায়ী ৰাজধানী ডিমাপুৰ আক্ৰান্ত হৈ ধ্বংস প্ৰাপ্ত হোৱাত কছাৰী ৰজা দৈৎসিঙে চাৰি বননি শিলাময় পাহাৰ আৰু খৰস্ৰোতা নদীৰে আগুৰা অতিসুৰক্ষিত বুলি ভবা মাইবঙত ১৫৩৬ খৃষ্টাব্দত ৰাজধানী পাতে। নৰনাৰায়ণৰ সমসাময়িক কছাৰী ৰজা আছিল মেঘ-নাৰায়ণ বা হেৰেম্বৰ। কছাৰী ৰাজ্য আক্ৰমনৰ বাবে চিলাৰায়ে সচৰাচৰ পদ্ধতি ব্যৱহাৰ নকৰি আগেয়ে উল্লেখ কৰা অতৰ্কিত আক্ৰমন যাক নাত্সী বাহিনীৰ Blitzkreig (ব্লিজক্ৰিগ) পদ্ধতিৰ পূৰ্ব্বসূৰী বুলি আখ্যা দিব পাৰি, তেনে পদ্ধতিৰ সহায় লৈছিল। সেই মৰ্ম্মে শুক্লধ্বজে মাত্ৰ বিশজন বচা বচা অশ্বাৰোহী সৈন্যৰে সৈতে মাইবং আক্ৰমণ কৰে। এই সকল অশ্বাৰোহীৰ ভিতৰত আছিল কবীন্দ্ৰ পাত্ৰ, ৰাজেন্দ্ৰ পাত্ৰ, দামোদৰ কাৰ্কি মেধা মকুদমৰ নাম উল্লেখিত আছে। এনে অতৰ্কিত আক্ৰমণত কছাৰী ৰজা তিষ্ঠিব নোৱাৰি পৰাস্ত হৈ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হল। বাৎসৰিক কৰ হিচাবে স্থিৰ হয় এক হাজাৰ স্বৰ্ণ মুদ্ৰা, ৭০,০০০ ৰূপৰ মুদ্ৰা আৰু ৬০টা হাতী। ইয়াৰ বাহিৰেও ২৮টা হাতী উপহাৰ হিচাবে দিয়ে। কছাৰী ৰাজ্য কোচৰাজ্যৰ কৰতলীয়া ৰজা হল।

মণিপুৰ ৰাজ্য বিজয়:— শুক্লধ্বজে মণিপুৰ ৰাজ্য আক্ৰমণ কৰিবলৈ সিদ্ধান্ত কৰিলে। সেই হিচাবে আগতীয়াকৈ কটকী পঠিয়াই বশ্যতা

দাবী কৰাত মণিপুৰ ৰাজ বিপুঞ্জয়ে বিনাযুদ্ধে কোচৰজাক ২০,০০০ ৰূপৰ মুদ্রা, ৩০০ স্বৰ্ণ মুদ্রা, ১০টা হাতী বছৰি কৰ দিবলৈ অংগীকাৰ কৰি সামন্তৰাজ্য হিচাবে থাকিবলৈ মান্তি হোৱাত বিনাযুদ্ধে মণিপুৰ অভিযানৰ অন্ত পৰিল।

জয়ন্তীয়া ৰাজ্য বিজয় :— তেনেদৰেই জয়ন্তীয়া ৰজালৈ বশ্যতা দাবী অথবা যুদ্ধৰ আহ্বান জনাই কটকী পঠিয়ালে। জয়ন্তীয়া ৰজাই বশ্যতা স্বীকাৰ নকৰাত যুদ্ধ হল। এই যুদ্ধত জয়ন্তীয়া ৰজাৰ মৃত্যু হল। জয়ন্তীয়াৰ ৰাজপুত্র বিজয়মানিক্যক মহাৰাজ নৰনাৰায়ণৰ আজ্ঞা অনুসৰি পিতৃৰ সিংহাসনত বহুওৱা হল আৰু সামন্ত ৰাজ্য হিচাবে থাকিবলৈ ললে। বাৰ্ষিক কৰ হিচাবে ১০,০০০ ৰূপৰ মুদ্রা, ৭০টা ঘোঁৰা, ৩০০ নাকী দা দিয়াৰ বন্দোৱস্ত হল। কথিত আছে যে কোচ ৰজাৰ নিৰ্দেশত এই ৰাজ্যত ৰাস্তাঘাট নিৰ্ম্মাণ, তথা জলাশয়ৰ খনন কাৰ্য্য চলিছিল, আৰু জয়ন্তীয়া ৰজাই নিজৰ নামৰ সলনি ৰাজ্যৰ নামেৰেহে মুদ্রা প্ৰস্তুত কৰাৰ আজ্ঞা পায়। ১৭৩০ খৃষ্টাব্দ পৰ্য্যন্ত যে এই আজ্ঞা মানি চলা হৈছিল সেয়া জয়ন্তীয়া ৰজা বড়গোঁহাইৰ দিনৰ স্বৰ্ণমুদ্রাৰ পৰা প্ৰমাণিত হয়। এনে মুদ্রাৰ মুখ্য দিশত "শ্ৰীশ্ৰী শিৱচৰণ কমল মধুকৰ স্য" আৰু গৌণদিশত ৰজাৰ নামৰ পৰিবৰ্ত্তে "শ্ৰীশ্ৰীজয়ন্তাপুৰ পুৰন্দৰস্য শাকে ১৬৫৩" খোদিত কৰা আছে।

ত্ৰিপুৰা ৰাজ্য বিজয় :— ত্ৰিপুৰা ৰাজ্যৰ ভিতৰত তেতিয়া বৰ্ত্তমান কাছাৰ জিলাৰ হাইলাকান্দি মহকুমাকল আৰু শ্ৰীহট্টৰ কৰিমগঞ্জৰ এলেকাৰ কিছু অংশ অন্তৰ্ভুক্ত আছিল। সিংহাসনত অধিষ্ঠিত আছিল বিজয় মাণিক্য। তেওঁ বিনাযুদ্ধে বশ্যতা স্বীকাৰ কৰিবলৈ অমান্তি হোৱাত চিলাৰায়ে ৪০ হাজাৰৰো অধিক সৈন্যৰ বাহিনী এটাৰে ত্ৰিপুৰা ৰাজ্য আক্ৰমণ কৰিলে। লখাই নামে ঠাইত ঘোৰতৰ যুদ্ধ এখন সংঘটিত হয়। এই যুদ্ধত ত্ৰিপুৰাৰ ১০ হেজাৰৰো অধিক সৈন্যৰে সৈতে ৰজা বিজয় মাণিক্যৰ

মৃত্যু হয়। ভেত্তিয়া বজাব ভায়েকে ১০,০০০ ৰূপৰ মুদ্রা, ১০০ সোণৰ মুদ্রা, ৩০টা ঘোঁৰা উপঢৌকন হিচাবে পঠিয়াই সন্ধিৰ প্ৰাৰ্থনা কৰিলে। মহাৰাজ নৰনাৰায়ণে তেওঁক বাৰ্ষিক ৯০০০ ৰূপৰ মুদ্ৰা কৰ হিচাবে দিবলৈ আদেশ কৰিলে। এই যুদ্ধ পৰিচালনাৰ সময়ত কৰিমগঞ্জৰ লাটু নামৰ ঠাইত বাহৰ পাতিছিল। আজিও তাত চিলাৰন্ধা গাওঁ এখন সাক্ষী হিচাবে আছে। বিচক্ষণ চিলাৰায়ৰ নিৰ্দ্দেশত ভৱিষ্যতে যাতে ত্ৰিপুৰাই কোচ ৰাজ্যৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিব নোৱাৰে; সেই বাবে ত্ৰিপুৰা ৰাজ্যৰ সমতল অংশ অৰ্থাৎ আজিৰ কাছাৰ জিলাৰ সমতল অংশ খাচ কৰি আনে আৰু তাতে এটা দুৰ্গ সাজি এদল কোচ সৈন্য ৰাখে। তাৰ পৰাই সেই ঠাইৰ নাম কোচপুৰ হয়। কালক্ৰমত লোকমুখে উচ্চাৰণৰ বিভ্ৰান্তি হৈ কোচপুৰ গুচি খাচপুৰ নামে জনাজাত হয়। পুৰণি কীৰ্ত্তিচিহ্ন ভগ্নাৱশেষ এতিয়াও বৰ্ত্তমান। বিজিত ৰাজ্যবোৰৰ শাসন কাৰ্য্য চোৱাচিতা কৰিবলৈ কমল নাৰায়নক (গোহাই কমল) কোচ ৰজাৰ 'দেৱান' হিচাবে নিযুক্ত কৰা হয়। দেৱান ৰজা কমল নাৰায়ণ কালক্ৰমত 'ধেয়ান ৰজা' (ধ্যান) হিচাবে জনাজাত হয়।

খাচী ৰাজ্য বা খয়ৰাম বিজয়ঃ— খয়ৰাম ৰাজ্যৰ খাচী ৰজা বীৰ্য্যৱন্ত চিলাৰায়ৰ বীৰত্বৰ কথা শুনি ভয় ভীত হৈ স্বইচ্ছাৰে ১৫,০০০ ৰূপৰ মুদ্ৰা, ৯০০ সোণৰ মুদ্ৰা, ৫০টা ঘোঁৰা, আৰু ৩০টা হাতী কৰ হিচাবে দিবলৈ স্বীকৃত হয়। খয়ৰাম ৰজাই মুদ্ৰা প্ৰস্তুত কৰাৰ অধিকাৰ মঞ্জুৰ কৰা হোৱা নাছিল আৰু অৱশেষত মহাৰাজ নৰনাৰায়ণৰ নামত মুদ্ৰাঙ্কণ কৰাৰ প্ৰথা প্ৰবোজ্য হৈছিল।

গাৰো ৰাজ্য ঃ— সেইদৰে গাৰো ৰাজ্যৰ ৰজাইও স্বেচ্ছায় মহাৰাজ নৰনাৰায়ণৰ বশ্যতা স্বীকাৰ কৰিছিল আৰু কৰ দিছিল।

শ্ৰীহট্ট ৰাজ্য বিজয় ঃ— শ্ৰীহট্ট ৰাজ্যলৈ এক শক্তিশালী অভিযান পঠিয়ায়। দৰঙ্গ ৰাজবংশাৱলীত ইয়াৰ কাহিনী লিপিবদ্ধ আছে।

শ্ৰীহট্টৰ ৰজাই বশ্যতা স্বীকাৰ কৰাত অমান্তি হওত এখন ভীষণ যুদ্ধ হয়। তিনিদিন ধৰি যুদ্ধ চলাৰ পাছতো হাৰ-জিকাৰ কোনো লক্ষণ নোহোৱাত সেনাপতি শুক্লধ্বজ অধৈৰ্য্য হৈ পৰে। এই অৱস্থাত তেওঁ সময় নষ্ট নকৰি কোষমুক্ত তৰোৱাল হাতত লৈ চিলাৰ দৰে শত্ৰুসৈন্যৰ ওপৰত জপিয়াই পৰে আৰু ধুমুহাৰ দৰে আক্ৰমন চলাই যায়। কথিত আছে যে, চিলাৰায়ৰ আক্ৰমণৰ লগে লগে কোচ সৈন্য দুগুণ উৎসাহেৰে আক্ৰমণ চলায় আৰু একলাখ শত্ৰুসৈন্য নিহত হয়। শ্ৰীহট্টৰ ৰজাও শুক্লধ্বজৰ তৰোৱালৰ আঘাতত নিহত হয়। তেতিয়া শ্ৰীহট্ট ৰাজৰ ভাতৃ অসিৰায়ে মহাৰাজ নৰনাৰায়ণৰ দৰবাৰলৈ আহে আৰু ১০০ টা হাতী ২০০ ঘোঁৰা, তিনি লক্ষ ৰূপৰ মুদ্ৰা আৰু দহ হেজাৰ সোণৰ মুদ্ৰা ক্ষতিপুৰণ হিচাপে প্ৰদান কৰি কোচ ৰাজ্যৰ সামন্তৰাজ্য হিচাবে থকাৰ অধিকাৰ লাভ কৰে।

ডিমৰুৱা ৰাজ্য বিজয়:— শ্ৰীহট্ট বিজয়ৰ পাছত কোচ ৰাজ্য ভাৰতৰ পূৰ্ব্ব সীমান্তত সবাতোকৈ বিশাল আৰু শক্তিশালী ৰাজ্যত পৰিণত হল। তেতিয়া বিজয় গৌৰবেৰে বিজিত দেশবোৰৰ পৰা পোৱা ধন-সম্পত্তি, উপঢৌকন সহ নিজ ৰাজধানীলৈ উভতি যাওঁতে বৰ্ত্তমান নগাওঁ জিলাৰ ৰহাত কোচ বাহিনীয়ে জিৰণি লয়। সেই সময়ত নগাওঁৰ দক্ষিণ পশ্চিম কোণত ডিমৰুৱা নামৰ ক্ষুদ্ৰ ৰাজ্য আছিল। ডিমৰুৱা ৰাজ্য আক্ৰমণ কৰি অৱৰোধ কৰি থলে। শেষত ডিমৰুৱা ৰজা পাম্বেশ্বৰ বা (পুষ্পেশ্বৰ) বন্দী হল। তেতিয়া ৭০০০ ৰূপৰ মুদ্ৰা বছৰি কৰ হিচাবে দিবলৈ মান্তি হৈ মুক্তি প্ৰাৰ্থনা কৰিলে। মহাৰাজ নৰনাৰায়ণে এই প্ৰাৰ্থনা তত্তালিকে মঞ্জুৰ কৰিলে। এনেকৈয়ে পূৰ্ব্বাঞ্চলৰ সকৰৰ সকলো ৰাজ্য কোচ সাম্ৰাজ্যৰ কৰতলীয়া হল।

১৫৬৪ চনৰ শেষভাগত নৰনাৰায়ণে বিজয় অভিযানৰ অন্তত কোচ বিহাৰলৈ উভতি যাওঁতে সাতচুৰাৰত (গুৱাহাটীৰ ওচৰৰ সাতগাওঁত যত বৰ্ত্তমান ভাৰতীয় সেনা বাহিনীৰ ঘাটি আছে) বাহৰ পাতি বিজিত

ৰাজ্যবোৰৰ পৰা আনুষ্ঠানিক ভাবে কৰভাৰ আদায় কৰিছিল। আহোম ৰাজ্য, কছাৰী, জয়ন্তীয়া, মনিপুৰ, ডিমৰুৱা, খাচী, ত্ৰিপুৰা এই ৭খন ৰাজ্য কৰভাৰেৰে চিলাৰায়ক সন্মান জনাইছিল।

বিজিত ৰাজ্যবোৰৰ শাসন কাৰ্য্য থান থিত লগাই দুয়ো ভাতৃ কোচ বিহাৰলৈ উভতি যায় বিজয় গৌৰৱেৰে। কিন্তু শান্তিৰে ৰাজ্য শাসন কৰাৰ বেছিদিন নৌওতেই যুদ্ধৰ ৰণশিঙা আকৌ বাজি উঠে। সেয়া হ'ল গৌড় অভিযান।

গৌড় অভিযান :— মহাৰাজ নৰনাৰায়ণৰ আহোম ৰাজ্য বিজয়ৰ (১৫৬৩ খৃষ্টাব্দ) পিছতে কামাখ্যা মন্দিৰ নিৰ্ম্মাণৰ (১৫৬৫ খৃষ্টাব্দ) পূৰ্ব্বে গৌড় ৰাজ্য আক্ৰমণৰ বৃত্তান্ত প্ৰায় সকলো কোচ বংশাৱলী আৰু অসম বুৰঞ্জীবিলাকত লিপিবদ্ধ কৰা আছে। মহাৰাজ বিশ্বসিংহৰ ৰাজত্বৰ শেষ ভাগত আৰু মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বৰ আৰম্ভণিতে প্ৰেৰীত দুটি পৃথক গৌড় অভিযানৰ কথা ইতিমধ্যে উল্লেখিত কৰা হৈছে। এইবাৰৰ গৌড় অভিযান প্ৰকৃততে কি কাৰণত সংগঠিত হৈছিল সেই সম্বন্ধে বংশাৱলী বা বুৰঞ্জী-বিলাকত কোনো ইঙ্গিত পোৱা নাযায়। কোনো ঐতিহাসিকৰ মতে কালাপাহাৰৰ দ্বাৰা কামাখ্যা মন্দিৰ ধ্বংসকাৰ্য্যৰ পোতক তুলিবলৈ মহাৰাজ নৰনাৰায়ণে গৌড় ৰাজ্য আক্ৰমণ কৰিছিল। এই সময়ত চুলেমান কৰৰানী গৌড়ৰ পাটশা বা চুলতান আছিল। ৰিয়াজ-উস সলাটিনত চুলেমান কৰৰাণীৰ দ্বাৰা কোচবিহাৰ আক্ৰমণৰ উল্লেখ পোৱা যায়। দিগ্বিজয়ী বীৰ চিলাৰায়ে তড়িৎ বেগেৰে মুছলমান ৰাজ্য গৌড় আক্ৰমণ কৰে। কথিত আছে যে শুক্লধ্বজ বহুদিন ধৰি অমিত বিক্ৰমেৰে, অবিশ্ৰান্ত ভাবে যুদ্ধ পৰিচালনা কৰি অসংখ্য শত্ৰু সৈন্যৰ প্ৰাণ নাশ কৰে, কিন্তু অৱশেষত তেওঁৰ অস্ত্ৰ-শস্ত্ৰাদি নিঃশেষ হোৱাত, যুদ্ধক্ষেত্ৰৰ পৰা পলাই যোৱাটোক ঘৃননীয় বুলি বিবেচনা কৰি শত্ৰুৰ সন্মুখীন হয়। পিছত পাঠান উজীৰ লোদী খানৰ পৰামৰ্শমতে চুলেমান কৰৰাণীয়ে শুক্লধ্বজক মুক্তি প্ৰদান কৰে।

এই সময়ত মোগলসকলে গৌড় ৰাজ্য আক্ৰমণ কৰাটো আসন্ন হৈ উঠিছিল, কোচবিহাৰক সন্তুষ্ট কৰি ৰাখিব পাৰিলে এই আক্ৰমণৰ সময়ত কোচবিহাৰৰ ফালৰ পৰা সাহায্য পোৱা যাব পাৰে, এনে চিন্তাই শুক্লধ্বজক মুক্তি দান কৰাৰ কাৰণ হব পাৰে বুলি অনুমান হয়।

শুক্লধ্বজৰ মুক্তিলাভ সম্বন্ধে অসম বুৰঞ্জীবোৰত বিস্তাৰিত ভাবে লিখা আছে। এইবোৰত লিখিত বিৱৰণে চিলাৰায়ৰ বহুমুখী প্ৰতিভাৰ এটা দিশ ডাঙি ধৰে। বহুতো গুণৰ ভিতৰত চিলাৰায়ে, সেই সময়ত প্ৰচলিত চিকিৎসা বিদ্যাৰ, ভিতৰত বনৌষধিৰ ব্যৱহাৰৰ লগতে তন্ত্ৰমন্ত্ৰও জানিছিল বুলি প্ৰসিদ্ধি আছিল। সেয়ে গৌড়ৰ শাসনকৰ্ত্তাৰ মাতৃক হঠাৎ সৰ্পই দংশন কৰিলত আন বেজ বা চিকিৎসকে ভাল কৰিব পৰা নাছিল। পাটশাই তেতিয়াৰ দিনৰ ঘোষণা পদ্ধতি মতে ঢোল পিটি প্ৰচাৰ কৰিছিল মাতৃক আৰোগ্য কৰোতাজনক পুৰস্কাৰ দানৰ প্ৰতিশ্ৰুতিৰে। গৃহ বন্দী চিলাৰায়ৰ কানত পৰাৰ লগে লগে তেওঁ আৰোগ্য কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল। বন্দী তথা শত্ৰু হলেও পাটশাই তেওঁৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিছিল; আৰু শেষত চিলাৰায়ে পাটশাৰ মাতৃক আৰোগ্য কৰিছিল। তাৰ প্ৰতিদান স্বৰূপে তেওঁক মুক্তি দিছিল। বুৰঞ্জীবোৰত লিখিত এই বৰ্ণনা একেবাৰে উলাই কৰিব নোৱাৰি। কামৰূপ অতীজৰে পৰা তন্ত্ৰ মন্ত্ৰৰ দেশ বুলি প্ৰসিদ্ধ লাভ কৰিছিল। আজিও নামনি অসমত বিশেষকৈ, আধুনিক বিজ্ঞানে চুকি নোপোৱা, তন্ত্ৰ মন্ত্ৰ, গুপ্ত চিকিৎসা পদ্ধতিৰ প্ৰচলন আছে। এনে বেজালিত চিলাৰায়ৰ বুৎপত্তিয়ে তেওঁৰ বহুমুখী প্ৰতিভাৰ ইংগিত দিয়ে।

গৌড় আক্ৰমণত তেওঁৰ পৰাজয়ে আৰু বন্দীত্ব সম্বন্ধে বৰ্তমান আন মতো পোৱা যায়। এই মত অনুসৰি চিলাৰায় প্ৰকৃতপক্ষে বন্দী হোৱা নাছিল। চোলেমান কৰৰাণীয়ে কোচ ৰাজ্যৰ পশ্চিমাঞ্চলত হঠাৎ আক্ৰমণ কৰি কিছুদিনলৈ চিলাৰায়ৰ বাহৰ খাগৰিবাৰী বা খাগ্ৰাবাড়ী অঞ্চল অৱৰোধ কৰি ৰাখে। এই কাৰ্য্যত পাটশাই তেওঁৰ সম্পূৰ্ণ সৈন্য শক্তি নিয়োজিত কৰোঁ

রিয়াজ-ই-চালাতিনৰ তথ্যমতে এনে অৱস্থাতে উৰিষ্যাত চোলেমানৰ কৰৰাণীৰ বিৰুদ্ধে বিদ্ৰোহৰ সূচনা হয়। তেতিয়া মহাৰাজ নৰনাৰায়ণে বঙৰ প্ৰতিকূল অৱস্থাৰ বাবে বাহিৰৰ পৰা কোনো ওভোতা আক্ৰমণ কৰাৰ আগেয়ে এই অৱৰোধ তুলি দিবলৈ বাধ্য হয়।

আহোমৰ লগত মিত্ৰতা :— এনে সময়তে ৰাজনৈতিক বিচক্ষণতাৰ স্বাক্ষৰ হিচাবে মহাৰাজ নৰনাৰায়ণে আহোম ৰজাৰ লগত মিত্ৰতা স্থাপনৰ আগ্ৰহী হয়। সেই মৰ্মে তেওঁ আহোম ৰাজ্য জয়ৰ সময়ত প্ৰতিভূ হিচাবে পঠিওৱা সুন্দৰ গোহাই প্ৰমুখ্যে আহোম ডা-ডাঙৰীয়া সকলৰ পুত্ৰসকলক ১৫৬৪ খৃষ্টাব্দত সসম্মানে মুক্তি দিয়ে। অৱশ্যে পনবন্দী হিচাবে থকা কালত তেওঁলোকক অভিজাত ব্যক্তিসকলৰ সা সুবিধা দি সৌহাৰ্দ্য পূৰ্ণ পৰিবেশত ৰখা হৈছিল। বন্দীত্বৰ কোনো লক্ষণে পৰিস্ফুট নাছিল। মহাৰাজ নৰনাৰায়ণৰ মহানুভৱতাৰ কথা তেওঁলোকে আহোম দৰবাৰত জনালত আহোম স্বৰ্গদেউ সুখামফাৰ লগত মহাৰাজ নৰনাৰায়ণৰ সহজে মিত্ৰতা স্থাপিত হ'ল।

কামাখ্যা মন্দিৰ পুনৰ্নিৰ্ম্মাণ :— মহাৰাজ বিশ্বসিংহৰ দিনত নিৰ্ম্মিত (বা পুনৰ্নিৰ্ম্মিত) কামাখ্যা দেবীৰ মন্দিৰটো ১৫৫৩ চনত কালাপাহাৰ নামক পাঠান সেনাপতি এজনে ধ্বংশ কৰা বুলি অসমৰ বুৰঞ্জীবোৰত লিপিবদ্ধ কৰা আছে বুলি আগেয়ে উল্লিখিত হৈছে। ১৫৬৫ খৃষ্টাব্দত মহাৰাজ নৰনাৰায়ণে এই বিধ্বস্ত মন্দিৰটো পুনৰ্নিৰ্মাণ কৰোৱায়। এই কামৰ ভাৰ ন্যস্ত হয় শুক্লধ্বজৰ ওপৰত। শুক্লধ্বজে তেওঁৰ বিশ্বাসী অনুচৰ মেঘা মকদুমৰ ওপৰত কাৰিকৰ সকলৰ পৰিচালনাৰ ভাৰ দিয়েহি। তেওঁলোকৰ অক্লান্ত পৰিশ্ৰম আৰু সযত্নাগ্ৰত পৰ্য্যবেক্ষণৰ ফল স্বৰূপে অতি কম সময়ৰ ভিতৰতে এই মন্দিৰৰ নিৰ্ম্মাণ কাৰ্য্য সমাপ্ত হয়। (১৫৬৪-১৫৬৫) খৃষ্টাব্দত উল্লেখযোগ্য যে [illegible] কাৰিকৰসকল আছিল যেতিয়াসেই স্থানীয়ত সেয়ে ভাস্কৰ্য্য এটা ধৰ্মীয়তা ৰূপ বিৰাজমান। এই মন্দিৰ

আধুনিক গুৱাহাটী নগৰৰ প্ৰায় মাজভাগত ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰৰ নীলাচল পাহাৰৰ ওপৰত প্ৰতিষ্ঠিত। উত্তৰে মহানদ ব্ৰহ্মপুত্ৰ, দক্ষিণে খাচী পৰ্ব্বত মালা তথা চাৰিওফালে মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্যৰে আগুৰা। ধৰ্মপ্ৰাণ ব্যক্তি সকল; তথা সাধাৰণ ভ্ৰমণকাৰী সকলৰ মনত এক অনাবিল আনন্দ আৰু পবিত্ৰতাৰ ভাব জগাই তোলে।

অসমৰ আন আন মন্দিৰবোৰৰ নিচিনাকৈ কামাখ্যা মন্দিৰৰ উপৰি-ভাগ ওলোটা দীঘলীয়া থুৰাহী এটাৰ সদৃশেৰে এক বিশেষ শৈলিৰ প্ৰতিচ্ছ। ইয়াৰ শীৰ্ষদেশত সোণৰ কলচী বিৰাজমান। মূল মন্দিৰৰ সন্মুখেই নাট মন্দিৰৰ শীৰ্ষদেশতো পাঁচটা চূড়াই শোভা কৰিছে। তাৰো সন্মুখত সংলগ্ন ভোগ মণ্ডপৰ চাল দেখিবলৈ দুচলীয়া ঘৰৰ দৰে যদিও সন্মুখৰ ফালে গোলাকাৰ কৰি মিলাই দিয়া। মন্দিৰৰ গাত অষ্টাদশ ভৈৰৱ আৰু চৌষষ্ঠি যোগিনীৰ মূৰ্ত্তি খোদিত কৰা আছে। লগতে মূল মন্দিৰৰ সন্মুখৰ কোঠালীত মহাৰাজ নৰনাৰায়ণ আৰু শুক্লধ্বজৰ প্ৰস্তৰ মূৰ্ত্তি খোদিত আছে। ভ্ৰমণকাৰী বা তীৰ্থযাত্ৰী এই মূৰ্ত্তি দৰ্শন কৰাৰ পাছত কেইটা মান খটখটীৰে তললৈ নামি কামাখ্যা পীঠ বা মহামুদ্ৰা দৰ্শন কৰে, যত নিৰবধিৰে এটি পানীৰ সোঁত বৈ থাকে। নীলাচল পাহাৰৰ পাদ দেশৰ পৰাই ওপৰলৈ শিলৰ খটখটী বন্ধোৱা আৰু এখন তোৰণ আছে। ইয়াতো নৰনাৰায়ণ আৰু চিলাৰায়ৰ মূৰ্ত্তি খোদিত আছিল। বৰ্ত্তমান প্ৰায় ধ্বংস প্ৰাপ্ত।

মন্দিৰ উৎসৰ্গৰ সময়ত মহাৰাজ নৰনাৰায়ণ আৰু শুক্লধ্বজ নীলাচললৈ আহে; আৰু এই উপলক্ষে অসংখ্য বলিদান দি পূজাৰ ব্যৱস্থা কৰায় তথা দান দক্ষিণা বাবদ ২৫ হেজাৰ কপৰ মুদ্ৰা বিতৰণ কৰে। ভৱিষ্যত পূজা অৰ্চ্চনা আৰু মন্দিৰ পৰিচালনাৰ বাবে বহুত পুৰোহিত ব্ৰাহ্মণ আৰু সেৱক নিযুক্তি দিয়ে। এওলোকৰ জীৱিকা নিৰ্ব্বাহৰ বাবে বহুতো গাওঁ, বিল আৰু ভূমি নিষ্কৰ ব্ৰহ্মোত্তৰ হিচাপে দান কৰে। কথিত আছে যে এই ভূমিৰ পৰিমাণ ২৫,০০০ হেজাৰ বিঘাতো ওপৰত আছিল। আজিও এই ভূমি

আদিব বৃত্তি ভোগ মহাবাজ নবনাবায়ণ আৰু যুববাজ শুক্লধ্বজ পবিত্র স্মৃতি বহন কৰিছে।

বর্ত্তমান নাটমন্দিবৰ শিলালিপিত মন্দিব নির্ম্মাণব বৃতান্ত আৰু মহাবাজ নবনাবায়ণ আৰু তেওঁৰ ভাতৃ শুক্লধ্বজৰ গুণাৱলীৰ বর্ণনা খোদিত আছে। নৃপতি মল্লদেৱ (নবনাবায়ণ) যিজন দয়াগুণত অতুলনীয় ধনুবিদ্যাত যিজন অৰ্জুনৰ তুল্য, দানত যিজন কর্ণৰ সমান, দধিচীৰ দৰে মহৎ; যিজন সকল গুণৰ আধাৰ, সকলো শাস্ত্রতে পার্গত, যাৰ চৰিত্র অসাধাৰণ ৰূপত যিজন কামদেৱৰ তুল্য— সেই মল্লদেৱ কামাখ্যা দেৱীৰ এজন চৰণাশ্রিত সেৱক। তেওঁৰ ভাতৃ শুক্লদেৱ (শুক্লধ্বজ) ১৪৮৭ শকত (১৫৬৫ খৃষ্টাব্দত) নীলাচলত দুর্গা দেৱীৰ মন্দিব নির্ম্মাণ কৰি দ্বাৰ উদঘাটন কৰিলে।

এই লিপিৰ তলতে বেলেগ শিলাখণ্ড এটাত খোদিত আছে; তেওঁৰে প্রিয় সহোদৰ বিপুল যশস্বী, বীৰশ্রেষ্ঠ সকলৰ শিৰোমণি, বস্তুৰ অধিকাৰী, ভক্তিমান সকলৰ মাজত শ্রেষ্ঠ, কল্পতৰু স্বৰূপ, দেৱী ভক্তিত আপ্লুত, শুক্লধ্বজে নীলাচল পর্ব্বতত ১৪৮৭ শকত শিলাৰাশিৰ দ্বাৰা সুন্দৰ প্রাসাদ (মন্দিৰ) নির্ম্মাণ কৰিছিল (দৰংৰাজবংশাৱলী··· ··· ··· পৃঃ ১১৩)।

"লোকানুগ্রহ কাৰকঃ কৰুণায়া প্রার্থো ধনুর্বিদ্যায়া
দানেনাপি দধিচী কর্ণ সদৃশো মর্য্যাদয়াম্ভোনিধিঃ।
নানাশাস্ত্র বিচাৰ চাৰু চৰিতঃ কন্দর্পৰূপোজ্জ্বলঃ
কামাখ্যা চৰনার্চকো বিজয়তে শ্রীমল্লদেৱ নৃপঃ॥
প্রমোদমন্ত্রি হৃহিতুশ্চৰণাৰবিন্দ ভক্ত্যা কৰোতু
মন্দিৰো মৰালীল শৈলো।
শ্রীশুক্লদেৱাইদ সুৰোত্তিক পাদেন শাকে ভুবজ গজ
বেদশবাৰু সংখ্যে॥"

তস্যৈব প্রিয় সোদৰঃ পৃথুযশা বীৰেন্দ্র মৌলিস্থলী
মাণিক্যং ভজমান কল্পবিটপী নীলাচলে মঞ্জুলং।
প্ৰাসাদং মুনিনাগ বেদশশভৃং শাকে শিলাবাজিভিঃ
দেবীভক্তি মতাং বৰো চিত্তবান শ্ৰীশুক্ল পূৰ্ব্বধ্বজঃ ॥

পুনৰ গৌড় অভিযানত আকবৰৰ লগত মিত্ৰতা :—

দৰঙ্গ ৰাজবংশাৱলীৰ পৰা জনা যায় যে মহাৰাজ নৰনাৰায়ণে কামাখ্যা মন্দিৰৰ সংস্কাৰ সাধন কৰাৰ পাছত আৰু কিছুমান জনহিতকৰ কাৰ্য্যত ব্ৰতী আছে কিন্তু লগতে গৌড় ৰাজ্য আক্ৰমণৰ বাবে সুযোগ বিচাৰি থাকে। এই উদ্দেশ্যে তেওঁ মোগল সম্ৰাট আকবৰৰ লগত মিত্ৰতা স্থাপন কৰে। আকবৰেও বহুতো ৰাজ্য জয় কৰি একছত্ৰী সম্ৰাট হৈছিল; কিন্তু গৌড় ৰাজ্য তেওঁৰ আয়ত্বৰ বাহিৰত আছিল। সেয়ে মহাৰাজ নৰনাৰায়ণৰ এই মিত্ৰতাৰ প্ৰস্তাব সানন্দে গ্ৰহণ কৰিছিল। কোচ আৰু মোগলৰ এই বন্ধুত্বই গৌড়ৰ চুলতানৰ তথা ভাৰতত পাঠানৰ শেষ প্ৰতিপত্তিৰ বিলোপ সাধন কৰিছিল।

আকবৰ নামাত লিপিবদ্ধ আছে যে মহাৰাজ নৰনাৰায়ণে মোগলৰ লগত মৈত্ৰী স্থাপনৰ বাবে সম্ৰাট আকবৰৰ ৰাজসভালৈ, মূল্যবান ৰেশমী কাপোৰ (পাটকাপোৰ) আৰু বহু মূল্যবান উপঢৌকনৰ সৈতে এজন কটকী পঠিয়ায় আৰু মোগল সম্ৰাট আকবৰ আৰু মহাৰাজ নৰনাৰায়ণ দুই সমকক্ষ ৰজাৰ দৰে সন্ধি সূত্ৰে আবদ্ধ হয়। অৱশ্যে এই মিত্ৰতাত উদ্যোগী হিচাবে মহামতি আকবৰ বুলিহে বহুতে কৰ খোজে; আৰু যেহি যুক্তি যুক্ত যেন লাগে। আকবৰৰ জীৱন কাহিনী অধ্যয়ন কৰিলে দেখা যায় যে, সকলো পৰাই যুদ্ধ, যুদ্ধজয়, আৰু নানা কৌশলেৰে মোগল সাম্ৰাজ্য বিস্তাৰেই আছিল তেওঁৰ কীৰ্ত্তিৰ অৰ্দ্ধেক দিশ, লগতে তেওঁৰ জ্ঞান আৰু শক্তিও বৃদ্ধি পাইছিল। গৌড় দেশ জয় কৰাটো আজীৱনকাল তেওঁৰ লক্ষ্য আছিল। আনহাতে সেই সময়ৰ কোচ ৰাজ্যৰ ক্ষমতা সম্বন্ধে তেওঁ কোনো অমৰ বশৱৰ্ত্তী নাছিল! একেটা ঢিলিৰে দুটা কণো মৰা তেওঁৰ কূটনৈতিক

নীতিৰ প্ৰধান অঙ্গ। এই ক্ষেত্ৰত তেওঁ তাকে প্ৰয়োগ কৰি, গোনতেই মহাৰাজ নৰনাৰায়ণৰ লগত মিত্ৰতা কৰিবলৈ আগবাঢ়িছিল ; আৰু তেওঁক গৌড় ৰাজ্য আক্ৰমণ কৰিবলৈ সন্মত কৰাইছিল। নৰনাৰায়ণে পুনৰ গৌড় ৰাজ্য আক্ৰমণ কৰাৰ অৱশ্যে কাৰণো ওলাইছিল। আগৰ বাৰৰ আক্ৰমণৰ সময়ত গৌড়ৰ নবাব আছিল চুলেমান কৰৰাণী। চিলাৰায়ৰ বন্দী আৰু মুক্তিৰ প্ৰকৃত কাৰণ যিয়েই নহওঁক তেওঁলোকৰ মাজত মিত্ৰতা হৈছিল। চুলেমানৰ মৃত্যুলৈকে এই মিত্ৰতা অটুট আছিল। তেওঁৰ মৃত্যুৰ পিছত হোৱা পাটশা সকল (অন্তৰ্কলহত কেবাজনৰো উত্থান পতন হয়) অত্যাচাৰী হয়। মহাৰাজ নৰনাৰায়ণৰ দ্বিগ্বিজয়ৰ দৰ্শনেই আছিল একীভূত কৰি শক্তি স্থাপন কৰা। গতিকে গৌড় ৰাজ্যও আক্ৰমণ কৰিবলৈ মন মেলিছিল; এই উদ্দেশ্যৰ যিটো আকবৰৰ লগত মিল আছিল, আৰু সেয়ে এই মিত্ৰতা গঠিত হৈছিল সহজে।

গৌড় বিজয় : চিলাৰায়ৰ মৃত্যু :— কোচ ৰাজ্যৰ সেনাপতি শুক্লধ্বজে পূব আৰু উত্তৰ দিশৰ পৰা আৰু মোগল বাহিনী ৰজা মানসিংহৰ নেতৃত্বত পশ্চিম দিশৰ পৰা একেলগে গৌড়ৰাজ্য আক্ৰমণ কৰিলে। গতিকে গৌড়ৰ চুলতান সহজেই পৰাজিত হল। এই যুদ্ধৰ ফলত কোচ ৰাজ্যৰ সীমা কৰতোৱা নদীৰ পশ্চিম ফালে এক সুবিশাল ভূখণ্ডৰ ওপৰতো বিস্তাৰ লাভ কৰিলে। মোগল সাম্ৰাজ্যও সেইদৰে পূৰ্ববাঞ্চলত বিস্তৃতি লাভ কৰিলে।

এই যুদ্ধৰ ফল বিশেষকৈ দুটা ঐতিহাসিক বিষয়ত গুৰুত্বপূৰ্ণ হৈ থাকিল। প্ৰথমতে ভাৰতত পাঠান আমোলৰ শেষ অস্তিত্বৰ সূচনা আৰু তাৰ পৰিবৰ্ত্তে মোগলৰ আধিপাত্য পূৰ্ব্বাঞ্চললৈকো বিয়পি পৰিল। দ্বিতীয়তে গৌড় ৰাজ্যত (বঙ্গদেশ) মুছলমান অধিকাৰ প্ৰতিষ্ঠাৰ প্ৰায় ৪০০ বছৰ পাছত সৰ্ব্বপ্ৰথম হিন্দু আৰু মুছলমান ৰাজ্যৰ মাজত শান্তি সূচক সন্ধি স্থাপন হল, তথা শান্তিৰ প্ৰতিষ্ঠা হল, দুয়োটা বিষয়েই পূৰ্ব্বাঞ্চলৰ পিছৰ ইতিহাসত সুদূৰ প্ৰসাৰী প্ৰভাব পেলাইছে। আকল সেয়ে নহয় গৌড়

বিজয়ৰ যুদ্ধতেই কোচ ৰাজ্যৰ দ্বিগ্বিজয়ী শক্তিত অবোবাৰ্দ তথা চাকিক্য শক্তি শেষবাৰলৈ উদ্দীপ্ত হৈছিল। এই যুদ্ধৰ বিজয়ৰ পিছতেই (বা যুদ্ধি থাকোতেই) বিশ্ববীৰ চিলাৰায়ৰ শোকাবহ ভাবে মৃত্যু হয়। কথিত আছে যে বসন্তৰোগত আক্ৰান্তহৈ গঙ্গাৰ পাৰত যুৱৰাজ চিলাৰায়ে তেওঁৰ নশ্বৰ দেহাৰ ইহলীলা সম্বৰণ কৰিলে। তেওঁৰ মৃত্যুৰ সময় ১৪৯৩ শকাব্দ (১৫৭১ খৃঃ) দৌল পূৰ্ণিমা তিথি বুলি ঠাৱৰ কৰা হৈছে। এই মতে, ১৫১০ চনৰ মাঘী পূৰ্ণিমা তিথিত ওপজি মহাৰাজ নৰনাৰায়ণে ১৫৪০ খৃষ্টাব্দৰ অলপ আগৰে পৰা নৰসিংহৰ পৰা সিংহাসন লোৱাৰ ভেকুৰি বছৰতো অধিক কাল যুদ্ধ বিগ্ৰহত লিপ্ত থাকি প্ৰায় অলৌকিক বীৰত্বৰ চিনাকি ৰাখি প্ৰাচ্য জগতৰ অদ্বিতীয় বীৰ শুক্লধ্বজ ওৰফে সংগ্ৰামসিংহ ওৰফে চিলাৰায়ে শেষ নিঃশ্বাস এৰিলে।

শুক্লধ্বজৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু প্ৰতিভা:— যুৱৰাজ শুক্লধ্বজ এজন অনন্য সাধাৰণ প্ৰতিভাশালী সেনানায়ক আছিল। যুদ্ধ-বিজয়ী যোদ্ধা হিচাবে তেওঁক সৰ্ব্বকালৰ শ্ৰেষ্ঠ সেনানায়ক সকলৰ শ্ৰেণী ভুক্ত কৰিব পাৰি। তেওঁ শক্তিশালী কোচবাহিনীৰ নেতৃত্ব কৰিছিল, আৰু তেওঁৰ দৰে নিৰ্ভীক বীৰ আৰু সুদক্ষ যোদ্ধা সেই যুগৰ ধৰাত খুব কমেই আছিল। পূৰ্ব্ব ভাৰতৰ এক বিশাল অংশ জুৰি কোচ আধিপত্য বিস্তাৰ কৰাটোৱেই জীৱনৰ মূলমন্ত্ৰ হৈ পৰিছিল। তাৰ বাবে যিবোৰ যুদ্ধত অৱতীৰ্ণ হৈছিল, তাত ব্যৱহাৰ কৰা যুদ্ধৰ কৌশল, যোৱা দ্বিতীয় মহাযুদ্ধত পৰিচালিত Blitz krieg পদ্ধতিৰ পূৰ্ব্বসূৰী বুলি কব পাৰি। সেয়ে তেওঁৰ কৃতকাৰ্য্যতা।

আহোম ৰাজ্য, কাছাৰী ৰাজ্য, মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰা, শ্ৰীহট্ট আৰু উত্তৰ বঙ্গ ইত্যাদি জয়কৰি শুক্লধ্বজে কোচৰাজ্যৰ ভিত্তকৰা কৰিছিল; পশ্চিমে মিথিলা প্ৰদেশৰ সীমান্তৰ পৰা পূৱে অসমৰ শেষ প্ৰান্ত, উত্তৰে পূৰ্ণ্যাখাতাৰ (ভোটান ৰাজ্য অঞ্চল) পৰা দক্ষিণে বঙ্গোপসাগৰৰ বেলাভূমি

পৰ্য্যন্ত এই সুবিস্তীৰ্ণ ভূখণ্ড তেওঁৰ বাহুবলৰ দ্বাৰাই বিজিত হৈছিল। গভীৰ দেশপ্ৰেম, প্ৰবল জাতীয়তা বোধ, অসামান্য সংগঠনী শক্তি, কূট-নৈতিক বিচক্ষণতা আৰু ৰাজনৈতিক দূৰদৃষ্টিৰ দ্বাৰা তেওঁ সুদূৰ প্ৰসাৰী কোচ ৰাজ্যত সংহতি আৰু দৃঢ়তা আনিছিল। যুদ্ধত বিজয় লাভ, যিকোনো যোদ্ধাৰ দৰেই তেওঁৰো লক্ষ্য, কিন্তু যুদ্ধ কালত, নৃশংসতা, ব্যাপক হত্যা লুণ্ঠন বা ধ্বংস সাধন, তেওঁৰ স্বভাৱত অজ্ঞাত আছিল। তেওঁৰ নেতৃত্বত সুসংগঠিত কোচ বাহিনী যুদ্ধৰ এইবোৰ অতিসাম্ভাব্য কুকাৰ্য্যৰ পৰা সদায়ে আঁতৰত আছিল, যিটো এটা লেখত লবলগীয়া কথা। ইয়াৰ মূলত অন্তৰ্নিহিত হৈ আছে গভীৰ মানবীয়তা বোধ। এই মহত্ব বোধৰ দৰ্শনেই কোচ ৰাজ বংশৰ তথা জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্য; যেনে ধৰ্ম্মীয় সহনশীলতা আতিথেয়তা, অল্পতে সন্তুষ্ট— উচ্চাকাংখা বিহীন নিৰাসক্তমুখী ধৰ্ম্মপৰায়নতা আদিৰ গঢ় দিয়াত অৰিহনা যোগাইছে। "চিলাৰায়ৰ বীৰত্বৰ আঁৰত আছিল কেতবোৰ নিটোল আদৰ্শৰ প্ৰতি থকা তেওঁৰ নিষ্ঠাহে। বীৰত্ব কেৱল বাহুবল নহয়; হোৱাহলে অত্যাচাৰী শোষণকাৰী যিকোনো সকলো যোদ্ধাকে আমি বীৰ বুলি কলোহেতেন। নৰনাৰায়ণ চিলাৰায় যুদ্ধ যাত্ৰাৰ মাজত আমি অহৈতুক ৰণ পিপাসা বিচাৰি নাপাওঁ। তাৰ পৰিবৰ্ত্তে আমি দেখিবলৈ পাওঁ এখন ঐক্যবদ্ধ অসম গঢ়াৰ প্ৰয়াসহে"— (মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ভাষণ মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্ত্তি প্ৰতিষ্ঠা উৎসৱ······ ১৬ ফেব্ৰুৱাৰী ১৯৯৮ চন)। চিলাৰায়ৰ দৈহিক শক্তি যেনে অসাধাৰণ আছিল তেওঁৰ মানসিক বল, ধৈৰ্য্য, আত্মপ্ৰত্যয় আৰু কৰ্ম্মক্ষমতাও আছিল তেনে অপৰিসীম। সামৰিক নেতা হিচাবে কঠোৰ নিয়মানুবৰ্ত্তিতা, বীৰ সুলভ দুঃসাহসিকতা বজ্ৰকঠিন প্ৰতিজ্ঞা, বিজিত শত্ৰুৰ প্ৰতি উদাৰতা এনেকি যুদ্ধক্ষেত্ৰতো গো-ব্ৰাহ্মণৰ প্ৰতি ভক্তি আদিয়ে গুৰুধ্বজৰ চৰিত্ৰক মহনীয় কৰি তুলিছে। কিন্তু চিলাৰায়ৰ প্ৰতিভা, বীৰত্ব বা ৰাজনীতি সম্বন্ধীয় কাৰ্য্য-কলাপতে সীমাবদ্ধ নাছিল। প্ৰগাঢ় পাণ্ডিত্য, নানাশাস্ত্ৰ বিশাৰদ

আদি গুণাবলীয়ে তেওঁৰ চৰিত্ৰক আৰু সৰ্ব্বাঙ্গ সুন্দৰ কৰি তুলিছে। তাৰোপৰি স্বাভাবিক নিঃস্বাৰ্থপৰতা আৰু অবিচলিত ভাতৃপ্ৰেমৰ বাবে শুক্লধ্বজ মহাৰাজ নৰনাৰায়ণৰ প্ৰতি প্ৰিয়পাত্ৰ মন্ত্ৰনাদাতা আৰু সৌভাগ্য স্বৰূপ আছিল। সেয়ে জন নায়ক হিচাবে কোচ ৰাষ্ট্ৰ ব্যৱস্থাৰ সৰ্ব্বাধিনায়ক আছিল। মহাৰাজ নৰনাৰায়ণৰ মহান কীৰ্ত্তিৰ সকলোবে মূলত আছিল শুক্লধ্বজ; কিন্তু সেই কৃতিত্ব নিজে লোৱাৰ কোনো প্ৰয়াস নাছিল। প্ৰকৃত কৰ্ম্মযোগী হিচাবে নিজকে গঢ় দিছিল, আৰু সেই কৃতিত্বই সকলো কীৰ্ত্তি বা কৰ্ম্মক একেলগে সামৰি লৈছে।

শ্ৰীশঙ্কৰদেৱ আৰু শুক্লধ্বজ :— চিলাৰায়ৰ মহান কীৰ্ত্তিবোৰৰ বিৱৰণ দিওঁতে শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ পৃষ্ঠপোষকতা কৰাৰ কথা আলোচনা নকৰিলে, ই স্বাভাৱিকতে অসম্পূৰ্ণ হৈ ৰব। শ্ৰীশঙ্কৰদেৱে ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ মাজেদি, যি সাহিত্য ৰচনাৰ যোগেদি বৰ্ত্তমান আধুনিক অসমীয়া জাতি গঠন কৰাৰ ভূমিকা লৈছিল, তাৰ মূলতে আছিল কোচ ৰাজত্বৰ তথা চিলাৰায়ৰ পৃষ্ঠপোষকতা। সেয়ে পশ্চাৎ শঙ্কৰী সাহিত্যত দেখান চিলাৰায়ৰ ৰাশি ৰাশি প্ৰশংসা আৰু উল্লেখ পোৱা যায়।

শঙ্কৰদেৱ বৰদোৱাত জন্মগ্ৰহণ কৰে। তেওঁ বহুতো শাস্ত্ৰাদি অধ্যয়ন কৰাৰ পাছত আৰু প্ৰায় ১২ বছৰ কাল তীৰ্থাদি ভ্ৰমণ কৰাৰ পাছত, সনাতনী ব্ৰাহ্মণ্য ধৰ্ম্মৰ বিকল্প হিচাবে "একশৰণ ভাগৱতী ধৰ্ম্ম" নামে এটি মতবাদ গঢ়ি তোলে। নাম কীৰ্ত্তনেৰে আধ্যাত্মিক বিকাশ ইয়াৰ এই ধৰ্ম্ম মতৰ মূল ভেটি। শঙ্কৰদেৱে তেওঁৰ মতবাদ আহোম ৰাজ্যত প্ৰচাৰ কৰিবলৈ লয়; কিন্তু কিছুদিন এই মতবাদে প্ৰসাৰ লাভ কৰাৰ পাছত, নানা বাধাৰ সন্মুখীন হয়। বাইজৰ পৰা আৰু ৰজা ঘৰৰ পৰাও। ফলত বাসস্থান কেবাবাৰো সলাবলৈ বাধ্য হয়। কছাৰী কিছুমান আৰু আহোম ৰজাৰ অত্যাচাৰৰ বাবে বৰদোৱাৰ পৰা গাংমৌ। গাংমৌত আকৌ ভকলা কিছুমানে অত্যাচাৰ কৰাত, ধুৱাহাটা বেলগুৰিলৈ আহে। এনেকৈ তেওঁৰ আৰু

তেওঁৰ শিষ্য সকল যাতে সময়ে নিগৃহীত হবলৈ ধৰিলে। অৱশেষত এদিন আহোম ৰজাই হাতীৰ খেদা চিকাৰ কৰিবলৈ ওলালত, হাতী বিলাকক নিৰ্দ্দিষ্ট অঞ্চলত আবদ্ধ কৰি ৰখাত আনৰ লগতে শ্ৰীশঙ্কৰদেৱ আৰু তেওঁৰ শিষ্য সকলোকে পাচিলে। দুৰ্ভাগ্য ক্ৰমে তেওঁৰ শিষ্য সকল থকা দিশে-দিয়েই হাতী ওলাই যায়। এই লঘু দোষতে তেওঁৰ শিষ্য সকলক নানা শাস্তি দিয়াৰ লগতে তেওঁৰ জোঁৱায়েক মধুগিৰিক প্ৰাণ দণ্ড দিয়ে। শ্ৰীশঙ্কৰদেৱে ভেতিয়া সশিষ্যে ভটিয়াই আহি কোচ ৰাজ্যৰ অন্তৰ্গত পাটবাউসীত আশ্ৰয় গ্ৰহণ কৰে। তাৰে পৰাই তেওঁ পুনৰ বিনা বিঘিনিৰে তেওঁৰ ধৰ্ম্মমত প্ৰচাৰ কৰিবলৈ সুবিধা পায়। চিলাৰায়ৰ নেতৃত্বত আহোম ৰাজ্য আক্ৰমণৰ সময়ত এই প্ৰব্ৰজন হয়।

শ্ৰীশঙ্কৰদেৱৰ সতে শুক্লধ্বজৰ মিতিৰালি :— পাটবাউসীত থাকোতেই শ্ৰীশঙ্কৰদেৱৰ লগত শুক্লধ্বজৰ সাক্ষাৎ ঘটে। দৈত্যাৰি ঠাকুৰ বিৰচিত গুৰুচৰিতকে আদি কৰি পিছৰ যুগৰ ভক্ত কবি সকলে শ্ৰীশঙ্কৰ-দেৱৰ বিষয়ে লিখা চৰিত পুথি বা অইন পুথিবোৰত শ্ৰীশঙ্কৰদেৱৰ আৰু চিলাৰায়ৰ মিলন আৰু তাৰ কাৰ্য্যাৱলী বৰ্ণিত হৈছে। শ্ৰীশঙ্কৰদেৱে এই বেলি আগৰ দৰে কোনো বাধা নাপালেও নতুন শত্ৰুতাৰ সম্মুখীন হয়। সেইটো হৈছে, শঙ্কৰদেৱৰ প্ৰভাৱ জনমানসত বাঢ়ি অহাৰ লগে লগে ব্ৰাহ্মণ্য ধৰ্ম্ম তথা ব্ৰাহ্মণ শ্ৰেণীৰ প্ৰভুত্ব কমি অহাত তেওঁলোকে শঙ্কৰদেৱৰ বিৰুদ্ধে নানা কুৎসা প্ৰচাৰ মহাৰাজ নৰনাৰায়ণৰ ওচৰত উত্থাপিত কৰিবলৈ ধৰিলে। পিতৃ বিশ্বসিংহৰ কোচ ৰাজপৰিয়াল ব্ৰাহ্মণ্য হিন্দু ধৰ্ম্মত দীক্ষিত হৈছিল; কিন্তু ধৰ্ম্ম বিষয়ত উদাৰ আছিল। মহাৰাজ নৰনাৰায়ণ আৰু যুৱৰাজ শুক্লধ্বজো ধৰ্ম্ম পৰায়ণ আছিল, অথচ অইন ধৰ্ম্মমতৰ প্ৰতি উদাৰ। গুৱাহাটীৰ কামাখ্যা মন্দিৰ, শুক্লধ্বজৰ অক্লান্ত পৰিশ্ৰম, উদ্যমৰ ফলতে নিৰ্ম্মিত হৈছে, যিটোৱে তেওঁৰ অনাবিল ধৰ্ম্মপৰায়ণতা আৰু অকৃত্ৰিম স্থাপত্য শিল্পবোধৰ প্ৰতীক। দেৱাল চিত্ৰে

গুৰুধৰজে শ্ৰীশঙ্কৰদেৱৰ বিষয়ে সঠিক ভাৱে নিৰ্ণয় কৰিবলৈ পাটৰাণী [illegible] আছিল সকলো কথাৰ বুজ লয়। সংযোগক্ৰমে তেওঁ শ্ৰীশঙ্কৰদেৱৰ [illegible] ৰামৰায়ৰ দুহিতা ভুৱনেশ্বৰী দেৱী গুৰুকে কমলা প্ৰিয়াক দেখা [illegible] আকৃষ্ট হয়। মহাৰাজ নৰনাৰায়ণ আৰু শ্ৰীশঙ্কৰদেৱৰ পৰম [illegible] দৌত্য যোগে সম্মতিক্ৰমে তেওঁ ভুৱনেশ্বৰী দেৱীক বিয়া কৰায়। বৰ্ত্তমান গোৱালপাৰা জিলাৰ গোলোকগঞ্জৰ ওচৰত থকা ৰামৰায়ৰ কুঠিত এই বিবাহ শাস্ত্ৰমতে সম্পন্ন হয় বুলি বৰ্ণিত আছে।

শ্ৰী ভুৱনেশ্বৰীৰ যোগেদি গুৰুধৰজে শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্মমতৰ বিষয়ে জানিব পাৰিলে, আৰু শেষত আকৃষ্ট হৈ শ্ৰীশঙ্কৰদেৱৰ শিষ্য হয়। স্বাভাৱিকতে শঙ্কৰদেৱৰ ধৰ্ম্মমত গুৰুধৰজৰ পৃষ্ঠপোষকতা পায়।

শ্ৰীশঙ্কৰদেৱৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰু সুৰক্ষা:— চিলাৰায়ৰ দ্বাৰা পৰোক্ষ পৃষ্ঠপোষকতা পোৱাৰ পিছত শঙ্কৰদেৱৰ শত্ৰুৰ সংখ্যা বা কাৰ্য্যকলাপ কমক চাৰি বাঢ়িবলৈ ধৰিলে। তেওঁলোকে মহাৰাজ নৰনাৰায়ণক মিছা কথাৰে প্ৰভাৱিত কৰিলে। গুৰুধৰজৰ বিৰুদ্ধেও কথা লগালে; ফলত মহাৰাজ নৰনাৰায়ণে শ্ৰীশঙ্কৰদেৱৰ বিৰুদ্ধে কাৰ্য্য ব্যৱস্থা লবলৈ প্ৰযোজিত হ'ল। তেওঁ শঙ্কৰদেৱক ধৰি আনিবলৈ আদেশ কৰি চাৰিজন পৰবাণি (চিপাহী) পঠিয়াই দিলে, কিন্তু ৰাজসভাত থকা শঙ্কৰদেৱৰ ভক্ত কণ্ঠভূষণে চিলাৰায়ক ততাতৈয়াকৈ এই খবৰ দিলে (দৈত্যাৰী ঠাকুৰ)। চিলাৰায় ডাঙৰ সঙ্কটৰ মাজত পৰিল। এই সঙ্কটৰ পৰা সমাধান বিচাৰি উলিওৱাত তেওঁৰ বিচক্ষণতা কৰ্ম্ম তৎপৰতা ফুটি উঠিছে।

একালে মহাৰাজৰ আদেশ, যাৰ বিৰোধীতা কৰাৰ অৰ্থ ৰাজদ্ৰোহিতা; আনকালে শাহুদেৱৰ প্ৰতি বিনা কাৰণত অভিযোগ, যাৰ বিচাৰৰ ফলাফল ভয়াবহ হব পাৰে, তেওঁক ৰক্ষা কৰা তেওঁৰ কৰ্ত্তব্য, [illegible] ন্যায় বিচাৰ দিয়াই তেওঁৰ মূল মন্ত্ৰ। চিলাৰায় নিজে [illegible] মানুহ। তেওঁ সহজে বিদ্ৰোহিতা কৰিব পাৰে। ইয়াতকৈ সৰু কাৰণত আত্মবিৰোধ বা

বিদ্ৰোহৰ কাহিনীৰে ইতিহাস (বিশেষকৈ ভাৰতৰ) ভৰি আছে ; কিন্তু তেওঁ ক্ষিপ্ৰপ্ৰজ্ঞ আগ্ৰহৰ সৈতে এই বিৰোধ তেওঁ কৰিব খোজাবে। জানহাতে চিন্তা কৰাৰ সময় অতি কম। কৰ্মতৎপৰতা আৰু প্ৰত্যুৎপন্নমতিৰ সাক্ষী ৰাখি তেওঁ পলম নকৰি চেকাই নামৰ নাৱৰীয়া এজনৰ নেতৃত্বত বেগী নাও এখন পাটবাউসীলৈ পঠিয়াই দিলে, যাতে বজাৰ চিপাহী গৈ পোৱাৰ আগেয়ে শঙ্কৰদেৱক আতৰাই আনিব পাৰে।

সেইদৰে তেওঁ শঙ্কৰদেৱক পৰিয়াল বৰ্গৰে সৈতে আনি নিজৰ বাস-ভৱনত গোপনে ৰাখিলে। তাৰ পিছত লাহে লাহে কৌশলেৰে শঙ্কৰদেৱৰ প্ৰতি মহাৰাজৰ সকলো ভ্ৰান্তিমূলক ধাৰণা আতঁৰাই পেলালে। তাৰ পৰিবৰ্ত্তে শঙ্কৰদেৱৰ দৰে ধাৰ্ম্মিক ব্যক্তি এজনৰ সান্নিধ্য যে মহাৰাজৰ কাম্য এনে আগ্ৰহৰ সৃষ্টি কৰিলে। এই কথা বৰ্ণনা কৰা যিমান সহজ, গোটেই খিনি কৰা কঠিন কাম আছিল। গোটেই প্ৰক্ৰিয়াটোত অতিশয় বিচক্ষণতা, ধৈৰ্য্য, সৎসাহস আৰু আত্মবিশ্বাসৰ প্ৰয়োজন হৈছিল। সন্দেহ নাই চিল্লা চিলাৰায়ৰ এই সকলোবোৰ গুণৰ উৎকৃষ্ট উদাহৰণ ইয়াত ফুটি উঠিছিল। কোনো ছল-চাতুৰিৰ প্ৰকাশ নাই, এজনৰ প্ৰতি বিশ্বাস স্থাপন কৰিবলৈ গৈ আন এজনক হেয় কৰাৰ যি প্ৰবণতা, সক বৰ সকলো মানুহৰ কাৰ্য্যাঃ দ্ৰ্যত দেখা পায়। কিন্তু চিলাৰায় আছিল মহৎ, এই সকলোবোৰৰ উৰ্দ্ধত। ছল-চাতুৰি আৰু খোচামোদৰে যিসকল লোকে বা সভাসদে, (বিশেষকৈ ব্ৰাহ্মণ শ্ৰেণীৰ লোকে) শ্ৰীশঙ্কৰদেৱৰ সৰ্ব্বনাশ কৰিবলৈ ওলাইছিল, বীৰ গুৰুধ্বজে সৰ্ব্বসাধাৰণৰ উপৰোক্ত মনোবৃত্তিৰ বশবৰ্ত্তী হোৱা হলে, এই চক্ৰান্তকাৰী সকলক সহজে নিঃশেষ কৰি দিব পাৰিলেহেঁতেন ; কিন্তু উচ্চ দৰ্শনেৰে আলোকিত বিবেকবান চিলাৰায়ে তেনে একো ব্যৱস্থা লোৱা নাছিল। তেওঁৰ অন্তৰ্দৃষ্টি সুক্ষ্মভাৱে বুজি পাইছিল, যে শ্ৰীশঙ্কৰ [illegible] জ্ঞানৰত্ন, মহৎ বা ধৰ্মীয় তত্ত্বাদ গুণীৰ যোগ বুজা মহাৰাজ [illegible] আগত এবাৰ আলোকিত হলেই, মোৰৰ অন্তত বহি [illegible]

হোৱাৰ নিচিনাকৈ তেওঁৰ বিৰুদ্ধে মিথ্যা অপবাদ দিয়াসকল এনেয়ে আঁতৰি যাব। চিলাৰায়ৰ ধৰ্মীয় উদাৰতাৰো ই সাক্ষী। ইয়াৰ পিছতো ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰতি কোনো বীতৰাগ বা অশ্ৰদ্ধা দেখুৱা নাছিল, সমানে পৃষ্ঠ-পোষকতা কৰিছিল। উত্তৰ পূব ভাৰতৰ ইতিহাসত কোচ ৰাজশক্তিৰ এই পুনৰ অভ্যুদয় এটা সন্ধিক্ষণ, তাৰে ভিতৰত এই ঘটনাটো পিছৰ যুগত সামাজিক ইতিহাসৰ বাবে অতি গুৰুত্বপূৰ্ণ অৱদান দিছে।

নৰনাৰায়ণৰ ৰাজসভাত শ্ৰীশঙ্কৰদেৱ :— চিলাৰায়ৰ মধ্যস্থতাত শ্ৰীশঙ্কৰদেৱ মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হয়। তেওঁৰ বিৰুদ্ধে অনা অভিযোগ অপযশ নিজৰ জ্ঞান-গৰ্ভ যুক্তিৰে খণ্ডন কৰিলে। গুণগ্ৰাহী মহাৰাজ নৰনাৰায়ণে তেওঁৰ মাজত পণ্ডিত গুণ জ্ঞানীজনক তৎক্ষণাত চিনি পালে। তেওঁৰ ধৰ্মমত প্ৰচাৰৰ সকলো বাধা আঁতৰি গল। মহাৰাজ নৰনাৰায়ণে তেওঁক ৰাজসভাত মুকলি নিমন্ত্ৰণ জনালে। সেই মৰ্মে চিলাৰায়ে সহৃদয় কাৰ্য্যৰ কলবাৰীত শ্ৰীশঙ্কৰদেৱৰ বাবে সত্ৰ পাতি দি থকাৰ ব্যৱস্থা কৰি দিয়ে। ইয়াত তেওঁ প্ৰায় আঠৰ বছৰ কাল কটায় আৰু ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ লগতে ব্ৰজবুলি (মৈথিলী) বুলি জনাজাত ভাষাত কেবাখনো ধৰ্মগ্ৰন্থ প্ৰণয়ন কৰে। শঙ্কৰদেৱৰ ধৰ্ম পুথিবোৰেই, বৰ্তমান অসমীয়া সাহিত্যৰ মূল ভেটি হৈ পৰে। তেওঁৰ ভাষাত স্থানীয় (কমতাপুৰী, বি অঞ্চলত কথিত) ভাষাৰ শব্দৰ পাখনিয়ে সমৃদ্ধ কৰিছে।

শ্ৰীশঙ্কৰদেৱৰ জীৱনৰ শেষ কালছোৱা ইয়াতে কটায়। ইয়াৰ ভিতৰত ৰাজসভাত তেওঁ কেবাবাৰো ধৰ্মালোচনাত ভাগ লয়। শ্ৰীশঙ্কৰদেৱৰ ৰাজসভাত থকা কালত বহুতো ঘটনাৰ বিৱৰণ পোৱা যায়। যিবোৰ বৰ গুৰুত্বপূৰ্ণ। ভুৰুকাত হাতী ভৰোৱা কথাৰ আলমত "গুণমালা" পুথি-ৰচনা, পাটকাপোৰত কৃষ্ণলীলাৰ চিত্ৰ অংকিত বৃন্দাবনী বস্ত্ৰ বুলি জনাজাত হৈছিল। নৰনাৰায়ণে তেওঁক কলা মহিৰ হাতী বও এতাল আৰু এজন এতাল উপহাৰ দিয়ে।

তিৰোধান : গুৰু আৰু মহান শিষ্যৰ :— ১৪৯০ শকত (১৫৬৯ খৃঃ) ভাদ মাহৰ শুক্লাদ্বিতীয়া তিথিত তেওঁ স্বৰ্গগামী হয়। তেওঁ তিৰোধান কৰা ঠাইতে শঙ্কৰী ধৰ্মাৱলম্বী লোকৰ বাবে পৱিত্ৰ মধুপুৰ ধাম গঢ়ি উঠিছে। অকল শঙ্কৰদেৱৰ যে তিৰোধান হোৱাই নহয়; তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱ, দামোদৰদেৱ আৰু আন দচজনা (দহ মুকুট) সিদ্ধ আতাবো ইয়াতে তিৰোভাব হৈছিল। ই অতি গুৰুত্বপূৰ্ণ, একপ্ৰকাৰে আশ্চৰ্য্যজনক, এক অদ্বিতীয় পূণ্য ঠাই।

শ্ৰীশঙ্কৰদেৱৰ জীৱনৰ লগত শুক্লধ্বজৰ জীৱন শেষলৈ এনে যোগ-সূত্ৰত বন্ধা হৈছিল যে গুৰুজনাৰ তিৰোভাৱৰ পিছত অতিকে শোকাকুল শিষ্যপ্ৰৱৰ শুক্লধ্বজৰ জীৱনী শক্তিও যেন হ্ৰাস হৈ পৰিছিল। সেয়ে গৌড় বিজয়ৰ পাছতে তেওঁ স্বৰ্গগামী হৈছিল ইং ১৫৭১ চনৰ দৌল পূৰ্ণিমাত।

চিলাৰায়ৰ আদৰ্শ :— ভক্তিমাৰ্গ দৰ্শনৰ ভেটিত প্ৰতিষ্ঠিত শঙ্কৰী ধৰ্মৰ শুক্লধ্বজ আছিল, এজন প্ৰকৃত অনুৰাগী। কাশীত বিদ্যালাভ কৰি তেওঁ নানা শাস্ত্ৰত ব্যুৎপত্তি লাভ কৰিছিল। শঙ্কৰী ধৰ্মৰ প্ৰভাৱে তেওঁৰ পাণ্ডিত্যক প্ৰকাশ কৰাত প্ৰেৰণা যোগাইছিল। ইয়াৰ ফলতেই ভক্তিমাৰ্গৰ বিতৰ্কিত পুথি জয়দেৱৰ "গীত গোবিন্দ" টীকা "সাৰবৰ্ত্তী" প্ৰনয়ণ কৰে। সংস্কৃত ভাষাত লিখিত এই ভাষ্য পণ্ডিত সকললৈকে তেওঁৰ পাণ্ডিত্যৰ চিনাকী; সংস্কৃত সাহিত্যলৈ অনবদ্য অবদান। মহাবীৰ, জ্ঞানী, গুণী পণ্ডিত, মানব প্ৰেমী, ধৰ্মপৰায়ণ, ভাতৃপ্ৰেম তথা আইন যিকোনো উচ্চ আদৰ্শৰ বাহক চিলাৰায়, ওৰফে শুক্লধ্বজ, ওৰফে সংগ্ৰামসিংহ, এক বিৰল ব্যক্তি। তেওঁৰ আদৰ্শই যিকোনো মানুহকে উদ্বুদ্ধ কৰিব পাৰে। ইয়াকে সাৱলত্ব বুলি পুৰণি কোচ ৰাজ্যৰ বিভিন্ন অঞ্চলত মাঘী পূৰ্ণিমা তিথিত চিলাৰায়ৰ জন্মতিথি পালিত হৈ আহিছে। তেওঁৰ স্মৃতি ৰক্ষাৰ্থে ১৯৮৪ চনত ফেব্ৰুৱাৰী মাহৰ ১৬ তাৰিখে গুৱাহাটীৰ উত্তৰ পাৰে আমিনগাঁওত তেওঁৰ নামৰে প্ৰখ্যাত চিলাপাহাৰৰ প্ৰান্তদেশত

অশ্বাৰোহী ৰূপত তেওঁৰ এটি ব্ৰঞ্জৰ মূৰ্ত্তি স্থাপিত হৈছে।

এই মূৰ্ত্তি স্থাপন উপলক্ষ্যে দিয়া ভাষণত তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই চিলাৰায়ৰ জীৱন দৰ্শনৰ যি সাৰ ব্যাখ্যা দিছে সি ইতিহাসত ৰৈ যাব। "……চিলাৰায়ক আজি যেতিয়া আমি মহাবীৰ বুলি অভিহিত কৰোঁ, তেতিয়া কেৱল তেওঁৰ ৰণ নৈপুণ্যতাৰ কথাতে আমি আৱদ্ধ নাথাকোঁ। বীৰত্বৰ আচল সজ্ঞা কেৱল যুদ্ধ জয়ৰ মাজতে সীমাবদ্ধ নহয়। বীৰত্ব কেৱল যুদ্ধক্ষেত্ৰতে ফুটি নুঠে। শান্তিৰ সময়ত গঠনমূলক প্ৰচেষ্টাত আৰু মূল্যৱান আদৰ্শৰ প্ৰতি নিষ্ঠাতো বীৰত্বৰ প্ৰকাশ ঘটে। চিলাৰায়ৰ বীৰত্বৰ আঁৰতো আছিল কেতবোৰ নিটোল আদৰ্শৰ প্ৰতি থকা তেওঁৰ অবিচল নিষ্ঠাহে। বীৰত্ব কেৱল বাহুবল নহয়, হোৱাহলে অত্যাচাৰী শোষণকাৰী যিকোনো সকলো যোদ্ধাকে আমি বীৰ বুলি কলোহেঁতেন। জনসাধাৰণ চিলাৰায়ৰ যুদ্ধ যাত্ৰাৰ মাজত আমি অহৈতুক ৰণ পিপাসা বিচাৰি নাপাওঁ, তাৰ পৰিবৰ্ত্তে আমি দেখিবলৈ পাওঁ এখন ঐক্যবদ্ধ অসম গঢ়াৰ প্ৰয়াসহে ……।" ……।

তেওঁৰ প্ৰতিমূৰ্ত্তিয়ে তেওঁৰ আদৰ্শ সোঁৱৰাই দিয়াত সহায় কৰিব। গুণমুগ্ধ সকল তেওঁলৈ চিৰকাল শ্ৰদ্ধা আগবঢ়াব।

আহোমৰ লগত পুনৰ সংঘৰ্ষ :— ১৫৬৬ খৃঃত আহোমৰ লগত কোচ বাহিনীৰ মাজত সংঘৰ্ষ হোৱাৰ উল্লেখ আহোম বুৰঞ্জীবোৰত পোৱা যায়। টিলাও নদীৰ মুখত হোৱা যুদ্ধত কোচ বাহিনীৰ প্ৰচুৰ ক্ষতি হয়, আৰু মোহন নামৰ জনৈক সেনাপতি বন্দী হয়। এই সংঘৰ্ষৰ কাৰণ জনা নাযায়।

১৫৭১ খৃঃত চিলাৰায়ৰ মৃত্যুৰ পিছত ঠেপু আৰু তিলকমাল নামৰ কোচ সেনাপতি আহোম ৰজাৰ বিৰুদ্ধে পুনৰ যুদ্ধযাত্ৰা কৰে। মাজতীয়া নদীৰ মুখত আহোম নৌ সৈন্যৰ সৈতে তেওঁলোকৰ যুদ্ধ হয়। কোচ বাহিনীৰ বহু সৈন্য নিহত হয় আৰু বহুতো কাৰান নৌকা [illegible]

হস্তগত হয়, টেপু আৰু জিতকয়ালে যুদ্ধক্ষেত্ৰ পৰিত্যাগ কৰিলে।

ৰঘুদেৱ নাৰায়ণৰ বিদ্ৰোহ :— মহাৰাজ নৰনাৰায়ণৰ বহু দিনলৈ কোনো সন্তানাদি হোৱা নাছিল। শুক্লধ্বজৰ পুত্ৰ ৰঘুদেৱ নাৰায়ণ আছিল তেওঁৰ প্ৰিয় পুত্ৰবৎ আৰু অতি প্ৰিয়, ভবিষ্যত যুৱৰাজ তথা সিংহাসনৰ অধিকাৰী; কিন্তু ১৫৬৭ খৃঃত ভানুমতীৰ গৰ্ভত মহাৰাজ নৰনাৰায়ণৰ এটি পুত্ৰ সন্তান জন্মে। তাৰ নাম ৰখা হয় লক্ষ্মীনাৰায়ণ; ৰঘুদেৱ নাৰায়ণে মনত পুহি থকা ৰাজ্যাভিলাসৰ মুৰত ইয়ে চেঁচা পানী ঢালিলে। তেতিয়া অচিৰেই তেওঁৰ মনত হতাশগ্ৰস্ত হৈ বিদ্ৰোহৰ ৰূপ লয়। কু পৰামৰ্শ দাতা তোষামোদকাৰীৰ প্ৰৰোচনাত মহাৰাজ নৰনাৰায়ণৰ লগত মনোমালিন্য ঘটিল। পৰামৰ্শদাতাবোৰৰ উচটনিত পৰি ৰাজধানী পৰিত্যাগ কৰিলে আৰু মানাহ নদীৰ পাৰত অৱস্থিত বৰনগৰ (গোৱালপাৰা আৰু কামৰূপ জিলাৰ সীমাত, সৰভোগৰ ওচৰত) বাহৰ পাতি সপৰিয়ালে থাকিবলৈ লয়। মহাৰাজ নৰনাৰায়ণে দূত পঠিয়াই ঘূৰাই অনাৰ প্ৰচেষ্টা বিফল হয়। ৰঘুদেৱ নাৰায়ণে মুকলিকৈ বিদ্ৰোহ ঘোষণা কৰিলে। মহাৰাজে ভতিজাকৰ বিৰুদ্ধে কোনো কঠোৰ ব্যৱস্থা লোৱাৰ পৰিবৰ্ত্তে ১৫৮১ খৃঃত সোনকোষ নদীক পশ্চিম সীমা; তাৰ পূব ফালৰ সমুদায় অংশ ৰঘুদেৱক শাসন কৰিবলৈ দিলে। ৰঘুদেৱ তেতিয়া "ছোটৰজা" উপাধি গ্ৰহণ কৰি মামৰাজ্য ৰক্ষ দি কৰতলীয়া ৰজা হিচাবে ৰাজ্য শাসন কৰিবলৈ ধৰিলে।

এই বিভাজনৰ ফলত প্ৰতাপী কোচৰাজ্য দুৰ্ব্বল হৈ পৰিল আৰু তাৰ খ্যাতি আৰু প্ৰতিপত্তি কমি গল। অকল সেয়ে নহয়, কোচ জাতিৰ ভবিষ্যত ইতিহাসৰ বাবে এটি দুৰ্ভাগ্যৰ সূচনা কৰিলে। কালক্ৰমত আধুনিক কালত ঘটনা প্ৰৱাহৰ ঘূৰ্ণিবতাত, ৰাজনৈতিক সাংস্কৃতিক দুয়ো দিশতে ইয়াৰ দুৰূহ প্ৰসাৰী প্ৰভাৱ পৰিছে।

নৰনাৰায়ণৰ সাম্ৰাজ্যৰ বিস্তৃতি :— মহাৰাজ নৰনাৰায়ণে

পূৰ্বভাৰতৰ এক বিস্তিৰ্ণ ভূখণ্ডত নিজকে ৰাজচক্ৰৱৰ্তীৰূপে প্ৰতিষ্ঠিত কৰিছিল। বহু সংখ্যক সক আৰু ডাঙৰ ৰাজ্যৰ নৃপতিসকল তেওঁৰ অধীনৰ পাশত আবদ্ধ হৈছিল। তেখেতৰ ৰাজত্ব কালত কোচৰাজ্য পূবে ব্ৰহ্মদেশৰ সীমান্ত, উত্তৰে তিব্বত পশ্চিমে ত্ৰিহুত আৰু দক্ষিণে ঘোৰাঘাট পৰ্য্যন্ত বিস্তাৰিত আছিল। বৰ্ত্তমান বাংলাদেশৰ মৈমনসিং জিলাৰ পূৰ্ব্বাৰ্দ্ধ কৈ চট্টগ্ৰামৰ ওচৰৰ বঙ্গোপসাগৰৰ পটভূমি পৰ্য্যন্ত তেওঁৰ ৰাজ্যৰ সীমাৰেখা চিহ্নিত হৈছিল।

নাৰায়ণী মুদ্ৰা :— মহাৰাজ নৰনাৰায়ণৰ সময়ৰ পৰা আধুনিক কাললৈকে প্ৰায় সকলো কোচবিহাৰৰ ৰজাসকলে নিয়মিত ভাবে মুদ্ৰা প্ৰস্তুত কৰিছিল। ইয়াৰ আগেয়ে বিশ্বসিংহই মুদ্ৰা প্ৰস্তুত কৰিছিল বুলি শুনা যায় যদিও তেনে মুদ্ৰা আৱিষ্কাৰ হোৱা নাই। নৰনাৰায়ণে প্ৰস্তুত কৰা মুদ্ৰাৰ নাম "নাৰায়ণী মুদ্ৰা"। এই মুদ্ৰা বিলাকৰ খোদিত তাৰা আদি দেৱনাগৰী হৰফত। মহাৰাজ নৰনাৰায়ণৰ তেনে ৰূপৰ আৰু সোণৰ মুদ্ৰা আৱিষ্কৃত হৈছে। ৰূপৰ মুদ্ৰাৰ মুখ্যদিশত "শ্ৰীশ্ৰীশিৱচৰণ কমল মধুকৰস্য" আৰু গৌণদিশত "শ্ৰীশ্ৰীমন্নৰ নাৰায়ণস্য বা নাৰায়ণ ভূপালস্য" শকে ১৪৭৭ লিখা আছে। স্বৰ্ণমুদ্ৰাৰ মুখ্য দিশত শ্ৰীশ্ৰীশিৱচৰণ কমল মধুকৰ" আৰু গৌণ দিশত "দিগ্বিজয়ী সমৰসিংহ নৰনাৰায়ণ ভূপালস্য" শকে ১৪৮৩ খোদিত আছে। এই নাৰায়ণী মুদ্ৰাক প্ৰজা বিলাকে পৰম ভক্তি আৰু পবিত্ৰতা সহকাৰে সকলো প্ৰজাই গ্ৰহণ কৰিছিল। আনকি সৰু মকৰা ঘোৰ নীৰ অসুখ-বিসুখত দেও-ভূত অপদেৱতা জনিত হোৱা কেতবোৰ ব্যাধি নিবাৰণৰ বাবেও এই নাৰায়ণী মুদ্ৰাক মাদুলি হিচাবে গলত আঁৰি লৈছিল, আৰু মুদ্ৰাসিক্ত জল পান কৰিছিল। প্ৰজা সাধাৰণৰ ওপৰত এই মুদ্ৰাৰ ইমানেই প্ৰভাৱ পৰিছিল, যদিও একে কাৰ্য্যক অন্ধ বিশ্বাস বুলিব পাৰি।

ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে মহাৰাজ নৰনাৰায়ণে তেওঁৰ মুদ্ৰাঙ্কণৰ নমুনা মাজোতে তেওঁৰ গোষ্ঠীৰ পূৰ্ব্বৰ ৰজা দনুজমৰ্দ্দন দেৱৰ

আৰ্হিকে গ্ৰহণ কৰিছিল। ৺চট্টোপাধ্যায়ে কৈছে— "One thing is note worthy; the style of legend which Danujamardana adopted on his coins became the model for the Indo-Mongoloid rulers of North Eastern India after him in the 16th. Century, the Koches and the 17th. century the Ahoms, when they adopted Sanskrit legend on their coins as well as the Kacharis, the Austric-speaking Jaintias and the Tipras. The coins of Naranarayana of Koch Bihar the first to coin money in his line bore legend like the following. Obverse-Shri-Srimana Nara-narayanasya Sake 1477 (1555 A.D). reverse Sri Sri-Siva-carana-Kamata-madhukarasya" (Page 63 : K-J-K).

অৰ্থাৎ ক্ৰমে ক্ৰমে পৰে পূৰ্ব ভাৰতৰ প্ৰায়বোৰ পূৰ্ব্বৰ কোচ-গোষ্ঠীৰ ৰজা দনুজমৰ্দনদেৱৰ (যাৰ নামত আজিও উত্তৰ বংগত দিনাজপুৰ নামৰ এখন সদৰ ঠাই আৰু জিলা আছে) মুদ্ৰাৰ আৰ্হিত মুদ্ৰাংকণ কৰিছিল। পৰৱৰ্ত্তী কালৰ মহাৰাজ নৰনাৰায়ণৰ এই নাৰায়ণী মুদ্ৰাৰ এপিঠিত আছিল— "শ্ৰীশ্ৰীমান নৰনাৰায়ণস্য শাকে ১৪৭৭ (১৫৫৫ ইং): আনটো পিঠিত "শ্ৰীশ্ৰীশিৱচৰণ কমতা মধুকৰস্য" বুলি খোদিত আছিল।

—x—

নৰনাৰায়ণৰ চাৰিত্ৰিক শ্ৰেষ্ঠত্ব :— যৌৱনৰ পৰা ৫০ বছৰ কাল ৰাজত্ব কৰাৰ পিছত ১৫৮৭ খৃঃত মহাৰাজ নৰনাৰায়ণ স্বৰ্গী হয়। তেওঁ এজন বিচক্ষণ, চৰিত্ৰবান আৰু প্ৰজাবৎসল নৃপতি আছিল। তেওঁৰ ৰাজত্বকালত কোচৰাজ্য সমৃদ্ধিৰ চৰম সীমাত উপনীত হৈছিল। তেখেতৰ বহু গুণান্বিত ব্যক্তিত্ব সূৰ্য্যসম প্ৰতিভাই পূৰ্ব্ব ভাৰতৰ ইতিহাসক ঐশ্বৰ্য্য-শালী কৰিছে। তেওঁৰ দৰে নৃপতি অকল ভাৰততে কিয় সমগ্ৰ প্ৰাচ্যতে দুৰ্লভ আৰু তুলনাহীন, যদিও বহুতে তেওঁক অশোক, ভাস্কৰবৰ্মা আৰু বিক্ৰমাদিত্যৰ লগত তুলনা কৰিব খোজে। নৰনাৰায়ণৰ দৰে ভাতৃবৎসল ৰজা পৃথিবীৰ ইতিহাসতে বিৰল। তেওঁ জ্যেষ্ঠ ভাতৃ ৰাজ্যত্যাগী নৃসিংহ নাৰায়ণৰ পুত্ৰক শেষত ৰংপুৰ জিলাৰ পাঙ্গা পৰগনাৰ শাসনভাৰ প্ৰদান কৰে। কণিষ্ঠ ভাতৃ শুক্লধ্বজক বিজনী, কামৰূপ আৰু দৰঙ ৰাজ্যৰ কৰ্তৃত্ব দিছিল। অন্যতম কণিষ্ঠ ভাতৃ গোঁহাই কমলক মৰঙ্গী ৰাজ্যৰ আৰু পিছত কাছাৰ ৰাজ্যৰ শাসনকৰ্ত্তা নিযুক্ত কৰিছিল।

সৎ কাৰ্য্যাৱলী :— ৰাজ্যত শান্তি স্থাপন কৰি নৰনাৰায়ণ প্ৰজাসকলৰ শ্ৰদ্ধাভাজন হৈছিল। জনসাধাৰণৰ মঙ্গলৰ কাৰণে বহুতো আলি পদূলি, আৰোগ্য শালা নিৰ্ম্মাণ কৰিছিল। 'গোঁহাই কমল আলি' আজিও তেওঁৰ কীৰ্ত্তি বহন কৰি আছিছে। এই আলিৰ দাঁতিত বহুতো পুখুৰী খন্দাই দিছিল। ইয়াৰ কিছু অংশৰ উন্নতি সাধিত হৈ বৰ্ত্তমান ৰাষ্ট্ৰীয় পথ হিচাবে বৰ্ত্তমান অসমৰ অৰ্থনীতিত ডাঙৰ অৱদান দিছে; বাকী অংশ অৱহেলিত হৈ আছে যদিও ইয়াৰ ভূমিকা অসীম। জনস্বাস্থ্যৰ বাবে চিকিৎসালয় পাতি দিয়াৰ উপৰিও, পৰিব্ৰাজক ৰালফ ফিচাৰৰ মতে তেওঁ পশুৰ বাবেও চিকিৎসালয় পাতি দিছিল।

ভাৰতীয় জনজীৱনত ধৰ্ম্ম এটা অবিচ্ছেদ্য অঙ্গ। মহাৰাজ নৰনাৰায়ণে দেশৰ বহুতো মঠ মন্দিৰ নিৰ্ম্মাণ কৰিছিল আৰু সেইবোৰৰ পৰিচালনাৰ বাবে মাটিবৃত্তি দান কৰিছিল। কামাখ্যা মন্দিৰৰ সংস্কাৰ সাধন এই দিশত

ৰাজত্বৰ শ্ৰেষ্ঠ কীৰ্ত্তি। হাজোঁৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ অজানিত কাৰণত আগতে ধ্বংসপ্ৰাপ্ত হৈছিল। উক্ত মন্দিৰৰ সংস্কাৰ সাধন কৰি তাৰ নিয়মিত পূজা অৰ্চ্চনাৰ্থে বহু দেবোত্তৰ মাটিদান তেওঁৰ অন্যতম শ্ৰেষ্ঠ কীৰ্ত্তি। ই কোম্পানীৰ আমোল পৰ্য্যন্ত সেই দেবোত্তৰ মাটিৰ পৰিমাণ ১৬০০০ বিঘা আধা ৰাজহত সকৰ আছিল। ইয়াৰ বাহিৰেও গোৱালপাৰা চহৰৰ পৰা ৭ মাইল দক্ষিণ পূবে শ্ৰীসূৰ্য্য পাহাৰত এটি মন্দিৰ স্থাপন কৰে। কথিত আছে যে আহোম ৰাজ্য অভিযানত যাওতে ওচৰতে এটি বিগ্ৰহ পায় আৰু তাতে থাপনা কৰে। কালক্ৰমত প্ৰাকৃতিক দুৰ্য্যোগত এই মন্দিৰ ধ্বংসপ্ৰাপ্ত হয়; কিন্তু এতিয়াও বছৰি তাত এটি ডাঙৰ মেলা বহে। এই পাহাৰত এতিয়াও অসংখ্য শিলৰ মূৰ্ত্তি সিচৰিত হৈ আছে।

মহাৰাজ নৰনাৰায়ণে ভৈৰৱকুণ্ডৰ ওচৰত চণ্ডিকা বিহাৰ দৰ্শন কৰাৰ পিছতে ইয়াৰ ওচৰত 'নলখামাৰ' নামৰ এটি মঠ নিৰ্ম্মাণ কৰি দিয়ে। উক্ত মঠত দেৱী প্ৰতিষ্ঠা কৰি এজন ভক্তিবান কছাৰীক 'দেউৰী' (পূজাৰী) নিযুক্তি কৰি পূজা অৰ্চ্চনাৰ বাবে মাটি বাৰী দান দিয়ে। এইদৰে আন আন সকসুৰা মঠ মন্দিৰৰ লগত মহাৰাজ নৰনাৰায়ণৰ নাম জড়িত হৈ আছে।

সাহিত্য ক্ষেত্ৰত অৱদান :— মহাৰাজ নৰনাৰায়ণ এজন নিজে বিদ্বান শাস্ত্ৰজ্ঞ হোৱাৰ উপৰিও অতিশয় বিদ্যানুৰাগী নৃপতি আছিল, বহু শাস্ত্ৰজ্ঞ, পণ্ডিত, বিদ্বান, বিভিন্ন বিষয়ত জ্ঞানী লোকে তেওঁৰ ৰাজসভাত সমাদৰ পাইছিল। পণ্ডিতসকলক বিভিন্ন গ্ৰন্থ ৰচনাৰ বাবে মুক্তহস্তে দান দিছিল। পুৰুষোত্তম বিদ্যাবাগীশে ১৫৬৮ খৃঃত সংস্কৃত ভাষাৰ ব্যাকৰণ "প্ৰয়োগ ৰত্নমালা" প্ৰণয়ণ কৰে। কেবা শতিকা ধৰি পাণিণীৰ ব্যাকৰণৰ পিছতে এই ব্যাকৰণ সংস্কৃত ভাষাৰ আদৰ্শ ব্যাকৰণ হিচাবে প্ৰচলিত আছিল। পণ্ডিত অনিৰুদ্ধ আৰু ৰামসৰস্বতীয়ে ৰজাৰ পৃষ্ঠপোষকতাত মহাভাৰত আৰু অষ্টাদশ পুৰাণৰ পদ পদ্যত অনুবাদ কৰিছিল। শ্ৰীধৰ দৈৱজ্ঞই 'জ্যোতিষ'

আৰু সকুল কায়স্থই 'ভূমি পৰিমাণ' নামক গ্ৰন্থ ৰচনা আৰু লীলাৱতী অনুবাদ কৰিছিল। সেইদৰে অনন্ত কন্দলীয়ে ভাগৱতৰ অনুবাদ কৰে। ইয়াৰ বাহিৰেও মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত শঙ্কৰদেৱ, মাধৱদেৱে আৰু তেওঁলোকৰ অনুগামী সকলে ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ লগতে সৰ্ব্বসাধাৰণে বুজিব পৰাকৈ, প্ৰজাসাধাৰণৰ কথিত ভাষাক সাঙুৰি যি ৰচনাৱলী প্ৰস্তুত কৰি থৈ গ'ল, সেয়ে শেষলৈ আধুনিক কালত স্বকীয় অসমীয়া ভাষাৰ জন্ম দিলে। অসমীয়া ভাষা-সাহিত্য-জাতি সেয়ে শঙ্কৰ-মাধৱৰ যোগেদি মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ ওচৰত ঋণী। শঙ্কৰ-দেৱে ভাগৱতৰ দ্বাদশস্কন্ধ অঙ্কীয়ানাট আৰু মাধৱদেৱে অন্যান্য গ্ৰন্থৰ উপৰিও ৰামসৰস্বতী ৰচিত অসম্পূৰ্ণ ৰামায়ণৰ মাধৱদেৱে আদিকাণ্ড আৰু শঙ্কৰদেৱে শেষ অংশ ৰচনা কৰে।

আদিকাণ্ডৰ ভনিতাত মাধৱদেৱে লিখিছে—

'জয় জয় নাৰায়ণ তুই নৃপকুল শিৰোমণি।
যাহাৰ পৰম প্ৰচণ্ড প্ৰতাপে ঢাকিল ইটো ধৰণী॥
* * * *
সাগৰ পৰ্য্যন্ত ভুঞ্জন্তোক ৰাজ্য প্ৰজা কৰি প্ৰতিপাল
কৃষ্ণৰ ভকতি প্ৰচাৰি ইহন্ত জিয়ন্তোক চিৰকাল।'

অসমৰ প্ৰখ্যাত বুৰঞ্জীবিদ, ডঃ সূৰ্য্যকান্ত ভূঞাৰ মতে "আজিৰ অসমীয়াৰ গৌৰৱৰ দুটা প্ৰধান বস্তু হৈছে কামাখ্যা মন্দিৰ যাৰ কাৰণে অসম কামৰূপৰ নাম ভাৰতৰ দিগ দিগন্ত, যাৰ কাৰণে ধৰ্মপ্ৰাণ যাত্ৰীসকল অসমৰ পুণ্যভূমি দৰ্শন কৰি ইয়াৰ শান্ত স্নিগ্ধ সৌন্দৰ্য্যত মুগ্ধ হৈছে আৰু দ্বিতীয় মহা-পুৰুষ শঙ্কৰদেৱৰ ৰচিত গ্ৰন্থাৱলী যাৰ কাৰণে অসমীয়া অশিক্ষিত মানুহৰ মাজতো ধৰ্ম্ম মোক্ষ আৰু কাব্যামৃতৰ ত্ৰিবেণী সঙ্গম হৈছে। এই দুই গৌৰৱেই হৈছে কবলৈ গলে মহাৰাজ নৰনাৰায়ণ আৰু সেনাপতি শুক্লধ্বজৰ অৱদান।

বঙলা ভাষা সাহিত্যলৈ অৱদান :— অকল অসমীয়া ভাষা সাহিত্যলৈ যে ওপৰোক্ত ধৰণে মহাৰাজ নৰনাৰায়ণৰ অৱদান এনে নহয়। একেদৰেই নৰনাৰায়ণৰ সভাকবি পীতাম্বৰে আধুনিক বঙলা সাহিত্যৰ আদি গ্ৰন্থ হিচাবে ভাগৱতৰ দশম স্কন্ধ আৰু মাৰ্কণ্ডেও পুৰাণৰ অনুবাদ কৰিছিল। এই পুথিত সমৰ সিংহৰ আজ্ঞাত ৰচিত বুলি উল্লেখ আছে। ইয়াৰ বাহিৰেও সাৰ্ব্বভৌম ভট্টাচাৰ্য্য আৰু কলাপ চন্দ্ৰ দ্বিজই যথাক্ৰমে ভৱিষ্য পুৰাণ আৰু ভাগৱত পুৰাণৰ ৪ৰ্থ আৰু ৬ষ্ঠ স্কন্ধ অনুবাদ কৰিছিল। অসমীয়া বা বঙালী সাহিত্যৰ এই আদি পুথিবোৰত কোচবিহাৰ অঞ্চলৰ পুৰণি (আধুনিক কালতো বহুলাংশে অপৰিবৰ্ত্তিত) শব্দশৈলী আৰু ভাষাশৈলী প্ৰয়োগ বিদ্যমান; বৰ্ত্তমান চিনিব নোৱাৰাকৈ বেলেগ দুটা ভাষা সাহিত্যৰ বুৰঞ্জীৰ এটা এৰিব নোৱাৰা যোগসূত্ৰ ৰূপে কাম কৰিছে।

ইয়াৰ উপৰিও ১৫৫৫ চনত মহাৰাজ নৰনাৰায়ণৰ দ্বাৰা আহোম স্বৰ্গদেউলৈ লিখা চিঠিখন বঙলা ভাষা সাহিত্যৰ প্ৰাচীনতম গদ্য সাহিত্যৰ চিনাকি বুলি স্বীকৃত হৈছে। সেয়ে হলেও নৰনাৰায়ণৰ বা তেওঁৰ উত্তৰাধিকাৰী সকলে পিছৰ কালত যেনেকৈ ধৰ্মীয় সামাজিক বিষয়ত সদায় উদাৰ চিন্তাধাৰাৰ পৰিচয় দিছে; ভাষা সাহিত্যৰ প্ৰতিও একে উদাৰতা দেখুৱাই আহিছে। মহাৰাজ নৰনাৰায়ণ আৰু শুক্লধ্বজে স্থাপিত সকলো বিধৰ আদৰ্শ উত্তৰাধিকাৰী সকলে পালন কৰাৰ নিদৰ্শন পৰৱৰ্ত্তী বুৰঞ্জীত বিদ্যমান।

লক্ষ্মীনাৰায়ণ : (১৫৮৭—১৬২৭)— নৰনাৰায়ণৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণ কোচবিহাৰৰ সিংহাসনত বহে আৰু নিজৰ নামত মোহৰ মাৰে। তেওঁ তুলনামূলক ভাবে দুৰ্ব্বল চৰিত্ৰৰ ৰজা আছিল। ৰাজকাৰ্য্য বিষয়ত তেওঁৰ উদাসীনতা আৰু অপটুতাৰ নিদৰ্শন পোৱা যায় যদিও বহু ক্ষেত্ৰত কিছু বিচক্ষণতাৰ পৰিচয় দিছিল।

ৰঘুদেৱৰ লগত বিৰোধ :— সিংহাসনত বহাৰ কিছুদিনৰ ভিতৰতে ৰঘুদেৱৰ লগত তেওঁৰ বিৰোধ আৰম্ভ হয়। ৰঘুদেৱে স্বাধীন বুলি

নিজকে ঘোষনা কৰি নিজৰ নামত মুদ্ৰা প্ৰস্তুত কৰে। দুৰ্ব্বল লক্ষ্মীনাৰায়ণ ৰঘুদেৱৰ লগত তৎক্ষনাৎ যুদ্ধ কৰিবলৈ সাহস নকৰিলে। ৰঘুদেৱৰ পুত্ৰ পৰীক্ষিত নাৰায়ণ কোচ বিহাৰত আছিল। লক্ষ্মীনাৰায়ণে পৰীক্ষিতলৈ পিতাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ উচটাই দিলে; কিন্তু ৰঘুদেৱে কঠোৰ হাতেৰে এই বিদ্ৰোহ দমন কৰিলে। পৰীক্ষিতে কোচবিহাৰত আশ্ৰয় লবলৈ বাধ্য হ'ল। দুয়ো পক্ষ তেতিয়া আত্মঘাতী ব্যৱস্থা হাতত ললে। সুচতুৰ ৰঘুদেৱে জানিছিল যে লক্ষ্মীনাৰায়ণৰ পিতৃৰ উত্তৰাধিকাৰী হিচাবে মোগলৰ লগত মিত্ৰতাৰ সম্পৰ্ক বহু পৰিমাণে অটুট আছিল। মোগলৰ সহায়ত যাতে তেওঁৰ কোনো ক্ষতি কৰিব নোৱাৰে, তেওঁ মোগলৰ শত্ৰু পূৰ্ব্ববঙ্গৰ ঈশাখাঁৰ লগত মিত্ৰতা স্থাপন কৰিলে। তেওঁ তেতিয়া এই মিত্ৰতাৰ সহায়ত কোচবিহাৰ ৰাজ্যৰ অন্তৰ্ভূক্ত বাহিৰবন্দ পৰগণা জয় কৰিবলৈ মন মেলিলে। লক্ষ্মীনাৰায়ণে নিৰুপায় হৈ একপ্ৰকাৰ মোগলৰ বশ্যতা স্বীকাৰ কৰি সাহায্য প্ৰাৰ্থনা কৰিলে (১৫৯৬ খৃঃত)। সেই বছৰৰ শেষ ভাগত মোগলৰ সেনাপতি মানসিংহ সৈন্য লৈ অগ্ৰসৰ হোৱাত ঈশাখাঁ পলাই গ'ল। মানসিংহৰ সহায়ত লক্ষ্মীনাৰায়ণে ৰঘুদেৱক পৰাস্ত কৰিবলৈ সমৰ্থ হ'ল। পৰাজিত ৰঘুদেৱ কামৰূপলৈ প্ৰত্যাবৰ্ত্তন কৰিলে। বাহিৰবন্দ পুনৰায় কোচবিহাৰৰ দখললৈ আহিল।

ৰঘুদেৱৰ মৃত্যু :— ইয়াৰ পিছত আকস্মিক ভাবে ৰঘুদেৱৰ মৃত্যু হয়। দৰঙ ৰাজবংশাৱলী মতে দুষ্ট সন্ন্যাসী (ব্ৰাহ্মণ) একন তেওঁৰ ৰাজ্যলৈ আহি যুৱৰাজ পৰীক্ষিতৰ লগত ঘনিষ্ঠ হয়। ৰঘুদেৱে এই কথাত পৰীক্ষিতক ভৎৰ্সনা কৰে। সন্ন্যাসীয়ে তেতিয়া গুপ্তঘাতকৰ দ্বাৰা ৰঘুদেৱক হত্যা কৰে। মুঠৰ ওপৰত তেওঁ এটা ষড়যন্ত্ৰৰ বলি হয়।

পৰীক্ষিত কামৰূপৰ ৰজা: পুনৰ বিবাদ :— ৰঘুদেৱ নাৰায়ণৰ মৃত্যুৰ পিছত পৰীক্ষিত নাৰায়ণ কামৰূপ-ৰাজ্যৰ ৰজা হয়। ৰজা

হৈয়েই আগৰ কথা পাহৰি খুড়াক লক্ষ্মীনাৰায়ণৰ লগত বিবাদত প্ৰবৃত্ত হয়। তেওঁ কোচ ৰাজ্যৰ অন্তৰ্ভুক্ত বাহিৰবন্দ অধিকাৰ কৰিলে ; আৰু বাৰে বাৰে কোচ ৰাজ্য আক্ৰমণ কৰি অত্যাচাৰ আৰম্ভ কৰি দিলে। পৰীক্ষিতৰ দ্বাৰা লক্ষ্মীনাৰায়ণৰ ৰাজ্যৰ আক্ৰমণৰ বিৱৰণ 'গুৰুলীলা' পুথিতো বৰ্ণিত হৈছে।

মোগলৰ লগত সন্ধি :— পৰীক্ষিতৰ লগত বলে নোৱাৰি লক্ষ্মীনাৰায়ণে আহোম ৰজাৰ সাহায্য প্ৰাৰ্থনা কৰিলে ; কিন্তু আহোম ৰজাই সহায় কৰিবলৈ মান্তি নহল। লক্ষ্মীনাৰায়ণে তেতিয়া বঙ্গত থকা মোগলৰ প্ৰতিনিধি চুবেদাৰ ইচলাম খাঁৰ শৰণাপন্ন হল। এই সময়ত আকবৰৰ মৃত্যুৰ পাছত জাহাঙ্গীৰ দিল্লীৰ সম্ৰাট হয়। মহাৰাজ নৰনাৰায়ণৰ সময়ত তেওঁ গৌড় ৰাজ্য (বঙ্গ) জয় কৰিছিল যদিও তাক সম্পূৰ্ণ ৰূপে বশীভূত কৰিব পৰা নাছিল। আকবৰৰ মৃত্যুৰ লগে লগে বহুতো সৰু সুবা সামন্ত ৰজাই বিদ্ৰোহ কৰে। ইচলামখাঁৰ যোগেদি জাহাঙ্গীৰে এই বিদ্ৰোহবোৰ দমন কৰি বঙ্গ দেশত প্ৰভুত্ব স্থাপন কৰে। ফলত ইচলাম খাঁৰ প্ৰতিপত্তি বাঢ়ি যায়। কোচ ৰাজ্যৰ বিষয়ে তেওঁ আকবৰৰ মিত্ৰতা নীতিকে অটুট ৰাখিছিল, কিন্তু লক্ষ্মীনাৰায়ণ সম্পূৰ্ণৰূপে মোগলৰ বশ্যতা স্বীকাৰ কৰাৰ সৰ্ত্তত ইচলাম খাঁই সাহায্য কৰিব বুলি প্ৰতিশ্ৰুতি দিলে। ইয়াৰ আগতে পৰীক্ষিতে মোগল সাম্ৰাজ্যৰ সামন্ত চুসুঙৰ ৰজা ৰঘুনাথৰ পৰিয়ালক বন্দী কৰি থৈছিল। ৰঘুনাথ আৰু লক্ষ্মীনাৰায়ণ একেলগে ইচলাম খাঁ দৰবাৰত হাজিৰ হয়। মোগল সম্ৰাটক কৰ দিবলৈ সম্মতি হৈ লক্ষ্মীনাৰায়ণ মোগলৰ অধীনতা স্বীকাৰ কৰিলে। ইয়াৰ পাছত লক্ষ্মীনাৰায়ণৰ প্ৰৰোচনাত ইচলামখাঁই কামৰূপ ৰাজ্য আক্ৰমণ কৰিলে। সম্পূৰ্ণৰূপে পৰাজিত হৈ পৰীক্ষিত নাৰায়ণ আত্মসমৰ্পন কৰিলে (১৬১৩ খৃঃষ্ট)। সেই ৰাজ্যৰ কোনো অংশ দখল বা আক্ৰমণ নকৰিব বুলি প্ৰতিজ্ঞাবদ্ধ হল। ফলত দুয়োখনৰ মাজত কাজিয়াৰ সাম কাটিল। মহাৰাজ লক্ষ্মীনাৰায়ণে ভাবিছিল যে পৰাজিত পৰীক্ষিত নাৰায়ণৰ ৰাজ্যৰ কিছু অংশ তেওঁক দিয়া হব, কিন্তু সেইটো নহল।

মানসিংহৰ লগত বৈবাহিক সম্বন্ধ :— এই সম্বন্ধ দৃঢ়তৰ কৰিবৰ বাবে অম্বৰ ৰাজ মানসিংহ বগুৰাৰৈ আহিলত লক্ষ্মীনাৰায়ণে তেওঁৰ ভগ্নী প্ৰভাৱতীদেৱীক মানসিংহৰ লগত বিয়া দিলে। সেইদৰে তেওঁৰ ছহিতাক জয়ন্তীয়া ৰজা যশোমানিক্যৰ লগত বিয়া দি মিত্ৰতা স্থাপন কৰিলে ; কিন্তু তেওঁৰ প্ৰত্যাশাবোৰ কোনোমতে ফলৱতী নহয়। জাহাঙ্গীৰে প্ৰথমতে কোচ ৰাজ্যৰ প্ৰতি পিতৃ আকবৰৰ নীতিকে বহু পৰিমাণে পালন কৰিছিল যদিও অচিৰেই ক্ষমতাৰ যুঁজ বাগৰত বহুখিনি পৰিবৰ্ত্তন হয়। তাৰ ফলত মানসিংহৰ প্ৰতিপত্তি কমি যায়, লগতে লক্ষ্মীনাৰায়ণবো দুৰ্যোগৰ আৰম্ভণি হয়।

বন্দী আৰু পৰীক্ষিতৰ মৃত্যু :— ইতিমধ্যে ইচলাম খাঁৰ হঠাৎ মৃত্যু হয়। তাৰ ঠাইত কাচেমখাঁ বঙ্গৰ চুবেদাৰ নিযুক্ত হয় আৰু তেওঁৰ নীতি ওলোটা হয়। পৰাজিত পৰীক্ষিত নাৰায়ণক তেওঁ ঢাকালৈ মাতি নি বন্দী কৰি ৰাখে ; আৰু লক্ষ্মীনাৰায়ণকো চক্ৰান্ত কৰি মাতি নি প্ৰথমে সন্মানৰ সৈতে অভ্যৰ্থনা কৰে যদিও শেষত বন্দী কৰে আৰু দুয়োকো আগ্ৰালৈ পঠিয়াই দিয়ে। লক্ষ্মীনাৰায়ণৰ বন্দী হোৱা সংবাদ কোচ ৰাজ্যত প্ৰচাৰ হলত, মোগলৰ বিৰুদ্ধে বিদ্ৰোহ দেখা দিলে। অন্যান্য ঠাইতো কাচেমখাঁৰ অপৰিনামদৰ্শী কাৰ্য্যৰ ফলত অসন্তুষ্টি দেখা দিছিল। এই বিদ্ৰোহবোৰ দমন কৰিব নোৱাৰাত বিশেষকৈ কোচ ৰাজ্যত কাচেমখাঁক পদচ্যুত কৰা হয়। তাৰ ঠাইত ইব্ৰাহিম খাঁ বঙ্গৰ চুবেদাৰ নিযুক্ত হয়। ইব্ৰাহিম খাঁৰ পৰামৰ্শমতে সম্ৰাট জাহাঙ্গীৰে ১৬১৭-১৮ খৃঃত লক্ষ্মীনাৰায়ণক সসন্মানে মুক্তি দিয়ে। ১৬১৮ চনত তেতিয়া লক্ষ্মীনাৰায়ণে আহমেদাবাদৰ ওচৰত মাহী নদীৰ পাৰত বাদছাহ জাহাঙ্গীৰৰ লগত সাক্ষাৎ কৰি নজৰানা হিচাবে ৫০০ সোণৰ মোহৰ দিয়ে। বাদছাহেও মণি মুক্তা খোচিত বহুমূল্য এটা আঙুঠি, এটা হাতী আৰু কেইটামান ঘুকী ঘোঁৰা উপহাৰ দিয়ে।

পৰীক্ষিত নাৰায়ণকো মুক্তি দিয়ে কিন্তু ভগ্নমনোৰথ তথা ভগ্নস্বাস্থ্যলৈ ৰাজ্যলৈ পোনেই উভতি নাহি প্ৰয়াগ তীৰ্থলৈ গমণ কৰিলে আৰু তাতেই তেওঁৰ মৃত্যু হয়।

কামৰূপৰ কৰ্তৃত্ব গ্ৰহণ আৰু লক্ষ্মীনাৰায়ণৰ মৃত্যু :—

বাহ্যিক ভাবে লক্ষ্মীনাৰায়ণক স্বাধীন ভাবে নিজ ৰাজ্য শাসনত অধিকাৰ দিলেও, তেওঁ সুখেৰে ৰাজ্য পৰিচালনা কৰিব নোৱাৰিছিল। পৰীক্ষিত নাৰায়ণৰ কোচ কামৰূপ খণ্ড মোগলৰ অধীন। আগেয়ে উল্লেখ কৰা মতে যিটো তেওঁৰ ৰাজ্যত চামিল হোৱাটো আশা কৰিছিল; কিন্তু তাৰ পৰিবৰ্ত্তে কামৰূপৰ শাসনকাৰ্য্যত মোগলক সহায় কৰিবলৈ তালৈ পঠিওৱা হৈছিল যিটো তেওঁৰ মনোপুতঃ নাছিল। আন হাতেদি নিজৰ ৰাজ্যৰ শাসন-কাৰ্য্যতো শিথিলতা আহি পৰাটো স্বাভাৱিক। এনে সময়তে তেওঁৰ পুত্ৰ ব্ৰজনাৰায়ণ হঠাৎ মৃত্যু মুখত পতিত হয়। তাৰ কিছুদিন পিছতে আন এজন পুত্ৰ ভীমনাৰায়ণৰো মৃত্যু হয়। এই দুই পুত্ৰৰ অকাল মৃত্যুত তেওঁৰ দেহ মন ভাঙি পৰে। আৰু ১৬২৭ খৃঃত তেওঁৰো মৃত্যু হয়। প্ৰায় বছৰেক কাল তেওঁ কামৰূপত মোগলক শাসনকাৰ্য্যত সহায় কৰিছিল; সেই সময়ছোৱাত তেওঁৰ পুত্ৰ বীৰনাৰায়ণে পৰামৰ্শমতে ৰাজকাৰ্য্য চলাই গৈছিল। পিতাৰ মৃত্যুৰ পিছত অৱশেষে নিজৰ নামেৰে কোচ ৰাজ্যত ৰাজত্ব কৰে।

ৰাজ্যৰ সীমা :— লক্ষ্মীনাৰায়ণৰ ৰাজ্যৰ সীমা সম্বন্ধে আকবৰ নামাৰ পৰা জানিব পাৰি। ইয়াৰ অনুসৰি তেওঁৰ ৰাজ্য বিস্তৃত আছিল পশ্চিমে ত্ৰিহুতৰ পৰা পূবে অসমৰ পৰ্ব্বতমালা পৰ্য্যন্ত (গোৱালপাৰা জিলাৰ সীমালৈকে) আৰু দক্ষিণে ঘোড়াঘাটৰ পৰা উত্তৰে তিব্বত পৰ্য্যন্ত বিস্তৃত আছিল। এই ৰাজ্য দীঘে ২০০ ক্ৰোশ আৰু প্ৰস্থত ৪০ৰ পৰা ১০০ ক্ৰোশ পৰ্য্যন্ত বিস্তৃত আছিল। লক্ষ্মীনাৰায়ণৰ ২ লাখ পদাতিক,

৪ হেজাৰ অশ্বাৰোহী, ৭০০ হাতী আৰু এহেজাৰ ৰণতৰী আছিল। লক্ষ্মী-নাৰায়ণৰ সময়ত পূব অসম, ত্ৰিপুৰা, মণিপুৰ প্ৰভৃতি ৰাজ্য হস্তচ্যুত হয়।

বৈষ্ণৱ ধৰ্ম্মৰ পৃষ্ঠপোষকতা : শিষ্যত্ব গ্ৰহণ :—

মাধৱদেৱ আৰু দামোদৰ দেৱৰ তিৰোধানত মহাৰাজ লক্ষ্মীনাৰায়ণৰ ৰাজত্ব কালৰ বেছিভাগ সময় যুদ্ধ, ৰঘুদেৱ আৰু পৰীক্ষিতৰ লগত কাজিয়া আৰু তাৰ ফলত যুদ্ধ কৰোতেই গৈছিল, তথাপি বিদ্যানুৰাগী, সাংস্কৃতিক ধৰ্ম্মীয় ক্ষেত্ৰত প্ৰভূত কীৰ্ত্তি ৰাখি থৈ গৈছে। ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত তেওঁৰ দান অনন্য। কোচ ৰাজ্য দুভাগ হলত শ্ৰীশঙ্কৰদেৱৰ শিষ্য মাধৱদেৱৰ আয়াস বৰপেটা ৰঘুদেৱৰ ৰাজ্যৰ ভিতৰুৱা হ'ল। তাৰ কেইবছৰমান আগেয়ে শঙ্কৰদেৱে আহোম ৰাজ্যত নিগৃহীত হৈ বৰপেটাত আশ্ৰয় লৈছিল। ইয়াত শুক্লধ্বজৰ সাহসিক মধ্যস্থতাত ব্ৰাহ্মণ্য হিন্দু ধৰ্ম্ম ৰক্ষাৰ নামত কুচক্ৰীৰ ষড়যন্ত্ৰৰ পৰা ৰক্ষা পৰিলত আৰু শেষত মহাৰাজ নৰনাৰায়ণৰ পৰা পৃষ্ঠ-পোষকতা পাইছিল। শুক্লধ্বজ আৰু নৰনাৰায়ণৰ মৃত্যুৰ পাছত, (শঙ্কৰদেৱৰ তিৰোধান আগতে হৈছিল) নিৰ্ম্মম পৰিহাস এই যে, সেই শুক্লধ্বজৰ পুত্ৰ ৰঘুদেৱৰ হাতত একে ষড়যন্ত্ৰৰ ফলত মাধৱদেৱ আৰু তেওঁৰ শিষ্য দামোদৰ-দেৱ নিগৃহীত হব লগাত পৰিল। কথিত আছে যে, কিছুদিনৰ বাবে তেওঁক বন্দী কৰি থোৱাও হৈছিল। পাছত তেওঁৰ শুভ বুদ্ধি উদয় হোৱাত মাধৱ-দেৱক মুক্তি দিয়ে। তেতিয়া তেওঁ লক্ষ্মীনাৰায়ণৰ আশ্ৰয়ত ভেলাডাঙ্গাত (মতান্তৰে, মধুপুৰত) থাকিবলৈ লয়। লক্ষ্মীনাৰায়ণে তেওঁক নিৰ্ভয় দান কৰিয়েই ক্ষান্ত নাছিল ; তেওঁ মাধৱদেৱৰ ধৰ্ম্মক 'ৰাজধৰ্ম্ম' হিচাবে ৰাজ্যৰ সকলো প্ৰজাক এই ধৰ্ম্ম গ্ৰহণ কৰিবলৈ আদেশ জাৰি কৰিছিল। তাৰ-ফলত ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভূত প্ৰসাৰ ঘটে। বিশেষকৈ কোচ সেই জাতি আছিল ৰাজত। ১৫৯৬ খৃষ্টত মাধৱদেৱৰ [illegible] দেহত্যাগ ঘটে।

একেবাৰেই দামোদৰদেৱে ৰঘুদেৱৰ ৰাজ্যৰ পৰা নিৰ্ব্বাসিত হৈ

লক্ষীনাৰায়ণে তেখেতক মাটিবাৰী দি বৈকুণ্ঠপুৰত আশ্ৰয় দিলে। পাছলৈ ইয়াৰ নাম দামোদৰপুৰ হয়। তেওঁৰ পৰা বিষ্ণুমন্ত্ৰত দীক্ষা গ্ৰহণ কৰিলে। তেওঁৰ পুত্ৰ, পত্নী পৰিয়াল সকলো দামোদৰদেৱৰ শিষ্য হ'ল। বৈষ্ণৱ ধৰ্ম্ম-গ্ৰহণ কৰাৰ পাছত ৰাজধৰ্ম্ম নীতি হিচাবে কিছুদিনলৈ তেওঁ ৰাজ্যত পশু-বলিও বন্ধ কৰি দিছিল। দামোদৰদেৱ ৭ বছৰ কাল কোচ কামতা ৰাজ্যত থাকি ১৫৯৮ খৃঃত ১১০ বছৰ বয়সত দেহত্যাগ কৰে। মধুপুৰসত্ৰ তিনিজন মহাপুৰুষৰ তিৰোধান ঠাই হিচাবে ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ পুণ্যস্থান হৈ আছে। মধুপুৰ সত্ৰত তেওঁলোকৰ অস্থি, ব্যৱহৃত বিভিন্ন ব্যৱহাৰিক সঁজুলি সংৰক্ষিত হৈছে।

ভাগৱতী বৈষ্ণৱ ধৰ্ম্মত অনুৰক্ত হলেও লক্ষীনাৰায়ণ অন্যান্য ধৰ্ম্মা-ৱলম্বীৰ প্ৰতি বীতৰাগ নাছিল। সেয়ে শিৱমন্দিৰ বুলি খ্যাত জল্পেশ মন্দিৰৰ পুনৰ্নিৰ্ম্মাণ তেওঁৰ দিনতে আৰম্ভ হয়।

সাংস্কৃতিক ক্ষেত্ৰত উৎকৰ্ষ লাভ :— লক্ষীনাৰায়ণৰ ৰাজত্ব কাল কোচ ৰাজ্যৰ সাংস্কৃতিক জীৱনত বিশেষ উল্লেখযোগ্য। ধৰ্ম্ম আৰু সাহিত্যৰ ক্ষেত্ৰত লক্ষীনাৰায়ণৰ বিশেষ অনুৰাগ থকাৰ বাবেই এইটো সম্ভৱ হৈছিল। দামোদৰদেৱ তেওঁৰ সভাত বিশেষ সন্মানিত ব্যক্তি আছিল। লক্ষীনাৰায়ণৰ ৰাজসভাত থাকি তেওঁ 'ভক্তি ৰত্নাৱলী' 'শ্ৰীকৃষ্ণ জন্ম ৰহস্য' আৰু আদিকাণ্ড ৰচনা কৰে। গোবিন্দ মিশ্ৰই শ্ৰীমদ্ভাগৱত গীতা অনুবাদ কৰে। এইবোৰ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। তেনেদৰে লক্ষী-নাৰায়ণৰ আদেশত ১৬১৬ খৃঃত সিদ্ধান্ত বাগীশে 'শিৱৰাত্ৰি কৌমুদী" আৰু 'গ্ৰহণ কৌমুদী' গ্ৰন্থ ৰচনা কৰে, যি বঙালী ভাষা সাহিত্যৰ সম্পদ।

লক্ষীনাৰায়ণে দিল্লীৰ পৰা আঠোতে কিছুমান কাৰিকৰক লগত লৈ আহে। তেওঁলোকৰ হতুৱাই এঠাইত ওঠৰটা কোঠালি বিশিষ্ট গৃহ নিৰ্ম্মাণ কৰে। ইয়াৰ পৰাই এই ঠাইৰ নাম আঠাৰোকোঠা হয়।

কথিত আছে যে লক্ষীনাৰায়ণৰো বিশ্বসিংহৰ দৰে ১৮ জন পুত্ৰ আছিল। তেওঁলোকৰ বসবাসৰ কাৰণেই এই গৃহ নিৰ্ম্মাণ কৰি ৰাজধানী পতা হয়। এই গাঁও আজিও কোচবিহাৰ জিলাত বিদ্যমান, যাৰ লগত সুয়োজনৰে নাম জড়িত কৰিব পাৰি।

লক্ষীনাৰায়ণ কিছু বিষয়ত বিচক্ষণতাৰ পৰিচয় দিছিল। তেওঁ মুখা-মুখিকৈ শত্ৰুক প্ৰতিহত কৰাৰ বাবে সাহসী বা সমৰ্থবান নাছিল যদিও সিহঁতক কূট কৌশলেৰে সংযত কৰাত সমৰ্থ হৈছিল। এই বিচক্ষণতাৰ ফলশ্ৰুতি হিচাবে মোগলৰ লগত মিত্ৰতা হৈছিল, যিয়ে কোচ ৰাজ্যক সম্পূৰ্ণ ধ্বংসৰ পৰা বচাবলৈ সক্ষম হৈছিল। নহলে বঘুদেৱ, পৰীক্ষিত আৰু মোগলৰ আক্ৰমণত কোচ ৰাজ্যই যে অকল স্বাধীনতাহে হেৰুৱালেহেঁতেন এনে নহয়, সম্ভৱতঃ অস্তিত্বই বিপৰ্য্যস্ত হলহেঁতেন।

বীৰ নাৰায়ণ (১৬২৭—১৬৩২):— লক্ষীনাৰায়ণৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ বীৰনাৰায়ণ কোচবিহাৰ ৰাজ্যৰ ৰজা হয়। তেওঁৰ দুৰ্ব্বলতাৰ কাৰণে ভূটানৰ ৰজাই কৰ দিয়া বন্ধ কৰে। কোচবিহাৰৰ ৰজাৰ অভিষেকৰ সময়ত ৰায়কত বংশই ছত্ৰধাৰণ কৰা যি নিয়ম আছিল, এওঁৰ ক্ষেত্ৰত সি ব্যতিক্ৰম হয়। তেওঁলোক স্বতন্ত্ৰ হৈ পৰে। তাৰ পৰিবৰ্ত্তে নাজীৰ মহীনাৰায়ণে ছত্ৰ ধৰে। ফলত নাজীৰৰ ক্ষমতা বাঢ়ি যায়। পিছৰ বুৰঞ্জী চালে দেখা যায় নাজীৰ সকলে কোচ ৰাজ্যৰ ৰাজনীতিত, ভাল বা বেয়া সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। মহাৰাজ বীৰনাৰায়ণে আঠাৰো-কোঠাত তেওঁৰ ৰাজধানী পাতিছিল।

বিদ্যালয় স্থাপন:— যদিওবা তেওঁ শাসন কাৰ্য্যত বিশেষ দক্ষতা দেখুৱাব পৰা নাছিল তেওঁৰ বিদ্যানুৰাগ আছিল প্ৰবল। এই বিষয়তে তেওঁৰ নাম ইতিহাসত বিশেষ ভাৱে উল্লেখযোগ্য হৈ থাকি যাব।

তেওঁ ৰাজ্যত বিদ্যাশিক্ষা প্ৰচাৰৰ অৰ্থে বহুতো ৰাজহুৱা বিদ্যালয় স্থাপন কৰি দিছিল তাত নিজৰ পুত্ৰকে ধৰি পাত্ৰ মিত্ৰ এনেকি সক সুবা কৰ্মচাৰীৰ পুত্ৰসকলক তাত পঢ়ুৱাৰ দিহা কৰিছিল তেওঁ নিয়মিতভাৱে ঐ বিদ্যালয়বোৰৰ তত্ত্বাৱধান কৰিছিল ; জ্ঞানী গুণী ব্যক্তি সকলক তেওঁ সমাদৰ কৰিছিল। তেওঁৰ পৃষ্ঠপোষকতা কৰি শেখৰ নামে পণ্ডিত এজনে "কিৰাতপৰ্ব্ব' গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ দিনতেই ১৬২৯ চনত কৰাটী খৃষ্ট ধৰ্ম্ম প্ৰচাৰক ষ্টিফেন কোচিলা ভূটানৰ পৰা তেওঁৰ ৰাজলৈ আহে আৰু কোচবিহাৰ সম্বন্ধে এটি টোকা লিখি থৈ যায়। ইয়াৰ পৰা মূল্যবান তথ্য পোৱা যায়।

যুৱৰাজৰ অভিষেক : মৃত্যু :— মহাৰাজ বীৰনাৰায়ণ অলস প্ৰকৃতিৰ ৰজা আছিল বাবেই আমোদ প্ৰমোদতে বেছিভাগ সময় অতিবাহিত কৰিছিল। জীৱিত কালতেই তেওঁ জ্যেষ্ঠ পুত্ৰ প্ৰাণনাৰায়ণক যুৱৰাজ পদত অভিষিক্ত কৰে। ১৬৩২ খৃঃত বীৰনাৰায়ণৰ মৃত্যু হয়।

মহাৰাজ প্ৰাণনাৰায়ণ (১৬৩৩—.৬৭২) :— মহাৰাজ বীৰনাৰায়ণৰ মৃত্যুৰ পিছত যুৱৰাজ প্ৰাণনাৰায়ণ কোচ ৰাজ্যৰ সিংহাসনত বহে আৰু নিজ নামত মুদ্ৰা প্ৰচলন কৰে। ১৬১ ৰাজশকত (১৬৭১) প্ৰস্তুত কৰা এটি মুদ্ৰা আৱিষ্কৃত হৈছে। সেই হিচাবে তেওঁৰ ১৬৭২ চনতহে মৃত্যু হব লাগে। ১৬১ ৰাজশকত মহাৰাজ প্ৰাণনাৰায়ণৰ ৰাজত্ব কাল কেবাটাও দিশৰ পৰা তাৎপৰ্য্যপূৰ্ণ। সেয়ে তেওঁ এই বংশৰ এজন উল্লেখযোগ্য ৰজা।

বঙ্গৰ ৰাজধানী ঢাকা বিজয় :— মহাৰাজ প্ৰাণনাৰায়ণৰ ৰাজত্বকালীন ভাৰতত দিল্লীৰ সম্ৰাট আছিল শাহজাহান। ১৬৫৭ খৃঃত

তেওঁৰ অসুস্থতাৰ সুযোগ লৈ তেওঁৰ পুত্ৰ সকলৰ মাজত কাজিয়া আৰম্ভ হয়। সম্ৰাটৰ পুত্ৰ সুজা সেই সময়ত বঙ্গ প্ৰদেশৰ চুবেদাৰ আছিল। সুজাই তাতে ঔৰঙ্গজেবৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিলে। সুচতুৰ প্ৰাণনাৰায়ণে সুযোগ বুজি বঙ্গত মোগল শক্তিৰ প্ৰাণকেন্দ্ৰ ঘোড়াঘাট দখল কৰিলে। পাছত ১৬৬১ খৃঃত তেওঁ বঙ্গদেশৰ ৰাজধানী ঢাকা অধিকাৰ কৰে আৰু মোগলক কৰ দিয়া বন্ধ কৰিলে।

কামৰূপ ৰাজ্য জয় :— ঢাকা জয় কৰিও মহাৰাজ প্ৰাণনাৰায়ণে সিমান সুখী হব পৰা নাছিল, কাৰণ পৰীক্ষিতৰ মৃত্যুৰ পৰা কোচ কামৰূপ মোগলৰ অধীনত আছিল। তেওঁ সেইবাৰে কামৰূপ ৰাজ্য আক্ৰমণ কৰি পোনতে ধুবুৰী দখল কৰিলে। মোগল সৈন্য সেই সময়ত প্ৰাণনাৰায়ণ আৰু আহোমৰ দ্বাৰা দ্বিমুখী আক্ৰমণৰ আশংকা কৰি গুৱাহাটীৰ পৰা আঁতৰি গৈছিল। প্ৰাণনাৰায়ণে হাজো পৰ্য্যন্ত সহজে অধিকাৰ কৰিলে। প্ৰাণনাৰায়ণৰ অগ্ৰগতিত আহোম সকলে ভীত হ'ল যদিও শেষত তেওঁৰ বিৰুদ্ধে যুদ্ধত অগ্ৰসৰ হ'ল; আৰু প্ৰাণনাৰায়ণে আগবঢ়াৰ আগতেই তেওঁলোকে গুৱাহাটী দখল কৰিলে। গুৱাহাটীৰ অধিকাৰ ৰণ কৌশলৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ। এই কথা বিবেচনা কৰি প্ৰাণনাৰায়ণে আহোম ৰাজ্য জয়ৰ প্ৰচেষ্টা পৰিহাৰ কৰি নিজ ৰাজ্যলৈ উভতি যায়।

মীৰজুমলাৰ কোচবিহাৰ আক্ৰমণ :— ইতিমধ্যে শাহজাহানৰ পুত্ৰ সকলৰ মাজত বিবাদৰ অৱসান হয়। এই বিবাদত ঔৰংজেব জয়ী হৈ শাহজাহানক বন্দী কৰি দিল্লীৰ সিংহাসনত বহে। তেওঁ মীৰজুমলাক বঙ্গৰ চুবেদাৰ হিচাবে নিযুক্ত কৰিলে, আৰু বঙ্গদেশৰ জমিদাৰসকলক কঠোৰ হাতেৰে দমন কৰিবলৈ নিৰ্দেশ দিলে। ইয়াতে প্ৰাণনাৰায়ণে ভয় খাই মীৰজুমলাৰ ওচৰলৈ ক্ষমা প্ৰাৰ্থনা কৰি দূত পঠিয়ালে। মীৰজুমলাই দূতক

বন্দী কৰি থলে আৰু কোচবিহাৰৰ বিৰুদ্ধে সৈন্যপ্ৰেৰণ কৰিলে। শেষ পৰ্য্যন্ত তেওঁ নিজে সৈন্য লৈ কোচবিহাৰত উপস্থিত হয়। প্ৰাণনাৰায়ণ ভয়তে ৰাজ্য এৰি ভূটানলৈ পলাই গল। ১৬৬১ খৃঃৰ ১৯ ডিচেম্বৰত কোচবিহাৰ মুছলমানৰ হাতলৈ যায়। প্ৰাণনাৰায়ণে ভূটানত থাকি গেৰিলা যুদ্ধৰ দ্বাৰা মোগলক ব্যতিব্যস্ত কৰি থাকিল।

কোচবিহাৰ কৰায়ত্ব হোৱাৰ পিছত মীৰজুমলাই ইয়াৰ প্ৰশাসনীয় সংগঠনত মনোনিবেশ কৰিলে। বিভিন্ন পৰ্য্যায়ত যেনে ফৌজদাৰ, দেওঁয়ান আদি কৰ্ম্মচাৰী নিযুক্ত কৰিলে। মহম্মদ সাদ্দুক নামে এজন মুছলমান কৰ্ম্মচাৰীক কোচবিহাৰৰ শাসনকৰ্ত্তা নিযুক্ত কৰিলে। ইয়াৰ পাছত মীৰজুমলাই অসম অভিযানত অগ্ৰসৰ হয়।

মোগল শাসনৰ বিৰুদ্ধে বিদ্ৰোহ ঃ— মহাৰাজ প্ৰাণনাৰায়ণৰ তিনিপুত্ৰ আছিল। বিষ্ণুনাৰায়ণ মোদনাৰায় প্ৰাণ আৰু বসুদেৱ নাৰায়ণ। জ্যেষ্ঠ পুত্ৰ বিষ্ণু নাৰায়ণ উচ্চাভিলাষী আৰু স্বেচ্ছাচাৰী আছিল। প্ৰাণনাৰায়ণ পলাই থকা সময়ত তেওঁ কোচবিহাৰৰ ৰজা হবলৈ মন কৰি মুছলমানৰ সাহায্য প্ৰাৰ্থনা কৰিলে। এনেকি মুছলমান ধৰ্ম্ম গ্ৰহণো ভাল কৰিলে, আৰু পিতৃৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰম্ভ কৰিলে। পিতৃ প্ৰাণনাৰায়ণক ধৰাই দিয়াৰ বাবে আপ্ৰান চেষ্টা কৰিবলৈ ধৰিলে, কিন্তু ইতিমধ্যে কোচবিহাৰৰ প্ৰজাবৰ্গৰ মাজত ভীষণ অসন্তুষ্টিয়ে দেখা দিলে। মাটিৰ খাজনা আদায় বিষয়ত নতুন ব্যৱস্থা গ্ৰহণ আৰু এই প্ৰসঙ্গত মুছলমান কৰ্ম্মচাৰী বিলাকৰ অত্যাচাৰত প্ৰজা সাধাৰণ বিদ্ৰোহ হৈ উঠিল।

ইতিমধ্যে অসমত বাৰিষা আৰম্ভ হলত, মীৰজুমলাৰ সৈন্যবোৰ ভীষণ অসুবিধাত পৰিছিল। গতিকে মোগল সৈন্যই কোচ বিহাৰৰ শাসনকৰ্ত্তাক সহায় কৰাৰ কোনো সম্ভাৱনা নোহোৱা হল। প্ৰাণনাৰায়ণে এই অৱস্থাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ সচেষ্ট হ'ল। তেওঁ কোচবিহাৰলৈ প্ৰত্যাৱৰ্ত্তন কৰি প্ৰজাবৰ্গৰ সহায়ত বাকীখিনি মোগল সৈন্যক কোচ ৰাজ্য ত্যাগ

কৰিবলৈ বাধ্য কৰিলে। প্ৰাণনাৰায়ণ পুনৰ কোচবিহাৰৰ ৰজা হ'ল। এই ঘটনাৰ কেইমাহমানৰ পিছত, ১৬ মাৰ্চ ১৬৬৩ খৃঃত, আহোম ৰাজ্যৰ পৰা উভতি আহোতে বাটতে মীৰজুমলাৰ মৃত্যু হয়। কিছুদিনলৈ প্ৰাণনাৰায়ণৰ ৰাজ্য নিষ্কণ্টক হৈ থাকিল।

মোগলৰ বশ্যতা স্বীকাৰ :— মীৰজুমলাৰ মৃত্যুৰ পিছত চায়েস্তাখাঁন বঙ্গদেশৰ চুবেদাৰ নিযুক্ত হয়। তেওঁ ৰাজমহলত উপস্থিত হৈয়েই কোচ বিহাৰ ৰাজ্য জয় কৰিবলৈ প্ৰস্তুতি আৰম্ভ কৰিলে; আৰু সৈন্য বাহিনী লৈ কোচ ৰাজ্যৰ সীমান্তত উপনীত হল। মোগলক খেদি প্ৰাণনাৰায়ণ পুনৰ কোচ বিহাৰৰ সিংহাসনত বহিল যদিও আগেয়ে উল্লেখিত বিষ্ণু নাৰায়ণৰ কাৰ্য্যকলাপৰ ফলত আভ্যন্তৰীণ বিবাদত তেওঁ দুৰ্ব্বল হৈ পৰিছিল। আনহাতেদি স্বাস্থ্যও ভাগি পৰিছিল। গতিকে তেনে অৱস্থাত চায়েস্তাখাঁনৰ বিৰুদ্ধে কোনো যুদ্ধ কৰাৰ পৰিবৰ্ত্তে বশ্যতা স্বীকাৰ কৰি লৈ দূত পঠিয়ালে; আৰু ক্ষতিপূৰণ স্বৰূপে চাৰে পাঁচলক্ষ টকা দিবলৈ স্বীকৃত হল। চায়েস্তাখাঁন ইয়াতে সম্মত হৈ ১৬৬৫ খৃঃত কোচবিহাৰৰ সীমান্তৰ পৰা মোগল সৈন্য প্ৰত্যাহাৰ কৰিলে।

ভূটান ৰজাৰ দ্বাৰা কোচবিহাৰ আক্ৰমণ :— ১৬৬৫খৃঃত মহাৰাজ প্ৰাণনাৰায়ণ অসুস্থ হৈ পৰিল। নাজিৰ দেওৱান মহীনাৰায়ণে সংবাদ পালে যে মহাৰাজৰ মৃত্যু হৈছে। কোচবিহাৰ সিংহাসনৰ প্ৰতি তেওঁৰ অভিলাষ আছিল বাবেই ষড়যন্ত্ৰ কৰিছিল। গতিকে এই সংবাদ পাই তেওঁ চাৰি পুত্ৰৰে সৈতে কোচ ৰাজ্য আক্ৰমণ কৰিলে। পিছত যেতিয়া তেওঁ জানিব পাৰিলে যে মহাৰাজ তেতিয়াও জীৱিত, তেওঁ লাজ পালে আৰু আগবাঢ়িবলৈ সাহ নকৰিলে। এনেকুৱা অন্তৰ্কলহৰ ফলত কোচ ৰাজ্যৰ দুৰ্ব্বলতাৰ উমান পাই ভূটানৰ ৰজাই বাৰে বাৰে আক্ৰমণ কৰি কোচৰাজ্যৰ

কিছু অংশ দখল কৰি লয়।

৩২ বছৰ কাল ৰাজত্ব কৰাৰ পিছত ১৬৭২ খৃঃত মহাৰাজ প্ৰাণনাৰায়ণৰ মৃত্যু হয়।

ৰাজ্য সীমা : বৈবাহিক সম্বন্ধ :— প্ৰাণনাৰায়ণৰ ৰাজত্ব কালত কোচবিহাৰ ৰাজ্যৰ সীমা যথেষ্ট বিস্তৃত আছিল। এই ৰাজ্যৰ পূৰ্ব্ব সীমা আছিল গোৱালপাৰা জিলাৰ খুটাঘাট পৰগনাৰ বসকপুৰ আৰু পশ্চিম সীমান্ত আছিল মোৰঙৰ অন্তৰ্গত ভাটগাওঁ আৰু দক্ষিণ সীমা আছিল জাজহাট বাহাৰবন্দ পৰগনা; মহাৰাজ লক্ষ্মীনাৰায়ণৰ দিনত দিল্লীৰ সম্ৰাটৰ কোচ ৰাজ্যই যি আংশিক বশ্যতাস্বীকাৰ কৰিবলৈ বাধ্য হৈছিল, মহাৰাজ প্ৰাণনাৰায়ণে সেই অধীনতা দলিয়াই পেলাই ৰাজ্যৰ সীমা বিস্তাৰ কৰি নিজৰ প্ৰভুত্ব বিস্তাৰ কৰাৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। সমৰ শক্তিৰ বাহিৰেও ৰাজনৈতিক কৌশলৰ আশ্ৰয় লৈছিল। এই উদ্দেশ্যেই ৰামচৰণ নামেৰে দূত এজন পঠিয়াই আহোম ৰজাৰ লগত সদ্ভাৱ স্থাপনৰ চেষ্টা কৰিছিল। তেতিয়া আহোম ৰজা চক্ৰধ্বজ সিংহই প্ৰাণনাৰায়ণৰ আগৰ ৰজা সকলৰ দিনত মোগলে আহোম ৰাজ্য আক্ৰমণৰ সময়ত আহোম ৰজাই কোচ বিহাৰৰ ৰজা সকলৰ পৰা সহায় বিচাৰিও বিশেষ উৎসাহ নেদেখুৱা বুলি আক্ষেপ কৰিছিল যদিও প্ৰাণনাৰায়ণৰ লগত সদ্ভাৱ ৰাখিবৰ মৰ্ম্মে ইচ্ছা প্ৰকাশ কৰি চিঠিৰ আদান প্ৰদান কৰিছিল। নেপালৰ ৰজা প্ৰতাপ মল্লই প্ৰাণনাৰায়ণে নিজৰ জীয়েক (মতান্তৰে ভাগিনীয়েক) ৰূপমতী দেৱীক বিয়া দি বন্ধুত্ব স্থাপন কৰে। বিবাহৰ দিনৰ পৰাই নেপালৰ ৰজাৰ লগত কোচ ৰাজবংশৰ মিত্ৰতাৰ বান্ধোন চলি আছিল। কাঠমাণ্ডুৰ শিৱ মন্দিৰৰ শিলালিপিত উক্ত বিৱৰণ খোদিত আছে। ৰূপমতীয়ে ([illegible] নেপাল সম্বত) কান্তিপুৰত উগ্ৰতাৰা মন্দিৰ প্ৰতিষ্ঠা কৰাৰ কথাও উক্ত শিলালিপিত আছে।

প্ৰাণনাৰায়ণৰ অৱদান ঃ— মহাৰাজ প্ৰাণনাৰায়ণ এজন বিদ্যানুৰাগী, শাস্ত্ৰজ্ঞ, সঙ্গীতজ্ঞ আৰু জ্ঞান চৰ্চাৰ পৃষ্ঠপোষক আছিল। সঙ্গীত বিষয়ে তেওঁ নিজে এখন গ্ৰন্থ লিখিছিল। তেওঁৰ দিনত সংস্কৃত ভাষাই বিশেষ প্ৰসাৰ লাভ কৰে। তেওঁৰ ৰাজসভাৰ বহুতো শাস্ত্ৰজ্ঞ পণ্ডিতৰ ভিতৰত পাঁচজনে বিশেষ প্ৰসিদ্ধি লাভ কৰি 'পঞ্চ ৰত্ন' নামেৰে খ্যাত হৈছিল। ৰজাৰ পৃষ্ঠপোষকতাত সভাপণ্ডিত জয়কৃষ্ণ ভট্টাচাৰ্যাই 'প্ৰয়োগ ৰত্নমালা' ব্যাকৰণৰ টীকা 'প্ৰভা প্ৰবেশিকা' ৰচনা কৰে যি সংস্কৃত ভাষা চৰ্চা আৰু প্ৰচাৰত সহায় কৰিছিল। সভা পণ্ডিত কবি বল্লভই 'ৰাজখণ্ডম' নামে ৰাজবংশৰ এখন ইতিহাস সংস্কৃত ভাষাত ৰচনা কৰিছিল। শ্ৰীনাথ ব্ৰাহ্মণে 'মহাভাৰতৰ পদ' আৰু 'দ্ৰৌপদী স্বয়ম্বৰ' নামে দেশী ভাষাত কাব্যগ্ৰন্থ আৰু সংস্কৃতত 'বিশ্বসিংহচৰিতম' গ্ৰন্থ ৰচনা কৰে। সভা পণ্ডিত কৃষ্ণ মিত্ৰই 'প্ৰহ্লাদ চৰিত' ৰচনা কৰে। বিশাৰদ কবিয়ে 'বিৰাট পৰ্ব্ব' আৰু 'কৰ্ণপৰ্ব্ব' অনুবাদ কৰে। মহাৰাজ প্ৰাণনাৰায়ণৰ ৰাজত্ব কালত কোচবিহাৰ ৰাজ্য ধৰ্ম্ম ৰাজ্য হিচাবে প্ৰসিদ্ধ লাভ কৰিছিল।

এইবোৰৰ বাহিৰেও আন এটা দিশত প্ৰাণনাৰায়ণৰ ৰাজত্ব কাল ইতিহাসত স্মৰণীয় হৈ থাকিব। সেইটো হৈছে, তেওঁৰ দিনত কোচবিহাৰ ৰাজ্যত বহু মন্দিৰৰ সংস্কাৰ আৰু নিৰ্ম্মাণৰ বাবে। বানেশ্বৰৰ বিখ্যাত প্ৰাচীন মন্দিৰটো তেওঁ পুনৰ্নিৰ্ম্মাণ কৰে। মন্দিৰৰ সংলগ্ন পুখুৰীটো খনন কৰায়। সেইদৰে ষণ্ডেশ্বৰৰ প্ৰাচীন মন্দিৰটোকো নতুনকৈ নিৰ্ম্মাণ কৰোৱায়। দিনহাটাৰ ওচৰৰ গোসানীমাৰীৰ কামতেশ্বৰী মন্দিৰটোও ঐতিহাসিকভাৱে প্ৰসিদ্ধ, কামতা ৰাজ্য প্ৰতিষ্ঠাৰ লগত জড়িত। পুৰণি মন্দিৰ কেতিয়াবাই ধ্বংসপ্ৰাপ্ত। ১৬৬৫ খৃঃত মহাৰাজ প্ৰাণনাৰায়ণে বৰ্ত্তমানৰ বৃহদাকাৰ তথা স্থাপত্য কৌশলেৰে সুন্দৰ মন্দিৰটো নিৰ্ম্মান কৰে। কামতাদেৱীৰ নামেৰে খ্যাত হলেও তাত বৰ্ত্তমান অন্যান্য দেৱতাৰ পূজা হয়। তাৰ ভিতৰত প্ৰাণনাৰায়ণে এটি সোণৰ তাৰকেশ্বৰৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰিছিল। যিটো

বৰ্ত্তমান অপহৃত। মন্দিৰৰ পশ্চিমৰ প্ৰধান দুৱাৰৰ ওপৰত খোদিত ফলকত প্ৰাণনাৰায়ণৰ নাম নিৰ্ম্মাতা হিচাবে উল্লেখিত আছে। আন এটা প্ৰাচীন ধ্বংসপ্ৰাপ্ত মন্দিৰৰ জল্পেশ্বৰৰ মন্দিৰ নিৰ্ম্মাণৰ বাবে তেওঁ দিল্লীৰ পৰা কাৰিকৰ অনাই কাম আৰম্ভ কৰিছিল যদিও এই কাম শেষ কৰি যাব নোৱাৰিলে, তেওঁৰ পিছত মোদন নাৰায়ণৰ দিনত এই কাম সমাধান হয়। পিছত সেই মন্দিৰ ভূমিকম্পত ধ্বংস হয়। বৰ্ত্তমানৰ মন্দিৰটো ১৯২৭ চনত সজা।

ইয়াৰ বাহিৰেও মহাৰাজ প্ৰাণনাৰায়ণে বহু ঘৰবাৰী আৰু অট্টালিকা নিৰ্ম্মান কৰে। তাৰ উপৰিও যাতায়তৰ সুবিধাৰ্থে বহু পথ ঘাট আৰু দলং নিৰ্ম্মাণ কৰে। আৰু সেইবোৰৰ ৰক্ষণা বেক্ষণ ৰাজাৰ পৰিচালত; ধৰ্ম্ম চৰ্চা, বিদ্যা জ্ঞান চৰ্চাৰ এনে ব্যাপক প্ৰসাৰতাৰ সুখ্যাতিৰ ওপৰত ভিত্তি কৰিয়েই প্ৰাণনাৰায়ণৰ ৰাজত্ব কালত কোচবিহাৰ ৰাজ্য 'ধৰ্ম্মৰাজ্য' নামেৰে প্ৰসিদ্ধ লাভ কৰিছিল— এই নাম যে সাৰ্থক তাত সন্দেহ নাই।

নাজিৰ মহীনাৰায়ণৰ প্ৰতিপত্তি ঃ— প্ৰাণনাৰায়ণৰ অসুস্থতাৰ খবৰ ৰাজ্যত প্ৰচাৰিত হওঁতেই নাজীৰ মহীনাৰায়ণ কোঁৱৰ সিংহাসন দখল কৰিবলৈ প্ৰস্তুত হয়; কিন্তু ৰজা তেতিয়াও জীৱিত বুলি জানিব পাৰি সংযত হয়। মহীনাৰায়ণ সবাতোকৈ শক্তিশালী লোক আছিল বাবেই প্ৰজাসাধাৰণে বুজি পাইছিল যে প্ৰাণনাৰায়ণৰ মৃত্যুৰ পিছতে তেওঁৱেই ৰজা হব; কিন্তু এই উচ্চাভিলাস তেওঁৰ চাৰি পুত্ৰ দৰ্পনাৰায়ণ, যজ্ঞনাৰায়ণ, জগৎ নাৰায়ণ আৰু চন্দ্ৰনাৰায়ণলৈ শিপাইছিল। তেওঁলোকেও ৰজা হবলৈ নিজৰ মাজত প্ৰতিদ্বন্দিতা আৰম্ভ কৰি দিলে। বিচক্ষণ মহীনাৰায়ণে সহজে বুজি পালে যে ইয়াৰ সম্ভাব্য পৰিণতি ৰাজ্য, ৰজা প্ৰজা কাৰো পক্ষেই মঙ্গল নহব। নিজৰ পুত্ৰসকলৰ মাজতে মৰামৰি হৈ ধ্বংস হব। তেতিয়া তেওঁ সেই আশা পৰিত্যাগ কৰি প্ৰাণনাৰায়ণৰ দ্বিতীয় পুত্ৰ মোদননাৰায়ণক

কোচবিহাৰৰ সিংহাসনত বহুৱালে আৰু তেওঁ নিজে ছত্ৰ ধাৰণ কৰিলে। প্ৰথম পুত্ৰ বিষ্ণুনাৰায়ণৰ আগতেই মৃত্যু হয়।

মহাৰাজ মোদননাৰায়ণ :—

মহাৰাজ মোদননাৰায়ণ ১৬৬৫ খৃঃত কোচবিহাৰ ৰাজ্যৰ সিংহাসনত বহে; আৰু নিজৰ নামত মুদ্ৰা প্ৰস্তুত কৰে। তেওঁ ৰজা হ'ল যদিও ছত্ৰনাজীৰ মহীনাৰায়ণ আৰু তেওঁ পুতেকসকলে ক্ষমতা বিস্তাৰ কৰি ৰাজকাৰ্য্য পৰিচালনা কৰিবলৈ ধৰিলে। ৰজাৰ বিশ্বস্ত কৰ্মচাৰী বোৰক হত্যা কৰোৱাই বা আন ধৰণে আঁতৰ কৰি নিজৰ বিশ্বস্ত নিজৰ আত্মীয় আৰু অনুচৰ বোৰক বিশিষ্ট পদবোৰত নিযুক্ত কৰিলে। বিশ্বসিংহৰ দিনৰ পৰাই কোচবেহাৰ ৰাজ্যৰ ৰাজ অভিষেকত ৰায়কত বংশৰ প্ৰধানৰ দ্বাৰাই ছত্ৰ ধাৰণ কৰা আৰু সেই বংশৰ উপযুক্ত মানুহক মন্ত্ৰী, সেনাধ্যক্ষ আৰু আন উচ্চপদ বোৰত নিযুক্ত কৰাৰ যি নীতি আৰু পৰম্পৰা চলি আহিছিল তাৰে প্ৰথমটো এওঁৰ দিনতে ভঙ্গ হয়। মোদননাৰায়ণৰ দিনত সকলো নীতি ভঙ্গ হয়। মহীনাৰায়ণে তেওঁৰ বিশ্বস্ত অনুচৰ ৰূপচন্দ্ৰ নাৰায়ণ মজুমদাৰ নামে কায়স্থ এজনক মন্ত্ৰী পদত নিয়োগ কৰিলে।

নাজিৰৰ লগত সংঘৰ্ষ :— শত্ৰু পৰিবেষ্টিত হলেও মোদন নাৰায়ণৰ বিশ্বস্ত কৰ্মচাৰীৰ একেবাৰে অভাৱ হোৱা নাছিল। ধৈৰ্য্যৰে সৈতে কেইবা বছৰ পাছত কৌশলেৰে ছত্ৰ নাজিৰৰ সৈন্যক নিজৰ সপক্ষীয়া কৰিলে; আৰু শেষত মহীনাৰায়ণৰ বিশ্বস্ত কৰ্মচাৰীক হত্যা কৰিলে। মহীনাৰায়ণে এই খবৰ পাই খঙতে জ্বলি পকি উঠিল আৰু সসৈন্যে ৰাজধানী আক্ৰমণ কৰিলে। উভয় পক্ষৰ মাজত তুমুল যুদ্ধ হ'ল। মহীনাৰায়ণ এই যুদ্ধত পৰাজিত হৈ সন্ন্যাসী বেশেৰে পলাই গল। তেওঁৰ বহু সৈন্যৰ লগতে চতুৰ্থ পুত্ৰ চন্দ্ৰনাৰায়ণ নিহত হল। আন পুত্ৰসকল দৰ্পনাৰায়ণ, জগন্নাৰায়ণ

আৰু যজ্ঞনাৰায়ণ পলাই গৈ ভূটান ৰাজ্যত আশ্ৰয় ললৈগৈ। মহীনাৰায়ণে বহু ঠাই ফুৰি ৰায়কত পৰিয়ালৰ বৈকুণ্ঠপুৰলৈ আহিল। ৰায়কত পৰিয়াল যদিও কোচবেহাৰ ৰাজ্যৰ লগত বিশেষ সম্বন্ধ নাৰাখিছিল আৰু এক প্ৰকাৰ স্বতন্ত্ৰ হৈছিল। এইখিনি সময়তে তেওঁলোক সমদলীয় মহীনাৰায়ণতকৈ বেছি মোদনাৰায়ণৰ ফলীয়া আছিল। সেয়ে এই সংবাদ মোদনাৰায়ণৰ ওচৰলৈ পঠিয়াত তেওঁক ধৰি আনিবলৈ সৈন্য পঠিয়ালে। তাৰ ফলত হোৱা খণ্ড যুদ্ধত মহীনাৰায়ণৰ মৃত্যু হয়।

মহীনাৰায়ণৰ পুত্ৰসকলে ভোটান ৰজাৰ সাহায্যত শক্তিশালী হৈ কেবা বাৰো কোচবেহাৰ ৰাজ্য আক্ৰমণ কৰি বিফল হৈছিল। এইবোৰ যুদ্ধৰ ফলত মোদনাৰায়ণৰ দিনত ৰাজ্যত বেচি শান্তি নাছিল। ১৫ বছৰ ৰাজত্ব কৰাৰ পিছত মহাৰাজ মোদননাৰায়ণৰ ১৬৮০ চনত মৃত্যু হয়। তেওঁৰ কোনো পুত্ৰ সন্তান নাছিল।

জল্পেশ্বৰ মন্দিৰ নিৰ্ম্মাণ :— মহাৰাজ মোদননাৰায়ণৰ ৰাজত্ব কাল ক্ষমতা লাভৰ বাবে আভ্যন্তৰীন দ্বন্দ আৰু যুদ্ধৰ মাজত কটাবলগীয়া হৈছিল যদিও তাৰ মাজতে তেওঁ কিছু উল্লেখ যোগ্য প্ৰজাহিতকৰ কাম কৰে। তেওঁ প্ৰাণনাৰায়ণৰ দিনৰ আৰম্ভ হোৱা জল্পেশৰ (শিৱ) মন্দিৰৰ পুনঃ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ কৰোৱায়। বিগ্ৰহৰ নিয়মিত পূজা অৰ্চ্চনাৰ বাবে ৪৪ টা জোট দান কৰে। সেই ঠাইতে তেওঁ এটা সদাব্ৰত স্থাপন কৰে। সেই জোট বোৰৰ আয়ৰ দ্বাৰা বিগ্ৰহ পূজাৰ লগতে সদাব্ৰতৰ কাৰ্য্য নিৰ্ব্বাহ হৈছিল ; দিয়াৰ উদ্দেশ্য আছিল প্ৰজাবৰ্গক ধাৰ্মিক, অৰ্থনৈতিক, সাংস্কৃতিক বিকাশত সহায়তা কৰা।

মোদননাৰায়ণে অন্যান্য কোচ ৰজা সকলৰ দৰেই পণ্ডিত সকলোক সন্মান কৰিছিল আৰু পৃষ্ঠপোষকতা কৰিছিল। তেওঁৰ সভাকবি দ্বিজ ৰবিৰামে 'দ্ৰোণপৰ্ব্ব' গ্ৰন্থ ৰচনা কৰে আৰু তেওঁক ৰাজকীয় সাহায্য দিয়ে।

মহাৰাজ মোদননাৰায়ণে মাটি জৰিপ কৰি প্ৰজা সকলোৰ মাটিৰ পৰিমাণ নিৰ্দ্ধাৰন কৰাইছিল।

ৰাম সিংহৰ অসম আক্ৰমণ :— মহাৰাজ প্ৰাননাৰায়ণৰ দিনত মোগলৰ লগত কোচবেহাৰ ৰাজ্যৰ মিত্ৰতা হৈছিল আৰু তাৰ বিপৰীতে আহোমৰ লগত মীৰজুমলাৰ নেতৃত্বত মোগলৰ যুদ্ধ হৈছিল। শেষত মোগল পৰাস্ত হৈ আহোম ৰাজ্যৰ পৰা আঁতৰি যাবলগীয়া হৈছিল। অম্বৰাধিপতি ৰাম সিংহৰ নেতৃত্বত ১৬৬৮ চনত ঔৰঙ্গজেবে অসম অভিযানৰ বাবে সৈন্য পঠিয়াই বাহিনী দিয়ে। মহাৰাজ মোদননাৰায়ণে ৰামসিংহক ৫ হেজাৰ পদাতিক আৰু ঘোড়া সৈন্য দি সহায় কৰে। এই সৈন্য সকলে মোগলৰ স্বপক্ষে বীৰত্বৰে যুদ্ধ কৰে।

মহাৰাজ বাসুদেৱ নাৰায়ণ :—

অপুত্ৰক অৱস্থাতে মহাৰাজ মোদননাৰায়ণৰ মৃত্যু হোৱাৰ সংবাদ পোৱাৰ লগে লগে মহীনাৰায়ণৰ পুত্ৰ দৰ্পনাৰায়ণে ভুটীয়া সৈন্য লৈ কোচবেহাৰ ৰাজ্যৰ ৰাজধানী আক্ৰমন কৰি অধিকাৰ কৰি লয়।

মহাৰাজ প্ৰাণনাৰায়ণৰ তৃতীয় পুত্ৰ বাসুদেৱ নাৰায়ণ আৰু পৌত্ৰ শ্ৰীমান নাৰায়ণ কোঁৱৰ (বিষ্ণুনাৰায়ণৰ পুত্ৰ) শিশু পুত্ৰক লৈ দক্ষিণকালে পলাই গল। ভুটীয়া সৈন্যই ৰাজধানী লুণ্ঠন আৰু নগৰবাসীক হত্যা কৰিব ধৰিলে; বৈকুণ্ঠপুৰৰ ৰায়কত ভাতৃদ্বয় জগদেৱ আৰু ভুজদেৱ বজাৰ ফলীয়া আছিল। মোদননাৰায়ণৰ মৃত্যুৰ খবৰ পাই তেওঁলোকেও সৈন্যে ৰাজধানীলৈ আগুৱাই আহিল। তাৰ আগতেই এইবোৰ সংঘটিত হ'ল যেতিয়া তেওঁলোকে ৰাজধানীৰ কাষ পালে দৰ্পনাৰায়ন ভুটীয়া সৈন্যসহ

পলাই গল। ভেতিয়া বায়কত জগদেৱ আৰু ভুজদেৱ মোদননাৰায়ণৰ ভাতৃ বাসুদেৱ নাৰায়ণক কোচবেহাৰৰ সিংহাসনত বহুৱালে আৰু যুৱত ৰাজ ছত্ৰধাৰণ কৰিলে। ৰাজ্যত শান্তি শৃংখলা স্থাপন হ'ল আৰু ৰাজকাৰ্য্য যথাবিহিত চলাবলৈ ধৰিলে। ৰাজধানীত কিছুদিন থকাৰ পিছত জগদেৱ আৰু ভুজদেৱ বৈকুণ্ঠপুৰলৈ প্ৰত্যাবৰ্ত্তন কৰিলে।

যজ্ঞনাৰায়ণৰ যুদ্ধ আৰু বাসুদেৱনাৰায়ণক হত্যা :—

মহীনাৰায়ণৰ পুত্ৰ সকল পলাই ভুটান ৰাজ্যলৈ গ'ল যদিও ছেগ চাই থাকিল। দৰ্পনাৰায়ণৰ তাতেই মৃত্যু হ'ল। মহাৰাজ বাসুদেৱ নাৰায়ণ কোনোমতে দুবছৰ ৰাজত্ব কৰিব পাৰিলে। ইয়াৰ পিছত শ্ৰীমান নাৰায়ণ কোঁৱৰৰো মৃত্যু হ'ল। জগৎনাৰায়ণ, যজ্ঞনাৰায়ণ আৰু দৰ্পনাৰায়ণৰ দুই পুত্ৰ শান্তনাৰায়ণ আৰু সত্যনাৰায়ণে ভুটীয়া সৈন্য লৈ কোচবিহাৰ ৰাজধানী আক্ৰমণ কৰিলে আৰু তাৰ ফলত তুমুল যুদ্ধ হ'ল। এই যুদ্ধত বাসুদেৱ নাৰায়ণ পৰাজিত আৰু নিহত হ'ল। যজ্ঞনাৰায়ণে সিংহাসন দখল কৰিলে। শ্ৰীমান নাৰায়ণৰ শিশু পুত্ৰৰ সৈতে ৰাজ পৰিয়ালৰ লোক সকল পলাই যাবলৈ বাধ্য হ'ল।

মহাৰাজ মহেন্দ্ৰনাৰায়ণ :
মানসাই নদীৰ পাৰত যুদ্ধ :—

মহাৰাজ বাসুদেৱ নাৰায়ণৰ মৃত্যুৰ সংবাদ বৈকুণ্ঠপুৰ পোৱাৰ লগে লগে ৰায়কত জগদেৱ আৰু ভুজদেৱে পুনৰ সৈন্য সুসজ্জিত কৰি বেহাৰ ৰাজ্যৰ ৰাজধানীলৈ আগবাঢ়িল। নিহত বাসুদেৱ নাৰায়ণৰ পাত্ৰ মন্ত্ৰী আৰু সৈন্য সকল ঘেঁওলোকৰ লগত মিলিত হ'ল। মানসাই নদীৰ পাৰত যজ্ঞনাৰায়ণৰ সৈন্যৰ সৈতে তুমুল যুদ্ধ সংঘটিত হ'ল। বহুতো সৈন্য নিহত হ'ল ; যুদ্ধত ৰায়কত আৰু ৰাজসৈন্য দল জয়ী হ'ল। যজ্ঞনাৰায়ণৰ পক্ষ পলাই গল। বাসুদেৱ নাৰায়ণৰ অপুত্ৰক অৱস্থাত মৃত্যু হৈছিল। সেয়ে ভেওঁ ৰুকায়েক

বিষ্ণুনাৰায়ণৰ নাতি নাবালক মহেন্দ্ৰনাৰায়ণক ১৬৮২ খৃঃত সিংহাসনত বহুৱালে। ৰায়কত জগদেৱ আৰু ভুজদেৱে তেওঁৰ শিৰৰ ওপৰত ছত্ৰ ধাৰণ কৰিলে। এই সময়ত মহেন্দ্ৰনাৰায়ণৰ বয়স আছিল মাত্ৰ ৫ বছৰ। ৰাজ্য শাসনত থানথিত লগাই ৰায়কত জগদেৱ আৰু ভুজদেৱ বৈকুণ্ঠপুৰলৈ উভতি গল। মহেন্দ্ৰনাৰায়ণৰ হৈ বিশ্বনাথ মুস্তকী (ৰূপনাৰায়ণৰ পুত্ৰ) আৰু আন আন মন্ত্ৰীসকলে ৰাজ্য চলাবলৈ ধৰিলে।

যজ্ঞনাৰায়ণৰ সৈতে সন্ধি :— যজ্ঞনাৰায়ণে আৰু তেওঁৰ ভাতৃ জগৎনাৰায়ণে ৰাজ্যত সময়ে সময়ে অশান্তিৰ সৃষ্টি কৰিবলৈ ধৰিলে। ৰায়কত ভাতৃদ্বয় অসুস্থ হৈ পৰাত নাবালক ৰজাক তেওঁলোকে আগৰ দৰে সাহায্য কৰিব নোৱাৰাত পৰিছিল। এনে অৱস্থাত কিছুমান কৰ্মচাৰীয়ে নিজৰ কৰ্তৃত্ব প্ৰতিষ্ঠা কৰিবলৈ দূৰ প্ৰদেশৰ বিশেষকৈ দক্ষিণৰ শাসনকৰ্তা সকলে নিজকে স্বাধীন বুলি ঘোষণা কৰিলে; কিছুমানে স্বেচ্ছায়, আন কিছুমানে বাধ্যত পৰি এনে কৰিলে। তেওঁলোকে ঢাকাৰ শাসনকৰ্তা ইব্ৰাহিমৰ আৰু ঘোড়াঘাটৰ ফৌজদাৰক কৰ দিবলৈ স্বীকাৰ কৰি চলন লৈ স্বাধীন জমিদাৰ হ'ল।

এই খিনি সময়তে জগদেৱ ৰায়কত পৰলোক প্ৰাপ্তি ঘটে আৰু ভুজদেৱ অসুস্থ হয়।

বোদা পাটগ্ৰাম, বৈকুণ্ঠপুৰত মুছলমানৰ দখল :—

এনে বিপদজনক পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ সেই সময়ত একমাত্ৰ জীৱিত পুত্ৰ যজ্ঞনাৰায়ণৰ লগত শান্তি স্থাপন কৰিলে। যজ্ঞনাৰায়ণক ছত্ৰ ধাৰীৰ ৰূপে নিযুক্ত কৰা হল। ইয়াৰ ফলত ভুটান ৰাজা মহেন্দ্ৰ নাৰায়ণৰ বন্ধু ভাবাপন্ন হল আৰু সাহায্য কৰিবলৈ ধৰিলে। যজ্ঞনাৰায়ণৰ নেতৃত্ব

মহেন্দ্রনাৰায়ণে দৃঢ়তাৰ সৈতে মুছলমান আক্ৰমণ প্ৰতিহত কৰিবলৈ সাজু হ'ল; কিন্তু তেওঁ সিমান কৃতকাৰ্য্য হব নোৱাৰিলে। পাটগ্ৰামত যজ্ঞনাৰায়ণৰ লগত মুছলমানৰ সৈতে এখন ভীষণ যুদ্ধ হল। মুছলমান এই যুদ্ধত জয়ী হলত, বোদা, পাটগ্ৰাম, পাঙ্গাৰ পূৰ্ব্বাংশ আৰু বৈকুণ্ঠপুৰ মুছলমানৰ অধীনলৈ গুচি যায়। পিছত তেওঁলোকে সামান্য কৰ দিয়াকৈ চৰ্ত্তত সুবেদাৰৰ অধীন হয়। ৰজাৰ দুৰ্ব্বলতাৰ কাৰণে কাটিহাৰ, কাচিঙ্গা, টেপা, কুন্তী পৰগনাৰ কাৰ্য্য কৰ্ত্তা সকলে চনদ লৈ জমিদাৰ হৈ পৰিল।

মহাৰাজৰ অকাল মৃত্যু ঃ— এই সময়তে যজ্ঞনাৰায়ণৰ মৃত্যু হয়। মহেন্দ্ৰ নাৰায়ণে তেতিয়া পুত্ৰক আৰু বিশ্বনাৰায়ণক সেনাপতি নিযুক্ত কৰিলে। তাৰ পিছতেই ১৬৯৩ খৃঃত ৰোগ্যাগ্ৰস্ত হৈ মহাৰাজ মহেন্দ্ৰ নাৰায়ণৰ অকালতে মৃত্যু হয়।

কোচবেহাৰ ৰাজ্যৰ দুৰ্য্যোগপূৰ্ণ সময়ত মহাৰাজ মহেন্দ্ৰ নাৰায়ণে ৰাজত্বৰ পাতনি মেলিছিল; কিন্তু সেই কোমলমতীয়া নবীন বয়সতে দক্ষতা আৰু দৃঢ়তাৰে ৰাজ্যশাসন কৰিছিল। চৰিত্ৰত উদাৰতা আৰু চতুৰতাৰ অপূৰ্ব্ব নিদৰ্শন দেখুৱাইছিল। অকাল মৃত্যুৱে এক বিশেষ সম্ভাৱনা পূৰ্ণ ৰজাৰ শাসনৰ পৰা কোচ বেহাৰ ৰাজ্যক বঞ্চিত কৰিছিল। তেওঁৰ মৃত্যুৰ লগে লগে মহাৰাজ বিশ্বসিংহৰ বংশৰ মূল শাখাৰ লোপ পালে।

মহেন্দ্ৰনাৰায়ণে পৰম বৈষ্ণৱ আছিল; তেওঁৰ আদেশত ৰাম স্বৰস্বতীয়ে 'ভীষ্মপৰ্ব্বৰ' অনুবাদ কৰে।

মহাৰাজ ৰূপনাৰায়ণ ঃ— মহেন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিছত ৰাজ্যৰ মন্ত্ৰীসকল আৰু সেনাপতি সকলে সৰ্ব্ব সম্মতিক্ৰমে পূৰ্ব্বৰ ছত্ৰেনাজীৰ মহীনাৰায়ণৰ নাতিয়েক (জগৎনাৰায়ণৰ পুত্ৰ) ৰূপনাৰায়নক সিংহাসনত বহুৱালে। ৰূপনাৰায়নে মহেন্দ্ৰনাৰায়ণৰ দিনত সেনাপতি থকাৰ বাবে অতি

সৌমাৰকালে প্ৰজাসাধাৰণৰ আস্থা, সহানুভূতি আৰু সহযোগিতা লাভ কৰিবলৈ সক্ষম হল। তেওঁ অ গৰ মন্ত্ৰীসকলক নিজ নিজ বিভাগত বাহাল ৰাখিলে। দৰ্পনাৰায়ণৰ পুত্ৰ শান্তনাৰায়ণক আৰু সত্যনাৰায়ণক ক্ৰমে ছত্ৰ নাজীৰ আৰু দেওয়ান নিযুক্ত কৰিলে। প্ৰধান মন্ত্ৰীৰ উপৰিও খাস নবীশ উপাধি দিয়া হল। ক্ৰমে প্ৰশাসনত দক্ষতা বৃদ্ধি পালে আৰু তেওঁ নিজৰ নামত মুদ্ৰা প্ৰস্তুত কৰিলে। তেওঁ সিংহাসনত বহাৰ আগেয়ে কোচবেহাৰ ৰাজ্যৰ কিছুমান ঠাইৰ দখল লৈ মোগলৰ লগত বিবাদ চলি আছিছিল। মহাৰাজ মহেন্দ্ৰনাৰায়ণ সেই ঠাইবোৰ পুনৰুদ্ধাৰৰ বাবে ৰংপুৰৰ মৌজাদাৰৰ লগত যুদ্ধ আৰম্ভ কৰে; কিন্তু তেওঁ কৃতকাৰ্য্য হব পৰা নাছিল। ৰূপনাৰায়ণে ৰজা হৈ কিছুদিন যুদ্ধ কৰিছিল কিন্তু বোদা, পাটগ্ৰাম– এই অঞ্চলো মোগলে দখল কৰিলে।

মোগলৰ লগত সন্ধি :— অৱশেষত মোগলৰ লগত সন্ধি হয়। এই সন্ধি মতে বোদা পাটগ্ৰাম আৰু পূৰ্বভাগ চাকলা কেইটা মহাৰাজ ৰূপনাৰায়ণৰ হাতত থাকিল আৰু কাজীৰ হাট, কাকিনা আৰু বীৰপুৰ চাকলা মোগল বাদশাহৰ অধীন হল। সন্ধিৰ পাছত স্বাধীনতাৰ চিন স্বৰূপে নিজৰ নামত মুদ্ৰা প্ৰস্তুত কৰিলে।

এই সন্ধি স্থায়ী নহল। মোগলে এই সন্ধিৰ চৰ্ত ভঙ্গ কৰি পুণৰ যুদ্ধ আৰম্ভ কৰিলে; যুদ্ধত ৰূপনাৰায়ণ পৰাস্ত হল। তেতিয়া বোদা, পাটগ্ৰাম আৰু পূৰ্বভাগ চাকলাও নিজৰ হাতত ৰাখিব নোৱাৰিলে। অৱশেষত ঢাকাৰ নবাবৰ লগত ১৭১১ খৃঃত সন্ধি হল। ইয়াৰ ফলত তেওঁ চাকলা তিনিটাৰ অধিকাৰী হল, কিছু কৰৰ বিনিময়ত; কিন্তু যিহেতু স্বাধীন ৰজা হিচাবে কৰ দিব নেলাগে তেওঁৰ ছত্ৰনাজীৰ দেব শান্ত নাৰায়ণৰ নামত এই চাকলা বোৰৰ কৰ জমিদাৰী ইজাৰা চলাবৰ বাবে (ঠিকা বা চুক্তি) লোৱা হল। অৰ্থাৎ সাপো মৰিল লাঠিও নাভাঙিল বিধৰ কথাহে হ'ল। এই সন্ধিৰ

ফলত বঙ্গৰ নবাবৰ সতে ৰূপনাৰায়ণৰ বন্ধুতা স্থাপন হৈছিল। মহাৰাজ ৰূপনাৰায়ণে পিছত মুৰশীদকুলীখাঁৰ দৰবাৰলৈ কটকী পঠিয়াইছিল।

ৰাজধানী স্থানান্তৰ :— মহাৰাজ ৰূপনাৰায়ণে ৰাজধানী স্থানান্তৰ কৰে। লক্ষীনাৰায়ণে ১৮ কোঠাত পতা ৰাজধানী তোৰ্ষা নদীৰ পূৱ পাৰত গুড়িয়াহাটী নামে গাওঁলৈ স্থানান্তৰ কৰা হল। এই নতুন ৰাজধানীৰ নাম ৰখা হল 'বেহাৰ'। তাৰ পৰাই শেষত এই ৰাজ্য কোচবেহাৰ ৰাজ্য ৰূপে খ্যাত হল। নাজিৰদেৱ আৰু দেৱানদেৱ ক্ৰমে বলৰামপুৰত তেওঁলোকৰ আবাস নিৰ্ম্মাণ কৰিলে। ছত্ৰনাজিৰ শান্তনাৰায়ণ অপুত্ৰক আছিল বাবে ভাতৃ বিশ্বনাৰায়ণ কোঁৱৰৰ দ্বিতীয় পুত্ৰ ললিত নাৰায়ণক পোষ্য পুত্ৰ গ্ৰহণ কৰিছিল। ১৭১১-১২ খৃঃত শান্তনাৰাযণৰ মৃত্যু হলত ললিত নাৰায়ণক ছত্ৰনাজীৰ পতা হল। সেইদৰে বিশ্বনাথ মুস্তাফিৰ মৃত্যুত তেওঁৰ পুত্ৰেক কালিকাপ্ৰসাদ মুস্তাফিকে পিতৃৰ পদতে বহুৱালে।

যুৱৰাজৰ অভিষেক :— মহাৰাজৰ চাৰিজন পুত্ৰ আছিল। উপেন্দ্ৰ নাৰায়ণ, নৰেন্দ্ৰ নাৰায়ণ, বিষ্ণু নাৰায়ণ আৰু খৰ্গ নাৰায়ণ। এওঁৰ ভিতৰত নৰেন্দ্ৰ নাৰায়ণ আৰু বিষ্ণু নাৰায়ণ মহাৰাজ ৰূপনাৰায়ণৰ মৃত্যুৰ আগতে স্বৰ্গীয় হয়। উপেন্দ্ৰ নাৰায়ণ কোঁৱৰক যুৱৰাজ পদত অভিষেক কৰে আৰু ২১ বছৰ ৰাজত্ব কৰাৰ পিছত ৰূপনাৰায়ণ ১৭১৪ চনত স্বৰ্গী হয়।

মদনমোহন বিগ্ৰহ স্থাপন :— মহাৰাজ ৰূপনাৰায়ণ জ্ঞানী গুণী আৰু ধাৰ্ম্মিক আছিল। তেওঁ ৰাজধানী বেহাৰত শ্ৰীশ্ৰীমদন মোহন ঠাকুৰৰ এটি সুন্দৰ মন্দিৰ নিৰ্ম্মাণ কৰি তাত এটি সুন্দৰ মদন মোহন বিগ্ৰহ স্থাপন আৰু ক্ৰমে ৰাজভৱন স্থাপন কৰিছিল; এই আনুষ্ঠানিক ৰাজধানীতে বৰ্ত্তমান কোচবিহাৰ নগৰী প্ৰতিষ্ঠিত হৈছে।

মহাৰাজ উপেন্দ্ৰনাৰায়ণ :— ৰূপনাৰায়ণৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ উপেন্দ্ৰনাৰায়ণ সিংহাসনত আৰোহণ কৰিলে আৰু ছত্ৰনাজীৰ ললিতনাৰায়ণে ছত্ৰ ধৰিলে। মহাৰাজ উপেন্দ্ৰনাৰায়নে ৫০ বছৰ ৰাজত্ব কৰে আৰু তেওঁৰ নামত মুদ্ৰা প্ৰচলন কৰা হয়। তেওঁৰ সময়ত ভুটানৰ ৰজাৰ লগত কেবাবাৰো সংঘৰ্ষ হয়। ইয়াৰ কাৰণ ভুটান ৰজাই সমতল ভূমিলৈকে তেওঁলোকৰ মতে নামদানীলৈ ৰাজ্য বিস্তাৰ কৰাৰ প্ৰচেষ্টা। মহাৰাজ উপেন্দ্ৰই এওলোকক সম্পূৰ্ণৰূপে বাধা দিব পৰা নাছিল। কাৰণ সমতল ভুমিৰ কিছুমান অংশ ভুটিয়া ৰাজ্যই অধিকাৰ কৰি ৰাখিছিল।

ৰংপুৰৰ ফৌজদাৰৰ লগত সংঘৰ্ষ : মহাৰাজ উপেন্দ্ৰ নাৰায়ণ বহুদিনলৈ অপুত্ৰক আছিল বাবেই তেওঁ দেওয়ান সত্যনাৰায়ণৰ পুত্ৰ দীপনাৰায়ণ কোঁৱৰক তোলনীয়া পুত্ৰ হিচাবে গ্ৰহণ কৰে। মহাৰাজে তেওঁক বৰ মৰম কৰিছিল আৰু প্ৰশাসনীয় কামত নিয়োগ কৰি যথেষ্ট ক্ষমতা দান কৰিছিল। কিন্তু তেওঁ সিংহাসনৰ উত্তৰাধিকাৰী বুলি ভাবি লৈছিল যদিও সন্তুষ্ট হব পৰা নাছিল। কিছুমান পৰামৰ্শদাতাৰ প্ৰৰোচনাত উপেন্দ্ৰনাৰায়ণৰ পিছত তেওঁকেই ৰজা পতা হব, এইমৰ্মে লিখিত চনদ দাবী কৰিছিল। কিন্তু মহাৰাজে তেতিয়াও পুত্ৰ সন্তান লাভৰ আশা পৰিত্যাগ কৰা নাছিল। সেই কাৰণে দীননাৰায়ণক লিখিত চনদ দিবলৈ মান্তি হোৱা নাছিল। তাৰ বাবে দীননাৰায়ণ বিদ্ৰোহী হয় আৰু তেওঁ ৰংপুৰলৈ গুচি যায় আৰু তাৰ ফৌজদাৰ মহম্মদ আলীখানৰ লগত এটা বন্দোবস্ত কৰিলে যে আলীখানে বেহাৰ ৰাজ্য আক্ৰমণ কৰি জয় কৰিলে, দীননাৰায়ণক অধীনস্থ ৰজা হিচাবে ৰাজৰ দিব। উপেন্দ্ৰ নাৰায়ণৰ বক্সি গৌৰীপ্ৰসাদ মুস্তফীয়ে বিশেষ তৎপৰতাবে যুদ্ধৰ বাবে প্ৰস্তুতি চলালে। ভুটানৰ সেনাপতিও উত্তৰ দিশৰ পৰা আলীখানৰ বিৰুদ্ধে অগ্ৰসৰ হল। নাজীৰদেও পূৰ্বৰ পৰা আৰু গৌৰীপ্ৰসাদ বক্সি আৰু মহাৰজাই পশ্চিমফালৰ পৰা

একেলগে আক্ৰমণ কৰাত মুহম্মদ আলীখান যুদ্ধত হাৰি ৰংপুৰলৈ পলাই গ'ল। এনে বিশৃংখল অৱস্থাৰ সুযোগ লৈ ভূটান ৰজাই বেহাৰ ৰাজ্যৰ উত্তৰৰ বহু ঠাই দখল কৰি ললে। ফলত দীননাৰায়ণৰ দেশত্যাগী অৱস্থাতেই মৃত্যু হয়।

ৰাজ্যৰ শাসন ব্যৱস্থা, কৰ্ম্মচাৰী সালসলনি:— যুদ্ধত গৌৰীপ্ৰসাদ বক্সিৰ কাৰ্য্য কুশলতাৰ বাবে তেওঁক খাস নবীস পাতিলে আৰু তাৰেক ভবানীপ্ৰসাদ বক্সিক সেনাপতি পদত অধিষ্ঠিত কৰিলে। সত্যনাৰায়ণ দেওৱান দীননাৰায়ণৰ ফলীয়া হোৱা বাবে, তেওঁক দেওৱানী মনচবৰ পৰা গুচাই তাৰ সলনি মহাৰাজৰ ভাতৃ ধৰ্মনাৰায়ণক দেওৱানী মনচব দিলে এইদৰে আন আন কৰ্ম্মচাৰী কিছুমানক সালসলনি কৰি, আৰু নতুন পদবী সৃষ্টি কৰি ৰাজ্যশাসনত থানথিত লগাবলৈ সমৰ্থ হয়। মহাৰাজ উপেন্দ্ৰনাৰায়ণৰ আন আনবিশিষ্ট কৰ্ম্মচাৰী সকল হ'ল হৰদেৱ ৰায় খাস নবীশ, জয়দেৱ দৰবাৰ খাঁ, ৰঘুপতি ৰায়, চক্ৰপানী জামদাবিয়া ইত্যাদি। তেওঁৰ দিনত ৰাজপদ বিলাকৰ নাম আছিল সৰদাৰ, অসওৱাল, চিঠিৰ কায়স্থ, বড় শিকদাৰ, বড় কায়স্থ, নায়েব, উকীল বখ্সী, দেশীয়াৰ খসা, শিকদাৰ, কাৰ্য্যী, দেওয়ান, খাস-নবীশ, খাস দেওৱানীয়া, হিসাব-নবীশ ওয়াকা নবীশ, পাটোৱাৰী, কনুনীয়া, তহবিলদাৰ, দপ্তৰিয়া, ভিতৰ দপ্তৰিয়া, পূজাৰী. কীৰ্ত্তনীয়া, পাত্ৰভাণ্ডাৰ ঠাকুৰ, চৌধুৰী, মজুমদাৰ, আমিন, মুহুৰী, গোমস্তা প্ৰভৃতি। তেওঁৰ দিনত বেহাৰ ৰাজ্যৰ সকলো মাটি জৰীপ কৰা হৈছিল।

সন্তান লাভ:— মহাৰাজ উপেন্দ্ৰনাৰায়ণৰ তুজনী ৰাণী আছিল। বড় আইদেৱতী আছিল পাটমাদৈ। দ্বিতীয়া ৰাণীৰ নাম আছিল চাঁপাৰাণী। সৰু ৰাণী আছিল আক্ৰোহী। তেওঁক এৰাই, ৰুদ্ৰ ৰাণীৰ [illegible] যাৰ নোৱাৰিছিল। মহাৰাজৰ পাৰিবাৰিক জীৱন সুখৰ [illegible] আছিল। লালবাঈ নামে এক বাইজীৰ প্ৰতি মহাৰাজৰ সেহে

আসক্তি আছিল। বৰ আইদেৱতীও সেইবাবে মহাৰাজক প্ৰতি বিতৃষ্ণা দেখুৱাইছিল, এনেকি শয়ন কক্ষত সোমাবলৈ নিদিছিল। মহাৰাজাই সেয়ে বেহাৰ ৰাজধানীৰ পৰা আঁতৰত ধুলুৱাবাড়ী নামে ঠাইত এটি সৰু ৰাজপ্ৰাসাদ নিৰ্ম্মাণ কৰাই দ্বিতীয়া ৰাণীৰ সতে বসবাস কৰিছিল। শেষ বয়সত দ্বিতীয়া ৰাণীৰ গৰ্ভত ৰজাৰ এটি পুত্ৰ সন্তান জন্মে। তাৰ নাম ৰখা হয় দেবেন্দ্ৰ নাৰায়ণ।

দীক্ষা গ্ৰহণঃ— মহাৰাজ উপেন্দ্ৰনাৰায়ণে মুৰ্শীদাবাদৰ সাদিখাঁ নিবাসী শতানন্দ গোস্বামীৰ ওচৰত দীক্ষা গ্ৰহণ কৰিছিল আৰু তেওঁৰ গুৰুদেৱে ৰাজগুৰু হিচাবে প্ৰায়ে ৰাজধানীলৈ আহি আছিল। তেওঁৰ মৃত্যু হলত তেওঁৰ পুত্ৰ ৰামানন্দ গোস্বামী ৰাজগুৰু হয় আৰু ৰাজধানীতে বসবাস কৰে।

ভূমিকম্প :— উপেন্দ্ৰনাৰায়ণৰ দিনতেই ১৭৩৭ খৃঃৰ ১১ অক্টোবৰত দেশব্যাপী এটা বিৰাট ভূমিকম্প হয়। বেহাৰ ৰাজ্যৰ বাবে ই অমঙ্গল সূচক আগজাননী স্বৰূপ হৈ পৰে। দীননাৰায়ণৰ ক্ষমতাৰ লোভত ঘৰ শত্ৰু বিভীষণ ৰূপ ধাৰণ আৰু ৰাজবংশত ক্ষমতাৰ বাবে বিধ্বংসী পাৰস্পৰিক দ্বন্দ্বৰ আৰম্ভনি হয়। ইয়াৰ আগলৈকে এনে দ্বন্দ্ব ভালকৈ শিপোৱা নাছিল।

বৰ আই দেৱতীৰ সহমৰণ :— ১৭৬৩ খৃঃত ৫০ বছৰ ৰাজত্ব কৰাৰ পাছত ধুলীয়াবাড়ী প্ৰাসাদত মহাৰাজ উপেন্দ্ৰনাৰায়ণৰ স্বৰ্গী হয়। এই বাৰ্ত্তা পাই বৰ আইদেৱতী, গৌৰীপ্ৰসাদ বক্সী, গৌৰীনন্দন মুস্তাফি সেনাধ্যক্ষ ভবানীপ্ৰসাদ বক্সী, ধৰ্ম্মনাৰায়ণ দেওৱান আদি বিষয়া সকলৰ সতে মিলি ধুলীয়াবাড়ীলৈ আহে আৰু শিশু দেবেন্দ্ৰনাৰায়ণক সিংহাসনত বহুৱালে। তাৰ পিছত বৰ আইদেৱতী স্বামীৰ চিতাত আৰোহণ কৰি আত্মাহুতি দিলে।

গ্ৰন্থৰচনা ঃ— মহাৰাজ উপেন্দ্ৰনাৰায়ণৰ দিনতো পূৰ্ব্বাপৰ ৰীতি মতে ৰাজ সভাত পণ্ডিত লোকৰ উচ্চস্থান আছিল। তেওঁৰ দিনত শ্ৰীৰাম পণ্ডিতে মহাভাৰতৰ "বিৰাট পৰ্ব্ব" ৰচনা কৰে। নাৰায়ণ দ্বিজে 'নাৰদীয় পুৰাণ'ৰ পদ্যানুবাদ কৰে। সৌভাগ্য বা দুৰ্ভাগ্যৰ কথা যে এই সাহিত্যবোৰ বৰ্ত্তমান বঙালী সাহিত্যৰ অন্যতম সম্পদ ৰূপে পৰিগণিত।

মহাৰাজ দেবেন্দ্ৰনাৰায়ণ ঃ (১৭৬৩—১৭৬৫ খৃঃ)

মাত্ৰ পাঁচ বছৰ বয়সত মহাৰাজ দেবেন্দ্ৰনাৰায়ণ ১৭৬৩ খৃঃত সিংহাসনত আৰোহণ কৰি এবছৰ কালহে ৰাজত্ব কৰে। এইখিনি সময়তে ৰাজ্যৰ শাসন কাৰ্য্য ভাঙি পৰে, ভূটিয়াৰ আধিপত্য বৃদ্ধি পায়; বঙ্গদেশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায় আৰু ষড়যন্ত্ৰৰ বলি হৈ নাবালক দেবেন্দ্ৰনাৰায়ণৰ ঘাতকৰ হাতত মৃত্যু হয়। এই অপমৃত্যু অতি সকৰুণ আৰু ৰাজগুৰু ৰামানন্দ গোস্বামীৰ চক্ৰান্তত এই নিৰ্ম্মম হত্যাকাণ্ড হয়।

ভুটীয়া সকলৰ ৰাজ কাৰ্য্যত হস্তক্ষেপ ঃ—

প্ৰাণনাৰায়ণৰ দিনত ছত্ৰ নাজীৰ মহীনাৰায়ণে সিংহাসনৰ কাৰণে যি অন্তৰ্কলহৰ সূচনা কৰিছিল, তাৰ বিষময় ফল দেবেন্দ্ৰনাৰায়ণৰ দিনত ভালকৈ ফলে। মহাৰাজ মোদনাৰায়ণৰ দিনত ছত্ৰ নাজীৰৰ পুতেক জগৎ নাৰায়ণে আৰু যজ্ঞনাৰায়ণে ভুটীয়া সৈন্যৰ সহায়ত বেহাৰ ৰাজ্যত অত্যাচাৰ কৰিছিল। তাৰ পিছত কিশোৰ ৰজা মহীন্দ্ৰ নাৰায়ণৰ দিনত মুছলমান আক্ৰমণ প্ৰতিহত কৰিবলৈ যজ্ঞনাৰায়ণক মাতি আনি কাজিয়াৰ ওৰ পেলাই সৈন্যাধ্যক্ষৰ পদত অধিষ্ঠিত কৰাত মুছলমানৰ বিৰুদ্ধে ভুটীয়া ৰজাৰ সহায় পোৱা গৈছিল। আকৌ উপেন্দ্ৰনাৰায়ণৰ দিনত দীননাৰায়ণে বিদ্ৰোহী হৈ মুছলমানৰ লগত লগ লাগি কৰা আক্ৰমনক প্ৰতিহত কৰাৰ বাবে ভুটীয়া

ৰজাৰ লগত সন্ধি কৰি সহায় লোৱা হৈছিল। এই চুক্তি মতে সইয়ন্যে ভোটানৰ প্ৰতিনিধি এজন ৰাজধানীত স্থায়ী ভাৱে বাস কৰিবলৈ লৈছিল। লাহে লাহে এই প্ৰতিনিধিয়ে ৰাজ কাৰ্য্যত হস্তক্ষেপ কৰিবলৈ লৈছিল। মহাৰাজ দেবেন্দ্ৰনাৰাযণৰ দিনত তেতিয়া এনে অৱস্থা হল যে ভূটানৰ প্ৰতিনিধিৰ সম্মতি বিনে কোনো ৰাজকাৰ্য্য কৰা সম্ভৱ নহৈছিল। প্ৰতি বছৰে বক্সা দুৱাৰৰ ভূটীয়া শাসনকৰ্ত্তা আৰু প্ৰধান প্ৰধান ভুটীয়া সকল কোচ ৰাজ্যৰ চেকাখাতালৈ আহিছিল আৰু দেওয়ানে তেওঁলোকক ভোজে-ভাতেৰে আপ্যায়ন কৰিব লগীয়াত পৰিছিল। তেওঁলোকে মহাৰাজলৈ কিছু উপঢৌকন দিছিল কিন্তু তাৰ বিনিময়ত ইপক্ষৰ পৰা দ্বিগুণ মুদ্ৰা দিবলগীয়াত পৰিছিল।

ৰজাৰ হত্যা : গভীৰ ষড়যন্ত্ৰৰ পৰিণতি :— এবছৰতকৈ অলপ অধিক দিন দেওয়ান আৰু কৰ্মচাৰীবৃন্দই মহাৰাজ দেবেন্দ্ৰনাৰায়ণৰ হৈ ৰাজ্য চলায়। এদিন নাবালক ৰজাই পদ্মপুখুৰীৰ পাৰত আন লৰা কিছুমানৰ সতে খেলি আছিল। ওচৰত দেহৰক্ষী সকলো আছিল, কিন্তু ৰামানন্দ গোস্বামীৰ নিয়োজিত ৰতি শৰ্ম্মা নামে এজন ব্ৰাহ্মণ, তালৈ আহি চাদৰৰ তলত লুকাই অনা তীক্ষ্ণধাৰ থকা তৰোৱাল এখনেৰে দেহৰক্ষী সকলে ধৰিব নোৱাৰাকৈ হঠাতে নাবালক ৰজাক আঘাত কৰিলে। লগে লগে ৰজাৰ মৃত্যু ঘটিল। দেহৰক্ষীসকলে অৱশ্যে ৰতিশৰ্ম্মাক হত্যা কৰিলে; এই হত্যাৰ ষড়যন্ত্ৰৰ মূলত আছিল ৰাজগুৰু ৰামানন্দ গোসাঞি। ৰাজোপাখ্যান আৰু দুৰ্গাদাস মজুমদাৰৰ মতে ৰুদ্ৰনাৰায়ণ নাজীৰ দেওৰো ইয়াত হাত আছিল। ৰামানন্দ গোসাঞিৰ লগত ৰতিশৰ্ম্মা হত্যাকাণ্ডৰ আগছোৱাত নাজীৰ দেওৰ বাসস্থান বলৰামপুৰত আছিল। তেওঁলোকৰ এই জিঘাংসাৰ কাৰণ হল বাল্যাবস্থাৰ সুযোগ লৈ নাজীৰ দেও আৰু গোসাঞি মিলি ৰাজ্যৰ স্বাৰ্থৰ প্ৰতিকূলে নিজ স্বাৰ্থ সিদ্ধি কৰা কাম কৰিছিল। তাৰ ভিতৰত নাজীৰে

সৈন্যৰ বেতন উপলক্ষে ৰাজ্যৰ কিছু অংশৰ ৰাজস্ব আত্মসাৎ আৰু আত্মস্বাধীন কৰাৰ স্বাৰ্থপৰ চৰিত্ৰৰ বাবে ৰামানন্দ গোসাঞিক মহাৰাণীয়ে আমোল দিয়া নাছিল। ভৱিষ্যতে গোসাঞি মহাৰাজৰ কৃপাদৃষ্টিৰ পৰা সম্পূৰ্ণ আঁতৰ হোৱাৰ আশঙ্কাই এনে জঘন্য কামলৈ প্ৰবৃত্ত কৰিছিল। এই দৰে ক্ষমতাৰ লালসাৰ বলি হিচাবে শিশু ৰজা দেবেন্দ্ৰ নাৰায়ণ ১৭৬৫ খৃঃত অকালতে মৃত্যু মুখত পৰে।

ইষ্ট ইণ্ডিয়া কোম্পানী :— সেই বছৰতে ১২ আগষ্ট তাৰিখে বঙ্গদেশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হস্তগত হয়। বোদা, পাটগ্ৰাম, পাঙ্গা প্ৰভৃতি চাকলাৰ খাজনা দেতিয়াৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীক সোধোৰা হয়।

মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণ :— শিশু মহাৰাজ দেবেন্দ্ৰ নাৰায়ণৰ হত্যাৰ পিছতেই নাজীৰ দেও ৰুদ্ৰনাৰায়ণে তেওঁৰ ভতিজাক খগেন্দ্ৰনাৰায়ণ কোঁৱৰক ৰাজ সিংহাসনত বহুৱাবৰ বাবে চেষ্টা কৰিছিল; কিন্তু দেওয়ানে ৰামনাৰায়ণৰ প্ৰত্যক্ষ বিৰোধিতা আৰু গৌৰীনাথ কাৰ্জী (মহাৰাজ ৰূপনাৰায়ণৰ নাতি) মুস্তকী গৌৰীপ্ৰসাদ খাচ নবীশ আদি অমাত্য সকলৰ সমৰ্থনৰ অভাৱৰ বাবে সেইটো নহল। তাৰ পৰিবৰ্ত্তে ৰামনাৰায়ণৰ ভাতৃ খৰ্গনাৰায়ণৰ তৃতীয় পুত্ৰ ধৈৰ্য্যেন্দ্ৰনাৰায়ণক উত্তৰাধিকাৰী নিৰ্ব্বাচিত কৰিলে। তেওঁ মহাৰাজ ৰূপনাৰায়ণৰ বংশধৰ আৰু মহাৰাজ উপেন্দ্ৰনাৰায়ণৰ ভতিজাক। ১৭৬৫ খৃঃত ধৈৰ্য্যেন্দ্ৰনাৰায়ণ ৰাজপাটত বহে। নাজীৰ দেও ৰুদ্ৰনাৰায়ণে ছত্ৰ ধাৰণ কৰিলে আৰু তেওঁৰ নামত মোহৰ মৰা হল। গৌৰীপ্ৰসাদ মুস্তাকীয়েই খাস নবীশ নিযুক্ত হল। কিছুদিন পিছত গৌৰীপ্ৰসাদ মুস্তাকী আৰু তেওঁৰ ভাতৃ ভবানীপ্ৰসাদ খাস নবীশৰো মৃত্যু হল।

তেওঁলোকৰ পুত্ৰ ৰামেশ্বৰ বৰুৱা আৰু বিষ্ণুপ্ৰসাদ বৰুৱা কম বয়সীয়া থকাত গৌৰীনন্দন মুস্তাফীয়েই খাস নবীশ হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰিবলৈ ধৰে। তেওঁৰ ভাতৃ শচীনন্দন মুস্তফী মহাপাত্ৰ হিচাবে মহাৰাজৰ প্ৰিয়পাত্ৰ আৰু মন্ত্ৰণাদাতা হল; তেওঁৰ আৰু আন কেইজনমানৰ উচটনিত পৰি পিছত মহাৰাজে দেওয়ানক হত্যা কৰিছিল।

ৰামানন্দ গোস্বামীৰ প্ৰাণদণ্ড আৰু ভুটীয়াৰ প্ৰভাৱ: ভুটানৰ ৰজাই মহাৰাজ দেবেন্দ্ৰনাৰায়ণৰ হত্যাৰ সংবাদ পাই মৰ্মাহত হৈছিল। ৰামানন্দ গোস্বামীয়েই এই চক্ৰান্তৰ মূল বুলি জানিব পাৰি সৈন্যৰ দ্বাৰা তেওঁক বন্দী কৰি পুৰ্ণখাভালৈ লৈ গল আৰু বিচাৰ কৰিলে। বিচাৰত গোসাঁইক দোষী সাব্যস্ত কৰি প্ৰাণদণ্ড দিয়ালে। তাৰ পিছত পেনস্তুতমা নামে প্ৰতিনিধি এজনক সৈন্যসহ ৰাজধানীত ৰাখি থলে। ক্ৰমে পেনস্তুটোমাৰ ক্ষমতা আৰু অধিক হল; তেওঁৰ অনুমতি বিনে ৰাজকাৰ্য্যৰ কোনো কাম নোহোৱাত পৰিল। ক্ৰমাৎ ভুটীয়াসকলে জলেশৰ, মাণ্ডাস, জালাস, লক্ষ্মীপুৰ, মতৰাবাড়ী মৰাঘাট তলকা প্ৰভৃতি ঠাইত অধিকাৰ সাব্যস্ত কৰি লোৱাৰ ফলত ৰাজ্যৰ উত্তৰ অংশ ভুটীয়াৰ দখললৈ গল।

বিবাহ আৰু পুত্ৰ লাভ:— মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণে কামতেশ্বৰী দেৱী আৰু আন পাঁচজনী কন্যা বিবাহ কৰিলে। কিছুদিন পাছত তেওঁৰ ধৰেন্দ্ৰনাৰায়ণ নামে পুত্ৰ এটি জন্ম গ্ৰহণ কৰিলে। সেই সময়তেই কমলনাৰায়ণ নাজিৰ দেওৰ মৃত্যু হল। তেতিয়া তেওঁয়েই ভতিজা খগেন্দ্ৰ নাৰায়ণকে ছত্ৰ নাজিৰ পাতিলে। ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ প্ৰতাপ বাঢ়ি গল আৰু অত্যাচাৰী হৈ উঠিছিল।

দেওয়ান দেওৰ হত্যা:— মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণে জেঠভাতৃ দেওয়ানদেও ৰাম নাৰায়ণক স্বাভাবিকতে বেছি বিশ্বাস কৰিছিল।

ইয়াতে তেওঁ শচীনন্দন মুস্তাফী, ৰাম ঠাকুৰ, কালীপূজাৰী আদি কৰ্ম্মচাৰীসকলে ঈৰ্ষাম্বিত হৈ উঠে আৰু ৰাম নাৰায়ণ দেওযান দেওৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। নানা প্ৰকাৰে তেওঁলোকে দেওয়ানৰ বিৰুদ্ধে উচটাবলৈ ধৰিলে; মহাৰাজৰ সৰু ভনীয়েকৰ বিয়া মহাৰাজৰ ইচ্ছাৰ বিৰুদ্ধে দেওয়ান দেওৰ ইচ্ছামতে গেলেঙ্গ কাৰ্জীৰ লগত সম্পন্ন হয়। ইয়াকে চেলুলৈ তেওঁলোকে মহাৰাজৰ মন বিষাক্ত কৰি তোলে। শেষত অৱস্থা এনে হয়গৈ যে তেওঁলোকে ষড়যন্ত্ৰ কৰি এদিন দেওয়ান দেওক ৰাজ প্ৰাসাদলৈ অকলে মাতি পঠিয়ায় আৰু অৰক্ষিত অৱস্থাত তেওঁক নৃশংস ভাৱে হত্যা কৰিলে।

ভুটীয়া ৰজাৰ হাতত বন্দী :— ভোটানৰ ৰজাই এই নৃশংস হত্যাৰ সংবাদ পাই গোপনে এই ষড়যন্ত্ৰৰ গুৰি উলিয়ালে আৰু সিদ্ধান্ত কৰিলে যে মহাৰাজৰ মুৰৰ বিকৃতি হৈছে। গতিকে তেওঁক অপসাৰণৰ বাবে উপায় পাঙিবলৈ ধৰিলে। ইয়াৰ আগতে বেহাৰ ৰাজ্যৰ ফালৰ পৰা উচ্চ পদস্থ কৰ্ম্মচাৰীৰ দ্বাৰা যি বছৰেকীয়া ভোজমেল দিয়াৰ নিয়ম প্ৰচলিত হৈছিল, ভোটান ৰজাৰ পক্ষৰ পৰা এইবাৰৰ ভোজমেলত স্বয়ং মহাৰাজৰ উপস্থিতিৰ কামনা কৰা হল। মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণে প্ৰথমতে শাৰীৰিক অসুস্থতাৰ দোহাই দি অক্ষমতা প্ৰকাশ কৰিছিল ; কিন্তু মহাৰাজৰ উপস্থিতি অবিহনে তেওঁলোকে ভোজ মেল বৰ্জন কৰিব, অৰ্থাৎ ভয়াবহ পৰিণতি হব বুলি প্ৰচ্ছন্ন ভাবুকিৰ ফলত অৱশেষত মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণ ভোজ সভালৈ যাবলৈ বাধ্য হ'ল। ভোজসভালৈ উপস্থিত হোৱাৰ লগে লগে তেওঁক বন্দী কৰি পুনাখালৈ লৈ যোৱা হ'ল ; মহাৰাজৰ পাৰখীয়া সৈন্য পৰাজিত হৈ পলায়ন কৰিবলৈ বাধ্য হল। ৰামনাৰায়ণ দেওয়ান দেওৰ হত্যাৰ ষড়যন্ত্ৰকাৰী সকলোকো বন্দী কৰিলে। ৰজাৰ ভাতৃ দেওয়ান সুৰেন্দ্ৰ নাৰায়ণকো বন্দী কৰি ৰাখিলে।

বঙ্গদেশত দুৰ্ভিক্ষ :— মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ দিনতে ১৭৬৯ খৃষ্টাব্দত (১১৭৬ বঙ্গাব্দ) বঙ্গদেশত প্ৰচণ্ড দুৰ্ভিক্ষাই দেখা দিছে, যিটোক 'ছিয়াত্তৰৰ মন্বন্তৰ' বুলি খ্যাত হৈছে। দেখা যায় যে দেওয়ানজেও এই সময়তেই নিহত হয়।

মহাৰাজ ৰাজেন্দ্ৰ নাৰায়ণ : (১৭৭০—১৭৭২ খৃষ্টাব্দ)
মহাৰাজ ধৈৰ্য্যেন্দ্ৰ নাৰায়ণক পুণ্যাখাত নজৰ বন্দী কৰি থোৱাৰ পাছত ভূটীয়াসকলে তেওঁৰ জ্যেষ্ঠভ্ৰাতৃ ৰাজেন্দ্ৰনাৰায়ণক সিংহাসনত বহুৱাই হৰেন্দ্ৰৰ কাৰ্জীক দেওয়ান আৰু যোগ্যনন্দনক কোষাধ্যক্ষ (ভাণ্ডাৰ ঠাকুৰ) নিযুক্ত কৰিলে।

ভূটীয়াসকলৰ সৰ্ব্বময় কৰ্ত্তৃত্ব :— ৰাজেন্দ্ৰনাৰায়ণ ৰজা হল সঁচা কিন্তু প্ৰকৃত শাসন ক্ষমতা থাকিল ভূটান ৰজাৰ প্ৰতিনিধি পেনসুংমাৰ হাতত; তেওঁয়েই প্ৰকৃতপক্ষে শাসনকাৰ্য্য চলাইছিল। ভূটীয়া সকলৰ প্ৰভাৱ ইমান বেছি হৈছিল যে মহাৰাজৰ পৰিয়ালৰ ভৰণ পোষণৰ যাৱতীয় খৰচ, ব্যক্তিগত ভূমিৰ খেতিবাৰীৰ (খামাৰ খাতা) আয়ৰ ওপৰতেই নিৰ্ভৰ কৰিবলগীয়া হৈছিল। ভূটীয়া ৰজাৰ প্ৰতিনিধিয়ে মহাৰাজৰ ভৰণ পোষণৰ সামান্য মাত্ৰ অৰ্থৰ যোগান দিছিল।

বিবাহ আৰু মৃত্যু:— এনেদৰে দুই বছৰ কাল নাম মাত্ৰ ৰাজত্ব কৰাৰ পিছত তেওঁৰ বিবাহ সম্পন্ন হয়। কিন্তু বিয়াৰ পঞ্চম দিনাই তেওঁৰ তিব্ৰৰূপে জ্বৰ উঠিল আৰু দুদিন পাছত ইয়াৰ ফলত ১৭৭২ খৃঃত তেওঁৰ মৃত্যু হয়। মহাৰাজ ৰাজেন্দ্ৰনাৰায়ণৰ মাৰতো মুদ্ৰা প্ৰচলন হৈছিল। এইবোৰ মোহৰত ফুল এটি খোদিত আছিল বুলি প্ৰকাশ।

মহাৰাজ ধৰেন্দ্ৰনাৰায়ণ :— ৰাজেন্দ্ৰনাৰায়ণৰ অপুত্ৰক অৱস্থাত মৃত্যু হোৱাত তেওঁৰ সৰু ভাই বৈকুণ্ঠনাৰায়ণে ৰজা হ'বলৈ মন মেলি পেনসুৎমাৰৰ লগত ষড়যন্ত্ৰ আৰম্ভ কৰিলে। ফলত পেনসুৎতোমাই ৰাজসিংহাসন, দণ্ড আৰু ৰাজছত্ৰ মদনমোহন ঠাকুৰৰ মন্দিৰলৈ স্থানান্তৰিত কৰি ভুটীয়া প্ৰহৰীৰ দ্বাৰা আৰক্ষিত কৰি ৰাখিলে।

ভুটীয়া সৈন্য বিতাৰণ :— ইফালে নাজীৰ, কাশিনাথ লাহিড়ী গোসাঁঞি আৰু মহাৰাণীয়ে পৰামৰ্শ কৰি মহাৰাজ ধৈৰ্য্যেন্দ্ৰ নাৰায়ণৰ পুত্ৰ ধৰেন্দ্ৰনাৰায়ণক সিংহাসনত বহুৱাবলৈ চেষ্টা কৰিব ধৰিলে। বলৰামপুৰত থকা নাজীৰদেও খগেন্দ্ৰনাৰায়ণৰ লগত আলোচনা কৰি একমতত উপনিত হয়। তেতিয়া যুক্তি কৰি নিদিষ্ট দিনত কাশিনাথ লাহিড়ীয়ে মদনমোহন মন্দিৰৰ বাট মন্দিৰতে সিংহাসন সজ্জিত কৰিলে। যথাসময়ত নাজীৰ দেও সসৈন্যে তাত উপস্থিত হ'ল আৰু ভুটীয়া সৈন্য সকলোক তাৰ পৰা আঁতৰ কৰি পঠিয়ালে। পাছত ১৭৭২ খৃঃত ধৰেন্দ্ৰনাৰায়ণক সিংহাসনত বহুৱা হল। নাজীৰদেও মহাৰাজ ধৰেন্দ্ৰনাৰায়ণৰ শিৰত ছত্ৰ ধাৰণ কৰিলে। তেওঁৰ নামত মোহৰ আৰু মুদ্ৰা প্ৰচলিত কৰা হল ;কালীপ্ৰসাদ লাহিড়ী খাসনবীশ নিযুক্ত হল।

ভুটীয়াৰ লগত যুদ্ধ :— ভুটান প্ৰতিনিধি পেনংসুতমা পলাই গৈ এই সংবাদ দিলে ; ভুটান ৰাজ ক্ৰোধান্বিত হৈ কোচ বেহাৰ ৰাজ্য আক্ৰমণ কৰিবলৈ ৪০০০ সৈন্য পঠিয়াই দিলে। নাজীৰ দেওৰ হাতত এই সৈন্য হাৰি পলাই গল। তেতিয়া ভুটান ৰজাই ৰাজ্যৰ সকলো সৈন্য একত্ৰিত কৰি ১৮০০০ সৈন্য সহ তেওঁৰ ভতিজাক জিম্পাৰ নেতৃত্বত বেহাৰ ৰাজ্য আক্ৰমণ কৰিবলৈ পঠিয়াই দিলে। এই সৈন্য সকল বক্সা দুৱাৰ লক্ষীদুৱাৰ, হলদীবাড়ী দুৱাৰ আৰু আন আন গিৰিপথেৰে সমতললৈ নামি

আছিল। তেতিয়া খগেন্দ্ৰনাৰায়ণ আছিল ইয়াৰ নেতা। ৰজাখিনি নামে ঠাইত খগেন্দ্ৰনাৰায়ণৰ নেতৃত্বত বেহাৰ ৰাজ্যৰ সৈন্য সকলোৰ সৈতে ভীষণ যুদ্ধ হল। বহুত সৈন্য নিহত আৰু আহত হল। আৰু এজন সেনাপতি ভগৱন্তনাৰায়ণ কোঁৱৰে অসীম বীৰত্বৰ পৰিচয় দিলেও শেষত বেহাৰ ৰাজ্যৰ সৈন্য সকল পৰাজিত হয়। এই পৰিস্থিতিত গোসাঞি আৰু ৰাজনবীশে মহাৰাজ ধৰেন্দ্ৰনাৰায়ণ আৰু ৰাজ মাতাক ৰংপুৰৰ পাজালৈ নিয়াৰ ফলত জিম্পাই বেহাৰৰ ৰাজধানী অধিকাৰ কৰি ৰাখিলে।

ভুটিয়াৰ দ্বাৰা বিজেন্দ্ৰনাৰায়ণক সিংহাসন প্ৰদান :—

পূৰ্ব্বৰ পৰিকল্পিত মতে জিম্পাই নিহত ৰামনাৰায়ণৰ পুত্ৰ বিজেন্দ্ৰনাৰায়ণক বেহাৰ ৰাজ্যৰ ৰজা বুলি ঘোষণা কৰিলে। পিছত তেওঁক চেকাখাতালৈ লৈ যোৱা হল। পাৰ্ব্বতীয়া বাতাবৰণ তেওঁৰ পক্ষে অসহনীয় আছিল বাবেই কিছু দিন পিছত তাতেই তেওঁৰ মৃত্যু হল।

ভুটিয়াৰ দখল সুদৃঢ় কৰণ :— বেহাৰ ৰাজ্যৰ ৰাজধানী দখল কৰাৰ পাছত ভুটিয়া সকলে তেওঁলোকৰ স্থিতি দৃঢ় কৰিবৰ অৰ্থে পিতালদহ, বালাডাঙা, মাওৱামাৰী (শাখাতিৰ হাট) মৰাঘাট, লক্ষীপুৰ আদি ঠাইত দুৰ্গ নিৰ্ম্মাণ কৰি সৈন্য সামন্ত ৰাখিলে। সেনাপতি জিম্প নিজে বেহাৰ প্ৰাসাদৰ চাৰিও কালে কাঠ আৰু বাহৰ গড় সাজিলে। গড়তে আগডোখৰত বিষাক্ত বিজলা বাহঁৰ জেং পুতিলে। এই জেংবোৰত মানুহে বা জন্তুৱে আঘাত লাগি সামান্য ক্ষত হলেই সিহঁতৰ মৃত্যু অৱধাৰিত আছিল। শক্তিশালী ভুটিয়া সৈন্যৰ দ্বাৰা পৰিবেষ্টিত হৈ জিম্পাই এই দুৰ্গত বাস কৰিবলৈ ললে।

ভুটিয়া সৈন্যৰ দ্বাৰা অত্যাচাৰ :— ভুটিয়া সৈন্যবোৰ সাধাৰণতে বৰ্ব্বৰ আছিল। সেয়ে সামান্য কাৰণতে অত্যাচাৰ আৰম্ভ কৰিছিল। প্ৰজা সাধাৰণৰ দুখ কুলাই পাচিয়ে নধৰা হৈছিল। জিম্পাৰ সৈন্য দলত উত্তৰ ভুটানৰ কিছু সৈন্য আছিল তেওঁলোক আৰু বেচি বৰ্ব্বৰ আছিল। মদ আৰু যিকোনো মাংস এনেকি নৰমাংস সিহঁতৰ প্ৰধান খাদ্য আছিল। অন্য মাংসৰ লগতে বন্দী সৈন্য সকলোৰ মাংস খাইছিল। বন্দী নিঃশেষ হলত প্ৰজাসাধাৰণক ধৰি আনি সিহঁতৰ খাদ্য যোগোৱা হৈছিল। এইদৰে জিম্পাই ত্ৰাসৰ সৃষ্টি কৰি বেহাৰ ৰাজ্য দখল কৰি আছিল। কেৱল মাত্ৰ ৰহিমগঞ্জ পৰগনাত ৰূপন সিংহ জামাদাৰে বেহাৰৰ স্বাধীনতা অখুন্ন ৰাখিছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত সন্ধি :— নাজীৰ দেও খগেন্দ্ৰ নাৰায়ণ আৰু উচ্চ পদস্থ কৰ্ম্মচাৰী সকলে এনে অৱস্থাত উদ্ধাৰ কৰণৰ উপায় চিন্তিবলৈ ধৰিলে। তেওঁলোকে চালিজাৰি চাই এই সিদ্ধান্তত উপনিত হল যে ইংৰাজৰ সাহাৰ্য্য অবিহনে ভূটিয়া সকলোক ৰাজ্যৰ পৰা খেদি পঠিওৱা সম্ভৱ নহব। সেয়ে মহাৰাজ ধৰেন্দ্ৰনাৰায়ণৰ পুত্ৰ আৰু প্ৰস্তাৱলৈ কাশিনাথ লাহিড়ীয়ে দিনাজপুৰত থকা ইংৰাজ কোম্পানীৰ এজেণ্ট মিষ্টাৰ হেৰিচ (Mr. Heris) ৰ লগত সাক্ষাত কৰিলে। তেওঁ এজেণ্টৰ ওচৰত প্ৰস্তাৱ ৰাখিলে যে যদি কোম্পানীয়ে ভুটীয়া সকলক বেহাৰ ৰাজ্যৰ পৰা খেদি দিয়ে তাৰ বিনিময়ত মহাৰাজ এক লক্ষ টকা দিব; কিন্তু এই প্ৰস্তাৱ তদানীন্তন গবৰ্ণৰ জেনেৰেল হেষ্টিংসৰ মনঃপুত নহল। ওলোটা তেওঁলোকে প্ৰস্তাৱ দিলে যে যদি মহাৰজাই কোম্পানীক বাৎসৰিক কৰ দিবলৈ সন্মত হয় আৰু কিছুমান চৰ্ত্ত মানি লয় তেন্তিয়া তাৰ বিনিময়ত কোম্পানীয়ে বেহাৰ ৰাজ্যৰ পৰা ভূটিয়া সকলক খেদি পঠিয়াব।

এই চৰ্ত্তবোৰৰ অৰ্থ হল কাৰ্য্যত বেহাৰ ৰাজ্য কোম্পানীৰ সম্পূৰ্ণ অধিনতা স্বীকাৰ কৰা। উপায় বিহীন হৈ নাজীৰদেও, খগেন্দ্ৰনাৰায়ণ

সর্ব্বানন্দ গোসাঞি, মহাৰাণী, কালীপ্ৰসাদ লাহিড়ী সকলোৱে মিলি চৰ্ত্ত মানি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। ৰাজীৱ দেও আৰু গোসাঞি নিত্যানন্দপুৰলৈ গৈ বেহাৰ ৰাজ্যৰ পক্ষ হৈ চুক্তি পত্ৰত চহী কৰিলে। এই চুক্তি মতে বেহাৰ ৰাজ্য কোম্পানীৰ কৰদমিত্ৰ ৰাজ্যত পৰিণত হল—

চৰ্ত্ত সমূহৰ সাৰাংশ :— চুক্তি পত্ৰখনত মুঠতে ৯ টা দফা সন্নিবিষ্ট আছিল।

১। ৰজাই কোম্পানীয়ে পঠোৱা সৈন্যৰ খৰচৰ বাবদ ৫০০০০ টকা দিব লাগিব।

২। ইয়াতকৈ বেচি খৰচ হলে, সেই বিলিকো দিব লাগিব। যদি যথাৰ্থ খৰচ কম হয় তেন্তিয়া অৱশ্যে কোম্পানীয়ে ওভোতাই দিব।

৩। শত্ৰুক খেদি পঠিওৱাৰ পিছত বেহাৰ ৰাজ্য কোম্পানীৰ শাসিত বঙ্গদেশ খণ্ডৰ লগত সামিল হব।

৪। ৰাজ্যৰ সমূহ ৰাজহৰ আধা কোম্পানীয়ে পাব।

৫। ৰজা আৰু তেওঁৰ উত্তৰাধিকাৰী সকলে কোম্পানীৰ অনুগত থাকিব লাগিব।

৬। ৰাজ্যৰ ৰাজহ তথা আয়ৰ খতিয়ান (হস্তাবুদ) দাখিল কৰিব লাগিব।

৭। কোম্পানীৰ প্ৰতিনিধিয়ে ৰাজহৰ পৰিমান থিৰ কৰিব আৰু বলবৎ কৰিব লাগিব।

৮। আৱশ্যক মতে ৰাজ্য ৰক্ষাৰ্থে কোম্পানীয়ে সৈন্য যোগান দিব কিন্তু তাৰ খৰচ আদি কোম্পানীয়ে বহন কৰিব।

৯। কোম্পানীৰ তৰফৰ পৰাহে প্ৰয়োজন বোধে সাল-সলনি নোহোৱাকৈ এই চুক্তি চিৰকাললৈ বলবৎ থাকিব।

১৭৭৩ খৃঃৰ ৫ এপ্ৰিল তাৰিখত এই চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰে বেহাৰ ৰাজ্যই চিৰকাললৈ স্বাধীনতা হেৰুৱায়। প্ৰকৃতপক্ষে চুক্তি সম্বন্ধে

আলোচনা ১৭৭২ খৃঃত ৪ ডিচেম্বৰত হয়। চুক্তি সম্বন্ধে গুনাগথা কৰি থাকোঁতেই সেনাপতি পাৰ্লিংৰ নেতৃত্বত ১৭৭২ চনৰ শেষ ভাগত এক ৰেজিমেণ্ট সৈন্যলৈ কলিকাতাৰ পৰা বাওনা হয় আৰু ইতিমধ্যে লেফটেনাণ্ট ডিকসন আৰু কেপ্টেইন ভাবহামে ভুটিয়া সকলোৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰি দিয়ে। ফলত বেহাৰ ৰাজ্যৰ প্ৰতিনিধি সকলে পিছত এক প্ৰকাৰ বাধ্য বাধকতাত পৰি ৰাজ্যৰ অপমান সূচক যিকোনো প্ৰস্তাৱতে মান্তি হবলৈ বাধ্য হয়।

কোম্পানীৰ সতে ভুটিয়াৰ যুদ্ধ ।— সেনাধ্যক্ষ পাৰ্লিং এটা ৰেজিমেণ্ট সৈন্য লগতে চাৰিটা কামান লৈ কলিকাতাৰ পৰা আহি মোগলহাটত উপস্থিত হয়। নাজীৰ দেও খাসনবীস আৰু গোসাঞিে তেওঁলোকক আদৰিলে। নাজীৰদেও অধিনস্থ অৱশিষ্ট সৈন্যসকলোক সজ্জিত কৰি ভগৱন্ত নাৰায়ণ কোঁৱৰ যুদ্ধাৰ্থে সাজু হল। পাৰ্লিঙে গিতালদাই দুৰ্গত থকা ভুটিয়া সকলোক দহ ঘণ্টাৰ ভিতৰত দুৰ্গ পৰিত্যাগ কৰিবলৈ নিৰ্দেশ দি পঠিয়ালে। পিছ দিনাখন তেওঁৰ সৈন্য বাহিনী ধৰলা নদী পাৰ হল। ইতিমধ্যে ভগৱন্ত নাৰায়ণে কোম্পানীৰ সৈন্য লৈ অপেক্ষা নকৰি গীতালদহ দুৰ্গ আক্ৰমণ কৰিলে আৰু ভুটিয়া সকলক দুৰ্গৰ পৰা খেদি পঠিয়ালে। খেদা খাই সিহঁত বালাভাতা দুৰ্গত আশ্ৰয় ললে। মিঃ পাৰ্লিঙে তেতিয়া স্থানীয় সৈন্যৰ উৎসাহ উদ্দীপনাক অৱদমন কৰি নাজীৰ দেওলৈ তেওঁৰ অনুমতি বিনে যুদ্ধ নকৰিবলৈ নিৰ্দেশ পঠিয়ালে আৰু নাজীৰ দেওৰ সৈন্য সকলক দিনহাটাতে ৰাখি থৈ নিজে চাৰিটা কামানসহ সৈন্য সকলকলৈ বালাভাতা দুৰ্গৰ ফালে অগ্ৰসৰ হল। দুৰ্গৰ ওচৰ পোৱাৰ লগে লগে ভুটিয়াসকলে তেওঁলোকক আক্ৰমণ কৰিলে। পাৰ্লিঙে তেওঁৰ সৈন্যসকলক কামানৰ পিছফালে আহিবলৈ নিৰ্দেশ দিলে। তেতিয়া কামানৰ পৰা গোলা ভুটিয়া সকলৰ পিনে নিক্ষেপ কৰিবলৈ ধৰিলে। ভুটিয়াসকল ধৰাশায়ী হবলৈ

আৰম্ভ কৰিলে; আৰু তীতহঁ মিহঁতে পলাবলৈ আৰম্ভ কৰিলে। পলায়মান ভূটিয়াসকলৰ বেছিভাগ মোৱামাৰী দুৰ্গত আশ্ৰয় ল'লে। তেতিয়া ভগৱত নাৰায়ণক মোৱামাৰী দুৰ্গৰ একাষে আৰু আন পিনৰ পৰা কোম্পানীৰ সৈন্যক আক্ৰমণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হল। মোৱামাৰী দুৰ্গও অধিকাৰ হল। ভূটিয়া সৈন্যই তেতিয়া ৰাজধানী বেহাৰ দুৰ্গত খোপনি পুতিলে। পাৰ্জিণ্টৰ সৈন্য ৰাজধানীত উপস্থিত হলত দেৱী বাড়ীপুখুৰীৰ পাৰত চাউনী পাতিলে। দুই কোম্পানীৰ সৈন্য ৰাজপ্ৰাসাদৰ দক্ষিণে আৰু আন দুটা কোম্পানী খাগড়াবাড়ীৰ উত্তৰে চাউনী পাতিলে। সেই ৰাতিয়ে বহু ভূটিয়া সৈন্য প্ৰাসাদৰ পৰা পলাল। পিছদিনাখন কলগছ ওপৰত পেলাই দি বিষাক্ত বাঁহৰ খুটিবোৰ উঘালি পেলোৱা হল। তাৰ পিছদিনা দুইপক্ষৰ মাজত ভীষণ যুদ্ধ আৰম্ভ হল। এই যুদ্ধত জিম্প নিহত হল, কিছুমান ভূটিয়া সৈন্য বন্দী হল। ৰাজপ্ৰাসাদৰ ওচৰত কোম্পানীৰ পতাকা উত্তোলন কৰিলে।

মহাৰাজ ধৰেন্দ্ৰনাৰায়ণ আৰু ৰাজমাতাৰ প্ৰাসাদত প্ৰৱেশ :— বেহাৰ ৰাজপ্ৰাসাদ কোম্পানীৰ দখললৈ অহাৰ পিছত পৰিষ্কাৰ কৰা হল। তৃতীয় দিনা পৰিয়াল বৰ্গৰে সৈতে মহাৰাজে প্ৰাসাদত প্ৰৱেশ কৰিলে।

কোম্পানীৰ দ্বাৰা ভূটিয়া দুৰ্গ চেকাখাত দখল :—

মিঃ পাৰ্লিং পাহদিন ৰাজধানীত অৱস্থান কৰাৰ পাছত ৰাজধানীত দুই কোম্পানী সৈন্যবাহি থৈ নাজিৰ দেও গোসাঞি আৰু ৰাম নবীশকলৈ উত্তৰ কালে সসৈন্যে আগুৱাই গল। ভূটিয়াসকলে দখল কৰি থকা আন আন দুৰ্গ পৰিত্যাগ কৰি পৰ্বতলৈ পলাই গল আৰু বিশেষ কোনো যুদ্ধ নকৰিলে।

কোম্পানীৰ সৈন্য বাহিনীয়ে এনেকি ভূটিয়া সকলৰ প্ৰধান দুৰ্গ চেকাখাতাও বিনা যুদ্ধে দখল কৰিলে। ১৭৭২ খৃঃৰ শেষ ভাগত ভুটিয়াৰ অধিকাৰৰ পৰা বেহাৰ ৰাজ্য এনেদৰেই কোম্পানীৰ ৰক্ষণাধীন হৈ পৰে।

মহাৰাজ ধৈৰ্যেন্দ্ৰনাৰায়ণৰ মুক্তি :— পাৰ্লিঙে চেকাখাত দখল কৰাৰ পিছত তেওঁৰ জয়ৰ কথা কাউন্সিলৰ গৱৰ্ণৰলৈ জনাই দিলে। লগতে ভুটানৰ অভ্যন্তৰলৈ অভিযান পঠিওৱাৰ বাবে পৰামৰ্শ বা নিৰ্দ্দেশ বিচাৰিলে। ইয়াৰ উত্তৰত কোম্পানীয়ে জনালে যে এনেয়ে ভুটানৰ ভিতৰলৈ প্ৰবেশ কৰা কোম্পানীৰ ইচ্ছা নাই। ভুটানৰ ৰজা যদি মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ সুৰেন্দ্ৰনাৰায়ণক দেওয়ানদেও আৰু অন্যান্য সকলক মুক্তি দিয়ে তেতিয়া ভুটান ৰাজ্য নিজৰ শাসনত ৰাখিব পাৰিব। ভুটানৰ ৰজাক এই মৰ্ম্মে জনোৱা হলত তেওঁ ততালিকে এই প্ৰস্তাৱত সন্মত হল। তেতিয়া উভয় পক্ষৰ মাজত সন্ধি হল। ভুটানৰ ৰজাই মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ সৈতে সাক্ষাৎ কৰি বহুতো উপঢৌকন দি বিদায় দিলে। তেওঁ নিজে আহি বক্সা দুৱাৰৰ চেকাখাতালৈ আগুৱাই দিলে।

মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ মুক্তিৰ সংবাদ পাই নাজীৰদেও প্ৰভৃতি উচ্চপদস্থ কৰ্ম্মচাৰী সকল আগুৱাই আহি তেওঁৰ লগত সাক্ষাৎ কৰিলে আৰু বিধি অনুসাৰে নজৰানা প্ৰদান কৰিলে। এনে মুক্তিৰ আনন্দৰ দিনতে কিন্তু মহাৰাজে কোনো আনন্দ লাভ কৰিব নোৱাৰিলে; যেতিয়া তেওঁ জানিব পাৰিলে যে তেওঁৰ মুক্তিৰ বিনিময়ত স্বাধীন বেহাৰ ৰাজ্য কোম্পানীৰ কৰদমিত্ৰ ৰাজ্যত পৰিণত হব লগাত পৰিল তেওঁৰ মন বিষাদেৰে ভৰি পৰিল। স্বাধীন চেতা মনে আনক কৰ দি নামত ৰাজ্য শাসন কৰা কথাটো আন্তৰিকতাৰে গ্ৰহণ কৰিব নোৱাৰিলে। কৰ্ম্মচাৰী আৰু শুভাকাংখী সকলে কৰা কুশল বাৰ্ত্তাসূচক প্ৰশ্নবোৰৰ প্ৰতি মৌনভাবে অৱলম্বন কৰি বল।

চেকাখাতৰ পৰা সৈন্য পৰিবেষ্টিত হৈ তেওঁক ৰাজধানীলৈ অনা হল আৰু সিংহাসনত বহিবলৈ অনুৰোধ জনোৱা হলত তেওঁ সন্মত নহল। তাৰ পৰিবৰ্ত্তে ধীৰেন্দ্ৰ নাৰায়ণক ৰাজপাটত বহুৱাবলৈ অনুমতি দিলে আৰু নিজকে ভগৱতীৰ সেৱাত ব্যস্ত ৰখাৰ ইচ্ছা প্ৰকাশ কৰিলে। তেওঁৰ ইচ্ছা অনুসৰি ধীৰেন্দ্ৰনাৰায়ণেই কোচবেহাৰ ৰাজ্যৰ ৰজা হৈ থাকিল। এক কোম্পানী সৈন্য ৰাখি পাৰ্লিং ৰংপুৰলৈ গুচি গল। পিছৰ বছৰ (১৭৭৪খ্ৰীঃত) তেওঁ আকৌ বেহাৰলৈ আহি ৰাজ্যৰ কৰ বাবদ এক লক্ষ টকা ধাৰ্য্য কৰে আৰু কৰলৈ ৰংপুৰলৈ উভতি যায়। মহাৰাণীৰ নিৰ্দেশ ক্ৰমেই ৰাজ্য শাসন হবলৈ ধৰিলে।

ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ দ্বিতীয়বাৰ সিংহাসন আৰোহণ :—

১৭৭৫ খৃঃত মহাৰাজ ধৰেন্দ্ৰনাৰায়ণৰ মৃত্যু হয়। তেওঁৰ কোনো পুত্ৰ সন্তান নাছিল। সেইহেতু ৰাজ কৰ্ম্মচাৰী বোৰৰ অনুৰোধত মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণ অনিচ্ছা স্বত্বেও দ্বিতীয়বাৰ সিংহাসনত বহিল আৰু ইয়াৰ ফল স্বৰূপে ৰজা হল যদিও ৰাজকাৰ্য্যত সম্পূৰ্ণ উদাসীন হৈ থাকিল। তেওঁ আগৰ দৰেই ধৰ্ম্ম কৰ্ম্মত ব্যস্ত হৈ থাকিল। এনেকি নিজৰ সুখ ভোগৰ বাবে একোকে গ্ৰহণ নকৰিছিল। এইদৰে কিছুদিন থকাৰ পিছত মহাৰাজ তীৰ্থ ভ্ৰমণ কৰিবলৈ ওলাল। পদব্ৰজে আৰম্ভ কৰা এই তীৰ্থযাত্ৰাত তেওঁ সঙ্গী হিচাবে কিছুমান ব্ৰাহ্মণক সংগত ললে কিন্তু কোনো সৈন্য নিবলৈ অমান্তি হল। খাস নবীশে ছদ্মবেশত কিছু সৈন্য মহাৰাজৰ দেহৰক্ষী হিচাবে পঠিয়াই দিলে। তীৰ্থযাত্ৰাৰ পথত দিনাজপুৰৰ ৰজা বৈদ্যনাথ তেওঁৰ সৈতে সাক্ষাৎ কৰি বহু উপঢৌকন দিলে। তেওঁ সকলোবোৰ উপহাৰ গৰীব সকলৰ মাজত বিতৰণ কৰি দিলে। তাৰ পিছত তেওঁ গয়ালৈ গল। তাত তেওঁ শ্ৰাদ্ধাদি কৰিলে আৰু বহুতো ব্ৰাহ্মণক ব্ৰহ্মোত্তৰ দান কৰিলে। ইয়াৰ

পিছত তেওঁ কাশীলৈ গল। তাতো তেওঁ বহু দান দক্ষিণা কৰিলে। এইদৰে তীৰ্থ ভ্ৰমণ কৰাৰ ফলত মহাৰাজে মনত বহু শান্তি পালে আৰু নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্ত্তন কৰিলে।

ইয়াৰ পিছত মহাৰাজৰ আন এজন পুত্ৰ সন্তানৰ জন্ম হয়। আগতে ধৰেন্দ্ৰনাৰায়ণৰ বাহিৰে তেওঁৰ কেইজনমান কন্যা সন্তান আছিল। এই উপলক্ষে মহাৰাজে দৰিদ্ৰ আৰু ব্ৰাহ্মণ সকলক দান দক্ষিণা কৰিলে। এই পুত্ৰৰ নাম ৰখা হল হৰেন্দ্ৰনাৰায়ণ।

ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ উইল :— মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ দিনত খগেন্দ্ৰনাৰায়ণ আছিল নাজিৰদেও। তেওঁ বেহাৰ ৰাজ্যৰ দুৰ্দ্দিনৰ দিনতো একক হিচাবে ক্ষমতাশালী আছিল আৰু এইখিনি সময়ত ৰাজ্যৰ ৰাজনৈতিক কাৰ্য্যকলাপত বিশেষ ভূমিকা পালন কৰিছিল। ধৰেন্দ্ৰনাৰায়ণক সিংহাসনত বহুৱা কোম্পানীৰ লগত চুক্তি কৰা ভুটিয়া সকলক বিতাৰিত কৰাত কোম্পানীক সহায় কৰা ইত্যাদি ঘটনাৱলীত তেওঁৰ ভূমিকাত এক কৰ্ত্তৃত্বৰ আভাষ পোৱা যায়। ধৈৰ্য্যেন্দ্ৰনাৰায়ণ দ্বিতীয়বাৰ সিংহাসনত আৰোহণ কৰিলেও শাসনকাৰ্য্য বহুক্ষেত্ৰত মহাৰাণীৰ আজ্ঞাৰ নামত খাস নবীশ আৰু গোসাঞিৰ মতে চলিছিল যেন অনুমান হয়। যিটো নাজীৰৰ অভিপ্ৰেত নাছিল। উচ্চাকাংক্ষী নাজীৰ দেওৰ লগত সেয়ে তেওঁলোকৰ মনোমালিন্যৰ সৃষ্টি হৈছিল, আৰু তাৰ ফলত প্ৰত্যক্ষ সংঘৰ্ষও হৈছিল। ৰাজোপাখ্যানত তেনে সংঘৰ্ষৰ কথা বৰ্ণিত আছে। এই সকল ঘটনাৰ সবিশেষ বৰ্ণনালৈ নগৈ এইখিনি প্ৰতীয়মান হয় যে, মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণে ৰাজকাৰ্য্যত বা বিষয় আশয়ত উদাসীন হলেও অভিজ্ঞ নাজীৰদেওক খগেন্দ্ৰনাৰায়ণৰ অভিলাষ সম্বন্ধে সম্পূৰ্ণ অৱগত আছিল আৰু শিশু হৰেন্দ্ৰনাৰায়ণ তথা বেহাৰ ৰাজ্যৰ ভৱিষ্যত সম্বন্ধে সন্দিহান হৈছিল।

গতিকে তেওঁ অসুস্থ হৈ পৰাত তেওঁ এখন উইল প্ৰস্তুত কৰিলে। এই উইল অনুসাৰে তেওঁৰ অবিহনে পুত্ৰ হৰেন্দ্ৰনাৰায়ণে বেহাৰ ৰাজ্য আৰু চাকলা বিলাকৰ ৰজা হব আৰু প্ৰাপ্ত বয়স্ক নোহোৱালৈকে ৰাজমাতাই ৰাজকাৰ্য্য পৰিচালনা কৰিব। এই উইল কৰাৰ পিছত সেই অসুখতে ১৭৮৩ খৃঃত ধৈৰ্যেন্দ্ৰনাৰায়ণ স্বৰ্গীয় হয়। তেওঁৰ চিতাত কেইবা গৰাকী পত্নী সহগামী হয়।

শাসন আৰু বিচাৰ ব্যৱস্থা :— মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ ৰাজত্ব কালত নানা অশান্তিপূৰ্ণ ঘটনাৰ মাজেদি অতিবাহিত হৈছিল যদিও এই সময়তে বেহাৰ ৰাজ্যত শাসন আৰু বিচাৰ ব্যৱস্থাৰ প্ৰভূত উন্নতি সাধিত হয়। লগতে অৰ্থ নৈতিক দিশতো উন্নতি পৰিলক্ষিত হয়। এই সময়ত বিচাৰ বিভাগ দক্ষতাৰ সৈতে বিচাৰ সম্পাদন কৰিছিল। শিৱপ্ৰসাদ মুস্তফী আছিল প্ৰধান বিচাৰক। পণ্ডিতৰ সহায়ত বিচাৰ কৰা হৈছিল। বিচাৰ প্ৰাৰ্থী উভয়ৰে পৰা মুচলিকা লোৱা হৈছিল, আৰু উভয় পক্ষৰ পৰা সাক্ষ্য গ্ৰহণ কৰা হৈছিল। বিচাৰৰ বাবে প্ৰজাসাধাৰণে কোনো প্ৰকাৰৰ খৰচ কৰিব লগীয়া নহৈছিল আৰু সুবিচাৰ পোৱাৰ বাতাবৰণ সৃষ্টি হৈছিল। বিচাৰৰ মৰ্ম্ম আৰু ৰায় মহাৰাজক অৱগত কৰোৱা হৈছিল। দেশত শান্তি ৰক্ষাৰ ভাৰ কতোৱাল বিলাকৰ ওপৰত ন্যাস্ত আছিল; কিন্তু তেওঁলোকৰ বিচাৰৰ ক্ষমতা নাছিল। তেওঁলোকৰ লিখিত অভিযোগৰ ওপৰতহে সকলো ফৌজদাৰী মোৰ্কদ্দমাৰ বিচাৰ হৈছিল; সেয়ে তেওঁলোকৰ দায়িত্ব আছিল অসীম। মোৰ্কদ্দমাৰ বাবে অৱশ্যে কোনো লিখিত বিৱৰণী বা ৰেজিষ্টাৰ ৰখা নহৈছিল; অৰ্থাৎ বিচাৰ তৎকালিক ভাৱে কৰা হৈছিল। সাধাৰণত ৰাজবাটীতেই বিচাৰ হৈছিল আৰু প্ৰজা সাধাৰণ বিচাৰৰ সময়ত উপস্থিত থাকিব পাৰিছিল। মহাৰাজ ধৈৰ্য্যেন্দ্ৰ নাৰায়ণৰ দিনত কোনো প্ৰাণদণ্ডৰ আদেশ দিয়া হোৱা নাছিল।

ৰাজ্যৰ অৰ্থনৈতিক উন্নতি সাধন :— এই সময় ছোংগত-লগে লগে অৰ্থনৈতিক দিশতো উন্নতি সাধিত হয় বুলি জানিব পাৰি। প্ৰতিবছৰে দহ হাজাৰ মোণ নিমখ, তিনি হাজাৰ মোণ গুড়, কিছু পৰিমানৰ লো আৰু আন আন প্ৰয়োজনীয় সামগ্ৰী আমদানী কৰা হৈছিল। ৰপ্তানী দ্ৰব্যৰ ভিতৰত লাখ লাখ মোণ ধপাঁত কিছু অহিফেন বিভিন্ন হাটত (বজাৰত) কিনি ব্যৱসায়ী সকলে যোগল হাট আৰু দেবীগঞ্জ নদী বন্দৰেদি, ঢাকা, মুৰ্শিদাবাদ আদি ঠাইলৈ পঠিয়াই দিছিল। মুঠৰ ওপৰত ৰাজ্যৰ আৰ্থিক অৱস্থা উন্নত আছিল বুলি কব পাৰি।

দাস প্ৰথা :— সেয়ে হলেও কিন্তু শান্তি শৃঙ্খলা ৰক্ষা কৰাৰ সমস্যাই দেখা দিছিল। সেই সময়ত বটিছ উপনি বেশ বাদৰ ফল হিচাবে সমগ্ৰ পৃথিৱী জুৰি ঘৃণনীয় ক্ৰীতদাস ব্যৱসায় নতুন ৰূপত আৰম্ভ হৈছিল। আইন আৰু সমাজত অপ্ৰকাশ্য হিচাবে ৰাখি অপৰাধী চক্ৰই মানুহ চুৰি কৰি এই ব্যৱসায় চলাইছিল। বিহাৰ ৰাজ্যতো কোম্পানীৰ পৰোক্ষ অনুমোদনত এনে চক্ৰ গঢ়ি উঠিছিল। প্ৰতি বছৰে প্ৰায় এশজন কিশোৰ কিশোৰী অপহৰণ কৰি ৰাবৰ বঙ্গ দেশেৰে ব্ৰহ্মদেশ আৰু আন ঠাইলৈ চালান দিয়া হৈছিল; প্ৰতিবেশী গাৰো আৰু ভুটিয়া সকলেও এই অপকৰ্মত লিপ্ত হৈছিল। এনে অপহৃত ছোৱালীৰ মূল্য ১২ টকা আৰু লৰাৰ মূল্য ১৫ টকাৰ পৰা ২৫ টকা লৈ নিৰ্দ্ধাৰিত হৈছিল। বেহাৰ ৰাজ্যৰ শাসন কৰ্ত্তাই ইয়াক ৰোধ কৰিবলৈ গৈ নানা কাৰণত সক্ষম হোৱা নাছিল।

সন্নাসী আৰু ডকাইতৰ অত্যাচাৰ :— ইয়াৰ বাহিৰেও সেই সময়ত ৰাজ্যত ডকাইতৰ প্ৰাদুৰ্ভাব হৈছিল। সন্নাসীৰূপী এনে ডকাইতৰ আৱিৰ্ভাৱ আৰু অত্যাচাৰত বহুলোক দেশত্যাগী হৈছিল। ভবানী পাঠক

আৰু মদন সাহা ডকাইত হিচাবে বিশেষ প্ৰসিদ্ধ লাভ কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ডকাইত আৰু সন্ন্যাসী বিলাকক ধৰাৰ বাবে তৎপৰতা দেখুৱালেও বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে।

মহাৰাজ হৰেন্দ্ৰনাৰায়ণ : (১৭৮৩—১৮৪০) মহাৰাজ ধৈৰ্য্যেন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিছত নাজীৰ দেও খগেন্দ্ৰনাৰায়ণে তেওঁৰ পুত্ৰ বীৰেন্দ্ৰনাৰায়ণ কোঁৱৰক সিংহাসনত বহুৱাবৰ বাবে অভিসন্ধি কৰিলে কিন্তু উচ্চ ৰাজ কৰ্ম্মচাৰীৰ সহায়ত আৰু ৰাজধানীত থকা কোম্পানীৰ সৈন্যদলৰ হাবিলদাৰ জিতেন সিংহৰ সহযোগিতাত এই অভিসন্ধি বাৰ্থ হয়। শেষতগৈ নাজিৰদেৱে নাবালক মহাৰাজৰ শিৰত ছত্ৰ ধাৰণ কৰিলে আৰু মহাৰাজৰ ৰাজ্যাভিষেক সম্পূৰ্ণ হয়। প্ৰচলিত ৰীতিমতে তেওঁৰ নামত মুদ্ৰা প্ৰস্তুত কৰা হয় আৰু নাজীৰ দেওৱে প্ৰথমেই এটা মুদ্ৰাৰে মহাৰাজক নজৰানা প্ৰদান কৰিলে। কিন্তু নাজীৰদেও তেওঁৰ দুৰভি সন্ধি সম্পূৰ্ণভাবে পৰিত্যাগ কৰা নাছিল। মহাৰাজ অভিষেকৰ পাছতে তেওঁ এখন কাগজত ওৱাকা নবীশৰ হতুৱাই বীৰেন্দ্ৰনাৰায়ণক যুৱৰাজ পতা আৰু মহাৰাজৰ মৃত্যুৰ (হৰেন্দ্ৰনাৰায়ণ) পিছতেই বীৰেন্দ্ৰনাৰায়ণ বেহাৰ ৰাজ্যৰ ৰজা হয়। এই মৰ্ম্মে এখন ওযাকা বা আজ্ঞাপত্ৰ লিখালে আৰু নিজে নতুন মহাৰাজৰ চীল মোহৰ মাৰি আজ্ঞা পত্ৰখনৰ লগতে তেওঁ চিল মোহৰটোও নিজৰ হাতত ৰাখি থলে। ৰাজ কৰ্ম্মচাৰী সকলে তেতিয়া জীতেন সিংহক সেই আজ্ঞাপত্ৰ আৰু চিল মোহৰ নাজীৰ দেওৰ হাতত থাকিলে বিঘিনী ঘটাব পাৰে আৰু সেইবোৰ কোম্পানীৰ জিম্মাতহে থাকিব লাগে বুলি বুজাই দিয়াত জিতেন সিংহই নাজীৰ দেওৰ পৰা সেইবোৰ বিচাৰিলে। নাজীৰদেওৱে উত্তেজিতহৈ জিতেন সিংহক আঘাত কৰিলে; কোম্পানীৰ সৈন্য সকলে তেতিয়া নাজীৰ দেওক বেৰি ধৰিলে, আৰু নাজীৰদেওৰ নিজা সৈন্যৰ সৈতে যুদ্ধৰ উপক্ৰম হল। শেষত নাজীৰদেওৱে ওৱাকা আৰু চিল মোহৰ জিতেন সিংহক

হাতত গতাই দিবলৈ বাধ্য হল। সাময়িক ভাবে হৰেন্দ্ৰনাৰায়ণ সিংহাসন কণ্টক মুক্ত হল।

খগেন্দ্ৰনাৰায়ণৰ সিংহাসনত আৰোহণ :— নাজীৰদেও খগেন্দ্ৰনাৰায়ণ বলৰামপুৰলৈ প্ৰত্যাবৰ্ত্তন কৰি বহি থাকিল। ইয়াৰ আগতে বোদাঘাটগ্ৰাম আৰু পূৰ্ব্বভাগ চাকলাত কাম কাজ ৰামচন্দ্ৰ ৰায় আৰু তাৰ পিছত তেওঁৰ পুত্ৰ শ্যাম চন্দ্ৰ ৰায়ৰ তত্বাৱধানত আছিল। শ্যামচন্দ্ৰ ৰায় নাজিৰদেওৰ প্ৰিয় পাত্ৰ আৰু ঘনিষ্ঠ সহযোগী আছিল। আনফালে তেওঁ কোম্পানীৰ প্ৰতিনিধি গুডলাক চাহাবৰ অনুগ্ৰহ ভাজন হৈ পৰিছিল। শ্যাম ৰায়ৰ ভবিষ্যতে নাজীৰ দেওৱে গুডলাকক জনালে জিতেন সিংহই তেওঁক অপমানিত কৰিছে। গুডলাকে তেতিয়া জিতেন সিংহক অপসাৰণ কৰি তাৰ ঠাইত আন এজনক ৰাজধানীত থকা সৈন্যৰ যুৱৰী হাৱালদাৰ নিয়োগ কৰিলে। এই কথাত নাজীৰ দেওৱে ভাবিলে যে কোম্পানীয়ে তেওঁৰ কাৰ্য্যত সমৰ্থন কৰে। গতিকে তেওঁ অতুৎসাহী হৈ নিজে ৰাজ সিংহাসন দখল কৰাৰ অভিপ্ৰায়ে সৈন্য সামন্ত লৈ ৰাজধানীলৈ যাত্ৰা কৰিলে। নাজীৰদেৱৰ সৈন্যৰ হাজীৰ শব্দ শুনিয়েই ৰাজধানীস্থ উচ্চ পদস্থ কৰ্ম্মচাৰী সকল ভয়তে পলাই যাবলৈ ধৰিলে। ৰাজমাতা মহাৰাণী কামতাশ্বৰীয়ে তেতিয়া কোম্পানীৰ নৱ নিযুক্ত হাওৱালদাৰক সকলো কথা বুজাই দি কলে যে ধন সম্পদ সিংহাসনতকৈ শিশুপুত্ৰ হৰেন্দ্ৰনাৰায়ণৰ জীৱনৰ কথা অধিক হাওৱালদাৰে তেতিয়া প্ৰতিশ্ৰুতি দিলে যে তেওঁ নাজীৰদেওক ৰাজ অন্দৰ মহলত কোনোপধ্যে সোমাবলৈ নিদিবই। এই আশ্বাসত বিশ্বাস ৰাখি ৰাজমাতা শিশু মহাৰাজৰ সৈতে অন্তপুৰতে সোমাই থাকিল; মহাৰাজ হৰেন্দ্ৰনাৰায়ণৰ ৰাজ্যাভিষেকৰ মাত্ৰ ধাৰ দিন পিছতেই নাজীৰদেওৱে [illegible] [illegible] সন্মুখীন দোৱাৰখনকৈ ৰাজপ্ৰাসাদত প্ৰৱেশ কৰি সিংহাসনত বহিলহি, আৰু নিজেই ৰজা ঘোষণা কৰিলে। নিজৰ নামত মোহৰ আৰু মুদ্ৰা

প্ৰস্তুত কৰালে। মহাৰাজৰ পক্ষৰ মানুহক যতেই পালে তাতেই হত্যা কৰালে নাইবা নিৰ্য্যাতন কৰিবলৈ ধৰিলে।

ৰজাৰ প্ৰতি দুৰ্ব্যৱহাৰ :— অকল সেয়ে নহয়, কোম্পানীৰ সৈন্য সকলে আবেষ্টনীক নেওচি মহাৰাজ, ৰাজমাতা আৰু অন্যান্য সকলোৰ প্ৰত্যক্ষ ভাবে কোনো ক্ষতি কৰিবলৈ সাহ নকৰিলে যদিও হাতে নামাৰি ভাতে মাৰিবৰ পদ্ধতি অৱলম্বন কৰিলে। অন্দৰ মহলৰ চাৰিওফালে প্ৰহৰী নিযুক্ত কৰি বাহিৰৰ পৰা যাতে কোনো প্ৰকাৰৰ খাদ্য সৰবৰাহ হব নোৱাৰে তাৰ বাবে কড়া নিৰ্দ্দেশ দিলে। অচিৰেই খাদ্যাভাৱ হল। মানবীয়তা বোধ থকা কোম্পানীৰ হাওয়ালদাৰে কিছু খাদ্য যোগান ধৰিলেও শেষত গৈ এসময়ত মহাৰাজ ৰাজমাতাই দুই তিন দিন কোনো খাদ্য নোহোৱাকৈ থাকিল; এনেতে মহাৰাজ খাদ্যাভাৱত দুৰ্ব্বল হৈ বসন্ত ৰোগত আক্ৰান্ত হল। চিকিৎসাৰ বাবে কোনো ওঝা বা চিকিৎসকৰ অন্দৰ মহলত প্ৰবেশ কৰিবলৈ নাজীৰদেওৰে অনুমতি নিদিলে। সৌভাগ্য বশতঃ বিনা চিকিৎসাতে মহাৰাজে আৰোগ্য লাভ কৰিলে। ইতিমধ্যে সকলো কথা জনাই মহাৰাণীয়ে লিখা চিঠিখন পোনাকৈ আৰু খাসনবীশে কলিকতাৰ গৰ্ভণৰ জেনেৰেলৰ ওচৰত দাখিল কৰিলে। লগতে ৰংপুৰৰ কালেক্টৰ মিঃ গুডল্যাডক নাজীৰ দেওৱে নিজে ৰজাহৈ মুদ্ৰা প্ৰস্তুত কৰাৰ কথাও জনালে। বেহাৰত থকা হাবিলদাৰেও এইবোৰ ঘটনাৰ সবিশেষ জনাইছিল। গুডল্যাডে পোণতে নাজীৰৰ বিপক্ষে কোনো কাৰ্য্য ব্যৱস্থা লবলৈ উৎসাহ দেখুৱা নাছিল, পিছত সম্ভৱত কাউন্সিলাৰৰ নিৰ্দ্দেশত ব্যৱস্থা লবলৈ বাধ্য হল।

গুডল্যাডৰ দ্বাৰা খগেন্দ্ৰনাৰায়ণ বন্দী :— নাজীৰদেওৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ গৈ গুডল্যাডে পোণতে শ্যামসুন্দৰ ৰায়ক বন্দী কৰি থলে। নাজীৰ দেওৱে এই সংবাদ পাই বেহাৰ ৰাজধানীৰ পৰা বলৰাম পুৰলৈ প্ৰত্যাবৰ্ত্তন কৰিলে। লগতে স্বনামৰ মুদ্ৰা মোহৰ আদি লৈ গল। তেতিয়া গোসাঁই আৰু খাস নবীশে ৰংপুৰৰ পৰা আহি ৰাজ কাৰ্য্যত ভাগ লবলৈ ধৰিলে। পিছত নাজীৰদেওক গ্ৰেপ্তাৰ কৰা হল। শ্যাম সুন্দৰ ৰায়ৰ লগত তেওঁক ৰাজধানীৰ গুদাম ঘৰটোত বন্দী কৰি থলে। গুডল্যাডে এইবোৰ কাৰ্য্যব্যৱস্থাৰ সংবাদ গৱৰ্ণৰ জেনেৰেল লৈ জনাই দিলে; কিন্তু ইতিমধ্যে নাজীৰ দেওৰ অতিমাত্ৰা স্বেচ্ছাচাৰী কাৰ্য্য কলাপবোৰত বিশেষকৈ নিজে ৰজা হোৱাত গুডল্যাডৰ পৰোক্ষ সমৰ্থন আছে বুলি গৱৰ্ণৰ জেনেৰেলৰ মনত ধাৰণা হৈছিল। গতিকে এনে ব্যৱস্থা লোৱা স্বত্বেও তেওঁক আঁতৰাই পিটাৰ মূৰক ৰংপুৰৰ কালেক্টৰ নিযুক্ত কৰিলে। পিটাৰমূৰে নাজীৰদেও আৰু শ্যামসুন্দৰ ৰায়ক বন্দী কৰি ৰখা নিৰ্দ্দেশকে বাহাল ৰাখিলে।

মহাৰাজৰ লৈতে মূৰৰ সাক্ষাত :— পিটাৰ মূৰে ৰাজধানীলৈ আহি মহাৰাজ হৰেন্দ্ৰনাৰায়ণক আনুষ্ঠানিক ভাৱে সাক্ষাত কৰিলে। পিছত শ্যামসুন্দৰ ৰায় আৰু নাজীৰ দেওক মহাৰাজৰ সন্মুখত নিয়ম হিচাবে বিচাৰৰ বাবে উপস্থিত কৰিলে। অইন কোনো কঠোৰ শাস্তিৰ পৰিবৰ্ত্তে বন্দীত্বকে বাহাল ৰখা হল। এই বন্দী অৱশ্যে এক প্ৰকাৰ গৃহ বন্দীহে কৰা হ'ল; দৈনন্দিন প্ৰয়োজনীয় বস্তু তেওঁক যোগান ধৰা হৈ থাকিল। সুৰেন্দ্ৰনাৰায়ণ দেওয়ানদেওৰ পুত্ৰ জীবেন্দ্ৰনাৰায়ণ কোঁৱৰক নাজীৰ মনসবী প্ৰদান কৰা হল। ধন সম্পত্তিৰ বহুলাংশে বাজেয়াপ্ত হৈ প্ৰতিপত্তি হেকৰাই তেওঁৰ নিৰ্দ্দাত নাইকীয়া হল বুলি ভাবি পিছত তেওঁক মুক্তি দিয়া হয়। কেপ্তেন ডীন কানচন আৰু গোলাপ সিংহ চুবেদাৰৰ অধীনত এক

কোম্পানী সৈন্য বেহাৰ প্ৰাসাদৰ ৰক্ষণা বেক্ষণাৰ্থে নিযুক্ত কৰা হল। ৰাজ্যত অলপ থানথিত লগাই পিটাৰ মুৰ ৰংপুৰলৈ গুচি যায়; কিছুদিন পিছত তেওঁ বিলাতলৈ উভতি যোৱাত ম্যাকডোৱেল ৰংপুৰত বৃটিছ প্ৰতিনিধি হয়। ৰাজ মাতাই খাস নবীশ গোহাঞি আদিৰ সহযোগত মহাৰাজ হৰেন্দ্ৰনাৰায়ণৰ হৈ ৰাজ্য চলাবলৈ ধৰিলে।

খগেন্দ্ৰনাৰায়ণৰ ষড়যন্ত্ৰ :— খগেন্দ্ৰনাৰায়ণক অনিচ্ছাৰে মুক্তি দিয়া হল; কিন্তু তাৰ ফল বিপৰীতহে হ'ল। তেওঁ আকৌ ষড়যন্ত্ৰত লিপ্ত হল। প্ৰথমে ৰাজ্যৰ এজন অংশীদাৰ হিচাবে দাবী কৰি কলিকতাৰ গৱৰ্ণৰ জেনাৰেলৰ ওচৰত দৰবাৰ কৰিবলৈ ধৰিলে। আন ফালে তেওঁৰ পৰা কাটি নিয়া সম্পত্তিবোৰ তেওঁক ঘুৰাই দিবলৈ বৰ্ত্তমানে ভোগ কৰি থকা কৰ্ম্মচাৰী বোৰক দাবী আৰু ভীতি প্ৰদৰ্শন কৰিবলৈ ধৰিলে। তলে তলে কিছুমান আত্মীয় স্বজনৰ সহায়ত সৈন্য সংগ্ৰহ কৰিবলৈ ধৰিলে। সেই সময়ত প্ৰভুত্বলাভ কৰা সন্যাসী ৰূপী ডকাইতৰ দলে তেওঁৰ সৈন্যদলত চামিল হয়।

ভগবন্তৰ হাতত ৰজা আৰু ৰাজমাতৃৰ বন্দী :— ১৭৮৭ খৃঃত খগেন্দ্ৰনাৰায়ণৰ জেষ্ঠ ভাতৃ ভগৱন্তনাৰায়ণ কোঁৱৰে ৪০০০ সৈন্য লৈ হঠাৎ বেহাৰ প্ৰাসাদ আক্ৰমণ কৰিলে। সুবেদাৰ গোলাপ সিংহক এখন হুকুমনামা দেখুৱাই বাধা দিয়াৰ পৰা বিৰত কৰোৱা হয়। উক্ত হুকুম নামাত ৰাজ প্ৰাসাদ ভগৱন্ত ন্যাৰায়ণৰ হাতত সমৰ্পন কৰিবলৈ কোৱা হৈছিল। মহাৰাজৰ অলপ সংখ্যক সৈন্যই বাধা দিবলৈ বিফল হয়। ৰাজমাতাই মহাৰাজক লৈ মদন মোহন মন্দিৰৰ ভিতৰত আশ্ৰয় লয়; কিন্তু সৈন্য সকলে তেওঁলোকক বাহিৰলৈ আনে আৰু বন্দী কৰি বলৰামপৰলৈ নিয়ে। ম্যাকডোৱেলে গৱৰ্ণৰ জেনেৰেলক সবিশেষ জনালত কলিকতাৰ

পৰাই কোম্পানী সৈন্য বহৰমপুৰহৈ ৰংপুৰলৈ পঠিয়াই দিলে। আন দুই কোম্পানী সৈন্য ঢাকাৰ পৰা কেপ্তেন ৰাটনৰ অধীনত আহি নাজিৰগঞ্জত মিলিত হল। ৰাবিষা কাল হেতুকে নাজিৰগঞ্জত চাউনী পতা হল। কেপ্তেন ৰাটনে তেওঁৰ সৈন্য দলক চাৰিভাগত বিভক্ত কৰি বলৰামপুৰক চাৰিও ফালৰ পৰা অৱৰোধ কৰি ৰাখিলে।

মহাৰাজ আৰু ৰাজমাতাৰ মুক্তি :— বলৰামপুৰ তিনিফালৰ পৰা চেকদাৰ নদীৰ দ্বাৰা পৰিবেষ্টিত কেপ্তেম ৰাটনৰ অৱৰোধৰ ফলত বলৰাম পুৰলৈ খাদ্য দ্ৰব্য অহা যোৱা বন্ধ কৰি দিয়া হল। যদিও নাও অবিহনে আগুৱাই যাব পৰা নাছিল: তথাপি অলপ সংখ্যক নাওৰ সহায়েৰে এদিন অতি পুৱাতে নদী পাৰ হৈ নাজীৰদেওৰ বাসস্থান আক্ৰমণ কৰি মহাৰাজ, ৰাজমাতা আৰু আন আন কৰ্মচাৰী সকলক মুক্তি কৰিলে। খগেন্দ্ৰ নাৰায়ণ কেনেবাকৈ পলাই সাৰিল। ইয়াৰ পিছত মহাৰাজ আৰু ৰাজমাতাক বেহাৰ প্ৰাসাদলৈ অনা হলত ইংৰাজ অফিচাৰ সকলক এটি ভোজমেলেৰে আপ্যায়িত কৰিলে আৰু দুটা হাতী, দুটা ঘোঁৰা কিছুমান মূল্যবান বস্ত্ৰ আৰু নগতে দহ হেজাৰ টকা উপহাৰ দিলে। বিনিময়ত গৰ্ভৰ্ণৰ জেনাৰেলৰ আদেশ মতে তেতিয়া শোভা সিংহক সুবেদাৰ হিচাবে এক কোম্পানী সৈন্যেৰে সৈতে ৰাজ প্ৰাসাদ ৰক্ষাৰ দায়িত্ব দিলে।

নাজীৰৰ বিচাৰ :— নাজীৰৰ দৌৰাত্ম তথা ৰাজ্যত অধিকাৰ আদি সকলোবোৰ প্ৰশ্নৰ বিচাৰ কৰিবলৈ গৱৰ্ণৰ জেনেৰেলে লৰেন্স মাচাৰ আৰু জন লুইচ চৌভেট নামৰ দুজনা চাহাবক গঠিত এখন কমিটি কৰি দিয়ে। দুয়ো পক্ষৰ শুনানী লোৱাৰ পিছত সিদ্ধান্ত হয়: এই সিদ্ধান্ত মতে বেহাৰ ৰাজ্যত মহাৰাজ ধৰেন্দ্ৰনাৰায়ণৰ পূৰ্ণ অধিকাৰ সাৱস্ত্য হয়।

খগেন্দ্ৰনাৰায়ণ নাজীৰ পদৰ পৰা পদচ্যুত হ'ল। ৰাজকাৰ্য্য আগৰদৰে চলিবলৈ ধৰিলে। ৰজাৰ যথোচিত শিক্ষাৰ ব্যৱস্থাও কৰা হ'ল ; সংস্কৃত শিক্ষাৰ বাবে হৰিশঙ্কৰ চক্ৰবৰ্ত্তী নামে এজনক শিক্ষক নিযুক্ত কৰা হ'ল। ফাৰ্চি বঙলা ভাষা শিক্ষা দিবলৈ মুন্সী নৃসিংহ শিক্ষক নিযুক্ত হয়; কালক্ৰমত মহাৰাজ হৰেন্দ্ৰনাৰায়ণ এইবোৰ ভাষা জ্ঞানত বিশেষ বুৎপত্তি লাভ কৰিলে। মহাৰাজ নাবালক হোৱাত ৰাজকাৰ্য্য পৰস্পৰ বিৰোধী চক্ৰৰ দ্বাৰা বিপথে চালিত হব পাৰে বুলি যুক্তি দৰ্শাই গৰ্বণৰ জেনেৰেল লৰ্ড কৰ্ণওৱালিচে ৰজাৰ শাসন কাৰ্য্যত সহায় কৰিবলৈ হেনৰি ডগলাসক কমিচনাৰ হিচাবে নিযুক্ত কৰিলে। হেনৰি ডগলাসে কাৰ্য্যত যোগদান কৰি পোনতেই কিছু উচ্চপদস্থ কৰ্মচাৰীৰ সাল সলনি কৰিলে। জয়গোপাল সিংহক দেওৱান আৰু কৃষ্ণপ্ৰসাদ ৰায়ক ফৌজদাৰী কোৰ্টৰ বিচাৰক নিযুক্ত কৰিলে। দলিল পত্ৰাদিৰ ওপৰত মহাৰাজৰ চিল মোহৰ লগতে ডগলাসৰ চিল মোহৰ দিয়াৰো নিয়ম প্ৰৱৰ্ত্তন কৰিলে। অন্যান্য আদেশৰ বাবে সকলো কাগজতে মহাৰাজৰ চিল মোহৰত বাদে ডগলাসৰ চিল মোহৰ সম্বলিত স্বাক্ষৰ দিয়াতো নিয়ম হ'ল। প্ৰশাসনীয় খৰচ কমাই ৰাজ্যৰ সঞ্চয় বঢ়াবলৈ কৰ্মচাৰীৰ সংখ্যা কমাই ন্যূনতম কৰা হ'ল। ৰাজ্যৰ বিভিন্ন মহলবোৰ নিলামত দিয়া হয়। তাৰ ফলত আয় বাঢ়িল। প্ৰজা সকলে নিয়মীয়াকৈ কৰ দিয়াৰ ব্যৱস্থা কৰা হ'ল। কৰ আদায়ৰ নামত কিছু অত্যাচাৰো চলিল; কিছুদিনৰ ভিতৰত ৰাজ কাৰ্য্যৰ শৃংখলা আহি পৰিল। কৰ্মচাৰী সকলে মাহৰ শেষত দৰমহা লোৱো হ'ল। পিছত ডগলাসে আন এজনক কাৰ্যভাৰ দি কলিকতালৈ গুচি গল। প্ৰায় চাৰি মাহ মানৰ মূৰত চাৰ্লচ এনথ্ৰুছ ক্ৰচ বেহাৰ ৰাজ্যৰ কমিচনাৰ নিযুক্ত হ'ল। প্ৰজা সাধাৰণে ভুটিয়া আৰু কোম্পানীৰ মাজত পাৰ্থক্য বিচাৰি নাপালেও, পৰিস্থিতি মানি লবলৈ বাধ্য হয়।

মহাৰাজৰ বিবাহ :— যদুনাথ ঈশ্বাৰ আৰু পদ্মনাথ কাৰ্জীৰ কন্যাদ্বয়ৰ সৈতে ধুমধামেৰে সৈতে ৰজা হৰেন্দ্ৰনাৰায়ণৰ বিবাহ হয়। পিছত ১৮০০ খৃঃত দুৰ্গানাৰায়ণ দেৱৰ দৌহিত্ৰী আৰু বিজয়েশ্বৰ কাৰ্জীৰ ভতিজা ছোৱালীকো বিয়া কৰায়। ১৭৯৬ খৃঃত তেওঁৰ এটি পুত্ৰ সন্তান উপজে। তাৰ নাম ৰখা হয় শিবেন্দ্ৰ নাৰায়ণ কোঁৱৰ। সৰ্ব্ব সাধাৰণে তেওঁক 'বড় কাছুৱা সাহেব' বুলি মৰমতে অভিহিত কৰিছিল। বেহাৰ ৰাজ্যৰ স্থানীয় প্ৰচলিত ভাষাত 'কাছুৱা' শব্দই শিশু পুত্ৰক বুজায় আৰু ই স্নেহাত্মক অৰ্থ বোধক। পিছত মহাৰাজৰ আন এটি পুত্ৰ সন্তান "মধ্যম কাছুৱা সাহেব" মৃগেন্দ্ৰনাৰায়ণৰ জন্ম হয়। ১৭৯৫ খৃঃত উইলিয়ম টি স্মিথ বেহাৰৰ কমিচনাৰ হয়। দুবছৰমান থকাৰ পিছত ১৭৯৭ খৃঃত ৰিচাৰ্ড আমুটী কমিচনাৰ নিযুক্ত হৈ বেহাৰলৈ আহে। এই সময়তে সৰ্ব্বানন্দ গোসাইৰ পৰলোক প্ৰাপ্তি হয়। ৰাজ্য কোম্পানীৰ আশ্ৰয় লোৱাৰ আগলৈকে ৰাজ্য পৰিচালনাত আৰু চাকলা বোদাৰ সৈতে ৰাজ্যৰ কাৰ্য্যত সৰ্ব্বানন্দ গোস্বামীয়ে যথেষ্ট প্ৰভাব খটুৱাইছিল যদিও পিছলৈ তেও বহুভূমি ব্ৰহ্মোত্তৰলৈ ৰূপান্তৰিত কৰি নিজৰ দখললৈ ৰাখিছিল। তেনেদৰেই আন বহুতেই নিস্কৰ হিচাবে ভোগ কৰি আছিল। কমিচনাৰ আমুটীয়ে সদৰৰ পৰা অনুমতি অনাই সেইবোৰ জৰিপ কৰালে আৰু খাজনা নিৰ্দ্ধাৰণ কৰিলে। ১৭৯৯ খৃঃত মহাৰাজে কোম্পানীৰ লগত হোৱা চুক্তি অনুসৰি গৱৰ্ণৰ জেনাৰেলৰ পৰা স্বাধীন ভাবে ৰাজ্য শাসন কৰাৰ অনুমতি পায়। পোনতে তেওঁক বোদা, পাটগ্ৰাম, পূৰ্ব্বভাগ চাকলা সমূহতহে মহাৰাজক নিজৰ তত্বাৱধানত চলাবলৈ দিয়া হয়। এই উপলক্ষে ৰাজধানীত ৰবতোপ ধ্বনি, আতচ বাজি, নৃত্যগীত আৰু ভোজ মেলৰ উৎসৱ পালন কৰা হয়। পিছৰ বছৰতহে একপ্ৰকাৰ কমিচনাৰ উঠাই দি ৰাজ্য শাসন সম্পুৰ্ণ ৰূপে মহাৰাজৰ আজ্ঞা মতে চলাৰ অনুমতি লাভ কৰে; কিন্তু এই অনুমতি স্বতঃফুৰ্ত্ত নাছিল, তাৰবাবে কলিকতাত দৰবাৰ কৰিব লগীয়া হৈছিল। এইখিনি সময়ৰ ভিতৰতে কমিচনাৰৰ অনুপস্থিতিত আমুটীৰ দেওৱান প্ৰাণকৃষ্ণ

বিশ্বাসৰ দ্বাৰা প্ৰায় এক লক্ষ টকাৰ আত্মসাতৰ অভিযোগ উঠে। ইয়াৰ প্ৰতিকাৰৰ্থে মিঃ ওয়েগনাৰ আৰু কৃষ্ণপ্ৰসাদক মহাৰাজে কলিকতালৈ পঠিয়ায়। ফলত আমুটীয়ে ৰাজ্যৰ স্বাৰ্থ বিৰোধী কেবাটাও কৰ্ম্মত লিপ্ত হয়; তাৰ ভিতৰত গেন্দাভুক্কাৰ কিছু অংশ ভুটিয়াৰ হাতলৈ স্থানান্তৰ আৰু বেহাৰ ৰাজ্যৰ টাকশাল বন্ধ কৰাৰ নিৰ্দ্দেশ অনাটো প্ৰধান। মহাৰাজৰ ব্যক্তিগত কাৰ্য্যকলাপ সম্বন্ধে প্ৰতিবেদন গবৰ্ণৰে পাই আছিল; কোম্পানীৰ অন্যান্য মহলৰ পৰাও অনুকুল ৰিপোৰ্ট পাইছিল। তাৰ ফলত আমুটীৰ প্ৰতিবন্ধকতা স্বত্বেও পিছৰ বছৰ মাঘ মাহত কিছু দিনৰ বাবে হলেও কমিচনাৰ নিয়োগ প্ৰথা উঠাই দি ৰাজ্যৰ সম্পূৰ্ণ কৰ্তৃত্ব মহাৰাজৰ হাতত অৰ্পন কৰা হয় আৰু আমুটী চাহাব গুছি যাবলৈ বাধ্য হয়। অৱশ্যে ফৌজদাৰী আদালতৰ বিচাৰৰ শেষ সিদ্ধান্ত ৰংপুৰৰ আদালতৰ অনুমোদন সাপেক্ষ হিচাবে পূৰ্ব্বৰ নিয়ম থাকি যায়। নাৰায়নী টকাৰ প্ৰচলন বন্ধ কৰাৰ এটা পৰোক্ষ কৌশল হিচাবে আমুটীয়ে পৰামৰ্শ দিছিল যে বেহাৰ ৰাজ্যই কোম্পানীক দিবলগীয়া এক লাখ টকা নাৰায়নী মুদ্ৰাৰ পৰিবৰ্ত্তে লালবন্দী (কৰ) হিচাবে তেষটি হাজাৰ সিক্কা টকা, (বৃটিছ মুদ্ৰা) দিলেই হব; কিন্তু মহাৰাজ অসন্মত হয় যদিও কিছুদিনলৈ নাৰায়ণী মুদ্ৰা প্ৰস্তুত বন্ধ থাকে। দুবছৰমান পাছত গৱৰ্ণৰ জেনেৰেল কৰ্ণওয়ালিচৰ নিৰ্দ্দেশত ৰংপুৰৰ ফৌজদাৰী আদালতৰ ভাৰো মহাৰাজৰ হাতত অৰ্পিত হয়। মহাৰাজ হৰেন্দ্ৰনাৰায়ণে দক্ষতাৰে ৰাজ্য পৰিচালনা কৰিবলৈ ধৰিলে।

সাগৰদীঘি খনন আৰু প্ৰাসাদ নিৰ্ম্মাণ :— মহাৰাজ হৰেন্দ্ৰনাৰায়ণে ১৮০১ খৃঃত বেহাৰ চহৰত এটা বিৰাট পুখুৰী খন্দায়। এই পুখুৰীক সাগৰদীঘি নামে জনাজাত; এই পুখুৰীৰ দক্ষিণ পাৰত এটা হিৰণ্যগৰ্ভ শিৱ মন্দিৰো নিৰ্ম্মাণ কৰিলে। তাত শিৱলিঙ্গ প্ৰতিষ্ঠা কৰি পূজা অৰ্চ্চনাৰ ব্যৱস্থা কৰালে। এইবোৰ কীৰ্তি আজিও বিদ্যমান। মহাৰাজে

স্তেটগুৰি নামে ঠাইত এটি সুন্দৰ ৰাজপ্ৰাসাদ নিৰ্ম্মাণ কৰালে। কৰ্ম্মচাৰী সকলৰ বাবে আবাস আদিও নিৰ্ম্মিত হ'ল। দোকান পোহাৰ বহুৱা হ'ল। পাছত ১৮১২ খৃঃৰ শেষ ভাগত ৰাসপূৰ্ণিমাৰ দিনা মহা সমাৰোহেৰে মহাৰাজে নতুন প্ৰাসাদত প্ৰবেশ কৰিলে। ইয়াৰ দ্বাৰাই ৰাজ্য পৰিচালনা কৰিবলৈ ধৰিলে।

মহাৰাজৰ বিৰুদ্ধে অভিযোগ :— মহাৰাজ হৰেন্দ্ৰনাৰায়ণে বিচক্ষণতা, ন্যায়বিচাৰ আৰু দৃঢ়তাৰে ৰাজকাৰ্য্য পৰিচালনা কৰিছিল। কিছুদিন ভ্ৰষ্টাচাৰী কৰ্ম্মচাৰীৰ বিৰুদ্ধে তেওঁ উচিত কাৰ্য্য ব্যৱস্থা লৈছিল। তেওঁলোক স্বাভাৱিকতে ক্ষুন্ন হৈছিল। সেই সময়ত ৰংপুৰৰ কলেক্টৰ আছিল মিঃ ডিগবি। তেওঁ দেশীয় ৰাজ্যবোৰত নানা ধৰণেৰে বিশৃঙ্খলতা সৃষ্টি কৰি ক্ষমতা বিস্তাৰ কৰাটো এক প্ৰকাৰ যি অলিখিত নীতি আছিল, সেই চিন্তা ধাৰাৰে বশৱৰ্ত্তী আছিল। সেয়ে তেওঁ মহাৰাজৰ গুনাৱলী, বা কাৰ্য্য ব্যৱস্থাৰ পূৰ্ণ সমৰ্থক নাছিল। এই ভ্ৰষ্টাচাৰী কৰ্ম্মচাৰীসকল আৰু ডিগবীয়ে লগলাগি মহাৰাজৰ বিৰুদ্ধে সঁচ'ই মিছাই বহুতো অভিযোগ কাউন্সিলৰ ওচৰত দাখিল কৰে। ইয়াৰ ফল স্বৰূপে ১৮১৩ খৃঃৰ আগষ্ট মাহত নৰমেন মেকলয়ড (Norman Macleod পুনৰ বেহাৰৰ কমিচণাৰ নিযুক্ত হৈ আহে। লগত তেওঁ দুটা শক্তিশালী কামান সৈতে দুই কোম্পানী চিপাহী লৈ আহে। মেকলয়েডে ক্ষমতাৰ অপব্যৱহাৰ কৰি ভীতি প্ৰদৰ্শনেৰে ফৌজদাৰী আদালতৰ মোহৰ নিজ হাতলৈ নিয়ে আৰু ৰাজ্যত অত্যাচাৰ চলায়। এইখিনি সময়ত কলিকতাৰ গৱৰ্ণৰ কিছুদিনৰ বাবে ইংলণ্ডত আছিল। তেওঁৰ অনুপস্থিতিত ভাইচ প্ৰেচিডেণ্ট জনো মেকলয়েডৰ পক্ষপাতী আছিল। কিছুদিন পিছত গৱৰ্ণৰ উভতি আহিলত মহাৰাজে সবিশেষ জনাই তেওঁক চিঠি এখন দিলে। ইয়াৰ ফলত কাউন্সিলত এই বিষয়ে সবিশেষ আলোচনা কৰি বেহাৰ ৰাজ্যৰ যাৱতীয় কাগজ পত্ৰ মোহৰ সৰাৰ বা তেওঁৰ প্ৰতিনিধিক

ওজোতাই দিবলৈ নিৰ্দেশ দিলে আৰু নাৰায়ণী মুদ্ৰাও প্ৰচলন কৰিবলৈ অনুমতি দিয়ে।

নতুন ৰাজধানী ঃ তীৰ্থ যাত্ৰা ঃ— ১৮২০ খৃঃত মহাৰাজৰ মাতৃৰ (বড় মধ্যমা আই দেৱতীৰ) মৃত্যু হোৱাত আদ্যশ্ৰাদ্ধৰ পাছত মহাৰাজে তীৰ্থযাত্ৰা কৰিবলৈ ওলাল। তীৰ্থলৈ যোৱাৰ আগেয়ে মানসাই নদীৰ পাৰত পুৰণি বেহাৰ ৰাজধানীৰ ওচৰতে ধলিয়াবাৰীত ৰাজপ্ৰাসাদ আৰু ৰাজধানী নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰালে। ভেটাগুৰিত থকা ৰজাৰ আৰু দুৰ্গো তালৈ স্থানান্তৰিত হ'ল। তীৰ্থযাত্ৰাৰ পৰা উভতি আহি শুভলগ্নৰ সময় নোহোৱা বাবে ধলিয়াবাৰীৰ ওচৰতে সৰু এটি আৱাস নিৰ্মাণ কৰি, কিছুদিন তাতে থাকিল। তাৰ পিছত শুভলগ্নত নতুন ৰাজপ্ৰাসাদত প্ৰৱেশ কৰিলে। অল্প দিনৰ কাৰণে ৰাজ পৰিয়ালে সেই ঠাইতে জিৰণি লোৱাৰ বাবে পৰৱৰ্ত্তী কালত সেই ঠাইৰ নাম জিৰানপুৰ নামে খ্যাত হয়।

শেষ জীৱন ঃ কাশীত পৰলোক প্ৰাপ্তি ঃ— এইদৰে শৈশৱৰ পৰাই নানা ঘাত প্ৰতিঘাত, সমস্যাৰ সন্মুখীন হৈ সুদীৰ্ঘকাল, সুশাসক, প্ৰজাপালক ৰজা হিচাবে সুখ্যাতিৰে প্ৰায় ৫৭ বছৰ কাল ৰাজত্ব কৰাৰ পাছত, ৰাজত্বৰ শেষভাগত তেওঁ আকৌ তীৰ্থ যাত্ৰাত বাহিৰ হৈ বাৰানসীত উপস্থিত হয় আৰু তাতে থাকিবলৈ লয়। তাত তেওঁ বিখ্যাত কালীমন্দিৰ প্ৰতিষ্ঠা কৰে; আন ঠাইত শিৱমন্দিৰ নিৰ্মাণ কৰিবলৈ লয়; কিন্তু সম্পূৰ্ণ হোৱাৰ আগতেই ১৮৪০ খৃঃত (বঙ্গাব্দ ৬ জেঠ ১২৪৬ তাৰিখে) কাশীতে তেওঁৰ পৰলোক প্ৰাপ্তি হয়। তেওঁ প্ৰায় চাৰি বছৰ কাল কাশীত বাস কৰিছিল।

মহাৰাজ হৰেন্দ্ৰনাৰায়ণৰ কৃতিত্ব [illegible]

সুশিক্ষিত আৰু বহুগুণ সম্পন্ন ব্যক্তি আছিল। তেওঁ ফাৰ্চি, বঙলা, আৰু সংস্কৃত ভাষাত বিশেষ পাৰদৰ্শী আছিল। তেওঁ এজন নিজে কবি আৰু গ্ৰন্থকাৰ আছিল। তেওঁ বৃহৎধৰ্ম্মপুৰাণ, উপকথা, স্কন্দপুৰাণ, ৰাজপুত উপাখ্যান, কৃষ্ণ যোগসাৰ, ৰামায়ণৰ সুন্দৰকাণ্ড আৰু "মহাভাৰতৰ ঐশিক পৰ্ব্ব; প্ৰভৃতি গ্ৰন্থ ৰচনা কৰে। তেওঁৰ পৃষ্ঠপোষকতাত দ্বিজ বৈদ্যনাথ "ব্ৰহ্মবৈবৰ্ত্তপুৰাণ" ৰামানন্দনে "ধৰ্ম্মপুৰাণ" আৰু আন আন কবি সকলে "বিষ্ণুপুৰাণ", নৃসিংহপুৰাণ" আদি গ্ৰন্থাৱলী ৰচনা আৰু অনুবাদ কৰে। তেওঁৰ নিৰ্দ্দেশত মুন্সী জয়নাথ ঘোষে লিখা "ৰাজবংশাৱলীয়ে" কোচ ৰাজৰ ইতিহাস ধন অমূল্য সম্পদ হোৱাৰ উপৰিও বঙলা গদ্য সাহিত্যৰ পূৰ্ণ বিকাশৰ আদিতম নিদৰ্শন। আচলতে আধুনিক অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত চিলাৰায়ৰ যি অৱদান; বঙালী ভাষা সাহিত্যৰ ক্ষেত্ৰতো মহাৰাজ হৰেন্দ্ৰ-নাৰায়ণো তুলনীয়। সাহিত্য চৰ্চ্চাত ব্যস্ত হোৱাৰ উপৰিও, তেওঁ আছিল একাধাৰে চিত্ৰশিল্প আৰু সঙ্গীতত বিশেষ ভাবে পাৰদৰ্শী। তেওঁ ৰাজ-কাৰ্য্যৰ পৰা অৱসৰৰ সময়ত এইবোৰৰ চৰ্চ্চা কৰিছিল আৰু পৃষ্ঠপোষকতা কৰিছিল। সময়ে সময়ে সেয়ে ৰাজধানী নৃত্যগীত উৎসৱেৰে মুখৰিত হৈ উঠিছিল। শক্তিপূজাৰ দুৰ্গা উৎসৱ আৰু বৈষ্ণৱধৰ্মীয় দোল অতি ধুমধামেৰে উদযাপিত হৈছিল। ইয়াৰ বাহিৰেও সুস্বাস্থ্যৰ অধিকাৰী সু-পুৰুষ মহাৰাজ হৰেন্দ্ৰনাৰায়ণ, অশ্বাৰোহণ, গজাৰোহণ, তীৰ নিক্ষেপ, বন্দুক চালনা, আদিতো বিশেষ পাৰ্গত আছিল। নিয়মিত ব্যায়াম আদিও কৰিছিল আৰু সময়ে সময়ে বাঘ, গঁড় আদি চিকাৰ কৰিছিল। মহাৰাজ হৰেন্দ্ৰনাৰায়ণৰ দৰে গুণ সম্পন্ন ৰজা বা ব্যক্তি সঁচাকৈ বিৰল। এইবোৰৰ বাহিৰেও মহাৰাজ হৰেন্দ্ৰনাৰায়ণ ধৰ্ম্মৰ প্ৰতি অত্যন্ত অনুৰাগী ব্যক্তি আছিল। দৈনন্দিন কৰ্ম্মৰ ভিতৰত নিয়মিত পূজা অৰ্চনা কৰাটোও আছিল এটা কৰ্ম। তেওঁ কেইটাও মন্দিৰ সজাইছিল, আৰু আন কিছুমানৰ কাম আৰম্ভ কৰিছিল

যদিও শেষ কৰি থৈ যাব নোৱাৰিলে। এইবোৰ কৃতিৰ বাহিৰেও সুশাসক প্ৰজাপালক ৰজা হিচাবে তেওঁৰ খ্যাতি ইতিহাসত ৰৈ ৰৈ পৰা হৈ থাকিব।

মহাৰাজ শিৱেন্দ্ৰনাৰায়ণ : (১৮৪০—১৮৪৭) :—

মহাৰাজ হৰেন্দ্ৰনাৰায়ণ কাশীবাসৰ সময়ত তেওঁ ৰাজ্যৰ শাসন ভাৰ জ্যেষ্ঠপুত্ৰ শিৱেন্দ্ৰনাৰায়ণ আৰু সৰু পুত্ৰ ব্ৰজেন্দ্ৰনাৰায়ণৰ ওপৰত ন্যস্ত কৰিছিল। ব্ৰজেন্দ্ৰনাৰায়ণ উচ্চাভিলাসী অথচ সুখাভিলাষী আছিল; সেয়ে দুয়োজনৰ মাজত মতানৈক্যই দেখা দিছিল। হৰেন্দ্ৰনাৰায়ণৰ মৃত্যুৰ সময়ত তেওঁৰ চাৰিপুত্ৰ বৰ্তমান আছিল। ব্ৰজেন্দ্ৰনাৰায়ণ সিংহাসন অভিলাষী আছিল যদিও পাৰিষদবৰ্গই জ্যেষ্ঠ পুত্ৰ শিৱেন্দ্ৰনাৰায়ণকে পৰম্পৰা মতে ৰজা পাতিলে।

ৰাজ্যাভিষেক :— শিৱেন্দ্ৰনাৰায়ণে (১৮৪০ খৃঃ ৩৩০ ৰাজশক) জেঠ মাহৰ ৩১ তাৰিখে সিংহাসনত আৰোহণ কৰিলে। শিকত ছত্ৰধাৰণ কৰা হল আৰু তেওঁৰ নামত মুদ্ৰাপ্ৰচলন কৰা হয়। ৰাজ্যাভিষেক উপলক্ষে তেওঁ বহু ভূসম্পত্তি আৰু নগদতে অৰ্থাদি দান কৰে। ৰাজ্যাভিষেকৰ সংবাদ কলিকতাস্থ গৱৰ্ণৰ জেনাৰেল আৰু ভূটিয়া ৰজালৈ পঠিওৱা হয়। সেই সময়ত খৃষ্টিয়ান মিচনাৰী সকলৰ দ্বাৰা শ্ৰীৰামপুৰৰ পৰা "সমাচাৰ দৰ্পন" নামেৰে পত্ৰিকা প্ৰকাশ কৰা হৈছিল। তাত ৰাজ্যাভিষেকৰ বাতৰি প্ৰচাৰ কৰা হৈছিল।

শিৱেন্দ্ৰনাৰায়ণৰ প্ৰজাবাৎসল্য : প্ৰশাসনৰ সংস্কাৰ সাধন :— শিৱেন্দ্ৰনাৰায়ণে ৰজা হৈয়েই শাসন কাৰ্য্যত দক্ষতা আনিবৰ বাবে, বিশেষকৈ প্ৰজাসাধাৰণৰ হিতাৰ্থে প্ৰশাসনক চালিত কৰাৰ উদ্দেশ্যে বিদ্যমান পৰিবৰ্ত্তন সাধিলে। তেওঁ ধৰ্ম সভা নামে এক সভাৰ প্ৰৱৰ্তন কৰিলে। ইয়াৰ উদ্দেশ্য হল, এই বৈঠকত মন্ত্ৰীসকলৰ লগতে ধৰি, প্ৰজা-

সাধাৰণৰ ব্যক্তিগত অভাৱ, অভিযোগ শুনা আৰু তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰা। ইয়াৰ ফলত আগতে যিবিলাক অনিয়ম বা অত্যাচাৰ চলিছিল অথচ তাৰ উমান মহাৰাজে পোৱা সম্ভৱ নাছিল। সেইবোৰ সহজে তেওঁৰ দৃষ্টিগোচৰ হবলৈ ধৰিলে, আৰু ন্যায্য বিচাৰ পোৱা হল। ইয়াৰ ভিতৰত কিছুমান অন্যায় কৰ যেনে বৰ্ণকৰ, আদি ৰহিত কৰা হল। কৰ আদায়ৰ বাবে অত্যাচাৰো নাইকিয়া হল। বিচাৰ বিভাগতো তেওঁ বহু পৰিবৰ্তন সাধন কৰে। ১৮৪২ খৃঃত তেওঁ দেওৱানী আৰু ফৌজদাৰী মোকৰ্দ্দমা সৰ্বোচ্চ "আপিল আদালত" সৃষ্টি কৰিলে। ইয়াৰ নাম দিয়া হৈছিল ৰাজসভা। দেওৱান কালিচৰণ লাহিড়ী আৰু ঈশান চন্দ্ৰ মুস্তাফী এই সৰ্বোচ্চ আদালতৰ বিচাৰক মণ্ডলীৰ সদস্য নিযুক্ত হল। সময়ে সময়ে আপীল আদালতত বহিছিল, জৰ্জ আৰু জ্ঞানী পণ্ডিত সকলোৰ লগত তেওঁ পৰামৰ্শ কৰিছিল আৰু সেই হিচাবে ৰায় দিছিল। স্বাভাৱিকতে এই আদালতৰ পৃথক মোহৰ খোদিত হৈছিল। অন্যান্য ফৌজদাৰী বিচাৰৰ ভাৰ তেওঁৰ সৰু ভাতৃ মেঘেন্দ্ৰনাৰায়ণৰ (মহেন্দ্ৰনাৰায়ণ) হাতত অৰ্পিত হৈছিল। বিচাৰ কাৰ্য্যত দক্ষতা আনিবৰ বাবে "নায়েব আহিলকাৰ" আৰু "ফৰ্দ্দৰ অমিন" নামেৰে দুটি পদৰ সৃষ্টি কৰিলে। গোপাল মোহন মজুমদাৰ প্ৰথম নায়েব আহিলকাৰ নিযুক্ত হয়। ইয়াৰ বাহিৰেও মহাৰাজ শিৱেন্দ্ৰ নাৰায়ণে ৰাজকাৰ্য্য তথা অন্যান্য সকলো দিশতে বিশেষ দৃষ্টি ৰাখিবলৈ চেষ্টা কৰিছিল। অযথা বা লাহ বিলাহত অকনো সময় অপচয় নকৰা বুলি তেওঁ সুখ্যাতি লাভ কৰিছিল।

বিবাহ : তোলনীয়া পুত্ৰ গ্ৰহণ :— ১৮৪১ চনত ফাগুন মাহত চাপাগুৰিৰ ব্ৰজৰ কাৰ্কীৰ জীয়েক আৰু পৰ্বতজোৱাৰৰ ব্ৰজেন্দ্ৰনাৰায়ণ চৌধুৰীৰ জীয়েকৰ সতে মহাৰাজ শিৱেন্দ্ৰনাৰায়ণৰ বিবাহ হয়; কিন্তু বহুত

দিনলৈ তেওঁৰ কোনো সন্তানাদি হোৱা নাছিল। সকলোৰে পৰামৰ্শ মতে তেওঁ বলৰাম পুৰৰ শম্ভুনাৰায়ণৰ ৮ বছৰীয়া পুত্ৰ কবীন্দ্ৰনাৰায়ণক তোলনীয়া পুত্ৰ হিচাবে গ্ৰহণ কৰে। কিন্তু ৩ বছৰমান পিছত কবীন্দ্ৰনাৰায়ণৰ (কাছুৱা সাহেব) হঠাৎ মৃত্যু হয়। মহাৰাজ ইয়াতে অত্যন্ত দুখ পায়। পিছত মন্ত্ৰীসকলোৰ পৰামৰ্শ মতে কনিষ্ঠ ভাতৃ ব্ৰজেন্দ্ৰনাৰায়ণ কোঁৱৰৰ পুত্ৰ চন্দ্ৰ নাৰায়ণক আকৌ তোলনীয়া পুত্ৰ হিচাবে গ্ৰহণ কৰে আৰু নতুন নামাকৰণ কৰা হয় নৰেন্দ্ৰনাৰায়ণ। ব্ৰজেন্দ্ৰনাৰায়ণ সিংহাসন অভিলাষী আছিল যদিও তেওঁৰে পুত্ৰক তোলনীয়া পুত্ৰ হিচাবে লোৱা কাৰ্য্যই সম্ভাব্য অশান্তিৰ পৰা মুক্ত ৰাখে। শিৱেন্দ্ৰনাৰায়ণৰ পিছত নৰেন্দ্ৰ নাৰায়ণেই ৰজা হয়।

মঠ মন্দিৰ প্ৰতিষ্ঠা :— পিতৃ হৰেন্দ্ৰ নাৰায়ণে বলুৱাৰাজীত যি শিৱ মন্দিৰ নিৰ্ম্মাণৰ কাম আৰম্ভ কৰিছিল, মহাৰাজে ১৮৪৩ খৃঃত সেই কাম সম্পূৰ্ণ কৰে। তাত তেওঁ "সিদ্ধনাথ শিৱ প্ৰতিষ্ঠা কৰে আৰু দেৱোত্তৰ মাটি দান কৰে। সাগৰদীঘিৰ দক্ষিণ পাৰত অতিথি, ভ্ৰমণকাৰী সন্ন্যাসী আৰু কেৰলীয়া ভকতৰ বাবে 'ধৰ্ম্মশালা' নামে এটি উদ্যান গৃহ নিৰ্ম্মাণ কৰিলে। তাত ধান্যাদি ৰোপনৰ সু বন্দোবস্ত কৰা হয়। ৰাজ-বাড়ীৰ অগ্নিকোণত এটি নতুন পুখুৰী খনাই উৎসৰ্গা কৰে। ৰাজবাড়ীৰ ওচৰত আন আন যি বিলাক মাটিৰে নিৰ্মিত দেৱালয় আছিল, সেইবোৰ ইটাৰে নতুনকৈ নিৰ্ম্মাণ কৰিলে।

কাশীযাত্ৰা ঃ মৃত্যু :— এইদৰে সদা সৰ্ব্বদা কৰ্ম্ম ব্যস্ততাৰ মাজত থাকি ৰাজ্য শাসন কৰাৰ অন্তত মহাৰাজে কাশীবাস কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মন্ত্ৰী আৰু পাৰিষদ বৰ্গৰ ওপৰত ৰাজ্য শাসনৰ সু-বন্দোবস্ত

কৰিলে। তেওঁৰ কাশীযাত্ৰাৰ সিদ্ধান্ত গুৱাহাটীস্থিত এজেণ্টলৈ সবিশেষ জনোৱা হ'ল। যথাসময়ত তোলনীয়া পুত্ৰ নৰেন্দ্ৰনাৰায়ণক লগত লৈ বাৰাণসীলৈ যাত্ৰা কৰিলে। কাশীতে ১৮৪৭ খৃঃত তেওঁৰ মৃত্যু হয়। মহাৰাজ শিৱেন্দ্ৰনাৰায়ণ, সু-পুৰুষ স্বাস্থ্যবান, বিদ্বান আৰু সুবিচাৰক ৰজা আছিল। তেওঁ আছিল সদাচাৰী, মৃদুভাষী, দাতা আৰু জিতেন্দ্ৰিয় কৰ্মযোগী আৰু স্বাভাৱিকতে ধাৰ্মিক ব্যক্তি আছিল।

মহাৰাজ নৰেন্দ্ৰনাৰায়ণ ঃ (১৮৪৭—১৮৬৩) ঃ— মহাৰাজ শিৱেন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিছত বাৰাণসীতে নৰেন্দ্ৰনাৰায়ণৰ ৰাজ্যাভিষেক হয়। এই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ছবছৰ। গতিকে ৰাজমাতাই তেওঁৰ হৈ ৰাজ্য চলাইছিল। ৰাজ্যৰ দেওৱান কালীচন্দ্ৰ লাহিড়ীয়ে নৰেন্দ্ৰ নাৰায়ণৰ শিক্ষালাভৰ বাবে কৃষ্ণনগৰলৈ পঠিয়াই দিয়ে। গুৱাহাটীত থকা কোম্পানীৰ এজেণ্ট কৰ্ণেল জেন কিন্সে নাবালক মহাৰাজৰ তথা ৰাজ্য ৰক্ষণা বেক্ষণত দায়িত্ব লৈ প্ৰশংসনীয় ভূমিকা গ্ৰহণ কৰে। মহাৰাজ নৰেন্দ্ৰনাৰায়ণক ইংৰাজী শিক্ষাৰ দ্বাৰা শিক্ষিত কৰি তোলা হয়। ১৮৬০ খৃঃত তেওঁ সাবালকত্ব প্ৰাপ্ত হোৱাত নিজে ৰাজ্য শাসন কৰিবলৈ আৰম্ভ কৰিলে।

প্ৰজাহিতকৰ কাম ঃ— মহাৰাজ নৰেন্দ্ৰনাৰায়ণ এজন শিক্ষানুৰাগী প্ৰজাহিতকৰ ৰজা আছিল। তেৱেঁই প্ৰথমে বেহাৰ ৰাজ্যত আধুনিক শিক্ষাৰ প্ৰচলন আৰম্ভ কৰে। গোনতে ১৮৫৭ খৃঃত সদৰ এম, ই, নামে বঙলা স্কুল স্থাপন কৰে। ৰাজ্যত ইংৰাজী শিক্ষাৰ প্ৰচাৰৰ বাবে ইংৰাজী বিদ্যালয় স্থাপন কৰিলে। ইয়াৰ আগেয়ে কোনো হাইস্কুল এই অঞ্চলত নাছিল। কৰ্ণেল জেনকিন্‌চৰ বিহাৰ ৰাজ্যৰ প্ৰতি অৱদানৰ স্মৃতি ৰাখি এই স্কুলৰ নাম জেনকিন্‌চ হাইস্কুল ৰখা হয়, যি আজিও বিখ্যাত হৈ আছে। জেনকিন্‌চে

ৰাজ্য পৰিচালনাৰ বাবে দিয়া মাননী এই স্থূলৰ বাবে দান কৰে। প্ৰজাবিলাকৰ সুবিধাৰ বাবে মহাৰাজ নৰেন্দ্ৰনাৰায়ণে কেবাটাও ৰাজপথ, দলং, আদি নিৰ্মাণ কৰে। আধুনিক চিকিৎসাৰ বাবে ঔষধালয় আৰু চিকিৎসালয়ো পাতি দিয়ে। মহাৰাজ নৰেন্দ্ৰনাৰায়ণৰ দিনতে যেহাৰ ৰাজ্যত সতীদাহ প্ৰথা কঠোৰ ভাবে নিষিদ্ধ কৰা হয়, ফলত ই একেবাৰে বিলুপ্ত হয়; ১৮৬১ খৃঃত যেহাৰ ৰাজ্যতো ষ্টাম্প আইন প্ৰবৰ্ত্তিত হয়। তেতিয়াৰ পৰাই ষ্টাম্প কাগজ প্ৰচলিত হয়।

পুত্ৰৰ জন্ম : মহাৰাজৰ মৃত্যু :— ১৮৬২ খৃঃত মহাৰাজৰ এক পুত্ৰ সন্তান ওপজে। তাৰ নাম ৰখা হয় নৃপেন্দ্ৰনাৰায়ণ; কিন্তু পুত্ৰেকৰ বয়স এবছৰ নৌহওঁতেই ১৮৬৩ খৃঃত নৰেন্দ্ৰনাৰায়ণৰ মৃত্যু হয়। মহাৰাজ নৰেন্দ্ৰনাৰায়ণ সৎ চৰিত্ৰবান, বিদ্বান আৰু সুবিচাৰক আছিল। তেওঁৰ সময়ত ৰজা-প্ৰজা উভয়ৰে আয় বৃদ্ধি হয়, ফলত প্ৰজাসকল সুখেৰে বসবাস কৰিবলৈ সক্ষম হয়।

মহাৰাজ নৃপেন্দ্ৰনাৰায়ণ : (১৮৬৩—১৯১১ খৃঃ) :—
মহাৰাজ নৰেন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ নৃপেন্দ্ৰনাৰায়ণ যেহাৰ সিংহাসনত আৰোহণ কৰে। সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ দহ মাহ। ৰাজ্যৰ শাসনভাৰ ন্যস্ত আছিল মহাৰাণী কামেশ্বৰী, বৃন্দেশ্বৰী আৰু নিস্তাৰিণী 'আইদেৱতী'ৰ ওপৰত। পিছত ইংৰাজ চৰকাৰে ৰাজ্য পৰিচালনাৰ বাবে কৰ্ণেল হটনক (Colonel Haughton) কমিচনাৰ হিচাবে নিয়োগ কৰে। তেওঁক যেহাৰ ৰাজ্য পৰিচালনাৰ পূৰ্ণ ক্ষমতা দিয়া হয়।

মহাৰাজৰ শিক্ষালাভ: বিদেশ যাত্ৰাৰ প্ৰস্তাৱ :—

কৰ্ণেল হটনৰ পৰামৰ্শমতে কিশোৰ মহাৰাজক পোনতে বাৰাণসীৰ ওৱাৰ্ডস ইনসষ্টিটিউসনত স্কুলীয়া শিক্ষাৰ ব্যৱস্থা কৰা হয়। তাৰ পিছত পাটনাৰ চৰকাৰী কলেজত শিক্ষা লাভ কৰে। সেই সময়ত বৃটিছে ভাৰতত প্ৰবৰ্ত্তন কৰা শিক্ষা নীতিৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল স্থানীয় ভাষা সংস্কৃতিক আওকাণ কৰি বিলাতী সংস্কৃতিৰ প্ৰতি অনুগত হোৱাৰ পাছত যাতে সেই শিক্ষাত দীক্ষিত সকলে প্ৰত্যক্ষ বা পৰোক্ষভাৱে বৃটিছৰ শাসন কাৰ্য্যত সহায় কৰিব পাৰে। দেশীয় ৰজা বা সম্ভ্ৰান্ত পৰিয়ালৰ লোকসকলৰ ক্ষেত্ৰৰ এই শিক্ষাক বেছি নিয়ন্ত্ৰিত কৰাৰ ব্যৱস্থা কৰা হৈছিল। নৃপেন্দ্ৰনাৰায়ণৰ ক্ষেত্ৰত সেয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ তেওঁৰ অভিভাৱক কাশীকান্ত মুখাৰ্জীক, সময়ে সময়ে হটনে লিখিত নিৰ্দ্দেশ দিছিল। ইয়াৰ পাছতো সম্পূৰ্ণ ৰূপে ইউৰোপীয় ভাৱধাৰা বিস্তাৰ কৰিবলৈ বৃটিছ চৰকাৰে যুৱক নৃপেন্দ্ৰনাৰায়ণক ইংলেণ্ডলৈ পঠিওৱাৰ প্ৰস্তাৱ কৰে, কিন্তু ৰাজমাতা সকল আৰু পৰিষদ বৰ্গই ইয়াৰ তীব্ৰ বিৰোধিতা কৰে। ফলত লেফটেনেণ্ট গভৰ্ণৰ ৰিচাৰ্ড নিজে বেহাৰলৈ আহি তেওঁলোকৰ লগত বুজাপৰা কৰিব লগীয়া হয়। ৰাজমহিষী সকলৰ অকাট্য যুক্তি আছিল যে ইউৰোপত বসবাস কৰাৰ পিছত ডেকা ৰজাই শান্ত সমাহিত মাতৃভূমি বেহাৰ ৰাজ্যত পৰিয়াল, তথা, প্ৰজাসকলৰ প্ৰতি গৰ্ব অনুভৱ কৰা দূৰৰে কথা আকৰ্ষণো অনুভৱ নকৰিব পাৰে; অথচ প্ৰজাহিতকৰ বুলি কোচ ৰাজবংশৰ যি খ্যাতি আৰু ভাৰতৰ্ষ খুব কম সংখ্যকেই [illegible] দাবী কৰিব পাৰে। এনে অকাট্য যুক্তিয়ে বৃটিশ চৰকাৰৰ ভেদনীতিৰ মূল কথাকে উদঙাই দিয়ে। কূটনীতিত নিপুণ চাৰ ৰিচাৰ্ডে তেতিয়া মহাৰাজে মাত্ৰ অলপ দিনৰ বাবেহে ইউৰোপ ভ্ৰমণ কৰিব বুলি ৰাজমাতাসকলক আশ্বাস দিলে। এই আশ্বাসত তেওঁলোক সম্পূৰ্ণ আস্থা স্থাপন কৰিব নোৱাৰি, শেষত মহাৰাজে বিয়া কৰিহে ইউৰোপ ভ্ৰমণ কৰিব পাৰিব বুলি দাবী জনোৱাত ৰিচাৰ্ডে এই চৰ্ত্ত মানি লবলৈ বাধ্য হয়।

এটি ঐতিহাসিক বিতর্কিত বিয়া :— বিয়া সচৰাচৰ ব্যক্তিগত আৰু পাৰিবাৰিক ইচ্ছাৰ ওপৰত নির্ভৰশীল ; কিন্তু কূটনীতিৰ খোপনি নেৰা বৃটিছে ইয়াতো হস্তক্ষেপ কৰিলে। গোৰা হিন্দু ভাবাপন্ন মহাৰাজৰ বিয়াৰ বাবে বৃটিছে তেতিয়াৰ ব্ৰাহ্ম্য সমাজৰ অন্যতম নেতা কলিকতাৰ কেশৱ সেনৰ কন্যা সুনীতি দেবীৰ সতে বিয়াৰ বন্দোবস্ত কৰে ৰাজপৰিয়াল আৰু ৰাজকৰ্মচাৰী সকলৰ আপত্তি সত্বেও। ডেকা মহাৰাজক নানান কৌশলেৰে প্ৰবোচিত কৰি বৃটিছে ৰজাৰ হ'বা কেশৱ সেনলৈ চিঠি লিখালে যে তেওঁ ব্ৰাহ্ম্য সমাজে বিশ্বাস কৰাৰ দৰে একেশ্বৰ বাদত বিশ্বাস কৰে আৰু বহু বিবাহৰ বিৰোধী; সেয়ে হলেও দুয়ো পক্ষৰ ভিন্ন পৰম্পৰা, সামাজিক ৰীতি-নীতি সম্পৰ্কত বহুতো বাদানুবাদৰ সৃষ্টি হয়। বৰ পক্ষই হিন্দু মতে আৰু কন্যা পক্ষই ব্ৰাহ্ম্য মতে। শেষত অৱশ্যে ব্ৰাহ্ম্য পূজাৰীৰ উপস্থিতিত ১৮৭৮ চনত ব্ৰাহ্ম্যমতে ফেব্ৰুৱাৰী মাহত এই বিয়া সম্পন্ন হয়, যদিও বিয়াৰ পিছতো বিবাহৰ পদ্ধতিক লৈ প্ৰত্যেকে নিজা নিজা ব্যাখ্যা দিয়ে। বৰপক্ষই কয় হিন্দু মতে হোৱা বুলি ; কন্যাপক্ষই কয় ব্ৰাহ্ম্য মতে বিয়া হোৱা বুলি। মুঠতে ৰাজনীতি সমাজনীতি আৰু সংস্কৃতিক লৈ নানান ঘাত প্ৰতিঘাতৰ মাজেদি এই বিতৰ্কিত বিয়াখনি সমাপ্ত হয় ; এনে ধৰণৰ বিয়া ইতিহাসত বিৰল।

ইংলণ্ড যাত্ৰা :— বিবাহৰ পিছত মহাৰাজ নৃপেন্দ্ৰনাৰায়ণ উচ্চ শিক্ষাৰ্থে ইংলণ্ডলৈ যাত্ৰা কৰে। তাত তেওঁ চাৰ বেঞ্জামিন পিয়চন আৰু মিচ বেনাৰৰ অধীনত শিক্ষা সমাপ্ত কৰে। পিছত তেওঁ ইটালী, জাৰ্মানী, ফ্ৰান্স, অষ্ট্ৰেলীয়া বুলগেৰীয়া আদি দেশ ভ্ৰমণ কৰে। ১৮৭৯ চনত তেওঁ প্ৰেচিডেন্সী কলেজত ভৰ্ত্তি হৈ আইন শিক্ষাও লাভ কৰে।

বয়স প্ৰাপ্তি : ৰাজকাৰ্য্যভাৰ গ্ৰহণ :— ১৮৮০ চনত মহাৰাজ নৃপেন্দ্ৰনাৰায়ণ সাবালক প্ৰাপ্ত হলত ৰাজ্য পৰিচালনাৰ ভাৰ গ্ৰহণ

কৰে। তেওঁৰ ৰাজত্ব কালতেই আধুনিক শিক্ষাৰ প্ৰতি জন সাধাৰণৰ ধাউতি বৃদ্ধি পায়। ফলত ৰাজ কৰ্তৃপক্ষই পতা বিদ্যালয়বোৰে শিক্ষাৰ্থী চাহিদা পূৰণ কৰিব নোৱাৰা হোৱাত বহুতো বিদ্যালয় গঢ়ি উঠে। মহাৰাজ নৰেন্দ্ৰনাৰায়ণৰ দিনত জেনকিন্‌স হাইস্কুল আৰু আন তিনিখন বঙলাস্কুল স্থাপন কৰাৰ পিছৰে পৰা বেহাৰ ৰাজ্যত আধুনিক শিক্ষাৰ প্ৰতি মানুহৰ দৃষ্টি আকৰ্ষণ হয়। ফলত নৃপেন্দ্ৰনাৰায়ণৰ দিনত এনে স্কুলীয়া শিক্ষাৰ প্ৰতি জন সাধাৰণৰ এনে ধাউতি অভূতপূৰ্ব ভাবে বৃদ্ধি পায়। স্বাভাৱিকতে ৰাজ্য চৰকাৰে পতা স্কুলবোৰে চাহিদা পূৰণ কৰিব নোৱাৰা হয। সেযে ঠায়ে ঠায়ে স্থানীয় মানুহৰ উদ্যোগত আৰু সাহায্যত বেচৰকাৰী ভাবে স্কুল স্থাপন কৰা হয় আৰু সেইবোৰত পৰ্য্যাযক্ৰমে চৰকাৰী সাহায্য দিয়াৰ নীতি প্ৰচলিত হয। গতিকে চৰকাৰী, অৰ্দ্ধ-চৰকাৰী, বেচৰকাৰী স্কুল স্থাপনৰ ধাৰাৰ সৃষ্টি হয়। ইয়াৰ লগে লগে ৰাজ্যত উচ্চ শিক্ষাৰ ব্যৱস্থাৰ প্ৰযোজন হয। ফলত ১৮৮৮ খৃঃত জুন মাহত মহাৰাজৰ উদ্যোগত বেহাৰত প্ৰখ্যাত ভিক্টোৰীযা কলেজ স্থাপন কৰা হয। ইয়াৰ প্ৰথম অধ্যক্ষ আছিল মিঃ গুড্‌লে (Mr. Goodlay), ১৮৯৬ খৃঃত প্ৰথম ভাৰতীয় অধ্যক্ষ হয আচাৰ্য্য ব্ৰজেন্দ্ৰনাথ শীল। পিছলৈ তেওঁৰ নামেৰে এই কলেজৰ নাম আচাৰ্য ব্ৰজেন্দ্ৰনাথ শীল কলেজ” ৰখা হয। পৰ্য্যাযক্ৰমে এই 'কলেজত 'স্নাতক শিক্ষাৰ উপৰিও স্নাতকোত্তৰ (এম, এ,) আৰু আইন শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। উত্তৰ পূৰ্ব্বাঞ্চলত এই কলেজে শিক্ষাৰ ক্ষেত্ৰত মহান ভূমিকা পালন কৰিছে। সাধাৰণ শিক্ষা বিস্তাৰৰ লগে লগে এওঁৰ দিনতে কাৰিকৰী বিদ্যালয়ো স্থাপন কৰা হয় মহিলা শিক্ষা প্ৰসাৰৰ অৰ্থে ১৮৮৯ খৃঃত “সুনীতি কলেজ” নামে এটি বালিকা বিদ্যালয়ো স্থাপন কৰে। পৰৱৰ্ত্তী কালত ইযাৰ নাম 'সুনীতি একাডেমী ৰখা” হয়। মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে ৰাজ্যত শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত কৰা প্ৰচেষ্টাৰ স্বৰূপ ১৯১৭ খৃঃত চাৰ আশুতোষ মুখাৰ্জীয়ে সাহিত্য সভাত দিয়া ভাষণৰ পৰা সহজে অনুমান কৰিব পাৰি। স্বৰ্গগত মহাৰাজৰ (নৃপেন্দ্ৰনাৰায়ণ) উদ্যোগ আৰু চেষ্টাত

কোচ বেহাৰ ৰাজ্যত যেনে শিক্ষাৰ বিস্তাৰ হৈছে, তেনেকুৱা আন কতো হোৱা নাই। আমি বৃটিছ-ভাৰতীয় অধিবাসী হিচাবে দেখিছোঁ যে কোচ বেহাৰৰ দৰে শিক্ষা প্ৰসাৰ, বৃটিছ ভাৰতত হোৱা নাই ......" (অনুবাদ)

শাসন ব্যৱস্থাৰ সংস্কাৰাদি :— মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে তেওঁৰ ৰাজ্যত দেওৱানী, ফৌজদাৰী আৰু পঞ্জীয়ন (ৰেজিষ্ট্ৰেচন) আইন প্ৰৱৰ্ত্তন কৰে। ইয়াৰ আধাৰতে ১৮৮১ চনত প্ৰজা সকলক ত্ৰিশ বছৰলৈ মাটিৰ স্বত্ব প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয়। শাসন ব্যৱস্থাৰ আন আন দিশত প্ৰভূত সংস্কাৰ সাধন কৰে। প্ৰকৃত পক্ষে বৃটিছ শাসন পদ্ধতিলৈ পৰিৱৰ্ত্তন কৰা হয়। বিচাৰৰ বাবে হাইকোৰ্ট, জজ কোৰ্ট, ট্ৰেজাৰী, কমিচনাৰ পুলিচ অফিচাৰ, এচ, ডি, ও, অফিচ আদি স্থাপন কৰে। এইবোৰৰ বিভিন্ন কাৰ্য্যালয়ৰ বাবে গৃহাদি নিৰ্ম্মাণ কৰে। ৰাজধানী কোচ বেহাৰক এক একীভূত পৰিকল্পনা অনুসৰি আধুনিক চহৰলৈ ৰূপান্তৰিত কৰাত এইজনা প্ৰজাৱৎসক নৃপতিৰ সৰ্ব্বাধুনিক দৃষ্টিভঙ্গীৰ প্ৰতিভূ বুলি গন্য কৰিব পাৰি। এই বৈজ্ঞানিক পৰিকল্পনাৰ দৃষ্টিৰেই চহৰৰ বাটপথবোৰ নিৰ্ম্মান কৰা হয়। ৰাজ্যৰ আন আন বাটপথবোৰো নিৰ্ম্মান কৰা হয়। ১৮৮৭ চনত কোচ বেহাৰৰ বৰ্ত্তমান ৰাজপ্ৰাসাদটো নিৰ্ম্মান কৰা হয়। বিখ্যাত স্থপতিবিদ এফ বাৰ্কলীৰ তত্বাবধানত এই প্ৰাসাদ নিৰ্ম্মাণ কৰা হয়। ৰাজপ্ৰাসাদৰ সৌন্দৰ্য্যৰ লগত ৰজিতা খুৱাই, কেৱটাও পুখুৰী প্ৰশস্ত পথ আৰু আন আন অট্টালিকাবোৰ সজোৱা হয়। বিশেষকৈ সাগৰ দীঘিৰ চাৰিওফালে সুন্দৰ সুন্দৰ অট্টালিকাবোৰে তেওঁৰ সৌন্দৰ্য্যবোধৰ চানেকি বহন কৰিছে। ইয়াৰে লগত ৰজিতা খুৱাই ১৮৮৯ চনত বৈৰাগী দীঘিৰ উত্তৰ পাৰত বৰ্ত্তমানৰ মদন মোহনৰ মন্দিৰটো নিৰ্ম্মান কৰা হয়। পুৰণি ৰাজবাড়ীৰ সংলগ্ন মন্দিৰৰ পৰা বিভিন্ন বিগ্ৰহাদি আনি ১৮৯০ চনৰ ৪ মে তাৰিখে বিধিমতে পূজাৰ অন্তত ইয়াতে প্ৰতিষ্ঠা কৰা হয়। এই বছৰতেই আনন্দময়ী ধৰ্ম্মশালাও স্থাপন কৰা হয়। মহাৰাজ নৃপেন্দ্ৰ নাৰায়ণৰ দিনতেই জৈন্তীৰ পৰা গিতালদহলৈকে ৰেলপথ স্থাপন কৰা হয়।

পোনতে ই 'নেৰোগেঞ্জ' হিচাবে স্থাপিত হয়, পিছলৈ মিটাৰ গঞ্জলৈ পৰিবৰ্ত্তন কৰা হয়। তেওঁ ৰাজ্যত টেলিগ্ৰাফ ব্যৱস্থাৰো প্ৰৱৰ্ত্তন কৰে। আৰম্ভণি হিচাবে এটা টেলিগ্ৰাফ অফিচ আৰু কেবাটাও পোষ্ট অফিচ স্থাপন কৰে। ১৮৮৮ চনত কোচ বেহাৰত নৃপেন্দ্ৰনাৰায়ণৰ উদ্যোগত এটি ব্ৰহ্মমন্দিৰ প্ৰতিষ্ঠা কৰা হয়। তাৰ আগৰ বছৰত দাৰ্জিলিং চহৰত লুইস জুবিলি সেনিটেৰিয়ামৰ বাবে ভূমি দান কৰে। ইয়াৰ উপৰিও তেওঁ কেবাটাও আধুনিক হস্পিতাল প্ৰতিষ্ঠা কৰে। ১৮৮৩ খৃঃত জলপাইগুৰি চহৰত নৃপেন্দ্ৰনাৰায়ণ হল' স্থাপন কৰে।

আন প্ৰজাহিতকৰ কাম :—

মহাৰাজ নৃপেন্দ্ৰনাৰায়ণৰ দিনত কৃষি অৰ্থনৈতিক ব্যৱস্থাৰ লেখত লবলগীয়া পৰিবৰ্ত্তন সাধন কৰা হয়। এই উন্নতি সাধন প্ৰচেষ্টাত মহাৰাজৰ ব্যক্তিগত অৱদান উল্লেখযোগ্য। কৰ্ণেল হটন বেহাৰলৈ কমিশনাৰ হৈ অহাৰ আগতে ৰাজ্যত ডগলাসৰ উদ্যোগত প্ৰচলিত ইজাৰা (ঠিকা) ব্যৱস্থাৰে কৰ আদায় কৰা হৈছিল। ইজাৰাদাৰ সকলে ৰাজহ আদায় আৰু সোধোৰাত ব্যস্ত আছিল। কৃষি উপাদানৰ প্ৰতি কোনো দৃষ্টিপাত কৰাৰ মানসিকতা নাছিল। ফলত প্ৰজাই প্ৰায় কৰ আদায়ৰ বাবে অযথা জুলুমৰ সন্মুখীন হৈছিল। এটা সময়ত বহু প্ৰজা সেয়ে দেশান্তৰী হৈছিল। হটনৰ উদ্যোগত ইজাৰা ব্যৱস্থা তুলি দিয়া হয়। তাৰ পৰিবৰ্ত্তে ৰাজ্যত জৰীপ কৰালে আৰু একোটা অঞ্চলক লৈ কেবাটাও 'পৰগনাত' বিভক্ত কৰিলে। পৰগনাৰ ভিতৰত আকৌ জোত বা তালুক বা মৌজাৰ সৃষ্টি কৰিলে। আৰু এইবোৰ ৰাজবংশৰ অঙহী-বঙহী আৰু কিছুমান অনুগ্ৰহধন মানুহৰ হাতত অৰ্পণ কৰিলে। জোতদাৰ (তালুকদাৰ) সকলে জোতৰ পৰিমানৰ ওপৰত নিৰ্দ্দিষ্ট পৰিমানৰ কৰ যোধাৰ লাগে। পতিকে ৰাজহ বিষয়ত তেওঁলোক প্ৰত্যক্ষ ৰজাৰ লগত সম্পৰ্ক। জোতদাৰ সকলে (অসমত মৌজাদাৰ,

তালুকদাৰ হিচাবে অধিক জনাজাত)। তেওঁলোকৰ জোতত প্ৰজাস্বত্ব বন্দোবস্তী কৰিছিল। এনে ব্যৱস্থাত বিশেষ নতুনত্ব নাছিল। বৃটিছ ভাৰতত বেছিভাগেই (অসমতো) এনে ব্যৱস্থা চলিছিল; আৰু আজিও চলি আছে: কিন্তু মহাৰাজ নৃপেন্দ্ৰনাৰায়ণ ইউৰোপৰ পৰা উভতি অহাৰ পাছত (১৮৭৯ চন) ৰাজ্যৰ কৃষি অৰ্থনীতিৰ উন্নতিৰ হকে যি প্ৰচেষ্টা হাতত লৈছিল সি নিঃসন্দেহে তেওঁৰ বৈপ্লবিক চিন্তাধাৰাৰ ফলশ্ৰুতি। ইয়াকেই কোৱা হয় ধৰ্ম্মাশ্ৰিত ৰাজতন্ত্ৰ। এনে ধৰণৰ শাসনতন্ত্ৰই ভাৰত ভূমিত সৰ্ব্বোৎকৃষ্ট হোৱাৰ ফলতেই আজিৰ গণতন্ত্ৰ অপকৃষ্টত পৰ্য্যবসিত। ১৮৮১ চনত তেওঁ আগৰ জৰিপৰ উপৰিও মাটিৰ গুনাগুন ফচলৰ প্ৰকাৰ ভেদ অনুসৰি এক জৰিপ কৰি মাটিৰ শ্ৰেণী বিভাগ কৰে। ইয়াক ৰকম চৰ্চা নামেৰে অভিহিত কৰা হয়। এই ৰকম চৰ্চা অনুসৰি নতুনকৈ খাজনা নিৰূপণ কৰা হয় (নিৰিখ নামা)। এই মতে ফচলৰ ৰকম অনুসৰি মাটিক ১৬ টা ভাগত আকৌ তিনিটা শিতানত উদপাদিকা গুণানুসাৰে বৈজ্ঞানিক ভিত্তিত অঞ্চল হিচাবে যথাক্ৰমে ১ম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ তালুকত বিভক্ত হয়। একে শ্ৰেণীৰ মাটিৰ বাবে তিনিটা শিতানত বিভিন্ন খাজনা নিৰূপিত হৈছিল। অকল সেয়ে নহয় জোতদাৰ আৰু তেওঁৰ তলতীয়া অংশীদাৰ সকল আৰু প্ৰকৃত উদপাদক কৃষক প্ৰজা সকলোৰ বাবে উদপাদিত সামগ্ৰীৰ লাভাংশ নিৰ্দিষ্ট কৰি দিয়া হৈছিল। ইয়াৰ মতে জোতাৰে শতকৰা ৩৫ ভাগ আৰু কৃষকে ৬০ ভাগ পাব, বাকী অংশ মধ্যবৰ্ত্তী স্বত্বাধীকাৰৰ মাজত ভাগ হব। সেই চনত ২য় ফেব্ৰুৱাৰী তাৰিখে এই মৰ্ম্মে এখন ঘোষণা পত্ৰ জাৰি কৰা হৈছিল। ইয়াৰ দ্বাৰা যেনেদৰে মধ্য সত্বা ভোগী সকলোৰ স্বাৰ্থ ৰক্ষা হৈছিল, তেনেদৰে কৃষক প্ৰজাৰো স্বাৰ্থ ৰক্ষা কৰিছিল আৰু জোতদাৰ সকলোৰ মইমতালীৰ ওৰ পেলাইছিল। বিশেষ উল্লেখ যোগ্য ঘটনা হ'ল কৃষক প্ৰজাৰ উচ্ছেদ সম্ভৱপৰ নাছিল। ১৮৮৪-৮৫ চনত আকৌ এটা বিশেষ জৰিপ কৰোৱায়; ইয়াৰ উদ্দেশ্য আছিল আগতে পতিত কিন্তু বৰ্ত্তমানে কৃষিভূমিলৈ পৰিৱৰ্ত্তিত

হোৱা মাটিৰ পৰিমান নির্দ্ধাৰণ কৰা। ইয়াৰ ফলত বাজহৰ বৃদ্ধি হয়।

কৃষিৰ উন্নতিৰ অৱদান :— মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে স্পষ্টকৈ বুজি পাইছিল যে ৰাইজৰ কৃষি ভিত্তিক অর্থ-নৈতিক উন্নতি কৰিবলৈ কৃষিৰ উন্নতি সাধনেই এক মাত্র পথ। সেয়েহে তেওঁ প্ৰথমে বেহাৰ ৰাজ্যৰ জলবায়ুৰে পুষ্ট কৰা ফচলবোৰৰ উৎপাদন বৃদ্ধি কৰাৰ উপায় উলিয়াবলৈ পৰীক্ষা নিৰীক্ষাৰ ব্যৱস্থা কৰিলে। কোচ বিহাৰৰ ধপাত এটা প্ৰধান অর্থকৰী ৰপ্তানী পন্য আৰু সম্ভৱ পর্তুগীজে ভাৰতত ধপাত খেতিৰ প্ৰচলন কৰা বুলি মতৰ বিপৰীতে ধপাত এই ৰাজ্যৰ এক পুৰণি ফচল। বেহাৰৰ ধপাত ব্ৰহ্মদেশলৈ ৰপ্তানীহৈ তাত চুৰট প্ৰস্তুত হৈছিল আৰু সি "বাৰ্ম্মা চুৰট" হিচাবে দেশবিদেশত খ্যাতি লাভ কৰি ৰপ্তানী হৈছিল। ইয়াক এক প্ৰকাৰ একচেটিয়া খেতিৰ দৃষ্টিত নৃপেন্দ্ৰনাৰায়ণে মনোনিবেশ কৰিলে। দেশী আৰু বিদেশী ধপাতৰ গুণা-গুণ বিচাৰ, উৎপাদন বৃদ্ধিৰ উপায় বিচৰা আৰু তাতোকৈ ডাঙৰ কথা দুটাক সংমিশ্ৰিত কৰি (Cross breed) অধিক উৎপাদন ক্ষমতা থকা সৰ্চৰ সৃষ্টি কৰা, যি চিন্তাধাৰা তেতিয়াৰ দিনত মাত্ৰ অতি সীমিত সংখ্যক বৈজ্ঞানিকৰ মাজতহে সীমাবদ্ধ আছিল আৰু আনুসাঙ্গীক কথাৰ চৰ্চা কৰিবলৈ গৱেষণাৰ স্থাপন কৰিলে। ইয়াৰ অধীনত পৰীক্ষা মূলক কৃষি ক্ষেত্ৰ স্থাপন হল। এনে চিন্তাধাৰা আৰু কার্য্যকলাপ ভাৰতত কিয় পৃথিৱীতে তেতিয়া আৰম্ভনি মাত্ৰ। এনে গৱেষণা আৰু উপদেশৰ বাবে মেনিলা আৰু আমেৰিকাৰ পৰা দুজন ধপাঁত বিশেষজ্ঞক কোচবিহাৰলৈ আনিছিল। তেওঁলোকৰ পৰামৰ্শ অনুসৰি ধপাঁত শুকোৱাৰ (Cuting) আধুনিক পদ্ধতি বেহাৰত প্ৰৱৰ্ত্তন কৰায়, আৰু কৃষকক শিকোৱাৰ ব্যৱস্থা কৰে। ধপাঁতৰ ওপৰত আধুনিক বিজ্ঞান ভিত্তিত গৱেষণাৰ পাতনিৰ মাজেৰে আৰম্ভ হোৱা সুপৰিকল্পিত চিন্তাধাৰাৰ ফলত কৃষিৰ সৰ্ব্বাঙ্গীন উন্নতিৰ হকে চোৱাচিতা কৰিবলৈ কৃষি বিভাগ দপ্তৰৰ সৃষ্টি কৰা হল। কুমাৰ

গজেন্দ্ৰনাৰায়ণক (জুনিয়ৰ) কৃষি বিষয়ত শিক্ষা লাভ কৰিবলৈ ইংলণ্ডৰ সাইৰেণ সেসটাত থকা (Royal Academmy for Agriculture) লৈ পঠিওৱা হল। তেওঁ কৃষি বিষয়ত ডিপ্লোমা লৈ আহি ১৮৮৯ চনৰ অক্টোবৰত নৱগঠিত কৃষি বিভাগৰ অধ্যক্ষ হিচাবে যোগদান কৰিলে। ৰাজ্যৰ বনবিভাগ এটা অ'ছিল যিটো এবা ধৰাকৈ P.W,D. বিভাগৰ অধীনত আছিল। সুসংহত কৃষি উন্নতিৰ পৰিকল্পনাৰ লগত সঙ্গতি ৰাখিয়েই ইয়াকো কৃষি বিভাগৰ লগত চামিল কৰা হ'ল। ৰাজ্যৰ বনাঞ্চল সমৃদ্ধিশালী কৰাৰ বাবে অন্যান্য ব্যৱস্থাৱলীৰ ভিতৰত উল্লেখযোগ্য হল ৰাজ্যত চেগুণ গছ ৰোপনৰ বাবে প্ৰচেষ্টা। জলবায়ুৰ বাবে ই অৱশ্যে কৃতকাৰ্য্য হোৱা নাছিল। সেই দৰে ১৮৭৯ চনত এই ৰাজ্যত যাতে ভাল জাতৰ গৰু জন্মিব পাৰে তাৰ বাবেও এটি গো প্ৰজনন কেন্দ্ৰ স্থাপন কৰিছিল। ক্ৰিহচন্ পৰা ষাঁড় আৰু গাই আনি প্ৰজ্ঞাৰ মাজত বিলাই দিয়া হৈছিল। সেইবোৰৰ পোৱালী হলে প্ৰজনন কেন্দ্ৰৰ লগত যোগাযোগ কৰাৰ সৰ্ত দিয়া হৈছিল, যাতে এই ব্যৱস্থা আৰু সম্প্ৰসাৰণ কৰিব পৰা যায়। সদৰ আৰু মহকুমাৰ সদৰবোৰত গো চাৰণ ভূমি সৃষ্টি কৰা হয়। প্ৰজনন কেন্দ্ৰটো পাছত কৃষি বিভাগৰ লগত সাঙুৰি দিয়া হয়। ইয়াৰ বাহিৰেও ফলৰ বাগান (Fruit garden) আৰু ফসল পৰীক্ষাগাৰ (ধান, মৰাপাট, সৰিয়হ আদিৰ উন্নতিৰ বাবে) কৃষি বিভাগৰ অধীনত স্থাপন কৰা হয়। পৰীক্ষাগাৰত উদ্ভুত আধুনিক পদ্ধতিৰ মতে যাতে কৃষকসকলে খেতি কৰিব পাৰে তাৰ বাবে প্ৰচাৰ প্ৰদৰ্শন আৰু উপদেশ দিয়াৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ দিছিল। এই উদ্দেশ্যৰে দেশী বিদেশী কৃষিজাত পণ্য, অন্যান্য শিল্প সামগ্ৰী, আৰু কৃষি যন্ত্ৰপাতি লৈ এক কৃষি প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। জন কিন্স প্ৰাঙ্গনত ১৮৯৩ চনত ৯ মেৰ পৰা ১৩ মে লৈ, এই প্ৰদৰ্শনী মেলা পতা হয়। প্ৰায় চল্লিশ হাজাৰ দৰ্শকে এই প্ৰদৰ্শনী চায়। মহাৰাজা নিজে ইয়াৰ উদ্বোধন কৰে আৰু পৰিশ্ৰমী গুণীয়ানী সম্পন্ন কৃষক উৎপাদনকাৰী কৃষকক পুৰস্কাৰ প্ৰদান

কৰে। ইয়াৰ আগতেও মহাৰাজ নৃপেন্দ্ৰনাৰায়ণৰ ৰাজ্যভাৰ গ্ৰহণ অনুষ্ঠান উপলক্ষে ১৮৮৩ চনতো এখনি মেলা পতা হৈছিল— যি বস্তুতঃ পক্ষে কৃষি মেলাই আছিল, কিন্তু সুপৰিকল্পিত উদ্দেশ্যলৈ পতা এনে প্ৰদৰ্শনী এই টোৱেই বেহাৰ ৰাজ্যত এনেকি ভাৰততো নিশ্চয় প্ৰথম, যিয়ে আজিকালি কৃষি মেলাৰ পূৰ্ব্বসূৰী। এক কথাত কবলৈ গলে মহাৰাজ নৃপেন্দ্ৰনাৰায়ণ ভাৰতৰ প্ৰথম সৰ্ব্বশ্ৰেষ্ঠ কৃষি পণ্ডিত।

বেঙ্কিং ব্যৱস্থাৰ প্ৰৱৰ্ত্তন :— কৃষি উন্নতিৰ বাবে মহাৰাজে আন এটি গুৰুত্বপূৰ্ণ ব্যৱস্থা হাতত লৈছিল। সেইটো হল ১৯১২ চনত "কোচবেহাৰ ব্যাঙ্কিং কৰ্পোৰেচনৰ" স্থাপন। কৃষকসকলে খেতিবাতিৰ বাবে মূলধন মহাজনৰ পৰা ঋণ লৈছিল যাক সেই ৰাজ্যত "মুলি দাদন' বুলি কোৱা হৈছিল। যাৰ সৰ্ত্ত সমূহৰ ফলত কৃষক সকল বাহিৰৰ পৰা অহা মহাজনৰ শোষনৰ বলি হৈছিল। বাঙ্কিং কৰ্পৰেশনে কৃষি ঋণ দিয়াৰ ক্ষেত্ৰত আগবঢ়োৱা পদক্ষেপ তেতিয়াৰ যুগৰ ভাৰতবৰ্ষত এটি ডাঙৰ পদক্ষেপ। কাৰণ আজিও কৃষি ঋণতকৈ শিল্প ঋণকহে বেছি প্ৰাধান্য দিয়া হয় আৰু ইয়াৰ ফলতেই কৃষি আজিও লাভ দায়ক ব্যৱসায় ৰূপে ৰূপান্তৰিত হোৱা নাই। ভাৰত স্বাধীন হোৱাৰ ছকুৰি পাচ বছৰ পিছতো কৃষিকাৰ্য্যক সম্মানৰ চকুৰে দৃষ্টি নকৰি ছুই নম্বৰী ব্যৱসায় আৰু চাকৰিৰী কৰা মনো-ভাৱকেই অধিক গুৰুত্ব প্ৰদান কৰাৰ মানসিকতাই শাসনৰ পদীত বহা সকলবেই দেউলীয়া মানসিকতাৰ পৰিচায়ক যে তাকেই প্ৰমাণিত কৰে। মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে কৃষিৰ উন্নতিৰ বাবে আধুনিকতম বিজ্ঞানবোৰ প্ৰচেষ্টা হাতত লৈছিল, সকলোবোৰতে সমান ভাবে কৃতকাৰ্য্যতা লাভ নোহোৱাৰ মূল কাৰণ আছিল এই যে তেওঁ যি বৈপ্লৱিক চিন্তা ধাৰাৰ দ্বাৰা পৰিচালিত আছিল, সৰ্ব্বসাধাৰণ তাৰ পৰা বহু দিলগত পিছ পৰি আছিল; আজিৰ ভাৰতবৰ্ষৰ পটভূমিতো সেই একেই কথা খাটে। অৰ্থাৎ

তেওঁ আছিল পাৰিপাৰ্শ্বিক জগতৰ পৰিপ্ৰেক্ষিতৎকৈ বহুত আগবঢ়া। তেওঁৰ কিছুমান প্ৰচেষ্টাত বৃটিছ চৰকাৰৰ অসহযোগীতা পৰিলক্ষিত হৈছিল; সেয়ে হলেও তেওঁ অৱদমিত হোৱা নাছিল। ফচল পৰীক্ষাগাৰ আৰু গো প্ৰজনন কেন্দ্ৰ ব্যৰ্থ হলেও তেওঁ প্ৰচেষ্টা এৰি দিয়া নাছিল। নিজৰ তৃতীয় পুত্ৰ ভিক্টৰ নিতেন্দ্ৰনাৰায়ণক কৃষি শিক্ষাৰ বাবে ১৯০৭ চনত আমেৰিকালৈ পঠিয়াইছিল। ভিক্টৰে উভতি আহি কৃষিৰ উন্নতিতেই মনোনিৱেশ কৰে। মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে ৰাজ্যত কিছুমান কৃষিভিত্তিক শিল্প, যেনে ধপাত শিল্প, মৰাপাট শিল্প আৰু কাগজ শিল্পত গুৰুত্ব দিছিল; কিন্তু এইবোৰ বৃটিছ চৰকাৰৰ স্বাৰ্থৰ অনুকুলে নাছিল বাবেই তেওঁলোকৰ অসহযোগীতাত ক্ষেত্ৰ-বিশেষে বাধাৰ বাবে সম্ভৱ হোৱা নাছিল। স্বাধীনোত্তৰ যুগতো আচৰিত কথা, ভাৰতৰ প্ৰধান তিনিটা শিল্প ৰাজ্যৰ এটা (বঙ্গদেশৰ অংশ) হৈও ইয়াত শিল্পৰ ছবি অনুপস্থিত আৰু আজিও প্ৰাক্তন কোচবিহাৰ ৰাজ্য তথা উত্তৰ বঙ্গ আজিৰ কলিকতা বা পশ্চিম বঙ্গৰ শোষণ ক্ষেত্ৰ ৰূপে ব্যৱহৃত বুলি প্ৰায় অভিযোগ শুনা যায়, কিন্তু সেয়ে হলেও মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে যি বৈপ্লৱিক চিন্তাধাৰাৰ ঐকান্তিক প্ৰচেষ্টাৰ পাতনি মেলিছিল, তাৰ উদাহৰণ পৃথিৱীজুৰি দুৰ্লভ।

আন আন গুণাৱলী :— মহাৰাজ নৃপেন্দ্ৰনাৰায়ণ, সুন্দৰ সুপুৰুষ, তথা শাৰিৰীক আৰু মানসিক শক্তি দুয়োটাতে ঐশ্বৰ্য্যশালী আছিল। মানসিক গুণাৱলীৰ আভাষ আমি আগতে পাই আহিছো। শাৰিৰীক শক্তিৰ অধিকাৰী হিচাবে তেওঁ আছিল এজন সুদক্ষ অশ্বাৰোহী, সেয়ে নিপুণ পলো খেলুৱৈ ক্ৰিকেট খেলুৱৈ; মুঠতে ক্ৰীড়াবিদ জগতে এজন সুদক্ষ চিকাৰী অকল সেয়ে নহয়, খেলাধুলাৰ এজন পৃষ্ঠপোষকো। আন নহলেও অকল এই দিশতেই তেওঁৰ অৱদানেই তেওঁৰ নাম ইতিহাসত উজ্জ্বল কৰি ৰাখিব। কাৰণ তেওঁৰ উৎসাহ পৃষ্ঠপোষকতাতেই ফুটবল জগততে ভাৰতীয় সকলৰ

অভিলেখ সৃষ্টিকাৰী ১৮৯৩ চনত গঠিত হোৱা ইণ্ডিয়ান ফুটবল এসোসিয়েছন (আই, এফ, এ,) আৰু কলিকতাত উদ্বোধন হোৱা কোচবিহাৰ ফুটবল কাপ পিছলৈ (আই, এফ. এ, শীল্ড) প্ৰতিযোগিতাত মাজেদি পোন প্ৰথমবাৰ সম্পূৰ্ণ ভাৰতীয় দলে এই প্ৰতিযোগিতাত বৃটিছ দলৰ বিৰুদ্ধে খেলিছিল। মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে কোচবিহাৰত ক্ৰিকেট খেলৰ প্ৰচলন কৰে। এসময়ত বঙ্গদেশত ক্ৰিকেট খেলোঁতে কোচবিহাৰৰ ক্ৰিকেটকে বুজাইছিল। তাৰ বাহিৰেও অন্যান্য খেলাধূলাতো উৎসাহ যোগাইছিল। জনকিন্স স্কুলৰ ছাত্ৰ সমাবেশত তেওঁ এইবুলি কৈছিল যে যদি কলিকতা বিশ্ববিদ্যালয়ে শাৰিৰীক চৰ্চা পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰে, ইয়াতো তৎক্ষণাতে কাৰ্যকৰী কৰা হব। ১৮৮৬ চনত তেওঁ পোলোখেল আৰম্ভণি কৰে। তেওঁৰ ৫২টা হাতী আছিল। ঘোঁৰা দৌৰ আৰু পলো খেলাত তেওঁ বহু পুৰস্কাৰ লাভ কৰিছিল। নিপুন চিকাৰী হিচাবে তেওঁ অভিজ্ঞতা আৰু জ্ঞান সন্নিবিষ্ট কৰি চিকাৰ সম্বন্ধীয় কেবাখনো ইংৰাজী ভাষাত কিতাপ লিখি থৈ গৈছে যদিও চৰত থাকি বুকুত কামোৰ মৰা সকলৰ মাহাত্মাত সেই মূল্যবান গ্ৰন্থ সমূহ অন্তৰ্ধান বা পৰৱৰ্তী কালত সংঘটিত হোৱা চক্ৰান্তমূলক অগ্নিদাহত ছাইত পৰিণত হযগৈ।

মহাৰাজ নৃপেন্দ্ৰনাৰায়ণে বৃটিশ সাম্ৰাজ্যৰ মহাৰাণী ভিক্টোৰিয়াৰ ৰাজ্যাভিষেকৰ জুবিলী উৎসৱ উপলক্ষে মহাৰাণী সুনীতি দেৱীৰ সৈতে ইংলণ্ডলৈ যায়। এই উপলক্ষে সুনীতি দেৱীক "ইম্পিৰিয়েল অৰ্ডাৰ অব দি ক্ৰাউন" উপাধিৰে ভূষিত কৰা হয়। মহাৰাণী ভিক্টোৰিয়াই মহাৰাজৰ তৃতীয় পুত্ৰৰ ধৰ্মমাতা হিচাবে আশীৰ্ব্বাদ দিয়ে, সেয়ে তেওঁৰ নাম ভিক্টৰ নিত্যেন্দ্ৰনাৰায়ণ ৰখা হয়। মহাৰাণীয়ে নৃপেন্দ্ৰনাৰায়ণক "গ্ৰাণ্ড কমাণ্ডাৰ অফ মোষ্ট এমিনেণ্ট অৰ্ডাৰ" উপাধিৰে ভূষিত কৰে। ১৯০২ চনত সপ্তম এডোৱাৰ্ডৰ ৰাজ্যাভিষেক উৎসৱতো তেওঁ যোগদান কৰিছিল। ১৯১১ চনৰ

১৮ চেপ্তেম্বৰ তাৰিখে কোচবেহাৰক আধুনিক যুগলৈ পদাৰ্পণ কৰাওতা, প্ৰজাহিতৈষী মহাৰাজ নৃপেন্দ্ৰনাৰায়ণৰ পৰলোক প্ৰাপ্তি ঘটে। ১৫ শ শতিকাৰ আগভাগত কোচ ৰাজত্বৰ শিববংশী ৰাজবংশৰ প্ৰতিষ্ঠাতা মহাৰাজ বিশ্বসিংহৰ পৰৱৰ্ত্তী প্ৰায় পাচ শ বছৰ পিছত সৰ্ব্বাংগিক প্ৰতিনিধি মহাৰাজ নৃপেন্দ্ৰ নাৰায়ণে যি সময়ত কোচবেহাৰ তথা গোটেই ভাৰতৰ উজ্জ্বল জ্যোতিষ্ক ৰূপে জিলিকি আছিল ঠিক সেই সময়তেই সেই একেই শিববংশী ৰাজবংশটোৰ অন্যতম শাখা বিশ্বসিংহৰ পুত্ৰ চিলাৰায়ৰ প্ৰত্যক্ষ অধঃস্তন ৰজা কুমুদনাৰায়ণৰ (বিজনী ৰাজ্যৰ ৰজা) দ্বিতীয়া ৰাণী মহীয়সী অভয়েশ্বৰী দেৱীয়েও এচিয়াৰ সমগ্ৰ নাৰী সমাজত উজ্বল নক্ষত্ৰৰ দৰে জিলিকিছিল (ৰাণী অভয়েশ্বৰী ই ১৮৬১-ই° ১৯১৮ চন)।

অস্তমিত সূৰ্য্য :— কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণৰ প্ৰত্যক্ষ শেষ বংশধৰৰ উত্তৰাধিকাৰী ৰূপে আৰু আধুনিক যুগৰ প্ৰগতিৰ প্ৰজ্বলিত শিখাৰ শ্ৰেষ্ঠ বাহক হৈ মহাৰাজ নৃপেন্দ্ৰনাৰায়ণ নানান মানবীয় গুণাৱলীৰে গুণান্বিত শ্ৰেষ্ঠ নৃপতি হিচাবে কেৱল ৰাজ্য শাসন আৰু প্ৰজাহিতকৰ ক্ষেত্ৰতেই নিজৰ বহুমুখী প্ৰতিভা বিস্তাৰ কৰাৰ অসং নিৰোধী শক্তি ৰূপে সামাজিক দিশত প্ৰতিভাত হৈছিল যে তেনে নহয়, চিন্তাধাৰাৰ আমূল পৰিবৰ্ত্তন আনিবলৈ নিজৰ ব্যক্তিগত জীৱনৰ কাৰ্য্যৰে বেও এজনা শ্ৰেষ্ঠ বিপ্লৱীৰ আদৰ্শ দাঙি ধৰিছে। সেয়ে তেওঁ নিজৰ পাৰিবাৰিক জীৱনতো গতানুগতিক পথেৰে পৰিচালিত নহৈ ব্ৰাহ্ম মতবাদৰ নেতা কেশৱ সেনৰ কন্যা সুনীতি দেৱীক বিয়া কৰায়; নিজ পুত্ৰ সকলক যুগপোযোগী আৰু কাৰিকৰী শিক্ষা দানৰ ব্যৱস্থা কৰাৰ উপৰিও এটা সৰ্ব্বভাৰতীয় মহিমা সৃষ্টিৰ বাবে নিজ পুত্ৰ কুমাৰ জীতেন্দ্ৰ নাৰায়ণৰ বাবে সুদূৰ ৰাজস্থানৰ বৰদা মহাৰাজৰ কন্যা ইন্দিৰা দেৱীক পুত্ৰ বধু হিচাবে বিয়া কৰাই আনে। আনহাতে এজনী জীয়েক কুমাৰী গায়ত্ৰী দেৱীক ৰাজস্থানৰ প্ৰখ্যাত জয়পুৰৰ মহাৰাজলৈ বিয়া

দিয়ে। আনন্দমী জীয়েক ইলাদেৱীকো ত্রিপুৰাৰ ৰজালৈ বিয়া দিয়ে। এই ইলা দেৱীৰ গৰ্ভতেই ত্রিপুৰা ৰজাৰ ঔৰষজাত সন্তানৰ প্ৰত্যক্ষ বংশধৰ ৰূপে ভাৰতীয় কথাচবি আৰু সঙ্গীত জগতত উজ্বল তাৰকা ৰূপে চিহ্নিত গীতিকাৰ সুৰকাৰী মহান শিল্পী ৺শচীন্দ্ৰদেৱ বৰ্মণ আৰু তেওঁৰে উপযুক্ত পুত্ৰ চিত্ৰ তাৰকা শ্ৰীৰাহুলদেৱ বৰ্মণে বংশৰ ঐতিহ্য সংৰক্ষণ কৰি আছে। আধুনিক যুগৰ এই মহান নৃপতি মহাৰাজ নৃপেন্দ্ৰনাৰায়ণৰ ইং ১৯১১ চনত পৰলোক প্ৰাপ্তি হোৱাত ১ম পুত্ৰ ৰাজেন্দ্ৰ নাৰায়ণে পিতৃ সিংহাসনত আৰোহণ কৰে যদিও মাত্ৰ দুই বছৰতে স্বৰ্গগামী হোৱাত দ্বিতীয় পুত্ৰ কুমাৰ জিতেন্দ্ৰনাৰায়ণ ইং ১৯২২ চনত পিতৃ সিংহাসনত আৰুহণ কৰে। কুমাৰ জিতেন্দ্ৰনাৰায়ণ ইং ১৮৮৬ খৃষ্টাব্দত ২০ ডিচেম্বৰত কোচবিহাৰৰ ৰাজপ্ৰাসাদত জন্ম গ্ৰহণ কৰি ৰাজকীয় পৰিবেশতে ডাঙৰ দীঘল হৈছিল আৰু এগৰাকী ইংৰাজ মহিলাৰ তত্বাৱধানত প্ৰাৰম্ভিক গৃহশিক্ষা লাভ কৰিছিল। তেওঁ ইং ১৯০০ চনত ইউৰোপৰ এডিনবুৰো বিশ্ববিদ্যালয়ত আধুনিক শিক্ষা লাভ কৰি কোচ-বিহাৰলৈ প্ৰত্যাৱৰ্ত্তন কৰে। জ্যেষ্ঠ ভ্ৰাতা ৰাজেন্দ্ৰনাৰায়ণ লণ্ডনত চিকিৎসাধীন হৈ থকা কালত বৰোদাৰ মহাৰাজ গাইকোৱাৰৰ জীয়েক ইন্দিৰাদেৱীৰ সৈতে যোগাযোগ হব আৰু তাতেই সকলোৰে সন্মতিক্ৰমে কোর্টত ৰেজিষ্টাৰ বিয়া হয়। এই বিবা ইং ১৯১৩ চনৰ ২৫ আগষ্টত লণ্ডনস্থ বাকিংহাম প্ৰাসাদৰ হোটেলত মহা ধুমধামেৰে সম্পন্ন হয় আৰু ইয়াৰ ঠিক ৬ দিন পিছতেই অসুস্থ মহাৰাজ ৰাজেন্দ্ৰনাৰায়ণৰ পৰলোক গমন হয়। ফলত ভাতৃ কুমাৰ জিতেন্দ্ৰনাৰায়ণে ইং ১৯১৩ চনত অৰ্থাৎ যি চনত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যত (গীতাঞ্জলী নামক কবিতা গ্ৰন্থৰ বাবে) নবেল বঁটা লাভ কৰে, ঠিক সেই চনতেই জিতেন্দ্ৰনাৰায়ণে অপুত্ৰক অৱস্থাত পৰলোক গমন কৰাত কোচবিহাৰৰ ৰাজ সিংহাসনত আৰোহণ কৰে। আধুনিক শিক্ষাত শিক্ষিত মহাৰাজ জীতেন্দ্ৰনাৰায়ণে বহুতো প্ৰজাহিতকৰ কাৰ্য্যত মনোনিবেশ কৰাৰ উপৰিও লৰ্ড কাৰ মাইকেলৰ নামত এটি দাতব্য

চিকিৎসালয়, দুৰ্ভিক্ষৰ সময়ত প্ৰজাসকলক, অন্যান্য ৰাজ্যৰ দুৰ্ভিক্ষ পতিত লোক সকললৈ সাহায্য প্ৰদান, প্ৰথম মহাসমৰত ইংৰাজক সাহায্যৰ কৰণ, কৰ্মচাৰী সকলৰ দৰমহা বৃদ্ধি কৰণ, এজন দক্ষ চিকাৰী হোৱাৰ উপৰিও লণ্ডনৰ পৰা স্বৰ্গীয় পিতৃ নৃপেন্দ্ৰনাৰায়ণৰ এটি মৰ্মৰ মূৰ্ত্তি আনি ৰাজধানীত প্ৰতিস্থা কৰণ আদি নানান কৰ্মত ৰত থাকি ইং ১৯২২ চনত ২০ ডিচেম্বৰত লণ্ডনত অসুস্থতা হেতু পৰলোকলৈ গমণ কৰে।

মহাৰাজ জগদ্দীপেন্দ্ৰনাৰায়ণ :— এওঁ মহাৰাজ জিতেন্দ্ৰনাৰায়ণ আৰু মহাৰাণী ইন্দিৰা দেৱীৰ জেষ্ঠ্য পুত্ৰ আৰু ১২ বছৰ বয়সতে লণ্ডনৰ বিখ্যাত হেৰো (৺জৱহৰলাল নেহৰুও এই স্কুলতে অধ্যয়ন কৰিছিল) স্কুলত অধ্যয়ণ কৰিবলৈ যায় আৰু পিছত ইং ১৯২৯ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰে ; লগতে সামৰিক শিক্ষা লাভো কৰে। ভাৰতলৈ প্ৰত্যাৱৰ্ত্তন কৰি ৭ম ইণ্ডিয়ান কাভালৰিত হায়দৰাবাদত যোগদান কৰে, দেৰাডুনত অনৰাৰী মিলিটাৰী ট্ৰেইনিং পাঠ্যক্ৰমত যোগদান কৰে। তেওঁ ভাৰতৰ সৰ্ব্বাধিনায়ক জেনেৰেল জে, এন, চোধুৰী. ৰাজেন্দ্ৰ সিং আৰু জেনেৰেল কাৰিয়াপ্পাৰ সহপাঠী আছিল আৰু লেফটেনাণ্ট কৰ্ণেল পদবী শোভিত কৰি কে, সি, আই, ই উপাধীৰে ভূষিত হয়। ১৯৩৯ চনত ২য় মহাসমৰত যুদ্ধত যোগদান কৰি লিয়াজন বিষয়া হিচাবে কাৰ্য্যৰত থাকোতে ৰেঙ্গুন আৰু কহিমাত অৱস্থান কৰিছিল। ১৯৩৬ চনত তেওঁ পিতৃ সিংহাসনত আৰোহণ কৰে। তেওঁ অতীৱ দয়ালু আৰু কৰ্ত্তব্য পৰায়ণ আছিল আৰু প্ৰজাসকলৰ সুখ-দুখৰ সম্বেদ লবৰ বাবে নিজে অকলে গাৱে-ভূঞে ভ্ৰমণ কৰিছিল। ইং ১৯৪০ চনত বঙ্গদেশত দেখা দিয়া দুৰ্ভিক্ষৰ বাবে তেওঁ নিজ ৰাজ্যৰ পৰা ৩ লক্ষ মোন খাদ্য শষ্য প্ৰেৰণ কৰিছিল। এজন পাৰ্গত খেলুৱৈ হিচাবে কলিকতা ক্ৰিকেট দলৰ কেপটান হৈ প্ৰতিযোগীতাত যোগদান কৰিছিল; পলো খেলত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল। প্ৰখ্যাত চিকাৰী

হিচাবেও খ্যাতি অৰ্জ্জন কৰিছিল ; এই চিকাৰ কাৰ্য্যত জয়পুৰৰ মহাৰাজ, নেপালৰ মহাৰাজা আৰু বহুতো ইংৰাজ উচ্চ কৰ্মচাৰী তেওঁৰ চিকাৰ কাৰ্য্যৰ সহযোগী আছিল। তেওঁৰ ৰাজত্ব কালতে ডিষ্ট্ৰিক স্কুল ইনসপেক্টৰ, 'চিভিল চাৰ্জন'ৰ পদবী সৃষ্টি কৰি ইষ্টেট ইনফেণ্ট্ৰি, আৰু নৰনাৰায়ণ গাৰ্ড (মহাৰাজ নৰনাৰায়ণ) বাহিনীৰ সৃষ্টি কৰে। তেওঁৰ ৰাজত্ব কালত ৰাজ্যত চুৰি ডকাইতি প্ৰায় নাছিলেই আৰু প্ৰজাই ঘৰৰ দৰজা দিয়াৰো প্ৰয়োজন নহৈছিল। তেওঁ ইংলণ্ডত ১৯৫৬ চনত এক ইংৰাজ মহিলাক বিয়া কৰে যদিও নিসন্তান আছিল।

ইং ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিছত মহাৰাজ জগদ্দীপেন্দ্ৰনাৰায়ণে ইং ১৯৪৮ চনৰ ২০ আগষ্টত নিজ ৰাজ্যখনক ভাৰতৰ লৈগে চামিল কৰণৰ চুক্তি পত্ৰত স্বাক্ষৰ দান কৰে আৰু লণ্ডনত থকাৰ সময়ত তেতিয়াৰ প্ৰধান মন্ত্ৰী ৺জৱাহৰলাল নেহেৰুৰ ওপৰত কোচবিহাৰ বাসীক অসম বা বঙ্গ দেশৰ লগত চামিল হোৱাৰ ক্ষেত্ৰত প্ৰজা সাধাৰণৰেই অভিমত অনুসাৰে চামিল কৰিবলৈ দায়িত্ব দিয়ে। ৺জৱাহৰলাল নেহৰুৱেও কলিকতাৰ ৰাজহুৱা সভাত প্ৰজাৰ অভিমত মতেই কোচবিহাৰ ৰাজ্যক হয় অসম বা বঙ্গৰ লগত চামিল কৰা হব বুলি প্ৰকাশ্যে প্ৰতিশ্ৰুতি দিছিল। কিন্তু অতি দুখৰ কথা কোচবিহাৰ বাসীয়ে অসমৰ সপক্ষে অভিমত দিয়াৰ পিছতো আৰু অসমৰ বিশেষকৈ প্ৰাক্তন গোৱালপাৰা জিলাৰ বাইজে দাবী কৰা স্বত্বেও আৰু অসমৰ তেতিয়াৰ লাট বাহাদুৰ ছাৰ আকবৰ হায়দৰ আলীৰ অসম ভুক্তিৰ সবল যুক্তিৰ পিছতো পণ্ডিত জৱাহৰলাল নেহৰুৱে কমনৱেলথ্ কনফাৰেন্সত লণ্ডনত থকাৰ সময়ত পশ্চিম বঙ্গৰ মুখ্য মন্ত্ৰী ডাঃ বিধান চন্দ্ৰ ৰায় আৰু প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি ৺অতুল্য ঘোষৰ প্ৰভাৱত পৰি উপ প্ৰধান মন্ত্ৰী চৰ্দ্দাৰ বল্লভ ভাই পেটেলে এক পক্ষীয় ভাবে কোচ বিহাৰ ৰাজ্যখনিক জোৰ কৰি বঙ্গদেশৰ লগত চামিল কৰি দিয়ে ইং ১৯৫০ চনৰ ১ জানুৱাৰী তাৰিখত চামিল কৰণৰ এই অপসিদ্ধান্তৰ ফলত

প্ৰাচীন কামৰূপ কামতা তথা বৰ অসমৰ মধুপুৰ অসমবাসীৰ গুৰুদ্বাৰ তথা কোচ ৰাজবংশী সকলৰ বিহাৰ ক্ষেত্ৰ নানান বিক্ষেপী শক্তিৰ ক্ৰীড়াভূমিত পৰিণত হৈ বৰ্ত্তমান উত্তৰ বঙ্গ ওৰফে উত্তৰ খণ্ড পশ্চিম বঙ্গৰ শোষণ ক্ষেত্ৰত পৰিণত হোৱাৰ উপৰিও সুদূৰ অতীতৰ খিলঞ্জীয়া লোক সকল আজি বঙালী আৰু বাংলাদেশীৰ ভাবুকিত অস্তিত্ব বিলুপ্তিৰ ভয়াবহতাৰ সন্মুখীন হৈ ত্ৰস্তমান হৈ আছে। ফলত ভগ্ন স্বাস্থ্য, হতাশা গ্ৰস্ত, আসন চ্যুত মহাৰাজ জগদ্দীপেন্দ্ৰনাৰায়ণ ইং ১৯৭০ চনৰ ১১ এপ্ৰিলত কলিকতা মহানগৰীত শেষ নিশ্বাস ত্যাগ কৰে (১)।

—x—

(১) এই গ্ৰন্থকাৰেও ইং ১৯৪৯ চনৰ অক্টোবৰ মাহত তেতিয়াৰ গোৱালপাৰা জিলাৰ ছাত্ৰ কংগ্ৰেছ কমিটিৰ সহকাৰী সম্পাদক হিচাবে বগাইপাৰৰ গান্ধীময়দানত হোৱা ৰাজহুৱা সভাত কোচবিহাৰক অসমৰ লগত চামিল কৰিব লাগে বুলি সবল যুক্তিৰে ভাষণ দিছিল।

একাদশ অধ্যায়

উত্তৰ পূৱ ভাৰতৰ কোচ ৰাজবংশৰ কেইটামান উল্লেখযোগ্য শাখা

ৰায়কত বংশ (জলপাইগুড়ি জিলা) :— মহাৰাজ বিশ্বসিংহৰ (বিশু) সৰু ভ্ৰাতৃ শিৱসিংহই (শিশু) ৰায়কত (দুৰ্গাধ্যক্ষ) হিচাবে কোচ-ৰাজ্যৰ উত্তৰ-পশ্চিম সীমান্ত ৰক্ষা কৰিছিল আৰু বৰ্ত্তমান শিলিগুড়ি অংচলৰ আশে পাশে গোটেই অঞ্চলত শাসন কৰিছিল। এই শিৱ-সিংহৰ পৰাই ৰায়কত বংশৰ আৰম্ভণি হয় আৰু তেওঁৰ বংশৰ আত্মীয় কুটুমৰ দ্বাৰাই গোটেই অঞ্চল ভৰি পৰে। শিৱসিংহৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ মাণিক্যদেৱ ৰায়কত হয়। মহাৰাজ লক্ষ্মীনাৰায়ণ ঢাকাত নজৰ বন্দী হৈ থকা কালত তেওঁ জীৱিত আছিল (১৬১৪ চন)। মাণিক্যদেৱৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ মাকতিদেৱ ৰায়কত হয়। এওঁৰ শিৱদেৱ, মহীদেৱ, হৰবল্লভ আৰু মীনদেৱ নামৰ চাৰি পুত্ৰ আছিল, শিৱদেৱ আৰু মহীদেৱ ক্ৰমান্বয়ে পৰৱৰ্ত্তী ৰায়কত হৈছিল। মহীদেৱৰ ভুজদেৱ আৰু জয়দেৱ নামৰ দুই পুত্ৰই ৰায়কত হৈ কোচবিহাৰৰ ৰজা আৰু ৰাজ্যৰ ওপৰত বিশেষ আধিপত্য বিস্তাৰ কৰিছিল। পৰৱৰ্ত্তী ৰায়কত দৰ্পদেৱে ১৭৭১ চনত কোচ ৰাজ্যৰ সন্ধিক্ষণত বিশেষ খ্যাতি লাভ কৰাৰ কথা আগতে পাই আহিছো। বৰ্ত্তমান ৰায়কত বংশধৰ সকলে সাধাৰণ জমিদাৰৰ শ্ৰেণীত পৰিগণিত হৈ আছিল। শিলিগুড়ি অঞ্চলত এতিয়াও ৰায়কতৰ প্ৰাচীন কীৰ্ত্তিচিহ্নৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়।

পাঙ্গাৰ ৰাজবংশ (বাংলা দেশ) :— মহাৰাজ বিশ্বসিংহৰ জ্যেষ্ঠ পুত্ৰ নৰসিংহৰ পৰা পাঙ্গাৰ ৰাজবংশৰ সৃষ্টি হৈছে। নৰনাৰায়ণে নৰসিংহক খেদি ৰজা হোৱাৰ সময়ত নৰসিংহৰ এজন পুত্ৰ ব্যাসকেতুই

উক্ত অঞ্চলত ৰাজত্ব কৰিছিল। তেওঁৰ পুত্ৰ মধুসূদনে ১৬১৪ চনত কোচ ৰজা লক্ষ্মীনাৰায়ণ ঢাকাত বন্দী হৈ থকা কালত ৰজাৰ পক্ষে মোগলৰ বিৰুদ্ধে অস্ত্ৰ ধৰিছিল। "বাহাৰি স্থানে ঘাইবী"ত মধুসুদন আৰু তেওঁৰ বংশধৰ সকলৰ বীৰত্বৰ কথা বহুল ভাবে উল্লেখ কৰা আছে। সময়ৰ বিৱৰ্ত্তনৰ ফলত এতিয়া এওঁলোকক সৰ্ব্বসাধাৰণৰ মাজৰ পৰা বেলেগে বিচাৰি উলিওৱা কঠিন।

কাছাৰ ৰাজবংশ (বৰাক উপত্যকা): মহাৰাজ নৰনাৰায়ণৰ ভ্ৰাতৃ কমলনাৰায়ণৰ (গোহাই কমল) পৰা এই বংশৰ প্ৰতিষ্ঠা হয়। আগতে পাই আহিছো যে কাছাৰ জিলাখন পূৰ্ব্বতে ত্ৰিপুৰা ৰাজ্যৰ অন্তৰ্গত আছিল। ত্ৰিপুৰা বিজয়ৰ পিছত বৰ্ত্তমান কাছাৰ জিলাখন ত্ৰিপুৰা ৰাজ্যৰ পৰা কাটি পৃথক কৰা হৈছে আৰু তাত কমলনাৰায়ণক দেওঁৱান (ধেয়ান) ৰজা হিচাবে নিযুক্ত কৰিছিল। কমলনাৰায়ণে নিজৰ সুবিধাৰ কাৰণে ব্ৰহ্মপুৰত এদল কোচ সৈন্য ৰাখিছিল। এই ব্ৰহ্মপুৰত কোচ সৈন্যই শেষত নিগাজীকৈ বসবাস কৰাৰ কাৰণে সময়ত তাক 'কোচপুৰ' বুলি জনাজাত হয়। এই কোচপুৰকেই কালক্ৰমত 'খাসপুৰ' বুলি অভিহিত কৰা হয় ভাষা আৰু উচ্চাৰণৰ বিৱৰ্ত্তন ফলত (কাচাৰৰ বৰ্ত্তমান অধিবাসী বিলাকে 'প' ক—'ফ' আৰু 'ক' ক 'খ' বুলি উচ্চাৰণ কৰে)।

কমলনাৰায়ণ বৰ ধাৰ্ম্মিক আৰু শান্তিপ্ৰিয় ৰজা আছিল। তেওঁ নিজৰ সুবিধাৰ কাৰণে স্বজাতীয় প্ৰজাবৰ্গক অষ্টাদশ শ্ৰেণীত বিভক্ত কৰি ভিন্ন ভিন্ন কাৰ্য্যত নিয়োগ কৰিছিল। কালৰ সোঁতত এই কাৰ্য্যৰ শ্ৰেণী বিভাগেই হিন্দু ধৰ্ম্মৰ কবলত পৰি বিভিন্ন জাতি ৰূপে গণ্য হয়। বৰ্ত্তমান সমাজৰ পৰা এতিয়া সিইঁতক বিচাৰি উলিওৱা টান। বৰ্ত্তমানো শিলচৰ হাইলাকান্দি মটৰ আলিৰ মধ্যৱৰ্ত্তী স্থান উদাৰবন্দৰ আশে পাশে জাপিৰবন্দ আদি অঞ্চলত বহুতো ৰাজবংশী গাওঁ আছে।

তাত হাজাৰ হাজাৰ ৰাজবংশী মানুহ আছে আৰু তেওঁলোক গোৱালপাৰা জিলাৰ ৰাজবংশী বিলাকৰ সমানেই সামাজিক ক্ষেত্ৰত উন্নত আৰু নৈষ্ঠিক। আনকি তেওঁলোকে 'ৰাজবংশী' 'বৰ্ম্মণ' আদি উপাধি ব্যৱহাৰ কৰে। সেইদৰে চট্টগ্ৰাম ত্ৰিপুৰা মণিপুৰ আদিতো ৰাজবংশী মানুহ দেখিবলৈ পোৱা যায়।

কমল নাৰায়ণৰ মৃত্যুৰ পিছত তেওঁৰ বংশধৰ দুই জন ৰজাই 'খাচপুৰত' ৰাজত্ব কৰিছিল। তাৰ পিছত এই খাচপুৰ কছাৰী বিলাকৰ লীলাক্ষেত্ৰ হৈ পৰে কছাৰী ৰজা তাম্ৰধ্বজৰ দিনত। কছাৰী বিলাক গৃহ বিবাদৰ কাৰণে দুৰ্ব্বল হৈ পৰাৰ সুযোগ গ্ৰহণ কৰি আহোম ৰজাই কছাৰী ৰাজ্য আক্ৰমণ কৰে। এই সংক্ৰান্ততে বহুতো কছাৰী ৰাজপৰিয়াল বৰ্গৰে সৈতে মাইবঙৰ পৰা খাচপুৰলৈ পলাই গৈ তাতে কছাৰী ৰাজ্য পাতে আৰু কছাৰী শক্তি পুনৰ সংগঠন কৰিবৰ যত্ন কৰে। সেইকাৰণে উক্ত খাচপুৰ পৰৱৰ্ত্তী যুগত কছাৰী বিলাকৰ লীলাক্ষেত্ৰ স্বৰূপ হয়। অনুমানিক ১৭শ শতাব্দীৰ আগভাগতে কমল নাৰায়ণৰ বংশ বিলুপ্ত প্ৰায় হোৱাত কছাৰী ৰজা তাম্ৰধ্বজৰ দিনত খাচপুৰ কছাৰী ৰাজধানীত পৰিণত হয়। পিছত কমল নাৰায়ণৰ স্বজাতীয় মতান্তৰে কছাৰী জাতৰ সেনাপতি উদিত খাচপুৰৰ শাসন কৰ্ত্তা হয়। তেওঁৰ বংশৰ বিজয় ধীৰ, মহেন্দ্ৰ, ৰণজিৎ, নৰসিংহ আৰু ভীমসিংহই যথাক্ৰমে খাচপুৰৰ শাসন কৰ্ত্তা হৈছিল। ভীমসিংহৰ পিছত লক্ষী চন্দ্ৰ, কৃষ্ণ চন্দ্ৰ আৰু গোবিন্দ চন্দ্ৰ যথাক্ৰমে কাছাৰৰ ৰজা হয়। গোবিন্দ চন্দ্ৰ গুপ্ত ঘাতকৰ হাতত ১৮৩০ চনত মৃত্যুৰ মুখত পৰাত কাছাৰ ৰাজ্য ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়।

মতান্তৰে কছাৰী ৰজা বীৰ দৰ্পনাৰায়ণে (১৬৪৪—১৬২) ত্ৰিপুৰা ৰজাৰ কন্যা লক্ষীপ্ৰভাক বিয়া কৰাই ত্ৰিপুৰাৰ অধীনত থকা কুকি-সকলৰ দেশ বৰাক উপত্যকা যৌতুক স্বৰূপে লাভ কৰে। তেতিয়া

কছাৰীৰ ৰাজধানী আছিল মাইবং। আহোমে বাৰে বাৰে কছাৰী ৰাজ্য আক্ৰমণ কৰাত কছাৰী ৰজাই বৰাক উপত্যকাৰ খাত্ৰাপুৰ, বিক্ৰমপুৰ, খাচপুৰ আদি ঠাইত নগৰ পাতে। পিছত কছাৰী ৰজা তাম্ৰধ্বজে (১৬৯৫—১৭০৮) আহোমৰ হাতৰ পৰা ৰক্ষা পাবৰ অৰ্থে কোচ ৰাজপৰিয়ালৰ কুঁৱৰী চন্দ্ৰপ্ৰভাক আৰু জয়ন্তীয়া ৰজা ৰামসিংহৰ ভনীয়েক কমলাদেৱীক বিয়া কৰি নিজৰ শক্তি বৃদ্ধি কৰিবলৈ যত্নপৰ হয়। এই চন্দ্ৰপ্ৰভা গোহাই কমলৰ জীয়েক বা নাতিনী হ'ব পাৰে। বিয়াৰ সময়ত কুঁৱৰীৰ লগত যৌতুক আৰু জোৰাঁয়েকক সহায় কৰিবলৈ 'ধেয়ান' সেনাপতিৰ অধীনত কিছুমান যুঁজাৰু কোচ সৈন্য পঠিয়াই দিয়া হয়। এই 'ধেয়ান' সেনাপতিজন কমল নাৰায়ণৰ নিজৰ বংশৰ মানুহ আছিল কিন্তু কমল নাৰায়ণ নিজে নাছিল হয়তো। কোচ জীয়ৰী চন্দ্ৰপ্ৰভাৰ সৌন্দৰ্য্য আৰু গুণ গৰিমাৰ বহুতো আখ্যান পোৱা যায়। বাচস্পতি ভট্টৰ হতুৱাই নাৰদীয় পুৰাণৰ বঙ্গানুবাদ কৰোৱা চন্দ্ৰপ্ৰভাৰ এটি কীৰ্ত্তি।

দৰং ৰাজবংশ :— অসম গভৰ্ণমেণ্ট বুৰঞ্জী শাখাৰ জৰিয়তে এই ৰাজ্যৰ আৰু ৰাজবংশৰ ইতিহাস বহু পূৰ্ব্বেই প্ৰকাশ কৰিছে। গতিকে ইয়াত অতি সংক্ষেপে লিখকৰ নিজা দৃষ্টিভঙ্গীৰ এটি চমু পৰিচয়হে দিয়া হ'ল।

পৰীক্ষিৎ নাৰায়ণ মোগলৰ হাতত বন্দী হোৱাৰ ফলত তেওঁৰ ৰাজ্য মোগলৰ শাসনাধীন হয়। এনে সময়তে বন্দী ৰজাৰ ভাতৃ বলি নাৰায়ণে বৰ্ত্তমান দৰং জিলাত এখন পৃথক ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু নতুন ৰাজ্যৰ নাম দিয়ে দৰং ৰাজ্য। আহোম ৰজাৰো মোগলৰ শক্তি হ্ৰাস কৰিবলৈ দৰং ৰজাৰ লগত মিত্ৰতা সূত্ৰে আৱদ্ধ হৈ নতুন ৰজাক 'ধৰ্ম্ম নাৰায়ণ' উপাধি দিয়ে। ধৰ্ম্ম নাৰায়ণৰ পিছত বংশানুক্ৰমে মহেন্দ্ৰ নাৰায়ণ, সূৰ্য্য নাৰায়ণে ৰাজপাট উপভোগ কৰিছিল।

নাৰায়ণে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি বন্দী হয় আৰু বন্দী ৰজাৰ নাবালক ভ্ৰাতৃ ইন্দ্ৰ নাৰায়ণ দৰং ৰাজ্যৰ ৰজা হয়। ৰাজ্যৰ এই দুৰ্য্যোগৰ সুযোগ গ্ৰহণ কৰি আহোম ৰজাই নিজৰ প্ৰতিপত্তি বিস্তাৰ কৰিছিল। ইন্দ্ৰ নাৰায়ণৰ সময়ত দৰং ৰাজ্যৰ পৰিধি পূবে দিক্‌ৰাই নদী, উত্তৰে গোঁহাই কমল আলি, পশ্চিমে বৰনদী আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ পৰ্য্যন্ত বিস্তৃত আছিল।

ইয়াৰ পিছত দৰং ৰাজ্যৰ ভাগ্যাকাশত কলা ডাৱৰে দেখা দিয়ে। গৃহবিবাদৰ ফলত দৰং ৰাজ্য খণ্ড বিখণ্ড হয় আৰু দৰং ৰজাসকলৰ ক্ষমতা সম্পূৰ্ণৰূপে আহোম ৰজাৰ হাতত ন্যস্ত হয়। ৰাজ্যৰ গৌৰৱ ৰবিও লগে লগে পশ্চিম গগণত মাৰ যায়। গৃহবিবাদৰ ফলত ৰাজ্য খনক কেৱল খণ্ড বিখণ্ড কৰিয়েই ক্ষান্ত থকা নাছিল; বৰং ৰাজকুমাৰ সকলে সম্পূৰ্ণৰূপে সৰ্ব্বস্বান্ত নোহোৱালৈকে বিভিন্ন খণ্ডৰাজ্যৰ কাৰণে সদায় হাই কাজিয়াত নিজকে ব্যস্ত ৰাখিছিল। আহোম ৰাজে দৰং ৰাজপুৰুষ সকলৰ এই নিম্নগামী আত্মঘাতী দ্বন্দৰ ফলত হোৱা ৰাজ্যৰ হীন অৱস্থাৰ সুবিধা গ্ৰহণ কৰি দৰং ৰাজ্যৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভুত্ব বিস্তাৰ কৰে আৰু গোটেই ৰাজ্যখনকে তলতীয়া কৰাৰ চেষ্টাত থাকে।

আহোম ৰাজ্যত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত দৰং ৰাজ কৃষ্ণ নাৰাযণে ১৭৯২ চনত স্বকীয় হেৰোৱা স্বাধীনতা পুনৰ উদ্ধাৰৰ কাৰণে চেষ্টা কৰিছিল যদিও তেওঁ সম্পূৰ্ণভাৱে কৃতকাৰ্য্য হব পৰা নাছিল।

ইয়াৰ পিছত সৰ্ব্বগ্ৰাসী কোম্পানীৰ হাতলৈ দৰং ৰাজ্যখন যায় আৰু ধৰ্ম্মনাৰায়ণৰ দ্বাৰা প্ৰতিষ্ঠিত স্বাধীন ৰাজ্যৰ গৌৰৱ ৰবি চিৰ-দিনৰ কাৰণে অস্তাচলত মাৰ যায়।

বেলতলাৰ ৰাজবংশ (কামৰূপ জিলাত) :— পৰীক্ষিতৰ পৌত্ৰ ৰজা জয়নাৰায়ণৰ পৰা বেলতলাৰ ৰাজবংশ সৃষ্টি হৈছে। জয়নাৰায়ণৰ পুত্ৰ হৰনাৰায়ণ নামান্তৰে গজনাৰায়ণ্‌ আহোম ৰজাৰ অধীনত বৰ্ত্তমান গুৱাহাটীৰ দক্ষিণে বেলতলাত এখন সুকীয়া ৰাজ্য স্থাপন কৰিছিল। তেওঁলোকৰ বংশধৰসকলে মৌজাদাৰী স্বত্ব অনুৰূপত্ত জমীদাৰী গ্ৰহণ কৰি আছিল আৰু বৰ্ত্তমান লুপ্ত।

চিদলী ৰাজবংশ :— চিদলীৰ ইতিহাস সম্পৰ্কে বিজনীৰ ইতিহাসত পোৱা যায় যে এই চিদলী ৰাজ্যখন পূৰ্ব্বত বিজনী ৰাজ্যৰ অন্তৰ্ভূক্ত আছিল। বৰ্ত্তমান যি ৰাজবংশটো আছিল তাক আলোচনা কৰিলে বুজিব পাৰি যে চিদলী ৰাজ্যখন ভোটান ৰাজ্যৰ অন্তৰ্গত আছিল বুলি অনুমান হয়। বৰ্ত্তমান ৰাজবংশটোৰ পূৰ্ব্বে ইয়াত আন এটা মেলেগ ৰাজবংশই ৰাজত্ব কৰিছিল। কোচ ৰাজ্য মুছলমানৰ দ্বাৰা আক্ৰান্ত হোৱাৰ সময়ত ৰাজ্যত এক প্ৰকাৰ বিশৃংখলতাই দেখা দিয়ে। এই সুযোগতে ভীমা পাটগিৰী নামৰ এজন কোচ মানুহে ভীমসিংহ নাম গ্ৰহণ কৰি ভূটানৰ দেৱৰাজৰ সহায়ত এই ৰাজ্যখন স্থাপন কৰে। এই ভীমসিংহ মহাৰাজ বিশ্বসিংহৰ বিমাতৃ জীৰা দেৱীৰ বংশৰ বুলি জনাজাত। এই ভীমসিংহৰ বংশৰ ৰজাসকলৰ পতন হোৱাৰ পিছত বৰ্ত্তমান বংশৰ আদি পুৰুষ চিকন নাৰায়ণ নামৰ এজন ক্ষমতা-প্ৰিয় ৰাজবংশী মানুহে সাধাৰণ অৱস্থাৰ পৰা ন ৰজাৰ শ্ৰেণীত উঠে। এই ৰাজ্যখন ভূটীয়া শাসনকৰ্ত্তাৰ আশ্ৰয়ত থকাৰ কাৰণে বহিঃশত্ৰুৰ আক্ৰমণৰ পৰা সদায় ৰক্ষা পাই আহিছিল। পিছত চিদলী ৰাজ্যৰ ৰাজধানী নমলপুৰৰ (চদলী) পৰা তুলি আনি বিষ্ণাপুৰত পাতে। ইয়াৰ পিছত গৃহবিবাদৰ কাৰণে দুই ভাই বীৰনাৰায়ণ আৰু ইন্দ্ৰিয় নাৰায়ণৰ ভিতৰত যুদ্ধ হয়। ভূটীয়া শাসনকৰ্ত্তা দেৱৰাজৰ চক্ৰান্তত বাহুবলী বীৰ নাৰায়ণে ৰাজ্য হেৰুৱায়। চিদলীৰ বৰ্ত্তমান ৰজাবিলাক

ইন্দ্ৰিয় নাৰায়ণৰ বংশধৰ। ৰজা অভয় নাৰায়ণ আৰু ৰাজা ৺অজিত নাৰায়ণ (M.L.A.) আদিও এওঁৰে বংশধৰ। চিদলীৰ ৰাজপৰিয়ালৰ মানুহে বিছনাৰ গাদীৰ তলত 'খেৰ' ৰখাৰ বিধান এটি কৌলিক ৰীতি; ই মোগল শক্তিৰ বিৰুদ্ধে বিদ্ৰোহ কৰা ৰাণা প্ৰতাপ সিংহৰ প্ৰতিজ্ঞাৰ স্মৃতি। এই ৰাজপৰিয়ালতেই ৰাজা ৺অজিত নাৰায়ণৰ সৈতে মাদ্ৰাজৰ পিঠাপুৰম ৰাজপৰিয়ালৰ জীয়ৰী প্ৰাক্তন সংসদী সদস্যা ৰাণী মঞ্জুলা দেৱীৰ বিবাহ হৈছে।



॥ বিজনী ৰাজ্যৰ চমু পৰিচয় ॥

সংগ্ৰাম সিংহ ধৰ্মৰক্ষক বীৰ চিলাৰায়ৰ নাতি পৰীক্ষিৎনাৰায়ণ আৰু কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ মাজত [illegible] হোৱা আৰু একেৰাহে সুদীৰ্ঘ ১৯ বছৰ ধৰি চলা ধ্বংসাত্মক গৃহযুদ্ধই [illegible] খুড়াক ভতিজাকে দুৰ্ব্বল আৰু বিষাদক্লিষ্ট কৰি তোলা নাছিল— লগতে একে পৰিয়ালৰ, গোষ্ঠীৰ তথা স্ব-জাতি প্ৰজাবৃন্দকো দুফাল কৰি দিছিল চিৰদিনৰ কাৰণে; তাৰ ফলতে আজিও কোচবিহাৰ আৰু অসম পৃথক ৰাজ্য। খুড়াক-ভতিজাকৰ এই আত্মঘাতী কুৰুক্ষেত্ৰৰ পৰিণতিত [illegible]-কামতা-কামৰূপ ৰাজ্য তথা কোচ সাম্ৰাজ্যৰ পশ্চিম ভাগত মোগলৰ আৰু পূব ভাগত অৰ্থাৎ কোচ-হাজো অঞ্চলত আহোম শক্তিৰ প্ৰত্যক্ষ হস্তক্ষেপৰ সেন্দুৰীয়া আলি ৰচিত হয়। এই হস্তক্ষেপৰ পূৰ্ব্বাভাস হিচাপে স্বকৃত ভুলৰ অনুশোচনাৰ জুইত দেই পুৰি পৰীক্ষিৎনাৰায়ণে ১৬১৬ চনত গঙ্গা যমুনাৰ ত্ৰিবেনী সঙ্গমত মৃত্যুক সাৱটি লয়। খুড়াক লক্ষ্মীনাৰায়ণেও আত্মগ্লানি প্ৰক্ষালনৰ বাবে নিজ ৰাজ্যৰ পূব প্ৰান্তৰ ৰাজধানী হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত জীৱনৰ বাকী-ছোৱা কাল ধৰ্ম্মচৰ্চাৰে কালাতিপাত কৰে। পৰীক্ষিৎনাৰায়ণৰ মৃত্যুৰ পিছত তেওঁৰে অন্যতম পুত্ৰ বিজিৎনাৰায়ণ ওৰফে চন্দ্ৰনাৰায়ণে দিল্লীৰ বাদশ্বাহ জাহাঙ্গীৰৰ পৰা পিতৃৰাজ্যৰ দাবীৰ সূত্ৰে পিতৃৰাজ্যৰ অংশ বিশেষ বিজনী ৰাজ্যখনৰ নামমাত্ৰ বশ্যতাৰ বিনিময়ত চনদ গ্ৰহণ কৰি এখন পৃথক ৰাজ্যৰ পাতনি মেলে। এই খণ্ডৰাজ্য খনৰেই নাম বিজনী ৰাজ্য যাৰ মোটামোটি চাৰিসীমা আছিল পূবে মনাহ, পশ্চিমে সোণকোষ, উত্তৰে ভূটান পৰ্ব্বত আৰু দক্ষিণে গাৰোপাহাৰৰ নামনি অংশ পৰ্য্যন্ত অৰ্থাৎ বৰ্তমান গোৱালপাৰা জিলা আৰু এই নতুন ৰাজ্যখনৰ ৰাজধানী আছিল ১৮৬৪ চনলৈকে [illegible]

বিজনী ৰেলষ্টেচনৰ সংলগ্ন বিজনী নগৰ। চন্দ্ৰনাৰায়ণে ১৬৭১ চনৰ পৰা ১৬৯৬ চনলৈকে মোগলৰ তলতীয়া হৈ বিজনী ৰাজ্য পৰিচালনা কৰে; এওঁয়েই প্ৰকৃততে বিজনী ৰাজ্যৰ প্ৰতিষ্ঠাতা।

চন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিছত পুত্ৰ জয়নাৰায়ণে পিতৃ আসনত বহে। এওঁৰ ৰাজত্বকালতে ৰাজপুতনাৰ অম্বৰাধিপতি মান সিংহৰ নাতি ৰামসিংহই মোগলৰ প্ৰধান সেনাপতি হিচাপে আহোম ৰাজ্য জয় কৰিবলৈ আহে আৰু আহোম আৰু দৰং ৰজাৰ বিৰুদ্ধে ৰণ কৰি চৰকাৰ ঢিকিৰ আৰু কামৰূপৰ সীমা মনাহলৈকে মকবল কৰি দিয়ে। এই ৰজা ৰামসিংহক ঢিকিৰ পৰগণাৰ মানুহে 'ৰামৰজা' বুলিছিল। আজিও অভয়াপুৰী নগৰীৰ কিছু উত্তৰত দেওহাটী গাওঁৰ প্ৰান্তভাগত ৰামসিংহই খন্দা গড়ৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়। ৰামসিংহই বহু কৌশল কৰি আৰু সামাজিক আন্দোলনৰ পাতনি মেলি বিজনী ৰাজ্যৰ অধিকাংশ প্ৰজাকে নিজৰ ফলীয়া কৰিবলৈ সক্ষম হয়। ৰাজ্যৰ ৰজা স্বৰূপ চন্দ্ৰনাৰায়ণৰ পুত্ৰ জয়নাৰায়ণেও ৰামসিংহক আহোম বিজয় অভিযানত ধনে জনে সহায় কৰিছিল। আহোমৰ বিৰুদ্ধে হোৱা এই ৰণত সুৰক্ষিত গুৱাহাটী দুৰ্গক কোনো ৰাজপুত বা মোগল সৈন্যই আক্ৰমণ কৰিবলৈ প্ৰথমতে সাহস কৰা নাছিল; কিন্তু জয়নাৰায়ণে নিজ সৈন্যদলৰ সহায়ত দুৰ্গত জৰিয়াই পৰে আৰু যুদ্ধত প্ৰভূত পৰাক্ৰম প্ৰদৰ্শন কৰে। তেওঁৰ এই নিষ্ঠা আৰু বীৰত্বত মুগ্ধ হৈ ৰামসিংহই জয়নাৰায়ণক 'ৰাজা' খিতাপ আৰু বিজনী ৰাজ্যখনক নিজৰ ৰাজ্য হিচাবে পৰিগণিত হোৱাৰ ব্যৱস্থা মোগল সম্ৰাটৰ পৰা অনুমতি আদায় কৰি দিয়ে। তেতিয়াৰে পৰা নামমাত্ৰ পৰাধীনতাত ৰজা জয়নাৰায়ণে নিজ পিতৃৰাজ্যত শাসন কৰিবলৈ ধৰে। এই ব্যৱস্থাত অৱশ্যে ঢাকাৰ নবাবে সন্তুষ্ট হোৱা নাছিল। যিহওক ইতিমধ্যে ৰজা জয়নাৰায়ণে অন্ধ প্ৰেমৰ চাকনৈয়াত পৰি নিজ প্ৰজা গুৱাল এজনৰ সুন্দৰী জীয়েকৰ প্ৰণয়াসক্ত হয় আৰু তাইৰ পাণি-গ্ৰহণ কৰে। ইয়াৰ ফলত ক্ষত্ৰিয় বুলি নিজকে পৰিচয় দিয়া স্বজাতি প্ৰজাৰ বহুতে আন কিছুমানৰ উচটনিত পৰি

ছলে জলে ঢাকাৰ নবাবৰ ওচৰত প্ৰজাৰ ওপৰত অত্যাচাৰ কৰা বুলি অভিযোগ আনে আৰু তাৰ বাবে নবাবক খাটে। নবাবেও কৌশল কৰি সস্ত্ৰীক ৰজা জয়নাৰায়ণক ঢাকালৈ মাতি নিয়ে আৰু ঢাকাতে নজৰবন্দী কৰি থয়। বন্দী অৱস্থাতে ৰজা জয়নাৰায়ণৰ শিৱনাৰায়ণ, হৰনাৰায়ণ আৰু ছুৰ্ঘনাৰায়ণ নামৰ তিনিজন কোঁৱৰৰ জন্ম হয় আৰু বন্দী দশাতেই ঢাকাতে ৰজা জয়নাৰায়ণৰ শেষ নিশ্বাস পৰে। ইতিমধ্যে ৰাজ্যত তালেমান অশান্তিয়ে দেখা দিয়ে আৰু নবাবেও স্বকৃত দোষৰ বাবে ৰজাৰ মৃত্যু হোৱা বুলি যাতে দিল্লীৰ বাদশাহে দোষাৰোপ কৰিব নোৱাৰে তাৰবাবে তিনিওজন কোঁৱৰকে নিজ পিতৃ-ৰাজ্যলৈ উভতি যাবলৈ এৰি দিয়ে। সুযোগ সন্ধানী প্ৰথম পুত্ৰ শিৱনাৰায়ণৰ নেতৃত্বত তিনিও ভায়েকে ঢাকাৰ পৰা নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰাৰ পথত বাট বাটে পিতৃৰাজ্যত হৈ থকা ঘটনাৱলীৰ বুজ লৈ আহে আৰু তেতিয়া বিজনী ৰাজ্যখনক নামমাত্ৰ ৰাজত্ব কৰি থকা চতুৰসিংহৰ বা-ৰাওৰি কয়। ৰাজধানী বিজনীলৈ সদলবলে অহাৰ পথত ঢাকাৰ নবাবৰ প্ৰতিনিধি বৈটামাৰীত থকা থানাদাৰৰ থানা আক্ৰমণ কৰি দখল কৰে। নবাবে এই সংবাদ পাই গুৱাহাটীত থকা মোগল সৈন্যাধ্যক্ষক এই ৰাজকুমাৰ তিনিজনক বন্দী কৰিবলৈ আদেশ দিয়ে। শিৱনাৰায়ণে তেতিয়া বিজনীত শাসন কৰি থকা চতুৰসিংহৰ ওচৰ চাপে আৰু নিজ অভিপ্ৰায়ৰ কথা প্ৰকাশ কৰে ; কিন্তু ইতিমধ্যে শিৱনাৰায়ণৰ আন দুগৰাকী ভাতৃয়ে মোগলৰ হাতত সুৰসুৰীয়া যুদ্ধত বন্দী হ'ব লগা হয়। উক্ত চতুৰসিংহ আছিল ৰাজপুতনাৰ এক ৰাজপুত ক্ষত্ৰিয় সৈন্যৰ ঔৰসত বিজনী অঞ্চলৰ এক ৰাজবংশী ৰমণীৰ গৰ্ভজাত সন্তান দয়ালসিংহৰ পুত্ৰ। ৰজা জয়নাৰায়ণক ঢাকাত নজৰ বন্দী কৰি ৰখাৰ সময়ত বিজনী ৰাজ্য প্ৰায় অৰাজক অৱস্থাত পৰিণত হৈছিল এই সুযোগতে উত্তৰাংশত ভূটিয়াৰ প্ৰতিপত্তি বাঢ়ে আৰু ভূটানৰ শাসনকৰ্তা দেৱৰাজৰ সহায়ত দয়ালসিংহই বিজনী ৰাজ্যৰ মূল ভূখণ্ড শাসন কৰিবলৈ ধৰে। এই দয়াল সিংহৰে পুত্ৰ চতুৰ সিংহ। পতিকে শিৱনাৰায়ণে ঢাকাৰ পৰা আহি

যেতিয়া চতুৰ সিংহৰ ওচৰ চাপে, তেতিয়া দেখাত আদৰ আপ্যায়ন কৰি গ্ৰহণ কৰিলে আৰু সৈন্য-সামন্ত দি নিজ পিতৃৰাজ্য উদ্ধাৰ কৰিবৰ কাৰণে সাহায্য আগবঢ়োৱাৰ মৌখিক প্ৰতিশ্ৰুতি দিলে; কিন্তু ইফালে গোপনে চতুৰ সিংহই নিজ সেনাপতিসকলক পৰামৰ্শ দিলে যাতে প্ৰকৃত যুদ্ধক্ষেত্ৰত শিৱনাৰায়ণৰ বিপক্ষেহে যুদ্ধ কৰে। কাৰণ শিৱনাৰায়ণৰ যুদ্ধত পতন হলে চতুৰ সিংহৰ ৰাজত্ব নিষ্কণ্টক থাকিব। এয়ে আছিল চতুৰ সিংহৰ চাতুৰালি। এনে চাতুৰ্য্যপূৰ্ণ চক্ৰান্তত চতুৰ সিংহৰ ধৰ্ম্মভীৰু প্ৰধান সেনাপতি পৰ্ব্বত সিংহই সহজে গ্ৰহণ কৰিব নোৱাৰিলে আৰু প্ৰতিবাদ হিচাবে সেনাপতিৰ বাব ইস্তাফা দি থুটাঘাট পৰগণাৰ দেওহাটী নামৰ গাওঁলৈ সপৰিয়ালে গুচি আহে। এই পৰ্ব্বত সিংহ হৈছে ৰামসিংহৰ লগত অহা ব্ৰজেন্দ্ৰ লাল নামৰ ৰাজপুত সৈনিক এজনৰ ঔৰষত আৰু পূৰ্ব্ব উল্লেখিত দয়াল সিংহৰ ভগ্নী দুৰ্গাৱতী দেবীৰ গৰ্ভত জন্মলাভ কৰা সন্তান। চতুৰ সিংহৰ লগত হোৱা বন্দোবস্ত মতে শিৱনাৰায়ণে সৈন্য সামন্ত সংগ্ৰহ কৰি ব্ৰহ্মপুত্ৰ নদ পাৰ হয় আৰু মোগলৰ নবাবৰ বিৰুদ্ধে যুজিবলৈ পুখুৰীপাৰা নামৰ ঠাইত চাউনি পাতে। বৈটামাৰীৰ ফালৰ পৰাও দলজিৎ সিংহৰ নেতৃত্বত শিৱনাৰায়ণৰ সৈন্য বাহিনীৰ লগত এটা সৈন্যবাহিনী যোগদান কৰে। ইফালে পৰ্ব্বত সিংহয়ো চতুৰ সিংহৰ চক্ৰান্তৰ কথা গোপনে শিৱনাৰায়ণক জনাই ৰাখে, কিন্তু শিৱনাৰায়ণে বিশেষ গুৰুত্ব নিদিলে। নবাবৰ সৈন্যৰ সৈতে ঘোৰতৰ যুদ্ধৰ সময়ত চতুৰ সিংহৰ সৈন্য বাহিনীৰ বিশ্বাসঘাতকতাৰ ফলত শিৱনাৰায়ণ যুদ্ধত হাৰে আৰু আত্মগোপন কৰি আত্মৰক্ষা কৰে। অৱশেষত পৰ্ব্বত সিংহৰ মধ্যস্থতাত শিৱনাৰায়ণে ভুটানৰ শাসনকৰ্ত্তা দেবৰাজৰ সাহায্য প্ৰাৰ্থী হয়। ভুটীয়া ৰাজ দেবৰাজে শিৱনাৰায়ণহে বিজনী ৰাজ্যৰ প্ৰকৃত মালিক তাক সম্পূৰ্ণভাৱে উপলব্ধি কৰে আৰু চতুৰ সিংহৰ চাতুৰালিৰ পোতক তুলিবলৈ শিৱনাৰায়ণৰ লগত এদল সৈন্য পঠায়। শিৱনাৰায়ণে নবাবৰ সৈন্যৰ হাতত ছত্ৰভঙ্গ হোৱা নিজ সৈন্য-

দলক পুনৰ সংগঠিত কৰি দেৱৰাজৰ সৈন্যৰে সৈতে আহি পুনৰ চতুৰ সিংহৰ বিৰুদ্ধে যুঁজ কৰে। এই যুঁজত চতুৰ সিংহ হাৰে আৰু কামৰূপলৈ পলাই যায়। ফলত বঙঃ ১১০৬ সালত শিৱনাৰায়ণে নানা ঘাত প্ৰতিঘাতৰ মাজেদি নিজ পিতৃ ৰাজ্য উদ্ধাৰ কৰি ৰাজপাটত বহে। ইয়াৰ পিছত ৰজা শিৱনাৰায়ণে কুটাঘাট, [illegible] চিলকা, [illegible], দোৰা, মেছপাৰা আদি কেবাখনো সৰু সৰু ৰাজ্য নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে। ভুটীয়া শাসনকৰ্তা দেৱৰাজৰ সাহায্যৰ বাবে কৃতজ্ঞতা স্বীকাৰ কৰি [illegible] পৰস্পৰৰ মূল্যবান বাণিজ্য সামগ্ৰী বিনিময় কৰিছিল। মেচ ৰাজ্যৰ পৰা মানকি কাপোৰ আৰু শুকান মাছ ভুটীয়া বজাৰলৈ আৰু ভুটীয়া ৰাজ্যৰ পৰা ভুটীয়া ঘোড়া, চামৰ, কস্তুৰী আদি সলনি কৰিছিল আৰু সেইদিনাৰ পৰা বিজনী ৰাজ্যৰ লগত ভুটীয়া ৰাজ্যৰ এটা মধুৰ সম্পৰ্ক গঢ়ি উঠে। বৃদ্ধ অৱস্থাত ৰজা শিৱনাৰায়ণে তেওঁৰ পুত্ৰ বিজয় নাৰায়ণৰ হাতত ৰাজ্যভাৰ অৰ্পণ কৰি বঙলা ১১৬১ সালত পৰলোকলৈ গমন কৰে। এওঁৰ সৰ্বমুঠ পাঁচ গৰাকী ৰাণী আৰু ১৮ জন পুত্ৰ আছিল।

ইয়াৰ পিছত পাটৰাণী কামিনীবালা দেৱীৰ গৰ্ভজাত পুত্ৰ কুমাৰ বিজয় নাৰায়ণে কম বয়সতে পিতৃ সিংহাসনত আৰোহন কৰে। বয়সৰ ফালৰ পৰা এওঁ হেনো সপ্তম সন্তান আছিল আৰু সেয়ে তেওঁ ৰাজপাটত উঠাৰ লগে লগে চাৰিওফালৰ পৰা বিশেষকৈ ৰাজকৰ্মচাৰীবৰ্গৰ বহুতৰে পৰা বিদ্ৰোহাত্মক আচৰণ পাইছিল; কিন্তু তেওঁ সৎ, সৰল আৰু উদাসীন প্ৰকৃতিৰ হেতুকে সকলো বিদ্ৰোহীকে ক্ষমা কৰিছিল। ৰজাৰ এই সৰলতাৰ সুযোগ গ্ৰহণ কৰি বৰ্ত্তমান মেছপাৰা ষ্টেটৰ পূৰ্বপুৰুষ থানাদাৰ বলৰাম চৌধুৰী ওৰফে কমললোচনে বিজনী ৰাজ্যৰ পৰা বিচ্ছিন্ন হৈ পৃথকভাৱে এখন ক্ষুদ্ৰৰাজ্য পাতে। আনহাতে চাপৰ অঞ্চলৰ থানাদাৰ জয়নাৰায়ণ শৰ্ম্মায়ো বিজনী ৰাজ্যৰ পৰা ফালি গৈ স্বতন্ত্ৰ হয় আৰু ফলত বিজনী ৰাজ্য সীমা কিছু সংকুচিত হয়।

বিজনী ৰাজ্যৰ পূৰ্ব্ব ৰজা জয়নাৰায়ণৰ দিনৰে পৰা দিল্লীৰ মোগল সম্রাটক বছৰি নামমাত্র এটা মাননি দিয়াৰ বন্দোবস্তী আছিল যদিও কাৰ্য্য-ক্ষেত্রত তাক বৰকৈ পালন কৰা নহৈছিল বা সময় সুযোগ মতেহে পূৰণ কৰা হৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মোগল সম্রাটৰ পৰা ভাৰতৰ দেৱানী লাভ কৰাৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানী বিজনী ৰাজ বিজয়নাৰায়ণৰ পৰাও বছৰি ২০০০·০০ টকা দাবী কৰে আৰু এই দাবীৰ উজুহাতত মুহা নামৰ এজন ইংৰাজ চাহাবে ৰজাৰ অনুমতি নোলোৱাকৈয়ে ব্রহ্মপুত্র নদীৰ পাৰৰ বৰ্ত্তমানৰ গোৱালপাৰা নগৰত বেহা বেপাৰৰ বাবে লাগে বুলি যুক্তি দেখুৱাই চাউনি পাতে। মুহা চাউনিয়াৰ এই কাৰ্য্যত ৰজাই অপমানবোধ কৰে আৰু চাহাবজনক গোৱালপাৰা বন্দৰৰ পৰা চাউনি তুলি নিবলৈ নিৰ্দেশ দিয়ে। আচলতে মুহাই পূৰ্ব্ব অভিপ্রেত মনোভাৱেৰে বেহা-বেপাৰৰ আৰত বহুতো ইংৰাজ সৈন্য লুকাই ৰাখিছিল। চাউনি উঠাই নিবলৈ দিয়া নিৰ্দ্দেশত ইংৰাজ সৈন্যৰ সৈতে এখন ৰণ হয়, এই ৰণত সেই সময়ৰ কিছুমান তথাকথিত উচ্চ শ্রেণীৰ ওখ খাপৰ ৰাজকৰ্ম্মচাৰীৰ হীনাত্মক ভূমিকাৰ ফলত ৰজাই বন্দী হব লগা হয়। বন্দী ৰজাক কলিকতালৈ প্রেৰণ কৰে। বিদেশী ইংৰাজ কোম্পানীৰ হাতত বন্দী হব লগা হোৱাত আৰু কেতবোৰ উচ্চজাতৰ নিজ ৰাজ কৰ্ম্মচাৰীয়ে মাতৃভূমিৰ চৰম বিপদৰ সময়ত জঘন্য হঠ-কাৰিতামূলক ব্যৱহাৰত ৰজাই মৰ্ম্মান্তিক বেজাৰ পায়, আৰু এনে জঘন্য সমাজত থকাতকৈ মৃত্যুয়েই শ্রেয় বুলি গঙ্গাৰ পাৰত আত্মহত্যা কৰে। আন কিছুমানৰ মতে বিক্ষুব্ধ হৈ থকা ৰজাজনৰ ষড়যন্ত্রমূলক অপঘাতৰ ফলত মৃত্যু হয় বঙলা ১১৬৬ সালত। মাতৃভূমিৰ স্বাধীনতা ৰক্ষাৰ্থে শহীদ হোৱা ৰজা বিজয় নাৰায়ণে এইদৰে পৰ-ৰাজ্যত শেষ নিশ্বাস ত্যাগ কৰিলে।

বিদেশত বন্দী অৱস্থাত ৰজাই মৃত্যুক আকোৱালী লব লগা হোৱাত বিজনী ৰাজ্যত পুনৰায় অৰাজক অৱস্থাৰ সৃষ্টি হয়। বিভিন্ন ক্ষমতালোভী

আৰু চক্ৰান্তকাৰী শক্তিৰ ঠেলা-হেঁচাত পৰি মৃত ৰজাৰ তিনিপুত্ৰ কোঁৱৰ দেৱীনাৰায়ণ, মুকুন্দ নাৰায়ণ আৰু মাহেন্দ্ৰনাৰায়ণ ৰাজপাটৰ প্ৰকৃত অধিকাৰৰ পৰা বঞ্চিত হয় আৰু ৰাজবংশৰে ৰুদ্ৰনাৰায়ণ নামৰ বেলেগ এজন কোঁৱৰে ইংৰাজৰ সহায়ত ৰাজ-সিংহাসনত বহে। ইতিপূৰ্বে উল্লেখ কৰা পৰ্যন্ত সিংহৰ বংশধৰ বুধাকুৰাম বৰুৱাই সেই সময়ত ৰাজ-দৰবাৰৰ তিতকৰা কাৰ্য্যৰ দায়িত্ব-পূৰ্ণ পদবিত আছিল। সৎ চৰিত্ৰবান আৰু ধৰ্মভীৰু পৰিয়ালৰ অংশীদাৰ হিচাবে বুধাকুৰাম বৰুৱাই হতভাগা ৰজা বিজয়নাৰায়ণৰ পুত্ৰ তিনিজনৰ ভৱিষ্যত অন্ধকাৰ ভাবি আৰু নতুনকৈ হোৱা ৰজা ৰুদ্ৰনাৰায়ণ যে ইংৰাজৰ পুতলা মাথোন তাক উপলব্ধি কৰি ৰাজ চাকৰি ৰাদ দিয়ে আৰু সক্ৰিয় ৰাজনীতিত প্ৰবেশ কৰে। তেওঁ তিনিওজন কুমাৰকে বিপদৰ বন্ধু ভুটীয়া ৰজাৰ ওচৰত লৈ যায় আৰু ভুটীয়া ৰজাক সকলো কথাৰ বুজ দিয়ে। ভুটীয়া দেবৰাজ মধ্যম কুমাৰ মুকুন্দনাৰায়ণক বেছি বুদ্ধিমান বুলি ভাবি মুকুন্দ-নাৰায়ণক ৰজা, দেৱীনাৰায়ণক যুৱৰাজ আৰু মাহেন্দ্ৰনাৰায়ণক নাজিৰ হিচাপে ধৰি লৈ সৈন্য সামন্তৰে বিজনী ৰাজ্যলৈ পঠাই দিয়ে। এইদৰে দেৱৰাজৰ সহায়ত মুকুন্দনাৰায়ণে বহিৰজা ৰুদ্ৰনাৰায়ণক ৰাজ্যৰ পৰা খেদি দি পুনৰায় পিতৃ সিংহাসন অধিকাৰ কৰে।

ৰজা মুকুন্দনাৰায়ণো পিতাকৰ উপযুক্ত সন্তান আছিল আৰু তেওঁৰ ধৰ্মানুৰাগ উদাৰতা আৰু সুবুদ্ধিৰ বলত বিজনী ৰাজ্যৰ ভাগেমান হেৰোৱা গৌৰৱ উদ্ধাৰ হয় আৰু ৰাজ্যৰ শ্ৰীবৃদ্ধি হয়। তেওঁৰ ৭ গৰাকী ৰাণী আছিল যদিও সন্তানহীন হোৱা হেতুকে জ্যেষ্ঠ-ভাতৃ দেৱীনাৰায়ণৰ পুত্ৰেক ৰঘিত-নাৰায়ণকে তোলনীয়া পুত্ৰ হিচাবে গ্ৰহণ কৰে। বঙলা ১১৯৫ সালত জ্যেষ্ঠ-ভাতৃৰ বিয়োগত গভীৰ দুখ পায় আৰু সেই বছৰতেই তেওঁ৷ পৰলোকলৈ গমন কৰে। ৰজাৰ মৃত্যুৰ লগে লগে প্ৰথম গৰাকীৰ বাহিৰে বাকী কেইগৰাকী ৰাণীয়ে সাজিকাচি সালংকৃতা হৈ মৃত ৰজাৰ প্ৰজ্বলিত

চিতাত আৰোহন কৰি সতী যায়। এই সতী যোৱা ৰাণীকেইজনীৰ নাম ক্রমান্বয়ে থানেশ্বৰী, শুভেশ্বৰী, পাৰ্ব্বতী, সুমিত্রা, কৈলাসী আৰু কুলমতী দেৱী আছিল।

ভোলনীয়া পুতেক বলিত নাৰায়ণ একেবাৰে নাবালক অৱস্থাত থকাৰ কাৰণে পূৰ্ব্বৰ বিজয় নাৰায়ণৰ প্ৰথমা ৰাণী বানেশ্বৰী দেৱীয়ে ৰাজ্যৰ মঙ্গল চিন্তা কৰি তেওঁৰ মৃত স্বামীৰ কনিষ্ঠ ভ্ৰাতৃ হেমনাৰায়ণৰ পুতেক হৰিদেৱ নাৰায়ণকে উপযুক্ত যেন বিবেচনা কৰি ৰাজপাটত বহুৱায়। হৰিদেৱনাৰায়ণে বানেশ্বৰী দেৱীৰ সহায়ত ৰাজসিংহাসনত আৰোহণ কৰি বুঢ়ীক অৱহেলা কৰিবলৈ ধৰে। তাৰ ফলত বৃদ্ধা বানেশ্বৰী দেৱীয়ে মনৰ বেজাৰতে যোগীঘোপাত নিজাকৈ ৰাহৰ পাতি থাকিবলৈ ধৰে। এওঁৰ দিনতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বিজনী ৰজাৰ পূৰ্ব্বৰ দেয় টকা ২০০০ ০০ আদায় কৰে। অৱশেষত মাত্র দুবছৰ ৰাজত্ব কালতে ১১৯৭ সালত নাপিতৰ হাতত অপঘাতত মৃত্যুৰ মুখত পৰে। এওঁৰ দিনতে বিজনী ৰাজ্য অঞ্চলত—

ক্ষুৰ ঘষণং ক্ষুৰ ঘষণং
তাতে চিৰিং চিৰিং পানী
তোমাৰ কি মনেৰ কথা
তা আমি জানি, আদি কথা প্ৰচলন হয়।

হৰিদেৱ নাৰায়ণৰ মৃত্যুৰ পিছত ৰাজ্যৰ উত্তৰাধিকাৰী লৈ নানান বিশৃংখলাৰ সৃষ্টি হয়। এই গোলমালৰ ভিতৰতে বইটামাৰীৰ দোলবীৰ কাৰবাৰীয়া ৰাজবংশৰে আন এজন কুমাৰ মহীদেৱ নাৰায়ণক লগত লৈ ঢাকাৰ নবাবৰ পৰা চনদ আনিবলৈ যায় আৰু তাৰ পৰা বিফল মনোৰথ হৈ উভতি আহি ভোটানৰ ৰজাৰ লগ ধৰিবলৈ যোৱাৰ পথত গুপ্তঘাতকে বিষ খুৱাই হত্যা কৰে। এইজনা ৰাজকুমাৰে ৰজা হবলৈ নৌপাওঁতেই মৃত্যুৰ মুখত পৰা কাৰণে 'ডিমাকুমাৰ' ৰূপে জনাজাত। ইয়াৰ পিছত পূৰ্বৰ ৰজা মুকুন্দনাৰায়ণৰ ভোলনীয়া পুতেক আগেয়ে উল্লেখ কৰা বলিত নাৰায়ণক নানা

চেষ্টা যন্ত্রৰ ভিতৰেদি এটা দলে ৰাজপাটত বহুৱায়। এওঁৰ দিনতে মিঃ স্কট চাহাবে কালেক্টৰ হিচাবে নিযুক্তি পাই গোৱালপাৰাত অৱস্থান কৰে। স্কট চাহাবে ৰাজ্যৰ ভিতৰুৱা অৱস্থাৰ কথা লক্ষ্য ৰাখি হাবৰাঘাট আৰু খুটাঘাট পৰগণাৰ পৰা দেৱানী আৰু ফৌজদাৰী ক্ষমতা ৰজাৰ পৰা উঠাই দিয়ে। ইয়াৰ ফলত ৰজা আৰু ইংৰাজৰ মাজত ভালেখিনি মনোমালিন্য হয় আৰু হেৰোৱা স্বাধীনতা উদ্ধাৰৰ বাবে ৰজাই সুযোগ সুবিধাৰ অপেক্ষাত থাকে। এওঁ ধৰ্ম্মপৰায়ণ আৰু প্ৰজাৰঞ্জক ৰজা হিচাবে ৰাজ্যত ভালেমান সৎকাৰ্য্য কৰিছিল আৰু সুদীৰ্ঘ ৩৬ বছৰ কাল ৰাজকাৰ্য্য পৰিচালনা কৰি ১২৩৬ সালত পৰলোকলৈ গমন কৰে। ৰাণী শুভাঙ্কৰী দেৱীয়ে স্বামীৰ চিতাত ৰাণীৰ বেশে সতী যায়। পিছত মৃত ৰজাৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ ৰাজপাটত উঠে। এওঁ পিতাকৰ দৰে গুণী আৰু মানী আছিল। এওঁৰ ৰাজত্ব কালত ৰাজ্যৰ মাটিৰ জৰীপ হয় আৰু তেতিয়াৰ ৰেভিনিউ বোৰ্ডৰ কমিচনাৰ কৰ্ণেল এফ. জেঙ্কিন্স চাহাবৰ পৰামৰ্শত ৰাজ্যৰ মাটিৰ সম্পৰ্কত ভালেমান নতুন নতুন নীতি প্ৰচলন হয় আৰু ৯ বছৰকাল শাসন কৰাৰ পিছত ১২৪৫ সালত মৃত্যুৰ মুখত পৰাত নাবালক পুত্ৰ অমৃতনাৰায়ণে বহুতো হিতাকাংক্ষী ব্যক্তি আৰু ৰাজকৰ্ম্মচাৰীৰ সহায়ত ৰজা হয়। বিজনী ৰাজ্যৰ ৰজাক নাবালক বুলি গম পাই গোৱালপাৰা বন্দৰত বাদাৰ ফোৰ্ড নামৰ এজন ইংৰাজ চাহাবে বিজনী ৰাজ্যক জলতীয়া কৰিবলৈ চিপাহীৰ দ্বাৰা অত্যাচাৰ কৰায় আৰু মুখীয়াল প্ৰজাবৰ্গক উচটনি দিয়ে। ফলত ৰাজমাতৃ তিলেশ্বৰী দেৱীয়ে ৰাজ বিষয়া পদ্মলোচন ঘোষ আৰু কেৱলকৃষ্ণ ৰায়ক বাদাৰ ফোৰ্ড চাহাবৰ বিৰুদ্ধে গুৱাহাটীত থকা ইংৰাজ গভৰ্ণৰৰ এজেন্টৰ ওচৰত পঠিয়ায়। ফলত বাদাৰ ফোৰ্ডৰ বিৰুদ্ধে অনুসন্ধা হয় আৰু ৰজাই শেষ পৰ্য্যন্ত শান্তিৰে ৰাজকাৰ্য্য চলায়। এওঁৰ ৰাজত্ব কালতে সুপণ্ডিত আনন্দৰাম ঢেকিয়াল ফুকন বিজনী ৰাজ্যৰ দেৱানৰ পদত অধিষ্ঠিত আছিল। বঙলা ১২৬০ সালত ৰজা অমৃতনাৰায়ণৰ অপুত্ৰক অৱস্থাত মৃত্যু হোৱাত ৰাণী ভাগ্যেশ্বৰী দেৱীয়ে বঙলা ১২৬৮ সাললৈকে ৰাজত্ব কৰে আৰু

তেওঁৰ ৰাজত্ব কালত প্ৰথমে চন্দ্ৰনাৰায়ণ নামৰ ৰাজবংশৰে বেলেগ এজন কোঁৱৰক তোলনীয়া পুত্ৰ গ্ৰহণ কৰে ; কিন্তু চন্দ্ৰনাৰায়ণৰ নিজ পিতৃৰ জ্যেষ্ঠ পুত্ৰ হোৱা হেতুকে শাস্ত্ৰমতে ৰজা হবৰ অসিদ্ধ বুলি বিবেচিত হোৱাত ৰাজ-বংশৰে কুমুদনাৰায়ণ নামৰ আন এজন ৰাজকোঁৱৰক তোলনীয়া হিচাবে গ্ৰহণ কৰে। এই ৰাণীগৰাকীৰ শাসন কালত ৰাজ্যত কোনো উল্লেখযোগ্য ঘটনা হোৱা নাছিল আৰু ইং ১৮৬১ চনৰ ২৭ মেত পৰলোক গমন কৰে।

ৰাণীৰ মৃত্যুৰ পিছত পূৰ্ব্বৰ মৃতৰজা ইন্দ্ৰনাৰায়ণৰ বিধবা পত্নী কান্তেশ্বৰী দেৱী, মৃতৰজা অমৃতনাৰায়ণৰ বিধবা পত্নী নাগেশ্বৰী দেৱী আদিয়ে যথেষ্ট চেষ্টা কৰি নাবালক কুমুদনাৰায়ণৰ অৰ্থাৎ ভাগ্যেশ্বৰী দেৱীৰ ২য় তোলনীয়া পুত্ৰৰ (পিতৃ আনন্দ নাৰায়ণৰ ২য় পুত্ৰ) নামত ৰাজকাৰ্য্য পৰিচালনা কৰিছিল। ৰাজ্যৰ এনে চালুকীয়া আৰু উপযুক্ত কাণ্ডাৰীহীন অৱস্থা দেখি আৰু ৰাজ্যত নানা বেমেজালি আৰু উপদ্ৰৱৰ সৃষ্টি হোৱাত ইংৰাজ গৰ্ভৰ্মেণ্ট বহুত ভাবি-গুণি বিজনীখন কোৰ্ট অৱ ওৱাৰ্ডচৰ অধীনলৈ নিয়ে আৰু নাবালক ৰাজকুমাৰ কুমুদনাৰায়ণক উচ্চ শিক্ষাৰ কাৰণে ইংৰাজী ১৮৬৩ চনত বাৰাণসী ধামলৈ পঠায়। তাত ৰজা কুমুদনাৰায়ণে ইংৰাজী, পাৰ্চী, বাংলা আৰু হিন্দুস্থানী আদি ভাষাত ব্যুৎপত্তি লাভ কৰে আৰু ভাৰতৰ বহু ঠাইত ভ্ৰমণ কৰি বহুতো অভিজ্ঞতা লাভ কৰে।

ৰাজ্যৰ এনে ধৰণীহীন অৱস্থাৰ সুযোগতে ৰাজ্যত দেখা দিয়া গৃহকন্দলৰ সহযোগত ঝাউলীয়া মেছ নামৰ এজন ভূটানৰ পালি সেনাপতিয়ে ৰাজ্যৰ ৰাজধানী বিজনীৰ ওপৰত আক্ৰমণ চলায় আৰু ৰাজধানীৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ দুৰ্ব্বলতাৰ সুকণ্ডা লৈ ৰাজধানী ছাৰখাৰ কৰে, ৰাজধানী বাসীৰ ওপৰত অত্যাচাৰ কৰে আৰু ৰজাৰ সৰ্ব্বকৰ্ম্মীৰ ওপৰত চৰম অত্যাচাৰ চলায়। বিজনী ৰাজ্যৰ বুৰঞ্জীত ইয়াক 'ঝাউলীয়া ধুমা' বুলি কোৱা হয়। ৰাজপৰিয়াল আৰু ৰাজধানীৰ ওপৰত এই অত্যাচাৰ হোৱাৰ কাৰণে ভংৰেন্দ্ৰনাৰায়ণ ৰজাক অভিৰাম চিৰস্তাদাৰ আদিৰ সহায়ত ৰজাক যোগীঘোপা, দেওহাটী,

ধইটামাৰী আদি ঠাইলৈ স্থানান্তৰিত হয়। এই বিদ্ৰোহ ইং ১৮৬৪ চনত হৈছিল। ৰাজপৰিয়ালৰ আৱেগজনিত ৰাজ্যৰ প্ৰতিৰক্ষাৰ দায়িত্বত থকা বৃটিশ চৰকাৰৰ লগতে নেপালমিশ্ৰিত ৰাউজীয়াৰ লগতে ৰণ হয় আৰু এই ৰণত ৰাউজীয়াৰ পৰাস্ত হয়। এই যুদ্ধৰ ফলত ৰাজধানী বিজনী নগৰ সম্পূৰ্ণভাবে ধ্বংসপ্ৰাপ্ত হোৱাত নতুনকৈ ডুমুৰীয়া নামৰ ঠাইত গোপাল গোবিন্দ দেৱ, প্ৰসন্ন চন্দ্ৰ চৌধুৰী, চন্দ্ৰনাথ মৈত্ৰ আদি ৰাজভক্ত বিষয়াবৰ্গৰ সহায়ত নতুন ৰাজধানী ডুমুৰীয়াত ঠন ধৰি উঠে।

ইতিমধ্যে অধ্যয়নৰত ৰজা কুমুদনাৰায়ণে সাবালক অৱস্থা প্ৰাপ্ত হৈ বোম্বাই, আগ্ৰা, দিল্লী, এলাহাবাদ আদি আৰু গোটেই ভাৰত দেশ ভ্ৰমণ কৰি আহি ইং ১৮৪৭ চনৰ ২১ চেপ্তেম্বৰত আনুষ্ঠানিকভাৱে নিজ সিংহাসনত আৰোহণ কৰে। বৃটিশ চৰকাৰে ১৮৬৬ চনত ভূটানক যুদ্ধত হৰুৱাই ভূটানৰ নামনি অংশ নিজ দখললৈ আনে আৰু বিজনী ৰাজ্যৰ সংলগ্ন অঞ্চল হোৱা হেতুকে ১৮৬৭ চনত ৰজা কুমুদনাৰায়ণৰ নামত প্ৰায় জমিদাৰী ভূমি হিচাবে পত্তন দিয়াত বিজনী দুৱাৰ অঞ্চলো বিজনী ৰাজ্যৰ অন্তৰ্গত হয়, যদিও পূৰ্ব্বে পৰাই উক্ত অঞ্চল ভোটান ৰজাৰ অনুমতিত বিজনী ৰজাই শাসন কৰি আছিল। এওঁৰ ৰাজত্ব কালতে বিজনী ৰাজ্যৰ হাবোৱাঘাট আৰু খুটাঘাট পৰগণাৰ মাটিৰ জৰীপ হয় আৰু খাজনাৰ বিভিন্ন জমিৰ গুণানুসাৰে বিঘাই প্ৰতি এটকা লৈকে হৈছিল, কিন্তু খুটাঘাট পৰগণাৰ খালী জমিৰ বিঘাই প্ৰতি ।।/৪ পাই, ভিটি মাটিৰ ।।০ আৰু আন জমিৰ ।০ আনা অৰ্থাৎ আজিৰ নতুন পইচাৰ হিচাবত বিঘাই প্ৰতি ৬০ পইচা, ৫০ পইচা আৰু ২৫ পইচা আছিল। খুটাঘাট পৰগণাত সৌ সিদিনালৈকে অৰ্থাৎ ১৯৫৬ চনৰ এপ্ৰিল মাহলৈকে এই নিৰিখ চলিছিল। এওঁৰ ৰাজত্ব কালতে পূৰ্ব্বৰ ৰজাদিনীয়া নাৰায়ণী মুদ্ৰাৰ পৰিবৰ্তে ৰাজ্যত বৃটিশ মুদ্ৰাৰ প্ৰচলন হৈছিল। ১৮৮২ চনত বৃটিশে ৰজাক ভূটান দুৱাৰৰ বাকী থকা

অংশ ১৩০০০০ একৰ মাটিৰ ম্যাদি বন্দোবস্তত শুল দিয়ে। আধুনিক শিক্ষাত শিক্ষিত হোৱা এইজনা ৰজাই ৰাজকাৰ্য্য আৰু ৰাজ্য-শাসন নীতিত ভালেখিনি পৰিবৰ্ত্তনৰ সূচনা কৰিছিল, কিন্তু কামদেৱৰ কাম বাণত ক্ষত বিক্ষত হোৱা ডেকা ৰজাজনে আপোন ৰাণী নিস্তেশ্বৰী দেৱীৰ উপৰিও আন এগৰাকী সৰলা পাৰ্ব্বতীয়া কিন্তু ৰূপৱতী আৰু গুণৱতী গাভৰু অভয়েশ্বৰী দেৱীক বিয়া কৰাই সতিনীৰ কাজিয়াৰ পাতনি মেলে। এই দুই ৰাণীৰ টনা-আজোৰাত পৰি ৰজা কৃষ্ণনাৰায়ণৰ অশান্ত আত্মাই অপমৃত্যুৰ গৰাহত পৰিহে শান্তিলাভ কৰে। ইং ১৮৮০ চনৰ ১ মাৰ্চত কলিকতাত অপুত্ৰক অৱস্থাত ৰজাই মৃত্যুৰ মুখত পৰে। ৰজাৰ মৃত্যুৰ পিছত তিনিবছৰ কাল ৰাজ্যত অৰাজক অৱস্থাৰ সৃষ্টি হয়, দুই ৰাণীৰ বিবাদে ঘোৰতৰ আকাৰ ধাৰণ কৰে; সৰু ৰাণীয়ে এটা চকু হেৰুৱাব লগা হয় আৰু জীৱন ৰক্ষাৰ্থে পলায়ন কৰিবলগা হয়; পৰগণীয়াৰ খুন্দা হয় আৰু জোৰ যাৰ মুলুক তাৰ শাসন চলে। এনে অৱস্থাতে আদালতৰ ৰায় মতে দুয়ো ৰাণীয়ে যৌথভাৱে ৰাজ্য শাসন কৰাৰ ব্যৱস্থা হয় যদিও ৰাজ্যত অশান্তি লাগিয়ে থাকে। ইতিমধ্যে ইং ১৮৯১ চনৰ ১৭ মে তাৰিখে ডাঙৰ ৰাণীৰ মৃত্যু হোৱাত সৰু ৰাণীয়ে একচ্ছত্ৰীভাৱে ৰাজ্য শাসন কৰাৰ পথ মুকলি হয়। সৰু ৰাণীয়ে ৰাজপাটত বহাৰ দিনৰে পৰা অসম সাহিত্য সভাৰ ২য় বাৰ্ষিক অধিৱেশন গোৱালপাৰা নগৰত অনুষ্ঠিত হোৱা তাৰিখলৈকে অৰ্থাৎ ১৯১৮ চন পৰ্যন্ত ৩৪ বছৰ কাল ৰাজত্ব কৰি মহাপ্ৰয়াণ কৰে। ৰাণী অভয়েশ্বৰী দেৱীৰ ৰাজত্বৰ কথা আৰু ব্যক্তিগত জীৱনৰ গুণানুকীৰ্ত্তন কৰিবলৈ এখন মহাভাৰতহে হ'ব। মুঠতে বিলাসী ৰজাৰ প্ৰতি ধূলি কণাতে ৰাণীৰ পবিত্ৰ স্মৃতি বিজড়িত হৈ আছে অশান্তি- ৰাণীজনাৰ যোৱাই দিনে ধনৰ হিস্যা গড়েও ৰাইজক ৰাজ এৰি দিয়া ভূমি এতিয়া আছে। ১৯১৮ চনৰ ১৭ অক্টোবৰত ৰাণীৰ মৃত্যুৰ পিছত জেঠৰ জোনাকীয়া পুত্ৰ যোগেন্দ্ৰনাৰায়ণ

বলা হয়; কিন্তু বিচিত্ৰ কাৰণত ৰজাই বলিয়া অৱস্থাপ্ৰাপ্ত হোৱাত ১৯১৮ চনৰ ৩ ডিচেম্বৰত কোৰ্টচ্ অৱ্ ৱাৰ্ডচ্ৰ অধীনত ৰাখে। ইয়াৰ পিছত ৰাজ্যৰ বিভিন্ন ৰাজবংশৰ বিভিন্ন কোঁৱৰে নিজ নিজ দাবীত বিশেষকৈ কুমাৰ ভৈৰৱেন্দ্ৰনাৰায়ণ প্ৰমুখ্যে কহতে ৰাজ্য আৰু ৰাজত্বৰ দাবী কৰি উচ্চ আদালতত কেবাটাও মোকৰ্দ্দমা দাখিল কৰে আৰু সেইবোৰৰ বিৰুদ্ধে মোকৰ্দ্দমাও হয়। মুঠতে ৰাজত্বৰ দাবী কৰি কেৱল মোকৰ্দ্দমাৰ ওপৰতহে ৰাজ্যৰ ৰাজকাৰ্য্য চলি থকাৰ দৰে হৈছিল। অৱশেষত অন্যান্য দাবীদাৰ ভৈৰৱেন্দ্ৰনাৰায়ণৰ দাবীক বেছি যুক্তিপূৰ্ণ বুলি বিবেচনা কৰি কোৰ্টচ্ অৱ্ ৱাৰ্ডচ্ৰ বিৰুদ্ধে থকা মোকৰ্দ্দমাৰ নিষ্পত্তি হয়। প্ৰকাশ যে এই মীমাংসাৰ অন্তৰালত সেতিয়াৰ বিখ্যাত আইনবিদ্ আৰু Legal Remembrancer স্বনামধন্য চাৰ বি, এন, ৰাও, ডাঙৰীয়াৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ আছিল। মীমাংসাৰ চৰ্ত্ত অনুসৰি বলিয়া ৰজা যোগেন্দ্ৰনাৰায়ণ জীৱিত থকা কাল পৰ্য্যন্ত ৰজাৰ নামত কোৰ্টচ্ অৱ্ ৱাৰ্ডচে ৰাজ্য শাসন কৰিব; আৰু ৰজাৰ মৃত্যু হোৱাৰ লগে লগে কুমাৰ ভৈৰৱেন্দ্ৰনাৰায়ণ ৰাজপাটত বহিব পাৰিব। ইং ১৯৩৮ চনৰ ১৮ জুন তাৰিখে বলিয়া ৰজা যোগেন্দ্ৰ নাৰায়ণৰ মৃত্যু হোৱাত ভৈৰৱেন্দ্ৰনাৰায়ণে যথাৰীতি মতে বিজনীৰ ৰাজপাটত অধিষ্ঠিত হয়। সেতিয়াৰে পৰা ইং ১৯৫৬ চনলৈকে অৰ্থাৎ ভাৰত চৰকাৰে জমিদাৰী অধিগ্ৰহণ কৰাৰ তাৰিখলৈকে ৰজা ভৈৰৱেন্দ্ৰনাৰায়ণ ভূপ বাহাদুৰে পূৰ্বপুৰুষ চিলাৰায়ৰ তেজৰ সম্পৰ্ক থকা ৰাজবংশৰ শেষ উত্তৰাধিকাৰী হিচাপে বিজনী ৰাজ্যৰ ৰাজত্ব ভোগ কৰে। বিশাল আৰু ঐতিহ্যপূৰ্ণ বিজনী ৰাজ্যৰ ঠাইতে চমু পৰিচয় দিয়া সম্ভৱ নহয়; চমু কৰিবলৈ বাদতে বহুতো দৰকাৰী ঘটনা আৰু তথ্যপাতি এৰাধৰা লেখকৰ উপৰিও বিজুলীৰ এটি অধিকাৰ হোৱাৰ পূৰ্ণ সম্ভাৱনা থকাত কৰি এই চমু পৰিচয় দাঙি ধৰা হ'ল।

॥ বৃহৎ কোচ গোষ্ঠীৰ অন্যান্য সামন্ত শক্তি সমূহ ॥

সুদূৰ মহাকাব্যৰ যুগৰ পৰা আৰম্ভ কৰি ভাৰতীয় ইতিহাসৰ মধ্য-যুগলৈকে বিভিন্ন নামত পৰিচিত বৃহৎ কোচ মহাজাতিৰ শাখা-প্ৰশাখাবোৰ কালৰ দুৰন্ত সোঁতত চাৰিওফালে সিচৰিত হৈ স্থানীয় পৰিবেশত আত্মজাহ গৈছে। নতুন নামত ন-পজালি মেলিছে আৰু পৰিবৰ্ত্তিত ৰূপত প্ৰাচীন ঐতিহ্যৰ পূৰ্ব্ব পুৰুষৰ বংশগতিৰ ধাৰাৰ চেতনাই অনুকূল পৰিবেশ লাভ কৰি পুনৰাই সাৰ পানী লাভ কৰি আত্ম প্ৰকাশ আৰু আত্ম প্ৰতিষ্ঠিত হৈছে। বিশেষকৈ খৃষ্টাব্দ ষোড়শ শতিকাৰ আগছোৱাত উত্তৰ পূৰ্ব ভাৰতত অৰ্থাৎ মধ্যযুগৰ কামৰূপ কামতা বা বৰ অসমৰ বিভিন্ন অঞ্চলত মহাৰাজ বিশ্বসিংহৰ দুৰ্ব্বাৰ সাংগঠনিক শক্তিৰ উদ্যমত। এই বিশেষ শাখাটোৱে তেওঁৰেই সুযোগ্য পুত্ৰ সকলৰ ভিতৰতে কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণ আৰু বিশ্ববীৰ চিলাৰায়, কৰ্ণবীৰ কমলনাৰায়ণ আদি ১৯ জন ভাতৃ আৰু ভাগী সকলৰ অৰ্থাৎ 'ৰাজগণ' সকলৰ পশ্চিমে মিথিলাৰ পৰা পূবে শদিয়া, উত্তৰে ভূটান আৰু দক্ষিণে মগৰ মুলুক চট্টগ্ৰাম বা সাগৰলৈকে বিস্তৃতি ঘটাৰ ফলত। ৰাজনীতিৰ অংশৰূপে আত্ম বিস্তাৰৰ তাগিদাত, নানান খণ্ড যুদ্ধ-বিগ্ৰহত উক্ত অঞ্চলৰ বিভিন্ন খণ্ডত বহু বিবাহৰ মাধ্যমত নানান ঠাইত কেন্দ্ৰীয় ৰাজশক্তিৰ অনুগত হৈ বা কেন্দ্ৰীয় ৰাজশক্তিৰ অভাৱৰ সময়ত আঞ্চলিক স্বতন্ত্ৰ শক্তি বা সামন্ত শক্তিৰূপে প্ৰভাৱ বিস্তাৰ কৰি বৃহৎ কোচ গোষ্ঠীৰ ৰাজ-বীজৰ অধিকাৰী সকলে ৰাজত্ব কৰিবৰ প্ৰমাণ পাইছে। কালৰ সোঁতত নানান বিকেণী ঘাত প্ৰতিঘাতত সকলো হেৰুৱাই জাতিৰ নিজ শক্তিকাত জাতি তত্ত্বৰ চিনাকীৰ তালিকাত কোনোবাই মেচ, কছাৰী, গাৰো, ৰাভা হিজিং, লালুং, খাচিয়া-পাহাৰকেউজন অৰ্থাৎ ৰাজিৰ কোঁচ বা অনা-বাছিয়া ৰাজ কুমাৰ, ভাটীয়া জেলা, মকৰা মগ চাকমাৰা ৰাজবংশী আদি নানান নামেৰে পৰিচিত হৈ পৰস্পৰে পৰস্পৰক চিনিব নোৱাৰা হৈ

বৰ্তমান পৃথক পৃথক জাতি সত্তাত পৰিণত হৈছে। ব্যাপক অনুসন্ধান, নৃ-তত্ত্ব সমাজ তত্ত্ব, ভাষা তত্ত্ব, পূজা-পাৰ্বন, উপাসনা পদ্ধতি আদিৰ মাধ্যমত সূক্ষ্ম আৰু বৈজ্ঞানিক অধ্যয়ন কৰিলে বৃহৎ কোচ গোষ্ঠীৰ লগতে এওঁলোকৰ ভিতৰত এটা সূক্ষ্ম বংশসূত্ৰৰ ধাৰা অন্তঃসলিলাৰ দৰে প্ৰবাহিত হোৱাৰ পৰিলক্ষিত হয়। আচলতে এওঁলোক সকলোৱেই বৃহৎ কোচ গোষ্ঠীৰ মিলন-মিশ্ৰণ অৰ্থাৎ অনুলোম আৰু প্ৰতিলোম মিলনৰ ফলত সৃষ্টি হোৱা বিভিন্ন গোষ্ঠীৰ কৈৰ বা ঠাল ঠেংগুলি। এই পৰিবৰ্তিত পটভূমিৰ আধাৰতেই বৰ্তমান ক্ষুদ্ৰ অসমৰ কেন্দ্ৰস্থল প্ৰাক্তন দৰং জিলাৰ অন্তৰ্গত বা আশে পাশে থকা কেইটিমান অধুনা লুপ্ত, কিন্তু প্ৰাক্ স্বাধীনতা কালত থকা সামন্ত কোচ খণ্ড ৰাজ্যৰ নাম ইয়াত উল্লেখ নকৰিলে বৃহৎ অসমৰ কোচ সকলৰ ইতিহাসৰ চমু পৰিচয় দিয়াৰ ক্ষেত্ৰত অবিচাৰ কৰা হব।

"কোচ কোঁৱৰ একজন আছি পশ্চিমত।
মৰা কলং পাৰত পাতিলা নগৰ॥

* * * *

ৰাজ কোঁৱৰ হৈল বুঢ়া চুক এৰি গৈলা।
বাসস্থান নাম ধৰি ৰজাগাওঁ হৈলা॥
আন নাতি-পুতি সব ৰাজ পিঠাই।
কোচ পৰিয়াল বুলি জানিবা নিশ্চই॥

* * * *

শ্যামধন, মহীধন, ভবানীৰ ৰজা।
ৰথৰা, মকৰা, মতাৰ বাইশিং ৰজা॥
উত্তৰ ৰজা বৰশিং নগাৰাজা ইবিশিং।
কতাৰাৰ ভূশি ৰজা ভুবকা আছিল॥
ৰাৰ পূজাত কীৰ্তন দিহে ৰজা হৈলা;
জেতেলিয়া ৰাণী যাৰে ৰাজ ৰাণী হৈলা॥

উপাকুছি শাহমারা একে কল ধরা।
তারো আরু একঠাল হাতীচিং ধরা।
হাতীচেঙ্গ পলব সিং বজা তৈলা।
সেইমতে বাহলতা অঙ্কুরা বজা হৈলা॥
আসীয়াল মৌজার উপেন্দ্র বজা তৈলা॥
কেলীর পণ্য মান্য বালি বজবিয়া তৈলা॥
মদহা, কোচারি, বজাকুছি ও ঘতুৱা।
বাঘবাপ ভবানি, কেত্রী, কুমবীরা॥
সোনাথাৰী, বড়ালধৰা, সিধাবাড়ী।
বজা মারু, তেতেলীয়া ছবি॥

* * *

কোচ-কোচারী মিকির লালং চবি জাতি।
ইসব কোচের শাখা জানিবা সম্প্রতি॥

× × ×

মহারাজ বীর আরিমত্ত কোচের সন্তান।
তান পুত্র এক জোঙ্গাল বলহ প্রমাণ॥
নগাওঁ নদীর মৌজা তাহার নগর।
অদ্যাপি আছে জোঙ্গাল বলহ নামে গড়॥

× × ×

আরিমত্ত মহারাজ জোঙ্গাল ঈশ্বর।
কোচারি রজার হৃদে তৈলাহা হ্রদর॥

× × ×

অশ্বক ধরিয়া যায় জলত আপুনি তৈলাহা।
এই হেতু ঠাকুর নাম খ্যাত তৈলাহা॥

× × ×

কলাতেৰি ভটীয়াই গৈলা বীৰবৰ।
কোচাৰি সৈন্য তিনিকালে কৰে ধৰধৰ ॥
পিছে দুই মূৰ্ত্তি মুখে সম্পূৰ্ণ জাগিলা।
আজি পাওঁ নাম সেহি দিন হন্তে ভৈলা ॥

× × ×

অনন্ত দৈৱৰ কোচ ৰাজবংশৰ একজন।
নিজ দেশ এৰি বনে কৰিলা ভ্ৰমণ ॥
পাছে পাৰবাতীত গৈ দণ্ডাত ভৈলা।
দিন পাছে কোঁৱৰ অন্তৰ্ধান ভৈলা ॥
যি ঠাইত সেৱে থাকিলন্ত দণ্ডা হৈলা।
সি ঠাইতে পূৰ্ব্ব স্মৃতি দণ্ডৱা নাম ৰাখিলা ॥

× × ×

তাহপাছে তান বংশ হাজাৰ সিংহ ৰজা হৈলা।
তান পাছে চুনিলা সিংহ ৰজা হৈলা ॥

× × ×

গঙ্গা ৰাজাৰ দেওঁশাল পুৰণা স্মৃতি।
লাঙ্গুং জাতিৰ দেওঁশাল জানিবা সম্প্ৰতি ॥

× × ×

লা মানে বন, বৃক্ষ, মাটি পাথৰ যত।
দুং মানে শুদ্ধি আন ধাৰিবা নিশ্চয় ॥
আদিযাত্ৰ দেৱী হন্তে আন লাঙ্গুং জাতি।
লুংলা (১) দেৱৰ বীৰ্য্যে ভৈলা উৎপত্তি ॥

× × ×

সেই হিলাদী আহিৰ ধৰা জানা ডিমিদুল।
লাঙ্গুং কোচাৰি বিদিত জানিবা নিৰ্ম্মূল ॥

× × ×

(১) লাঙ্গুং— মহাদেৱ বা শিব।

সাতো বাজ্যে শাসনৰ কথা অলপ কৈলো।
কুমৈ বংশাৱলী মধ্যে সবে কথা ভৈলো।;
আবিমন্ত বাজবংশী বলী সবে মান্য কৰি।
অদ্যাপি আবিমাছ তেসমে ভক্ষণ নাকৰি।

কাবিাক ছন্দত বচিত এই কথাবোৰ প্ৰাক্তন নগাওঁ জিলাৰ চুকে কোনে প্ৰচলিত লোকগাথা আৰু এই লোকগাথাবোৰক মৰিগাওঁৰ শ্ৰীলক্ষ্মী সিংহ ডেকাই তেওঁৰ পিতামহ ৺হৰিসিংহ দেওৰজাৰ মুখে শুনি সংগ্ৰহ কৰা "মণিকোঁৱৰ আখ্যান" নামক কাব্যখনিত (১৯৭১ চনত প্ৰকাশিত) উল্লেখ থকা তথ্যাৱলীৰ আধাৰত বৰ্ণনা কৰা হৈছে। কথাবোৰ শুনোতে উপকথা যেন লাগিলেও বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে উক্ত তথ্যাৱলী গৱেষণা কৰিলে কেৱল প্ৰাক্তন নগাওঁ জিলাৰেই নহয় সামগ্ৰীক ভাৱে কোচ-ৰাজবংশী সকলোৰো এটা থুলমূল আভাষ পোৱা যায়। উক্ত কাব্য গ্ৰন্থখনিত থকা মতে ভেতেলিয়া ৰাজবংশাৱলীৰ বৰ্ত্তমান প্ৰতিভূ নৰনাথ ৰজাৰ কৈদ, শুখনা গোভৰ ৰাজবংশাৱলীৰ কৈদ, বৰবাৰ ৰাজবংশাৱলীৰ কৈদ, কুমৈ ৰাজবংশাৱলীৰ কৈদ, মায়ং ৰাজবংশাৱলীৰ কৈদ, লেহীৰ ৰাজবংশাৱলীৰ কৈদ আদিৰ বৰ্ত্তমানৰ বংশধৰ সকলৰ ঘৰত থকা সাঁচিপতিয়া বংশাৱলীবোৰ উদ্ধাৰ, অধ্যয়ন আৰু গৱেষণা কৰিলে এই সামন্ত ৰাজশক্তিবোৰৰ গুৰিতে যে মহাৰাজ বিশ্বসিংহৰ পো-পোৱালি, নাতি পুতি আদিৰ প্ৰকৃত বংশধাৰা ওলাই পৰিব তাক নকলেও হব। ইয়াৰ উপৰিও লুকী, বেকেলী বাণী সামন্ত ৰাজ্য সমূহো বৃহৎ কোচ ৰাজবংশৰ সতে প্ৰত্যক্ষ আৰু পৰোক্ষ সম্বন্ধ আছে বুলি সেই সেই ৰাজবংশৰ তথ্য পাঠিয়ে পবিনা দিয়ে। এইবোৰ পাহৰণিৰ গৰ্ভত বিলীন হৈ যোৱাৰ পূৰ্ব্ব অনুসন্ধিৎসু প্ৰেমী সকলক দৃষ্টি আকৰ্ষণ কৰা হল।

—X—

দ্বাদশ অধ্যায়

এগৰাকী আদৰ্শ মহিলা ৰাণী অভয়েশ্বৰী দেৱী

পূৰ্ব্ব পৰিচয় ঃ—মহাৰাজ নৰনাৰায়ণৰ কনিষ্ঠ ভ্ৰাতৃ বীৰ চিলাৰায়ৰ পুত্ৰ পৰীক্ষিৎ নাৰায়ণ ঢাকাত আটক হৈ থকাৰ সময়ত তেওঁৰ পুত্ৰ চন্দ্ৰ নাৰায়ণে বিজনী ৰাজ্য প্ৰতিষ্ঠা কৰে। চন্দ্ৰ নাৰায়ণৰ পিছত পুৰুষানুক্ৰমে আৰু উত্তৰাধিকাৰ সূত্ৰে ক্ৰমে জয়নাৰায়ণ, শিৱনাৰায়ণ, মুকুন্দ নাৰায়ণ, হৰিদেৱ নাৰায়ণ, মহীদেৱ নাৰায়ণ, বলিত নাৰায়ণ, ইন্দ্ৰ নাৰায়ণ, অমৃত নাৰায়ণ আৰু কুমুদ নাৰায়ণে বিজনীৰ ৰাজপাট উপভোগ কৰিছিল। এই শেষোক্ত ৰজা কুমুদ নাৰায়ণে প্ৰথমতে সিদ্ধেশ্বৰী দেৱীক আৰু দুই বছৰ পিছত অভয়েশ্বৰী দেৱীক বিয়া কৰায়।

পিতৃ-মাতৃৰ কোলাত ঃ— বিজনী ৰাজ্যৰ অন্তৰ্গত উত্তৰ শালমাৰা এখন বিখ্যাত পৌৰাণিক গাওঁ (কিংবদন্তী মতে এই গাওঁতে যেনো বাণদেৱতাক বাৰিষিছিল অৰ্থে শালমাৰা হৈছে বা বিৰাট শালনিৰাৰী ভাটি [illegible] বসতি গঢ়ি উঠিছে কাৰণে শালমাৰা); এই গাওঁতে শিলাৰাম ৰকনা (পূৰ্ব্বৰ উপাধি কোচ, ৰাজবংশী বাৰ আদি কিবা আছিল; পিছত ৰজাঘৰৰ লগত বৈবাহিক সম্বন্ধ গঢ়ি উঠাত ৰকনা উপাধি লয়)। নামৰ এজন অতি উন্নত চৰিত্ৰৰ উদাৰচেতা অতীৱ সুশীল কৌলিন্য ৰাজবংশী মানুহ বাস কৰিছিল। তেওঁ ভাটীডোবা (বৰ্ত্তমান গোৱালপাৰা নগৰৰ পৰা আঠ মাইল দক্ষিণ পূৱে অৱস্থিত) নামক এখন গাওঁৰ চৌধুৰী [illegible] কন্যা নীলেশ্বৰী দেৱীক বিয়া কৰায়। এই শিলাৰাম ৰকনাৰ ঔৰসত আৰু নীলেশ্বৰী দেৱীৰ গৰ্ভত অভয়েশ্বৰী দেৱীৰ জন্ম হয় সম্ভৱতঃ ইং ১৮৮২ চনত।

গুণৱতী ৰূপৱতী অভয়েশ্বৰী ঃ— [illegible] আৰু আজিকালি [illegible] [illegible] [illegible] [illegible] আছিল [illegible]

আজলি ৰূপহী মৰমতে পমি যোৱা জীয়েকৰ ভৱিষ্যৎ চিন্তাই দুখীয়া পিতা-মাতাৰ চকুৰ টোপনি নাইকীয়া কৰিলে। বোকাত পদুম ফুল ফুলাৰ দৰে এই দুখীয়া দম্পতিৰ গৃহত যেনিবা সৰগৰ কোনোবা অপেশ্বৰী আৰু বিদ্যাধাৰীৰহে আবিৰ্ভাৱ। আধাফুলা পদুম কলিটিৰ সুপ্ত সৌৰভ বাঞ্জিৰ প্ৰকাশৰ অদম্য ইচ্ছাই ভৱিষ্যৎ কৃতিত্বৰ গভীৰতম প্ৰদেশত অৱৰুদ্ধ হৈ থকা প্ৰতিভাৰ তাঁৰ দাল্লিত ঝঙ্কৃত কৰি দিলে। লগে লগে দশোদিশে বিয়পি পৰিল গাভৰু অভয়েশ্বৰীৰ অপৰূপ ৰূপ লাবণ্যৰ কথা— অনাৰিল ভাবধাৰাৰ পৰিপূৰক ভৱিষ্যৎ আদৰ্শ স্ত্ৰীৰ গুণাৱলীৰ কথা। উজ্জ্বল শ্যামবৰ্ণা লাস্যময়ী মুখৰ মাধুৰীমাই সকলোকে মোহিত কৰিলে। বয়সীয়ালবোৰে তাইক চাইছিল আদৰ্শ জীয়েকৰ দৰে, চপলীয়া ডেকাবোৰে চাইছিল প্ৰেমভৰা কেৰাহী কটাক্ষ বাণেৰে আৰু সমবয়সীয়া গাভৰুবোৰে চাইছিল উষা চিত্ৰলেখাৰ সাখ্য দৃষ্টিৰে। গালত গোলাপী আভা, চকুত লাজ আৰু খোজত ৰাজহংসৰ গহীনতাই তেওঁৰ ষোড়শীতন্বী দেহত ফুটাই তুলিছিল ৰাজশ্ৰী।

প্ৰজাপতিৰ আদালতত :— অভয়েশ্বৰী আইদেউৰ এই ৰূপ গুণৰ কথা চাৰিওফালে বতাহী বাইদেৱে কঢ়িয়াই নিলে। 'আষাঢ়স্য প্ৰথম দিবসে' মেঘদূতে বিৰহী যক্ষৰ ব্যথাভৰা হিয়াৰ কৰুণ বিননি অলকা-পুৰীৰ সুৰম্য অথচ অভেদ্য ৰাজ অট্টালিকাত অৱৰুদ্ধ হৈ থকা প্ৰিয়ালৈ সংবাদ বৈ নিয়াৰ দৰে ; আমাৰ বতাহী বাইদেৱেও বিখ্যাত শিৱবংশী ৰজা কুমুদ নাৰায়ণৰ চকুত টোপনি নাইকীয়া কৰি দিলে ; অভয়েশ্বৰী দেৱীৰ অপৰূপ ৰূপ লাবণ্যৰে মন পিছলি যোৱা মানসপটত ভাহি উঠা প্ৰতিচ্ছবি খনিয়ে। ৰজা কুমুদ নাৰায়ণে সিদ্ধেশ্বৰী দেৱীক (ডাঙৰ ৰাণী) বিয়া কৰোৱা মাত্ৰ দুই বছৰ হৈছে ; কিন্তু ৰজাই অভয়েশ্বৰী দেৱীৰ ৰূপ লাবণ্যৰ কথা কেনেকৈ পাহৰে।

অৱশেষত ৰজাই নিজ চকুৰে দৰ্শন কৰি নয়ন তৃপ্তি কৰাটোকে স্থিৰ কৰিলে। ৰজাৰ আদেশত সসন্মানে ৰাজ্যৰ ৰাজধানী ডুমুৰীয়ালৈ

লৈ আহিল অভয়েশ্বৰী দেৱীক। কিন্তু ই কি দেখিলে ৰজাই! ইযে আগতে মানস পটত ভাহি উঠা প্ৰতিচ্ছবি ৰনিতকৈ শতগুণে ৰূপৱতী অবৰ্ণনীয়। ৰজাই তৎক্ষণাত বিয়া কৰিম বুলি প্ৰস্তাৱ দিলে; কাৰণ ৰজা তেতিয়া ৰজাই নহয়; লগতে আকুল প্ৰেমিকো "When Cleopatra leaped out of that carpet and started laughing and dancing around the room, the very sight of her exquisite body quickened the riotous blood of the astonished Caesar" কিন্তু হায়! নৱ পৰিণীতা সিদ্ধেশ্বৰী দেৱীয়ে সেই আগন্তুক মিলনত চীনৰ প্ৰাচীৰৰ দৰে বাধা হৈ পৰিল। উপায়হীন হৈ অভয়েশ্বৰী দেৱীক নিজ পিত্ৰালয়লৈ সসন্মানেৰে ওভোটাই পঠাব লগা হ'ল। ইফালে অভয়েশ্বৰীৰ ৰূপদীপ্ত কটাক্ষৰ বাণত ক্ষত বিক্ষত হোৱা প্ৰেমিক ৰজাৰ চকুত টোপনি নাইকীয়া হ'ল; কোনো ঔষধে কাম নকৰা হ'ল। কাৰণ আচল বেমাৰ শৰীৰত নহয়; হৃদয়ৰ কোনোবা গভীৰতম প্ৰদেশতহে। প্ৰেমাস্পদ মৰি গলেও নাইবা পোৱাৰ বাহিৰত গুচি গলেও প্ৰেমৰ মৃত্যু নহয়; অনিৰ্ব্বাণ শিখাৰ দৰে প্ৰেম জ্বলি থাকে প্ৰেমিকৰ অন্তৰত।

অৱশেষত ৰাণী সিদ্ধেশ্বৰী দেৱীৰ বাধাৰ প্ৰাচীৰক আওকাণ কৰি ৰাজবংশী জাতিৰ কুল প্ৰথমতে শুভদিনৰ শুভক্ষণত উত্তম সাজ পাৰ, অলঙ্কাৰ আদিৰে বিভূষিতা কৰি অভয়েশ্বৰী দেৱীক ৰাজধানীলৈ আনে আৰু অতি আগ্ৰহেৰে বিপুল সমাৰোহেৰে হিন্দু শাস্ত্ৰমতে শুভবিবাহ সুসম্পন্ন কৰে। ৰজাই নিজে আগ্ৰহ কৰি বিয়া কৰিবলৈ ওলোৱাত অভয়েশ্বৰী দেৱীয়ে হয়তো তেতিয়া মনে মনে ভাবিছিল।

"যাব না বাসৰ কক্ষে বধূবেশে বাজায়ে কিঙ্কিনী,
আমাৰ প্ৰেমেৰ বীৰ্য্যে কৰো অশঙ্কিনী।
বীৰহস্তে বৰমাল্য লব একদিন
সে লগ্ন কি একান্তে বিলীন
ক্ষীণ দীপ্তি গোধূলিতে?" (১)

(১) 'সবলা'— কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ।

এটা কথা লক্ষ্য কৰিবলগীয়া যে ৰাণী সিদ্ধেশ্বৰী দেৱীৰ মাতৃ-বংশ আৰু ৰাণী অভয়েশ্বৰী দেৱীৰ মাতৃ-বংশ (কাশীডোবাৰ চৌধুৰী বংশ) একে বংশৰেই।

দুই ৰাণীৰ বিবাদ :— ৰজা কুমুদ নাৰায়ণে অভয়েশ্বৰী দেৱীক বিয়া কৰাই যদিও নিজৰ মনৰ অভিলাষ পূৰণ কৰিলে ; কিন্তু তেওঁৰ ঘৰুৱা জীৱন দুই ৰাণীৰ অহৰ্নিশে কাজিয়াৰ ফলত অতি সোনকালে বিষময় হৈ উঠিল। ৰাজ অন্তঃপুৰত নিতৌ নতুন অস্বাভাৱিক ঘটনা ঘটিবলৈ ধৰিলে। ৰজাৰ ঘৰুৱা সুখৰ কল্পনা মায়া মৰিচিকাত পৰিণত হ'ল। বিয়াৰ কেইমাহমানৰ পিছতেই সৰু ৰাণী অভয়েশ্বৰী দেৱীৰ হঠাৎ এটা চকু নষ্ট হৈ যায়। এই চকু নষ্ট হোৱাৰ মূলতে যে গৃহবিবাদ তাক কোনেও বুজিবলৈ বাকী নাথাকিল। নানাজনে নানাভাবে এই চকু নষ্ট হোৱা ঘটনাৰ সম্পৰ্কে অভিমত প্ৰকাশ কৰিবলৈ ধৰিলে ; কিন্তু ৰাণী অভয়েশ্বৰীয়ে হলে নিজে কৈছিল 'কলিকতাৰ ডাক্তৰে মোৰ চকুটো খুচি মাৰি দিয়াৰ ফলত তেনেই নষ্ট হৈছে বুলি মনিটো ডাক্তৰে উলিয়াই পেলাইছে বুলি অভিমত প্ৰকাশ কৰিছে। এনেবোৰ কাৰণত ৰজা কুমুদ নাৰায়ণৰ মনত সংসাৰৰ প্ৰতি বিৰাগ ভাব ওপজে আৰু বাং ১২৮৯ (১৮৮২ খৃঃ) ২৬ শে ফাগুনত নিশা কলিকতাৰ নিজৰ বাস ভৱনত অপুত্ৰক অৱস্থাত আত্মহত্যা কৰে (মতান্তৰে, ৰজাৰ মৃত্যু ষড়যন্ত্ৰৰ ফলত হয়।)

মজিৰ ৰাণী আৰু হত্যাৰ ষড়যন্ত্ৰ :— ৰজাৰ অপুত্ৰক অৱস্থাত মৃত্যু হোৱাত দুয়ো ৰাণী কলিকতাৰ পৰা নিজ ৰাজ্যলৈ উভতি আহি গোৱালপাৰাত থাকিবলৈ লয়। দুয়ো ৰাণী ৰাজ্যত প্ৰবেশ কৰাৰ লগে লগে ৰাজকৰ্মচাৰী আমোলা আৰু প্ৰধান প্ৰধান প্ৰজাবিলাকে নিজ নিজ ইচ্ছানুসৰি দুটা দলত বিভক্ত হৈ দুই ৰাণীৰ দুই পক্ষ লয়। সেই সময়ত গুৱাহাটীৰ [illegible]

তেওঁ তাওৰ ৰাণীৰ পক্ষ লোৱাত সেই পক্ষই ক্ষমতাশালী হৈ উঠে। সৰু ৰাণী অভয়েশ্বৰী দেৱীক নজৰ বন্দী কৰি থৈ তাওৰ ৰাণীয়ে ৰাজ্য চলাবলৈ ধৰে। যদিও অভয়েশ্বৰী দেৱীক নজৰ বন্দী কৰি ৰাখিবৰ মিছা কৰা হৈছিল; তলে তলে কিন্তু তাওৰ ৰাণীয়ে সৰু ৰাণীক হত্যা কৰি ভৱিষ্যৎ ৰাজ্য নিষ্কণ্টক কৰিবৰ আপ্ৰাণ চেষ্টা কৰিছিল। এই অবৈধ হত্যা ষড়যন্ত্ৰ তীব্ৰ হোৱাৰ লগে লগে ৰাণী অভয়েশ্বৰীয়ে অতি সুদক্ষতা আৰু ক্ষিপ্ৰতাৰ সহিত নিজৰ বিপদ বিঘিনিক সাৰটি লৈ একমাত্ৰ ভগবানক ভৰসা কৰি এদিন নিশা [illegible] ৰাউলী বেশেৰে সকলোৰে চকুত ধূলি দি পলাই যায়। [illegible] হাবি বননিৰ মাজেদি কাইটৰ দ্বাৰা গোটেই শৰীৰ ক্ষত-বিক্ষত আৰু তেজেৰে ৰাঙলি অৱস্থাত ভাগ্যক্ৰমে কৈলাশ চন্দ্ৰ সেন নামৰ এজন মুক্তিয়াৰৰ ঘৰত নিশা ওলাইগৈ। তেওঁ প্ৰথমে ধৰ্ম পৰায়ণা দেৱী স্বৰূপা কোমল বয়সতে বিধৱা হোৱা ৰাণী অভয়েশ্বৰীক নিজৰ ঘৰত নিশা ফটা-চিটা বস্ত্ৰ পৰিধান কৰা অৱস্থাত দেখা পাই সসন্মানে নতুন কাপোৰ পিন্ধিবলৈ দিয়ে আৰু ৰাণীক সেৱা শুশ্ৰূষা, আদৰ যতন সহিতে নিজৰ ঘৰতে ৰাখিলে। পিছদিনা তৎক্ষণাৎ মহকুমাধিপতিক খবৰ দিয়ে। মহকুমাধিপতিয়ে পুলিচৰ তত্বাৱধানত ৰক্ষি দি জাহাজেৰে ব্ৰহ্মপুত্ৰ নদীয়েদি ধুবুৰীলৈ পঠাই দিলে ভৱিষ্যৎ নিৰাপত্তাৰ কাৰণে।

আদালতৰ যুঁজ আৰু ৰায়দানকথা :— সেই সময়ত অভয়াপুৰী (অভয়াপুৰী) ইষ্টেটৰ [illegible] বিজনপুৰ নিবাসী [illegible] হালদাৰৰ পূৰ্ণ সহযোগ বিচাৰি ৰাণী অভয়েশ্বৰীয়ে [illegible] পঠিয়ালে। ৰাণীৰ তৰফে [illegible] [illegible] গোৱালপাৰাৰ চাব জজৰ আদালতত ১৮৮৭ চনত দেৱানী [illegible] কৰে। এই দেৱানী মোকৰ্দ্দমাৰ বিচাৰৰ ফলত সৰু ৰাণীয়ে জয়ী হয়

হয় আৰু দুয়ো ৰাণীৰ নামত যৌথ ভাবে ৰাজ্যৰ দখল পোৱাৰ সাৰ্য্যস্ত হয়। উক্ত মোকৰ্দ্দমা চলি থকা অৱস্থাত ৰাজ্যত একপ্ৰকাৰ অৰাজক-তাই দেখা দিছিল। ডাঙৰ ৰাণীয়ে কয় বিজনী ৰাজ্য অবিভাজ্য ভাগ হ'ব নোৱাৰে; মইয়েই ইষ্টেটৰ সম্পূৰ্ণ মালিক। মুখীয়াল প্ৰজা বিলাকে কয় "আমাক কোনো ৰাণীৰ শাসন নালাগে।" কুমুদ নাৰায়ণৰ অন্যান্য বংশৰ আন কিছুমানে কয় "আমিহে ইষ্টেটৰ প্ৰকৃত অধিকাৰী।" এনেদৰে প্ৰত্যেক দলৰ পৰা নানা ধৰণৰ মোকৰ্দ্দমা দায়েৰ কৰে। এই মোকৰ্দ্দমাবিলাকৰ বিচাৰৰ বাবে সাধাৰণতে কিছু সময় লাগিছিল। ৰাজ্যৰ এনে গোলমলীয়া বেমেজালিৰ সুযোগ পাই বিভিন্ন দলে পৰস্পৰ মৰামৰি কটা-কটি কৰাটো এটা দৈনন্দিন কাৰ্য্য তালিকাত পৰিণত হৈছিল। সাধাৰণ প্ৰজাই আইনৰ খুটিনাতিৰ দাবীতকৈ "জোৰ যাৰ মুলুক তাৰ" ভাবি শক্তিৰহে অপচয় কৰাত ব্যস্ত আছিল। বাং ১২৮৯ চনৰ পৰা ১২৯২ চনলৈকে এই তিনিটা বছৰ প্ৰকাশ্য ভাবে বিভিন্ন দলে পৰস্পাৰে পৰস্পৰৰ মাজত হেতা ওপৰা কৰি ৰাজকৰ আদায় কৰিছিল। ইয়াৰ ফলত বহুতো সম্ভ্ৰান্ত মানুহ ভিখাৰীত পৰিণত হৈছে আৰু বহুতো গাওঁ জনশূন্য হৈ পৰিছিল। এই দুৰ্য্যোগৰ ওৰ নোপৰোতেই ডাঙৰ ৰাণী সিদ্ধেশ্বৰী দেৱীয়ে সূৰ্য্যনাৰায়ণৰ পুত্ৰ কুমাৰ পালক নাৰায়ণক তোলনীয়া পুত্ৰ হিচাবে গ্ৰহণ কৰি দুয়ো ৰাণীৰ যৌথ দখল পোৱাৰ বিৰুদ্ধে পালক নাৰায়ণৰ দ্বাৰা আদালতত আপীল কৰায়। এই আপীলৰ শেষ বিচাৰ হ'বলৈ নোপাওঁতে ইতিমধ্যে ইং ১৮৯১ চনত ৰাণী সিদ্ধেশ্বৰী দেৱী পৰলোকত গমণ কৰে আৰু লগে লগে ৰাণী অভয়েশ্বৰীয়ে সম্পূৰ্ণভাবে ৰাজ্যৰ অধিকাৰী হয়। এই বিখ্যাত দুই ৰাণীৰ ধুৰাক্ত ইপক্ষে সিপক্ষে ৰাৰাম্বকৰূপে মন্ত্ৰৰ ব্যৱহাৰ কৰিছিল।

অৰ্থ-নৈতিক অৱস্থা :— ৰাজ্যত ক্ৰমে অশান্তি দূৰ হ'ল। ৰাণী

অভয়েশ্বৰী দেৱীৰ শিষ্টাচাৰত দয়া দক্ষিণাদি গুণত মুগ্ধ হৈ তাঙৰ ৰাণীৰ পক্ষৰ বিদ্ৰোহী প্ৰজাবিলাকেও অৱনত মস্তকে ৰাজ্যৰ ক্ৰমোন্নতিৰ কাৰণে উঠি পৰি লাগিল। ৰাজ্যৰ নানা অপায় অমঙ্গল দূৰ হ'লেও ৰাণীৰ মনত সদায় দুশ্চিন্তা, কাৰণ ৰাজ ভড়ালত টকা একেবাৰে নাই। আনহাতে ৰাণীৰ হাতত টকা নাই। ৰাজ কৰ্ম্মচাৰীসকলক দৰমহা দিয়া দূৰৰ কথা ৰজা ঘৰৰ নিজৰ খোৱা লোৱা খৰচ কৰিবলৈকো টকাৰ নাটনি; তদুপৰি ইষ্টেটৰ প্ৰায় ছয় লাখ টকাৰ ধাৰ আছে। ৰাজ কৰ্ম্মচাৰীবিলাকে ৰাজকোষৰ এনে দুৰাৱস্থাৰ কথা চিন্তা কৰি সিদ্ধান্ত কৰিলে যে প্ৰজাৰ আধা খাজনা ৰজা ঘৰলৈ দান স্বৰূপে তোলাৰ পৰামৰ্শ ৰাণীৰ আগত দাঙি ধৰিলে। প্ৰজাবৎসলা মৰমিয়াল ৰাণী আইয়ে দুখীয়া প্ৰজাৰ পৰা এনেদৰে ধন তুলিবলৈ সন্মতি দিবলৈ টান পালে। মাতৃ মূৰ্ত্তি ৰাণী আইৰ এনে উদাৰতাৰ কথা শুনি মুখিয়াল প্ৰজাবৰ্গৰ জৰিয়তে সকলো প্ৰজাই ৰাণীক জনালে; 'বহুকাল আগৰে পৰা বিজনীৰ ৰজা প্ৰজাৰ মাজত পিতা পুত্ৰৰ ভিতৰত থকা প্ৰীতিৰ বান্ধোন চলি আহিছে। এতিয়া যিহেতু ৰজা ঘৰৰ দুখ হৈছে; সেই কাৰণে ৰজাঘৰক সহায় কৰাটো আমি ন্যায়তঃ আৰু ধৰ্ম্মতঃ বাধ্য। এনে অৱস্থাত যদি ৰাণী আইয়ে আমাৰ সাহায্য প্ৰত্যাখান কৰে; তেন্তে ৰাণী আইয়ে আমাৰ সেই পূৰ্ব্বৰ মধুৰ সম্বন্ধৰ পৰা আঁতৰত থাকিব খোজা বুলিহে ভাবিবলৈ বাধ্য হম।" যি প্ৰজাবিলাকৰ বহুতে এসময়ত ডাঙৰ ৰাণীৰ পক্ষে সৰু ৰাণীৰ বিপক্ষে থিয় দিছিল সেইবোৰ প্ৰজাৰ পৰাও এনে ভক্তিপূৰ্ণ অথচ অভিমানৰ সুৰত ক্ষেদোক্তি কৰা শুনি প্ৰজাৰ পৰা অৰ্দ্ধখাজনা দান স্বৰূপে ল'বলৈ সন্মত হ'ল। মাত্ৰ এমাহৰ ভিতৰতে তেতিয়াৰ দিনত পঞ্চাচ হাজাৰ টকা ৰাজকোষত জমা হ'ল আৰু চাৰিওকালৰ পৰা প্ৰজাৰ প্ৰীতিৰ চিন স্বৰূপ টকা আহিবলৈ ধৰিলে ধৰিলে। অতি কম সময়ৰ ভিতৰতে

ইষ্টেটৰ সকলো ধন পৰিশোধ হ'ল আৰু ৰাজভঁৰাল টনকিয়াল হ'ল।

তোলনীয়া পুত্ৰ গ্ৰহণ :— দূৰদৰ্শী ৰাণীয়ে ৰাজ্যৰ ভৱিষ্যৎ মঙ্গল চিন্তা কৰি বিজনী ৰাজবংশৰ আন এটা ঠালৰ কীৰ্ত্তি নাৰায়ণ কোঁৱৰৰ পুত্ৰ যোগেন্দ্ৰ নাৰায়ণক তোলনীয়া পুত্ৰ হিচাবে গ্ৰহণ কৰি ৰাজ্যৰ উত্তৰাধিকাৰী পাতে আৰু কুমাৰ যোগেন্দ্ৰ নাৰায়ণক উপযুক্ত শিক্ষা আদিৰ কাৰণে কাশীলৈ পঠিয়াই দিয়ে। ইয়াৰ পিছত ৰাণীৰ সদগুণত আকৃষ্ট হোৱা ৰাজকৰ্ম্মচাৰী বৰ্গৰ সহায়ত ইষ্টেটৰ শাসনকাৰ্য্য আগোৱা-আগোনি যন্ত্ৰৰ দৰে সুসম্পন্ন হবলৈ ধৰে আৰু ৰাজ্যত চাৰিওফালে শান্তিয়ে বিৰাজ কৰে।

ধৰ্ম্মী জীৱনত প্ৰভুমুক্তি :— ৰাণীৰ দীৰ্ঘলীয়া ৰাজত্ব কালত তেওঁ দক্ষিণাদি কাৰ্য্যত ব্ৰতী হয়। ৰাজ্যৰ প্ৰজাসকলে ৰাণীৰ ব্যক্তিগত দয়া সৌজন্য আৰু মহানুভৱ আচৰণৰ ফলত প্ৰজাবৰ্গ মুগ্ধ হৈ আছিল আৰু ৰাণীক নিজ মাতৃৰূপে প্ৰত্যেকে পূজা কৰিছিল। মাত্ৰ কুৰি (বিশ) বছৰ বয়সতে পূৰ্ণবিকচ যৌবনা অৱস্থাতে ৰাণী অভয়েশ্বৰী দেৱী বিধৱা হয়। তেতিয়াৰ পৰাই ভৰা যৌৱন বয়সটো ৰাণীৰ ঐশ্বৰ্য্য বিভূতি আৰু সম্পদৰ মাজত ডুব গৈ থাকিও আমৰণ কাল পৰম সাত্বিক ভাবে ব্ৰত-চাৰিণী বিধৱাৰ দৰে কৃচ্ছ্ৰ সাধনা কৰি কাল কটাইছিল। তেওঁ ৰাজ-ৰাণী হৈয়ো সদায় সন্ন্যাসিনীৰ দৰে গেৰুৱা কাপোৰ পিন্ধিহে থাকিছিল। পূজা-পাৰ্ব্বন, অষ্টমী একাদশী আদি তিথিত নিৰম্বু উপবাস কৰিছিল আৰু আন আন দিনবোৰতো তেওঁ মাত্ৰ এসাজহে হবিষ্যান্ন নিজ হাতেৰে একোটা পাত্ৰত একেৰুৱা জুইৰ দ্বাৰা সিদ্ধ হোৱা অন্নহে গ্ৰহণ কৰিছিল। বিলাসী খাদ্য-দ্ৰব্য [illegible] নাখাইছিল আৰু বিলাসী সাজ-পোছাক [illegible] পৰিহাৰ কৰিছিল। ৰাণীয়ে ৰাজ কাৰ্য্য পৰিচালনা কৰিবৰ [illegible] ৰাণীৰ [illegible] ৰাজসিংহাসনত ৰাখিহে নিজে ৰাজ সভাত বহিছিল। ৰাণীৰ এই কৃচ্ছ্ৰ সাধনা, অবিচলিত

স্বামী ভক্তি আৰু আদৰ্শৰ জলন্ত নিদৰ্শন দেখি কবৰ ইচ্ছা যায়—

"ৰয়েছে কঠোৰ দুঃখ, ৰয়েছে বিচ্ছেদ
তবু দিন পূৰ্ণ হ'বে ৰহিবেনা খেদ
যদি বলো এই কথা, আলো দিয়ে জ্বেলেছিনু আলো
সব দিয়ে বেসেছিনু ভালো। (১)

এই তপস্বিনী ৰাণীৰ দয়া দাক্ষিণ্যৰ কথা বৰ্ণনা কৰি অন্ত কৰিব নোৱাৰি। বিপদত পৰি কোনো মানুহে সেই বিপদৰ কথা ৰাণীৰ কৰ্ণগোচৰত আনিব পাৰিলেই সেই বিপদৰ কাৰণক দূৰ কৰিবলৈ তেখেতে আপ্ৰাণ চেষ্টা কৰিছিল। ব্ৰাহ্মণ, পণ্ডিতাদি, সাধু, মহন্ত, বৈষ্ণৱ, বৈৰাগী, ভিক্ষুক আদি সকলোৱে যথেষ্ট পৰিমাণে দানভিক্ষা লাভ কৰিছিল। ব্ৰাহ্মণ পণ্ডিত সকলে শাস্ত্ৰ চৰ্চ্চাৰ কাৰণে ৰাজভঁড়ালৰ পৰা মাহেকীয়া বৃত্তি ভোগ কৰিছিল; সকলো ধৰ্ম্ম (মতবাদৰ) ধাৰ্ম্মিক মানুহবোৰে ৰাণীৰ পৰা নিষ্কৰ ভূমি দান পাইছিল। ইচলাম ধৰ্ম্মাৱলম্বী মুছলমান প্ৰজাবোৰৰ কাৰণে পীৰপাল মাটি দান কৰিছিল।

ৰাণী আইয়ে দৈনিক আগনিশা নিৰ্দিষ্ট সময়ত নিজহাতে কৌলিক প্ৰথা মতে শিৱা ভোগ প্ৰস্তুত কৰি শিৱপূজা কৰিছিল আৰু নিৰ্দ্ধাৰিত সময়ত সেই উৎসৰ্গিত ভোগ শুদ্ধাচাৰী আত্মীয় মানুহৰ দ্বাৰা পথাৰত নি নিৰ্দ্দিষ্ট স্থানত শিৱা (শিয়াল) ভোগ দিছিল। সেই ঠাইত বহুতো শিয়াল আহি মহানন্দে ৰাণীয়ে নিজ হাতে ৰন্ধা ভোগ উপভোগ কৰিছিল। ইয়াৰ ভিতৰতে তেওঁ সময় উলিয়াই উপযুক্ত পণ্ডিতৰ দ্বাৰা দৈনিক গীতা পাঠ শুনিছিল।

১৮৯৭ চনত বিখ্যাত ভূমিকম্প:— ইতিমধ্যে ইং ১৮৯৭ চনৰ জুন মাহৰ ১২ তাৰিখে আবেলি ৫ বজাত এটা অতি ধ্বংসকাৰী প্ৰচণ্ড ভূমিকম্প হয় গোটেই অসম জুৰি; আৰু ইয়াৰ প্ৰকোপ বৰ্ত্তমান

(১) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'নৱবৰ্ষ'

গোৱালপাৰা জিলাতো পৰে। এই ভূমিকম্পৰ ফলত ৰাজাৰ ৰাজধানী ডুমুৰীয়া নগৰ ধ্বংস হৈ যায়। বিষয়াসকলে নতুনকৈ যোগীঘোপা নামৰ স্থানত ৰাজধানী পাতিবলৈ ৰাণীৰ অনুমতিৰ কাৰণে পৰামৰ্শ দাঙি ধৰিলে ; কিন্তু প্ৰজাবৎসলা ৰাণীয়ে যোগীঘোপাত ৰাজধানী পাতিলে বহুতো প্ৰজাক উচ্ছেদ কৰিব লাগিব বুলি অন্তৰত দুখ পালে আৰু তাত ৰাজধানী পাতিবলৈ সন্মতি নিদিলে। মাতৃৰূপা ৰাণীৰ নিৰ্দেশ মতে বুৰঞ্জী প্ৰসিদ্ধ 'ৰাম ৰাজাৰ' গড়ৰ (ৰামসিংহৰ) ওচৰত বিশাল ভাবে বিস্তৃত হৈ থকা অটব্য হাবিয়নীখনকে কাটি উলিয়াই নিজ নামে ৰাজধানী আৰু হাইস্কুল পাতিলে। তেতিয়াৰ পৰা সেই নতুন ৰাজধানীৰ নাম হয় অভয়াপুৰী আৰু স্কুলখনৰ নাম ৰখা হয় অভয়েশ্বৰী মেমোৰিয়েল হাইস্কুল। এই হাইস্কুলখনৰ যাৱতীয় খৰচ পাতি ইষ্টেটৰ পৰা বহন কৰিছিল। পাশ্চাত্য শিক্ষাৰ ব্যৱস্থাৰ লগে লগে যাতে প্ৰাচ্য শিক্ষাৰো চৰ্চাৰ সুবিধা হয় তাৰ বাবে হিন্দু সংস্কৃতিৰ মূল ভেটি সংস্কৃত শিক্ষাৰ ব্যৱস্থা কৰি দুৰদৰ্শিতাৰ পৰিচয় দিয়ে।

কাইজাৰ-ই-হিন্দ-পদক :— ইং ১৯১৪ চনত গোটেই বিশ্ব বিয়পি প্ৰথম মহাসমৰৰ জুই জ্বলি উঠে। বৃটিশ চৰকাৰে যুদ্ধৰ খৰচ সংগ্ৰহ কৰিবলৈ চাৰিওফালে সাহায্য বিচাৰি ফুৰিছিল। ইংৰাজৰ এনে অৱস্থাত ৰাণী অভয়েশ্বৰী দেৱীয়ে নগদ একলাখ টকা, এখন মটৰ লাঞ্চ আৰু এখন এম্বুলেঞ্চ কাৰ (মটৰ) দি বৃটিশক সাহায্য কৰিছিল। মহাত্মা গান্ধীয়েও ইংৰাজৰ এই বিপদৰ সময়ত ধনে-প্ৰাণে সাহায্য কৰিবলৈ ভাৰতবাসীক আহ্বান জনাইছিল। প্ৰথম মহাসমৰ শেষ হোৱাৰ পিছত ৰাণী অভয়েশ্বৰীৰ এই অম্লান বদনে আগবঢ়োৱা সাহায্যৰ কাৰণে শলাগৰ নিদৰ্শন স্বৰূপ বৃটিশ চৰকাৰে ৰাণীলৈ 'কাইজাৰ ই-হিন্দ' নামৰ এটি সোণৰ পদক (Gold Medal) আগ বঢ়ায়। সেই সময়ৰ অসমৰ শাসন কৰ্ত্তা আৰ্চডেল আৰ্ল চাহাবে পত্নীৰ সৈতে

আহি অভয়াপুৰীত এখন বিৰাট ৰাজ দৰবাৰ পাতে আৰু এই বিখ্যাত দৰবাৰতে উক্ত মেডেল ৰাণীক উপহাৰ দিয়ে। জিলাৰ বৰচাহাবে ৰাণীক ৰাজপোছাক পিন্ধি সেই দৰবাৰত উপস্থিত হ'বলৈ বৰকৈ অনুৰোধ কৰাত তেওঁ মুক্ত কণ্ঠে কৈছিল 'গেৰুৱা কাপোৰেই হিন্দু বিধৱাৰ উৎকৃষ্ট সাজ, বিলাসী সাজ-পাৰ ললে বিধৱাৰ ব্ৰত ভঙ্গ হয়।' তেওঁ সঁচাকৈ গেৰুৱা কাপোৰকে পিন্ধি দৰবাৰত উপস্থিত হৈছিল আৰু অসমৰ শাসন কৰ্ত্তাৰ পত্নীৰ লগতে ৰাজ অন্তঃপুৰত গেৰুৱা পোছাকেই ব্যৱহাৰ কৰিছিল।

মহাপ্ৰস্থান :— এইদৰে ৰাণী অভয়েশ্বৰী দেৱীয়ে সুদীৰ্ঘ একুৰি চেধ্য বছৰ ৰাজত্ব কৰি ৰাজ ভড়ালত লাখ লাখ টকা জমা কৰি পুত্ৰ স্বৰূপ সকলো প্ৰজাক কন্দুৱাই ইং ১৯১৮ চনৰ ১৭ই অক্টোবৰ বৃহস্পতি-বাৰৰ দিনা প্ৰায় ছকুৰি যোল্ল (৫৬) বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। লগে লগে চাৰিওফালে মাতৃহাৰা সন্তান সকলৰ হাহাকাৰৰ কৰুণ বিননিয়ে আকশ বতাহ কঁপাই তোলে। ৰাণীৰ মৃত্যুত চাৰিওফালৰ পৰা শোকাতুৰা প্ৰজাই ৰাজধানী ভৰি পৰে আৰু পবিত্ৰ মৃতদেহ ফুলৰ মালা আৰু সুগন্ধ দ্ৰব্যৰে উপচি পৰে। সুসজ্জিত মৃতদেহ দোলাত তুলি লৈ হাতী, ঘোঁৰা, বাদ্য-বাজনাৰে সুশোভিত কৰি ৰাজ পৰিচ্ছদ ধাৰী ৰাজ কৰ্ম্মচাৰী আৰু ৰাজ ভক্ত প্ৰজাবিলাকে বিৰাট শোভাযাত্ৰা কৰে। এই শোভাযাত্ৰাৰে অভয়াপুৰীৰ পৰা বিখ্যাত পৌৰাণিক পবিত্ৰ স্থান যোগীঘোপালৈ লৈ যায়। এই সুদীৰ্ঘ বাটৰ দাঁতিয়ে দাঁতিয়ে হাজাৰ হাজাৰ শোকাতুৰা প্ৰজাবৰ্গই গলবস্ত্ৰ হৈ স্বৰ্গীয়া ৰাণীৰ পবিত্ৰ মৃত দেহটোৰ গাত ফুল চন্দন ছটিয়াইছিল আৰু পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা জনাইছিল মৃত ৰাণীৰ আত্মাৰ সদগতিৰ অৰ্থে। যোগীঘোপাত মোগল সেনাপতি মানসিংহৰ বীৰত্বৰ স্মৃতি বহন কৰি থকা, চন্দ্ৰকান্ত সিংহৰ শেষ আশা হাদিৰাচকীৰ মজিত স্মৃতিক পোহৰাই

ৰখা মনাহ আৰু ব্ৰহ্মপুত্ৰৰ পবিত্ৰ সঙ্গম স্থলত ৰাণীৰ পবিত্ৰ মৃত দেহ চকুৰ পচাৰতে বিভুতিত পৰিণত হৈ পঞ্চভুতৰ লগত মিসি যায় ; কিন্তু দুখৰ বিষয় এই হেন মহান আত্মা চিৰ নমস্যা প্ৰজাবৎসলা আৰু প্ৰাচ্য জগতৰ সৰ্ব্বগুণে বিভুষিতা আদৰ্শ মহিলাৰ মৃত দেহ সৎকাৰ স্থানত আজি আমি এটি স্মৃতিচিহ্ন দেখিবলৈ নাপাওঁ। ১৯৬৬ চনত এই লিখকক প্ৰধান উপদেষ্টা হিচাবে লৈ গোৱালপাৰা মহকুমাৰ কেই গৰাকীমান মহিলাই ৰাণী অভয়েশ্বৰী দেৱীৰ ৪৮ তম মৃত্যু বাৰ্ষিকী পালনাৰ্থে ৰাজধানী অভয়াপুৰীতেই দুৰ্গা পূজাৰ নবমী তিথিৰ দিনা অভয়েশ্বৰী তৰ্পণ উৎসৱ নামৰ এটি তপণ উৎসৱ পালন কৰিছিল। কিন্তু অত্যন্ত দুখৰ কথা যে এইহেন মহান আত্মাৰ নাৰীকুলৰ বন্তি স্বৰূপা ৰাণী আইৰ প্ৰথমবাৰৰ কাৰণে উদযাপিত হোৱা এই মৃত্যু বাৰ্ষিকীত কেৱল কিছুমান সাধাৰণ তৰকৰ কোচ-ৰাজবংশী গোষ্ঠীৰ নৰ-নাৰীয়েহে ভক্তি ভাৱে যোগ দিয়া দেখা গৈছিল ; আন আন গোষ্ঠীৰ মানুহৰ মুখত 'আজি কালিৰ গণতন্ত্ৰৰ যুগত ৰাণীৰ পূজা কৰেনে ?' বুলি অতি নৈৰাশ্যজনক প্ৰচাৰহে শুনা গৈছিল। ইযো কি ৰাজনীতিৰ পৰিহাস ; নহয় ইযে সভ্যতাৰ নামত শতাব্দীৰ পৰিহাস। নাইবা এনে মহান আত্মাৰ কোনো পাৰ্থিব স্মৃতিয়ে যথেষ্ট নহয় কাৰণ :

অৰণ্যে অৰণ্যে আজি সাগৰে সাগৰে
জনশূন্য তুষাৰ শিখৰে
কোন মহাশ্বেতা কোন তপস্বিনী বিছাল অঞ্চল,
স্তব্ধ অঞ্চল,
অনন্তেৰে সম্বোধিয়া কহিল সে উৰ্দ্ধে তুলি আখি,
তুমিও একাকী ?" (১)

★ ★ ★

(১) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'একাকী'।

কোচ-ৰাজবংশী জাতিৰ সংস্কৃতি

কোনো নিৰ্দ্দিষ্ট মানৱ গোষ্ঠীয়ে সামুহিক ভাৱে জীয়াই থাকি ক্ৰমশঃ বৃদ্ধি পোৱাৰ উদ্দেশ্যত তেওঁলোকৰ স্বকীয়তা অথচ সাৰ্ব্বজনীন ভাবাদৰ্শ, ৰীতি-নীতি, কাৰ্য্য পদ্ধতিক পৰিপালন আৰু পৰিপোষণ কৰাৰ বাবে এটা নিৰ্দ্দিষ্ট আদৰ্শকে চালিকা শক্তি ৰূপে অনুসৰণ কৰি ব্যক্তি সমষ্টি আৰু গোষ্ঠীসহ সকলোৱে ঐক্যবদ্ধ ভাৱে যি জীৱন ধাৰা গ্ৰহণ কৰে তাকেই এক কথাত সংস্কৃতি বুলিব পাৰি। সময়ৰ গতিত অতীত আৰু বৰ্তমানৰ লব্ধ অভি-জ্ঞতাই সংস্কৃতিৰ আধাৰত পৰিণত হয় আৰু পৰিৱৰ্তিত পৰিস্থিতিত সাংস্কৃতিক পৰম্পৰাক ৰক্ষা কৰোঁতে উদ্ভৱ হোৱা সমস্যাৰ সমাধানী সূত্ৰত দীক্ষিত হৈ আনুগত্যপূৰ্ণ অনুশীলনীয়েই পৰিশেষত চাৰিত্ৰিক বৈশিষ্ট্যতাৰো জন্ম দিয়ে। এই চাৰিত্ৰিক বৈশিষ্ট্যতাক ৰক্ষাৰ বাবে গ্ৰহণীয় [illegible] সমূহৰ আবেষ্ট-নিতেই কোচ-ৰাজবংশী জাতিৰো সংস্কৃতিৰ পৰিচয়ৰ বিদ্যমানতাক ইতিহা-সৰ পৰিবেশৰ সৈতে সঙ্গতি দেখুৱাই তলত চুমকভাৱে আলোচনা কৰা হ'ল।

পাৰ্শ্বজ্যোতি :— প্ৰাগ্‌বৈদিক যুগৰ পৰা আৰম্ভ কৰি বিংশ শতিকাৰ মধ্য ভাগলৈকে অৰ্থাৎ ৰামায়ণ, মহাভাৰত, বেদ, ভাগৱত, পুৰাণ, তন্ত্ৰ-মন্ত্ৰ তথা আধুনিক ইতিহাসে সাঙুৰি লোৱা কাললৈকে 'কোচ'- শব্দই নিৰ্দ্দেশ দিয়া জাতিটোৰ অন্তৰ্গত এই সু-প্ৰাচীন লোক গোষ্ঠীক নিঃসন্দেহে এচিয়া মহাদেশৰ এটা মহাজাতি ৰূপে অভিহিত কৰিব পাৰি। দুৰন্ত কালৰ সোঁতত উটি ভাহি নোযোৱাকৈ নানান পৰিৱৰ্তনৰ মাজেদি পৃথিৱীৰ বুকুত আজিও কোনোমতে বিচৰণ কৰি থকা সীমিত সংখ্যক লোক গোষ্ঠী বিলাকৰ ভিতৰত সম্ভৱতঃ এই কোচ-ৰাজবংশী নামক লোক গোষ্ঠীটোৱেও নানান ৰাষ্ট্ৰ বিপ্লৱ, বিপৰ্য্যয় আৰু পৰিৱৰ্তনৰ মাজতো নিজৰ স্বকীয়তা ভাগৰ অস্তিত্ব ৰক্ষা কৰি আজিও সামাজিক ভাৱে এটা সুকীয়া জনগোষ্ঠীৰূপে চিহ্নিত বা আত্মৰক্ষা কৰি আছে বাবেই কোচ সকল এটা মহাজাতি। এই [illegible] ইতিহাস মতে প্ৰাগ্‌বৈদিক যুগৰ পৰা ইং ১৯৫০ চনলৈকে অৰ্থাৎ

পাঁচ হাজাৰবো অধিক কালৰ ইতিহাস অতি চুমুকভাৱে, চকুৰ পচাৰতে যি ধাৰাবাহিক পৰিচয় দাঙি ধৰা হ'ল ; তাৰে পৰাই সু-প্ৰমাণিত হয় যে কোচ এটা মহাজাতি। আধুনিক যুগৰ দেশী-বিদেশী পণ্ডিত সকলৰ দ্বাৰা ৰচিত গ্ৰন্থাৱলীত থকা তথ্যপাতিবোৰৰ উপৰিও ৰামায়ণ, মহাভাৰত, বেদ, পুৰাণ তন্ত্ৰ আদি নানান শাস্ত্ৰ নামে পৰিজ্ঞাত গ্ৰন্থবোৰত কোচ সকলৰ উল্লেখ পোৱা যায়। অৱশ্যে কিছু নামান্তৰ কিছু ভাষান্তৰ, কিছু শব্দ পাঠিৰ বিভ্ৰাত ঘটোৱাৰ ফলত এই একেই কোচ মহাজাতিৰ লোক সকলক স্থান কাল, আৰু পাত্ৰ ভেদে বিভিন্ন নামত ভিন, ভিন, তথ্য পাতিত উল্লেখিত হৈছে। উদাহৰণ স্বৰূপে পৃথিৱীৰ প্ৰাচীনতম গ্ৰন্থ ঋক, বেদত এই লোক গোষ্ঠীৰ নাম আছিল পনিকোচ, পুৰাণ আৰু মহাকাব্যত কিৰাত কালকেয়, অনাদিত-কুবাচ ইত্যাদি।

আধুনিক অসমৰ প্ৰাচীনৰূপ পুৰ্ব্বদেশ ওৰফে প্ৰাচীন কামৰূপৰ পানি কোচ সকলে এসময়ত সমগ্ৰ দক্ষিন পশ্চিম ভাৰতৰ উপৰিও গ্ৰীচ দেশৰ ভূমধ্য সাগৰত দৌৰাত্ম্য কৰি ফুৰাৰ বিৱৰণ খৃষ্টপূৰ্ব্ব ৫ম শতিকাৰ বিখ্যাত গ্ৰীক পণ্ডিত হিৰোদিটাচৰ গ্ৰন্থত আৰু ঋক বেদতো উল্লেখ পোৱা যায়। এই গ্ৰীক পণ্ডিতজনে এই প্ৰাণিকোচ সকলক 'বহিঃ জগতৰ এক অসুৰৰ দল' (A group of demons from the upper air) বুলি কোৱা হৈছে। আনহাতে এই একেই পানিকোচ ওৰফে কোচ সকলক ঋকবেদত 'দেৱতাৰ শত্ৰু' বুলি বৰ্ণিত কৰি যজ্ঞত আহুতি প্ৰদানৰ সময়ত 'ধ্বংস হওঁক' বুলি মন্ত্ৰ উচ্চাৰণ কৰিছে "(অপেত্তো ইয়ং তু পনয়ো, অনুধা দেৱপীয়ৱঃ)"। প্ৰাচীন কামৰূপৰ কোচ সকল সুদুৰ অতীতৰ মধ্যপ্ৰাচ্যত উপনিবেশ পাতি সেই অঞ্চলত পাণি কোচৰ সভ্যতা ওৰফে পানি সভ্যতা ওৰফে পনিক ওৰফে ফোনিক সভ্যতা অৰ্থাৎ সু প্ৰাচীন বেবিলনৰ সভ্যতা বিস্তাৰ কৰিছিল (বৰ্ত্তমান বাগ্দাত তুৰ্ক আৰু গুৰ)। এই বোৰৰ প্ৰকাশ কৰিলে উপকথাৰ সাধু বা ভাওনাৰ প্ৰলাপ বুলিহে ধাৰণা হয়। সমগ্ৰ এচিয়া মহাদেশৰ

শ্রেষ্ঠ [illegible] শিৱ-শক্তিৰ মহত্ত্বক [illegible] লিখি [illegible] কৰি [illegible]-
জ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]
ওৰফে [illegible] [illegible] তাৎপর্য্যই মহাদেৱৰ জাহ্নৱী [illegible] চিহ্নিত [illegible]
অভিমত আৰু দৃশ্যটোকেই অধিকাংশই আজি সহজতে [illegible] [illegible]
হোৱাত ভাৰত বাসীয়েই যেন জতুৰীয় অৱস্থা প্রাপ্ত হৈছে। [illegible]
সুদূৰ দূৰপ্রাচ্য জগতৰ কোচ-কোম্চ কম্বোজ-কম্বোদ-কাম্বোদীয়া ওৰফে খমে-
মানৰ কম্পুচিয়াৰ অন্যতম নদী ইৰাৱতী ওৰফে ইৰাৱতী ('মহাদেৱৰ স্ত্রী
পাৰ্ব্বতী) প্রবাহিত অঞ্চলৰ প্রাচীন অধিবাসীবোৰে যিহেতু কালত শিৱ পাৰ্ব্ব-
তীৰ পূজা অৰ্চ্চনা কৰাৰ সংস্কৃতিৰ পটভূমি আজিও বিদ্যমান হৈ থাকিব
পাৰেনে? নহলেনো সুদূৰ মধ্য প্রাচ্য অর্থাৎ আৰব জগতত মহাদেৱৰ
অনুগামী শৈৱ ওৰফে ঈশানী সকলে ঈশাই মতবাদ প্রচাৰ কৰাৰ অনুকূল
পৰিবেশ পায়নে? ঈশ্বৰ পুত্ৰ যীশুখৃষ্টৰ কেবাজনো হিতাকাংক্ষী গুৰুৰ
ভিতৰত মেলচিডেজেক ওৰফে মেলচিদিজেক ওৰফে ম্লেচ্ছঋষি জন আনো
প্রাচীন, ভাৰতবৰ্ষৰ ম্লেচ্ছ কোচ নাছিল? এই ঈশানী সকলৰেই বংশধৰ
সকলে সমগ্র আৰৱ জগতত বিশেষকৈ মক্কা নগৰীত (ইচলাম মতবাদ প্রচাৰ
হোৱাৰ পূৰ্ব্বাৱস্থাত) শিৱ মন্দিৰ আৰু মৰুতীৰ্থ হিংলাজত সতী-পাৰ্ব্বতীৰ
মন্দিৰ সজা নাছিলনে? এইবোৰ তাচ্ছিলীয়া কথা নহয়, গৱেষক সকলে
উদ্দেশ্য আৰু ভাৰত বিভেদ বা পাগল হৈ অনুসন্ধান কৰিলেই সমগ্র এচিয়া
মহাদেশত শিৱ-পাৰ্ব্বতীৰ বহু তথ্য পাতি বিছাৰি পাব। একেদৰে মানৱ
সমৰ্থক হজৰত মহম্মদৰ আদেশতেই দেখোন তিনিশবো অধিক মক্কা অঞ্চলৰ
দেৱ দেৱীৰ প্রতিমূৰ্ত্তি বিনষ্ট কৰি পেলোৱা হৈছিল। কোচৰ ইতিহাস
আৰু সংস্কৃতিৰ কথা কবলৈ যাওঁতে শিৱ-পাৰ্ব্বতীৰ কথাওহে বেছিকৈ
উল্লেখ কৰাৰ মূল কাৰণ হৈছে কোচ সকলৰ সাংস্কৃতিক ধৰ্মীয় জীৱন আচ-
ৰণত আছিল শিৱ-পাৰ্ব্বতী কেন্দ্রীক। ইতিহাসে দৃষ্টি দিলেও কোচৰ ৰাজ-

বোৰৰ ভিতৰত বিশেষকৈ খৃষ্টাব্দ ১৫ শতিকাৰ আগভাগত শিৱ-পাৰ্ব্বতী দুয়ো ছদ্মবেশে ঘূৰি ফুৰে, হাড়িয়া মণ্ডল আৰু হীৰা দেৱীৰ ৰূপ লয়; পাৰ্ব্বতীয়ে বিশুক (বিশ্ব সিংহক) যুদ্ধ কৰিবলৈ শিকায়, যোনি ৰূপত থকা কামাখ্যাৰ পাৰ্ব্বতীয়ে মহাৰাজ নৰনাৰায়ণক নৃত্য কৰি দেখুৱায় ইত্যাদি।

নানা ৰূপত নানান ভাবত শিৱ-পাৰ্ব্বতী কোচ ৰাজবংশী সকলৰ গৃহদেৱতা আৰু গৃহ দেৱী। কোচৰ যুৱক-যুৱতীৰ বিয়াত নামাতি বুঢ়ী সকলৰ লেনিয়াই লেনিয়াই সুৰ লগাই গোৱা গীতত নিশাটোৰ বাবে দৰা শিৱত আৰু কন্যা পাৰ্ব্বতীলৈ উন্নীত হয়। সময়ে সময়ে শিৱ পাৰ্ব্বতী ভয়ানক কাজিয়াও কৰে আৰু এই কাজিয়াত কোচৰ অন্যতম বণিক চান্দ সদাগৰৰ লটি ঘটি হোৱাত বেউলা লক্ষীন্দৰৰ কাহিনীৰ সৃষ্টি হয়, যাৰাই পূজা ওৰফে বিষহৰিৰ পূজা ওৰফে পদ্ম পুৰাণৰ কাহিনী ৰচিত হয়। এই যাবে পূজাই অসমৰ নামনিত ভাষান যাত্ৰাত পৰিণত হয় আৰু উজনিত ওজাপালিত পৰিণত হৈ মনোৰঞ্জনৰ অন্যতম মাধ্যমৰ আসিক হয়। বিংশ শতিকাৰ কোচ-ৰাজবংশী সকলৰ ক্ষেত্ৰত সাৰ্ব্বজনীন ভাবে নহলেও প্ৰাচীন আৰু মধ্যযুগৰ কোচ ৰাজবংশীৰ সংস্কৃতিৰ মূল আধাৰ হৈছে মহাদেৱ পাৰ্ব্বতী অৰ্থাৎ শৈৱ আৰু শাক্ত মতবাদ তথা সংস্কৃতি কেন্দ্ৰীক।

পুৰাণ তন্ত্ৰত এই লোক গোষ্ঠীৰ মানুহকো অসুৰ, দানৱ, কিৰাত, ম্লেচ্ছ কুবাচ কম্বোজ কোচ আদি নামেৰে অভিহিত কৰা হৈছে। পৰবৰ্ত্তী কালত অৰ্থাৎ ঐতিহাসিক যুগত এই লোক গোষ্ঠীৰ নাম ক্ৰমে কোচ-ৰাজবংশী আৰু ক্ষত্ৰিয় নামেৰে পৰিচিত। বৰ্তমান বিংশ শতিকাৰ শেষাংশতো সুদূৰ অতীতৰ এই মহা জাতিৰ লোক সকল কোচ-ৰাজবংশী ক্ষত্ৰিয় নামেৰেই জনাজাত হোৱা হেতুকেই এই লোক সকল যে প্ৰকৃতাৰ্থত এটা মহাজাতি তাকেই প্ৰমানিত কৰে। কোচ শব্দটোৰ প্ৰকৃতাৰ্থ আজিও ভ্ৰমাত্মক হৈয়েই আছে বাবেই বিভিন্ন কৰ্তৃপক্ষই ভিন্ ভিন্ অৰ্থত ব্যৱহাৰ কৰি আছে। কোচ শব্দটো আই ভগৱতীৰ কোলা-কোচনা ক্ৰোড়ৰ পৰা হৈছে নে।

সংকুচিত মনোভাবৰ পৰা হৈছে, যে কোচ বা কুশী নদীৰ পাৰত থকা অঞ্চলত প্ৰাথমিক বাসিন্দা হোৱাৰ বাবেই যে সংস্কৃত ভাষা ব্যৱহাৰ নকৰি নিজা ভাষা ব্যৱহাৰ কৰাৰ বাবেই কুবাচ অৰ্থাৎ শংকৰদেৱৰ দৰে নিজা ভাষা ব্যৱহাৰ কৰি থকাত কুবাচ, যে কিৰাত বা মহাদেৱৰ ভক্ত হোৱাৰ বাবেই কিৰাত শব্দৰ পৰাই কোচ শব্দটো হবলৈ পাইছে— তাক আজি বিচাৰ কৰাটো কমলৰ ভিতৰত থকা কমা, বগা, ভেড়াৰ নোম খুচৰি খুচৰি বিচাৰৰ সমতুল্য।

ভাৰত দ্বিখণ্ডিত হৈ স্বাধীন হোৱা আজি দুকুৰি পাচ বছৰ হ'ল; লগে লগে স্কুলীয়া পৰ্য্যায়ৰ পড়াশালীবোৰৰ পৰা ভূগোল বুৰঞ্জী নাইকীয়া হ'ল। গতিকে ইতিহাস অধ্যয়নো অনাবশ্যকীয় পৰ্য্যায়ত পৰিল। ফলত আজি একবিংশ শতিকাৰ দুৱাৰ দলিত ভৰি দিয়া অন্ততঃ ভাৰতীয় মানুহে দ্ৰাবিড়, আৰ্য্য ম্লেচ্ছ আদি শব্দবোৰৰ প্ৰকৃতাৰ্থ পাহৰি পেলালে, সেইবোৰক একোটা জাতি বা গোষ্ঠীৰ সমাৰ্থকত সীমিত কৰি থলে; কিন্তু শঙ্খ-চক্ৰ, গদা-পদ্মধাৰী চতুৰ্ভূজী নাৰায়ণ নামৰ এজন ব্যক্তিৰ ধাৰণাটোক হলে পৰিত্যাগ নকৰিলে। বৈজ্ঞানিক দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ চেষ্টা কৰিও বসুদেৱ-দৈৱকীৰ অষ্টম সন্তান শ্ৰীকৃষ্ণ নামৰ এজন ঐতিহাসিক ব্যক্তিকো চতুৰ্ভূজী নাৰায়ণলৈ উন্নীত কৰিবলৈ নাপাহৰিলে। অথচ শ্ৰীকৃষ্ণ এজন দুই হাত বিশিষ্ট মানুহেই আছিল। এনে পটভূমিতেই আদিম মানুহবোৰ দ্ৰাবিড় গোষ্ঠীত পৰিণত হ'ল, অথচ দ্ৰাবিড় শব্দৰ প্ৰকৃতাৰ্থ—'আদিম'। সেই-দৰে আৰ্য্য শব্দই ভাৰতত এক শিক্ষিত বহিৰাগত শক্তিশালী মুষ্টিমেয়ৰ লোক সমষ্টিত পৰিণত হ'ল, যদিও 'আৰ্য্য' শব্দৰ প্ৰকৃতাৰ্থ আজতৰ অগ্ৰগতি সম্পন্ন ব্যক্তিহে। আচলতে ই এটা পদ্বাচে, লোকগোষ্ঠী নহয়। অসুৰ, দানৱ, ম্লেচ্ছ, ৰাক্ষস অনাৰ্য্য, কুবাচ আদি শব্দও সেইদৰে বিকৃত ধাৰণা জ্ঞাপক শব্দাৱলীহে। নিজৰ সক ভাই জনক ধমকতে 'দুভাৰ' (পাহৰি) বা 'কুকুৰ বা গাধা' বুলি গালি দিলেও আপোন কনিষ্ঠ ভাতৃজন আচলতে

পাহাড়ি, কুকুর বা শূকর ইত্যাদি নামের বা [illegible] বুলি [illegible] [illegible]
অভ্যাহে। এই ধারণার দুটি [illegible] পরিস্থিতিতেই, কোচ-রাজবংশী ক্ষত্রিয়
শব্দ [illegible] ব্যবহার করি এই কোচ-রাজবংশী সকলের সংস্কৃতির ওপরত
আরোপ করা হ'ল।

[illegible] কোচর সংস্কৃতি, [illegible] [illegible] ব্যাপক আরু ঐতিহ্যপূর্ণ [illegible]
ভাৰতীয় সংস্কৃতির অন্যতম অঙ্গ শৈব-শাক্ত সংস্কৃতি বুলিলেও বঢ়াই [illegible]
নহয়। শিব শঙ্কর মহাদেউ বা মহাদেব প্রাক আর্য যুগর আরাধ্য বা
আদর্শ। এই তিনিটা শব্দর অন্তরালত থকা, তার প্রবাহর যি ইতিহাস
সেয়েই হৈছে এক কথাত ভারতীয় সংস্কৃতির ইতিহাস এই শিবই কাম-
রূপত যোগেশ্বর, সাংখ্য দর্শনর পুরুষ, মহাযোগী গৌতম বুদ্ধর
সমাধির বাপ, যোগী [illegible] আরাধ্য, দেবতা আরু [illegible] সেঁতে
[illegible] সকলর পূজ্য [illegible] দেবতা, ([illegible] পূজা)। [illegible]
[illegible] [illegible] [illegible] [illegible] [illegible] প্রাচীন অধিবাসী
[illegible] [illegible] [illegible] [illegible] প্রতীক রূপ ইলাবতী, গৌরী,
পার্বতী, শক্তি [illegible] [illegible] [illegible] মাতৃ, দেবীরূপে উদিত হৈ
শিব-পার্বতী [illegible] [illegible] [illegible] সকলর আরাধ্য দেব-দেবীত
পরিণত। [illegible] শিব-[illegible] [illegible] ইলাবতী (বিলাবতী) নদীর
পরা আরম্ভ করি [illegible] বর্তমান [illegible] [illegible] [illegible]
[illegible] [illegible] [illegible] প্রভাবান্বিত করিছিল। [illegible] [illegible]
[illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]
[illegible] শিব [illegible] [illegible] [illegible] [illegible] আছিল। [illegible]
[illegible] [illegible] [illegible] [illegible] [illegible] বাঢ়ে [illegible]
[illegible] [illegible] [illegible] [illegible] [illegible]
[illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]
[illegible] [illegible] [illegible] [illegible] [illegible] মহাদেব সেই [illegible] [illegible]

আৰবতেই একেশ্বৰ বাদৰ বাণী প্ৰচাৰ কৰি অনুগত সকলক পয়গম্বৰৰ প্ৰকৃত ৰূপৰ সন্ধান দিবলগীয়া হৈছিল ; কিন্তু জনগণৰ স্মৃতি অতি ক্ষণস্থায়ী হোৱা হেতুকেই হজৰত মহম্মদৰ পবিত্ৰ আৰু সাৰ্ব্বজনীন বাণীও কালক্ৰমত ভ্ৰান্তি অৱগুণেৰে পৰিব্যাপ্ত হৈ পৰিছে। হজৰত মহম্মদৰ পূৰ্ব্বেই সেই একেই আৰব জগততেই ঈশ্বৰ পুত্ৰ যীশুই তেওঁৰ সমসাময়িক গোড়ামী প্ৰসূত অন্ধ গোড়ী পূজাৰী শ্ৰেণীৰ ব্যাখ্যাত পৰম পিতাৰ বাণী বিকৃত হৈ পৰিছিল বাবেই তেতিয়াৰ দিনৰ ঈশানী অৰ্থাৎ শৈৱ মতাৱলম্বী সকলো পথভ্ৰষ্ট হৈ পৰিছিল। এই ঈশানী সকলক শুদ্ধ পথৰ সন্ধান দিবলৈ যাওঁতে বেচাৰী যীশুৱে নিজৰ জীৱনকেই ভ্ৰান্ত পূজাৰী সকলৰ জনমতত বলি দিব লগা হৈছিল। এই ঈশানী সকলৰো পবিত্ৰ স্থান আছিল প্ৰাচীন মক্কা নগৰী আৰু মৰুতীৰ্থ হিংলাজ। এইবোৰ নিৰপেক্ষ ভাবে বিশ্লেষণ কৰিলে দেখা যায় পূবে কাম্পুচিয়াৰ পৰা আৰম্ভ কৰি পশ্চিমে আৰব জগত পৰ্য্যন্ত শিৱ শঙ্কৰ মহাদেৱৰ গভীৰ পদক্ষেপ উত্তাসিত নোহোৱাকৈ নাথাকে। পতিকে ঈশাই ওৰফে খৃষ্ট মতাৱলম্বী সকলেও প্ৰকৃততে শৈৱ মতাৱলম্বীয়েই আছিল যদিও আজি বিংশ শতিকাৰ মানুহে এনে পটভূমিক সহজতে গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে। মুঠতে সমগ্ৰ এচিয়া মহাদেশতেই শৈৱ মতাৱলম্বীৰ প্ৰভাৱ আছিল।

ভাৰত তথা এচিয়া মহাদেশৰ প্ৰাচীন ইতিহাস পৰ্য্যালোচনা কৰিলেও দেখা যায়, লঙ্কাৰ ৰজা ৰাৱণ, প্ৰাচীন কামৰূপৰ নৃপতি মহীৰঙ্গ, নৰক, ঘটোৎকোচ, বাণ, জৰাসন্ধ আদিৰ পৰা আৰম্ভ কৰি পঞ্চদশ শতিকাৰ মহাৰাজ বিশ্বসিংহ পৰ্য্যন্ত সকলোকেই শিৱৰ অনুগামী আছিল। পতিকে শিৱ আৰু পাৰ্ব্বতীয়ে বিভিন্ন ৰূপত সমগ্ৰ এচিয়া মহাদেশতেই বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল বাবেই শৈৱ আৰু শাক্ত ধৰ্মীয়েই কোচ সকলৰো সাংস্কৃতিক পটভূমি আছে। বিংশ শতিকাৰ শেষ ভাগতো আজিও শিৱ আৰু পাৰ্ব্বতী আদিকাংশতেই বিশেষকৈ কোচ সকলৰ মুখ্য দেৱতা আৰু

গৃহ দেৱী হৈ আছিল। পৰবৰ্ত্তী কালত সমন্বৰ ঘাত প্ৰতিঘাতত শাক্ত আৰু বৈষ্ণৱ মতবাদে অন্যান্যৰ লগতে কোচ সকলোকো পৰিচালিত কৰাটো অতি স্বাভাৱিক।

এই বৃহত্তোৰ পটভূমিতেই কোচ সকলৰ সাংস্কৃতিক পৰিচয় তলত অতি সংক্ষেপে দাঙি ধৰা হ'ল। অঞ্চলতে কোচৰ সংস্কৃতিৰ ওপৰত এখনি প্ৰামাণ্য গ্ৰন্থ প্ৰনয়ণৰ সম্বল অনাবিস্কৃত হৈ আছে যদিও ভাৰতৰ ইতিহাসে চুকি পোৱা দিনৰে পৰা, বিশেষকৈ মধ্যযুগৰ কালৰ পৰা নিৰ্দ্ধাৰিত হোৱা কোচৰ সংস্কৃতিক ভাৰতীয় সংস্কৃতিৰেই এটা বিশেষ অংগ বুলিব পাৰি। কাৰণ ভাৰতীয় সংস্কৃতি হৈছে স্বয়ং সম্পূৰ্ণ অথচ সৰ্ব্বগ্ৰাসী। এই সংস্কৃতি এটা বিৰাট সমন্বয়ৰ সুফল। দ্ৰাবিড়, অনাৰ্য্য, আৰ্য্য, মঙ্গোলীয়, তুৰাণীয়, অষ্ট্ৰিক আদি নানা তৰহৰ বিভিন্ন সংস্কৃতিৰ সোঁত উপসোঁত লগলাগি ভাৰতীয় সংস্কৃতিৰ মহাসাগৰ ৰচিত হৈছে। ভল্গা নদীৰ সভ্যতাই গংগাত বৈ পৰাৰ দৰে আমি কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত কব পাৰো যে :—

'হেথায় আৰ্য্য, হেথা অনাৰ্য্য
হেথায় দ্ৰাবিড় চীন
শক হুনদল মোগল পাঠান
এক দেহে হ'ল লীন।'

এয়েই হৈছে ভাৰতীয় সভ্যতা আৰু সংস্কৃতি মূল সুটি।

কোচ-ৰাজবংশীৰ সংস্কৃতি প্ৰকৃতাৰ্থত সুবিস্তৃত হোৱাৰ উপৰিও বিচিত্ৰ; সেয়ে স্বয়ং সম্পূৰ্ণ। কাৰণ এওঁলোকৰ পূৰ্ব্বপুৰুষ সকল আছিল শিৱ-পাৰ্ব্বতী কেন্দ্ৰীক। শিৱ-শঙ্কৰ মহাদেৱ হৰগৌ জ্ঞান বিজ্ঞানৰ কলা কৃষ্টিৰ উৎস। উৎসৰ পৰা প্ৰবাহিত হৈ সময়ৰ সোঁতত নানান পটভূমিৰ মাজেদি গতি কৰিব লগা হোৱাৰ কাৰণেই অৰ্থাৎ আৰ্য্যকৰণ হোৱাৰ ফলত

কোচৰ সংস্কৃতি বিচিত্ৰ হৈছে। আৰ্য্যকৰণৰ গোড়ামিৰ অত্যাচাৰৰ প্ৰতিবাদত প্ৰাচীন আৰু মধ্যযুগৰ কোচ সকলৰ লীলাক্ষেত্ৰতেই জৈন আৰু বৌদ্ধ মতবাদৰ সৃষ্টি হৈছিল। পৰৱৰ্ত্তী কালতো কোচৰ লীলাভূমিতেই ব্ৰাহ্মণ্যবাদ তথা পুৰোহিত তন্ত্ৰ বাদৰ অতিসহজ উদাৰ পন্থী নব-বৈষ্ণৱ বাদৰ কৰ্ষণ হৈছিল মহাৰাজ নৰনাৰায়ণ চিলাৰায় লক্ষ্মীনাৰায়ণৰ ৰাজত্ব কালত। কোচ ৰাজশক্তি দুৰ্ব্বল হৈ ভাগি ছিন্ডি যোৱাৰ লগে লগেই শ্ৰীশঙ্কৰদেৱ -মাধৱদেৱ-দামোদৰ দেৱৰ অনুগামী সকলেও ছিন্ডি হেকৰাই ঈশাই আৰু ইচলাম পন্থীসকলৰ বাবে প্ৰবেশৰ পথ মুকলি কৰি দিলে। কামৰূপ— কামতা ৰাজ্যৰ সাহিত্য - কলা-কৃষ্টিৰ চৰ্চ্চা কেন্দ্ৰটো কোচ-বিহাৰ-মধুপুৰৰ পৰা স্থানান্তৰিত হ'ল কলিকতালৈ। কোচ-হাজো ৰাজ্যৰ সাহিত্য,ক'লা- কৃষ্টিৰ চৰ্চ্চা কেন্দ্ৰটো স্থানান্তৰিত হল যোৰহাটলৈ। ইয়াৰ ফলত একালৰ ৰঙে ৰসে ভৰপুৰ ভাটিৰ ৰংপুৰ, নৱ- বৈষ্ণৱবাদী সকলৰ মধুপুৰ, ৰাজকীয় শক্তিৰ আধাৰ কমতাপুৰ-গৌৰীপুৰ-অভয়াপুৰ-বিদ্যাপুৰ-তিসিমপুৰ আদি পৰিত্যক্ত শিবিৰত পৰিণত হ'ল, ৰজা [illegible] ৰাজ হাউলীবোৰ এৰাবাৰীত পৰিণত হ'ল। ইবোৰ কথা ' কহিতে বিস্ময়, শুনিবাৰ বিপৰীত'।

অধ্যয়নৰ ক্ষেত্ৰত সাময়িক ভাবপ্ৰৱণতা বা আঞ্চলিক প্ৰীতিৰ দ্বাৰা প্ৰভাবান্বিত নোহোৱাকৈ নিৰপেক্ষ দৃষ্টিৰে বিচাৰ কৰি চালে আমি মুঠতে কব পাৰো যে এই অঞ্চলৰ প্ৰকৃত বুৰঞ্জী উদ্ধাৰ নোহোৱাৰ কাৰণে কুমাৰ ভাস্কৰ বৰ্ম্মাৰ ৰাজধানী আজিৰ গুৱাহাটীৰ পৰা গোৱালপাৰা জিলাৰ দক্ষিণ-পূৱ প্ৰান্তত থকা বাল্ৰবা— মইবঙ্গ— মবঙ্গ— মবলৈ তথা সাতাজী পাহাৰ অঞ্চলত থকা দ্বিতীয় কাশীৰূপ শ্ৰীসূৰ্য্যৰ ভগ্নাবশেষ আৰু ধৰ্ম্মপাল ৰজাৰ ৰাজধানী কামৰূপ নগৰৰ প্ৰকৃত অৱস্থান কত আছিল—ইয়াৰ প্ৰকৃত অৱস্থান স্থিৰ নোহোৱাত কোচৰ লীলাভূমি কলপীঠসকলৰ ঐতিহাসিক ভিত্তি তথা সংস্কৃতিৰ সুঁতিৰ খাঁত বিচাৰি উলিওৱা সহজ নহয়। এই অঞ্চলৰ সংস্কৃতিৰ ক্ষেত্ৰত জনশ্ৰুতিয়া প্ৰকৃত আলোচনা আৰু বিশ্লেষণ আজিও হোৱা

নাই, মাজে মাজে কেৱল কোদালৰ ঘাপহে পৰিছে — চ'হ যোৱা সুখৰ কথা — ইতিমধ্যে বোকাত পোত গৈছে; কিন্তু মানৰ ওপৰত বাহিৰৰ চামনি পৰিছে — কিন্তু বাহিৰৰ চামনি বা প্ৰলেপখিনি খাৰি জোকাৰি পেলালে মূল সুঁতি ওলাই পৰিব। বঙ্গপীঠৰ একালৰ অন্যতম অংশ আজিৰ উত্তৰ বঙ্গৰ নিচিনাকৈ প্ৰাক্তন গোৱালপাৰা জিলা অঞ্চলো প্ৰাচীন গীত, গীতিনাট্য আদিৰ কাৰণে বিখ্যাত; ঐতিহাসিক ছবি থকা গ্ৰাম্য জীৱনৰ প্ৰেম-প্ৰীতি আৰু সৃষ্টিৰ ৰহস্যযুক্ত এই গীতবোৰে যুগ যুগ ধৰি জনসাধাৰণৰ মন আপ্লুত কৰি ৰাখিছে। গোৱালপাৰাৰ বাহিৰত আজিও ৰাজবংশী লোকগীত ওৰফে গোৱালপাৰীয়া লোকগীত বুলিলে শ্ৰোতাৰ মন ৰোমাঞ্চিত হৈ উঠা দেখা যায়, ই সমগ্ৰ অসমতে জনপ্ৰিয়। কিছুমান নৃত্যগীত সাম্প্ৰদায়িক সম্প্ৰীতি আৰু জাতীয় সংহতিৰ গাঁঠনি হিচাবে শ শ বছৰ ধৰি অৱদান যোগাই আহিছে। ইয়াৰ বহুতো কাৰণ আছে। খুব সম্ভৱ কিৰাতীসকলৰ বিহাৰ ক্ষেত্ৰ আজিৰ মৰানৈ — শ্ৰীসূৰ্য পাহাৰ, চান্দসদাগৰৰ নীলাক্ষেত্ৰ চাম্পৰ নিওৰ পৰা আৰম্ভ কৰি বসুদেৱ নাৰায়ণ আৰু পৰীক্ষিত নাৰায়ণৰ ৰাজধানী বিজয়পুৰ বা বিজয় নগৰ (আঠাৰবা কোঠা), মোগলৰ পুৰ প্ৰধান ঘাটি জাহাঙ্গীৰবাদ (পানবাৰী) আৰু ঢাকাৰ নবাবৰ শেষভাগত ইষ্ট ইণ্ডিয়া কোম্পানীৰ দাবা পাহাৰ অধিকৃত অঞ্চলৰ [illegible] বিভিন্ন ইউৰোপীয় বণিকৰ বাণিজ্য কেন্দ্ৰ স্থাপন, মানিকচৰৰ [illegible] পূৰ্বাঞ্চলৰ অন্যতম [illegible] নাৰায়ণৰ মিনতিৰে— এই ভূখণ্ড বিভিন্ন সংস্কৃতিৰ সংস্পৰ্শত [illegible] সাংস্কৃতিক উপাদানৰ অৱিহনা যোগাইছে। [illegible] এই [illegible] আটাইতকৈ বেছি [illegible] নৃত্যগীত [illegible] [illegible] বৰ্তি থাকিব পাৰিছে।

এই [illegible] নৃত্য-গীত [illegible] [illegible] এই [illegible] নৃত্য [illegible]

অৱদান, ময়নামতী বা মৰিস্‌মতী গীত তান্ত্ৰিক প্ৰধান; সোনাৰায়ৰ গীত কোচ-মুছলমানৰ যুক্তীয়া অৱদান, বাশ (বাহ) পূজাৰ গীত শৈৱ প্ৰধান, শৈৱ আৰু শাক্তৰ সংঘাতৰ প্ৰতীক পদ্ম পুৰাণ। মাৰী পুৰাণ বৌদ্ধযুগৰ [illegible] সৃষ্টি, কাতি পূজাৰ গীত আৰ্য্য আৰু মোঙ্গল সংমিশ্ৰণৰ সৃষ্টি; [illegible] কোচ সকলৰ সম্পূৰ্ণ নিজস্ব অৱদান (উত্তৰ বঙ্গৰ [illegible] আজিও 'ক' কাৰক 'উ' কাৰ হিচাবে উচ্চাৰণ কৰে যেনে— 'কোচবিহাৰ' ৰ পৰিবৰ্তে 'কুচবিহাৰ' ৰ কোচ + আন = কুচান বা কুশান)। [illegible] গীতত বৈষ্ণৱ মতবাদৰ প্ৰভাৱৰ উপৰিও পীৰ ফকিৰ সকলৰ প্ৰভাৱ বিদ্যমান। সত্যপীৰৰ মনাই যাত্ৰা আৰু নাও খেলৰ গীতত মুছলমান আৰু [illegible] সকলৰ প্ৰভাৱ পৰিলক্ষিত হয়। ভাটিয়ালী, ভাওয়াইয়া, চট্‌কা আদি নানান সংমিশ্ৰণৰ ফল। নামাতি বা বিয়াৰ গীতত [illegible] উত্তৰ [illegible] হিন্দুস্থানী সকলৰ প্ৰভাৱ পৰিছে। [illegible] নামনি [illegible] ধৰি বৰ্তমান বাংলাদেশৰ পূৰ্ব্বাংশ, পৰবৰ্ত্তী সুৰমা [illegible] অংশ এসময়ত অতি সু-প্ৰাচীন কালত সাগৰৰ গৰ্ভত আছিল; তাৰ [illegible] সকলো [illegible] লাহে লাহে নানান নৈসৰ্গিক কাৰণত আৰু চিৰ প্ৰবাহিত [illegible] লোহিত্যাই অহৰহ পলস পেলাই মাটিৰ সৃষ্টি কৰিছে আৰু তাত আদিম মানুহে বসতি কৰি বং বেৰভৰ ফুলনি বাগিছা পতাৰ দৰে কোচ সকলৰ লীলাভূমি বহুপীঠৰ এই ভূখণ্ডৰ নানান জাতি উপজাতিৰ পলস পৰি বাৰে বৰণীয়া সংস্কৃতিৰে স্বয়ং সম্পূৰ্ণ হৈ আছে। এই কেচা সোণবোৰক সাধকৰ প্ৰচেষ্টাৰে উদ্ধাৰ আৰু সংস্কাৰ কৰিলে সোণত সুৱগা চৰিব আৰু [illegible] প্ৰাচীন কামৰূপৰ ঐতিহ্যমণ্ডিত বহুপীঠ সকলোৰে বাবে হৈ পৰিব অনন্যা—

—"সোণাৰ বৰণ পক্ষী আমাৰ
হেন্দুৰ বৰণ আঁখি
[illegible] পক্ষী [illegible]
মোকে [illegible] ৰে"— [illegible]

কৰাৰ বাহিৰে আন একো নাথাকিব। কোচ-ৰাজবংশী সংস্কৃতিৰ ওপৰত আজিও বিস্তৃত গৱেষণা হোৱা নাই। সমলবোৰ হেৰাই যোৱাৰ আগতেই, উৎসবোৰ শুকাই যোৱাৰ পূৰ্ব্বেই -বৰ্ত্তমান সংকুচিত হৈ পিছপৰা সম্প্ৰদায় ৰূপে ঘোষিত হোৱা এই কোচ-ৰাজবংশী সকলৰ মাজত ব্যৱহৃত হৈ থকা লোকাচাৰ, লোকগীতি, লোকনৃত্য, তন্ত্ৰ-মন্ত্ৰ, খাদ্যাভাষ— যেনে শীদল, মাটি কঁলাইৰ লগত পঠাৰ মাংস খাৰেৰে ৰান্ধা পদ্ধতি, চেকাৰ ব্যৱহাৰ, বাহৰ গজালি, শুকুনা মাছৰ ব্যৱহাৰ, বিশুৱাৰ বিভিন্ন তিথি পালন, টোপলা ভাতৰ ব্যৱহাৰ, শাক-শুকাতি খোৱা, বিশুৱাৰ বিভিন্ন তিথি আৰু প্ৰক্ৰিয়া পালন, কাপোৰ যোৱা পাটানি পিন্ধা, ফালি মাৰা বিভিন্ন ধৰণৰ আ-অলঙ্কাৰ পিন্ধা বিভিন্ন দেও-ভূত পূজা আৰু পদ্ধতি, প্ৰচলিত দেশী-ভাষাৰ উপকথা, সোলক, খিস্তা খিস্তি কথা, খেলাৰ ভিতৰত পয়তা, তিনি পয়তা, বাৰো পয়তা, ধোপ, চুম আদি খেল ধেমালি সকলোতেই কোচৰ সংস্কৃতিৰ সমলবোৰ সোমাই আছে। ইবোৰৰ প্ৰত্যেকৰ ওপৰত একোখনিকৈ প্ৰামান্য গ্ৰন্থ ৰচনাৰ অনাবিষ্কৃত কেঁচা-মাল ঠাহ খাই আছে। সেয়ে তলত অতি সংক্ষেপে কিছু আভাষহে দিয়া হ'ল।

পাৰ্শ্বজ্যোতি :—

এই জাতিটোৰ সংস্কৃতি আৰু সভ্যতাৰ কথা উল্লেখ কৰাৰ আগতে এটা কথা কৈ থোৱা উচিত হ'ব যে কোচ ৰাজবংশী জাতিৰ যি কৃষ্টি সভ্যতা আছে সি হৈছে বৃহত্তোৰ ভাৰতীয় কৃষ্টিৰে এটা অঙ্গ; যদিও ইয়াৰ এটা নিজস্ব বৈশিষ্ট্য আছে।

সকলো মিছা, এই পৰিদৃশ্যমান জগৎ মিছা, একমাত্ৰ পৰম ব্ৰহ্মই সত্য। এই বিচিত্ৰ বিনন্দীয়া ধৰাখন ৰজ্জুত সৰ্প ভ্ৰম হোৱাৰ দৰেই কেৱল অজ্ঞান বশতঃ উদ্ভৱ হোৱা ভ্ৰমৰ বাহিৰে আন একো নহয় বুলি

অভিজ্ঞত প্ৰকাশ কৰা অদ্বৈতবাদ দৰ্শনৰ বীজৰ লগত বুদ্ধদেৱৰ বস্তুবাদ দৰ্শনৰ মহামিলন। এয়েই হৈছে ভাৰতীয় চিন্তাধাৰা। কি আকাশৰ অদৃশ্য ভগৱানৰ কথা ভাবি যাক কোনো দিনে দেখা নাই; যি জনক আকুল ভাবে মাতিলেও পোৱা নাযায়, যিজনক নহলেও আমি সংসাৰৰ দৈন-দিন জীৱনত জীয়াই থাকিব পাৰো। তেনে জনক ভাবি, আত্মাৰ অমৰ-ত্বৰ কথা ভাবি হাবি বননিয়ে কঠোৰ তপস্যা কৰাৰ কি দৰকাৰ। সেইবোৰ নকৰিলেও আমি চলিব পাৰো। এই বিষয়ত মাথো চাৰিটা বস্তু সত্য। সেয়া হৈছে, এই বিশ্বত দুখ আছেই, এই দুখৰ কাৰণো আছে, এই দুখৰ অৱসানো আছে আৰু এই দুখৰ অৱসান ঘটাবলৈ পন্থাও আছে। বৌদ্ধ মতবাদৰ মূল কথা এয়ে।

পতিকে মানুহৰ দ্বাৰা গঠিত সমাজত বাস কৰি, সমাজৰ যাৱতীয় কাৰ্য্য সম্পাদন কৰি যথাযীয়া পন্থাৰে দিন কটাই যাপন কৰিব লাগে; আৰু যথাসম্ভৱ মানৱ তথা প্ৰাণী সমাজৰ যথাশক্তি উপকাৰ সাধন কৰিলেই মোক্ষ লাভ কৰিব পাৰি। মোক্ষ লাভ কৰিবৰ কাৰণে গোসাঁইৰ ভৰি ধোৱা পানী মূৰত লৈ নেথাকিলেও চলিব। এনে ধৰণৰ সাত্বিক অথচ একক ধৰ্মৰ বিভিন্ন ধৰণৰ ধ্যানধাৰণাৰ সংঘাত বা সমন্বয় স্থল হৈছে এই ভাৰতবৰ্ষ। এই মহাভাৰতৰ মহামানৱসকলৰ বিচিত্ৰ দৰ্শনৰ চিন্তাৰ প্ৰবাহৰ সোঁতে প্লাবিত কৰিছে পূৰ্বভাৰতৰ অধিবাসী কোচ ৰাজবংশীসকলক। পতিকে এই জাতিৰ সম্পূৰ্ণ সুকীয়া সংস্কৃতি থকা বুলি উল্লেখ কৰিলে ভুল হব বুলি ভাবো।

কোচ ৰাজবংশী মানুহৰ প্ৰচলিত হৈছে আৰ্য্য অনাৰ্য্যৰ সংযোজন দ্বাৰা পৰিচালিত [illegible] গৌড়। [illegible] বৌদ্ধ ধৰ্মৰ উৰ্বৰ ভূমিৰ [illegible] হৈছে এই পুণ্য [illegible] [illegible] ভূমিৰ [illegible] সম্ভৱ হৈ। বৌদ্ধ যোগী (সিদ্ধক বা শ্ৰমণ) সকলে কোচ ৰাজবংশী [illegible] [illegible]-ৰ্মত ঘোপঁজোপাৰ পাহাৰৰ ঘোপাবোৰত বহি বহি কৰা 'বুদ্ধং শৰণং, গচ্ছামি

ধৰ্ম্মম শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি "ৰ দেৱধ্বনিৰ মৃদু মধুৰ তৰংগই মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল তৰংগত একত্ৰিত হৈ আকাশ বতাহ কঁপাই বাজিছিল। তিস্তা, কৰতোৱা, সংকোষ, চম্পাৱতী গদাধৰ, সোৱণশিৰি, গাভৰু (আই) বৈকী আৰু মনাহ আদি উত্তৰৰ পৰা নামি অহা নদীবোৰে ভুটীয়াৰ, তুৰণী মংগোলীয়াৰ আৰু মহাচীনৰ কৃষ্টি সভ্যতা বোৱাই আনি এই জাতিৰ কৃষ্টিক পৰিশোধিত কৰিছে। সেই পৰিশোধিত কৃষ্টিৰ মহামিলন হৈছে তিব্বতী বাৰ্ম্মিচ গোষ্ঠীৰ পৰা অহা বড়ো বা বড়ো শাখাৰ নিজস্ব কৃষ্টিৰ লগত। এই সংক্ৰান্ততে উল্লেখ কৰিব পাৰি যে আজিৰ কোচ (ইয়াৰ পিছত কোচ-ৰাজ-বংশীৰ পৰিবৰ্ত্তে কেৱল কোচ বা "ৰাজবংশী" বুলিহে ব্যৱহাৰ কৰা হব) আৰু মেছৰ মাজত থকা মধুৰ সম্বন্ধ বিশেষ উল্লেখযোগ্য। বহুতে ধাতাংকৈ অভিমত প্ৰকাশ কৰে যে 'কোচ' জাতি 'মেছ' জাতিৰ পৰা উদ্ভৱ হোৱা বুলি সময়ৰ বিৱৰ্ত্তণত ভাষাৰ পাৰ্থক্য হৈছে। এই দুই শ্ৰেণীৰ মাজত আজি যিটো সমন্বয়তা পোৱা যায় সি হৈছে শ শ বছৰ ধৰি চলি অহা ভ্ৰাতৃত্বৰ মধুৰ সম্বন্ধৰ সুফল। এই কোচ আৰু মেছ জাতিৰ মাজত গঢ়ি উঠা সম্বন্ধটো কিমান মধুৰ আৰু নিবিড় হৈছিল সেই তাৰ বিৱৰণ আমি বিদেশী পণ্ডিতৰ ভাষ্যতে পাওঁ— "In former times the Koches and Meches freely intermarried, but the conversion of the former to Hinduism has now caused the practice to be discontinued." 'কোচ' শব্দৰ প্ৰগত 'হাৰি' (বংশধৰ) শব্দ লগালে কেবছলোকি ওৰকে 'কোচাৰি' অৰ্থাৎ কোচৰ বংশধৰকেই বুজায়। মহাৰাজ বিশ্ব-নাৰায়ণে যেতিয়া প্ৰথম ৰাজ্যৰ পৰা আনখন ৰাজ্য জয় কৰি ঘুৰিছিল তেতিয়া তাঁহাৰ হাজাৰ কোচ সৈন্য [illegible] যুদ্ধ [illegible] সমাজত পৰি-ছিল আৰু তাৰ পিছত [illegible], যেই সেই [illegible] কছাৰী, মিকিৰ, গাৰো, [illegible] আহোম, [illegible] আৰু [illegible] আদি নানা জাতি [illegible] সাংস্কৃতিক জীৱন [illegible]

কৰিছিলে ধৰে। [illegible] মাই [illegible] স্থানীয় অধিবাসী হৈ পৰে।

এই কথাষাৰ বিশেষকৈ উল্লেখ কৰিব লগীয়া [illegible] বেছিকৈ প্ৰযোজ্য। এইদৰে কোচ ৰাজ্যৰ পৰা মিশ্ৰিত কোচ সকলোৱে [illegible] জাতিৰ ভিতৰত মিহলি হোৱাই এটা নতুন বৰ্ণসংকৰ জাতিৰ সৃষ্টি কৰিলে তাকে [illegible] বা বৰ্ণহীন অসমৰ আচৰ্ যাজবংশী (কোচ) বিলাকে অলপ [illegible] বা হেয় চকুৰে গণ্য কৰিব ধৰিলে। সময়ৰ সোঁতত এই মিশ্ৰিত কোচ-[illegible] কিয়া বাক দিয়া থোৱাটোও [illegible] ৰাজবংশী বিলাকে কিছু পৰিমাণে নিম্নাৰ চকুৰে চাবলৈ ধৰিলে। [illegible] মূলতে হৈছে ৰাজনৈতিক ব্যৱহাৰ আৰু কৌশল। এই ব্যৱহাৰৰ কাৰণে ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰতিক্ৰিয়াও বহু পৰিমাণে দায়ী। এই সুযোগক গ্ৰহণ কৰি [illegible] মানুহে প্ৰচাৰ কৰি দিলে যে কোচ মানুহবিলাক ৰাজবংশীবিলাকতকৈ হেয়। কোচবিলাক [illegible] মেচৰ পৰা উদ্ভৱ হোৱা আৰু ৰাজবংশীবিলাক হৈছে সম্পূৰ্ণ আৰ্য্য আৰু প্ৰকৃত ক্ষত্ৰিয়ৰ বংশধৰ [illegible]। দ্বিতীয়তে মহাৰাজ নৰনাৰা-য়ণৰ [illegible] বহুতো বাহ্যো [illegible] মানুহে কোচৰ শাখীলৈ উঠি নিজকে কোচ বুলি পৰিচয় দিছিল ৰাজকীয় অনুগ্ৰহ আৰু সুবিধা পোৱাৰ আশাত। বহুতো জাতিৰ মানুহবিলাক [illegible] মদাহী হয়, মদাহীৰ পৰা চাল চলন কিছু পৰিমাণে [illegible] কোচ বুলি পৰিচয় দিছিল। সেই একে [illegible] আমি পাওঁ যে— "Meches and Rabhas are said to be admitted into the category of Rajbonshies on conversion, but they have first to pass through the preliminary stages of 'Modhahi' and Saraniya"

[illegible] কোচবিলাক [illegible] [illegible] কোচবিহাৰ [illegible] [illegible] দেখা যায়। জাতি-তত্ত্ববিদ পণ্ডিতসকলৰ মতে বৰ্তমান ৰাজবংশী বা কোচ

বিলাক পূৰ্ব্বৰ ক্ষত্ৰিয় ৰজাসকলৰ পৰা উদ্ভৱ হোৱা যোদ্ধা জাতি যেন লাগে। এনে ধৰণৰ বিভিন্ন মতা মত পোষণ কৰাৰ একমাত্ৰ কাৰণ যে এই জাতিটো নানা পৰিবৰ্ত্তনৰ মাজেদি আহিব লগা হৈছে। এই কাৰণে কোনো পণ্ডিতে আজিলৈ খাতাং আৰু সুস্থিৰ অভিমত প্ৰকাশ কৰিব পৰা নাই। কিন্তু বড়ো গোষ্ঠীৰ জাতি-উপজাতিবিলাকৰ ক্ষেত্ৰত হলে প্ৰায় সকলো পণ্ডিতে একমত যে এওঁলোক তিব্বতী বৰ্ম্মী গোষ্ঠীৰ মানুহ। শৰীৰৰ গঠন, গাৰ বৰণ, চুলিৰ প্ৰকাৰ, গালৰমুখৰ গঢ়, কাকো ভয় নকৰা স্বভাৱ, তোষামোদ কৰিব নাজানা মনোবৃত্তি, স্পষ্ট বাদিতা, কৰ্তব্যবিমুখ নোহোৱা, মিছা কথা কব নাজানা আদি প্ৰকৃতিৰ পৰাও ভালদৰে বিচাৰ কৰি চালে এই জাতিটো যে যুঁজাৰু ক্ষত্ৰিয়ৰ বংশধৰ তাক নুই কৰিব নোৱাৰি। বৰ্ত্তমান চৰকাৰৰ প্ৰতিৰক্ষা বাহিনীত এই জাতিৰ সৈন্যবিলাকে যি বৰঙণি দি আহিছে; বোধহয় পূৰ্ব্ব-ভাৰতৰ আন কোনো জাতিয়ে তেনে ধৰণে বীৰত্ব আৰু কৰ্তব্যপৰায়ণতাৰ জ্বলন্ত নিদৰ্শন এতিয়ালৈকে দেখুৱাব পৰা নাই। 'এই জাতিৰ পাৰিবাৰিক পুৰাতত্ত্ব, ভাষা, চৰিত্ৰ সভ্যতা, আচাৰ নীতি ভাব, বিশ্বাস, শৌৰ্য্য, বীৰ্য্য ইত্যাদি আলোচনা কৰিলে ধৰ্ম্মবিশ্বাস, বাহুবিক্ৰমাদি নৈসৰ্গিক মহাশক্তিৰ হেঁচাত নিগৃহীত ভাৰত পুৰাণৰ ক্ষত্ৰিয় জাতিৰ বংশধৰ বুলি সহজে অনুমিত হয়।' এই জাতি যে সঁচাকৈ বীৰ আৰু ক্ষত্ৰিয় তেজ প্ৰবাহিত তাৰ হাজাৰ হাজাৰ প্ৰমাণৰ উপৰিও আমি সাধাৰণ এটি প্ৰমাণৰ পৰা পাওঁ যে ইং ১৯১৫ চনত প্ৰায় পাঁচ শ ৰাজবংশী ক্ষত্ৰিয় সৈন্য অকল গোৱালপাৰা জিলাৰ পৰা ভিন ভিন সৈন্য বিভাগত অৱস্থান কৰি ফ্ৰান্স, বেলজিয়াম, ইটালী, মিশৰ, বাগদাদ, ক্ৰীট, চালোনিকা ইজিপ্ত প্ৰভৃতি ৰাজ্যত বৈদেশিক [illegible] পৰিচালিত সম্মুখ সমৰত বীৰত্ব প্ৰকাশ কৰি গুৰ্খা আৰু শিখ আদি প্ৰখ্যাত নামী বীৰ জাতিৰ সৈতে সমকক্ষতা লাভ কৰি বিভিন্ন সেনাপতিৰ দৃষ্টি আকৰ্ষণ কৰিছিল। উদাহৰণ স্বৰূপে কেইটা বৈদেশিক সৈন্যাধ্যক্ষই [illegible] প্ৰশংসাসূচক [illegible]

The men of this Khatriya community make better soldiers then most of the others' (ৰাজবংশী ক্ষত্ৰিয় সমিতিৰ ৪র্থ অধিবেশনত দিয়া সভাপতিৰ অভিভাষণ— চাপৰ, ১৯[illegible] চন)। সেই একে কথাকে আমি সদৌ অসম ৰাজবংশী সম্মিলনীৰ স্মাৰক পত্ৰত পাওঁ যে- "The Assamese nation is highly indebted to the Koch king for its language, literature, culture and arts. The Koch is a martial race and makes fine soldiers. The people formed the Army of Maharaja Naranarayan and conquered countries for him. For defence of the country and for the preservation of health and home this people fought bravely and valiantly against the Moguls, the Ahoms, the Gauroes and the Bhutias for about a century. Rajbonshies joined the military Dep-artments in large the first and the second world war, displayed fine qualities of a soldier and the superior officers spoke very highly of them. In the military slang they are called Jharuas (from ' Jhar-forest which abound in Assam)".

এই জাতিৰ শৌৰ্য্য আৰু বীৰ্য্যৰ কথা কেৱল মহা পুৰুষৰ কাব্য বা কথাতে আবদ্ধ নেথাকি [illegible] [illegible] [illegible] পৰিচয় পোৱা যায়। সেইদৰে তেওঁলোকৰ নিজৰ কথা [illegible] সমাজ ব্যৱহাৰ কৰি থাকে যে :—

'নাটাইক কৰিব ধনু [illegible] কৰিব শৰ।
[illegible] [illegible] [illegible] [illegible], [illegible] [illegible] [illegible]।

প্ৰাণৰ বৈৰীক আনিম, মাল পাশত বান্ধিয়া।
সোমামী পুত্ৰ মৰিল ৰণত মই ৰম কিহৰ লাগিয়া ॥

ইমানেই বীৰত্ব ৰাজবংশী তিৰোতাৰ। হাতত অস্ত্ৰ নাই স্বামী পুত্ৰ যুদ্ধত প্ৰাণ দিলে; গতিকে যঁতৰৰ যাবতীয় সৰঞ্জামকে লগত লৈ প্ৰাণৰ বৈৰীক যঁতৰৰ মালপাশেৰে বান্ধি বন্দী কৰি আনিব। নহলে যুদ্ধত প্ৰাণ দিব, কি প্ৰাণময়ী আবেগপূৰ্ণ ভাষা; কিন্তু কালৰ সোঁতত সেই বীৰ সন্তান প্ৰসাৱিনী ৰমণীসকল আজি দুখ কৰি দীৰ্ঘ হুমুনিয়াহ কাঢ়িছে:—

"আমেৰু আছিলো কৌশল্যা দ্ৰৌপদী, সীতা দময়ন্তী।
[illegible]-পাপুৰী হৈলো কান্দত শিন্ধিলো অতি ॥"

আগতে ৰাজবংশী তিৰোতাবিলাক ৰাজৰাণী আৰু ৰাজকন্যা আছিল; [illegible] দুখৰ কথা [illegible] হৈছে। কাৰণ "ধনুত ছিলা [illegible] মাই [illegible]" [illegible] মনেৰ মাঙ" ([illegible] কাপৰ [illegible] কোনেও [illegible] দেখি [illegible] [illegible] যোৱাৰ মা যহি বহি কান্দে)। সেইদৰে দুখ কৰি আপোনমনে [illegible]—

"[illegible]। উসলাই মাথা আউলাই কেশ;
[illegible] জাতেৰ ই কেনে বেশ"

যদিও আজি এই দুৰাৱস্থা তথাপি এই বীৰ ৰমণীসকল স্বাভিমানী; নিজৰ [illegible] উপৰত [illegible] আছে—

"[illegible] আমাৰ [illegible]
[illegible]
যঁতৰেৰ দৌলত আমাৰ
সাত [illegible] [illegible]।" ইত্যাদি।

তাহানি [illegible] [illegible] 'বাৰুৱা' সৈন্য বুলি আখ্যা দিছে। 'বাৰুৱা' শব্দৰ অৰ্থ যাৰ [illegible] সৈন্যক বুজাইছে। এই

'ঝাকৰা' বা ঝাৰ শব্দটো যে এই জাতিৰ পূৰ্বপুৰুষ সকলৰ লগত ওতঃপ্ৰোত ভাবে জড়িত থকা 'চিক্‌নাঝাৰ'ৰ পৰাই হৈছে তাক বহুলাংশে নকৰিলেও হয়। কিছুমানে কব খোজে মেছ মানুহৰ দ্বাৰা গঠিত সৈন্য বাহিনীকহে 'ঝাকৰা' সৈন্য বুলি আখ্যা দিয়া হয়, কিন্তু কথাষাৰ ভুল। কিছুমানে মোটা বুদ্ধিৰ ঐতিহাসিকে এই জাতিৰ মানুহবিলাকক বিশেষকৈ 'কোচ' বুলি পৰিচয় দিয়া তথাকথিত শাখাটোক 'মেছ' জাতিৰ নামান্তৰ বুলি প্ৰকাশ কৰাৰ কাৰণে ভাৰত চৰকাৰে প্ৰতিৰক্ষা বিভাগৰ প্ৰতিবেদনত গভীৰ ভাবে পৰ্য্যালোচনা নকৰাকৈ কোচ মানুহবোৰক মেছ বুলি কৈছে। এটা কথা বিশেষ লক্ষ্য কৰিব লাগে যে ৰাজবংশী মানুহ ভাৰতৰ প্ৰতিৰক্ষা বিভাগত সৈনিক হিচাবে যিমান সংখ্যক আছে, পূৰ্ব্বোত্তৰ ভাৰতৰ আন কোনো জাতিৰ মানুহ সিমান বেছি নাই, ৰাজবংশী মানুহ ইমান বেছি সৈন্য বিভাগত যোগ দিয়াৰ প্ৰধান কাৰণ হৈছে তিনিটা। প্ৰথম হৈছে তেওঁলোকৰ স্বভাৱগত প্ৰেৰণা— যিহেতু জাতিটো মোটাবুদ্ধিৰ, গতিকে তেওঁলোকে অবাধগতি আৰু বীৰত্ব প্ৰকাশ কৰি আত্মতৃপ্তি লাভ কৰে, দ্বিতীয়তে বৃটিশ চৰকাৰে শাসনৰ পাদীত থকা সময়ত সত্যবাদিতা, নিৰ্ভীকতা অথচ মোটা বুদ্ধিৰ উপযুক্ত সৈনিক হিচাবে এই জাতিটোক বেছি পছন্দ কৰিছিল। তৃতীয়তে বৰ্ত্তমান জনপ্ৰিয় গণতান্ত্ৰিক চৰকাৰৰ মাহাত্ম্যত পাৰি কোনো চৰকাৰী চাকৰিতে স্থান গ্ৰহণ কৰিব নোৱাৰা এই জাতৰ মানুহবোৰে সৈন্য বিভাগতে আশ্ৰয় লব লগাত পৰিছে।

মুঠতে এই জাতিটো কিছুমান পণ্ডিতৰ মতে বড়ো গোষ্ঠীৰ পৰা উদ্ভৱ হোৱা বুলি অভিমত প্ৰকাশ কৰাৰ একমাত্ৰ মূল কাৰণ হৈছে কোচ আৰু বড়ো গোষ্ঠীৰ মানুহৰ মাজত থকা মধুৰ সুসম্বন্ধটোৰ কাৰণে।

কোচ জাতিটো বড়ো গোষ্ঠীৰ পৰা সম্পূৰ্ণ পৃথক নহয়— ভাষা, আচাৰ ব্যৱহাৰ, সামাজিক ৰীতি নীতি আদি বহু বিষয়ত পৃথক নহয়। একেটা মহৎ

জাতিৰ পৰা একে ঘাটে একে স্থানৰ পৰা স্কালৰি কাটি বেলেগ বেলেগ জাতি উপজাতিৰ সৃষ্টি হলেও— ভাষা, আচাৰ ব্যৱহাৰ, সমাজ ৰীতিনীতি আদিত বিশেষ লক্ষ্য কৰিবলগীয়া পাৰ্থক্য নাথাকে, যেনেকৈ মেছ, গাৰো, ৰাভা, আজং আদি জাতি উপজাতিবোৰৰ মাজত বিশেষ পাৰ্থক্য নাই, বৃহৎ বড়ো গোষ্ঠীৰ অন্তৰ্গত এই জাতিৰ মাজত থকা পাৰ্থক্যটো চাৰিওফালৰ পৰা কিছু পৃথক। কছাৰীবিলাকে 'চিজু' গছক পূজা কৰে আৰু সেই একে বড়ো গোষ্ঠীৰ ৰাভা বিলাকে 'থুক্‌চি' গছক পূজা কৰে; কিন্তু কোচবিলাকে তেনে কোনো গছক বৰ্তমান পূজা নকৰে। কেৱল 'তুলসী' গছৰ পাতক পবিত্ৰতাৰ প্ৰতীক হিচাবে পূজা-পাতলত কোচবোৰে ব্যৱহাৰ কৰে। এই জাতিৰ এটা বুজন সংখ্যক লোকে মাতৃ-পূজাৰ প্ৰতীক 'মনসা' দেৱীৰ পূজা কৰে, বহুতৰ ঘৰে ঘৰে 'বিষহৰি মাওঁৰ' পূজা আৰু কুলদেৱী হিচাবেও পূজিত হয়। মাতৃপূজাৰ প্ৰাধান্যতা আৰু জাতিতত্ত্বৰ ঐতিহ্য বিচাৰিলে পোৱা যায় যে কেৱল কোচ জাতিৰেই ই আৰাধ্য দেৱী নাছিল; বিভিন্ন ৰূপত আৰু নামত গোটেই বিশ্বতে মাতৃ প্ৰধান সমাজৰ প্ৰাধান্য আছিল আৰু হিমালয় অঞ্চলৰ 'দেৱী মাই', 'দেৱী মাতা' আৰু 'নৈন' দেৱীৰ লগত এচিয় মাতৃ ইষ্টৰ, এষ্টৰটে, আৰটেমিছ, এনাইটিছ, বা এফ্রোডাইট নামৰ ভূমধ্য সাগৰীয় একেকাৰ দেৱীসকলোৰ সম্পৰ্ক আছে। সিন্ধু সভ্যতাৰ লগত প্ৰাচীন ক্ৰীটৰ সভ্যতাৰ সাদৃশ্যও উপেক্ষণীয় নহয়। হাটনৰ মতে বিশ্বামিত্ৰ * বশিষ্ঠ কন্দলৰ উপাখ্যান প্ৰাক্-বৈদিক আৰু বৈদিক সভ্যতাৰ মিলনৰ কথাও সূচাব পাৰে, ইপিনে পৰশুৰামৰ নিঃক্ষত্ৰিয় কৰণৰ পৰিকল্পনাটো ঋকবেদৰ যুগৰ সামন্ত-তন্ত্ৰবাদৰ পৰাজয়ৰ কথা সূচায় বুলি হাটনৰ ধাৰণা।

কোচ-ৰাজবংশী জাতিৰ বিভিন্ন উপাধিৱলী :- কোচ-ৰাজবংশী গোষ্ঠীৰ লোক সকলৰ এনে ব্যাপক আৰু বিচিত্ৰ ইতিহাসৰ কাৰণে যেনকৈ এক উশাহতে খাতাং ভাবে কব নোৱাৰি প্ৰকৃততে এওঁলোকে আৰ্য্য নে অনাৰ্য্য, মঙ্গোলীয়ান নে ককেচিয়ান, নে দ্ৰাবিড় (দ্ৰাবিড় শব্দৰ প্ৰকৃত অৰ্থ আদিম) নে নিগ্ৰোটো নে মিশ্ৰিত ; ঠিক সেইদৰে এওঁলোকৰ উপাধিও বিচিত্ৰ আৰু তাৎপৰ্য্যপূৰ্ণ। এই গোষ্ঠীৰ লোক সকলে ব্যৱহাৰ কৰা উপাধিৱলীৰ পৰাও বৰ্ত্তমান আন আন গোষ্ঠীৰ লোকৰ পৰা সহজে বিচাৰি উলিওৱা টান হৈ পৰিছে। এই কোচ-ৰাজবংশী গোষ্ঠীৰ লোকসকলে বৰ্ত্তমান নানান ধৰণৰ উপাধি ব্যৱহাৰ কৰে আৰু এই উপাধি বিলাকৰ ভিতৰত (১) অধিকাৰী, ঈশ্বৰ, (২) কোচ, (৩) কোঁৱৰ, (৪) কাৰ্জী, (৫) খাটনিয়াৰ, (৬) খাৰঘৰীয়া, (৭) গিৰি, গিতাল, (৮) চৰকাৰ, সৰকাৰ, (৯) চলিহা, (১০) চৌধুৰী, (১১) টকৰীযা, (১২) ত্ৰাতা, (১৩) তহচিলদাৰ, (১৪) তৰফদাৰ, (১৫) তালুকদাৰ, (১৬) তামুলী, (১৭) ঠাকুৰীয়া, (১৮) ডিহিদাৰ, (১৯) ডেকা; (২০) ডাউকা, (২১) দাস, (২২) দেৱ, (২৩) দলৈ, (২৪) দত্ত, (২৫) দস্তৰকৰা, (২৬) দস্তিদাৰ (২৭) দেৱবৰ্ম্মা, (২৮) চিং (২৯) পাঠক, (৩০) পাটগিৰি, (৩১) পাল, (৩২) ফৌজদাৰ, (৩৩) বৰ্ম্মণ, (৩৪) বৰুৱা, (৩৫) বৰা, (৩৬) বানাই, বায়ন, (৩৭) বৰ্ম্মা, (৩৮) বশিষ্ঠ, (৩৯) বৈষ্ণৱ, (৪০) বৈৰাগী, (৪১) বৰবৰা, (৪২) ভূঞা, (৪৩) মহন্ত, (৪৪) মজুমদাৰ, (৪৫) মণ্ডল, (৪৬) মল্লিক, মেধী, (৪৭) মালী, (৪৮) মুন্সি, (৪৯) মুক্তাৰ (৫০) ৰাজবংশী, (৫১) ৰায়, (৫২) ৰাজা, (৫৩) লস্কৰ, (৫৪) লাহকৰ, (৫৫) শইকীয়া, (৫৬) শিকদাৰ, (৫৭) সিংহ, (৫৮) সেনাপতি, (৫৯) হাজৰিকা, (৬০) ক্ষত্ৰিয় ইত্যাদি।

বৌদ্ধ ধৰ্ম্মৰ তান্ত্ৰিকতাই কোচবিলাকৰ মাজত বেছিকৈ শিপাইছিল আৰু সেই কাৰণে পিছৰ ব্ৰাহ্মণ লিখকবিলাকে তেওঁলোকক ম্লেচ্ছাচাৰৰ

মানুহ বুলি অভিহিত কৰিছিল। কোচ ৰজা মহাৰাজ বিশ্বসিংহৰ দিনৰ পৰা কোচ বিলাকৰ ওপৰত থকা কলিতাৰ আধিপত্য কমি আহে; কাৰণ বিশ্বসিংহৰ প্ৰচেষ্টাত কোচ মানুহবিলাক বৌদ্ধ ধৰ্ম্মৰ তান্ত্ৰিকতাৰ পৰা পুনৰায় হিন্দু ধৰ্ম্মলৈ আহে।

ইয়াৰ পিছত আহে আহোম বিলাক চীনা আৰু বৰ্ম্মা সভ্যতাৰ ৰেঙণি লগত লৈ পূৰ্ব্বৰ কালৰ পৰা। টাই জাতিৰ মানুহ আহোম-বোৰে যি কৃষ্টি আৰু সভ্যতা লগত লৈ আহিছিল; ই প্ৰাচীন ভাৰতীয় কৃষ্টি সভ্যতাৰ পৰা কিছু পৰিমাণে পৃথক। ইয়াক সংক্ষেপে চীনা বাৰ্ম্মিচ সভ্যতা বুলি অভিহিত কৰিব পাৰি। গতিকে আহোম বিলাকৰ এই নিজস্ব কৃষ্টিৰ সোঁত পূৰ্ব্বৰ পৰিশোধিত কোচ কৃষ্টিৰ লগত মিলন হৈ এটা নতুন সভ্যতাৰ ৰূপ দিলে। এইটো হ'বলৈ পাইছে বিশেষকৈ কোচ আৰু আহোম জাতিৰ পৰাক্ৰমী ৰজা সকলৰ দিনত। ইয়াৰ পিছত আহিল ইছলাম ধৰ্ম্মই নিজস্ব দৃষ্টিভঙ্গীৰে আচাৰ ব্যৱহাৰ আদিৰ দ্বাৰা পত্ৰে পুষ্পে সুশোভিত হৈ। বোৱাই দিলে শেষ নবী হজৰত মহম্মদৰ ভ্ৰাতৃত্বৰ মধুৰ বাণীৰ সোঁত। পঙ্গু হৈ পৰিল তেতিয়াৰ কণ্ণ হিন্দু ধৰ্ম্ম। এমুঠি প্ৰথম বুদ্ধিজীৱি ব্ৰাহ্মণ নামধাৰী মানুহে পৱিত্ৰ শাস্ত্ৰবোৰৰ কুৎচিত ব্যাখ্যা কৰি ব্যৱহাৰ কৰিছিল শোষণৰ অস্ত্ৰ স্বৰূপে শাস্ত্ৰ বোৰক। ভাঙন ধৰিছিল তেতিয়াৰ হিন্দু ধৰ্ম্ম। ঠিক এনে সময়তে আহি পালে ইচলাম ধৰ্ম্মৰ ভ্ৰাতৃত্ব প্ৰেমৰ দৰ্শনে, আহ্বানে পুঞ্জীভূত বেদনাৰ বোজা বৈ থকা হাজাৰ হাজাৰ তথাকথিত হিন্দু নীচ জাতিৰ মন সহজে আকৰ্ষণ কৰিলে। হিন্দু ধৰ্ম্মৰ কঠোৰ শাসনৰ কাৰণে বীতৰাগ হোৱা হাজাৰ হাজাৰ হিন্দুৰ অন্তৰ জয় কৰি পেলালে। পূৰ্ব্বোক্তৰ তাৰতম্য স্বাধীন কোচ ৰাজ্যতেই প্ৰথমে মুছলমান বিলাকে

হাত দিয়ে। কোচ বজাৰ দুবাৰস্থাৰ সময়ত মুছলমান ধৰ্ম্ম প্ৰচাৰক সকলে কোচ ৰাজ্যৰ প্ৰজাবৰ্গৰ অন্তৰত প্ৰবেশ কৰে। হিন্দু ধৰ্ম্মত হাজাৰ হাজাৰ জাতি উপজাতিৰ সৃষ্টিকাৰী ব্ৰাহ্মণ সকলে নিৰ্ম্মম ভাবি দিছিল যে মানুহৰ উচ্চ নীচ আছে ; উচ্চ জাতিৰ মানুহবোৰ নীচ জাতিৰ মানুহৰ ঘৰত খোৱা বোৱা কৰিলে অপবিত্ৰ হয়, জাত্যান্তৰ হয় কিন্তু ব্ৰাহ্মণক দান দক্ষিণা দি প্ৰায়শ্চিত্ত হ'লে আকৌ নিজ জাতত উঠিব পৰা যায়।এইয়ে আছিল তেতিয়াৰ হিন্দু সমাজ। তেতিয়াৰ সৰ্ব্বসাধাৰণে বুজিব নোৱাৰা সংস্কৃত ভাষাটোক দেৱভাষা অৰ্থাৎ দেৱতাৰ ভাষা বুলি অভিহিত কৰি মহান শাস্ত্ৰ বিলাকৰ এনে ধৰণৰ কিছুমান কুৎচিত ব্যাখ্যা কৰিছে কিছুমান পণ্ডিতে যে তাৰ ফলত সিহতে সৃষ্টি কৰা নীচ জাতিৰ মানুহবোৰৰ একপ্ৰকাৰ তিষ্ঠি উঠা টান হৈ পৰিল। মানুহে মানুহৰ প্ৰতি কৰা ঘৃণাৰ অত্যাচাৰ ইমান বেছি হৈ গ'ল যে তথাকথিত নীচ জাতিৰ মানুহবোৰে সংস্কৃত ভাষাত লিখা শাস্ত্ৰবোৰ পঢ়ি জ্ঞান লাভ কৰা দূৰৰ কথা তাক স্পৰ্শ কৰাটোৱে নিষিদ্ধ মহাপাপ। ঠিক এনে এটা সময়তে আহিছিল ক্ষমতাৰ চোকা তৰোৱালৰ দ্বাৰা হাবি-জঙ্গল পৰিষ্কাৰ কৰি ভ্ৰাতৃত্ব প্ৰেমৰ ইচলাম ধৰ্ম্মৰ বাণী। ভাৰতৰ হাজাৰ হাজাৰ মানুহে এই ধৰ্ম্মত দীক্ষিত হোৱাৰ লগে লগে কোচ ৰাজ্যতো শ শ মানুহে মুছলমান ধৰ্ম্মত দীক্ষিত হৈ কোচ ৰাজ্যখনক হিন্দু মুছলমানৰ দুই বিভিন্ন চিন্তাধাৰাৰ মিলন ক্ষেত্ৰত ৰূপান্তৰি · কৰিলে। গোটেই পূৰ্ব্ববঙ্গ, দিনাজপুৰ, বৰিশাল, ৰংপুৰ, জলপাইগুড়ি কোচবিহাৰ আৰু অসমত বৰ্ত্তমান থকাবোৰ মুছলমান খাছে প্ৰায় সকলোবোৰে সেই সময়তে ইচলাম ধৰ্ম্মত দীক্ষিত হোৱা। এই দুই ধৰ্ম্মৰ মহামিলন বা মিশ্ৰণৰ ফলত এক নতুন কৃষ্টিৰ সৃষ্টি, সং ঃ ও আৰু অৱশেষত সমন্বয় হৈ কোচ কৃষ্টিক এটা নতুন ৰূপ দিলে। ই ইচলাম কৃষ্টিৰ সৃষ্টিৰ বাটতেই হাজোৰ পোৱা-মক্কা

আৰু পাঁচ পীৰৰ দৰ্গাহ বুঢ়া-বুঢ়ীৰ থান আদিৰ সৃষ্টি। (১)

ইয়াৰ দ্বাৰা স্পষ্ট বুজা যায় যে কোচ ৰজা প্ৰজাবোৰ ধৰ্ম বিষয়ত অতি সহনশীল আছিল। এই সম্পৰ্কত ধুবুৰীৰ মহম্মদ মকবুল আলি চাহাবৰ বুঢ়া-বুঢ়ীৰ থানৰ মাহাত্ম্য পাঠকৰ আগত দাঙি ধৰা হ'ল;

"এক বিৰিখৰ তলত বৈসে দুই দেৱতাৰ থান।
দেৱীক মানে হিন্দু লোকে, পীৰক মুছলমান॥
হিন্দুৱানী মতে হিন্দু দেৱীৰ পূজা কৰে।
মুছলমানে পীৰৰ নামে দোৱা দৰুদ পঢ়ে॥
মুছলমানে ছিন্নি বান্ধে হিন্দু যোগায় খৰি।
হৰিলুটৰ খোলান ছিলায় মুছলমানে ধৰি॥
হিন্দু মুছলমান কৰে এক গাওঁতে বাস।
হিংসা ভুলি মিলিজুলি কাটায় বাৰ মাস॥" (২)

সেই একে কথাকে ৰাজবংশী ৰমণী ডাংধৰী মাওয়ে গাইছে :—

"হিন্দু মুছলমান বিচাৰ নাইৰে মানুষ জন্ম ভিন।
উলসি ধায়া আৰ্ত্তৰ উদ্ধাৰ এই ক্ষত্ৰিয়েৰ চিন॥
বিপদ ঝঞ্ঝাত যত আইসে ততই উল্লাস চিত।
আপন বলে বিপদ দমায় আৰ গায় ইষ্টেৰ গীত॥" (৩)

তাৰ পিছত কোচ ৰজা সকলৰ গৃহ কন্দলৰ আঁৰত, আহোম ৰজা সকলৰ দুৰ্ব্বলতাৰ সুযোগত মহা প্ৰতাপী মোগল সম্ৰাটৰ আদেশ পালনাৰ্থে অম্বৰাধিপতি মানসিংহই আৰু তেওঁৰ নাতি ৰামসিংহই ক্ৰমান্বয়ে কোচ ৰাজ্য আৰু আহোম ৰাজ্য আক্ৰমণ কৰাৰ সময়ত

[১] মুছলমানৰ তীৰ্থস্থান সম্পৰ্কে 'ৰত্নপীঠত এভুমুকি' দ্ৰষ্টব্য।
[২] 'ভাৰণিকা'— ৺অতুল চন্দ্ৰ হাজৰিকা।
[৩] ৰাজবংশী ক্ষত্ৰিয়ৰ ৪ৰ্থ অধিবেশন— চাপৰ।

শিখগুৰু মহাপ্ৰভু নানকৰ অন্যতম শিষ্য গুৰুগোবিন্দই (মতান্তৰে তেগ বাহাদুৰ) কোচ ৰাজ্যত শিখৰ কৃষ্টি প্ৰচাৰ কৰিছিল। গুৰু-গোবিন্দৰ সংক্ৰান্তত স্থাপন হোৱা ধুবুৰীত থকা 'শিখতোলা' এতিয়াও জ্বল জ্বল পট পটকৈ শিখ কৃষ্টিৰ নিদৰ্শন ঘোষণা কৰি আছে। "ইয়াৰ পিছত ৰামসিংহৰ লগত গুৰুদেৱে পাটনালৈ উভতি গ'ল। গুৰুৰ স্ত্ৰীয়ে কামৰূপৰ কিমান ভিতৰলৈ যোৱা হৈছিল বুলি সোধাত গুৰুৱে উত্তৰ দিলে— গুৰু নানক বিমান দূৰলৈ গৈছিল। তেওঁ আৰু কলে যে গুৰু নানকে ধুবুৰীত এবাৰ ধৰ্ম্ম ব্যাখ্যা কৰিছিল, সেই দেখি তাতে দল এটা বন্ধাই মন্দিৰ থাপনা কৰা হৈছে। তেওঁৰ শিষ্য কিছুমানক মন্দিৰ ৰক্ষা কৰিবলৈ আৰু ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ এৰি অহা হৈছে।"

এইদৰে কোচ কৃষ্টিৰ লগত ভাৰতৰ সকলো ধৰ্ম্মৰ আৰু কৃষ্টিৰ মহামিলন হোৱাৰ কাৰণে কোচ কৃষ্টি ভাৰতীয় কৃষ্টিৰ এটা সৰ্ব্বাঙ্গযুক্ত অংশ হিচাবে গঢ়ি উঠিছে। এই কোচ কৃষ্টিৰ ওপৰত ৰাজপুত জাতিৰ প্ৰভাৱ বেছিকৈ পৰা দেখা যায়। অম্বৰৰ ৰজা মানসিংহই শিৱবংশী নৰপতি মহাৰাজ লক্ষ্মীনাৰায়ণৰ ভনীয়েকক বিয়া কৰাইছিল আৰু মানসিংহৰ লগত অহা বহু ৰাজপুত বীৰৰ লগত এই দেশৰ ৰাজবংশী ৰমণীৰ বিয়া হৈছিল। মানসিংহৰ নাতি ৰামসিংহই উক্ত বৈবাহিক সম্বন্ধকে আলম লৈ তেওঁৰ লগত সহযোগ নকৰা ৰাজবংশী মানুহবোৰক বশ কৰিবৰ কাৰণে ক্ষত্ৰিয় সমিতি স্থাপন কৰে আৰু শ শ ৰাজপুতৰ লগত স্থানীয় ৰাজবংশী তিৰোতাৰ বিয়া দিয়ায়। অৱশ্যে এই ৰাজ-নৈতিক কৌশলটো বহু পৰিমাণে কাৰ্য্যকৰীও হৈছিল। তাৰ ফলতে বিজনী ৰাজ্যৰ ৰজা জয়নাৰায়ণে ৰামসিংহৰ ফলীয়া হৈ আহোমৰ বিৰুদ্ধে মহাপৰাক্ৰমেৰে যুদ্ধ কৰিছিল আৰু আন আন মানুহবিলাকেও যুদ্ধত অসীম বীৰ্য্যবত্তাৰ পৰিচয় দি কোনেও ভূমিবৃত্তি, কোনেও পদ

চৌধুৰী ভৌমিক, ফৌজদাৰ, কাৰ্জী আদি উপাধি লাভ কৰিছিল। সেই ৰামসিংহই স্থাপন কৰা ৰাজবংশী ক্ষত্ৰিয় সমিতি প্ৰাক্তন গোৱালপাৰা জিলাত এতিয়াও জীয়াই আছে। উক্ত সমিতিয়ে ৰাজবংশী জাতিৰ সাংস্কৃতিক উন্নতিমূলক কাৰ্য্যত লিপ্ত আছে।" আপোনালোকে বহুতেই জানে পশ্চিম ভাৰতৰ প্ৰবল পৰাক্ৰান্ত সামন্ত নৃপতিসকলৰ সমবেত শক্তিৰে পৰিচালিত নিখিল ভাৰত ক্ষত্ৰিয় মহাসভাত আজমিঢ় অধিবেশনত সেই সভাৰ মন্ত্ৰী ঠাকুৰ জ্ঞানসিংহজী দিল্লীৰ অধিবেশনত, সভাপতি আলোৱাৰৰ মহাৰাজা আৰু আজমিঢ়ৰ পৰবৰ্ত্তী অধিবেশনৰ সভাপতি সাহাপুৰৰ ৰাজকুমাৰ ঠাকুৰ উম্মেদ সিংজীৰ, ৰাজপুতনাৰ ৰাজপুত মহাসভাৰ চেক্ৰেটাৰী শৈলানাৰ মহাৰাজাই এই ৰাজবংশী ক্ষত্ৰিয় সমাজক আহ্বান কৰি ভাৰতীয় কোটি কোটি ক্ষত্ৰিয়ৰ লগত সম্মিলন কৰি দিছে। এই মহামিলনৰ ফলত স্বাধীন নেপাল ৰাজ্যৰ আৰু সুদূৰ মাদ্ৰাজ ৰাজ্যৰ ক্ষত্ৰিয়ৰ লগত এই জিলা ক্ষত্ৰিয়ৰ বৈবাহিক সম্বন্ধ স্থাপিত হৈছে।

যদিও আজিৰ কোচ কৃষ্টি সৰ্ব্বভাৰতীয় কৃষ্টিৰ দ্বাৰা পৰিপুষ্ট, তথাপি পূৰ্ব্বোত্তৰ ভাৰতৰ কোচ মানুহবোৰ আঞ্চলিক আৰু ব্যৱহাৰিক ক্ষেত্ৰত অসমৰ আন আন খিলঞ্জীয়া মানুহবোৰৰ দৰে এই থলুৱা স্বভাৱটোক ৰক্ষা কৰি আহিছে। কোচৰ এই খিলঞ্জীয়া স্বভাৱটো সচৰাচৰ আহোম, কছাৰী, মেছ, গাৰো, মিকিৰ, ৰাভা, মণিপুৰী আদি নানা জাতি উপজাতিৰ মানুহবিলাকৰ লগত মিল দেখা যায় আৰু ইয়াৰ একমাত্ৰ কাৰণ কোচৰ গৌৰৱময় অথচ বিচিত্ৰ ইতিহাস। মহাৰাজ নৰনাৰায়ণৰ দিনত আহোম, কছাৰী,, খাচীয়া, জয়ন্তীয়া, মণিপুৰী, ত্ৰিপুৰী আদি অসমৰ যিমান বিলাক বিখ্যাত জাতি উপজাতি আছিল সকলোৱে কোচ ৰাজ্যৰ ওচৰত যুৰ দণ্ড কৰিব লগা হৈছিল আৰু কোচ মানুহ

অসমৰ চাৰিওকালে বিয়পি পৰিছিল। তাৰ ফলত কোচ মানুহবোৰৰ ওপৰত আঞ্চলিক অথচ স্বকীয় আচাৰ ব্যৱহাৰে বেছিকৈ প্ৰভাৱান্বিত কৰিছিল। সেই কাৰণে এতিয়াও কোচ জাতিৰ তিৰোতাবোৰৰ (ইয়াত কেৱল অসমৰ কোচ মানুহৰ কথাহে উল্লেখ কৰা হৈছে) প্ৰকৃত পিন্ধা পোছাক হৈছে অবিকল মেখেলাৰ দৰে 'পাটানী' নামৰ এবিধ বস্ত্ৰ। এই পাটানীখন তিৰোতাবোৰে নিজহাতে বোৱা আৰু তাত নানা তৰহৰ ৰং-বেৰঙৰ ফুল তুলি লয়। এই পাটানীৰ পাৰিত যেনে ধৰণৰ চমকপ্ৰদ, চিত্ৰ-বিচিত্ৰ ফুল বাছি লয়, ই এটি অতি আপুৰুগীয়া সম্পদ। তেনে ধৰণৰ কাৰুকাৰ্য্যতাপূৰ্ণ তাঁতৰ কামে অতি উন্নত মানদণ্ড বিশিষ্ট কৌশলী মন আৰু কলা জ্ঞানৰ পৰিচয় দিয়ে। সেইদৰে মতা বিলাকেও গাত 'পাচাৰা' (পট্ট আচৰা) নামৰ এবিধ বস্ত্ৰ (চাদৰৰ দৰে) লোৱাৰ দস্তুৰ বিশেষ। এই 'পাচাৰা'খনে কোচ জাতিৰ ওপৰত বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱৰ প্ৰমাণ দিয়ে। বৌদ্ধ ভিক্ষুকিনীসকলে ব্যৱহাৰ কৰা থেৰী গাথা গীতত 'পাটাচাৰা' নামৰ এজনী বৌদ্ধ ভিক্ষুকিণীৰ এটি অতি সুখপাঠ্য কাহিনীও পোৱা যায়।

কোচ কৃষ্টিৰ সম্পৰ্কে জানিব খুজিলে কোচ প্ৰধান বহুপীঠ অঞ্চলৰ গাৱঁলীয়া সমাজ আৰু তিৰোতা বিলাকক সৰ্ব্বাঙ্গীন দৃষ্টিত লক্ষ্য কৰিলেই কোচ কৃষ্টিৰ নিজস্ব নমুনাটো অতি কটুকটীয়াকৈ দেখা পোৱা যায়। তেওঁলোকৰ পিন্ধন-উৰণৰ বস্ত্ৰৰ কাৰণে চিন্তা নাই; কাৰণ প্ৰত্যেক ৰাজবংশী তিৰোতাই নিজৰ বিয়াৰ আগতে নিজ হাতে কাপোৰ বই লবই লাগিব। নহ'লে তাই 'তাঁতাতী' নাম নাপাব আৰু 'তাঁতাতী' নাম নাপালে তাইৰ বিয়া হোৱাও টান হৈ পৰে। কাৰণ তেতিয়া ডেকা বিলাকে;—

কাপোৰ বব নেজানা তিৰোতা মানুহ হই;
তই নো কিহৰ সুন্দৰী ঐ;" বুলি কোৱা গঞ্জনা সহ্য কৰিব

লাগিব। তিৰোতাবিলাকে নিজৰ নিজৰ বিয়াৰ কাপোৰ, বিয়াৰ পিছত স্বামীৰ ঘৰত গৈ তাতে ন-স্বামীৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত পিন্ধা উৰা কাপোৰৰ কাৰণে নির্ভৰশীলা হৈ থাকিব নালাগে তাৰ কাৰণে 'বাপ-মাও'ৰ ঘৰতে কাপোৰ বই লয়। তাৰোপৰি ছোৱালীৰ বিয়াৰ ঠিক এমাহমান আগৰ পৰাই ছোৱালীৰ আত্মীয় কুটুমবিলাকে নিজ নিজ ঘৰলৈ মাতি নি এসাজ ভালদৰে খুৱায়; স্বামীৰ নতুন ঘৰত কেনে দৰে চলিলে ভৱিষ্যৎ সংসাৰ সুখৰ হয় তাৰ বিষয়ে সতুপদেশ দিয়ে আৰু এখনি ফুলাম 'পাটানী' বা গাত লোৱা লাহি চাদৰৰ দৰে হাতে বোৱা কাপোৰ উপহাৰ দিয়ে। তাৰ ফলত বিয়াৰ পিছত কেবা বছৰো চলিব পৰাকৈ ন-কন্যাৰ কাপোৰ যোগাৰ হয়। এই জাতিৰ তিৰোতাবিলাক স্বাৱলম্বীতাৰ প্রতীক তাঁত শিল্পত ইমান পাকৈত যে তেওঁলোকে আৰ্থিক বিপদত পৰিলে কাপোৰ বোৱাই নিজকে পোহ-পাল দিয়ে। সেইয়ে তেওঁলোকে নিজৰ কথিত ভাষাত সদায় কয় ;-

যঁতৰ আমাৰ ভাতাৰ পুত
যঁতৰ আমাৰ নাতি।
যঁতৰেৰ দৌলত আমি
দুৱাৰত বান্ধোং হাতী। ইত্যাদি (১)

ন-কন্যাক এইদৰে বিয়াৰ সময়ত কাপোৰ দিয়া প্রথাটো আজিও গোৱালপাৰা জিলাৰ ৰাজবংশী মানুহবোৰৰ মাজত পুৰাদমে প্রচলিত আছে। অৱশ্যে বৰ্ত্তমান আধুনিকতাৰ ঠেলাত পৰি হাতে বোৱা কাপোৰৰ ঠাইত বজাৰৰ বগুচণ্ডীয়া দামী শাৰী কাপোৰকে কিছুমানে উপহাৰ দিয়ে। বিয়াৰ সময়ত দৰা-কইনাক এইদৰে কাপোৰ উপহাৰ দিয়া প্রথাটো অসমীয়া সমাজৰ আওপুৰণি মজ্জাগত প্রথা বুলি কব পাৰি আৰু অথর্ব্ব বেদতো ইয়াৰ উল্লেখ পোৱা যায়।

---

(১) 'বুৰঞ্জীঠৈত এভুমুকি' আৰু 'বিজনী ৰাজ্যৰ ইতিহাস' চাওঁক।

বিয়া-বাৰুৰ পদ্ধতি আৰু ক্ষেত্ৰত কোচ মানুহবোৰৰ এটি লক্ষ্য কৰিবলগীয়া কথা যে আদিৰে পৰা কোচ মানুহবোৰে বহু বিবাহ প্ৰবৰ্ত্তন কৰি আহিছে। এই বিবাহ সচৰাচৰ বৈদিক প্ৰথামতে সুসম্পন্ন হৈছিল যদিও আসুৰিক আৰু গান্ধৰ্ব্য মতেও বিয়া হোৱা দেখা গৈছিল। এই জাতিৰ মাজত বিধৱা বিবাহ অবাধে চলিছিল; আৰু এই বিধৱা বিয়া 'নিকালোৱা' প্ৰথা মতেহে হৈছিল বা হয়। কোচ জাতিৰ ইতিহাসৰ পৰা পোৱা যায় যে পূৰ্ব্বোত্তৰ ভাৰতৰ অধিবাসী বিলাকৰ ভিতৰত এই জাতিৰ তিৰোতাই বেছিকৈ 'সতী-যোৱা' প্ৰথাটো চলাইছিল। এই বিষয়ে তথ্যান্তৰে বহুলভাবে আলোচনা কৰা হৈছে। বিবাহ, চুড়াকৰণ আদি উৎসৱত কিছুমান বুঢ়ীয়ে বিয়া নাম গায়, ইহঁতক 'নামাতি' (নামতি) বুলি জনা যায়। এই বুঢ়ীৰ দলটোৱে (৬ জনীৰ পৰা ৮ জনীৰ ভিতৰত সীমাবদ্ধ) বিয়াৰ সময়ত দৰা-কইনাক ৰাম-সীতা, হৰ-গৌৰী, শিৱ-পাৰ্ব্বতী, সাবিত্ৰী-সত্যবান, বেউলা-লক্ষীন্দৰ আদি ৰূপে তুলনা কৰি সিহঁতৰ যুগল-মিলনৰ গৌৰৱময় কাহিনীবোৰ বৰ্ণনা কৰে। অসমৰ অন্যান্য ঠাইত বিয়াৰ সময়ত অবিবাহিত কুমাৰী অকুমাৰী ছোৱালী বোৰেহে কন্যাপক্ষই দৰাপক্ষক আৰু দৰাপক্ষই কন্যাপক্ষক হাঁহি তামাচাৰে আক্ৰমণাত্মক ভাষাৰে আৰু ভাবেৰে ছন্দ মিলাই তাত সুৰ সংযোজনা কৰি বিয়া নাম গায়। ই ডেকা-গাভৰুবোৰৰ কাৰণে অতি উপভোগ্য হয়; কিন্তু গোৱালপাৰা জিলাৰ ৰাজবংশী মানুহৰ বিয়াত হলে কিছুমান নিৰ্দ্দিষ্ট বুঢ়ীয়ে তেওঁলোকৰ গুৰু-গম্ভীৰ সুৰেৰে ভবিষ্যৎ সংসাৰত কেনেকৈ চলিব লাগে তাৰ উপদেশাৱলী সন্নিবিষ্ট কৰি ৰাম-সীতা, হৰ-গৌৰী আদিৰ আদৰ্শত বিয়া নাম গায়। এনে ধৰণে নিৰ্দ্দিষ্ট এটা বুঢ়ীৰ দলে বিয়াৰ আগৰ পৰা শেষলৈকে বিয়া নাম গোৱা

পদ্ধতি অসমৰ অন্যান্য স্থান আৰু জাতিৰ মাজত প্ৰচলন থকাৰ কথা লিখকৰ অজ্ঞাত। গতিকে ইয়ো কোচ জাতিৰ এটা নিজস্ব বৈশিষ্ট্য। সেইদৰে কোচ মানুহবিলাকৰ স্বাৱলম্বী জীৱিকা একমাত্ৰ কৃষিকেই কেন্দ্ৰ কৰি তেওঁলোকৰ গাৱঁলীয়া সমাজ গঢ়ি উঠিছে। মতা-তিৰোতা দুয়ো সমান অংশ গ্ৰহণ কৰে এই কৃষি কাৰ্য্যত। মতাবোৰে যেনেকৈ গৰুহাল লৈ হালবাবীত (হালবোৱা পথাৰ) ৰাতি পুৱাতে যায়, সেইদৰে তত্তাতিয়া ভাবে ঘৰুৱা কাম-বন শেষ কৰি তিৰোতাবোৰেও পথাৰমুৱা হয় কৰা কৰলৈ। আবেলি মতাবোৰে পথাৰলৈ যায় আলি বান্ধিবলৈ আৰু তিৰোতাবোৰেও যায় কঠিয়া তুলিবলৈ। যেতিয়া সোণৰ মাটিত সোণবৰণীয়া ফচলেৰে উপচি পৰে, তেতিয়া মতা-তিৰোতা দুয়ো ধান দাৱলৈ যায়। ধান কটাৰ আগতে তেওঁলোকে ভাল দিন-বাৰ চাই বনদেৱীক ধৰিত্ৰী হিচাবে মানি লৈ প্ৰাৰ্থনা কৰে যাতে পকাধান দাৱৰ সময়ত নষ্ট নহয়, নিগনিয়ে বসুমতীৰ বুকুতে গাত খান্দি পকা ধানৰ শীষ নুসুমায়, বনৰীয়া চৰাই চিৰিকতিয়ে খাই শেষ নকৰে, অৰন্তৰত শিল বৰষুণ দি পকা ধানৰ সোণালী শীষবোৰ ছিঙি নেপেলায়। এইদৰে প্ৰাৰ্থনা কৰাৰ পিছত দুই গোছামান পকাধানৰ দীঘল দীঘল আগ (শীষ) কাটি আগলতি কলপাতৰ দ্বাৰা মেৰিয়াই পৰিক্ৰমনে বনদেৱীৰ নাম লৈ নিজ ঘৰলৈ আনে আৰু পূজা-পাতল কৰা মন্দিৰ ঘৰত বা যিবিলাকৰ পৃথক মন্দিৰ ঘৰ নাই সিবিলাকে নিজৰ নিজৰ বান্ধনী ঘৰত থাপনা পাতি ৰাখে। ধানৰ 'আগ অনা'ৰ দিনা গোটেই ঘৰৰ চকটো গোৱৰ পানীৰে মচি পৱিত্ৰ কৰি ৰাখে। কাৰণ ধৰিত্ৰীৰ আলাসত আলফুলকৈ ডাঙৰ হোৱা পথাৰৰ লখিমীক আজি সিহঁতে ঘৰত থাপনা কৰিব। এইদৰে প্ৰত্যেক কৃষকে নিজ নিজ পথাৰৰ ধান কটাৰ আগতে উক্ত নিয়মে পথাৰত পূজা পাতল দি ধান

দায়লৈ আৰম্ভ কৰে। ইয়াৰ পিছত আছে সিহঁতৰ ধান চপোৱাৰ পাল। কোনে কিমান সোনকালে আৰু খৰকৈ ধান দাব পাৰে তাৰ প্ৰতিযোগিতা চলে ; মতা-তিৰোতাৰ প্ৰতিযোগিতা চলে। এইদৰে ইদলে সিদলৰ লগত প্ৰতিযোগিতা চলায় কাৰণ আগন্তুক ফাগুনৰ মন পিছলি যোৱা যৌৱনৰ পছোৱাই সিহঁতক ভয় খুৱাই দিয়ে। কিজানিবা 'তোৰে ঐ ভাৱনাই হিয়াকে নচুৱাই' দিয়াৰ কাৰণে কোনোবা মনেশ্বৰে কোনোবা প্ৰাণেশ্বৰীক বিচাৰ লগায়েই। ইমান তত্তাতিয়া কৰা সত্বেও যদি কোনোবা গৃহস্থই পিছ পৰি থাকে ; তেতিয়াহলে জিকাৰ খাই উঠিল গোটেই গাওঁখনৰ ডেকা-গাভৰুৰ দল। গির্জনী মাৰি কিৰিলি পাৰি সাঙৰ খাই গল সেই পিছ পৰি থকা গৃহস্থৰ ধাননি পথাৰখনলৈ। সিহঁতে দল বান্ধি দায়লৈ আৰম্ভ কৰে ; পকা ধানৰ মাজে মাজে ৰোমাঞ্চিত আঙুলিবোৰে টপাটপ লখিমীৰ বুকুত হাত বুলাই লখিমীক মৰমেৰে দাঙি লয়। তেজে গাল ফুটু ফুটু কৰা মিঠা মিহি মাতেৰে গাভৰুবোৰে সবল সুঠাম ডেকাবোৰলৈ কেৰাহী কটাক্ষ বান মাৰি— "ধুনীয়া মন মোৰ কুমলীয়া, বাহু ছুটা মোৰ লহপহীয়া" বুলি সমবেত সঙ্গীতৰ ঐক্যতানে গোটেই ধাননি পথাৰখনক মুখৰিত কৰি ৰাখে। এনে পৰিবেশৰ মাজত নিজকে পাহৰি পেলোৱা ডেকা-গাভৰুবোৰে কোন মুহূৰ্ত্তত ধাননি পথাৰ শেষ কৰি পেলায় তাক নিজেই ধৰকে নোৱাৰে। এইদৰে সহযোগ কৰি পিছপৰা গৃহস্থজনক সহায় কৰা কাৰ্য্যটোক 'সাউৰী লোৱা' (সাঙৰ খোৱা) প্ৰথা বুলি গোৱালপাৰা জিলাৰ ৰাজবংশী ভাষাত কোৱা হয়। এই প্ৰথা এতিয়াও কোচ মানুহৰ গাৱঁলীয়া সমাজত বিদ্যমান। অৱশ্যে আজি কালি সস্তীয়া ৰাজনীতিৰ মাহাত্ম্যত বৰ্ত্তমান গাৱঁৰ মানুহৰ মাজত ঐক্যভাব প্ৰায় দেখা নাযায় আৰু যিখন গাৱঁত হয়তো আগতে এটা

মাত্ৰ দল আছিল, এতিয়া তাৰ ঠাইত একপ্ৰকাৰ কৰ্মহীন কুটিল অল্পবিত্তা ভয়ঙ্কৰী মানুহৰ সস্তীয়া ৰাজনীতিৰ ফলত কেবাটা দলৰ সৃষ্টি হৈ নিজে নিজে মৰামৰি কৰি গাৱঁলীয়া সামাজিক জীৱন দুৰ্ব্বিষহ কৰি তুলিছে। ইয়ো আধুনিক সভ্যতাৰ এটা অৱদান। এইদৰে সিহঁতে পথাৰৰ ধান ঘৰলৈ সুমায় আৰু মৰণা মাৰি ভঁৰালত জমা ৰাখে। এই ভঁড়ালৰ ধানত ফাগুন মাহ নপৰালৈকে হাত নিদিয়ে, ভঁড়ালৰ পৰা প্ৰথম দিন ধান উলিয়াবৰ সময়ত মাটিৰ চাকি জ্বলাই সৰু সুৰা মাঙ্গলিক পূজা পাতিহে ভঁড়ালত হাত দিয়ে।

ইতিমধ্যে ভোগালী বিহু আহে। উৰুকাৰ কেইদিনমান আগৰে পৰা পুৰুষবোৰে ওচৰত থকা পাহাৰলৈ গৈ গযটাৰ পাত (কৌপাতৰ দৰে এবিধ সৰু জোপোহা গছৰ পাত) কলদিল, কলপাত, খৰি আদি কাটি আনি নিজ নিজ ঘৰত জমা ৰাখে। সৰু সৰু ল'ৰা ছোৱালী বোৰে নিজ নিজ বাৰীৰ পৰা বাহৰ মুৰা উভালি আনি জমা কৰি ৰাখে 'ভেলা-ঘৰ' (মেজি ঘৰ) সাজিবলৈ। উৰুকাৰ দিনা ল'ৰা-ছোৱালীবোৰে ধানখেৰ আৰু আগেয়ে জমা কৰি ৰখা বাহঁৰ মুৰাৰে 'ভেলাঘৰ' সজাত ব্যস্ত হৈ পৰে। বয়সিয়াল মতাবোৰে বাৰীত থকা তামোল পান, নাৰিকল, টেঙা আদি মূল্যবান গছ-গছনিবোৰৰ সকলোকে কুমলীয়া বাহঁৰ 'তেওঁৱাল' (তেওল) তুলি বান্ধি পেলায়— যেনিবা একোধাৰী ফুলৰ মালাহে পিন্ধালে। তিৰোতাবোৰেও বৰ্ন্নি (বড়া) চাউলৰ পৰা বৰফৰ দৰে বগা মিঠা-মিহি গন্ধ থকা চাউল যোগাৰ কৰি ৰাখে। আগেয়ে আনি থোৱা গয়তাৰ পাতেৰে নাইবা কলপাতেৰে 'টোপোলা ভাত' বান্ধিবৰ কাৰণে বড়া চাউলৰ সৰু সৰু টোপোলা বান্ধি ডাঙৰ কেৰাহীত টোপোলাবোৰ সিদ্ধ কৰে। টোপোলা ভাতক 'সিমা-ভাত' বুলিও কোৱা হয়। এই সিদ্ধ কৰি

খোৱা সিমা-ভাতবোৰ ঠাণ্ডা হ'লে খাবলৈ বৰ সোৱাদ হয়; বিশেষকৈ গথতাৰ পাতৰ পৰা ওলোৱা এটি অতি সুখদায়ক গন্ধৰ কাৰণে। এই দৰে সন্ধিয়া হোৱাৰ লগে লগে ল'ৰা-ডেকা-বুঢ়া সকলোৱে লগলাগি ঢোল, খোল, ঢুলুকা, খুঞ্জৰী, তাল, খমক, পেঁপা, সৰু কাঁহ, বৰ কাঁহ, টুৰাই, বাঁহী, কাহাল, গগণা আদি যন্ত্ৰেৰে ভগবানৰ নাম লৈ গোটেই গাওঁখনৰ মুল বাটে বাটে গোষ্ঠ গান গাই গাই গাওঁখনক পৰিক্ৰমণ কৰে নিশা ১১ টা বজালৈকে। আনহাতে ঘৰত তিৰোতাবোৰেও সেই অৱসৰতে নানা ধৰণৰ পিঠা-তাৰ ভিতৰত থকা খলাচাপৰি পিঠা, পুৰা পিঠা, লেকা পিঠা, শুকুনা পিঠা, টেকেলি পিঠা, কাণ মুচুৰী পিঠা, চুঙা পিঠা, কেঁচা লাক, শুকান লাক আদি নানা বিধৰ জিভাৰ পানী ওলোৱা উপাদেয় খাদ্য তৈয়াৰ কৰি থাকে নিশা ১২ বজালৈকে। ৰাতি নৌপুৱাওঁতেই ল'ৰা-ডেকা-বুঢ়া, মতা-মাইকী সকলোৱে উঠি নিজ নিজ খালৰ পৰা পানী তুলি গা ধোৱে (নদী বা পুখুৰী, বিল আদিৰ ওচৰত থকা সকলে সেইবোৰত গা ধোৱে) ল'ৰা-ছোৱালীবোৰে গা ধুই আগেয়ে সাজি থোৱা ভেলাঘৰবোৰত জুই লগাই দিবৰ কাৰণে প্ৰস্তুত হয়। ঘৰৰ আটাইতকৈ বয়োজ্যেষ্ঠ মতা মানুহজনে ভগবানৰ নাম উচ্চাৰণ কৰি এটা ভেলাঘৰত জুই দিয়াৰ পিছতে ল'ৰা-ছোৱালী-বোৰে আন আন ভেলাঘৰত জুই লগাই দি গোটেই গাওঁখনকে ভেলা ঘৰ ফুটুৰা শব্দৰে মুখৰিত আৰু জুইৰ উজ্জল পোহৰেৰে পোহৰময় কৰি ৰাখে। তেতিয়া মতাবোৰে আগেয়ে তৈয়াৰ কৰি থোৱা পিঠাগুৰিৰ পৰা বগা বং আৰু 'ঘেচুলী'ৰ (ইকৰাৰ ফুলৰ পৰা পোৱা এবিধ ক'লা বং) পৰা বং তৈয়াৰ কৰি থয়। পিছত গোহালিত সোমাই প্ৰত্যেক গৰুৰে শিং আৰু ঠেংবোৰ পানীৰে ধুৱাই দি খাটি সৰিয়হৰ তেল ঘঁহি দিয়ে। পিছত বো চুঙাৰ দ্বাৰা উক্ত দুই বঙৰ ঘুৰণীয়া ফোঁট বা চাপ

প্ৰতি গৰুৰ কপালত আৰু শৰীৰত মাৰি দিয়ে। গৰু আদি ঘৰচীয়া জীৱ-জন্তুবোৰক ৰঙৰ চাপ দিয়াৰ পিছত ভড়ালৰ চাৰিবেৰত চাপ দিয়ে। এইদৰে চাপ মৰাৰ পিছত সকলোৱে এটা এটা ক'লা ফোঁট কপালত তিলক হিচাবে পিন্ধে। ইতিমধ্যে ল'ৰা-ডেকা-বুঢ়াৰ এটা দলে উল্লেখিত যন্ত্ৰ-পাতিৰ দ্বাৰা প্ৰভাতী সংগীত গাই গাই গাওঁ পৰিভ্ৰমণ কৰে। সেইদৰে ঘৰৰ তিৰোতাবোৰেও গা ধুই উঠি তপত বালিৰ সহায়ত চাউলৰ কড়াই-চিৰা বা মাহ কড়াই ভাজে। এই কড়াই চিৰা ভাজি উঠাৰ পিছত তাত মাটিমাহ, মগুমাহ, তিল, কুলতি মাহ, আদা, লোণ, মিঠাতেল আৰু আখৈ মিহলাই দিয়ে। সকলোবোৰ মিহলী কৰি দিয়াৰ পিছত ই 'আঠকড়াই' নাম পায় কাৰণ ইয়াত আঠ প্ৰকাৰৰ খোৱা বস্তু মিহলি হৈ থাকে।

মাঘ বিহুৰ মূলতে আধ্যাত্মিক কিবা তথ্য আছে নে নাই কোৱাটো টান। তথাপি ই যে মেজিৰ আকাশ স্পৰ্শ কৰা জুই শিখাৰ দৰেই এটা তেজী আৰু বলিষ্ঠ জাতিৰ ইঙ্গিত দিয়ে— সেই বিষয়ে নিঃসন্দেহে কব পাৰি। ই হৈছে বলিষ্ঠ আৰু ৰঙীয়াল জীৱনৰ চানেকী। ইয়াৰ পিছত চাৰিওফালে কেৱল খোৱাৰ পাল ; কোনে কিমান খাব পাৰে, কোনে কিমান খুৱাব পাৰে তাৰ প্ৰতিযোগিতা চলে। এই খোৱা লোৱাৰ মাজেদি প্ৰতি গাওঁৰ মানুহবোৰ একোটা দল হৈ গাওঁখনৰ প্ৰতি ঘৰে ঘৰে আৰু সম্ভৱ হ'লে আন গাওঁতো ভগবানৰ নাম গাই পইচা মাগি ফুৰে। ইয়াৰ পিছত যি দলৰ যিমান টকা সংগ্ৰহ হয় তাৰে 'লাখল ভাত' (লোক ভাত) নামৰ এটা সমূহীয়া ভোজ পাতে বিহুৰ দহ / বাৰ দিনৰ পিছত। এই লোকভাত খোৱাৰ সময়ত নিজ নিজ দলৰ প্ৰত্যেক ল'ৰা-ডেকা-বুঢ়া, মতা-মাইকীয়ে একেলগে পৰম আনন্দ কৰি ভোজন কৰে আৰু গোটেই গাওঁখনৰ মানুহবোৰকে

এটা পৰিয়ালৰ মানুহ বুলি তাৰি অতি গৌৰৱ অনুভৱ কৰে। বিশুৱা ওৰ:ক বহাগ বিহুৰ ক্ষেত্ৰতো সেইদৰে কৰ লাগিলে আমি পাওঁ যে বহাগ বিহুৰ প্ৰথম দিনা পুৱাতে বেতৰ পাত, গুজৰ পাখা, বাস্কা-তিতাৰ পাত, পুত্তিৰ (তবাব) পাত, বিষকুটুলিৰ পাত, দীঘলতীৰ পাত, কানসিচাৰ (দ্ৰোণ) পাত, সক ভেটমালিৰ পাত আদি সকলোবোৰ লগ লগাই কেবাটাও ভাগ কৰি এটা এটা ভাগ মূল ঘৰত, গোহালি ঘৰত, ভঁড়াল ঘৰত, নাদৰ পাৰত, সুবহা গুডিত (পদূলি মুখত) ভালদৰে বাখি থয়। এনেদৰে থৈ দিয়াৰ ফলত মানুহৰ বিশ্বাস যে চকটোৰ কাষলৈ বা ভিতৰলৈ 'সাপ সেওৱাৰ' প্ৰবেশ কৰিব নোৱাৰে। ইয়াৰ আচল অৰ্থ— ওপৰোক্ত দ্ৰব্যবোৰ হৈছে তিতা, কেহা, জলা জাতীয়; গতিকে ইবিলাক একেলগ লাগি হোৱা ৰাসায়নিক প্ৰক্ৰিয়াৰ ফলত হয়তো এনে এটা গন্ধ বা শক্তিৰ সৃষ্টি হয় যাৰ গুণত সাপ আদি ওচৰলৈ আহিব নোৱাৰে।

এই কামখিনি ৰাতিপুৱাতে শেষ কৰি নিজ নিজ গৰুবোৰ লৈ যায় ওচৰত থকা নদীত গা-ধুৱাবলৈ; লগতে প্ৰত্যেকে একোডাল দীঘলতি গছৰ ঠালত হালধি, আদা, পানীলাও, বাবমাহী বেগেনা আদিৰে একোধাৰী মালা পিন্ধাই লৈ যায়। নদীত গৈ গৰুবোৰক গা-ধুৱাই এৰি দিয়ে আৰু পিছত সকলোৰে দীঘলতিৰ ডালবোৰ এজন বয়সীয়াল মানুহে লগত লৈ নদীৰ আটাইতকৈ গভীৰ আৰু সোঁতাল ভাগত ডুব মাৰি সিবোৰক এৰি দিয়ে— তেতিয়া বাকীবোৰে ভগবানৰ জয়ধ্বনি দি থোৱা কামৰা কৰি নদীত জাপ দিয়ে। নদীত ভাহি উঠা ডালবোৰ থপিয়া থপি কৰি মিহলাই প্ৰত্যেকে একোডাল জাপ কৰি লয়; লোৱাৰ সময়ত এইটো লক্ষ্য ৰাখিব যাতে নিজৰ ঠাল ডালিকে আকৌ নিজেই গ্ৰহণ নকৰে। তাৰ পিছত নদীৰ পাৰত তিনি পাইতা,

বাৰ পাইতা, হাডু-গুডু, বল্দিয়াল, মালযুঁজ, মানিমুনি আদি নানা ধৰণৰ খেল ধেমালি কৰে। কাতি বা কঙালী বিহুৰ সময়ত দোমাহীৰ দিনা তুলসী গুড়িত প্ৰদীপ আৰু আকাশ বন্তি জ্বলোৱাৰ উপৰিও সেই দিনা খেতি পথাৰত 'চাকি' (প্ৰদীপ) জ্বলাই দিয়ে আৰু খেতিখকে তেওঁৰ ল'ৰা-ছোৱালীৰ সৈতে গুৱলা সুৰ ধৰি গায়—

দোল দোল দোল
আনৰ ধান আউল ঝাউল
আমাৰ ধান মলধা চাউল
★ ★ ★
আনৰ গৰু লেৰা চেৰা
আমাৰ গৰু ভইশেৰ ফেৰা
★ ★ ★
আনৰ ভাণ্ডাৰ লৰে চৰে
আমাৰ ভাণ্ডাৰ ঠাইতে ভৰে ।" ইত্যাদি।

অৰ্থাৎ তেওঁৰ খেতি আনতকৈ ভাল হৈছে; তেওঁৰ গৰুহাল আনৰ গৰুতকৈ বেছি ভাল আছে, তেওঁৰ ভড়াল সদায় ভৰপুৰ হয় আদি । ইয়াতেই তেওঁৰ আত্মতৃপ্তি। ইয়াতেই আমাৰ গাৱঁলীয়া খেতিয়কে বিচাৰি পায় বিমল আনন্দ পৰম শান্তি। কোচ ওৰফে ৰাজবংশী জাতিৰ মানুহে বত্নপীঠ অঞ্চলত এইদৰেই বিভিন্ন বিহুবোৰ পালন কৰে।

(২) ৰাজবংশী ভাষা আৰু জন সাহিত্য

ডাঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব আদি বৈজ্ঞানিক বিচাৰ প্ৰণালী মতে ভাৰতীয় আৰ্য্য ভাষাৰ তিনিটা যুগৰ নিৰুপণ কৰিছে। (ক) আদি ইণ্ড আৰ্য্য যুগ (খৃঃ পূঃ ১৫০০—৬০০),

(খ) মধ্য ইণ্ড আৰ্য্য যুগ (খৃঃ পূ ৬০০—১০০০ খৃষ্টাব্দ) আৰু (গ) নব্য ইণ্ড আৰ্য্য যুগ (১০০০ খৃষ্টাব্দৰ পিছৰ পৰা) । প্ৰায় ১৫০০—১২০০ খৃঃ পূৰ্ব্বৰ কালৰ ভিতৰত বেদৰ স্তোত্ৰবোৰ আৰু ৬০০ খৃষ্ট পূৰ্ব্বত মূল ৰামায়ণ আৰু মহাভাৰত ৰচনা কৰা হয় বুলি বহুতো পণ্ডিতে অভিমত প্ৰকাশ কৰে। অৱশ্যে বৰ্ত্তমান গঢ়ত মহাভাৰতৰ ভাষা খৃঃ পূৰ্ব্ব ২০০–২০০ খৃষ্টাব্দলৈকে বুলিহে ধৰা হ'য় আৰু লৌকিক সংস্কৃত ভাষাৰ কাল খৃঃ পূঃ ৫০০ বুলি বহুতে অভিমত প্ৰকাশ কৰে।

আদি ইণ্ড আৰ্য্য যুগৰ ভাষাটোক বৈদিক ভাষা বুলিব পাৰি। এই বৈদিক ভাষাৰ যুগৰ পূৰ্ব্বেও তেতিয়াৰ কামৰূপ বা মধ্য যুগৰ কমতা ৰাষ্ট্ৰৰ ভূখণ্ডত সংস্কৃত নেলাগে বৈদিক ভাষাতো নথকা শব্দ তেতিয়াৰ লৌকিক ভাষাত ব্যৱহাৰ হোৱা দেখা গৈছিল। তেনে ভাষাৰ নমুনা ৰত্নপীঠ অঞ্চলত অৰ্থাৎ প্ৰাক্তন গোৱালপাৰা জিলা, কোচবিহাৰ, ৰংপুৰ, জলপাইগুড়ি আদিৰ ভিতৰুৱা অঞ্চলৰ গাৱঁলীয়া সমাজত আজিও শুনিবলৈ পোৱা যায়। ভাৰতৰ পুৰণি সাহিত্যৰ দুটি ভাগৰ ভিতৰত বৈদিক ভাষা আৰু লৌকিক সংস্কৃত। এই লৌকিক সংস্কৃত ভাষাটো তেতিয়াৰ আৰ্য্য অপভ্ৰংশৰ পৰা হোৱা আৰু প্ৰকৃত ভাষাৰূপে পৰিগণিত হৈছিল। আনহাতে বৈদিক ভাষাটোৱে পাণিনি প্ৰভৃতি বৈয়াকৰণিক সকলৰ হাতত পৰি বৰ্ত্তমান সংস্কৃত ভাষাৰ ৰূপ ধাৰণ কৰে। প্ৰকৃত ভাষাৰ উৎপত্তি সংস্কৃতৰ পৰা হোৱা নাই ; ই প্ৰধানতঃ আৰ্য্য অপভ্ৰংশৰ পৰা হোৱা আৰু ইয়েই অৱশেষত দেশজ ভাষা নাম পায়। এই দেশজ ভাষাবোৰেই অৱশেষত সাহিত্যত স্থান পায় গৌতম বুদ্ধ আৰু জৈনতীৰ্থাঙ্কৰ সকলৰ ধৰ্ম্ম বাণীত বিশেষকৈ চৰ্য্যাপদ-বোৰত। এই চৰ্য্যাপদত ব্যৱহাৰ হোৱা ভাষাৰ প্ৰাচুৰ্য্য দেখা যায় পূৰ্ব্বোত্তৰ ভাৰতত অৰ্থাৎ প্ৰাচীন কামৰূপ, অঙ্গ, বিহাৰ, নেপাল,

ভূটান আদি অঞ্চলৰ কথা ভাসাত। সম্ভৱতঃ চৰ্য্যাপদৰ ভাষাই ক্রমান্বয়ে আঞ্চলিক ভাষাবোৰৰ গজালি দিয়াত গুড়ি ধৰে।

মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ গীত দুয়োটিকেই কিছু প্রাচীন বোলা হয়, কিয়নো এই দুটি গীতৰ লগত প্রাগ্ ঐতিহাসিক যুগৰ এজন অসমীয়া কোচ ৰজা জড়িত আছে :—

"শঙ্কলদেৱ ৰজাৰে পুতেক মণিকোঁৱৰ কোলাতে ক্ষতিখুন নাই।
এবেলি দোলাতে, এবেলি ঘোৰাতে এবেলি খেৰি খেলায়॥
খেৰি খেলায়ে ৰঙ্কে নাপালে নৈত গা ধুবলৈ যায়।"
ছঅৰা লিগিৰী দি যায় পানী তুলি নজুৰায় কোঁৱৰৰ গাই॥

কোচ ৰজা শঙ্কলাদেৱে কেদাৰব ৰাজ্য অধিকাৰ কৰি লক্ষণাৱতী (গৌৰ) নগৰ প্রতিস্থা কৰিছিল। ত্রয়োদশ শতিকাত মোগলে ভাৰত আক্রমণ কৰি টুওালৈ স্থানান্তৰিত নকৰালৈকে দুহাজাৰ বছৰ ধৰি ই বঙ্গৰ ৰাজধানী হিচাবে আছিল। এয়ে হলে শঙ্কলাদেৱ অৱশ্যে খৃঃ পূঃ ৭ম শতিকাৰ ৰজা বুলি প্রমাণিত হয়। আফ্রচিয়াব ৰুস্তমৰ হাতত শঙ্কলাদেৱৰ পতন হয়। ৰুস্তমৰ কাল খৃঃ পূঃ ৭ম শতিকাত সুপ্রতিস্থিত বুলি ধৰা হয়, কিন্তু ফিৰদৌছীৰ শাহনামা মতে খৃষ্টীয় ৪ৰ্থ শতাব্দীত ছেছানীয় কেদৰ পাৰস্যৰ ৰজা বাহৰামৰ গৌৰ আক্রমণৰ প্রসঙ্গত ভাৰতীয় ৰজা শঙ্কলাদেৱৰ উল্লেখ আছে। এইদৰে প্রায় এহাজাৰ বছৰৰ প্রভেদৰ কাৰণ এডৱাৰ্ড গেইটৰ মতে 'আফ্রচিয়াব' কোনো এজন ৰজাৰ গুটীয়া নাম নাছিল। 'বিক্রমাদিত্য' উপাধিৰ দৰেই 'আফ্রচিয়াব' এটা উপাধি মাথোন আৰু ইয়াৰ অৰ্থ হৈছে 'পাৰস্য বিজেতা'। এই পিছৰ মতটোক গ্রহণ কৰিলে শঙ্কলাদেৱ খৃষ্টীয় ৪ৰ্থ শতিকাৰ বুলি ধৰা হয়। তেতিয়াহ'লে ফুলকোঁৱৰ মণিকোঁৱৰ গীতৰ ঘটনা কাল ৪ৰ্থ শতিকাৰ পিছৰ বুলিব পাৰি। শঙ্কলাদেৱৰ পুতেক মণিকোঁৱৰ নদীত

গা ধুই থাকোতে হঠাতে পানীৰ কোৱাল সোঁতত হেৰাই যায় আৰু নাতি ফুলকোঁৱৰৰ জন্মৰ কাহিনী কাচন কুঁৱৰীৰ গীতত তলত দিয়া দৰে পাওঁ,—

"শঙ্কলাদেৱ ৰজাৰ পুতেক মণিকোঁৱৰ হেৰাল পানীত পৰি।
শঙ্কলাদেৱ ৰজাৰ কাচন বোৱাৰী থাকিল গলত জৰী॥
উজনি-নামনিত মণিকোঁৱৰক বিচাৰি নাপালে পাৰ।
শঙ্কলাদেৱ ৰজাৰ কাচন বোৱাৰীৰ বল ছয়মহীয়া ভাৰ॥
আজি থেন্ থেন্ কালি থেন্ থেন্ কুঁৱৰীৰ গা লৰিল।
মঙ্গলবাৰ দিনা মাজ নিশাখন কোঁৱৰৰ জনম হৈল॥"

'ফুলকোঁৱৰ'ৰ গীতত পোৱা যায় যে ফুলকোঁৱৰ ডাঙৰ-দীঘল নোহোৱালৈকে নৃপতি শঙ্কলাদেৱ জীয়াই আছিল। বাটৈৰ হতুৱাই ককাদেউতাক অৰ্থাৎ ৰজা শঙ্কলাদেৱে এটা কাঠৰ 'পক্ষীৰাজ' নামৰ ঘোঁৰা সাজি দিলত ফুলকোঁৱৰে সেই 'পক্ষীৰাজ' ঘোঁৰাত উঠি হেৰোৱা পিতা মণিকোঁৱৰক বিচাৰি যায়,—

"কাঠৰ পখী ঘোঁৰা পাই ফুলকোঁৱৰে পিতাকৰ দেশক এৰে।
মনিছে নমনে দেৱেও নমনে, বিজুলী সঞ্চাৰে চলে॥
কাঠৰ পখী ঘোঁৰা জেউতি চৰিলে উৰি যাওঁ উৰি যাওঁ কৰে।
ছমাহৰ বাটকে গৈ একেদিনে মালিনীৰ বাৰীতে পৰে।

ভাটিৰ ৰংপুৰৰ পৰা অৰ্থাৎ ৰাজবংশী জাতিৰ প্ৰাচীন লীলাক্ষেত্ৰ অঞ্চলৰ পৰা মৰীচমতী বা 'ময়নামতীৰ গান' বুলি কিছুমান মৌখিক সংগীত সংগ্ৰহ কৰি চাৰ জৰ্জ আব্ৰাহাম গ্ৰিয়াৰ্ছনে প্ৰকাশ কৰে। ইয়াৰ পিছত কিছুমান খ্যাতনামা বঙালী সাহিত্যিকৰ যত্নত ময়নামতী আৰু গোপীচন্দ্ৰৰ কাহিনীক জড়িত কৰি 'গোপীচন্দ্ৰৰ গান' বুলি বহল আৰু প্ৰামাণ্য ভাবে প্ৰকাশ কৰে। যিহেতু গোপীচন্দ্ৰৰ গান বঙালী

সাহিত্যিক সকলৰ দ্বাৰা সংগ্ৰহ হৈছিল ; গতিকে তাত বঙলুৱা ঠাচ বা সুৰৰ প্ৰাধান্যতা দেখা যায়। আচলতে এই গানবোৰ বঙালী ভাষাৰ গীত নহয়। এই গীতবোৰৰ সুৰ, ৰচনা আৰু শব্দৰ ফালৰ পৰা ইয়াক 'ৰাজবংশী ভাষা'ৰ এক শ্ৰেষ্ঠ নিদৰ্শন বুলিব পাৰি। নাম, ভাব, ভাষা আৰু প্ৰতিটো চিহ্ন ৰাজবংশী ভাষা আৰু জাতিৰ নিজস্ব। উত্তৰ বঙ্গ অঞ্চলত মানিকচন্দ্ৰ, গোপীচন্দ্ৰ আৰু ময়নামতীক আশ্ৰয় কৰি যোগী সম্প্ৰদায়ৰ মানুহবোৰে অৰ্থাৎ বৌদ্ধ সম্প্ৰদায়ৰ এটা দলে 'ৰস মাদাৰী' বা 'একতাৰা' নামৰ বাদ্য যন্ত্ৰৰ সহায়ত গান গায। মানিকচন্দ্ৰ ৰজাৰ ৰাজধানী ৰংপুৰ জিলাৰ ডিমলা অঞ্চলত আছিল বুলি অনুমান হয। ১৮০৯ চনত ৰংপুৰৰ ডিমলাত এখন পুৰণি নগৰৰ ভগ্নাৱশেষ পৰিদৰ্শন কৰি বুকানন হেমিল্টনে লিখিছে ,— "তিষ্টাৰ মোচৰ এটাৰ পৰা দুমাইলমান দূৰত ডিমলাৰ নামনিত চাৰিওফালে গড়মৰা এখন নগৰৰ ভগ্নাৱশেষ আছে।" (Hunter's Statistical Account of Chooch Behar, pp 360—62) হৰিণচৰা আৰু আটিয়াবাৰী গাওঁত এতিয়াও ময়নামতীৰ কোট বা বাসস্থানৰ নিদৰ্শন আছে। এই গানৰ কাহিনী বিভিন্ন পুথিত আৰু মুখে মুখে প্ৰচলিত যোগীৰ গানত পোৱা যায়। মানিকচন্দ্ৰ ৰজাৰ ৰাজ্যত শান্তিৰে প্ৰজাবিলাকে বাস কৰি থকাত প্ৰজাৰ মুখত শুনিবলৈ পোৱা গৈছিল ,—

> "কাৰো দুৱাৰত কাহো নাযায়
> কাৰো পুখুৰিৰ জল কাহো নাখায়
> ঘিনে বান্দী না পিন্দে পাটেৰ পাছৰা।
> একতন তেকতন কৰি যাগ্ৰ খায়
> তাৰও দুৱাৰত বান্ধে ঘোঁৰা ॥"



"সোণাৰ ভেণ্টা দিয়া বাইয়েতৰ ছাওয়ালে খেলায় ;
হেন দুখিত কাঙাল নাই যে ধৰিয়া পালায়।"

কিন্তু ৰজাই কামাসক্ত হৈ ৰাজকাৰ্য্যৰ প্ৰতি পিঠি দিয়াৰ ফলত ৰাজ্যত সুখ শান্তিয়ে বেছি দিন বিৰাজ কৰিব নোৱাৰিলে। কাৰণ পশ্চিম ফালৰ দীঘল দীঘল দাৰি থকা কিছুমান মানুহক ৰাজকাৰ্য্যত নিয়োগ কৰি নিজে কামসাগৰত বুৰ গৈ থাকিব ;—

"ভাটি হইতে আসিল বাঙাল লম্বা লম্বা দাড়ি।
ঐ বাঙাল আসিযা মুল্লকত কৈল্লেক বাড়ি॥
হাল খানে খাজনা সাধে ছেড কাহন কড়ি।"

ইযাত 'বাঙাল' অৰ্থে মুছলমানক বুজোৱা নাই ; বুজাইছে ভিন দেশৰ মানুহক। (পাছৰা— মতা মানুহে গাত লোৱা চাদৰৰ দৰে বস্ত্ৰ, যাঞ —যিবিলাকে, ভেণ্টা— ভাণ্টা বা বাটা খেল)। খাজনা দিব নোৱাৰাৰ ফলত চাৰিওফালে হাহাকাৰ ;—

"নাঙল বেচায়, জোৱাল বেচায় আৰো বেচায় ফাল,
খাজনাৰ তাপেতে বেচায় দুধেৰ ছাওয়াল।"

স্বামী মানিকচন্দ্ৰৰ হঠাতে মৃত্যু হোৱাত আগতে গৰ্ভৱতী ময়নামতীৰ যথাসময়ত পুত্ৰ সন্তান গোপীচন্দ্ৰৰ জন্ম হয়। মহাজ্ঞানী বৌদ্ধ ধৰ্ম্মাৱলম্বী ময়নামতীয়ে জানিব পাৰিলে যে পুত্ৰৰ পৰমায়ু মাত্ৰ ১৮ বছৰ। প্ৰতিকাৰৰ উপায় বিচাৰি জানিব পাৰিলে যে বৌদ্ধ ধৰ্ম্ম প্ৰচাৰক প্ৰাচীন কামৰূপ বাসী হাড়িসিদ্ধাৰ (হাড়িপা) শিষ্য হৈ গৃহস্থাশ্ৰমত প্ৰবেশ কৰাৰ আগতে সন্ন্যাস ব্ৰত পালন কৰিলে গোপীচন্দ্ৰ

অমৰ হ'ব পাৰিব। লৰালি কালতেই ময়নামতীয়ে অদুনা আৰু পদুনাক গোপীচন্দ্ৰৰ লগত বিয়া দিছিল। বোৱাৰী অদুনা আৰু পদুনা গাভৰু হৈ যৌৱনত ভৰি দিলে। আনহাতে গোপীচন্দ্ৰও যৌৱনৰ বলিয়া বতাহত উতনুৱা হৈ উঠিল; কিন্তু মাতৃ ময়নামতীৰ আদেশ আছিল যে গোপীচন্দ্ৰ সন্ন্যাস ধৰ্ম্মত প্ৰৱেশ কৰিব লাগিব। অদুনা পদুনাৰ ঘোৰ আপত্তি ;—

"যখন আছিলাম ৰাজা বাপ মায়েৰ ঘৰে
তখন কেনে ধৰ্ম্মী ৰাজা নাই যান সন্ন্যাস লইযে।
এখন হনু ৰূপেৰ নাৰী তোৰে যোগ্য মান
তুই যাবু সন্ন্যাসী হইয়া মুঞি ছাড়িম পৰাণ ॥"

যুৱতী অদুনা-পদুনাৰ ৰূপ লাৱণ্য আৰু প্ৰেমাকৰ্ষণত থাকিব নোৱাৰি যুৱক গোপীচন্দ্ৰই সন্ন্যাসলৈ পঠাব খোজা মাতৃৰ ওপৰত খং কৰি কৈছে,

"আৰ মাও জননী চায় ঘৰে ৰাখিবাৰে
তুঞি মাও জননী চাইস মোক বনে পাঠাবাৰে।"
হাড়িৰ খাইছেন গুৱা মা হাড়িৰ খাইছেন পান
ভাব কৰিয়া শিখিয়া নিছেন হাড়িৰ গিয়ান।

প্ৰতি উত্তৰত মাতৃয়ে তত্ত্বকথা বুজাই দিছিল ;—

"নাৰীৰ যৌৱন বাছা ধুতুৰাৰ ফুল ;
ভাটি হয় নাৰীৰ যৌৱন কলঙ্কে ছাপে কুল।
এখন না বুঝিবু বাছা বুঝিবু পৰিণামে ;
শুকনায় ডুবিবে নৌকা তোৰ মনেৰ ভ্ৰমে ॥"

ইয়াৰ পৰা বুজা যায় যে বৌদ্ধ ধৰ্ম্ম প্ৰচাৰক হাড়িসিদ্ধা প্ৰাচীন কামতা ৰাজ্যৰে মানুহ আছিল। ই আছিল কোচৰ ওপৰত বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱৰ নিদৰ্শন। 'ময়নামতী গোপীচন্দ্ৰৰ' গীত বিলাকৰ শব্দসম্ভাৰ গাঠনি আদি সকলোবিলাক বিচাৰ কৰি চালে চৰ্য্যাপদৰ সমকক্ষ বা ৬০০-৯০০ বুলি অনুমান হয়। এই 'ময়নামতী গোপীচন্দ্ৰৰ' গীতত সব শব্দবাৰক পৰ্য্যালোচনা কৰি চালে পোৱা যায় যে এইবোৰ সংস্কৃত আৰু প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা আৰু ইয়াত বড়ো গোষ্ঠীৰ শব্দ শব্দ দেখা যায়। পণ্ডিত বিলাকে এই ভাষাটোক 'ৰাজবংশী ভাষা বুলি অভিহিত কৰিছে। মৰ্য্যাদাৰ ফালৰ পৰা ৰাজবংশী ভাষা যে বাংলা ভাষাতকৈ কোনোগুণে হীন নহয় তাৰ বহুতো উদাহৰণৰ বাহিৰেও মহামহোপাধ্যায় যাদবেশ্বৰ তৰ্কৰত্নৰ অভিমতৰ পৰাও প্ৰমাণিত হ'ব। (১)

সেইদৰে মাত কথাতো এটা নিজস্ব বৈশিষ্ট্য দেখা যায়। যিহেতু গোৱালপাৰা জিলাত এই জাতিৰ মানুহৰ সংখ্যা বেছি কাৰণে তেওঁ লোকৰ যি কথা ভাষা সেই ভাষাই আন আন জাতিৰ মানুহৰ ভাষাৰ ওপৰত প্ৰাধান্যতা বিস্তাৰ কৰিছে আৰু কৰাটো স্বাভাৱিক। ভাষা-বিদ গ্ৰীয়াচনৰ মতে এই ভাষাটোৰ নাম 'ৰাজবংশী' ভাষা। অসমীয়া ভাষাৰ ইতিহাসৰ তুলনাত বঙালী ভাষাৰ বয়স কিছু কম, কিন্তু অসমীয় ভাষা ইমান পুৰণি হোৱা স্বত্বেও ৰাজবংশী ভাষাৰ এটা নিজস্ব আৰু প্ৰাচীনত্ব আছে। পূৰ্ব্বোত্তৰ ভাৰতৰ ভিতৰত ৰাজবংশী ভাষাটো অতি প্ৰাচীন আৰু ইয়েই শেষত 'কামৰূপী' ভাষাৰ গুড়ি ধৰে যেন অনুমান হয়। ৰাজবংশী ভাষাৰ শব্দ সম্ভাৰ ইমান চহকী শব্দভঁড়াল; অসমীয়া ভাষাতে দেখা নাযায় আনকি ভাৰতৰ অন্যতম বিখ্যাত বঙালী

---

(১) 'বহুপীঠত এভুমুকি'ত ৰাজবংশী ভাষাৰ বিষয়ে আলোচনা কৰা হৈছে।

ভাষাতো পোৱা নাযায়। অতি সামান্য খুটি-নাতি ভাবৰ কথাকো নিজস্ব অথচ সম্পূৰ্ণ স্বকীয়া শব্দৰ দ্বাৰা প্ৰকাশ কৰিব পৰা শব্দ আন ভাষাত অতি কমহে দেখা যায়। অসমৰ দুৰ্ব্বল নেতৃত্বৰ সুযোগ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ সহায়ত বুদ্ধিমান বঙালী নেতৃবৰ্গই কোচ প্ৰধান অঞ্চলৰ অৰ্থাৎ পুৰণি কামৰূপৰ কেন্দ্ৰস্থল ৰত্নপীঠ অঞ্চলৰ বেছি ভাগ বঙ্গ দেশৰ লগত উক্ত অঞ্চলৰ মহাৰজা আৰু জন-সাধাৰণৰ অনিচ্ছা স্বত্বেও চামিল কৰি লয়। পিছত দূৰদৰ্শী বঙালী সাহিত্যিকবোৰে সেই অঞ্চলৰ মূল্যবান শব্দবোৰ বঙালী সাহিত্যৰ পৰিসৰৰ ভিতৰত স্থান দি বঙালী সাহিত্যৰ ভঁড়াল টনকিয়াল কৰিছে, কিন্তু অতি দুখৰ বিষয় যে অসমৰ সাহিত্যক আৰু বুৰঞ্জীবিদ সকলে এইকালে চকু দিয়া দূৰৰ কথা কোনে কেনেকৈ কোচ-ৰাজবংশী জাতিৰ ঐতিহ্য তথা কৃষ্টি-সভ্যতা চিৰ দিনৰ কাৰণে মাৰ নিযাব পাৰি তাৰহে যত্ন কৰিছে যেন অনুমান হয়। নহ'লেনো অসমৰ প্ৰায়বোৰ জাতি-উপজাতিৰে অসমৰ ঐতিহাসিক আৰু লিখকবোৰে ইতিহাস লিখিছে, কিন্তু এই জাতিৰ তেনে কোনো ভাল ইতিহাস নাই কিয! অথচ এই জাতিৰ ৰাজত্বই হৈছে অসমীয়া কৃষ্টি আৰু সাহিত্যৰ গুড়ি ধৰোতা। বৰ্ত্তমান অসমত (কোচবিহাৰ, জলপাইগুড়ি বাদ দি) এই জাতিৰ মানুহৰ সংখ্যা ৫৭ লাখৰ অধিক আছে ; কিন্তু এই জাতিৰ সম্মিলনীৰ স্মাৰক পত্ৰ মাত... **This historic and martial people of Assam consisting of more than fifty seven lakhs souls had in deep slumber of Ignorance.**

ইমানবোৰ মানুহৰ কৃষ্টি-সভ্যতা আৰু ইতিহাস আদিক নেওচা দিলে অসমীয়া কৃষ্টিৰ এটা মহান অঙ্গ যে অপূৰ্ণ হৈ ৰব তাক মনত পেলাই নিদিলেও হ'ব। আজিলৈ এই জাতিৰ এখন প্ৰামাণ্য ইতিহাস নাই, অথচ এই জাতিৰ মহাৰাজ নৰনাৰায়ণ আছিল প্ৰাচীন কামৰূপৰ ভাস্কৰ বৰ্ম্মা, বিক্ৰমাদিত্য আৰু অসমৰ মহামতি অশোক।

এই কোচ জাতিৰ শীতল ছাঁয়াত অসমীয়া কৃষ্টিৰ জনক মহাপুৰুষ শ্রীশ্রীশঙ্কৰদেৱে ধর্ম্মৰ দোলেৰে পর্ব্বত ভৈয়াম বাসীক একতাৰ বান্ধোনেৰে বান্ধি পুৱে সদিয়াৰ পৰা পশ্চিমে ৰংপুৰ, দিনাজপুৰ, বৰিশাললৈকে সকলোকে এক মহান অসমীয়া জাতিত পৰিণত কৰাৰ সপোন দেখিছিল, প্রেৰণা যোগাইছিল আৰু কৃষ্টিৰ ভেটি স্থাপন কৰিছিল। অসমৰ বৃহত্তৰ স্বার্থৰ কাৰণে অসমৰ সাহিত্যিক, বুদ্ধিজীবিক আৰু স্বদেশহিতৈষী সকলে বঙ্গপীঠ তথা গোৱালপাৰা জিলাৰ সংস্কৃতিৰ প্রতি বিশেষ চকু দিয়া উচিত। 'গোৱালপাৰা জিলাৰ অযত্ন। পালিতা কন্যা'ৰ দৰে ইফালে সিফালে পৰি থকা হাজাৰ হাজাৰ শব্দ ৰাশিক উদ্ধাৰ কৰি অসমীয়া ভাষাটোক পত্রে পুষ্পে সুশোভিত কৰিবলৈ আগ বাঢ়িলে বহুতো নতুন তথ্য-পাতি উদ্ধাৰ হ'ব আৰু সামূহিক মঙ্গল সাধনৰ সহায়ক হ'ব।

১৮৯১ চনৰ গণনা মতে পোৱা যায় যে প্রাক্তন গোৱালপাৰা জিলাৰ 'ৰাজবংশী' ভাষাভাষী মানুহৰ সংখ্যা হৈছে ২,৯২,৮০০ জন। এতিয়াৰ ভৌগলিক সীমা মতে পশ্চিমবঙ্গ প্রদেশৰ ভিতৰত সোমাই থকা ৰাজবংশী ভাষা-ভাষী মানুহৰ সংখ্যা জলপাইগুড়িত— ৫,৬৮,৯৭৬ জন, কোচবিহাৰত— ৫,৬২,৫০০ জন, দাৰ্জ্জিলিঙত- ৪৭,৪৫৫ জন আৰু ৰংপুৰত (বৰ্ত্তমান পাকিস্তানত) ২০,৩৭,৪৬০ জন। তেন্তে পূর্ব্বোত্তৰ ভাৰতত 'ৰাজবংশী' ভাষাভাষী মানুহৰ সমুদায় সংখ্যা হৈছে ৩৫,৯০,৫৪১ জন (Page 163 Vol-V, Part—I, Linguistic Survey of India—By Grierson)। ১৮৯১ চনৰ গণনা মতে জনা যায় যে, গোৱালপাৰা জিলাৰ সমুদায় মানুহৰ প্রায় দুই তৃতীয়াংশ মানুহে 'ৰাজবংশী' ভাষা ব্যৱহাৰ কৰিছিল আৰু বাকী এক তৃতীয়াংশ মানুহে বড়ো-গোষ্ঠীৰ তিব্বতী-বার্ম্মিচ' ঠালৰ ভাষা ব্যৱহাৰ কৰিছিল। যি ভাষাটোক

গোৱালপাৰা জিলাৰ দুই তৃতীয়াংশ মানুহে ব্যৱহাৰ কৰিছিল আৰু যি ভাষাটোৰ পূৰ্ব্বোত্তৰ ভাৰতত সমূদায় জনসংখ্যা হৈছে প্ৰায় ৩৬ লাখ (৩৫,৯০,৩৪২ জন) সেই ভাষাটোক এটা ভাষা বা উপভাষা হিচাবে গণ্য কৰাটো অতি যুক্তিযুক্ত। সেই কাৰণে বোধহয় ভাষাবিদ্ গ্ৰীয়াৰ্চনে ইয়াৰ এটা নিজস্ব নামাকৰণ কৰিছে 'ৰাজবংশী' ভাষা বুলি ;— "When we cross the river (Brahmaputra) coming from Dacca, we meet a well marked form of speech in Rangpur and the districts to its north and east. It is called Rajbonshi and while undoubtedly belonging to the eastern branch, has still points of drffence which lead us to class as a separate dialect. (Page 153, Vol—I, Part—I, Linguistic Survey of india.) "The dralect of western and South-Western Goalpara in Assam is pure Rajbonshi. (Page 166, Vol–V Part—I, L. S. I.)

এই ৰাজবংশী ভাষাত সংস্কৃতৰ পৰিমাণ আটাইতকৈ বেছি ; তাৰ পিছতে উৰ্দ্দু-হিন্দী শব্দাৱলীৰ স্থান। দ্বিতীয়তে চৰ্য্যাপদত ব্যৱহাৰ হোৱা প্ৰাকৃত আৰু পালিৰ সংমিশ্ৰণত হোৱা শব্দাৱলীয়ে লগ-লাগি এটা নতুন ভাষাৰ ৰূপ দিছে। ইয়েই হৈছে ৰাজবংশী ভাষাৰ মূল উৎস। পূৰ্ব্বোত্তৰ ভাৰতৰ বস্তুপীঠ অঞ্চলত ৰাজবংশী মানুহৰ সংখ্যাই আটাইতকৈ বেছি গতিকে উক্ত অঞ্চলৰ ভাষাটোক 'ৰাজবংশী' নাম দিয়া হৈছে। এই জাতিৰ বিচিত্ৰ ইতিহাসৰ কলত এওঁলোকৰ কথ্য ভাষাত কেবাটাও জাতি-উপজাতিৰ ভাষাৰ সংস্পৰ্শই স্থান পাইছে। বিশেষকৈ মেছ (কছাৰী) জাতিৰ ভাষাই ৰাজবংশী ভাষাক বেছিকৈ প্ৰভাৱান্বিত কৰিছে আৰু ই অতি স্বাভাৱিক। বৰ্ত্তমান হিন্দী ভাষাৰ সাহিত্যত 'ৰাজবংশী' ভাষাৰ কিছুমান শব্দ পোৱা যায়।

ভাব ভিতবত 'আওসান' অবসব, আগিলা-পাছিলা, পুহকবা, ভড়া (আওবরা), ফিব (পুনবায়), কদূ (মিঠা লাও), সজবা, ভাও (মূল্য), ঘাও (ঘা), পহবা (পবদিয়া), বগল (কায), ফবক, সমঝা, নিকলা, জাব, বিছুয়া (বিষরা), ভৈস (মহ), কাউরা (কাউবী), গুওব (গাহবি), বহিন, সিয়ান (চতুব), মুবাদ (শক্তি) ছুরা-ছুতি আদি বহুত। সেইদবে প্রত্যেকটো প্রত্যয় যোগত আমি বাজবংশী ভাষাত স্বকীয়া শব্দ পাওঁ। উদাহবণ স্বরূপে 'ইয়া' প্রত্যয় যোগত তলত দিয়া ধবণে পাওঁ ;—

'কট্' শব্দত 'ইয়া' প্রত্যয় যোগত 'কট্কটৈয়া', সেইদবে খ—খট্খটৈয়া, গ—গট্গটৈয়া, ঘ—ঘট্ঘটৈয়া, চ—চট্চটৈয়া, জ—জটজটৈয়া, ঝ—ঝটঝটৈয়া, ট—টক্টকেয়া, ঠ—ঠক্ঠকেয়া, দ—দমদমেয়া, ধ—ধবধবেয়া, প—পতপতেয়া, পিতপিতিয়া, ফ—ফতফতেয়া, ব—বকবকেয়া, ভ—ভকভকেয়া, ভতভতেয়া, ম—মচমচেয়া, ব—বঙবঙেয়া, ল—লকলকেয়া, লুতলুতেয়া, হ—হটহটেয়া, হলহলেয়া ইত্যাদি। ওপবোক্ত প্রত্যেকটো শব্দই একোটা বিভিন্ন অবস্থাব রূপ বর্ণনা করে। এইদবে প্রায় প্রতিটো প্রত্যয় যোগত একোটা শব্দব ভড়াল পোৱা যায় আক নতুন শব্দ ভড়ালব প্রতিটো শব্দই একোটা স্বকীয়া অর্থ প্রকাশ করে। এনে ধবণব শব্দ বিলাক কেবল বাজবংশী ভাষাতহে বেছি দেখা যায়। যদিও বাজবংশী ভাষাব এটা স্বকীয়তা আছে তথাপি এই স্বকীয়তাই সম্পূর্ণতা লাভ কবিছে গুচব-চুবুবীয়া বড়ো, আহোম, চাওতাল, আদিব ভাষাব লগত মিলিত হৈ। এইদবে নানান জাতি উপজাতিব সংমিশ্রণব ফলত এনে এটা স্বকীয়তা গঢ়ি উঠিছে যে সেই স্বকীয়তা আক কৌলিণ্যতা আনকি খেল-ধেমালিব হিচাবতো প্রকট হোৱা দেখা যায়। উদাহবণ স্বরূপে ডাংগী বা বাটা খেল। অসমব অন্যান্য ঠাইতো বাটা খেল আছে ; কিন্তু গোৱাল-

-পাৰা জিলাৰ কোচ-ৰাজবংশী মানুহবোৰৰ মাজত হলে কেবাবিধৰো বাটা খেলৰ প্ৰচলন দেখা যায়। তাৰ ভিতৰত লাটুম বাটাখেল অতি প্ৰিয় আৰু কৌশলপূৰ্ণ। এই লাটুম বাটাখেলটো নগৰ চহৰৰ ক্ৰীকেট খেলৰ লেখিয়া। বাহঁৰ মূঢ়াৰ পৰা ক্ৰীকেট বলটোৰ সমান আয়তনৰ এটা বল কাটি উলিয়ায়। দুটা দল হয়; এটা দলে বলটো এডাল ডেৰহাতমান দীঘল মাৰিৰে মাৰি দিয়ে আৰু আনটো দলে তাক ধৰিবৰ বা প্ৰতিৰোধ কৰিবৰ যত্ন কৰে। ইয়াৰ হিচাব কৰা প্ৰণালীয়ো পৃথক; সচৰাচৰ একৰ পৰা দহলৈকে হিচাব কৰা হয়; এক হলে একি, দুই হ'লে দুকি, তিন হ'লে তেনা, চাৰি—চাৰা, পাচঁ—পাঞ্চা, ছয়—চল, সাত—ভোল, আঠ—বাটা, ন—কথা, দহ—মঠা। প্ৰত্যেক সংখ্যাৰ লগে লগে বলটো কোবোৱাৰ পদ্ধতিয়ো বেলেগ আৰু বিভিন্ন ধৰণেৰে কোবোৱাতেই অ ন্যান্য কৌশলৰ দৰকাৰ হয়। আকৌ বেলেগ এবিধ একৰ পৰা কুৰিলৈকে হিচাব কৰা বাটাখেল আছে তাৰ হিচাব কৰা সংখ্যা হৈছে – এক হ'লে একলি, দুই হ'লে দুকুলি, তেলি নালা চাৰি চুৰি, ধেমু' কালা, তামটিম, হাসেৰ ডিম, কাঠলেৰ নাঙল ভেসেৰ শিং কলৰ ঠুৰি উনৈশ-কুৰি। এনে ধৰণৰ নিজস্ব ভাষাৰ ঐতিহ্য আৰু কৌলিণ্য সম্পৰ্কে জানিব খুজিলে উক্ত অঞ্চলত যিবোৰ গৱেষণাৰ সম্বল পৰি আছে তালৈ চকু দিলেই যথেষ্ট। গোৱালপাৰা জিলাৰ ৰাজবংশী মানুহবোৰৰ কথ্য ভাষা সম্পৰ্কে বহুতো লিখিব লগা আছে; কিন্তু ইয়াত ভাষাতত্ত্বৰ কথা আলোচনা উদ্দেশ্য নহয়। গতিকে মাত্ৰ কেইটিমান প্ৰেমিক প্ৰেমিকাৰ মাজত হোৱা প্ৰচলিত জনসংগীত বা লোকগীতিহে নমুনা স্বৰূপে তলত দিয়া হ'ল। ইতিমধ্যে অৱশ্যে স্থানান্তৰে ৰাজবংশী ভাষাৰ কিছু কিছু আভাস দিয়া হৈছে। তলত যিবিলাক লোকগীতিৰ নমুনা দিয়া হ'ল সেইবিলাক ভাষা সচৰাচৰ

গোৱালপাৰা জিলাৰ পশ্চিমাংশতহে বেছিকৈ প্ৰচলিত। কাৰণ 'মান-ভগনৰ' সময়ত উজনি অসমৰ বহুতো মানুহ গোৱালপাৰা জিলাৰ পূৰ্ব্বাংশত বসতি কৰাৰ বাবে উক্ত অঞ্চলৰ ভাষাটো খাটি অসমীয়া ভাষাৰ কাষে বেছিকৈ ঢাল খোৱা। প্ৰেমিক-প্ৰেমিকাই গোৱা কেইটি-মান জনসংগীতৰ নমুনা ;—

(১) গাৱঁলীয়া প্ৰেমিকাই-প্ৰেমিকক উদ্দেশ্য কৰি গাইছে :—

ক) নলেৰ আগুন তলে তলে
খাগৰাৰ আগুন জলে ;
মোৰ নাৰীৰ মনেৰ আগুন
বাহিৰে ভিতৰে পোড়ে।
কিমতে জুৰাউ মোৰ হিয়া বান্ধৱ ৰে ॥

খ) লাউ ফুল কুমুৰাৰ ফুল
সন্ধ্যা হইলে ফুটে ;
অভাগিনীৰ মনেৰ দুঃখ
সদায় মনে উঠে।
কিদিয়া নিভাও মোৰ মনেৰ আগুন ৰে ॥

গ) কতনা দুখ কইম বন্ধু
দুখেৰ নাই মোৰ ওৰ ;
সবাতো অধিক দুঃখ মোৰ
দুখেৰ নাপাও গোড়।
হলহলেয়া উঠে দুখ মোৰ ৰে ॥ আদি

(২) গাৱঁলীয়া প্ৰেমিকে প্ৰেমিকাক উদ্দেশ্য কৰি গাইছে :—

একে না পিৰিশেৰ দিন মুক্তি আছো তৃতিয়া

কায় আব হাকাবে পাখা মোব বগলে বসিয়া ;
(ওকি) কেবেৎ কুকৎ কবিয়া ॥ ইত্যাদি
(পিবিশ—গ্রীষ্ম, শুতিয়া—শুইয়া, কায়—কোনে, বগল—কাযত।)

(৩) প্রেমিকাই মনে খোবা প্রেমিকক বিচাবি গাইছে ঃ—

"কানাইবে কেমন কবিয়া হব দবিয়া পাব
যে নাইয়া কবিবে পাব
তাকে দিব গ'লাব হাব।
ঐবে তাকে দিব গ'লাব চন্দ্রহাব"
পাব হইলে মুঞি নাবী হইব তাব বে
এলুয়া কাশিয়াব ফুল
নদী হইল কানাই হুলুস্থুল ;
পাব হইলে কববো মুঞি যৌৱন দান বে ॥

(৪) প্রেমিক-প্রেমিকাব মাজত হিয়াব বিনিময় ঃ—

কানাইয়ে গাইছে— আগা নাওরে ডুবু ডুবু পাছা নাওয়ে বইস ;
চোঙায় চোঙায় ছ্যাকং জলবে।
জল ছেকিতে জল ছেকিতে
ছিণ্ডিল সেউতিব দড়ি ;
গ'লাব হাব খুলিয়া কন্যাবে
ও কন্যা সেউতিত লাগাইম দড়ি ॥

বাধাই উত্তব দিছে— তোকসে কও বসিক কানাই
তোমাবে ভাঙা নাও,
ভাঙা নাওঁয়ে খেৱা দিয়াবে
ও তুমি কেমন মজা পাও।

কানাইয়ে গাইছে— তাঙা নহয় জোড়াও নহয়

সোণা ৰূপায় গঢ়া ,

ৰাজাৰ হস্তীক পাৰ কৰিছতবে

ও কন্যা ভুঙ্কি বা কত ভৰা

আকৌ গাইছে— এক সুন্দৰীক পাৰ কৰিতে

নিছোঁ আনা আনা,

তোক সুন্দৰীক পাৰ কৰিয়াৰে

ও কন্যা খচাইম কাণেৰ সোণা ।

সোণাও খচাইম ৰূপাও খচাইম

খচাইম গলাৰ মালা,

ভৰা গাঙে খেয়া দিয়াৰে

ও কন্যা শৰীৰ হইল মোৰ কালা ।

ইত্যাদি

* * *

ৰাজবংশী ভাষাৰ আন কেইটিমান নমুনা তলত দিয়া হ'ল :-

বিংশ শতিকাৰ শেষ দশকত প্ৰাক্তন গোৱালপাৰা জিলাৰ গাৰে-ভুৱে বিশেষকৈ খুটাখাট আৰু হাৱৰাঘাট পৰগনা অঞ্চলত গ্ৰাম্য মানুহৰ মুখে মুখে প্ৰচলিত হৈ থকা কথ্য ভাষাৰ কেইটিমান সুখপাঠ্য নমুনা তলত দিয়া হ'ল। এই নমুনাটোত পূৰ্ব্বৰ কোচ ৰাজ্যৰ ৰত্নপীঠাঞ্চলত থকা বিভিন্ন পক-পকৰা, গছ-গছনি, ঔৰি মাগন, শ্লোক প্ৰবচনাদিৰ পৰিচয় কবিতাৰে দিয়া হৈছে। মাত্ৰ অসমীয়া আৰু মাত্ৰ বঙালী-ভাষাত থকা উক্ত পক-পকৰা গছ-গছনি আৰু চৰাই-চিৰিকতিৰ নামৰ লগত বিজাই চালে ৰত্নপীঠাঞ্চলৰ প্ৰচলিত কামতালি বা ৰাজবংশী ভাষাৰ স্বাতন্ত্ৰ্যতা সম্পৰ্কে সম্যক ধাৰণা পাব :—

" প্ৰণামুহুং নাৰায়ণ শ্ৰীভগবান,
সংসাৰতে নাই তাহাৰ সমান।
জীবেৰ মধ্যে কিছু বড় কিছু আছে চোট ;
সংসাৰতে যত জীৱ নাম লম কত ?
জবেয়া নাৰায়া লাগাইলং ঠোকা ;
সংসাৰতে বন্দিম যত কিছু পোকা।
পোকাৰ মধ্যে চেল্লাই বাবা চেল ৰেলেয়া বেৰায়;
নিন্দতে মানুক কামৰায় বিছিনাতে হাৰায়।
দাহ, মহ অক বেদেলাং দিঘিলা কেন্দাই,
বেদেলাং চুবিয়া দাকক দেয় কান্দেৰ মেন্দাই।
চোট চোট কেৰেল্ৱা গাছেৰ মুগাৰ লাটা,
পাত খাইতে দিঘিলা বাহা বান্দিলে খাতা।
সংসাৰতে যত পোকা তাৰ সংখ্যা নাই,
পছা খুটাত সোমেয়া থাকে পোকা গঙাই।

পাখিৰি গাছেৰ মজলাই পোকা আৰো পচা ঢোপ,
ৰৰশি মাৰিবা ভাল পোকা ফুকা বাশেৰ ডগ।
ঘৰেৰ মধ্যে তেলমু পোকা ঘুগুৰি কেচুৰ যম,
ঘোৰেয়া-নাৰায়া ভুলে-ভালে পোকাৰ কথা কয়।
ৰাঙা চাহি চেমথা চাহি পিপিৰা গুজাৰি,
কালা পিপৰ বিষ পিপৰ চিকাৰি পোকাৰ দাড়ি।
প্রজাপতি পখীলা নাম হৈছে চিতি,
পাখাৰা গণ্ডালি চৰাও কৰে মাহ আহিন কাতি।
জাকৈ পোকা, কড়ি পোকা, হাতাথাকানি, আঙুলি টিকা,
জাকৈ পোকা দাৰুক লাগে চাওয়াৰ পেট ফিকা।
পাহাৰিয়া ছুথালি কাৰ খাওয়া কাকোৰ,
দাবুয়া থাকা দিঘিলা জাত নাম দেও কাকোৰ।
ঘুকণি, নাচিনি পোকা, নাম বেঙেলেকু,
জক-বেদেলাও দেখা নাপায় শালাৰ নাই চকু।
চৰপানী পোকাৰ গণ্ডালি যম, শালী হালেৰ বেলা,
ভুটা পাকেয়া জুই নিনিলে হালুয়াক দিব ঠেলা।
সংসাৰতে যত পোকা আৰো আছে কুলুণ্ডা,
দেখিবা জলং কলং বাঘ মাকাৰা।
বিছিনাতে থাকে ওৰেশ তাতে পায় চাৰা,
আপিথানেৰ মাথাত থাকে লেথেৰী থাড়া।
বল্লা, মাখি, মৌ, ভেকল, নাম দিন কানা,
পোকাৰ মধ্যে গুল-গুলি গোটায় চানা।
ৰাজা মৌ, মাটিয়া মৌ, নাম ভাকৰিয়া,
বিছিনিয়া মাওৰিয়া মৌ আৰো থকুৰীয়া।

বাৰা চেচয়া, জুই আঙঠিয়া, নাম নাওৰীয়া,
পোকাৰ কবিতা কৰিলং ময় ভাৰৰীয়া।
ফেৰাদাঙিৰি, উশুকণ্ডা, পাতাল পকা নাম,
চোতালৰ চিট্‌কা পোকাক ক'ত ধৰা পাম?
আই গঙালি, বাই গঙালিৰ লেখা জোখ নাই
গৰুৰ গাওত থাকে চপচপি, আৰো ছাতৈ।
কুট পোকা থাকে পূৰাত, ঘুন পোকা ছালত,
পানীৰ পোকা বাহা লয় পানী খাওয়া খালত।
কল পোকা, গু খাওযা, গুৰ ভুগুৰা,
যত পোকা দেখিলং গঙাই পোকা বুঢ়া।
বুক সেসেৰেয়া বেৰায কেচু আৰো কুচুলাই,
কামৰাইলে বৰ টাম্না পোকা মজলাই।
ঘুনঘুনীয়া পাজি পোকা ঘৰেৰ কৰাত বাহা,
বাশেৰ চুঙাৰ বিনে তাৰ কুটিও নাই ৰাহা।
গান্ধী পোকা, জোনাক গান্ধীৰ টিকিনা জ্বলে,
ছাওয়াৰ পেটত কেচু থাকে তাকে চেক বলে।
কিৰ্মি চেক, ঝিলু চেক, মানুষেৰ ৰোগ,
পেট টেকেলা ছাওয়াৰ নাপালায ভোক।
ধেনধেনীয়া মাখি দুইজাত আৰো জোখা তাকৰ,
সাৰে ফালে চৰাও কৰে পোকা পিছা মাকৰ।
এত গিলা পোকাৰ কথা ময় কি কম,
কুকুৰেৰ খাওৰ হৈলে মৈশা দৈ যম।
কালা সুঙাৰি, ধাওলা সুঙাৰি পোকা চেনাতি,
দাবুযাৰ জোৰত ঘুঙৰি হালৈয়া কেৰায় মাটি

ভৈঁসেৰ গাওত থাকে বগা বগা খাড়া,
জক বেদলাং লেক পেক শালাৰ নাই হাড়া ।
মাছেৰ পেটত কাশিমা, মানুক ধৰে চাহী,
লাটা পোকা উহাইছে আমাৰে মাহী ।
দেও ঘণ্টা, বেংবেঙা, আৰো সোণা পোকা,
নীলা জাত ভোমৰা নাম কাজল ভোমৰা ।
কলাৰ গাছত থাকে চেক, গলসাৰটা ডালত,
বেঙেলেকু ভৰিয়া থাকে বাৰীৰ ভাঙা খালত ।
সংসাৰতে এত আছে কালা ধাওলা মহ,
কাণে কাণে আহিয়া কয় সহও হ হ ।
বুলুঙা পোকা আজালা, চিকাৰী পোকা চিয়ান,
আমেৰ ভিতৰত পোকা থাকে আমাৰ নহয় গিয়ান ।
মাথা বাঙা আমুৱা পোকা বৈশাখ মাসত,
কত দেখিবি ঘণ্টা পোকা খুড়নাৰ গাছত ।
ঠেং খাওয়া পাতাল পোকা, কমৰ ভাকুৰা;
পৃথিবীতে বেৰেয়া থাকে মাটিয়া ভুৰা ।
পোকাৰ কবিতা শেষ এতে দিলং সীমা ॥

ৰাজবংশী ভাষাত ধলুৱা গছ-লতাৰ নামাকৰণ ঃ

প্ৰথমে প্ৰণাম কৰং দেৱ নাৰায়ণ ।
যায় কৰিল এইসব উদ্ভিদেৰ সৃজন ॥
বট-বৃক্ষ, চোপ, শাল নাম যি যাৰ ।
ভূবন বিদিত খ্যাতি ৰাখিল সংসাৰ ॥
পৃথিবীতে যত বৃক্ষ লেখা জোখা নাই ।
যি পৰিল মনত তাৰে নাম দিলং ভাই ॥
লেওয়া লেউসি আদি যত সংসাৰতে আছে ।

কুনঠাইত শুনিম নাম পাম কাৰ কাৰে ॥
সাচায় মিছায় বন্দনা কৰং কয়টামান গাছ।
ভুল ভ্ৰান্তি হইলে বাপ ভাইয়ে নিদিব লাজ ॥
গুৱা-পান সন্তৰা টেঙা গিৰিস্তিৰে সাৰ।
তাকে দিয়া লাল হয় গুৱাহাটীৰ বাজাৰ ॥
জৰা, জম্বুৰা তুলিয়া, চাকালা, ৰকুকিয়া, টেপল।
লিলিখা পাছখোল কাইঁ। লাগে আৰো শুনিয়াল ॥
ভেল্লা, কাঠল, লেটকো, আৰো বাৰীৰ এণ্ডা।
দাঁতাশিৰ দাৰুক হয় গাছেৰ নাম ভেণ্ডা ॥
আম চৰকীয়া, জাম চৰকীয়া, পুনিয়াল ছোট ভাই।
তেতেলিৰ গাছত চৰিলে কিন্তু মৰণে নাই ॥
কদম, বাইক, ছাটিয়ান, আৰো বেল গাছ।
তামোল গাছত পান থাকে বাৰো মাস ॥
কাল কৰে, ঢাল কৰে, খজ, পমা, জিয়া।
বাম্বা, ভেটোমালী, তিতা দিং দিঙা ॥
পান্নী, টুকুৰা চেকিঁ, সেওৰা, ছিটকি, পাশিলী।
পানী পিয়ালি, সুঙাল গাছ, কান্টি খুটাৰ লাঠি ॥
চাউ, নাৰিকল, তকো, খেজুৰ গোদ্ধত মজায় তাল।
নেওয়াৰি, মুছৰি বানেয়া থাকে দিংদিঙাৰ জুঙাল ॥
কালা তুলসি, জাতি তুলসি, বাম তুলসিৰ ভাই।
তকমা গাছেৰ সচ কৰেক বৰ ঠাণ্ডাই ॥
লাউ, কুমুৰা সেওৱাজ বাঙী আৰো খৰমজুৱা।
কুংখুৰা, হাড় জোৰোৱা, বাঘ আংচুৰা লেওয়া ॥
কাঁটা মাদালা, জাতি মাদালা, কাঁপাস তাকুৰি।

ষাণ্ডবল্লা, কুকুর ছিটা, বামুন পাখিরী ॥
দুতকুরি, নিশকুরি, চাউল কুরি, আরো আটকুরি ।
বিষ ময়না, হরিতকি কাঁটা জাম্বুরী ॥
কুইচ টি টেঙা মাঠার ভবণ হলকলির পাতা ।
লাউ লাকা বেচুন বেহর পিয়াজের পাত গোটা ॥
ভেণ্ডি তারাই, কররিল গাছ, কণ্টকারী বাই ।
সংসারেতে আলোক লেওয়ার জাগায় নাই ॥
সুপারি, বগরি গাছ নাম তার অদলা ।
কুম গাছের সমান নাই ছালতা মদলা ॥
শালমামা লেওয়া থাকে শাল গাছত ।
চিলু চিতু গাছের থার্ত পায় নদীর কাপড় ॥
শিমিলা, চাম্পাফুল, কর্দৈর আছে শিরা ।
ডমরু গাছের চাম কাটে রব রব শিরা ॥
শিশু কাঠ, লগচরাই আরো কটোহা বাশের জেং ।
গাছের ডালত দাউখাইতে বান্দরের ভাঙে ঠেং ॥
তাউয়ারী কাঁটা, নাকার মেওর বড় আছে গুড়া ।
পাহাড়ের কাকোয়া বাশেরে করে মৌ খাওয়া চুঙা ॥
চুন গাছ, ধূপ গাছ আরো নাগেশ্বর ।
ডাল শিরি কাটিয়া বান্ধে বড় ঘর ॥
পাহাড়েতে যত বৃক্ষ লেখা-জোখা নাই ।
বান্দর কান্দা কুলিলে খাবার উপায় নাই ॥
কেওয়া, কেরকেটি, লক্ষা মালতী, কটোর সংখ্যা নাই ।
গাছের উপরেতে গাছে রূপমালা আই ॥
পাটা, পটল, ভিন্দ, কালাই এইসব শাকনি ।

লাৰাতিতা, ভোট বিলকুলি, গান্ধ বজ্ৰমণি ॥
হেলঞ্চি ধনিয়া জয়ফল আৰো মছলা।
ভাং ধুতুৰা আৰো পানীৰ বটলা ॥
কুঁজি ঠেকেৰা, আমলখি, ডালিম, চন্দন।
তাৰ পাচে বন্দনা কৰং বাকী বৃক্ষগণ ॥
চম্পা, খকুচা, ঢেকীয়া, পুতি, কাউৰমণি, নল, ইকিৰা।
ফেঁচা ভুক্কা, বিজুলি বাশ আৰো খাগৰা ॥
কাগজি, চজনা, ভজনা, নাচপতি, তেজপাত গাছ।
কচু, কাতুৰী বন্দনা কৰং বাচে মাত্র সাত মাস ॥
পেজেকঝেকা ঝেকেনি থাকা নাম বিষ্ণু বাশ।
দাকুৱা, কেকোৱা বন্দনা কৰং যত কিছু বাশ ॥
জলপাই, বৰুণ, অৰ্জ্জুন আদি নাম মাদাৰ।
সিজু, শিমিলা, বন্দনা কৰং নৰসিংহ, কেদাৰ ॥
নৰসিংহ গাছেৰ পাত বিৰা দেওঁৰ বাপ।
কাকোৱা বাশেৰ কাটা চুঙাত লোমেয়া থাকে সাপ ॥
খোৰাগাছি, সুপুন্দি, ধাউলী, ডুডুৰা গাছ।
বেত, গাৰাল, গুৱা গাছি, পাতি দৈৰ সাজ ॥
চালকুমুৰা, মধুৰসা আৰো আছে মধু।
বাখাৰাছাতা ভুঁইতিতা আৰো মিঠা কদু ॥
সংসাৰতে টেঙাৰ ভিতৰত নাম থৈকেৰা।
ফলেৰ মধ্যে আনাৰস চকুই কেৰ্‌কেৰা ॥
তাৰ পিছত কি কম কথাৰ নাই যাহা।
বাৰীৰ আটিয়াত থাকা চাওগুৱাত লিগুনেৰ বাহা ॥
হাতীসুৰীয়া মাতকতকা, হাতীকাণীয়া পলাশ।

দাইনেৰ শালমামা পোৱা জীৱ গৰ্ত্ত কৰে খালাস ॥
বিষকুটুলি, চকুলেতেৰী, তুতুৰী জানা আই।
সংসাৰতে চকুৱা আৰো বিক্ষিউজী ধনেৰ আকাল নাই ॥
হাতুৱা বন, দুধালি লেওৱা আগতে আছিল পাহাৰত।
এলা গাজে বাবা সপোনখৰিকা আমাৰে আগ দোকান ॥
সোণাফুলি, ৰূপাফুলি আৰো দুধালি লেওৱাৰ পাত।
কঁটা থকা লজ্জা মালতী চকু চিপাৰ জাত ॥
মিচকিৰি, মাটিষা কমলা পাতিকাৰ দাক।
জাবেশ্বৰী, কাণসিচা মিলি ভৰণ নিদিলে চকু কৰে ঠাক ॥
চান্দ তিতা, ভাও তিতা, আৰো যদি থাকে ঈশ্বৰ মূল।
তিনিওটা চকত থাকিলে সাপে নাযায় তাৰ তল ॥
পাজুৰি লেওৱা, তেজামণি, ভৰৰা, হেটেপটেপা।
চাওৱাখানে কপালত ফুটায় দাকক পেট ফিকা ॥
অক্লিক বন্দনা কৰং, ভাওঁলাক পাওয়া নাই।
কাল পাতিয়া, নীল পাতিয়াক বন্দনা কৰং ভাই ॥
চালত চ ৰ চালকুমুৰা, বেৰাত বাঢ়ে লাউ।
কুশিয়াৰ, পানী পিযালী, গদাকলেৰ পানী সাউ সাউ ॥
দীঘলতি, থেকুথকি দুধপোকাৰ ভৰণ।
ওজাৰ ভৰে ঝোলোঙা গাছেৰ হয় মৰণ ॥
কাউৰা-ভাতুলী, মহাকাল দেখিবাকে ভাল।
ভিতৰেৰ কালে কি চাবি উপৰতে লাল ॥
ঘামাৰী, লিচু আৰো দুই জাতেৰ নিম।
বাকী থাকা নামগিলা আৰো কুনো বেলা দিম ॥
যাত্ৰাসিৰা, আলগিয়াসিটা আৰো চিচিঙ্গা।

গছ বিবিধেৰ পুৰাণ শেষ এতে দিলং সীমা ॥
বৃক্ষ। তোমাৰ নাম কি? কলেন পৰিচয়তে।
বাকী নামগিল। আশা কৰিলং পাঠকেৰ ভবিষ্যতে ॥

কালৰ দুৰন্ত প্ৰভাৱত সংঘটিত হোৱা ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্ত্তনৰ ফলত মধ্যযুগৰ কামৰূপ-কামতা ভূখণ্ডৰ কেন্দ্ৰভূমি 'কোচ-বিহাৰ-কামতাপুৰ-মধুপুৰ' এবাবাৰীত পৰিণত হোৱাত ভাষা-সাহিত্য সংস্কৃতিৰ চৰ্চা কেন্দ্ৰটো উজনিৰ ফালে যোৰহাট আৰু নামনিৰ ফালে কলিকতালৈ স্থানান্তৰিত হয়। ইয়াৰ ফলত মধ্যযুগৰ কামৰূপ-কামতা বাসীৰ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰা বহু চৰ্চিত ভাষা-সাহিত্য-সংস্কৃতিৰ পৰাই দুটা পৃথক নামাকৰণেৰে দুটা আধুনিক ভাষালৈ ৰূপান্তৰিত হ'বলৈ পায়। যোৰহাট কেন্দ্ৰীক ভাষাটো অসমীয়া আৰু কলিকতা কেন্দ্ৰীক ভাষাটো বঙালী ৰূপে কালক্ৰমত ৰাজকীয় আৰু সামাজিক স্বীকৃতি লাভ কৰি একালৰ প্ৰখ্যাত ৰত্নপীঠাঞ্চলৰ ভাষা-সংস্কৃতি না-অসমীয়া, না-বঙালী ভাষা ৰূপে প্ৰচাৰিত হয়। ফলত ইংৰাজ কোম্পানীৰ তথা বৃটিশ যুগত সৃষ্টি হোৱা ৰত্নপীঠাঞ্চলৰ পূৰ্ব্ব-অংশ 'গোৱালপাৰা জিলা'— নামাকৰণ হ'বলৈ পায়। ইয়াৰ ফলত অসমীয়া ভাষাৰ প্ৰবক্তাসকলে জিলাৰ ভাষাটোক 'গোৱালপৰীয়া ভাষা' 'গোৱালপৰীয়া লোকগীত'— ৰূপে উপকৰা ভাবে অভিহীত কৰে। ঠিক সেইদৰে আধুনিক বঙালী ভাষাৰ প্ৰবক্তা সকলেও ৰত্নাপীঠাঞ্চলৰ অন্যতম অঙ্গ কোচবিহাৰ-জলপাইগুড়ী-দাৰ্জ্জিলিং-মালদা-পূৰ্ণিয়া-দিনাজপুৰ-ৰংপুৰ আদি অঞ্চলৰ থলুৱা ভাষাটোক উত্তৰ-বঙ্গৰ ভাষা ৰূপে বঙালী ভাষাৰ অপভ্ৰংশ বা উপ-ভাষা ৰূপে দেখুৱাবলৈ প্ৰয়াস পায়। এই ব্যৱস্থা আচলতে শক্তিশালী প্ৰচাৰ মাধ্যমৰ অপসৃষ্টিহে। কাৰণ

আধুনিক অসমীয়া আৰু বঙালী ভাষাৰ পৃথক নামাকৰণ আৰু সৃষ্টি হোৱাৰ পূৰ্ব্বে সবাই প্ৰাক্তন কামতা ৰাজ্যৰ ভূমিপুত্ৰ সকলে যি ভাষা সাহিত্য আৰু সংস্কৃতিৰ ধাৰক আৰু বাহক আছিল— তাক হিন্দু-মুছলমান সকলেও ব্যৱহাৰ কৰিছিল। কিছুমানে ইয়াক দেশী ভাষা, কিছুমানে ভাটিয়ালী ভাষা, কিছুমানে কামতালি ভাষা ৰূপেও পৰিচয় দিছিল। উক্ত অঞ্চল কোচ-ৰাজবংশী গোষ্ঠীৰ লোক প্ৰাধান্য থকা হেতুকে আৰু এই গোষ্ঠীৰ লোকেই শ শ বছৰ ধৰি একাধাৰে ৰাজত্ব কৰিছিল ব্যাবেই ভাষাবিদ চাৰ জৰ্জ এব্ৰাহাম গ্ৰীয়াৰ্চন চাহাবে ইয়াক 'ৰাজবংশী' ভাষাৰূপে নামাকৰণ কৰিছিল। কল্কি অৱতাৰ শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰই ইয়াক 'ৰাজাৰ ভাষা' ৰূপে আখ্যা দিছে; লগতে তেখেতৰ সুযোগ্য নাতি পূজ্যপাদ শ্ৰীঅশোক ৰঞ্জন চক্ৰৱৰ্ত্তী ডাঙৰে 'শ্ৰীঅশোক দাউয়ে' এই ভাষাটোক 'ৰাজাৰ ভাষা' ৰূপে আখ্যা দিয়াৰ উপৰিও ইয়াক পৃষ্ঠপোষকতা কৰিছে আৰু এই ভাষাটোৰ বৈশিষ্ট্য ৰক্ষাৰ বাবে চৰ্চ্চাত গুৰুত্ব দিছে। প্ৰকাশ যে ৰাজবংশী ডাঙৰে এই ৰাজাৰ ভাষাটোৰ লোক-গীত তেওঁৰ অতি প্ৰিয়। এই ৰাজবংশী ডাঙৰে কামতালি ডাঙৰে গোৱালপৰীয়া ডাঙৰে ভাটিয়ালী ভাষাৰ লোক-গীত সমগ্ৰ অসম, বঙ্গ আৰু বাংলা দেশত আজিও জনপ্ৰিয় হৈ আছে।

সি যি নহওক ওপৰত ৰাজবংশী ভাষাৰ যি নমুনা দিয়া হ'ল; সহজতে লোপ পাব ধৰা এই ভাষাৰ আৰু বেইচিমান লোক-গীত-বাদ্যৰ নমুনা তলত দিয়া হ'ল। এইবোৰৰ অন্তৰালত কোচ-ৰাজবংশী সমাজৰ সংস্কৃতিৰ এখনি প্ৰতিচ্ছবি পোৱা যায়— যিয়ে প্ৰমাণ কৰে যে একালত এই অঞ্চলৰ লোক সকল কোনো গুণে পিছপৰা নাছিল; যদিও এনে অভিমতক বহুতে সহজে গ্ৰহণ নকৰিবও পাৰে— কাৰণ এইবোৰ কথা— 'কহিতে বিস্ময় শুনিতে বিপৰীত' ধৰণৰ।

১। ঔবি বা এওবি মাগা বা মহ'হ গীতৰ নমুনা ঃ

এই গীত শালী খেতিৰ ধান চপোৱাৰ পিছতেই গাওঁৰ মানুহে বিশেষকৈ চেঙেৰা বিলাকে ৰাতি গৃহস্থৰ ঘৰে ঘৰে নতুন ধান মাৰনাৰ পিছত সমদলে সুৰ লগাই গায় আৰু তাৰ বিনিময়ত মাগনৰ দলটোক গৃহস্থই ধান দিয়ে। সচৰাচৰ হৰিশ্চন্দ্ৰ ৰাজাক খাজনা দিয়াৰ উদ্দেশ্যে প্ৰথম মাৰনা মাৰাৰ ধানৰ পৰাই 'বুঢ়া-বুঢ়ী ভাৰ' দিয়াৰ পিছত এই ঔবি মাগা হয়।

ঔবি ॥ ঔবি ॥

লাউৰ পাত ঝালাউ লাউ,
তাক খায়া নিন পালাউ।
নিন খিনি হাসেৰে,
চকু চিপা নাচেৰে।
চকু চিপা দেহাৰ বিষ;
মাগিয়া আনিলং ধান বিশ।
ধান বিশ পায়া;
ভেননিয়া আনিলং চাযা।
চ ভেননিয়া হাটক যাং;
ভেননিয়াক বেছেয়া লাড়ু খাং।

ঔবি ॥ ঔবি ॥

সোণাৰ নাঙাল ৰূপাৰ ফাল;
ঘৰজেয়া বেটায় বোৱায় হাল।
হাল বোৱায় চিৰলে;
মৈ দিয়ে পাতে,
ঘেলঘেলীয়াই ঘাটে।

ঔৰি ॥ ঔৰি ॥

মহো যায় মচ মচেষা ,

এওাৰ গাছত পাও ঘেচটেয়া ।

শুভাল পাছেৰ কয়তা ;

মহ মাৰিলং ছয়টা ।

মহৰে তেলে,

বাৰো বাতি জ্বলে ।

বাৰো বাতি তেৰো কামি ;

বছৰে বছৰে খেলাং আমি ।

ঔৰি ॥ ঔৰি ॥

এই গিৰি ঘৰেৰ ভাঙা ঝাপি ,

ভিক্ষা দেক নোৱা আপি ।

কুলা সেংকা কান খান ;

ভিক্ষা দেক চলিয়া যাও ।

ঔৰি ॥ ঔৰি ॥

বছৰেৰ খেলা ;

তাক নকৰিবি হেলা ।

হেলাতে হেলামতী ;

হেলাত যায় অধোঃগতি ।

ঔৰি ॥ ঔৰি ॥ ইত্যাদি—

২। **ৰাজবংশী ভাষাত প্ৰচলিত শ্লোক বা শেলুক বা প্ৰবচন ঃ**

কম কথাত অধিক ভাব প্ৰকাশ অথচ জন শিক্ষাৰ্থে ব্যৱহৃত হোৱা

কথার মেরু-পাকের ছাঁদ, মনোরঞ্জনের কৌশল পূর্ণ মাধ্যম রূপে এইগুলোর ব্যবহার করা হয়— যার ফলে বক্তার বাক চাতুর্য্য আর শ্রোতার চিন্তা শক্তির উৎকর্ষ সাধিত হয়।

১। ইচিরকি মিচিরকি
নাই চোচা নাই বিচি।

২। একডাল খেকে ঘরটা বেরে।

৩। হাত নাই ঠেং নাই বাগিরিয়া বেড়ায়,
পিঠির চামড়া নাই সগায় খায়।

৪। চিত পখী বুক খাওলা
মুহং নাই তার একফালা।

৫। আকাশত ঘর পাতালত দুয়ার ;
হুলুক পুচুক করে রাজার কুমার।

৬। সাগরের চৌ নগরের বাতি ;
হেল চাওয়া তার নাই পোয়াতি।

৭। নিঃডিম পখী সুকুসা শাক
কোন জীবের অঠরটা নাক ?

৮। রংপুরত লাগিছে জুই,
বকরপুরত উঠে ধুঁয়া,
চাষের রাজার মজলা ডুবি যায়
কেতেক মরে ডুবিয়া।

৯। পাথবের মোতন ডুবে,
বোটলাব মোতন ভাসে,
মানসিব মোতন হাত পাও,
কুত্তাব মোতন বসে।

১০। ও ভাই মাঝিব বেটা
দেখচিচ নাকি ?
দুই পাওয়ে চলিয়া সেইল
মানসি তিনিটা ?

১১। ক'ত যাইচবে কুতাব বেটা
কান্ধোত কুঠাব লয়া—
গাছ নাই তাব ফল আছে
কি কাটিবি যায়া ?

১২। ইতি গেলং সিতি গেলং
গেলং খুটা ঘাট
খুটা ঘাটত দেখিয়া আহিলং
ফলেব মাথাত গাত।

১৩। গাছত আছে তিনিটা নাবিকল,
পাবেকতো খাং
তুমিবা দুই বাপ বেটায়
আমিবা দুই বাপ বেটায়
খাছে একটা একটা কবিয়া খাং।

১৪। বিউ বিউ বিউ
আকাশেৰ ফালে হাগে
কোন জিউ ?

১৫। আই আই আই
ঘৰ আছে তাৰ দুৱাৰ নাই।

১৬। হাতীৰ দাঁত, কদমেৰ পাত
সেই শেলুক বুজাবা নাপাৰিলে
গাধাৰ জাত। —ইত্যাদি।

নাৰীৰ চৰিত্ৰ আৰু পুৰুষৰ ভাগ্যক দেৱতায়ো হেনো নাজানে, তেনে স্থলত অজ্ঞেয় মানৱ চৰিত্ৰক সহজতে জনাৰ উপায়ৰ শ্লোকৰ নমুনা ঃ

১। ভকত খকসায় মিঠা।

২। বাঘেৰ চণ্ডত কুনবা দিনা ছাগল সোমায় ?
চিকাৰ গাও কখন কি আতৰ আতৰ গোন্ধায় ?

৩। মাইয়ো ! তোৰ কি গুণ,
বান্ধা শাকত তুই দিছ নুন।

৪। দিন পৰে যদি খালত ;
কছু নাচৰে চালত।
যদিও চৰে চালত ;
ফল নধৰে ডালত।

৫। খৰতৰ নাৰী, ঝৰ ঝৰ ঝাৰি,
চোৰ চাকৰ, পৰং পৰং ঘৰ ;
তাৰে পৰা দূৰত চৰ।...

৬। নিজেৰ ভুঁই বিছন দিবাৰ নাপায ;
সীমাৰ আলিৰ পাছ কাটিয়া ভুই বাঢায়।

৭। তৃষ্ণায নাজানে ঘাট কি অঘাট,
নিন্দে নাজানে ভাঙা খাট ,
পিৰিত নাজানে জাত কি অজাত।

৮। তুই মাইয়ো সতত থাক ;
আন্ধাৰ ৰাতিত মিলিব ভাত।

৯। কাউযাৰ বাসাত কোকিলেৰ ছাও ;
জাত স্বভাৱে কাঢে ৰাও।

১০। নদীৰ চিকণ বান বৰিষণ ,
বালুৰ চিকণ বাও ,
নাৰীৰ চিকণ সোৱামী পৰিজন,
ছাওৱাৰ চিকণ মাও।

১১। ৰাজা হয়া নাকৰে ৰাইজেৰ বিচাৰ,
বেটা হয়া নাকৰে বাপেৰ উদ্ধাৰ ,
মাইয়া হয়া নাকৰে পুৰুষক ভক্তি,
এই তিনি জীৱ যায অধোঃগতি।

১২। আকাশতে চন্দ্ৰ নাই
তাৰা জিল-মিল কৰে ;
যেই নাৰীৰ পুৰুষ নাই
ৰূপে কি গুণ কৰে।

১৩। আলসিয়া ! খলে গেল ভাসিয়া :
যাওক ভাসিয়া পাকাম বসিয়া। —ইত্যাদি।

ৰাজবংশী ভাষাৰ শিশু সাহিত্য

এই ভাষাত প্ৰচলিত শিশু সাহিত্য অতি চহকী। একালৰ ৰত্নপীঠ অঞ্চলৰ অন্তৰ্গত বিভিন্ন অঞ্চলত সৰু সৰু ল'ৰা-ছোৱালীৰ মনোৰঞ্জনৰ বা অৱসৰ বিনোদনৰ বাবে যিবোৰ নিৰ্দোষ খেল-ধেমালীৰ আঙ্গিক ৰূপে মুখে-মুখে ৰচিত লোকগীত ঠায়ে ঠায়ে ব্যৱহৃত হৈছিল বা আজিও ভিতৰুৱা অঞ্চলত প্ৰচলিত হৈ আছে সেইবোৰ সংগ্ৰহ কৰিব পাৰিলে ৰাজবংশী ভাষাৰ শিশু সাহিত্য যে কিমান উন্নত তাৰ এটি আভাষ পোৱা যায়। এই গ্ৰন্থখনিত সেই শিশু সাহিত্যৰ লোকগীত বোৰ সন্নিবিষ্ট কৰা সম্ভৱ নহয় বাবেই ইয়াত মাত্ৰ তিনিটা চুটি চুটি নমুনা দিয়া হ'ল :—

(১) ইছন বিছন ধাবকা বিছন ;
মৌ পৰে চিল্লা পৰে ;
ৰাজাৰ বেটী চাউল চুকে।
চাউল চুকিতে চাউল চুকিতে
হইল বেলা ;
সিদল মাছ ৰান্ধেক এ'লা।
তাতে আছে মজল কাঁটা
মজল কাঁটা লবে চৰে
আই কুমাৰীৰ ডাক পৰে।
এলেৰে বেলেৰে ;
ফুল তুলিবাৰ যাছৰে।
ৰাজা ঘৰেৰ শ্ৰীপাট
কাটিভ কি নাকাটিভ— 'ধাচ'। ইত্যাদি।

২। মাইয়ো মাইয়ো !

তোৰ কপালত কি ?

সিন্দুৰ ;

কুটি পাঙ্গি ?

মামা ঘৰত ছান কেলাইতে ;

মোকো খানিক দিবি ?

নাদং মুক্তিয়ু :

ছিঃ ছিঃ তোৰ কপালত

নাকাৰেৰ গু।

৩। একটা কথা ;

কি কথা ?

বেঙেৰ মাথা :

কি বেঙ ?

পাট বেঙ ;

কি পাট ?

গুরাৰ পাট ,

কি গুরা ?

চাওঁ গুরা ;

কি চাওঁ ?

গু খাওঁ;

ছিঃ ছিঃ ছিঃ —ইত্যাদি।

★ ★ ★

চতুৰ্দশ অধ্যায়
ভাস্কৰ্য্য আৰু স্থাপত্য

ভাস্কৰ্য্য আৰু স্থাপত্যৰ ক্ষেত্ৰত কোচ ৰজা আৰু প্ৰজাসকলৰ সৰ্ব্ব-ভাৰতীয় দৃষ্টিভংগীৰ ভিতৰেদি এটা নিজস্ব বৈশিষ্ট্য ফুটি উঠিছে। কোচ জাতিৰ এই সুকীয়া ভাস্কৰ্য্য আৰু স্থাপত্যই সৰ্ব্বশেষত সদৌ ৰৰ অসমত বিয়পি পৰিছে আহোম সকলৰ দিনত বিশেষকৈ স্বৰ্গদেউ গদাধৰ সিংহ আৰু ৰুদ্ৰ-সিংহৰ দিনত। আহোম ৰজা সকলৰ ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, পুখুৰী আদিত থকা ভাস্কৰ্য্য আৰু স্থাপত্যবিলাক কোচ জাতিৰ ভাস্কৰ্য্য আৰু স্থাপত্যৰে পুৰ্ণতা বিকাশ মাত্ৰ। কোচ কৃষ্টিৰ মেৰুদণ্ড স্বৰূপ কমতাপুৰ দুৰ্গ আৰু মন্দিৰৰ ভগ্নাৱশেষবিলাক ভালদৰে নিৰীক্ষণ কৰিলেই সকলো কথা ফট্ফটীয়াকৈ চকুৰ আগত ভাহি উঠে। ধ্বংসপ্ৰাপ্ত এই দুৰ্গ আৰু মন্দিৰৰ কথা আলোচনা কৰাতকৈ বৰ্ত্তমান চকুৰ আগত জীয়াই হৈ থকা কামাখ্যা দেৱীৰ মন্দিৰৰ ভাস্কৰ্য্য আৰু স্থপতিৰ ফালে অলপ গভীৰ ভাবে পৰ্য্যালোচনা কৰিলেই কোচ ভাস্কৰ্য্য আৰু স্থাপত্যৰ নমুনা দেখা পোৱা যায়।

পঞ্চদশ শতিকাৰ আগ ভাগৰ পৰা অৱস্থিত ধৰলা নদীৰ পশ্চিমে ধনে জনে সুপ্ৰসিদ্ধ কমতাপুৰত সুবিশাল দুৰ্গ আৰু ৰাজধানী অৱস্থিত আছিল। বৰ্ত্তমানো ইয়াৰ ভগ্নাৱশেষ কোচবিহাৰ নগৰৰ পৰা ২২ কিঃ মিঃ পশ্চিম দক্ষিণত পৰি আছে আৰু সেই ঠাইক আজি কালি 'গোসানী মাৰী' বুলি জনাজাত। ১৮০৮ চনত ডাঃ বুকানন হেমিল্টনে উক্ত পৰিত্যক্ত দুৰ্গৰ ভগ্না-ৱশেষ পৰিদৰ্শন কৰি কমতাপুৰ দুৰ্গ আৰু মন্দিৰৰ ভাস্কৰ্য্য আদিৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি বৰ্ণনা কৰিছিল যে বিশালতা আৰু নিৰ্ম্মাণ কৌশলত কমতাপুৰ দুৰ্গৰ দৰে সুৰক্ষিত দুৰ্গ সেই সময়ত পূৰ্ব্বোত্তৰ ভাৰতত আৰু কতো নাছিল। দেখা যায় যে চাণক্যৰ 'অৰ্থশাস্ত্ৰ'ৰ মতে ৰাজধানী বা দুৰ্গৰ অৱস্থান যেনে ভাবে হব লাগে কমতাপুৰ দুৰ্গও ঠিক তেনেভাবে ধৰলা নদীৰ

তীৰত অৱস্থিত আছিল। মুছলমানৰ ৰাজত্ব কালত মোগল সম্রাটৰ ৰাজধানী দিল্লী দুৰ্গ যেনে ভাবে সুৰক্ষিত কৰাৰ ব্যৱস্থা আছিল, ঠিক সেইদৰে কমতা-পুৰ দুৰ্গও অতি বহল পৰিখাৰে সুৰক্ষিত আছিল আৰু শিলদুৱাৰ, বাঘদুৱাৰ, হোকাদুৱাৰ, নিমাই দুৱাৰ আদি বিভিন্ন নামৰ কেবাখনো দুৰ্গৰ ভিতৰলৈ প্ৰবেশ কৰিবৰ দ্বাৰ বা দুৱাৰ আছিল। কোনো অনুসন্ধিৎসু প্ৰত্নতাত্বিকে যদি বিজ্ঞানসম্মত ভাবে অনুসন্ধান চলায় তেন্তে নিশ্চয় বহুতো সামগ্ৰী যোগাৰ কৰিব পাৰিব। সেইদৰে প্ৰাচীন পৌণ্ড্ৰবৰ্দ্ধন নগৰৰ ভাস্কৰ্য্য সম্পৰ্কে পোৱা যায় যে— "প্ৰাচীণ পুণ্ড্ৰবৰ্দ্ধন নগৰীৰ ধ্বংসের মধ্যেও বহু পোড়া মাটিৰ ফলক ও মূৰ্ত্তি এবং কাৰুকাৰ্য্য খোদিত ইট পাওয়া গিয়াছে। ইহাৰ মধ্যে গোবিন্দ ভিটায় প্ৰাপ্ত একটি গোলাকৃতি ফলক অথবা চক্ৰ খোদিত মিথুন মূৰ্ত্তিৰ উৎকৃষ্ট শিল্প কলাৰ নিদৰ্শন।"

যিহেতু বৰ্ত্তমানে কমতাপুৰ বা পুণ্ড্ৰবৰ্দ্ধন নগৰীৰ কেৱল ভগ্নাৱশেষ অৱস্থিত, গতিকে এই ভগ্নাৱশেষৰ জৰীয়তে কোচ জাতিৰ ভাস্কৰ্য্য আৰু স্থাপত্যৰ বৰ্ণনা দিয়াটো কঠিন কাম আৰু প্ৰমদৰ্জ্জিত নহয়। সেই কাৰণে ১৬ শ শতাব্দীত মহাৰাজ নৰনাৰায়ণে পুনৰ্নিৰ্ম্মাণ কৰা বৰ্ত্তমান কামাখ্যা দেৱীৰ মন্দিৰৰ ভাস্কৰ্য্য আৰু স্থাপত্যৰ বৈশিষ্টৰ প্ৰতি লক্ষ্য কৰিলেই কোচ জাতিৰ উক্ত বিদ্যাৰ প্ৰতি যে কিমান প্ৰগাঢ় জ্ঞান আছিল তাৰ প্ৰমাণ পোৱা যায়। কামাখ্যা দেৱীৰ মন্দিৰৰ পূৰ্ব্বৰ গঢ়-গতি, আকৃতি প্ৰকৃতি আচলতে কেনে ধৰণৰ আছিল তাক সঠিক ভাবে জনা নাযায় বা জানিবৰ উপায়ো নাই, কাৰণ ইতিহাসে দুকি নোপোৱা এন্ধাৰত সকলো নিমজ্জমান। সেই এন্ধাৰক আশ্ৰয় কৰি, নৰকাসুৰক সবল কৰি গঢ়ি উঠিছে বহুতো কাহিনী। যেনেকৈ এনিশাৰ ভিতৰতে কামাখ্যা দেৱীক বিয়া কৰিবৰ আশাত শিলৰ খটখটি বান্ধি দিছিল, দুৱৰী বনাইছিল ইত্যাদি বহুতো। যেতিয়াৰে মহাৰাজ নৰনাৰায়ণৰ ক্ষেত্ৰতো উক্ত কাহিনীবিলাক

প্ৰযোজ্য। অৱশ্যে ঘটনাৰ পৰম্পৰা আৰু শিলৰ ৰাস্তাটোৰ কিছু আধুনিকতাৰ প্ৰতি লক্ষ্য কৰিলে নৰনাৰায়ণৰ ক্ষেত্ৰতহে উক্ত কাহিনীবোৰ বেছি গুৰুত্ব খাপ খায়। বুৰঞ্জীৰ সোণালী পাতত থকা উজ্বল বিৱৰণীৰ পৰা আমি পাওঁ যে কোচ ৰজা মহাৰাজ বিশ্বসিংহই কামাখ্যা দেৱীৰ কাৰণে সোণ মিশ্ৰিত মন্দিৰ সাজি দিছিল নিজ প্ৰতিশ্ৰুতি ৰক্ষাৰ্থে। প্ৰতিটো ইটাত এক ৰতিকৈ সোণ দি বিশ্বসিংহই নিৰ্মাণ কৰা কামাখ্যা মন্দিৰটোৰ আকৃতি কেনে আছিল জনা নাযায়। কাৰণ ১৫৪৮ চনৰ ভূমিকম্পত মন্দিৰটো ধ্বংস হয় আৰু সঞ্চিত ধন-সোণবোৰ দুস্কৃতিকাৰী সকলৰ দ্বাৰা অপহৃত হয়। সেই সময়ত গৌড় ৰাজ্যৰ মুছলমান নবাবৰ জীয়ৰীৰ প্ৰেম পাশত আবদ্ধ হোৱা ব্ৰাহ্মণ যুৱক এজনে ইচলাম ধৰ্মত দিক্ষীত হৈ নবাব-জোঁৱায়েক ৰূপে পালি সেনাধ্যক্ষৰ পদ পায়। নৱ-দিক্ষীত এই সেনাপতিজনে আক্ৰোশী প্ৰতিক্ৰিয়াৰ অগ্নিত প্ৰজ্বলিত হৈ পুৰীৰ জগন্নাথ মন্দিৰকে প্ৰমুখ্য কৰি গৌড় ৰাজ্যৰ আৰু সীমান্তৱৰ্তী কামতা ৰাজ্যৰ পশ্চিম প্ৰান্তৰ হিন্দুৰ মন্দিৰবোৰ ধ্বংস কৰি কুখ্যাত কালাপাহাৰ ৰূপে পৰিগণিত হয়। এই সুযোগতে বহুতো দুস্কৃতিকাৰীয়ে হিন্দুৰ মঠ-মন্দিৰ ভাঙি ধন-সোণ আত্মসাৎ কৰি সকলো অপবাদ কালাপাহাৰৰ ওপৰত আৰোপিত কৰে। আচলতে কালাপাহাৰে পূবে কৰতোৱা নদীকেই অতিক্ৰম কৰা নাছিল।

শিৱবংশী শাক্ত কোচ ৰজা মহাৰাজ নৰনাৰায়ণে দেৱী ভগৱতীৰ নষ্টাৱস্থা আলো নিজ চকুৰে চাব পাৰে। ততালিকে আদেশ দিলে পুনিনৰ্মাণৰ আগেয়ে যি আছিল তাতকৈ বেছি জকমকীয়া কৰি মাতৃ কামাখ্যা দেৱীৰ মুখত হাঁহি বিৰিঙাবই লাগিব বুলি তেওঁ প্ৰতিজ্ঞা কৰিলে। যেনিবা কাম্ধনিক কালাপাহাৰৰ ওপৰত প্ৰতিশোধহে লব নতুন সৃষ্টিৰ জৰীয়তে। দুয়ো ভায়েক ককায়েকে লগ লাগি লগ মন্দিৰ নিৰ্মাণ কাৰ্য্যত। কোচ ৰজাৰ অজস্ৰ ধন সোণ দেখি লোভ লাগি আত্মসাৎ কৰিবলৈ ধৰিলে নিৰ্মাণ কাৰ্য্যত নিযুক্ত থকা মহৎৰাম বৈশ্যই। তাৰ ফলত মহৎৰামে মহৎ ভাবে পোতাশালত জীৱন কটাব

লগো হ'ল। আছিল কোচ ৰজাৰ দুৰ্দ্ধৰ্ষ সেনাপতি মেঘা মক্দুম্। চিলাৰায়ৰ আদেশত মেঘা মক্দুমে জপিয়াই পৰিল মন্দিৰ নিৰ্ম্মাণ কাৰ্য্যত। লগে লগে গঢ়ি উঠিল পূৰ্ণপয়োভৱে জাকজমকতাপূৰ্ণ কামাখ্যা দেৱীৰ মন্দিৰবোৰ যিবিলাকক আজি আমি প্ৰত্যক্ষভাৱে দেখিবলৈ পাইছোঁহক। ১৫৬৫ চনত মহাৰাজ নৰনাৰায়ণে সপৰিয়ালে মন্দিৰৰ দ্বাৰ মুকুলি কৰিছিল। এই কামাখ্যা দেৱীৰ মন্দিৰৰ ভাস্কৰ্য্য আৰু স্থাপত্যৰ প্ৰতি দৃষ্টি কৰিলেই সকলো ফটফটীয়াকৈ দেখা দিব যে কোচ জাতিৰ ভাস্কৰ্য্য আৰু স্থাপত্যৰ ক্ষেত্ৰতো এটা নিজস্ব বৈশিষ্ট্য আছিল।

চমুকৈ বৰ্ণনা কৰিলে আমি দেখা পাওঁ যে, বৰ্ত্তমান মন্দিৰৰ যিটো শিখৰ বা চূড়া আছে তেনে গঢ়ৰ মন্দিৰ কেৱল মধ্যযুগৰ অসম আৰু বঙ্গদেশৰ মন্দিৰবোৰতহে দেখিবলৈ পোৱা যায়। মন্দিৰটোৰ অধিষ্ঠানৰ আহি আৰু কাৰুকাৰ্য্যতাৰ ফালৰ পৰা বিচাৰ কৰি চালে তেজপুৰ বা পুখুৰি হাৰুপেশ্বৰৰ নৱম শতাব্দীৰ মন্দিৰবোৰৰ লগত সাদৃশ্য থকা দেখা যায়। এই মন্দিৰৰ গঢ়টো (Plan) হৈছে নাগৰ আহিৰ (ষ্টাইল) আৰু গৰ্ভগৃহৰ ঠিক ওপৰতে চূড়াটো বহুওৱা হৈছে। হিন্দু দৰ্শনৰ দৃষ্টিভংগীত পোৱা পৰম ব্ৰহ্মা ত্ৰিমূৰ্ত্তিৰ প্ৰতীকক সাংকেতিক চিনৰে পৰিপ্ৰকাশ কৰা হৈছে এই মন্দিৰটোৰ গঠন প্ৰণালীৰ দ্বাৰা। ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ ত্ৰিমূৰ্ত্তিৰ ৰূপটোৰ দৰে এই মন্দিৰৰ অধিষ্ঠান বা ভূমি, গৰ্ভস্থান বা মধ্যভাগ আৰু চূড়া বা শীৰ্ষ ভাগ নামৰ তিনিটা অংশ আছে। যাৰ ওপৰত মন্দিৰটো অৱস্থিত তাক অধিষ্ঠান কোৱা হয়। ইয়াৰ গাত থকা ভৈৰৱৰ মূৰ্ত্তিবোৰ কলিঙ্গৰ ভাস্কৰ্য্যৰ লগত কিছু পৰিমাণে সাদৃশ্য আছে। মন্দিৰৰ মধ্যভাগক বা আচল শৰীৰটোক গৰ্ভগৃহ কোৱা হয়; এই গৰ্ভগৃহৰ ৰথ অনুৰথ আৰু কৌণিক অংশবোৰ স্থাপত্যৰ ফালৰ পৰা আটাইতকৈ লাগতিয়াল অংশ। ইয়াৰ গাত থকা মানুহৰ প্ৰতিকৃতিবোৰ ভৈৰৱ সকলোক প্ৰতিনিধিত্ব কৰিবলৈ দেখুওৱা হয়। ইয়াৰ সাদৃশ্য

দেখা যায় খাজুৰাহত্ত থকা বামন মন্দিৰৰ গাত। এই প্ৰতিকৃতিবোৰ সম্ভোগৰ ভঙ্গীমাত সজোৱা হৈছে আৰু কঁকালবোৰত এনেভাবে কাৰুকাৰ্য্য কৰা আছে যেনিবা ষোড়শী তন্বী ৰূপসীৰ লাস্যময়ী কঁকালৰ মেখেলা খনিহে। এনেকুৱা ভাস্কৰ্য্যৰ সাদৃশ্য খাজুৰাহত থকা চান্দিলাৰ মন্দিৰতহে দেখা যায়। মন্দিৰৰ শীৰ্ষভাগক শিখৰ বা চূড়া বুলি কোৱা হয়। বহু আকাৰৰ আৰু পৰিমাণৰ ত্ৰিশূল যুক্ত চূড়াবোৰে মণ্ডপৰ শীৰ্ষস্থান অধিকাৰ কৰি আছে। এইদৰে ঠিক গৰ্ভগৃহৰ আৰু মণ্ডপৰ শীৰ্ষত স্থান অধিকাৰ কৰা মন্দিৰৰ চূড়া থকা প্ৰণালী ভাৰতৰ আন কতো দেখা নাযায়— বৰং হয় পিৰামিডৰ দৰে নাইবা চেপেটা মুখচৰ দৰেহে দেখা যায়। মাদুৰাত থকা বিখ্যাত মিনাক্ষী দেৱীৰ মন্দিৰৰ কাৰুকাৰ্য্য এইক্ষেত্ৰত বিশেষ প্ৰনিধান যোগ্য। সেইদৰে আয়ত ক্ষেত্ৰাকাৰ খোটালীবোৰ যত মণ্ডপ আৰু নৃত্য মণ্ডপ আছে সেইবোৰ বাদামী বা ৰাজপুতনাৰ মন্দিৰবিলাকৰ দৰে গম্বুজ থকা নহয়, বৰং তাৰ পৰিবৰ্ত্তে চাৰিওফালে দেৱালে আগুৰা। সেইদৰে মন্দিৰৰ মূল মজৰীত থকা বৈশিষ্ট্য খিনি কেৱল অসমৰ বিভিন্ন স্থানৰ আৰু বঙ্গোদেশৰ বগুড়াত থকা মধ্যযুগৰ মন্দিৰবোৰতহে দেখা যায়। পূৰ্ব্বোক্তৰ ভাৰতৰ কোচ ৰজা সকলৰ আশ্ৰয়ত গঢ়ি উঠা 'এই ভাস্কৰ্য্যত আমি গুপ্তযুগৰ প্ৰভাৱ কম পৰিমাণে আৰু মৌৰ্য্যযুগৰ চাণক্য মতবাদৰ প্ৰভাৱ বেছি পৰিমাণে দেখা পাওঁ। কামাখ্যা দেৱীৰ মন্দিৰৰ ভাস্কৰ্য্যৰ বিষয়ে অধ্যয়ন কৰিব লগা বহুতো আছে; ইয়াত অতি সংক্ষেপেহে আভাস দিয়া হ'ল।

এই কোচ ৰজা সকলৰ ৰাজত্ব কালতে কোচ জাতিৰ ভাস্কৰ্য্য অসমৰ চাৰিওফালে বিয়পি পৰে। কোচ ৰজা মহাৰাজ ৰূপনাৰায়ণৰ ৰাজত্বৰ শেষ ভাগত আহোম ৰজা স্বৰ্গদেউ গদাধৰ সিংহই ঘনশ্যাম নামৰ এজন খনিকৰক আমন্ত্ৰণ কৰি নিয়ে আহোম ৰজাৰ ঘৰদুৱাৰ সাজিবৰ কাৰণে। গদাধৰ সিংহৰ পিছত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত কোচবিহাৰ নিবাসী ঘনশ্যামৰ দ্বাৰা

মহাৰাজে ৰংঘৰ, কাৰেং ঘৰ, তলাতল ঘৰ আদি বহুতো মূল্যৱান ৰাজ অট্টালিকা সজোৱায়। 'ভাল পকী ইটাৰ পকীঘৰ আৰু নগৰ সজাবলৈ সুনিপুণ খনিকৰ অনাই লৈ ৰংপুৰত নতুনকৈ ন ধৰণেৰে এখন পৰিপাটীকৈ নগৰ পাতে। নিজৰ উদ্দেশ্য সিদ্ধি হোৱাৰ পিছত স্বৰ্গদেৱে ঘনশ্যামৰ হাতৰ উত্তম কাৰুকাৰ্য্য দেখি সন্তুষ্ট হৈ তেওঁক সমুচিত বঁটা দি বিদায় দিয়ে। কিন্তু ৰংপুৰ এৰি যাওঁতে বাটত ঘনশ্যামৰ হাতত গুপ্ত অভিসন্ধিৰ এখন কাগজ ধৰা পৰে। সেই অপৰাধৰ বাবে ঘনশ্যামক নিজ দেশলৈ উলটি যাবলৈ এৰি নিদি জনমভৰ বন্দী কৰি ৰখা হল।' (গোহাই বৰুৱাৰ অসম বুৰঞ্জী, ১৩৪ পৃঃ)

এই বিখ্যাত খনিকৰজন কোচ বিহাৰৰ অধিবাসী আছিল। মহাৰাজ ৰূপনাৰায়ণৰ ৰাজত্বৰ শেষভাগত আহোম ৰজা গদাধৰ সিংহ স্বৰ্গদেৱে কোচ ৰজাৰ পৰা আমন্ত্ৰণ কৰি আনিছিল। অৱশ্যে ঘনশ্যামৰ লগত কিছুমান পালি শিল্পীও আহিছিল। মহাৰাজ ৰুদ্ৰসিংহৰ দিনতহে ঘনশ্যামে আহোম ৰজাৰ বিখ্যাত কীৰ্ত্তিবোৰ সজায়। ৰংপুৰত থকা কাৰেং ঘৰটিৰ সন্মুখত থকা কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ত্ব বিভাগৰ এখন ফলিত লিখি থোৱা কথাখিনি লিখকৰ চকুত বেয়াকৈ লাগিল। তাত লিখা আছে যে উক্ত কাৰেং ঘৰটি স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ঘনশ্যাম নামৰ মুছলমানৰ পৰা হিন্দু হোৱা বঙালী খনিকৰ এজনৰ হতুৱাই সজোৱায় (কোচবিহাৰক তেতিয়া বঙালী দেশ বুলি ধৰা হৈছে কাৰণ তেতিয়া মোগলৰ ক্ষমতাই কোচ ৰজাক নিষ্ক্ৰিয় কৰি ৰাখিছিল)। কথাষাৰ চকুত লাগিল কাৰণ কেন্দ্ৰীয় চৰকাৰৰ কথাষাৰ ভুল বুলি ধাৰণা হয়। মহাৰাজ ৰূপনাৰায়ণ ১৭০৪ চনত কোচ ৰাজ-সিংহাসনত আৰোহণ কৰে আৰু এওঁৰ ৰাজত্ব কালতে আহোম ৰজা গদাধৰ সিংহই ঘনশ্যামক আমন্ত্ৰণ কৰি নিছিল। গদাধৰ সিংহৰ পুত্ৰেক আছিল ৰুদ্ৰসিংহ, ৰুদ্ৰসিংহৰ পিছত শিৱসিংহ আৰু শিৱসিংহৰ পিছত প্ৰমত্তসিংহ

ৰজা হয়। এই প্ৰমত্তসিংহৰ পিছতহে ৰাজেশ্বৰ সিংহ ৰজা হয়। এনেস্থলত ঘনশ্যামৰ দ্বাৰা ৰাজেশ্বৰ সিংহই ঘৰদুৱাৰ সজোৱাৰ কথা কিছু অমূলক। ঘনশ্যাম শিল্পীয়ে ইমান দিন কেতিয়াও জীয়াই থাকিব নোৱাৰে, কাৰণ ঘনশ্যাম শিল্পী আহোম ৰাজ্যলৈ আহিবৰ সময়ত অন্ততঃ ৩০ বছৰৰ কম নাছিল বুলি অনুমান হয়। কাৰণ ৩০ বছৰ বয়সৰ পূৰ্ব্বে বিখ্যাত খনিকৰ হিচাবে খ্যাতি লাভ কৰা কিছু টান কথা। দ্বিতীয় কথাটো হল যে ঘনশ্যাম হেনো মুছলমানৰ পৰা হিন্দু হোৱা। কথাষাৰ মানিবলৈ টান পাওঁ, কাৰণ হিন্দুৰ অবনতি হোৱা আৰু মুছলমানে বিজয়ডঙ্কা বজোৱা কালছোৱাত কোনো মুছলমানে হিন্দু হোৱা নাছিল আৰু ৰাজনৈতিক কাৰণত বাধ্যও নহৈছিল। তাৰোপৰি ঘনশ্যাম আছিল এজন খনিকৰ। মোগলৰ ক্ষেত্ৰত তাজমহলৰ খনিকৰ যেনে আছিল আহোমৰ ক্ষেত্ৰত ঘনশ্যামো তেনে আছিল বুলি ধৰি ললে ভুল নহব। যদি ঘনশ্যাম মুছলমানেই আছিল তেন্তে কিয় তেওঁ হিন্দু হৈছিল? নাইবা ঘনশ্যামৰ অপমৃত্যুৰ কাৰণে দায়ী কৰি কিয় মুছলমান ৰজাই যুদ্ধ কৰা নাই? হিন্দু শাস্ত্ৰবোৰে কোনো মুছলমানক হিন্দু হবৰ বিধি দিয়া নাই, বৰং হিন্দু ধৰ্ম্মৰ কটকটীয়া নৈষ্টিকতাত পৰি শ শ হিন্দুই মুছলমান ধৰ্ম্মতহে দীক্ষিত হৈছিল। ঘনশ্যাম এজন বিখ্যাত খনিকৰ আছিল; গতিকে তেওঁ ৰাজ অনুগ্ৰহ লাভ কৰিছিল। গদাধৰৰ অনুৰোধক্ৰমে কোচ ৰজা ৰূপনাৰায়ণে ঘনশ্যামকে পঠিয়াইছিল আহোম ৰাজৰ অনুৰোধ ৰক্ষাৰ একমাত্ৰ প্ৰতীক হিচাবে। ৰাজ অনুগ্ৰহ লাভ কৰা এজন বিখ্যাত 'মুছলমান' শিল্পীয়ে মোগলৰ বিজয়ডঙ্কা উৰি থকাৰ সময়ত হিন্দুধৰ্ম্মত দীক্ষিত হৈ হিন্দু নাম (ঘনশ্যাম) গ্ৰহণ কৰিবৰ কোনো দৰকাৰ নাছিল। কলিধনৰ মতে ঘনশ্যামৰ পূৰ্ব্বৰ নাম আছিল 'ঘঞাউদ্দিন'। 'ঘঞা' শব্দটো মুছলমানজ্ঞাপক নহয়। হয় 'গিয়াস' বা 'ঘিয়াস' হে হব লাগিছিল। তেতিয়াহলে আমি 'গিয়াসউদ্দিন' বা 'ঘিয়াসউদ্দিন'

পালোহেঁতেন। গতিকে 'ঘক্কাউদ্দিন' [illegible] আনুমানিক সিদ্ধান্ত বুলি ভাব হয়। কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ত্ব বিভাগে 'ঘনশ্যাম'ক কেনেকৈ 'ঘক্কাউদ্দিন' কৰিবলৈ সাহ কৰিছে কব নোৱাৰো। কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ত্ব বিভাগে ঐতিহাসিক দৃষ্টিৰে নিৰপেক্ষ ভাবে কথাটো বিচাৰ কৰি ফকিৰৰ লিখিত কথা খিনি শুধৰাবৰ যত্ন কৰিলে ৰাইজৰ এটা ডাঙৰ [illegible] আঁতৰি যায়।

ইত্যাদি নানা ফাকৰ দৃষ্টিভঙ্গীৰে সঠিককৈ অনুমান কৰিব পাৰি যে ঘনশ্যাম হিন্দু আছিল আৰু তেওঁ যে কমতা ৰাজ্যৰ স্থায়ী অধিবাসী আছিল তাৰ কথাও আগতে উল্লেখ কৰা হৈছে। 'জয়সাগৰৰ দক্ষিণ পশ্চিম চুকত থকা ধুনীয়া সৰু মন্দিৰটিক ইয়াৰ সৰ্বসাধাৰণে নাতি গোসাঁইৰ দ'ল বুলি কয়। বহুতে আকৌ ইয়াক ঘনশ্যামৰ ঘৰ বুলি কয়। ঘনশ্যামক এটা ঘৰত সুমোৱাই কেউফালে ইটাৰে গাঁথি মৰোৱাৰ কথাটো শুনা নাযায় আৰু তেনেকুৱা ঘৰো নাই"। ঘনশ্যামৰ সম্পৰ্কে সঠিক একো সাহ কৰি কব নোৱাৰি; কাৰণ সকলো গৰিমা বিস্মৃতিৰ অতল গৰ্ভত আৰু মতান্তৰৰ অথাই সাগৰত পৰি এই হেন মহান শিল্পীৰ অপমৃত্যু হৈছে। মুঠতে এই, মহান শিল্পীৰ সুৰ্গমীয়া শিল্পই গৌৰৱময় অসমীয়া [illegible] কৰি কোচ আহোমৰ ভাস্কৰ্য্য আৰু স্থাপত্যৰ গৌৰৱময় নিদৰ্শন অটুট ৰাখিছে আৰু উক্ত কাহিনীয়ে বৰ্তমান আত্মবিস্মৃত হোৱা অসমীয়া জাতিক কৰুণ সুৰত বিভিন্নাই বিভিন্নাই সচেতন কৰি আছে।



পঞ্চদশ অধ্যায়

বেহুলা-লখীন্দৰৰ ঘৰ বিচাৰি

সেইদৰে মনসা (মাৰৈ পূজা) আৰু মনসা সাহিত্যৰ পৰাও আমি ইয়াকে ক'ব পাৰো যে অসমৰ প্ৰাচীন কবি মনকৰ, দুৰ্গাবৰ আদি প্ৰাক্‌শঙ্কৰী মনসা কবি সকলৰ ভাষাও পশ্চিম কামৰূপৰ অৰ্থাৎ গোৱালপাৰা জিলাৰ পৰা আৰম্ভ কৰি ৰংপুৰ, দিনাজপুৰ অঞ্চললৈকে ব্যৱহাৰ হোৱা ভাষাৰ লগত হুবহু মিলে। ৺ভাৰত চন্দ্ৰ দাসৰ মতে ক'ব পাৰি যে চান্দ সদাগৰ নিজে কোচ জাতিৰ মানুহ আছিল; —"চন্দ্ৰধৰ সদাশিৱৰ প্ৰিয় শিষ্য। কোচ বিলাক সদাশিৱৰ শিষ্য। সনেকা বিহাৰী (কোচ বিহাৰ) ৰাজকন্যা।" গতিকে চন্দ্ৰধৰক "কোচ বুলি অনুমান কৰাত একো দোষ হ'ব নোৱাৰে।" (অসমীয়া সাহিত্য বুৰঞ্জী-মনসা শাখা)। তথ্যান্তৰে আমি পাওঁ যে;—

"ভাঙ ধুতুৰা খাই বলধত কৰে ভৰ।
কোছনি পাৰাত থাকে বেশ দিগম্বৰ ॥

বেউলা বোলে শুন বাপ বণিক কুমাৰ।
মাওা শশুৰ তুমি হৈয়োআ আমাৰ ॥
বেহাৰী ৰাজাৰ জী শাওৰী সনাই।
মোক বিয়া কৈলা তাৰ কোঁৱৰ লখাই ॥"

ঐতিহাসিক দৃষ্টিভঙ্গীৰ পৰা বিচাৰ কৰি চালেও আমি ইয়াকে পাওঁ যে মনকৰ কবি কোচ ৰজা বিশ্বসিংহৰ দিনৰ আছিল বুলি অনুমান হয়; কাৰণ,—

* * * *

"কামতাইৰ ৰাজা বন্দো ৰাজা জল্লেশ্বৰ।
এক শত মহিষী বন্দো আঠাৰ কুমাৰ ॥

মহাৰাজ বিশ্বসিংহ কমতা ৰাজ্যৰ শিৱভক্ত ৰজা আছিল। তেওঁ বহুতো (উনৈশজনী) ৰাণী বিয়া কৰিছিল আৰু ওঠৰজন পুত্ৰৰ পিতৃ আছিল। নিৰপেক্ষ ভাৱে বিচাৰ কৰি চালে এই ৰজা 'জল্লেশ্বৰ' বিশ্বসিংহৰ বাহিৰে আন কোনো নহয়। এই ক্ষেত্ৰত কিছুমান পণ্ডিতে 'জল্লেশ্বৰক' বিশ্বসিংহ নহয় বুলি কব খোজে। আনজন মনসা কবি দুৰ্গাবৰে স্পষ্ট ভাষাত কৈছে :—

"কামতা ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো ওঠৰ কোঁৱৰ॥"

ইয়াৰ দ্বাৰা বুজা যায় যে মনকৰ আৰু দুৰ্গাবৰ আদি মনসা কবিসকল মহাৰাজ বিশ্বসিংহৰ সমসাময়িক কবি আছিল আৰু সম্ভৱতঃ তেওঁলোক ৰাজকবি আছিল।

যিহ'ক মনকৰ আৰু দুৰ্গাবৰ কবিৰ মনসা আখ্যানৰ নায়ক চান্দ সদাগৰক বিশ্বসিংহৰ পিতৃ হাড়িয়া মণ্ডলৰ দুই এক পুৰুষ পূৰ্ব্ববৰ্ত্তী কোনোবা এজন প্ৰধান ব্যক্তি বা ৰজা বিশেষ আছিল বুলি অনুমান হয়। কাৰণ আখ্যানত দেখুওৱা হৈছে যে ;—

হাচান হুচেন কবিলেক বল।
মোৰ ঘৰত মাৰিলো বেটিক একেতাল টাঙন॥

এই বুলি চান্দ সদাগৰে 'কানি বিষহৰি'ৰ বিলাই বিপত্তিৰ কথা বৰ্ণনা কৰিছে অৰ্থাৎ পশ্চিমে বেহিলুৰ মনসা পূজাৰ প্ৰভাৱ বিস্তাৰ হোৱা নাই কাৰণ সিখানে ইচলাম ধৰ্ম্ম আছে। চান্দ সদাগৰৰ ৰাজ্যতো মনসা পূজাক 'টাঙন' মৰা হৈছে। দ্বিতীয়তে মনকৰে চকুৰে দেখা বা তেওঁৰ পিতৃ-মাতৃৰ মুখে শুনা কোনো ঘটনা হব নালাগে। ঘটনাটো হয়তো অতি সামান্যই আছিল; কিন্তু শাক্তধৰ্ম্ম প্ৰচাৰৰ সুবিধাৰ কাৰণে তাক

ধৰ্ম্মৰ প্ৰতীক পদ্মাৰ (বিষহৰি) দ্বাৰা শৈৱ ধৰ্ম্মৰ একান্ত অবিচলিত মহাপৰাক্ৰমী ভক্ত চান্দ সদাগৰক সতি খটি হোৱা অৱস্থাতো তাক দাঙ্গি ধৰি শৈৱ আৰু শাক্ত ধৰ্ম্মৰ সংঘাতটো ভালকৈ দেখুৱাইছে। অনুমান হয় যে হৰিদাস মণ্ডল যি সময়ত সোৱণোষ নদীৰ পাৰত গা দাঙি উঠে কামৰূপৰ হাজো অঞ্চলত সেই একে সময়তে একে জাতিৰে হাজু বা হাজো নামৰ এজন ব্যক্তিয়ে প্ৰতিপত্তিশালী হৈ উঠে। ঘটনাৰ পৰম্পৰা, ভাষাৰ ব্যৱহাৰ আৰু ধৰ্ম্মৰ টানৰ পৰা চালি-জাৰি চালে আমি কব পাৰো যে এই হাজু ৰজাৰ ৰাজ্যতে হাজুৰ আগমুহূৰ্ত্তত চন্দ্ৰধৰ (চান্দ সদাগৰ) কিছু পৰিমাণে পৰাক্ৰমী হৈ উঠিছিল। এটা কথা ভালদৰে লক্ষ্য কৰিব লাগিব যে সেই সময়ত টাই জাতিৰ আহোম বিলাকে আত্মপ্ৰতিষ্ঠাৰ বাটত আছিল আৰু বৰ্ত্তমান কামৰূপ জিলাৰ পূৰসীমা পৰ্য্যন্ত আহিব পৰা নাছিল। আনহাতে কছাৰী বিলাকেও মাইবং ডিমাপুৰ, লক্ষীমপুৰ, শিৱসাগৰ জিলাৰ কাষৰীয়া অঞ্চলবোৰতে ৰাজ্য ৰক্ষা কৰিছিল আৰু নতুনকৈ অহা আহোম বিলাকৰ লগত যুদ্ধত আত্মৰক্ষাৰ কাৰণে ব্যস্ত আছিল। বাকী বৰ্ত্তমান কামৰূপ জিলাৰ পূৰ সীমাৰ পৰা আৰম্ভ কৰি গোৱালপাৰা জিলাৰ পশ্চিম সীমালৈকে তেনে কোনো স্বামী আৰু প্ৰতিপত্তিশালী ৰজা নথকাত পশ্চিম অঞ্চলত হাড়িয়া-হাজোই শক্তিশালী হৈ উঠিবৰ সুবিধা পাইছিল। চান্দ সদাগৰ যে বড়ো গোষ্ঠীৰ কছাৰী মানুহ আছিল তাৰ প্ৰমাণ কৰিবৰ [illegible] নিচেই। সেই সময়ত কছাৰী বিলাকে দৈনন্দিন জীৱনত [illegible] [illegible] [illegible] ব্যৱহাৰ কৰা নাছিল; [illegible] কছাৰী বিলাকে সেই [illegible] তেওঁলোকৰ নিজৰ [illegible] ভাষাকে ব্যৱহাৰ কৰিছিল [illegible] কৰে। [illegible] মনকৰে যেনেকৈ [illegible] [illegible] [illegible] তোলাইছে তাৰ পৰা অনুমান হয়

যেন মনকৰৰ কথ্য ভাষাই চান্দ সদাগৰৰ কথ্য ভাষা আছিল ,—

"পদ্মাৰ গায়ে পৰে বেউলাৰ পাটানীৰ পানী ।

পদ্মাই বোলে খাক স্বামী ই কাল নাগিনী ।" আদি

সেইয়ে অনুমান কৰিব পাৰি যে শাক্ত কবি মনকৰৰ নায়ক চান্দ সদাগৰ হাজো-হাড়িয়াৰ পূৰ্ব্ববৰ্ত্তী কোনোবা কোচ ৰজা-বিশেষ আছিল। নহ'লে বেহুলাৰ চৰিত্ৰ চিত্ৰ পটুত অঙ্কণ কৰাৰ দৰে আঁকি দেখুৱা টান হ'লহেঁতেন। চৰিত্ৰ সৃষ্টিৰ আদৰ্শৰ পৰা বুজা যায় যে মনকৰে বেহুলাক নিজ চকুৰে দেখিছে নাইবা প্ৰত্যক্ষদৰ্শী কোনোবা মানুহৰ পৰা শুনিবলৈ পাইছে। মন কৰিবলগীয়া কথা যে চান্দ সদাগৰৰ যাত্ৰাৰ পৰা আৰম্ভ কৰি ডিঙা মাৰ যোৱা, নেতাই ধোবানীৰ সহায়ত দেৱতাক জীয়াই অনা আদি সকলো ঘটনাৰে পটভূমি হৈছে বৰ্ত্তমান কামৰূপ জিলাৰ পৰা আৰম্ভ কৰি ধুবুৰীৰ ভিতৰতে আছে। এই অঞ্চলটোৱে হৈছে কোচ প্ৰধান অঞ্চল। নমুনা স্বৰূপে পাওঁ যে ;—

কুচুনী সহিতে গোঁসাই আছে ক্ৰীড়া কৰি।

মইতো যাইবো গদাধাই কুচুনী ধৰিবি ।

★ ★ ★

গোঁসাই বোলে কুচুনী কোথায় হবে আইৰ ।

কুচুনীক আনি মোক বিধিএ মিলাইল। আদি

"ৰাজধানী আৰু আধুনিক লোকক বহুধা অনুমান কৰাইছে [illegible] বুজিব পাৰি যে কমতাপুৰৰ ৰাজধানী [illegible] [illegible] আছিল। [illegible], কোচ-কোচনী, গোৱাল-গোৱালনী আদি বৰ্ত্তমান [illegible] গোৱালপাৰাৰ মানুহ বুলি [illegible] [illegible]।" (অসমীয়া সাহিত্যৰ [illegible] [illegible] [illegible] ২০ পৃষ্ঠা)। ইয়াৰে দাঁতে [illegible] আদি [illegible] [illegible]

চন্দ্ৰধৰ ৰজাৰ ঘৰ পালেহি। মিত্ৰক দেখি বহু সম্ভাষণ কৰি ভোজনৰ সম্ভাৰ যোগাৰ কৰি দিলে।" (অঃ সাঃ বুঃ) সিদিনালৈকে গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজ্যখন (মেছপাৰা জমিদাৰী ইষ্টেট) কোচ ৰজাৰ দ্বাৰা শাসিত হৈ আছিল। "বনে বনে আহি চন্দ্ৰধৰ কমতাপুৰ পাসে আৰু তাত গৰখীয়া ল'ৰাৰ লগত মাছ সিঁচি তাকে বেচি কিছু কড়ি পাই পথৰ সম্বল হ'ব বুলি ভাবিলে।" (অঃ সাঃ বুঃ)। গোৱালপাৰা আৰু ধুবুৰীৰ মাজত কালিদাহ হ্ৰদ ; বৰ্ত্তমান ইয়াৰ নাম 'কলিয়াৰ খাল' ই সাপৰ নিমিত্তে বিখ্যাত। সেইদৰে চান্দৰ ডিঙা পাহাৰ, নেতাই ধুবুনীৰ ঘাট (ধুবুৰী) আদি বহুতো লক্ষ্য কৰিবলগা কথা আছে। গোৱালপাৰা জিলাৰ প্ৰায় প্ৰতিঘৰ ৰাজবংশী মানুহৰ ঘৰতে বিষহৰিৰ পূজা হয় আৰু ই একপ্ৰকাৰ গৃহদেৱী হিচাবে পূজিত আৰু জ্ঞাত হৈ আছে। মাৰৈ পূজাৰো প্ৰাধান্য গোৱালপাৰা জিলাতেই বেছি। চান্দ সদাগৰ প্ৰকৃততে গোৱালপাৰা নে আন ঠাইৰ মানুহ তাক সঠিককৈ কোৱা টান, কিয়নো সেই সময়ত আধুনিক জিলাৰ ভাগ হোৱা নাছিল। মুঠতে চান্দ সদাগৰক কোচ ৰাজ্যৰ কোচ জাতিৰ ৰজা বুলি ভাবিবৰ যথেষ্ট কাৰণ আছে।

সেইদৰে আমি পাওঁ যে ধুবুৰীত থকা শিখতোলাৰ উত্তৰ পশ্চিমে পুৰণি কালৰ শিলেৰে সজা এটি সুবৃহৎ আৰু আশ্চৰ্য্যজনক ঘাট বিৰাজ কৰিছে। পদ্মপুৰাণ মতে এই ঘাটতেই নেতাই ধুবুনীয়ে কাপোৰ ধুইছিল। ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ধুবুৰীৰ পৰা ১৮ কিঃ মিঃ মান উজনীত এখন পাহাৰ আছে ; ইয়াৰ অতি কাষতে বিষহৰিৰ কোপত চান্দ সদাগৰৰ বেপাৰৰ ডিঙা বুৰ যায় হেনো। এই পাহাৰ শ্ৰেণীৰ নাম 'চান্দৰ ডিঙা'। এই পাহাৰখনৰ আকৃতি ডিঙাৰ দৰে আৰু ইয়াৰ একাংশ ব্ৰহ্মপুত্ৰৰ পানীত বুৰ গৈছে। শিৱভক্ত চান্দ সদাগৰৰ লগত

শিৱৰ কন্যা মনসা দেৱীৰ বিবাদৰ সময়ত মনসাৰ ক তা দৰ্শন কৰিবলৈ মহাদেৱ কৈলাশৰ পৰা আহি যি ঠাইত অৱস্থান কৰিছিল সেই পৰ্ব্বত খনৰ নাম হয় 'ভৈৰৱচূড়া'। গোৱালপাৰা জিলাৰ আটাইতকৈ ওখ পৰ্ব্বতখনৰ নাম ভৈৰৱচূড়া। চান্দ সদাগৰৰ ধন-বস্তু থকা ডিঙাখন বুলি যি পাহাৰৰ গুড়িত বস্তুবোৰ পৰি জমা হৈছেল সেই পাহাৰখনৰ নাম হয় পঞ্চবস্তু। ডিঙাত থকা ধন-সোণ সদাগৰে কোনো মতে সামৰি থৈ যি ঠাইত উঠি সেইবিলাক টোপোলা বান্ধে তাৰ নাম হয় টোকবাবান্ধা বা টোপোলাবান্ধা পাহাৰ। টোপোলাবান্ধা ধন-সোণবোৰ জুলুলা-জুপুৰা অৱস্থাত নিব নোৱাৰি যি ঠাইত এৰি থায় সেই ঠাইখনৰ নাম 'সোণামুখী' হয়। ডিঙাত থকা সোণৰ বস্তাবিলাক পানীৰ সোঁতত গৈ যি ঠাইত জমা হৈছিল সেই ঠাইখিনিক আজি কালিও 'সোণমাটি' বোলে। সদাগৰে এটা কলৰ বাকলি পাই ভোকতে তাকে খাবলৈ বুটলি লয়, মনসাই সদাগৰৰ জাতিভ্ৰষ্ট হ'ব বুলি ভয় কৰি হেন বুলি পাক মাৰি আহি বাকলিটো খাপমাৰি লৈ যায় গতিকে সেই ঠাই ডোখৰৰ নাম হয় 'কলাপাকনি'। কথিত আছে যে এসময়ত সাপে খোৱা মানুহৰ মৰা শ এটা কিছুমান মানুহে সাঙি বান্ধি ভৈৰৱচূড়া পাহাৰৰ মাজেদি নিব ধৰিছিল। হাবিৰ মাজৰ এটা ঠেক বাটেদি নিওঁতে পাহাৰৰ কিবা গছৰ পাত মৰাশটোৰ গাত লগাত মৃত মানুহ-জন ততালিকে চেতনা লাভ কৰে। মৰাশ কঢ়িয়াই নিয়া মানুহবোৰে সাঙিৰ পৰা মানুহজনক নমাই দেখে যে মানুহজন সুস্থ হৈছে আৰু তেওঁলোকৰ লগত কথা-বাৰ্ত্তা কৰিবলৈ ধৰিলে। তেতিয়াৰ পৰা ভৈৰৱচূড়া পৰ্ব্বতৰ সেই অংশটোক 'ধন্বন্তৰী পাহাৰ' বুলি জনাজাত হ'ল। ধন্বন্তৰী চান্দ সদাগৰৰ গৃহ চিকিৎসক আৰু ৰাজ্যৰ শ্ৰেষ্ঠ ওজা আছিল।

ধুবুৰীৰ নেতাই ধুবুনীৰ ঘাটৰ ঝুপ ঝাপ কাপোৰ ধোৱাৰ শব্দই যদিও আজি আমাৰ অন্তৰৰ ময়লা দূৰ কৰিব পৰা নাই, তাহানিখন হ'লে দেৱতাবোৰৰ মলিয়ন কাপোৰ পৰিষ্কাৰ হৈছিল। ধুবুৰীত ধোৱা কাপোৰকে পিন্ধি দেৱতাসকলে বেহুলাৰ নৃত্য উপভোগ কৰি লখীন্দৰক জীয়াই দিবলৈ বাধ্য হৈছিল। আমাৰ মানুহৰ জাতিৰ অন্তৰৰ ময়লা যে কেতিয়াবা দূৰ হ'ব তাৰ আশা নাই; নহ'লেনো কোচ-জাতিটোক 'নীহকুলীয়া' জাতি বুলি ঘিণ কৰি ছোৱালী বিয়া নিদিবৰ কাৰণে অসমীয়া সাহিত্যৰ তোটা তৰা ৺ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই 'দন্দুৱা দ্ৰোহ'ৰ ভবিষ্যতে বাইজক সকীয়াই দিবৰ সাহস কৰেনে?

ষষ্ঠদশ অধ্যায়

সাধু শুনি শুনি টোপনি যায়

সেই তাহানিখন ৰামায়ণৰ যুগৰ পৰা আৰম্ভ কৰি সিদিনা মুছলমানৰ আগমনৰ ভিতৰত ৰত্নপীঠ অঞ্চল বিচিত্ৰ ঐতিহাসিক সম্ভাৰেৰে স্বয়ংপূৰ্ণ হৈ আছে। মাথো আমি "বুঞ্জনা নহওঁ নাম; কাৰণ আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হ'ম।" কিন্তু সময়ৰ পাহৰণিৰ তাৰ অতল গৰ্ভত অতীতৰ সকলো ঐতিহ্য সুমাই থলে তেতিয়া আন্ধাৰ-হাবাথুৰি খাই ফুৰিব লাগিব যে আমাৰো কিবা অতীত ঐতিহ্য আছিল। ঐতিহাসিক সামগ্ৰীক ভিত্তি কৰি গঢ়ি উঠা শ শ সুখশ্ৰাব্য কাহিনীয়ে প্ৰমাণ কৰে যে এই জাতি কল্পনা বিলাসী। উদাহৰণ স্বৰূপে দুটি সাধুকথাৰ নমুনা তলত দিয়া হ'ল। বঙাইগাওঁ নগৰৰ পৰা প্ৰায় ৯ কিঃ মিঃ পশ্চিম-দক্ষিণে অৱস্থিত ভুমিশ্বৰ পৰ্ব্বতৰ ধ্যান-গম্ভীৰ মূৰ্ত্তিক আজিও প্ৰতি বছৰে হাজাৰ হাজাৰ নৰনাৰীয়ে পূজা দিয়েই আছে কোনোবা যুগৰ (সম্ভৱতঃ বৌদ্ধ যুগৰ) হাজাৰ হাজাৰ শিলামূৰ্ত্তিবোৰক উদ্দেশ্য কৰি। এই শিলামূৰ্ত্তিবোৰে জানো কেতিয়াবা প্ৰত্নতাত্বিক আৰু বুৰঞ্জীবিদৰ হাতৰ জ্ঞানৰ পৰশ পাব? ভুমিশ্বৰক ধ্যান কৰি নাককাটি পাহাৰে এতিয়াও চকুলো টুকি আছে স্বামীৰ ধ্যান গম্ভীৰ মূৰ্ত্তি দেখি। ভাকৰাই (ভাকৰা কাটা পাহাৰ) এতিয়াও লুকাই আছে ৰজা ভুমিশ্বৰ আৰু ৰাণী নাককাটি (সোণাময়ী)ৰ দুৰাৱস্থা দেখি। কথিত আছে যে উমেশ্বৰ, দেবেশ্বৰ আৰু ভুমিশ্বৰ তিনি ভায়েৰ কৰায়েক আছিল। ভুটীয়াৰ লগত যুদ্ধ কৰি উমেশ্বৰ দাংগীবাৰীত মৃত্যুৰ মুখত পৰে। মাজু ভায়েক দেবেশ্বৰ অতি বাহুবলী হোৱা-হেতুকে অতি সাধাৰণ (গবৰীয়া) অৱস্থাৰ পৰা ৰজা হয়। ৰজা

দেৱেশ্বৰৰ মৃত্যুৰ পিছত কনিষ্ঠ ভ্ৰাতৃ ভূমিশ্বৰ ৰজা হয়। ভূমিশ্বৰৰ ৰাজ্য আছিল বৰ্ত্তমান ভূমিশ্বৰ পাহাৰকে কেন্দ্ৰ কৰি চাৰিওফালৰ ওচৰৰ অঞ্চলটো আৰু ৰাজধানীটো আছিল ভূমিশ্বৰ পাহাৰৰ ওপৰত পশ্চিম ফালৰ এটা ঘোপ সদৃশ ঠাইত। ভূমিশ্বৰৰ প্ৰথম ৰাণী সোণাময়ী দেৱী, দ্বিতীয়া ৰাণী গঙ্গাৰাণী দেৱী (তৃতীয় ৰজাৰ জীয়ৰী) আৰু আন আন তিনিগৰাকী সাধাৰণ স্ত্ৰী আছিল। উক্ত সাধাৰণ তিনি গৰাকী স্ত্ৰীয় ভাকুৰা নামৰ এজন ভৃত্যৰ লগত ব্যভিচাৰ কাৰ্য্যত লিপ্ত থকাত ভাকুৰাক ৰজাই খেদি নি বৰ্ত্তমান চিটকাগাওঁৰ ওচৰত থকা হাৰিয়নিত খণ্ড-বিখণ্ড কৰে। ভূমিশ্বৰৰ ঘোঁৰাটো কাকৈজানাৰ ওচৰত থকা পাহাৰৰ এটা শিলত খুন্দা খাই মৃত্যুৰ মুখত পৰাত সেই ঠাইডোখৰ এতিয়াও 'ঘোঁৰাপৰা' বুলি জনাজাত হৈ আছে। ভাকুৰাই আগে আগে প্ৰাণৰ ভয়ত দৌৰি যাওঁতে এডাল লতাত মেৰ খাই বাগৰি পৰে আৰু তৎক্ষণাৎ ৰজাৰ চোকা তৰোৱালৰ আগত পৰি দুডোখৰ হয়। আজিও চিট্‌কাগাওঁৰ ভাকুৰা কটা পাহাৰত এটা দীঘল ডাঙৰ শিলত মানুহ আকৃতিৰ দুডোখৰ শিল মেৰ খাই আছে (বৰ্ত্তমান অযত্ন পালিত হোৱাৰ কাৰণে ধ্বংসৰ মুখত)। ভাকুৰাক কটাৰ পিছত সোণাময়ীৰ কাৰণে ৰাজঅন্তঃপুৰত এনে ব্যভিচাৰ হ'বলৈ পাইছে বুলি ভাবি সোণাময়ীক খেদি নি নাকটো কাটি দিয়ে আৰু তৰোৱালখনি টুনীয়া নদীত ধোৱাৰ ফলত তাৰ বোৱতি পানী আজিও তেজ বৰণীয়া আৰু তেজ গোন্ধযুক্ত। আজিও নাককাটি পাহাৰৰ আটাইতকৈ ওখ শৃঙ্গটো কটা খোৱা যেন ভগ্ন আৰু তাৰ পৰা যিটো নিজৰা বৈ আছে তাৰ পানী সদায় তেজগোৱা ৰঙা; যেনিবা কটা নাকৰ পৰা তেজহে বৈ আছে। পাৰদৰ্শী ভূতত্ত্ববিদসকলে ইয়াত গৱেষণা চলালে নিশ্চয় কিবা এটা কাৰণ বিচাৰি পাব। ভূমিশ্বৰ পাহাৰতে তাহানি হনুমানে সীতাক

অনুসন্ধান কৰাৰ সময়ত হেনো ৰামক তপস্যা কৰিছিল আৰু উয়াৰ দক্ষিণ পূৰত থকা চুক্ৰেশ্বৰী পাহাৰত ভগৱতীৰ পূজা কৰিছিল বুলি শুনা যায়। ভূমিশ্বৰ পাহাৰতে ৰাজাঠাকুৰৰ (মহাদেৱৰ) পূজা হয়। উক্ত অঞ্চলৰ অধিবাসী ৰাজবংশী মানুহবোৰে উক্ত ৰাজাঠাকুৰক বৰকৈ শ্ৰদ্ধা ভক্তি কৰে আৰু বছৰি গ্ৰাম্যদেৱতা হিচাবে মহাসমাৰোহেৰে পূজাও দিয়ে। এই ৰাজাঠাকুৰৰ সম্বন্ধে সেই অঞ্চলত বহুতো অদ্ভুত কাহিনী শুনিবলৈ পোৱা যায়। সেইদৰে চুক্ৰেশ্বৰী পাহাৰত থকা ভগৱতীৰ থানখনো মাহাত্ম্য কোনে নজানে? বান্দৰৰ ৰজা ৰাণী, পাত্ৰ মন্ত্ৰী, প্ৰজাবৰ্গ, সৈন্যবৰ্গ আদিৰ দ্বাৰা পূৰ্ণ হৈ তাতে এখন বিৰাট কপিৰাজ্য। এই কপিৰাজ্যৰ অধিকাৰত চুকুৰ পাহাৰত থকা ভগৱতীৰ মন্দিৰটো। কথিত আছে যে এই চুকুৰা পাহাৰতে দক্ষ-জীয়াৰী সতীৰ উৰুভাগ খহি পৰিছিল, আৰু সেই কাৰণেই এতিয়াও হিন্দুৰ তীৰ্থস্থান হৈ আছে। কোচ জাতিয়ে প্ৰাধান্য লাভ কৰি দেশৰ শাসক হোৱাৰ পৰা উক্ত থানত নিত্য পূজাৰ প্ৰচলন কৰিছিল আৰু পূজাৰীক দেৱোত্তৰ মাটি দিছিল। ভগৱতীৰ পূজা শেষ হোৱাৰ পিছত পূজাৰীয়ে নিৰ্দিষ্ট সোণৰ পাত্ৰত (আজি-কালি ৰূপৰ পাত্ৰতে দিয়া দেখা যায়) বান্দৰৰ ৰজা ৰাণীক প্ৰসাদ আগবঢ়ায়। ৰজা-ৰাণীয়ে সেই প্ৰসাদ আংশিক গ্ৰহণ কৰাৰ বা স্পৰ্শ কৰাৰ পিছতহে আন আন পাত্ৰ মন্ত্ৰী বিলাকে অৱশিষ্টখিনি খায়। ইতিমধ্যে পূজাৰীয়ে এচটা অতি বহল শিলত চাউল প্ৰসাদ আদি সিচৰাই দিয়ে আন আন বান্দৰ প্ৰজা আৰু সৈন্যবৰ্গক খাবলৈ। দৰ্শক বিলাকে পবিত্ৰ মনেৰে ৰজা আৰু বান্দৰলৈ প্ৰসাদ আগবঢ়ালে বা যিকোনো খোৱা বস্তু দিলে ৰজা বান্দৰটোৱে হাতৰ পৰা লৈ যায় আৰু দৰ্শকজনৰ পৰম বন্ধু হৈ পৰে। যি সময়ত শিৱবংশী কোচ-ৰজা যোগেন্দ্ৰ নাৰায়ণ বলীয়া হৈ মৃত্যুৰ

মুখত পৰে ঠিক সেই সময়তে টুক্রেশ্বৰীত থকা আচল বান্দৰ ৰজাটোও অন্তৰ্দ্ধান হয় আৰু ৰজাৰ মৰমৰ হাতীটোও বলীয়া হয়। পূৰ্ব্বৰ আচল বান্দৰ ৰজাজনৰ মৃত্যু বা অন্তৰ্দ্ধানৰ পিছত ৰজাহীন কপিবৃন্দই সিহঁতৰ মাজৰ পৰা আন এটা বান্দৰক ৰজা পাতি লৈছে। বৰ্ত্তমানো কপিবৃন্দই পতা ৰজাজনে ৰাজপাত দখল কৰি আছে। টুক্রেশ্বৰী মন্দিৰটোৰ কিছুদুৰ নামনিত এটা প্রকাণ্ড শিলৰ গুহাত মহাদেৱৰ চেলা নন্দী আৰু ভৃঙ্গী নামৰ দুটা বান্দৰ এতিয়াও আছে আৰু সিহঁতৰ পূজাও বেলেগে হয়। এইদৰে 'অযত্ন পালিতা কন্যা' গোৱালপাৰা জিলাৰ কাহিনী অজস্র ভাবে উল্লেখ কৰিব পাৰি। গোৱালপাৰা জিলাৰ সুসাহিত্যিক ৺যোগেন্দ্র চন্দ্র চৰকাৰৰ ভাষাত কব লাগিলে আমি পাও :—

"বগৰীবাৰীৰ বুকুত যে আছে শক্তি মহামায়া আই ;
অৰ্দ্ধমগ্না হৈছেহি দেৱী দিনৰ ধৰ্ম্মলৈ চাই।
বঙাইগাওঁত বোৱা বাঘেশ্বৰী আই সন্তফল দিয়া দেৱী ;
কোচ ৰাজ সবে ৰণ জিকিছিল এই দেৱীকে সেৱি।
দেওঁহাটীত যি ৰই আছে সৌৱা ৰামসিংহ ৰজাৰ গড ;
শৰাইঘাটৰ ৰণত আছিল ই দৃঢ় শিবিৰ মোগলৰ।
লালমাটিত সৌ ভাঙি পৰি থকা বিৰাট মূৰ্ত্তি গণেশৰ ;
ধ্বংস কাম বুলি কয় লোকে তাক কালাপাহাৰৰ।
ধৰ্ম্মাৰণ্যৰ নিজান বুকুত আছিল যে তাপস যোগী ;
যোগীঘোপাৰ গুহাবোৰত তাৰ সোঁৱৰণী আছে লাগি।
ব্রহ্মপুত্রৰ বুকুত যিখন পাহাৰ ৰই থকা দেখে ;
চান্দ সদাগৰৰ ডিঙা বুলি তাকে আজিৰ মানুহে লেখে।

সোপাৰত চাওক শ্ৰীসূৰ্য্য দ্বাদশ আদিত্যৰ যান,
উক্ৰেশ্বৰীৰ বানৰত পাব বজাৰ অনুগত প্ৰাণ।
পশ্চিম দাঁতিত সত্ৰশাল ধাম শঙ্কৰদেৱে পতা ;
সি ঠাইত পাব বহুতো আমাৰ নিভাঁজ কৃষ্টিৰ কথা।
উত্তৰ মূৰত বয় 'হাতীঝাৰ' হাতীবে ভৰা বন,
গৰম আৰু চেঁচ পানীৰ তাত আছে বহু প্ৰস্ৰবন।" ইত্যাদি।

সেইদৰে নদী মাতৃক দেশ গোৱালপাৰা জিলাৰ নদীবোৰৰ কাহিনীও বহুতো আছে। উদাহৰণ স্বৰূপে সামান্য এটি কাহিনীৰ কথা উল্লেখ কৰা হ'ল। বঙাইগাওঁ নগৰৰ পাতে লাগি থকা টুনীয়া নৈৰ পাৰে পাৰে সোণালী ধাননিৰ শীষবোৰে 'ভাই-ভনী কুটুম মোৰে' বুলি সকলোকে মাতি টুনীয়া নৈৰ আদি কাহিনী শুনায়। বঙাইগাওঁৰ পৰা প্ৰায় ৫ কিলোমিটাৰ মান উত্তৰে কেবাখনো জনবহুল গাওঁৰ মধ্যৱৰ্ত্তী স্থানত 'ভেৰভেৰী' (ভেৰ বোকা আছে অৰ্থাত 'ভেৰভেৰী') বৰ্ত্তমান ধালিগাওঁৰ ওচৰত এডোখৰ সমতল ভূমি আছে। টুনীয়া নদী সেই ভেৰভেৰীৰ পৰা ওলাইছে। নদী সচৰাচৰ নদ-বিল, পাহাৰৰ পৰা ওলায়; কিন্তু টুনীয়া নদীটো হাবিজংঘল নথকা একেবাৰে সমতল ভূমিৰ পৰা অকস্মাতে ওলাইছে। তাৰ পৰা ওলাইয়ে ই ইমান ক্ষমতাশালী হৈছে যে ভেৰভেৰীৰ পৰা মাত্ৰ ৩ কিলোমিটাৰ আঁতৰৰ টুনীয়া নদীৰ ওপৰত থকা ৰেল বিভাগৰ দলংখনৰ সদায় এটা নহয় এটা দিগদাৰ লগায়েই আছিল। টুনীয়া নদী ৰেল বিভাগৰ এটা সহ্য কৰিব নোৱাৰা মূৰৰ বিষ হৈ আছিল। এই নদীৰ আদি কাহিনীৰ বিষয়ে প্ৰবাদ আছে যে বৰ্ত্তমান ভেৰভেৰী নামৰ ঠাইতে এসময়ত এখন আশ্ৰম আছিল। সেই আশ্ৰমতে আশ্ৰমবাসী এজন সন্ন্যাসীৰ (মতান্তৰে ব্ৰাহ্মণৰ) এজন

তিলবাৰী আছিল। তিলবোৰ পকি উঠিবৰ সময়ত মৰ্ত্যলোকৰ শোভা চাব বুলি সাতজনী দেৱকন্যাই (বায়েক-ভনীয়েক) তিলবাৰীৰ মাজেদি কোচ ৰাজ্যৰ মনোমোহা দৃশ্যবোৰ চাই ঘুৰিছিল। এনেকৈ ঘুৰি ফুৰোতে ডাঙৰজনী দেৱকন্যাৰ ভৰিৰ কেঞা (মতান্তৰে বুঢ়া) আঙুলিৰ নখৰ ভিতৰত এটি তিল লাগি ৰয় অজ্ঞাত ভাৱে। নখত থকা তিলটো এটা অমঙ্গলৰ আগজাননী বুলি ভাবি সকলোৱে বৰ ভয় খায়। এজন ব্ৰাহ্মণ পণ্ডিতৰ ওচৰত কথাটো প্ৰকাশ কৰি পৰামৰ্শ বিচৰাত ব্ৰাহ্মণজনে তিলবাৰীৰ মালিকৰ ঘৰত ভৰিত তিল লগা জনীয়ে ১২ বছৰ দাসীৰূপে সেৱা কৰিলে অমঙ্গল দূৰ হ'ব বুলি সমিধান দিলে। তৎক্ষণাৎ দেৱকন্যাজনীয়ে মানুহৰ ৰূপ ধৰি ছদ্মবেশে ব্ৰাহ্মণৰ ঘৰত কটাবলৈ ধৰিলে। অশোকাষ্টমীৰ সময়ত গঙ্গাত গা ধুই বছৰটোৰ কাৰণে মানুহ শুচি হয় আৰু যাব যি পিণ্ড দিব সগা থাকে ভাক দিয়ে। সেই ব্ৰাহ্মণজনো (মতান্তৰে সন্ন্যাসী) গঙ্গাত পিণ্ডদানৰ কাৰণে যোৱাৰ সময়ত দাসী ৰূপী টুনীবায়ে (দেৱকন্যা) চাউলৰ 'খুদি' (খুদ) কেইটামান টোপোলা বান্ধি ব্ৰাহ্মণৰ হাতত দিয়ে। ব্ৰাহ্মণজনে উভতিবৰ সময়ত দাসী টুনীবাই নামত দেৱকন্যাক উদ্দেশ্য কৰি গঙ্গাত পেলাই দিবলৈ অনুৰোধ কৰে। ব্ৰাহ্মণে পৰমা বিশ্বাসী দাসী টুনীবাইৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি তেওঁৰ নিজৰ সকলো কাৰ্য্য সমাপন কৰাৰ পিছত টুনীবাইৰ খুদিখিনি গঙ্গাত উচ্চৰ্গা কৰিলে। কিন্তু ই কি আচৰিত কথা! সেই সামান্য খুদকণকে গ্ৰহণ কৰিবৰ কাৰণে স্বয়ং গঙ্গা দেৱীৰ সৈতে ছয়জনী দেৱকন্যাই সোণৰ থাল হাতত লৈ আবিৰ্ভাৱ হয় আৰু পৰম আগ্ৰহেৰে খুদখিনি গ্ৰহণ কৰি তৎক্ষণাৎ আকৌ তেওঁলোক আটাইয়ে গঙ্গাৰ বুকুত অন্তৰ্দ্ধান হয়।

ব্ৰাহ্মণ সম্পান নে দিঠক একো গম ধৰিব নোৱাৰা হ'ল। ঘৰলৈ উভতি আহি দাসী টুনীবাইৰ ওচৰত জ্ঞাত বা অজ্ঞাত ভাবে ইমান দিনে কৰি অহা সকলো দোষৰ কাৰণে ক্ষমা খুজিবলৈ টুনী দাসীৰ চৰিত্ৰ ধৰিব খুজিছিল। কিন্তু টুনীবায়ে নিজ পৰিচয় গোপন কৰি কামত লাগি থকা ভৰা কলহটোৰে সৈতে পিছুৱাব ধৰিলে যাতে তাইৰ ভৰিত ধৰিব নোৱাৰে। এইদৰে তাই পিছুৱাই দোলাহাটগাওঁ, ভাকাৰীভিটা, ও কাদাৰ বঙাইগাওঁ, বৰগাওঁ, মুলাগাওঁ, বইটামাৰী আদি অঞ্চল-সমূহেদি গৈ চম্পাৱতী নদীৰ লগ লাগি অৱশেষত ব্ৰহ্মপুত্ৰ নদত মিলন হয়গৈ। টুনীদেৱীয়ে যিখন আশ্ৰমত দাসীৰূপে ১২ বছৰ কটাইছিল সেই ঠাইখন এটা বিলত পৰিণত হৈ বৰ্তমান ভেৰভেৰী নামে জনাজাত হয়। যি যি বাটে পিছুৱাই পিছুৱাই গৈছিল সেই বাটেৰে এটা নদীৰ সৃষ্টি হ'ল আৰু অৱশেষত সেই নদীয়ে টুনীয়া নামে জনাজাত হয়। আজিও টুনীয়া নৈৰ দুয়োপাৰৰ তীৰভূমি সোণালী শস্যৰে নদন বদন হৈ উঠে। প্ৰতি বছৰে টুনীয়া নদীৰ পূত বাৰি-ধাৰাত অশোকাষ্টমীৰ দিনা অৱগাহন কৰি হাজাৰ হাজাৰ কোচ-ৰাজবংশী নৰনাৰীয়ে পুণ্য সঞ্চয় কৰে। এইদৰে এই জাতিৰ মানুহে অনুমান হয় অতীতৰ গৌৰৱোজ্জ্বল সাধু শুনি শুনি বৰ্তমানৰ আত্মবিস্মৃতিৰ শয্যাত পৰি ঘোৰ টোপনিত নিমজ্জমান হৈ আছে। নহ'লেনো আজি এই জাতিটোৱে জীৱন্ত সমাধি হয় নে? এই ভেৰভেৰীৰ বুকুতেই বৰ্তমান বঙাইগাওঁ তেল শোধনাগাৰ অৱস্থিত।



পৰিশিষ্ট — ১

১ম সংস্কৰণৰ আগকথা

শনিবাৰ : ইং ১৯৫৪ চনৰ মে মাহ। হঠাতে এনেকুৱা ধুমুহাই আঠৈশ মানুহৰ থোৱা শোৱা কৰা বিৰাট বাহঁনি ঘৰটো আৰু আমাৰ কিছুমান বন্ধুই শোৱা ঘৰটোক সন্ধিয়া ৭ বজাত হুড়হুড়কৈ মাটিত বগৰাই দিলে। লগে লগে কলহৰ কাণে পানী ঢালা দি আকাশত ওলমি থকা পানীৰ টোপালবোৰ ধাৰাসাৰে পৰিবলৈ ধৰিলে। আমি তেতিয়া 'নেহৰু নেলিয়াম'ত (ভৱন) আশ্ৰয় ল'বলৈ বাধ্য হলো। যাতে প্ৰকৃতিৰ এই তাণ্ডৱ নৃত্য বন্ধ হয় তাৰ কাৰণে "-জয় ৰঘুপতি ৰাঘৱ ৰাজা ৰাম পতিত পাৱন সীতাৰাম" এই প্ৰাৰ্থনা সংগীতটি গাবলৈ দিছিল গান্ধীগ্ৰামৰ সৰ্ব্বাধিনায়ক মামাই। আমি পুৰা সন্ধিয়া দুয়োবেলা, যিমান দিন গান্ধীগ্ৰামত আছিলো, সদায় ভগৱানৰ নাম লৈছিলো বা ল'বলৈ বাধ্য হৈছিলো, মহাত্মা গান্ধীৰ অন্যতম শিষ্য মামাৰ (জি, ৰামচন্দ্ৰন) নিৰ্দেশত।

মই তেতিয়া কটন কলেজৰ ছাত্ৰ। ৩য় বাৰ্ষিকৰ (ক'লা) পৰা ৪ৰ্থ বাৰ্ষিকলৈ প্ৰমোচন পাইছো মাথোন। সদৌ ভাৰত বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু যুৱকৰ গ্ৰীষ্ম শিবিৰ হৈছিল মাদুৰাৰ ওচৰত থকা গান্ধীগ্ৰাম নামৰ এখন আশ্ৰম লেখিয়া গাওঁত। এই গ্ৰীষ্ম শিবিৰখন পাতিছিল সৰ্ব্বভাৰতীয় গান্ধীবিচাৰ পৰিষদে (ওৱাৰ্ধা); তাত গান্ধীৰ আদৰ্শৰ বিষয়ে সৰ্ব্বাঙ্গীন শিক্ষা দিছিল। ইকালে প্ৰকৃতিৰ ধ্বংসকাৰী ধুমুহাই আমাৰ থোৱা-থকা ঘৰটো মষিমূৰ কৰি পেলাইছে আৰু আনকালে বৰষুণ নেৰা পৰ্য্যন্ত আমাক 'ৰঘুপতি ৰাঘৱ ৰাজা ৰাম' গাই থাকিবলৈ দিছে বা জবৰদস্তিভাৱে বাধ্য কৰা হৈছে। হঠাতে মোৰ ডেকা মনটো বিদ্ৰোহী হৈ উঠিল। তৎক্ষণাৎ মামাক আৰু মিঃ কেইটানক ৰীতিমত অভিযোগৰ সুৰত প্ৰশ্ন কৰি পেলালো "Well Mama ! we all the

camperes here lead a life most pure and simple with firm belief in God and full devotion towards Gandhian ideal ; then why there should be such devastating element in nature at least here over Gandhigram ?

তেতিয়া মামাই মোক হাঁহি হাঁহি কেৰল ইযাকে ক'লে My dear friend ! You should not bring the God here. এই খিনিতে মামা আৰু মিঃ কেইটানৰ অলপ পৰিচয় দিয়া যাওক। মামাৰ আচল নাম জি, ৰামচন্দ্ৰন। তেওঁ মহাত্মা গান্ধীৰ এজন অন্যতম শিষ্য আৰু এসময়ত মাদ্ৰাজৰ শিক্ষামন্ত্ৰী আছিল হেনো। উপন্যাসৰ ভাষাত সাধুকথাৰ দৰে যিকোনো বিষয়ত বক্তৃতা দিবপাৰে তেওঁ। বৰ্ত্তমান সকলোকে ত্যাগ কৰি গান্ধীগ্ৰামত থকা গান্ধী আশ্ৰম আৰু Social Educational Organising Training Centre আদি অনুষ্ঠান-বোৰৰ অবৈতনিক সৰ্ব্বাধিনায়ক। এওঁক আমি সকলোৱে মামা বুলি মাতিছিলো। মিষ্টাৰ কেইটান আছিল আমেৰিকাৰ অতি উচ্চ শিক্ষিত কলেজৰ অধ্যাপক। তেওঁ মিছনাৰী উদ্দেশ্যত ভাৰতলৈ আহি মহাত্মা গান্ধীৰ সান্নিধ্যত আছে। কলেজৰ চকল ডেকা নৰেন্দ্ৰই (বিবেকানন্দই) ৰামকৃষ্ণ পৰমহংসৰ প্ৰভাৱত পৰি মিলি যোৱাৰ দৰে কেইটানো নওঠা কৰিৰ গান্ধীৰ লগত মিলি গ'ল। জীৱনৰ সোঁত বদলাই দি ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰে। বৃটিছ চৰকাৰে এই অপৰাধতে মিঃ কেইটানক ভাৰতৰ পৰা বহিষ্কাৰ কৰি দিয়ে— কাৰণ মানুহৰ মুক্তি বিচাৰিছিল তেওঁ। ভাৰত স্বাধীন হোৱাৰ পিছত তেওঁ আকৌ ভাৰতলৈ উভতি আহে। বৰ্ত্তমান তেওঁ তেওঁৰ অবিবাহিত জীৱনটো গান্ধীগ্ৰামৰ গাতে লাগি থকা পাহাৰখনৰ দাঁতিত এখন আশ্ৰম পাতি গান্ধীৰ আদৰ্শত দৰিদ্ৰ নাৰায়ণৰ সেৱা কৰি আছে। ভাৰতৰ সাথ

লাখ মানুহক অনাহাৰে আৰু নগ্ন অৱস্থাত ৰাখি শ শ মানুহে নগৰ চহৰৰ কথাছবি বিলাকৰ টিকটৰ কাৰণে মৰামৰি কৰি পুলিচ বিভাগক টকা খৰচ ও শক্তি ক্ষয় কৰাৰ কাৰণে তেওঁ প্ৰায় চকুলো টোকে। প্ৰায় ৬ ফুট ২ ইঞ্চি দীঘল, চুলি পকা কৰ্ম্মঠ বুঢ়া চাহাবজনক খদ্দৰৰ আঠুমূৰীয়া কাপোৰ পিন্ধি শিশুসুলভ হাঁহি মৰা দেখিলে মিষ্টাৰ কেইটানৰ প্ৰতি আপোনা আপুনি ভক্তি জন্মে।

মামাৰ তেনে এটা বাগি দিয়া উত্তৰত মোৰ অশান্ত ডেক মন শান্ত নহ'ল। পিছদিনা মামাই মোক মাতি মি (লগত মিঃ কেইটানো আছিল) গান্ধীৰ মতে ভগৱান কি আছিল; সেই বিষয়ে এটা দীঘলীয়া আলোচনা কৰি শুনালে। সেই সময়ত মোৰ মনত পৰিছিল জন ষ্টুৱাৰ্ট মিল (John Stuward Mill) চাহাবৰ বিখ্যাত উক্তিলৈ "হে ঈশ্বৰ! মোক সহায় কৰা, যদিহে তুমি আছা" (মিল চাহাবে জীৱন মৰণৰ মধ্যৱৰ্ত্তী ৰাজ্যত বিচৰণ কৰি থকাৰ সময়ত উচ্চাৰণ কৰিছিল)। মোৰ সন্দেহটোক জয় কৰি লোৱাৰ পিছত মামাই মোক সুধিলে মোৰ ঘৰ ক'ত বুলি। মই ক'লো যে মোৰ ঘৰ অসমত আৰু মই নিভাঁজ অসমীয়া। কুৰুক্ষেত্ৰৰ যুদ্ধ ক্ষেত্ৰত পৰি থকা ভগদত্তৰ কৱচটোক বুটলি আনি কমতা ৰাজ চক্ৰধ্বজে কামতেশ্বৰী দেৱীৰ মন্দিৰত প্ৰতিষ্ঠা কৰা কামৰূপ-কামদা-কামতা ৰাজ্যৰ অধিবাসী মই। মই অসমৰ পৰা অহা বুলি শুনা মাত্ৰকে মামাই চিঞৰ মাৰি কলে: Oh! you have come from the land of Sankardev who flourished during the golden reign of the great Koch King of Assam. Can you give us some specific idea of that great saint and the great Koch King of Assam?" ও! তুমি সেই মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ যিজনে মহান কোচ ৰজা নৰনাৰায়ণৰ

পৃষ্ঠপোষকতা লাভ কৰিছিল সেই অসমৰ পৰা আহিছা। আমাক সেইজনা মহাপুৰুষ আৰু মহান কোচ ৰজাসকলৰ কিবা অলপ জনাবানে ?

ভাবিলো কি কওঁ। মোৰ জ্ঞানৰ পৰিধিয়ে বা কিমান! মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ কোনটো কথা কলে বেছি ভালকৈ কোৱা হ'ব! যেনেতেনে কলেওতো নহ'ব; তেতিয়াহ'লে শঙ্কৰদেৱৰ প্ৰতি অবিচাৰ কৰা হ'ব। বিপদত পৰা যেন পালো। কাৰণ সজাই পৰাই গুৱলাকৈ কব পৰা শক্তিটো পৃথিবীলৈ আহোতে হেনো লৰালৰিৰ কাৰণে পাহৰি আহিলো। ভাগ্যে মই মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে অলপ পঢ়িছিলো। ঠিক কৰিলো যে দাক্ষিণাট্যৰ ধৰ্ম্ম প্ৰচাৰক শঙ্কৰাচাৰ্য্যৰ তুলনা দি শঙ্কৰদেৱৰ দুষাৰমান কলেই নিশ্চয় মামাই মোৰ কথাৰ ওপৰত বেছি গুৰুত্ব নিদি শঙ্কৰাচাৰ্য্যৰ কথাকেহে বৰং মোক শুনাবলৈ আৰম্ভ কৰিব। সচাঁকৈ মই ভৱা মতে কাৰ্য্য সিদ্ধি হ'ল; কিন্তু কোচ জাতিৰ, কোচ ৰজাসকলৰ বিষয়ে কোৱাৰ পাল পৰিল মোৰ ওপৰত। তেতিয়ালৈকে কোচ জাতিৰ কোনো কিতাপ পঢ়া মোৰ মনত নপৰে। তেনে ধৰণৰ কিতাপো হাতত আহি পৰা নাছিল। অনুমান হয় যে উপযুক্ত কিতাপৰ দুষ্প্ৰাপ্যতাই যেনিবা নোপোৱা কিতাপখনিৰ মূল্যাঙ্কণ কৰে। কেৱল শুনিছিলো 'কম্বোজ'ৰ পৰা কোচ, কুবাচৰ পৰা কোচ, সঙ্কোষ নদীৰ পৰা কোচ, কুশাবহ ক্ষত্ৰিয়ৰ পৰা কোচ, ভগৱতীৰ ক্ৰোড়ৰ পৰা কোচ, কিৰাতৰ পৰা কোচ ইত্যাদি ইত্যাদি একো কব নোৱাৰিলো। যিখিনি ক'লো তাক নোকোৱাকৈ থাকিলেই বেছিকৈ কোৱা হ'লহেতেন বোধহয়। মহা বিপদ আৰু লাজৰ কথা কব নোৱাৰাটো; মই এজন অসমীয়া ডেকা; কলেজৰ ছাত্ৰ। অসমৰ শিক্ষিত ডেকা হৈ অসমৰ ঈমান বিখ্যাত এটা

জাতিৰ ইতিহাস নজনাটো কেনে বিসদৃশ দেখায়। অৱশেষত মামাই কলে This is the characteristic defect of almost all the Indian youths who know much about other countries but little of their native place. (ভাৰতৰ যুৱক সকলৰ এয়া সাৰ্ব্বজনীন দোষ-- যিবিলাকে নিজৰ দেশৰ কথাতকৈ বিদেশৰ কথাহে বেছি জানে।)

কথাষাৰ চেনিৰ আৱৰণ নথকা কুনাইনৰ বড়িৰ দৰে গিলি খবলৈ বাধ্য হ'লো, হজম কৰিব নোৱাৰিলো। যদিও মামাই মোক অশেষ ধন্যবাদ উৎসাহ উদ্দীপনাৰে সৈতে মৰমেৰে বিদায় দিলে, মই কিন্তু নিজকে নিজে মোৰ অজ্ঞতাৰ কাৰণে লাজত অপমানত আৰু ক্ষোভত একো নাই হৈছিলো। সেই দিনাই সন্ধিয়াই সামূহিক প্ৰাৰ্থনা কৰিবৰ সময়ত গান্ধীগ্ৰামক সাক্ষী কৰি নাৰিকলৰ পাতৰ আঁৰত লুকা-ভাকু খেলি থকা ৰূপালী চন্দ্ৰমাৰ মধুৰ হাঁহিটিক লক্ষ্য কৰি মনতে প্ৰতিজ্ঞা কৰিলো যে কোচ জাতিৰ সম্পৰ্কে মহাৰাজ নৰনাৰায়ণৰ সম্পৰ্কে আৰু শঙ্কৰদেৱৰ সম্বন্ধে নিশ্চয় কিবা অলপ যোগাৰ কৰিবই লাগিব যাতে ভৱিষ্যতে মই আৰু মোৰ দৰে কোনো ডেকাই এইদৰে লাজত পৰিব লগা নহয়। এইয়া হৈছে ১৯৫৪ চনৰ মে মাহৰ এদিন আবেলিত মোৰ ব্যক্তিগত জীৱনত ঘটা এটি সামান্য ঘটনা। তাৰ ফলস্বৰূপে আজিৰ এই "কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি"ৰ (A Historic-cultural Introduction of the Koch-Rajbonshies of Mediaeval Assam) ৰ জন্ম বুলি কব পাৰি।

কোচ-ৰাজবংশী জাতিৰ পৰিচয়ৰ কথা চমুকৈ দিব লাগিলে ইয়াকে কব পাৰি যে পুৰণি তন্ত্ৰ মন্ত্ৰ শাস্ত্ৰ-ৰামায়ণ-মহাভাৰতত আদিত উল্লেখ থকা বিৱৰণী, তথ্য পাতি আৰু সময়ৰ কথা বাদ দিলেও বুৰঞ্জীয়ে চুকি

পোৱা কালৰ পৰাই এই জাতিৰ ৰজাসকলৰ ধাৰাবাহিক ইতিহাস পোৱাত অকণো কষ্ট নহয যদিও কিছু পৰিমাণে মতভেদ থাকিব পাৰে। পঞ্চম শতিকাৰ কোচ ৰজা শঙ্খলাদেৱৰ পৰা আৰম্ভ কৰি ৯৬৬ চনৰ বানগড়ৰ লিপিত উল্লেখ থকা কোচ ৰজা, ১৪১৬ চনৰ পৰা দনুজামৰ্দ্দন দেৱ, মহেন্দ্ৰ দেৱ হৰিদাস বা হাড়িয়া মণ্ডলৰ পুত্ৰ বিশু ব বিশ্বসিংহই ১৪৯৬ চনৰ পৰা আৰু তেওঁৰ বংশধৰ সকলে ক্ৰমান্বযে ১৭৭৩ চনলৈকে ৰজা ধীৰেন্দ্ৰ নাৰায়ণৰ ৰাজত্বকাল পৰ্য্যন্ত পূৰ্ব্ব ভাৰতৰ বিভিন্ন খণ্ডত কোচ বংশৰ ৰজা বা ৰাজবংশধৰ বিলাকে ধাৰাবাহিকৰূপে শাসন কৰি আছিল। ইয়াৰ পৰা বুজা যায যে কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণৰ পিতামহ হৰিদাস মণ্ডলৰ জাগৰণটো পূৰ্ব্বভাৰতত কোচ ৰাজত্বৰ শেষ অধ্যায়ৰ গৌৰৱময আৰম্ভণি আছিল মাথোন। ইয়াৰ ফলত এই জাতিৰ ইতিহাস পশ্চিমে বিহাৰৰ পূৰ্ব্ব খণ্ডৰ বিশেষকৈ পূৰ্ণিয়া জিলাৰ পৰা আৰম্ভ কৰি উত্তৰ বঙ্গ, নামনি দাৰ্জ্জিলিং অঞ্চল, পূৰ্ব্ব পাকিস্তান, অসমৰ সমূহ ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, মেঘালয অন্তৰ্ভুক্ত গাৰোপাহাৰৰ আধা লোক (গাৰো কোচৰ ৰাজ্যৰ পৰা গাৰো ৰাজ্য বা গাৰো পাহাৰ, ডুৰা কোচৰ কিল্লাৰ পৰা বৰ্ত্তমান 'তুৰা সদৰ ঠাই), কাছাৰ জিলাৰ উদাৰবন্দ, খোৱাৰ বন্দ আদি অঞ্চল, ভুটানৰ ৰাজধানী পূৰ্ণখাতা বা পুণ্যাখ্যাৰ নামনি অঞ্চলাদি এই গোষ্ঠীৰ লোকে লোকাৰণ্য হৈ আছিল আৰু বৰ্ত্তমানো আত্মবিস্মৃতিৰ অতল গহ্বৰত পৰি কিছুমানে ক্ষত্ৰিয়, কিছুমানে কোচ আৰু কিছুমানে ৰাজবংশী বুলি পৰিচয় দি বৰকোচ, সৰু কোচ, কামতালি কোচ, পানি কোচ, শৰণীয়া কোচ আদি ভাগ ভাগ হৈছে। তিনিকুৰিৰো অধিক উপাধি ব্যৱহাৰ কৰি নিজকে নিজে চিনিব নোৱাৰাহৈ আছে। মুঠতে এই জাতিৰ গভীৰ পদক্ষেপ আৰু কৃষ্টিৰ আচোঁৰ পূৰ্ব্বভাৰতৰ সকলো

ঠাইতে বিৰাজমান হৈ আছে।

সংস্কৃতিৰ ক্ষেত্ৰত ইয়াকে কব পাৰি যে কি ভাস্কৰ্য্য, কি স্থাপত্য, কি ভাষা-সাহিত্য, কি সামাজিক ব্যৱস্থা, কি ধৰ্ম্মাচৰণ আদি সকলোতে এই গোষ্ঠীৰ লোকৰ এটা স্বকীয়া বৈশিষ্ট্য আছিল আৰু বৰ্ত্তমানো আছে; শৈৱ শাক্ত আৰু বৈষ্ণৱ ধৰ্ম্মৰ মিলন সেতুৰ ভবিষ্যতে গঢ়ি উঠিছিল এই জাতিৰ সংস্কৃতি; কোচ ৰমনী বেউলাৰ পৰিধান বস্ত্ৰ 'পাটাণি'ৰ শিপিনি সকলে তাঁতৰ শালত বহি আজিও গায়;

"পদ্মাৰ গাৰে পৰে বেউলাৰ পাটাণিৰ পানী;
পদ্মাই বোলে খাক স্বামী ই কাল নাগিনী।"

এই অভিসম্পাত শিৰত বহন কৰি 'কাইজাৰ-ই-হিন্দ' ৰাণী অভয়েশ্বৰী দেৱীৰ বংশধৰ সকলে, আজিৰ স্বাৱলম্বী কোচ-ৰাজবংশী ৰমণী সকলে আত্ম প্ৰতিষ্ঠাৰ কাৰণে ভৱিষ্যৎ সংগ্ৰাম কৰিবলৈ প্ৰতিজ্ঞা কৰে, —

নাটাইক কৰিম ধনু টাকুৱাক কৰিম শৰ।
যতঁৰৰ ৰথত চৰি যাম কেকৱাক কৰিম ভৰ॥
প্ৰাণৰ বৈৰীক আনিম মাল পাশত বান্ধিয়া।
সোৱোমী পুত্ৰ মৰিল ৰণত মই ৰম কিহৰ লাগিয়া॥

কিন্তু কোচ-ৰাজবংশী জাতিৰ এই বীৰ প্ৰসবীনি মাতৃবৰ্গৰ আজিৰ দুৰ্ব্বল সন্তান বিলাকে—

"নাঙল বেচায়, জোৱাল বেচায়, আৰো বেচায় ফাল;
খাজানাৰ তাপেতে বেচায় দুখেৰ ছাওয়াল।

পুথিখনিক মই 'বুৰঞ্জী' বুলি আখ্যা দিবৰ সাহস নকৰো; কাৰণ অজ্ঞজনৰ জ্ঞানৰ ভড়াল। ('বু' মানে মূৰ্খ 'ৰঞ্জ' মানে জ্ঞান 'জী' মানে

ভড়াল) সাজিবলৈ সংকল্প কেতিয়াও নাছিল— যোগ্যতাও বোধহয় নাই। অৱশ্যে উপদেশ অৰ্থত ব্যৱহাৰ নকৰি যদিহে 'পৰম্পৰাগত ভাব আৰু ঘটনাৰ সমাবেশ' অৰ্থত ধৰি লোৱা হয় তেতিয়াহ'লে কিছু পৰিমাণে ইয়াক ইতিহাস (ইতিহাস-পৰম্পৰাগত উপদেশ) বুলি গণ্য কৰিলে পাঠক বৰ্গৰে বদান্যতা প্ৰকাশ পাব। কাৰণ এই ইতিহাসখনি মোৰ মাত্ৰ আকস্মিক প্ৰচেষ্টাহে। গতিকে পানী নসৰকা চুলিৰ হেৰ ফেৰ নোহোৱা সূক্ষ্মাতিসূক্ষ্ম বিচাৰ বুদ্ধিৰে ওজন কৰি ইয়াত উল্লেখিত নাম, ঘটনা, স্থান, চন, তাৰিখ আদিৰ যদিহে সিদ্ধান্ত আৰু চৰ্তসাপেক্ষ কিবা উনৈশ-বিশ হোৱা পৰিলক্ষিত হয় আৰু তাৰেই আলম লৈ চাহৰ পিয়লাত ধুমুহাৰ সৃষ্টিৰ মানসে পাণ্ডিত্যৰ বিচাৰালয়ৰ কাঠগড়াত থিয় কৰোৱাৰ চেষ্টা চলোৱা হয় তেতিয়াহলে মই একবাক্যে আৰু আগধৰি জবাবদিহি দিও যে মই মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত উপাধি লাভৰ বাবে অধ্যয়ণ কৰা নাছিলো বা অধ্যয়ণ কৰাৰ সুযোগ হোৱা নাছিল আৰু বুৰঞ্জী মানে সত্যৰ ওচৰা-ওচৰি চপা যি কোনো পৰম্পৰাগত ভাব ঘটনাৰ বিৱৰণীকে মই বুজিছিলো আৰু এতিয়াও বুজি আছো। গতিকে কোনো বিজ্ঞ পাঠকে যদি ইয়াত লিখিত কিবা কথাৰ হেৰ ফেৰ দেখে তাক তথ্য-পাতিৰে লিখকক জানিবলৈ দিলে ভৱিষ্যৎ সংস্কাৰ কৰি তেওঁৰ ওচৰত কৃতজ্ঞ থকাৰ প্ৰতিশ্ৰুতি থাকিল।

এটা কথাই মোৰ অন্তৰত গভীৰ দাচ বহুৱাইছে যে আমাৰ পূৰ্ব্ব প্ৰান্তৰ তথা ভাৰতৰ বুৰঞ্জী বা ইতিহাস পুনৰবিন্যাস আৰু পুনৰলিখন অত্যন্ত আৱশ্যক; নহয় এই আৱশ্যকতাৰ সময় কেতিয়াবাই পাৰ হৈ গৈছে বিশেষকৈ ভাৰতৰ পূৰ্ব্বাঞ্চলৰ বুৰঞ্জীৰ। অত্যন্ত লাজৰ আৰু দুখৰ কথা যে স্বাধীনতাৰ ২৩ বছৰৰ পিছতো আমি এই অত্যাৱশ্যকীয়

কথাটোৰে কাণ সাৰ নকৰি বুটিছু আমলৰ স্বাৰ্থপ্ৰণোদিত ভাবে লগ লগাই থোৱা কিছুমান কথাকে বুৰঞ্জী নামাকৰণ কৰি চৰ্বিত-চৰ্বন কৰি আছো। ফলত বুৰঞ্জীয়ে মানুহক জ্ঞানী কৰাৰ পৰিবৰ্তে পৰস্পৰে পৰস্পৰক ভুল বুজা বুজিত বেছি সহায়হে কৰিছে। আচলতে বুৰঞ্জী হৈছে অতীতৰ সক্ৰিয় প্ৰতিধ্বনি, বৰ্তমানৰ ফটফটীয়া দাপোন আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক; ইয়াতেই সোমাই থাকে সাহিত্যৰ বীজাংশ। ইয়াক মন্থন কৰিলে অমৃত আৰু গৰল দুয়োটা বস্তু উঠে। তাৰ অমৃতখিনি পান কৰি দিব্য ভাবত আপ্লুত হ'লে দেখিব ইমান দিনে তাৰ থকা স্বৰ্গৰ দেৱতা পৃথিৱীত বাস কৰি থকা নৰৰূপধাৰী মানৱৰ মাজতে বিৰাজমান আৰু তাতেই বুৰঞ্জীৰ সাৰ্থকতা। যি কোনো গোষ্ঠী বা জাতিৰ তিনিটা উপাদান থাকে— সংস্কৃতি, প্ৰকৃতি আৰু ৰকম। সংস্কৃতি অনুযায়ী গঠন হয় প্ৰকৃতিৰ অৰ্থাৎ কৰাৰ ভাবধাৰা আৰু প্ৰকৃতি অনুসৰি হয় ৰকমৰ সৃষ্টি। ৰকমেই হৈছে বিশেষত্ব বা বৈশিষ্ট্য যাক ইংৰাজীত ক'ব পাৰি Peculiarities and Particularities এই তিনিটাৰ সম্যক ভাবে থোৱা সমাবেশেই হৈছে এই জাতব্যক্তিত্ব। এই জাতব্যক্তিত্বক প্ৰত্যেকে সহযোগী হৈ পৰিপোষণ আৰু পৰিপূৰণ কৰাটোৱেই হৈছে জাতিৰ কৃষ্টি তাৎপৰ্য্য। মুক্ত সূক্ষ্ম বিচাৰ বুদ্ধিৰে অনুধাবন কৰি চালে ইয়াকে দৃঢ় কণ্ঠে কব পাৰি যে এই জাতব্যক্তিত্ব-টোক আৰু কৃষ্টি তাৎপৰ্য্যটোক স্ব স্ব বৈশিষ্ট্যানুযায়ী বিকাশ সাধন কৰাটো বা কৰাৰ প্ৰচেষ্টাটো পৰম পিতাৰ অভিপ্ৰেত আৰু ধৰ্ম্মগত সিদ্ধান্তও। যদি কোনোবাই নিজৰ জাতিগত বৈশিষ্ট্য, বৰ্ণগত বৈশিষ্ট্য আৰু সদাচাৰ সমন্বিত কুল বৈশিষ্ট্য ব্যাহত কৰে বা বিসৰ্জন দিয়ে; তথাকথিত উদাৰতাৰ অজুহাতত, তেতিয়াহ'লে কেঁও যে স্বৰ্গও নাপায়, মৰ্ত্তও নাপাব— মাজতে লিম্বু হৈ থাকিব লাগিব এইটো

নিশ্চয় সুনিশ্চিত। কাৰণ এই কাৰ্য্য ভগবান অনভিপ্ৰেত আৰু অবৈজ্ঞানিক। যিহেতু ডালিম কেতিয়াও আম নহয়; ডালিম ডালিমেই আম আমেই। এক জাতি বা এক ৰকমক অন্য ৰকম কৰা অসম্ভৱ; ডালিমক আম কৰাৰ সম্ভাৱনা যদিওবা কোনো ঠাইত দেখা যায় আপাতঃ দৃষ্টিত আৰু ডালিমৰ স্বত্বাটোক গুলি পাগুলি যদি আমত পৰিণত কৰাৰ অপচেষ্টাও হয় তেতিয়াও ডালিমটোক হেৰুৱাইহে আম কৰা যাব পাৰে। দুয়ো কুল ৰক্ষা কৰি কেতিয়াও নহয়। কাৰণ মানুহ কুমাৰৰ চাকাত তৈয়াৰী একে গঢ়ৰ, একে ধৰণৰ ঘট বা পাত্ৰ নহয়। প্ৰত্যেক ব্যক্তিয়ে আকৃতি প্ৰকৃতি আৰু সাম্ভৱ্যতাত পৃথক আৰু প্ৰত্যেকৰে বিকাশ স্ব স্ব বৈশিষ্ট্যানুযায়ীহে হয়। পৰম পিতাৰ সৃষ্ট জীৱ জন্তুম, কীট পতঙ্গ আদিলৈ লক্ষ্য কৰিলেই এই কথাৰ বৈজ্ঞানিক প্ৰমাণ পোৱা যায়। ব্যাখ্যা নিষ্প্ৰয়োজন।

তেন্তে কি সংঘাত অৱশ্যম্ভাবী নেকি? নহয়। ভুল ধাৰণা। পৰম পিতাৰ এই ৰাজ্যত সংঘাতৰ স্থলেই নাই। বৰং প্ৰত্যেকেই প্ৰত্যেকৰ পৰিপূৰকহে। ফুলনি বাগিছা এখনিত নানা তৰহৰ ফুল থাকে আৰু থাকিব পাৰে। নানা বিধৰ বিভিন্ন ৰঙৰ ফুলবিলাক স্ব স্ব বৈশিষ্ট্যানুযায়ী যেতিয়া ফুলি উঠে তেতিয়াহে ফুলনি বাগিছাখনি জাতিষ্কাৰ হৈ উঠে, উপভোগ্য হৈ পৰে। তাকে নকৰি মাত্ৰ একে বিধৰ আৰু একে ৰঙৰ ফুল থাকিলে সেইখনি ফুলনি বাগিছা নহৈ ফুলৰ খেতিহে হ'ব। এই পৃথিবীখন হৈছে পৰম পিতাৰ অপূৰ্ব্ব ফুলনি বাগিছা; এই বাগিছাখনিক জাতিষ্কাৰ কৰি তোলাৰ বাবে জীৱৰ শ্ৰেষ্ঠ মানুহে যি কৰিব লাগে তাকে কৰিলেহে পৰম পিতাৰ কৰ্ত্তব্য পালন কৰা হয়। ইয়াক বাধা দিয়াৰ অপচেষ্টা কৰিলে নিজেই নিজৰ অস্তিত্ব হেৰুৱাব লাগিব ধৰ্ম্ম বিৰোধী, কৃষ্টি বিৰোধী আৰু ঈশ্বৰ বিৰোধী হৈ

হতাশা আৰু পৰাজয়ৰ গ্লানিবাহক হ'ব লাগিব মাত্ৰ। তেন্তে উপায় কি? উপায় আছে। ধৰ্ম্ম সংস্কাৰ, ভাব আৰু কাৰ্য্যৰ সমন্বয় সাধন আৰু বৰ্ত্তমান সামাজিক দৃষ্টি-ভঙ্গীৰ আমূল পৰিবৰ্ত্তন সাধন কৰি বৈজ্ঞানিক দৃষ্টি গ্ৰহণ ক্ৰমে ভাৰতীয় সমাজৰ স্বৰূপ উদ্ঘাটন আৰু পুনৰ গঠন। প্ৰগতিও ইয়াতেই নিহিত। প্ৰগতি মানে সকলোকে ভাঙি ছিঙি একাকাৰ কৰি কিবা এটা নতুন সৃষ্টি নহয়; তেনে কৰিলে হ'ব বিস্তৃত কিমাকাৰহে। গতিকে কোনোবাই যদি সচাঁকৈ প্ৰগতিবাদী আছে আৰু প্ৰগতিবাদৰ প্ৰতি ভক্তি ৰাখে তেন্তে তেওঁ যেন বৰ্ত্তমান ভাৰতত থকা যোনিগত অৰ্থত উচ্চ নীচ জাতিভাবৰ বিৰুদ্ধে সংগ্ৰাম চলায়— চুৱা, অস্পৃশ্যতা, অমুক জাতিৰ লোকৰ হাতে নাখাও, তমুকৰ ঘৰত পানী নচলে ইত্যাদিৰ বিৰুদ্ধে জেহাদ ঘোষনা কৰে; বদত শুকাই বৰষুণত তিতি বোকাপানীৰ সৈতে দিনে নিশাই সংগ্ৰাম কৰি সমাজৰ খাদ্য যোগোৱা কিষাণ বা কৃষক মানুহ বিলাক হ'ল নীচ জাতৰ, শূদ্ৰ, অস্পৃশ্য, হাড় কপোৱা জাৰত জীৱন বিপন্ন কৰি নদী খাল বিলৰ পৰা মাছ মাৰি আনি সমাজক যোগান দিয়া লোক বিলাক হ'ল মাছুৱা, ডোম, নীচ জাতৰ, অস্পৃশ্য, খনিৰ পৰা ধাতু উলিয়াই সমাজৰ ৰূপ সৌন্দৰ্য্যৰ বৃদ্ধিৰ বাবে অলঙ্কাৰ তৈয়াৰ কৰা মানুহ বিলাক হ'ল সৰু জাতি, অস্পৃশ্য, মাটি খান্দি ব্যৱহাৰৰ বাবে সাচ বাচনৰ যোগান দিয়া মানুহবিলাক হ'ল হীৰা, কুমাৰ সৰু জাতি, অস্পৃশ্য, মৃত গৰু মহৰ ছাল কাটি আনি দেৱতাৰ মন্দিৰত পূজাৰ বাদ্য যন্ত্ৰৰ যোগান দিয়া মানুহবিলাক মুছিয়াৰ সৰু জাতি, অস্পৃশ্য ইত্যাদি ভাব, ধাৰণা আৰু কাৰ্য্যৰ বিৰুদ্ধে আজিৰ প্ৰগতিবাদী সকলে সংগ্ৰাম কৰক। জাতিৰ বৈশিষ্ট্যৰ বিকাশ সাধনৰ বাবে গণতান্ত্ৰিক ভিত্তিত গঢ়ি উঠা জাতিৰ সামাজিক আন্দোলনবোৰে তেতিয়া প্ৰগতিৰেই পৰিপূৰক হ'ব।

পৰিপন্থী নহয়। মানৱ সমাজৰ মঙ্গলৰ বাবে কৰা কৰ্ম্মৰ কোনো সক বৰ নাই, পৰিশ্ৰমৰ মৰ্য্যাদা প্ৰতিস্থা কৰক ; তেতিয়াহ'লে দেখা পোৱা যাব ভাৰতৰ হিন্দু সমাজক আৱৰি থকা শ্ৰেণী বা জাতিৰ আকাশৰ পৰা কলা মেঘ আঁতৰি গৈছে ; প্ৰকৃত ভাৰতীয় সাম্যবাদ, গীতা-ভাগৱতৰ সাম্যবাদ আপোনা আপুনি প্ৰতিস্থিত হৈছে। তাকে নকৰিলে 'অন্যায় যে কৰে আৰ অন্যায় যে সহে ; তব ঘৃণা যেন তাৰে তৃণ সম দহে' বুলি পৰম পিতাৰ আদালতত বৰ্ত্তমান হিন্দু সমাজৰ ওপৰত অভিসম্পাত দিয়াৰ বাহিৰে আন গত্যন্তৰ নাথাকিব।

সৰ্ব্ব শেষত কোচ-ৰাজবংশী জাতিৰ বা আন তেনে কোনো অৱহেলিত পদদলিত আৰু জঘণ্য চক্ৰান্তৰ মায়াজালত পৰি অধঃগতি হোৱা যিকোনো জাতিৰ বা গোষ্ঠীৰ জাগৰণৰ, দাবী আদিৰ প্ৰশ্ন উচ্চাৰণ কৰোতে যিবিলাক তথাকথিত উচ্চ বৰ্ণৰ বা আন আন সুবিধাবাদী লোক সকলৰ চকু চৰহে, অন্তৰ্দাহ হয় তেওঁলোকৰ বাবে বিবেকানন্দৰ বাণী "যাও বেৰিয়ে পড় ঘৰেৰ কোণ থেকে। যাও ভাৰতেৰ গ্ৰামে গ্ৰামে। নিজেৰ চক্ষে তাদেৰ দুৰ্দ্দশা দেখ। তাদেৰ বোঝ তাদেৰ মুখে অন্ন দেবাৰ ব্যৱস্থা কৰো। তাদেৰ মধ্যে শিক্ষা বিস্তাৰ কৰো। উচ্চ বৰ্ণেৰ হিন্দু কুসংস্কাৰ বশে মূঢ়েৰ মত যাদেৰ নীচ, অন্ত্যজ অস্পৃশ্য বলে ঘৃণা কৰে দূৰে ঠেলে ৰেখেছ সহস্ৰ বৎসৰেৰ অমানুসিক অত্যাচাৰ সহ্য কৰে যাৰা আছে, মানুষ হয়েও প্ৰাণহীন পশুৰ পদবীতে গিয়ে পৌছেছে তাদেৰ উদ্ধাৰ কৰিবাৰ জন্ত আমৰণ চেষ্টা কৰো।"

দোষ-ত্ৰুটী লিখকৰ। কথা শুৱী পাঠক বৃন্দৰ। ইতি—

বুদ্ধ পূৰ্ণিমা
১৯৬৯ ইং বে
বহ্নিপীঠ প্ৰকাশন, বঙাইগাওঁ।

বিনীত—
শ্ৰীঅম্বিকাচৰণ চৌধুৰী

পৰিশিষ্ট — ২

অধ্যক্ষ শ্ৰীঅম্বিকাচৰণ চৌধুৰীৰ (প্ৰাক্তন চৰকাৰ) ৰচিত "কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি"ৰ ১ম সংস্কৰণ, জুন, ১৯৬৯ ইং আৰু অন্যান্য সাহিত্য কৰ্মৰ ওপৰত কেইজনমান বিশিষ্ট আৰু পণ্ডিত ব্যক্তিৰ উল্লেখযোগ্য অভিমত।

1) ভাৰতীয় সাহিত্য একাডেমীৰ সভাপতি তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ লিখিত অভিমত :

"কোচসকলৰ ইতিহাস সম্পৰ্কে তন্ত্ৰ সাহিত্য, কোচৰাজ-বংশাৱলী, ফলি, কাৰ্চী বুৰঞ্জী, আহোম বুৰঞ্জী, পুৰাণ আৰু অসমীয়া বৈষ্ণৱ সাহিত্যত যিবোৰ সমল আছে সেইবোৰ গোটাই গোৱালপাৰা জিলাৰ অনুসন্ধিৎসু লিখক শ্ৰীঅম্বিকাচৰণ চৰকাৰে "কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি" নামৰ এখন গ্ৰন্থ উলিয়াইছে। সংস্কৃতিৰ বিৱৰণী দিওতে তেওঁ কোচ সকলৰ কিংবদন্তী, লোকাচাৰ, উৎসৱ আৰু লোক-গীতিৰ উল্লেখ কৰাৰ উপৰিও কোচ ৰজাসকলে নিৰ্ম্মাণ কৰোৱা মন্দিৰ আৰু তীৰ্থস্থানবোৰৰো উল্লেখ কৰিছে। এই বুৰঞ্জীখন পঢ়ি ধাৰণা হ'ল লিখকে হাতত পোৱা সকলো তথ্যকে সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে আৰু সেইবিলাকৰ সহায়ত তেওঁ পঞ্চম শতাব্দীৰ পৰা বৃটিছ যুগলৈকে এটি ধাৰাবাহিক ইতিহাস উদ্ধাৰ কৰিবলৈ যত্ন কৰিছে। লগে লগে তেওঁ কোচ সংস্কৃতিক খিলঞ্জীয়া অসমীয়া সংস্কৃতিৰ এটি প্ৰধান অঙ্গ হিচাবে চাবলৈ পাহৰি যোৱা নাই।.......কোচৰ বুৰঞ্জী ৰচনা কৰোতে তেওঁ তাক অসম, বঙ্গদেশ আৰু ভাৰতৰ বুৰঞ্জীৰ পৰা বিছিন্নকৈ চোৱা নাই।........এই ৰচনাবোৰৰ কোনেও মূল্যাঙ্কন নকৰাটো বাস্তবিকতে পৰিতাপৰ বিষয়। এইবিলাকত যিবোৰ নতুন লাগতিয়াল ইঙ্গিত

আছে সেইবোৰ ঘাই বুৰঞ্জীৰ সমল হিচাবে গ্ৰহণ কৰা আমাৰ কৰ্ত্তব্য। অম্বিকাচৰণ চৰকাৰৰ এই বুৰঞ্জীখনে আমাক স্পষ্ট ঐতিহাসিক কালৰ যিবোৰ নিৰ্ভৰযোগ্য সংবাদ দিছে, তাৰ আগৰ কালৰ তেনে সংবাদ দিব পৰা নাই। ..... অম্বিকাচৰণ চৰকাৰে কোচ সকলৰ বসতি অঞ্চল, ভাষা, কিম্বদন্তী, লোকসংস্কৃতি আৰু বাঢ়ি অহা মৰ্য্যাদাবোধৰ বিষয়ে যথেষ্ট তথ্যপাতি ডাঙি ধৰিছে। অসমীয়া বৈষ্ণৱ নৱ-জাগৰণত কোচ সকলৰ বৰঙণি আৰু নৰনাৰায়ণৰ দিনত সমগ্ৰ উত্তৰ-পূৱ ভাৰতত কোচ সকলৰ বসতি বিস্তাৰৰ বিষয়ো তেওঁৰ তথ্য গ্ৰহণ-যোগ্য। ......স্বকীয়া বৈশিষ্ট থকা সত্বেও কোচ-বুৰঞ্জী অসম তথা বঙ্গ দেশৰ বুৰঞ্জীৰ অবিচ্ছেদ্য অংশ। এই কথা অম্বিকাচৰণ চৰকাৰৰ বুৰঞ্জীয়ে বটিয়াকৈ প্ৰমাণ কৰে। ... অসমৰ বুৰঞ্জী পুনৰ নিৰ্ম্মাণৰ বাবে শ্ৰীচৰকাৰ ডাঙৰীয়াকো আমি সতীৰ্থ বুলি ধৰিছোঁ।"

দৈনিক অসম,
১৩ জুলাই, ১৯৬৯ ইং
পৃষ্ঠা - ৬

2) Dr. Suniti Kumar Chatterjee, National Professor of India in Humanities, Sudharma,, 16 Hindusthan Park, Cal- 29, Letter dated 7th July, 1969. & President Sahitya Akademy of India.

"Your book gives a very good resume of all the facts which have been recorded both in our purans and other traditional literatures·· and it makes quite a useful contribution to the study on the subject. I am sure your book will be well received as it fills a want in our historical literature in Bengali and Assamese."

3) Dr. Sukumar Sen, Block 2 Suite 32 10 Raja Raj-kissan street, Calcutta-6, Letter dated 11-7-69.

"You have put in a small compass all the essential facts and features of the history and culture of an important region in North East Corner of India.... I have read it with pleasure and profit.... I welcome you as a writer"

4) Dr. D. C. Sircar, Carmichael Professor and Head of the A I. H. C, Calcutta University, 51/2 Hazra Road, Calcutta-19. Letter dated 14th July 1969.

"I am glad to not the sense of devotion and regards with which you have approached the subject. With greetings and good wishes."

5) Shri B. P. Chaliha, Chief Minister, Assam, Shillong dated June 18, 1969.

"I am indeed very happy for your work on the Koches...."

6) Dr. Nagendra Nath Acharyya, Reader of History Deptt. Guwahati University, dated 10th April/1983 on Sangram Singha Chilarai.

"I can do no more than congratulate Principal Choudhury for his valuable study...and introduce the work to scholars and laymen alike for appriscal and appreciation."

7) Dr, Haripada Das, Deptt. of History, Bongaigaon College dated 1st Feb./91 on 'The Koches Around The World.'

"The Koches Around The World" by Sri Ambika Choran Choudhury is a beautiful attempt to find out the origin and political supremacy of this ethnic group of people through out the world.··· Sri Choudhury tried his best scholarly to establish the historical linkage giving references to many ancient scriptures and documents.··· I convey my sincere thanks to Principal Choudhury for his hard labour and scholastic out look to establish the project which is no doubt a difficult task."

৪) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সাহিত্যাচাৰ্য্য ৺অতুল চন্দ্ৰ হাজৰিকা : তাং ৩/৪/৮৩ ইং।

"শ্ৰীচৌধুৰী এজন নিষ্ঠাবান সমাজ সেৱক আৰু শিক্ষাবিদ হোৱাৰ উপৰিও সাহিত্যসেৱী। এওঁ পশ্চিম প্ৰান্তৰ বঙাইগাঁও অঞ্চলৰ মানুহ আৰু এতিয়া তাৰেই নৰ্মাল স্কুলৰ অধ্যক্ষ পদত আছে। শিক্ষক প্ৰশিক্ষণ বিদ্যালয়ৰ দৰে দায়িত্বপূৰ্ণ চৰকাৰী কামলৈয়ো তেওঁ অসম বুৰঞ্জীৰ অৱহেলিত পশ্চিম খণ্ডটোৰ কাৰণে হাতে-কামে মনোনিবেশ কৰাটো অতি সন্তোষৰ কথা হৈছে আৰু ই শলাগিবলগীয়া। ইয়াৰ আগতে শ্ৰীচৌধুৰীয়ে ৰচনা কৰা 'ৰত্নপীঠত এভুমুকি,' "কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি", 'কমতাপুৰত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ' আদি কেবাখনো তথ্যপূৰ্ণ গ্ৰন্থই এই 'বিষয়টোৰ প্ৰতি অৰ্থাৎ পশ্চিম অসমৰ বুৰঞ্জীৰ ভালেখিনি মূল্যবান তথ্য পোহৰলৈ আনিবলৈ সমৰ্থ হৈছে। পশ্চিম অসমৰ ৰত্নপীঠাঞ্চলৰ ৰত্নস্বৰূপ গৱেষক সাহিত্যিক শ্ৰীঅম্বিকাচৰণ চৌধুৰীয়ে বহু মূল্যবান কথাৰ মূল্যাংকণ কৰিছে।"

পৰিশিষ্ট—৩

গ্ৰন্থখনি প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰা তথ্য-পাতিৰ সহায়ক গ্ৰন্থাৱলীৰ তালিকা :—

১। স্বৰ্গীয় পদ্মনাথ গোহাই বৰুৱা, গুণেশ্বৰ বৰুৱা, সূৰ্য্য কুমাৰ ভূঞা, হেমচন্দ্ৰ গোস্বামী, গোলাপ চন্দ্ৰ বৰুৱা, কাশীনাথ তামুলী ফুকন, হলিৰাম ঢেকিযাল ফুকন, ৰায় বাহাদুৰ কনকলাল বৰুৱা, ডিম্বেশ্বৰ নেওগ প্ৰমুখ্যে ৰচিত কামৰূপ তথা অসমৰ বুৰঞ্জী বিষয়ক গ্ৰন্থ সমূহ।

২। সৰ্ব্বশ্ৰী- মহেশ্বৰ নেওগ— প্ৰাচ্য শাসনাৱলী, নগেন্দ্ৰ নাথ আচাৰ্য্য— অসম বুৰঞ্জী, সত্যেন্দ্ৰ নাথ শৰ্ম্মাৰ- অসমীয়া সাহিত্যৰ ইতিবৃত্তি ইত্যাদি।

৩। ৰামায়ণ, মহাভাৰত, ভাগৱত, পুৰাণ আৰু তন্ত্ৰ সমূহ, মনুসংহিতা, ঋগ্বেদ।

৪। কৌটিল্যৰ অৰ্থশাস্ত্ৰ, বানভট্টৰ হৰ্ষচৰিত।

৫। ডি, ডি, কৌশম্বী, যদুনাথ সৰকাৰ, তাৰাচাঁদ, আৰ, চি, মজুমদাৰ, প্ৰমুখ্যে বুৰঞ্জীবিদ সকলৰ দ্বাৰা ৰচিত ভাৰত বুৰঞ্জীসমূহ।

৬। কোচবিহাৰেৰ ইতিহাস— খাঁ চাহাব আমানতুল্লা।

৭। কোচবিহাৰ পৰিক্ৰমা— মৃণাল কান্তি দাস।

৮। ৰাজ বংশাৱলী, হৰিভক্ত তৰঙ্গ— দুৰ্গাদাস মজুমদাৰ।

৯। ৰাজোপাখ্যান— জয়নাথ ঘোষ মুন্সী।

১০। বেহাৰদস্ত : গৌড়ৰে ইতিহাস, আলমগীৰ নামা, ৰিয়াজ-উস-সালাতিন, আইনি আকবৰী, ফতিহা'-ই-ইব্ৰিয়া।

১১। ৰাজবংশী কুলপ্ৰদীপ— ৺হৰকিশোৰ অধিকাৰী।

১২। বৃহৎ ৰাজবংশাৱলী— ৰাজা হৰেন্দ্ৰ নাৰায়ণ।

১৩। দৰং ৰাজবংশাৱলী— সূৰ্য্যখড়ি দৈৱজ্ঞ।

১৪। ৰত্নপীঠত এভুমুকি, সংগ্ৰামসিংহ চিলাৰায়, যুৱৰাজ শুক্লধ্বজৰ সাহিত্য প্ৰতিভা, নৰৰূপে নাৰায়ণ :— শ্ৰীঅম্বিকাচৰণ চৌধুৰী।

১৫। কথাগুৰু চৰিত— ৰামচৰণ ঠাকুৰ।

১৬। Social History of Kamrup— N. N. Basu

১৭। The Koches Around The World.
—Ambikachoran Choudhury.

১৮। Literature of Kamata-Cooch Behar Raj Durbar—
—Ajoy Kumar Chakravorty

১৯। Glimpses of Bengal— A. C. Cambell.

২০। Coinage and Economy of North Eastern India.
—Sign & Ahmed

২১। Descriptive Account of Assam— Robinson.

২২। History of Bengal— Dacca University

২৩। Princes & Chiefs of India— S. Jahangir

২৪। Introduction to Assam— Dimbeswar Neog.

২৫। Rajbonshies of North Bengal— Charu Sannayal.

২৬। History of Assam— Edward Gait

২৭। Assam District Gazetters-1901— B. C. Allen.

২৮। Linguistic Survey of India— Grierson.

২৯। Kirata-Jana-Kirti— S. K Chatterjee.

৩০। Coins and Chronology of Early Independent Sultanates— N. K. Bhattasali.

৩১। Story of Bhutan War— Dr. Rennie.

৩২। History of Medieval Assam— by N. N. Acherjee.

৩৩। Dynastic History of Northen India— H. C. Roy.

৩৪। Report of Father Stephan Cacella on Assam.
—Journal of Asiatic Research Society ইত্যাদি।



জন্ম :— ইং ১৫১০ চন, মাঘী পূর্ণিমা তিথি।

মৃত্যু :— ইং ১৫৭১ চন, দৌল পূর্ণিমা তিথি।

ইং ১৯৮৪ চনৰ ১৬ ফেব্ৰুৱাৰী, বৃহস্পতিবাৰে শৰাইঘাট দলঙৰ উত্তৰপাৰ আমিনগাঁও চ'কত মহাবীৰজনাৰ ৪৭৪ তম্ জন্মোৎসৱত ৰাজহুৱা ভাবে উন্মোচন হোৱা ব্ৰঞ্জৰ প্ৰতিমূৰ্ত্তি।

॥ জয় গুৰুবীৰ বাই।

। কিছু অমংগল নাই ॥